PG ED S2-02 (DSC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি বি চি এচ; এন ই পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

শিক্ষাত পৰিমাপন আৰু মূল্যায়ন

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমনি গোস্বামী, শিক্ষা বিভাগ, গৌহাটী বিশ্ববিদ্যালয়

অধ্যাপক নীল ৰতন ৰয়, শিক্ষা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, NERIM নেৰিম, (প্ৰাক্তন সহযোগী অধ্যাপক গৌহাটী মহাবিদ্যালয়)

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী

ড° অৰ্চনা অধিকাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৰিহণা যোগাইছে**
১ - ৯	ড° মুকুল শইকীয়া, দৰং কলেজ, তেজপুৰ
১০, ১১ আৰু ১২	ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, গৌহাটী মহাবিদ্যালয়
১৩	ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৪	ড° শ্রদ্ধাঞ্জলি প্রধান, তেজপুৰ বিশ্ববিদ্যালয়
১৫	ড° উৎপল কলিতা, আৰ. জি. বৰুৱা কলেজ
অধ্যায়	**ভাষান্তৰকাৰী**
১ আৰু ২	মনোজ কুমাৰ শর্মা, প্রবক্তা, চৰকাৰী বি.টি. কলেজ, গোৱালপাৰা
৩ আৰু ৪	হৃদয়ানন্দ ৰৱা, উত্তৰ-গৌহাটী মহাবিদ্যালয়
৫, ৬ আৰু ৭	ড° অপৰাজিতা শর্মা, মানৱেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া
৮	ড° অর্চনা অধিকাৰী , কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯, ১০ আৰু ১১	গীতাঞ্জলি মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১২ ৰ পৰা ১৫	ড০ অপৰাজিতা শর্মা, মানৱেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনাঃ

অধ্যাপক পলী শইকীয়া, গৌহাটী বিশ্ববিদ্যালয়

অধ্যাপক মল্লিকা কলিতা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু প্রাচীন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী

ড° নীলিমা ডেকা, এল.চি.বি. কলেজ, গুৱাহাটী

ভাষা সম্পাদনাঃ

ড° অপু ৰৱা, মাইবাং ডিগ্রী কলেজ

(অধ্যায়— ৩, ৪. ৫, ৬, ৭, ৮ আৰু ১৫)

নিহাৰিকা গগৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

(অধ্যায়— ১, ২ আৰু ৯ – ১৪)

গাঁথনিক সম্পাদনাঃ

ড° অর্চনা অধিকাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গঠন, বিন্যাস আৰু গ্রাফিক্সঃ

ড° অর্চনা অধিকাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ মে', ২০২৬

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত

মুখ্য কার্যালয়ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী- ৭৮১ ০১৭

নগৰ চৌহদঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী ৭৮১ ০২২

Web : www.kkhsou.ac.in

বিষয়সূচী

অধ্যায় **পৃষ্ঠা**

অধ্যায় ১ : শৈক্ষিক পৰিমাপ **৯ - ২২**

পৰিমাপনৰ অর্থ, পৰিমাপনৰ প্রকাৰ, শৈক্ষিক পৰিমাপনৰ অর্থ, শৈক্ষিক পৰিমাপনৰ স্বৰূপ, শৈক্ষিক পৰিমাপনৰ কার্যাৱলী, পৰিমাপনৰ স্তৰসমূহ।

অধ্যায় ২ : মনোবৈজ্ঞানিক অভীক্ষা **২৩ - ৫৪**

মনোবৈজ্ঞানিক অভীক্ষাৰ সংক্ষিপ্ত ইতিহাস, মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ আৰু সংজ্ঞা, মনোবৈজ্ঞানিক অভীক্ষাৰ স্বৰূপ, পৰীক্ষা, পৰীক্ষণ আৰু মূল্যায়ন, মনোবৈজ্ঞানিক অভীক্ষাৰ প্রকাৰসমূহ, মনোবৈজ্ঞানিক অভীক্ষাৰ কার্যাৱলী, মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ, এটা উত্তম অভীক্ষাৰ অর্থ, উত্তম অভীক্ষৰ ব্যৱহাৰিক মানদণ্ড, আৰু উত্তম অভীক্ষাৰ কাৰিকৰী মানদণ্ড।

অধ্যায় ৩ : শিক্ষাত মূল্যায়ন **৫৫ - ৭৮**

মূল্যায়নৰ অর্থ আৰু সংজ্ঞা, পৰিমাপন, নির্ধাৰণ আৰু মূল্যায়ন, শৈক্ষিক মূল্যায়নৰ স্বৰূপ, পৰিমাপন আৰু মূল্যায়নৰ মাজৰ সম্পর্ক, মূল্যায়নৰ নীতিসমূহ, মূল্যায়নৰ ধাপসমূহ, শিক্ষাত মূল্যায়নৰ গুৰুত্ব, মূল্যায়নৰ সঁজুলি আৰু কৌশলসমূহ, মূল্যায়নৰ প্রকাৰসমূহ।

অধ্যায় ৪ : অভীক্ষা নির্মাণ আৰু মান্যকৰণ **৭৯ - ৯২**

মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ, মান্যকৃত অভীক্ষাৰ অর্থ আৰু বৈশিষ্ট্যসমূহ, অভীক্ষা নির্মাণৰ নীতিসমূহ, অভীক্ষা নির্মাণ আৰু মান্যকৰণৰ পদ্ধতিসমূহ।

অধ্যায় ৫ : অভীক্ষাৰ প্রশ্নপদ **৯৩ - ১০৯**

অভীক্ষাৰ প্রশ্নপদ ৰ অর্থ, অভীক্ষাৰ প্রশ্নপদ ৰ উদ্দেশ্য বা লক্ষ্যসমূহ, পৰীক্ষাৰ অভীক্ষাৰ প্রশ্নপদ ৰ বিশ্লেষণ আৰু বাছনি, জটিলতাৰ স্তৰ নির্ধাৰণ, বৈষম্যমূলক ক্ষমতা নির্ধাৰণ, বিভ্রান্তিকাৰক বিশ্লেষণ, বিভিন্ন ধৰণৰ অভীক্ষাৰ প্রশ্নপদ প্রস্তুতকৰণ, বিভিন্ন ধৰণৰ অভীক্ষাৰ প্রশ্নপদ নির্মাণৰ নির্দেশনাসমূহ।

অধ্যায় ৬ : বৈধতা **১১০ - ১২২**

বৈধতাৰ অর্থ আৰু সংজ্ঞাসমূহ, অভীক্ষাৰ বৈধতাক প্রভাৱিত কৰা উপাদানসমূহ, অভীক্ষাৰ বৈধতাৰ প্রকাৰসমূহ, অভীক্ষাৰ বৈধতা নির্ধাৰণৰ পদ্ধতিসমূহ।

অধ্যায় ৭ : নির্ভৰযোগ্যতা **১২৩ - ১৩৫**

নির্ভৰযোগ্যতাৰ অর্থ আৰু সংজ্ঞা, নির্ভৰযোগ্যতা প্রভাৱিত কৰা উপাদানসমূহ, নির্ভৰযোগ্যতাৰ নির্ধাৰণৰ পদ্ধতিসমূহ, নির্ভৰযোগ্যতা আৰু বৈধতাৰ মাজৰ সম্পর্ক।

অধ্যায় ৮ : শৈক্ষিক কৃতিত্ব আৰু ইয়াৰ পৰিমাপ **১৩৬ - ১৫৮**

শৈক্ষিক কৃতিত্বৰ অর্থ, শৈক্ষিক কৃতিত্বৰ পৰিমাপ, কৃতিত্ব পৰীক্ষাৰ উদ্দেশ্যসমূহ, কৃতিত্ব পৰীক্ষাৰ প্রকাৰসমূহ, মান্যকৃত কৃতিত্ব পৰীক্ষা, শিক্ষক-নির্মিত কৃতিত্ব পৰীক্ষা, ৰচনাধর্মী, বস্তুনিষ্ঠ আৰু চমু উত্তৰধর্মী পৰীক্ষাসমূহ, মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নির্মিত পৰীক্ষাৰ মাজৰ পার্থক্য।

অধ্যায় ৯ : বুদ্ধি পৰীক্ষা আৰু ইয়াৰ পৰিমাপন **১৫৯ - ১৭৯**

বুদ্ধিমত্তাৰ অর্থ আৰু সংজ্ঞাসমূহ, বুদ্ধিমত্তাৰ তত্ত্বসমূহৰ সংক্ষিপ্ত আভাস, বুদ্ধিমত্তাৰ পৰিমাপন, বুদ্ধিমত্তা পৰীক্ষাৰ প্রকাৰসমূহ, বুদ্ধিমত্তা পৰীক্ষাৰ ব্যৱহাৰসমূহ, বুদ্ধিমত্তা পৰীক্ষা নির্মাণ।

অধ্যায় ১০ : শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপন **১৮০ - ২০৮**

শিক্ষা গ্রহণ ক্ষমতাৰ অর্থ, শিক্ষা গ্রহণ ক্ষমতা ৰ সংজ্ঞাসমূহ, শিক্ষা গ্রহণ ক্ষমতাৰ স্বৰূপ/বৈশিষ্ট্যসমূহ, শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপন, শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ অর্থ, শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ প্রকাৰসমূহ, বহুমুখী শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা, সাধাৰণ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা বেটাৰী (GATB), পার্থক্যমূলক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (DAT), প্রাথমিক মানসিক ক্ষমতা পৰীক্ষা (PMA), বিশেষ শিক্ষা গ্রহণ ক্ষমতা পৰিমাপসমূহ, যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা, কার্যালয়িক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাসমূহ, সংগীত আৰু কলাত্মক ক্ষমতা, কলাৰ বাবে শিক্ষা গ্রহণ ক্ষমতা পৰিমাপন, শৈক্ষিক আৰু পেছাগত শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাসমূহ, শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ গুৰুত্ব।

অধ্যায় ১১ : মনোভাৱৰ পৰিমাপন **২০৯ - ২৩৩**

মনোভাৱৰ অর্থ, মনোভাৱৰ সংজ্ঞাসমূহ, মনোভাৱৰ স্বৰূপ বা বৈশিষ্ট্যসমূহ, মনোভাৱ পৰীক্ষাৰ গুৰুত্ব, মনোভাৱৰ পৰিমাপন, মনোভাৱ পৰীক্ষাৰ প্রকাৰসমূহ, মনোভাৱ স্কেলসমূহ, থার্ষ্টোন স্কেল, লিকার্ট ধৰণৰ স্কেল, অর্থগত পার্থক্য স্কেল, গাটমেন স্কেলসমূহ, ৰেমার্ছ আৰু ছিলেন্সৰ মুখ্য স্কেল পদ্ধতি, মূল্যায়ন স্কেলসমূহ, শ্রেণীক্রম স্কেলসমূহ, জনসংখ্যাৰ শতাংশ স্কেলসমূহ, পৰোক্ষ স্কেলসমূহ, প্রক্ষেপণ কৌশলসমূহ।

অধ্যায় ১২ : আগ্রহৰ পৰিমাপন **২৩৪ - ২৫১**

আগ্রহৰ অর্থ, আগ্রহৰ সংজ্ঞাসমূহ, আগ্রহৰ প্রকাৰসমূহ, আগ্রহৰ স্বৰূপ, আগ্রহৰ পৰিমাপন, আগ্রহ পৰিমাপনৰ কৌশলসমূহ, আনুষ্ঠানিক নির্ধাৰণ কৌশলসমূহ : আগ্রহ তালিকাসমূহ, শক্তিশালী বৃত্তিমূলক আগ্রহ তালিকা (SVIB), কুডাৰ পছন্দ নথি (KPR), থার্ষ্টোনৰ বৃত্তিমূলক আগ্রহ সূচী, অনানুষ্ঠানিক নির্ধাৰণ কৌশলসমূহ, আগ্রহ পৰীক্ষাৰ গুৰুত্ব।

অধ্যায় ১৩ : ব্যক্তিত্বৰ পৰিমাপন **২৫২ - ২৭৪**

ব্যক্তিত্ব নির্ধাৰণৰ পদ্ধতিসমূহ, বিষয়গত পদ্ধতি, বস্তুনিষ্ঠ পদ্ধতি, প্রক্ষেপণ পদ্ধতি।

অধ্যায় ১৪ : সৃষ্টিশীলতাৰ পৰিমাপন **২৭৫ - ২৯২**

সৃষ্টিশীলতাৰ অর্থ, সৃষ্টিশীল ব্যক্তিত্বৰ মানদণ্ডসমূহ, সৃষ্টিশীল চিন্তাৰ পৰিমাপন, বিভিন্ন স্তৰৰ শিক্ষার্থীৰ বাবে সৃষ্টিশীল চিন্তাৰ পৰিমাপন।

অধ্যায় ১৫ : মূল্যায়ণৰ উন্মেষিত ধাৰা বা প্ৰৱণতা **২৯৩ - ৩১০**

প্রশ্ন বেংকৰ ধাৰণা, প্রশ্ন বেংকৰ উদ্দেশ্যসমূহ, প্রশ্ন বেংক নির্মাণ, প্রশ্ন বেংকৰ ব্যৱহাৰ, গ্রেডিং পদ্ধতিৰ ধাৰণা, গ্রেডিং পদ্ধতিৰ পদ্ধতিসমূহ, গ্রেডিং পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ, ষান্মাসিক পদ্ধতিৰ ধাৰণা, ষান্মাসিক পদ্ধতিৰ উপাদানসমূহ, ষান্মাসিক পদ্ধতিৰ সুবিধা আৰু অসুবিধাসমূহ, মূল্যায়নত কম্পিউটাৰৰ ব্যৱহাৰ।

প্রসংগপুথি **৩১১ - ৩১২**

পাঠ্যবিষয়ৰ পৰিচয়ঃ

এইটো দুবছৰীয়া স্নাতকোত্তৰ ডিগ্ৰী স্তৰৰ দ্বিতীয় ষান্মাসিকৰ শিক্ষাবিষয়ক দ্বিতীয় পাঠ্যক্ৰম। এই পাঠ্যক্ৰমত মূলতঃ শিক্ষাত পৰিমাপন আৰু মূল্যায়নৰ মৌলিক ধাৰণাসমূহ আলোচনা কৰা হ'ব। আমি জানো যে পৰিমাপন আৰু মূল্যায়ন সমগ্ৰ শিক্ষা ব্যৱস্থাৰ অবিচ্ছেদ্য অংশ। সেয়েহে, এই পাঠ্যক্ৰমে আপোনাক শিক্ষাক্ষেত্ৰত পৰিমাপন আৰু মূল্যায়নৰ মুখ্য উপাদানসমূহৰ সৈতে পৰিচিত কৰি তুলিব। পাঠ্যক্ৰমটোৰ প্ৰথম অংশই আপোনাক বিভিন্ন পৰিমাপন আৰু মূল্যায়ন প্ৰক্ৰিয়া আৰু পদ্ধতিৰ বিষয়ে জ্ঞান দিব। পিছৰ অংশত ব্যক্তিগতভাৱে বা গোটৰ ওপৰত প্ৰয়োগ আৰু পৰিচালনা কৰিব পৰা বিভিন্ন ধৰণৰ পৰীক্ষাৰ বিষয়ে আলোচনা কৰা হ'ব। এই পাঠ্যক্ৰম অধ্যয়নৰ পিছত, পৰিমাপন আৰু মূল্যায়ন আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াত ইয়াৰ প্ৰয়োগ সম্পৰ্কে আপোনাৰ এটা স্পষ্ট ধাৰণা গঢ় লৈ উঠিব।

প্ৰথম অধ্যায়ত — "শৈক্ষিক পৰিমাপন"ত শৈক্ষিক পৰিমাপনৰ অৰ্থ, স্বৰূপ আৰু পৰিমাপনৰ বিভিন্ন স্তৰৰ বিষয়ে আলোচনা কৰা হৈছে। **দ্বিতীয়** অধ্যায়ত — "মনোবৈজ্ঞানিক পৰীক্ষা"ত মনোবৈজ্ঞানিক পৰীক্ষাৰ অৰ্থ, স্বৰূপ, কাৰ্য আৰু শিক্ষাক্ষেত্ৰত ইয়াৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হৈছে। **তৃতীয়** অধ্যায়ত — "শিক্ষাত মূল্যায়ন", যিটো ইয়াৰ গুৰুত্বৰ দিশৰ পৰা অতি তাৎপৰ্যপূৰ্ণ, ইয়াত মূল্যায়নৰ মৌলিক ধাৰণা, স্বৰূপ, সঁজুলি, নীতি আৰু প্ৰকাৰসমূহ আলোচনা কৰা হৈছে। **চতুৰ্থ** অধ্যায়ত — "পৰীক্ষা নিৰ্মাণ আৰু মান্যকৰণ"ত বিভিন্ন ধাপৰ মাধ্যমেৰে পৰীক্ষা নিৰ্মাণ আৰু মান্যকৰণৰ মৌলিক পদ্ধতি আলোচনা কৰা হৈছে। **পঞ্চম** অধ্যায় ত — "পৰীক্ষাৰ বিষয়বস্তু"ত বিভিন্ন পৰীক্ষাৰ বিষয়বস্তুৰ বিশ্লেষণ, বাছনি আৰু প্ৰস্তুতিকৰণৰ বিষয়ে আলোচনা কৰা হৈছে, যিবোৰ মনোবৈজ্ঞানিক পৰীক্ষাৰ এক অবিচ্ছেদ্য অংশ। **ষষ্ঠ** অধ্যায়ত — "বৈধতা" আৰু **সপ্তম** অধ্যায়ত — "বিশ্বস্ততা"ত ক্ৰমে বৈধতা আৰু বিশ্বস্ততাৰ অৰ্থ, স্বৰূপ আৰু পৰীক্ষণ পদ্ধতি আলোচনা কৰা হৈছে। **অষ্টম** অধ্যায়ত — "শৈক্ষিক কৃতিত্ব আৰু ইয়াৰ পৰিমাপন"ত বিভিন্ন ধৰণৰ শৈক্ষিক কৃতিত্ব পৰীক্ষা আৰু ইয়াৰ পৰিমাপনৰ পদ্ধতি ব্যাখ্যা কৰা হৈছে। **নৱম** অধ্যায়ত — "বুদ্ধিমত্তা পৰীক্ষা আৰু ইয়াৰ পৰিমাপন"ত কেনেদৰে বুদ্ধিমত্তা পৰীক্ষা নিৰ্মাণ আৰু পৰিমাপন কৰা হয়, সেই বিষয়ে ব্যাখ্যা কৰা হৈছে। ইয়াত বিভিন্ন ধৰণৰ বুদ্ধিমত্তা পৰীক্ষাৰ বিষয়েও আলোচনা কৰা হৈছে। **দশম** অধ্যায়ত — "যোগ্যতাৰ পৰিমাপন"ত ব্যক্তিৰ যোগ্যতাৰ মৌলিক ধাৰণা আৰু ইয়াৰ পৰিমাপনৰ বিষয়ে আলোচনা কৰা হৈছে। **একাদশ** অধ্যায়ত — "মনোভাৱৰ পৰিমাপন"ত ব্যক্তিৰ মনোভাৱৰ অৰ্থ, স্বৰূপ, শ্ৰেণীবিভাজন আৰু পৰিমাপনৰ বিষয়ে আলোচনা কৰা হৈছে। **দ্বাদশ** অধ্যায়ত — "আগ্ৰহৰ পৰিমাপন"ত আগ্ৰহৰ মৌলিক ধাৰণা, স্বৰূপ আৰু আগ্ৰহ পৰিমাপনৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। **ত্ৰয়োদশ** অধ্যায়ত — "ব্যক্তিত্বৰ পৰিমাপন", যিটো আলোচনা বিষয় হিচাপে অতি গুৰুত্বপূৰ্ণ, ইয়াত মানৱ ব্যক্তিত্বৰ বিভিন্ন পৰিমাপন কৌশলৰ বিষয়ে আলোচনা কৰা হৈছে। **চতুৰ্দশ** অধ্যায়ত — "সৃষ্টিশীলতাৰ পৰিমাপন"ত সৃষ্টিশীলতাৰ অৰ্থ, স্বৰূপ, সৃষ্টিশীল ব্যক্তিত্বৰ বিভিন্ন মানদণ্ড, লগতে বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ বাবে সৃষ্টিশীল চিন্তাৰ পৰিমাপনৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। **পঞ্চদশ** আৰু **অন্তিম অধ্যায়**ত — "মূল্যায়নত উদীয়মান ধাৰা"ত মূল্যায়ন ক্ষেত্ৰৰ বিভিন্ন নতুন ধাৰা যেনে — প্ৰশ্ন বেংক, গ্ৰেডিং পদ্ধতি, আৰু শিক্ষাত ষান্মাসিক পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

এই পাঠ্যক্ৰমটো পঢ়ি থাকোঁতে আপুনি লিখনীৰ মাজত কিছুমান বাকচৰ সন্মুখীন হ'ব। এই বাকচবোৰে আপোনাক লিখনীৰ ভিতৰত কিছুমান গুৰুত্বপূৰ্ণ কথা আৰু ধাৰণা সম্পৰ্কে অধিক বুজাব। ইয়াৰ উপৰিও কিছুমান বহল আৰু চুটি প্ৰশ্ন থাকিব যিবোৰ প্ৰতিটো অধ্যায়তে "**কাৰ্যকলাপ**" আৰু " **অগ্ৰগতি নিৰীক্ষণ**"ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে

কার্যকলাপে আপোনাৰ চিন্তা আৰু যুক্তিৰ ক্ষমতা বৃদ্ধি কৰিব কাৰণ কার্যকলাপত ৰখা প্রশ্নসমূহ প্রত্যক্ষভাৱে পাঠ্যৰ পৰা আহৰণ কৰা নহয়। চুটি প্রশ্নৰ উত্তৰৰ ইংগিত **"অগ্রগতিৰ খতিয়ান"** শিতানৰ অধীনত ৰখা হৈছে । ইয়াৰ উপৰিও **"সম্ভাৱ্য আৰ্হি প্রশ্ন"**ত পাঠ সম্পর্কীয় কেইটামান প্রশ্ন প্রকাশ কৰা হৈছে। এই প্রশ্নবোৰে পৰীক্ষাৰ বাবে সম্ভাৱ্য বিষয়বোৰৰ ওপৰত আপোনাৰ দৃষ্টি আকর্ষণ কৰাত সহায় কৰিব যাতে আপুনি আত্মবিশ্বাস আৰু দৃঢ়তাৰে পৰীক্ষাৰ বাবে প্রস্তুতি চলাব পাৰে।

অধ্যায় ১ : শৈক্ষিক পৰিমাপ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ শৈক্ষিক পৰিমাপ
  ১.৩.১ পৰিমাপৰ প্ৰকাৰ
১.৪ শৈক্ষিক পৰিমাপৰ অৰ্থ
১.৫ শৈক্ষিক পৰিমাপৰ প্ৰকৃতি
১.৬ শৈক্ষিক পৰিমাপৰ কাৰ্যাৱলী
১.৭ পৰিমাপৰ মাপকাঠী বা স্কেল
১.৮ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্ৰগতিৰ খতিয়ান
১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- পৰিমাপৰ অৰ্থ আৰু প্ৰকাৰৰ বিষয়ে বুজিব পাৰিব।
- শৈক্ষিক পৰিমাপৰ সংজ্ঞা নিৰূপন আৰু প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব।
- শৈক্ষিক পৰিমাপৰ কাৰ্য্যাৱলী ব্যাখ্যা কৰিব পাৰিব।
- পৰিমাপৰ বিভিন্ন স্তৰ আৰু মাপকাঠীৰ বিষয়ে বাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

পৰিমাপ হৈছে মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। আমাৰ দৈনন্দিন জীৱনৰ প্ৰায় সকলো দিশতে পৰিমাপ বিভিন্ন ৰূপত জড়িত হৈ আছে। ৰ'ছ আৰু ষ্টেনলি (Ross and Stanley)-এ তেওঁলোকৰ গ্ৰন্থ *Measurement in Today's School*-ত উল্লেখ কৰিছে যে, "জন্মৰ পৰা মৃত্যুলৈকে আমাৰ জীৱনৰ বিভিন্ন মুহূৰ্তত পৰিমাপ প্ৰক্ৰিয়াই নানান ৰূপত স্পৰ্শ কৰি থাকে।" জন্মৰ সময়ত গুৰুত্বপূৰ্ণ পৰিঘটনাসমূহৰ তথ্য পৰিচাৰিকাৰ তত্ত্বাৱধানত সাৱধানে লিপিবদ্ধ কৰা হয়। পৰৱৰ্তী

কেইদিনমানৰ ভিতৰত শিশুটিৰ ওজন, শৰীৰৰ উত্তাপ আদি পৰিমাপ কৰাটো চিকিৎসালয়ৰ দৈনন্দিন কামৰ অংশ হৈ পৰে। ইয়াৰ পিছৰ পর্যায়ত বিদ্যালয়তেই হওক বা বাহিৰতেই হওক, ঘড়ী, ভাৰসাম্য যন্ত্ৰ, থার্মোমিটাৰ, ধনৰ লেনদেন আৰু অন্যান্য পৰিমাপৰ মাধ্যমসমূহে প্ৰতিজন মানুহৰ জীৱনত বিশেষ ভূমিকা পালন কৰে। এইদৰে বিভিন্ন ৰূপত পৰিমাপে মানুহৰ জীৱন বহু পৰিমাণে নিয়ন্ত্ৰণ কৰে। দৈনন্দিন কার্য যেনে— ক্ৰয়-বিক্ৰয়, ৰন্ধা-বঢ়া, চিলাই কৰা, নির্মাণ কার্য, ৰোগ নির্ণয়, ঔষধ ব্যৱহাৰ কৰা আদি অসংখ্য ক্ষেত্ৰত বিভিন্ন ৰূপত পৰিমাপৰ প্ৰয়োজন হয়। সেয়েহে, পৰিমাপৰ ধাৰণাটো আমাৰ বাবে নতুন বা জটিল নহয়। এই অধ্যায়ত আমি শিক্ষাক্ষেত্ৰত পৰিমাপৰ সামগ্ৰিক ধাৰণাটোৰ বিষয়ে আলোচনা কৰিম।

১.৩ পৰিমাপৰ অর্থ

সাধাৰণ অর্থত ক'বলৈ গ'লে, কোনো বস্তুৰ আকাৰ, মাত্ৰা, পৰিমাণ আদি নির্ণয় কৰা কার্য বা প্ৰক্ৰিয়াক পৰিমাপ বোলা হয়। ই হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা কোনো ব্যক্তি, বস্তু বা পৰিঘটনাৰ কিছুমান বৈশিষ্ট্য নির্দিষ্ট নিয়ম অনুসৰি সংখ্যা বা চিহ্নৰ ৰূপত উপস্থাপন কৰা হয়। পৰিমাপৰ দ্বাৰা কোনো এটা বস্তু কিমান ডাঙৰ বা সৰু, কিছুমান বেছি বা কম, কিমান দীঘল বা চুটি, কিমান উচ্চ বা নিম্ন আদি নির্ণয় কৰা যায়। বিভিন্ন ধৰণৰ পৰিমাপ কৰিবলৈ কিলোগ্ৰাম, মিটাৰ, ফুট, ইঞ্চি আদি বিভিন্ন একক ব্যৱহাৰ কৰা হয়। তদুপৰি, ওজন জোখা সঁজুলি, থার্মোমিটাৰ, জোখ-মাপৰ স্কেল আদি বিভিন্ন উপকৰণো ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, শ্ৰেণীকোঠাৰ দৈর্ঘ্য, প্ৰস্থ আৰু উচ্চতা আদি ভৌতিক মাত্ৰা জুখিবলৈ জোখ-মাপৰ স্কেলৰ দৰে সঁজুলিৰ প্ৰয়োজন হয় আৰু এই পৰিমাপ মিটাৰ, ফুট বা ইঞ্চিৰ দৰে এককত প্ৰকাশ কৰা হয়।

মনোমাপক বিশেষজ্ঞসকলে পৰিমাপৰ অর্থ বাখ্যা কৰিবলৈ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। ইয়াৰে কিছুমান উল্লেখযোগ্য সংজ্ঞা তলত দিয়া হ'ল—

- **এচ. এচ. ষ্টিভেনচ্ (S. S. Stevens)**-ৰ মতে, "কোনো বিষয় বা বস্তুক নির্ধাৰিত নিয়ম অনুসৰি সংখ্যামান প্ৰদান কৰা কার্যক পৰিমাপ বুলি কোৱা হয়।"
- **জেমচ এম. ব্ৰেডফিল্ড (James M. Bradfield)**-ৰ মতে, "সংখ্যা প্ৰতীকৰ দ্বাৰা কোনো বিষয়ৰ পৰিমাণ নির্ধাৰণ কৰি বিষয়টো সম্পর্কে সঠিক ধাৰণা গঠন আৰু অন্যান্য বিষয়ৰ লগত ইয়াৰ সম্পর্ক নিৰূপণ কৰা কার্যই হৈছে পৰিমাপ।"
- **গিলফোর্ড (Guilford)**-ৰ মতে, "কোনো তথ্যৰ সংখ্যামূলক ব্যাখ্যাই হৈছে পৰিমাপ। ইয়াৰ অর্থ হৈছে সংখ্যা আৰু গাণিতিক চিন্তাৰ ক্ৰিয়াকলাপে প্ৰদান কৰা বহুতো সুবিধাৰ সহায় লোৱা।"

এইদৰে পৰিমাপৰ অর্থ হৈছে তথ্যৰ পৰিমাণ নির্ণয় কৰা কার্য্য। পৰিমাপৰ লগত কোনো বস্তু, পৰিঘটনা বা ইয়াৰ বৈশিষ্ট্যক প্রতীকী বা সংখ্যাগত ৰূপত উপস্থাপন কৰাৰ প্রক্রিয়া জড়িত হৈ থাকে। কোনো বস্তু, পৰিঘটনা আৰু ইয়াৰ বৈশিষ্ট্যসমূহ পৰিমাপৰ বাবে ব্যৱহাৰ কৰা এককৰ সৈতে তুলনা কৰিলে আৰু অধিক বুজিব পৰা হয়।

১.৩.১. পৰিমাপৰ প্রকাৰ

পৰিমাপে দৈনন্দিন কাম-কাজৰ বিভিন্ন ক্ষেত্রত সকলোৰে জীৱন স্পর্শ কৰে। অৱশ্যে সকলো পৰিমাপৰ প্রকৃতি আৰু উদ্দেশ্য একে নহয়। উদাহৰণস্বৰূপে, এটা কোঠাৰ পৰিমাপৰ লগত ব্যক্তিৰ বুদ্ধি বা কৃতিত্বৰ পৰিমাপৰ প্রকৃতি আৰু উদ্দেশ্যৰ ক্ষেত্রত বহু পৰিমাণে পার্থক্য আছে। তদুপৰি প্রথম ক্ষেত্রত ভৌতিক বিজ্ঞানসম্মত উপকৰণৰ ব্যৱহাৰৰ প্রয়োজন হয়, আনহাতে দ্বিতীয় ক্ষেত্রত মনোবৈজ্ঞানিক সঁজুলিৰ প্রয়োজন হয়। সেয়েহে পৰিমাপৰ উদ্দেশ্য, প্রকৃতি আৰু ব্যৱহৃত সঁজুলি বা পদ্ধতিৰ ভিত্তিত ইয়াক বিভিন্ন প্রকাৰত ভাগ কৰিব পাৰি। পৰিমাপৰ প্রধান প্রকাৰসমূহ তলত উল্লেখ কৰা হৈছে।

ভৌতিক পৰিমাপ (Physical Measurement)

ভৌতিক বা বস্তুগত জগতৰ পৰিমাপক ভৌতিক পৰিমাপ বুলি জনা যায়। নাম অনুসৰি এই ধৰণৰ পৰিমাপৰ দ্বাৰা পৃথিৱীৰ বিভিন্ন ভৌতিক বা বস্তুগত সামগ্রীৰ পৰিমাপ কৰা হয়। ওজন, উচ্চতা, দৈর্ঘ্য, প্রস্থ আদিৰ মাত্রাসমূহ গ্রাম, মিটাৰ, ফুট আদিৰ দৰে একক ব্যৱহাৰ কৰি পৰিমাপ কৰা হয়, যিবোৰ সুনিদিষ্ট আৰু সার্বজনীন মানদণ্ডসম্পন্ন। সেইবাবেই ভৌতিক পৰিমাপ সহজ আৰু বস্তুনিষ্ঠ।

ভৌতিক পৰিমাপৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল—

- ভৌতিক পৰিমাপ এটা প্রকৃত শূন্য বিন্দুৰ পৰা আৰম্ভ হয়। যেনেঃ— কোনো এটা বস্তুৰ দৈর্ঘ্য দহ ফুট বুলি পৰিমাপ কৰিলে, তাৰ অর্থ হৈছে বস্তুটোৰ দৈর্ঘ্য শূন্যৰ পৰা দহ ফুটলৈ বিস্তৃত। ভৌতিক পৰিমাপত শূন্যই পৰিমাপ কৰিব পৰা মাত্রাটোৰ নিৰপেক্ষ অনুপস্থিতি সূচায়।
- ভৌতিক পৰিমাপ স্বয়ংসম্পূর্ণ, ই আন কোনো বস্তু বা মানদণ্ডৰ ওপৰত নির্ভৰশীল নহয়।
- ভৌতিক পৰিমাপ প্রত্যক্ষ, নির্দিষ্ট আৰু বস্তুনিষ্ঠ। ইয়াৰ ফলাফল স্পষ্ট, সুনির্দিষ্ট আৰু পর্যবেক্ষণযোগ্য হয়।
- ভৌতিক পৰিমাপত জুখিব খোজা বস্তু বা বিষয়টো সম্পূর্ণভাৱে জুখিব পাৰি। ইয়াত পৰিমাপযোগ্য বৈশিষ্ট্যসমূহ সম্পূর্ণ ৰূপে নির্ণয় কৰা সম্ভৱ।
- ভৌতিক পৰিমাপৰ একক আৰু সঁজুলিসমূহ নির্দিষ্ট, সার্বজনীন আৰু একে মানদণ্ডৰ। এইবোৰ সকলো ঠাইতে একে ধৰণে গ্রহণযোগ্য আৰু ব্যৱহাৰযোগ্য।

- ভৌতিক পৰিমাপত একে নামৰ এককবোৰৰ মান একে। সেয়েহে এইসমূহক প্রত্যক্ষভাৱে পৰস্পৰৰ সৈতে তুলনা কৰিব পাৰি।

মনোবৈজ্ঞানিক পৰিমাপ (Psychological Measurement) বুলিলে মনোবৈজ্ঞানিক বা মানসিক জগতৰ বৈশিষ্ট্যসমূহৰ পৰিমাপক বুজায়। সাধাৰণতে এই পৰিমাপ গুণগত স্বভাৱৰ হয়। মনোবৈজ্ঞানিক পৰিমাপ পৰোক্ষ; ই ভৌতিক পৰিমাপৰ দৰে নহয়, কাৰণ মনোবৈজ্ঞানিক বৈশিষ্ট্য বা লক্ষণসমূহ বিমূর্ত। সেয়েহে, এইবোৰক প্রত্যক্ষভাৱে জুখিব নোৱাৰি। মানুহৰ আচৰণৰ জৰিয়তে প্রকাশ পালেহে এনে লক্ষণসমূহ পৰোক্ষভাৱে জুখিব পাৰি। সেইবাবেই মনোবৈজ্ঞানিক পৰিমাপ এক জটিল প্রক্রিয়া। তদুপৰি, মনোবৈজ্ঞানিক পৰিমাপত নির্দিষ্ট আৰু স্বয়ংসম্পূর্ণ এককৰ অভাৱ থাকে। ফলত এই পৰিমাপ সাধাৰণতে বিষয়কেন্দ্রিক আৰু আংশিক বা অসম্পূর্ণ স্বভাৱৰ হয়।

মনোবৈজ্ঞানিক পৰিমাপৰ কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল—

- মনোবৈজ্ঞানিক পৰিমাপৰ প্রকৃত শূন্য বিন্দু নাথাকে। এই ধৰণৰ পৰিমাপত শূন্য নিৰপেক্ষ নহয়, ববঞ্চ আপেক্ষিক। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে বুদ্ধি অভীক্ষাত শূন্য নম্বৰ লাভ কৰে, তেন্তে তাৰ অর্থ এইটো নহয় যে ব্যক্তিজনৰ বুদ্ধি নিৰপেক্ষ বা সম্পূর্ণৰূপে অনুপস্থিত।
- মনোবৈজ্ঞানিক পৰিমাপ স্বয়ংসম্পূর্ণ নহয়। ই আপেক্ষিক আৰু আন বিভিন্ন কাৰকৰ ওপৰত নির্ভৰশীল।
- মনোবৈজ্ঞানিক পৰিমাপ পৰোক্ষ, অনির্দিষ্ট আৰু বিষয়কেন্দ্রিক। ইয়াৰ ফলাফল বহু সময়ত পৰিস্থিতি, মূল্যায়নকাৰী আৰু পদ্ধতিৰ ওপৰত নির্ভৰ কৰে।
- মনোবৈজ্ঞানিক পৰিমাপ অসম্পূর্ণ, কাৰণ জুখিব বিচৰা মানসিক লক্ষণ বা বৈশিষ্ট্য কেতিয়াও সম্পূর্ণৰূপে জুখিব নোৱাৰি। উদাহৰণস্বৰূপে কোনো ব্যক্তিৰ বুদ্ধি জুখিবলৈ তেওঁৰ আচৰণৰ এটা নমুনাহে মূল্যায়ন কৰিব পাৰি; তেওঁৰ সকলো আচৰণ জুখিব নোৱাৰি।
- মনোবৈজ্ঞানিক পৰিমাপৰ সঁজুলি আৰু এককসমূহ নির্দিষ্ট বা সার্বজনীন মানদণ্ডৰ নহয়। সেয়েহে মনোবৈজ্ঞানিক পৰিমাপৰ সার্বজনীন গ্রহণযোগ্যতা সীমিত।
- মনোবৈজ্ঞানিক পৰিমাপত বিভিন্ন জোখ-মাপৰ প্রত্যক্ষ তুলনা সম্ভৱ নহয় কাৰণ ইয়াৰ সঁজুলি আৰু এককসমূহ নির্দিষ্ট বা সার্বজনীন মানদণ্ডৰ নহয়।

১.৪ শৈক্ষিক পৰিমাপৰ অর্থ

শিক্ষা হৈছে শিক্ষার্থীৰ আচৰণত বাঞ্ছনীয় পৰিৱর্তন আনিবলৈ কৰা এক ইচ্ছাকৃত প্রচেষ্টা। শিক্ষার্থীৰ আচৰণত বাঞ্ছনীয় পৰিৱর্তন সাধন কৰিবলৈ শিক্ষাদানৰ জৰিয়তে পাঠ্যক্রম ব্যৱহাৰ কৰি তেওঁলোকক নির্বাচিত শিক্ষণ অভিজ্ঞতা প্রদান কৰা হয়। শিক্ষাদানৰ শেষত শিক্ষার্থীৰ আচৰণত হোৱা

পৰিৱর্তনসমূহ (যিবোৰ শিক্ষাদানৰ ফলত হোৱা বুলি ধৰা হয়) নিশ্চিত কৰা বা নির্ণয় কৰা কার্যক **শৈক্ষিক পৰিমাপ** বুলি জনা যায়। শিক্ষার্থীৰ আচৰণৰ পৰিৱর্তন নির্ণয় কৰিবলৈ তেওঁলোকৰ বিভিন্ন বৈশিষ্ট্য যেনে— জ্ঞান, দক্ষতা, ক্ষমতা আৰু আগ্রহ আদি এটা প্রতিষ্ঠিত নিয়মৰ ভিত্তিত সংখ্যাৰ জৰিয়তে প্রকাশ কৰা হয়। শিক্ষার্থীৰ আচৰণ সংশোধনৰ ক্ষেত্রত শিক্ষণ অভিজ্ঞতাৰ প্রভাৱ বা ফলপ্রসূতা পৰিমাণগতভাৱে নির্ণয় কৰাৰ এই প্রক্রিয়াক শৈক্ষিক পৰিমাপ বুলি ক'ব পাৰি। শৈক্ষিক পৰিমাপৰ অর্থ ব্যাখ্যা কৰি ভাৰতীয় শিক্ষাবিদ **আৰ. পি. টানেজা (R. P. Taneja)**-ই লিখিছে, "ই হৈছে শিক্ষাৰ ক্ষেত্রত প্রাসংগিক যিকোনো মানৱীয় বৈশিষ্ট্যৰ পৰিমাণীকৰণ কৰা প্রক্রিয়া।"

সংক্ষেপে, শৈক্ষিক পৰিমাপ হৈছে শিক্ষাৰ ক্ষেত্রত আচৰণৰ পৰিবর্তনৰ পৰিমাপ। এনে পৰিমাপৰ বাবে শিক্ষাৰ ক্ষেত্রত ব্যক্তিৰ আচৰণৰ সৈতে জড়িত তথ্য সংগ্রহ আৰু পদ্ধতিগত সংগঠনৰ প্রয়োজন। ইয়াৰ বাবে বিভিন্ন শৈক্ষিক অভীক্ষাৰ নির্মাণ আৰু ইয়াৰ প্রতিমানীকৰণ, পৰিপাপৰ অনান্য সঁজুলিৰ বিকাশ আৰু ইয়াৰ ব্যৱহাৰ আদি কার্য্যকলাপ জড়িত হৈ থাকে। বিভিন্ন অভীক্ষা আৰু অনান্য সঁজুলি ব্যৱহাৰ কৰি শিক্ষার্থীৰ শৈক্ষিক কৃতিত্ব, বুদ্ধি, আগ্রহ, সামর্থ্য, সম্ভাৱনী আৰু অনান্য সংলক্ষনৰ পৰিমাপ কৰা কার্য্য শৈক্ষিক পৰিমাপৰ পৰিসৰৰ ভিতৰত পৰে। এইদৰে শৈক্ষিক পৰিমাপক মনোবৈজ্ঞানিক পৰিমাপৰ অংশ হিচাপে বিবেচনা কৰিব পাৰি। ইয়াৰ কাৰণ হৈছে মানুহৰ শৈক্ষিক আচৰন সাধাৰন আচৰণৰ এটা অংশহে আৰু ইয়াৰ পৰিমাপৰ বাবে মানসিক পৰিমাপৰ পদ্ধতি আৰু সঁজুলিৰ প্রয়োজন হয়। এই ক্ষেত্রত উল্লেখযোগ্য যে ভৌতিক পৰিমাপৰ দৰে শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিমাপ সদায় সঠিক আৰু নির্দিষ্ট নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. পৰিমাপ বুলিলে কি বুজা?

প্রশ্ন ২. মানৱ জীৱনত পৰিমাপৰ গুৰুত্ব কি?

১.৫ শৈক্ষিক পৰিমাপৰ প্রকৃতি

শৈক্ষিক পৰিমাপ হৈছে শিক্ষাক্ষেত্রত হোৱা আচৰণৰ পৰিৱর্তনৰ পৰিমাপ। শিক্ষাক্ষেত্রত পৰিমাপ কৰাটো গুৰুত্বপূর্ণ কাৰণ শিক্ষার্থীসকলে ইতিমধ্যে কি জানে বা তেওঁলোকে কি কৰিবলৈ সক্ষম, সেই বিষয়ে শিক্ষকসকলে নিশ্চিত হ'ব লাগে যাতে পৰৱর্তী পর্যায়ৰ শিক্ষণৰ পৰিকল্পনা কৰিব পৰা যায়। ইয়াৰ উপৰিও, বিভিন্ন পর্যায়ৰ বাবে শৈক্ষিক বিষয়বস্তু বা পাৱদর্শিতাৰ ভিত্তিত পাঠ্যক্রম বা বিষয়বস্তু সংগঠিত কৰা হয়। গতিকে শিক্ষার্থীসকলে প্রতিটো পর্যায়ৰ পাৱদর্শিতাৰ স্তৰ লাভ কৰিছে নে নাই, আৰু তেওঁলোকে পৰৱর্তী পর্যায় বা বিষয়বস্তুলৈ অগ্রসৰ হ'ব পাৰিব নে নাই, সেইটো নির্ণয় কৰিবলৈ শিক্ষকসকলে পৰিমাপ কৰাটো প্রয়োজনীয়।

বিখ্যাত আচৰণবাদী মনোবিজ্ঞানী ই. এল. থনডাইকে মত প্রকাশ কৰিছে যে, "যিটো প্রকৃততে আছে, সেয়া কিছু পৰিমাণে বিদ্যমান। ইয়াক ভালদৰে জানিবলৈ ইয়াৰ পৰিমাণৰ লগতে গুণগত মানো

জনাটো জড়িত হৈ থাকে। শিক্ষা মানুহৰ পৰিৱৰ্তনৰ সৈতে জড়িত, আৰু পৰিৱৰ্তন হ'ল বিভিন্ন চৰ্তৰ মাজৰ পাৰ্থক্য। এই চৰ্তসমূহৰ প্ৰতিটো আমি নিৰ্মিত বস্তু, কথিত শব্দ, সম্পন্ন কৰা কাৰ্য আদিৰ জৰিয়তে জানো। এইসমূহৰ যিকোনো এটাক পৰিমাপ কৰিব পৰাৰ অৰ্থ হ'ল ইয়াৰ পৰিমাণ নিৰ্ধাৰণ কৰা যাতে এজন দক্ষ ব্যক্তিয়ে জানিব পাৰে যে ই পৰিমাপ নকৰাৰ তুলনাত কিমান উপযুক্ত। ভালদৰে পৰিমাপ কৰিব পৰাৰ অৰ্থ হৈছে ইয়াৰ পৰিমাণ এনেদৰে নিৰ্ধাৰণ কৰা যাতে দক্ষ ব্যক্তিয়ে অধিক নিখুঁতভাৱে জানিব পাৰে যে ই কিমান উপযুক্ত আৰু এই তথ্য সুবিধাজনকভাৱে লিপিবদ্ধ কৰি ব্যৱহাৰ কৰিব পাৰি। যোৱা দশকত শৈক্ষিক সা-সঁজুলিৰ পৰিমাপৰ বিকাশ আৰু উন্নয়ন সাধনৰ চেষ্টা কৰি থকা ব্যক্তিসকলৰ এয়াই সাধাৰণ বিশ্বাস।"

আমাৰ দৈনন্দিন জীৱনত আমি পৰিবেশৰ বিভিন্ন বস্তুৰ বিভিন্ন ধৰণৰ পৰিমাপৰ সন্মুখীন হওঁ। কিন্তু ভৌতিক পৰিঘটনাৰ পৰিমাপৰ দৰে শৈক্ষিক পৰিমাপ সদায় নিৰ্দিষ্ট আৰু সঠিক নহয়। শৈক্ষিক পৰিমাপৰ প্ৰকৃতি স্বতন্ত্ৰ যিটো ইয়াৰ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ জৰিয়তে প্ৰকাশ পায়—

- শৈক্ষিক পৰিমাপৰ অৰ্থ হ'ল ব্যক্তিৰ আচৰণৰ বিভিন্ন দিশ আৰু শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ বৈশিষ্ট্যৰ পৰিমানগত উপস্থাপন। অন্য অৰ্থত, শৈক্ষিক পৰিমাপ হ'ল নিৰ্দিষ্ট নিয়ম অনুসৰি ব্যক্তি বা তেওঁলোকৰ বৈশিষ্ট্যসমূহক সংখ্যা বা প্ৰতীকৰ জৰিয়তে চিহ্নিত কৰা প্ৰক্ৰিয়া।
- শৈক্ষিক পৰিমাপে শিক্ষণৰ ফলাফল পৰীক্ষা, মাপ নিৰ্ণয় বা মূল্যায়ন প্ৰক্ৰিয়াকো বুজায়। ইয়াত অভীক্ষা আৰু মাপকাঠীৰ দৰে সঁজুলি নিৰ্মাণ আৰু ইয়াৰ প্ৰয়োগ, ইয়াৰ প্ৰতিমানীকৰণ আৰু বৈধতাকৰণ, প্ৰাপ্ত নম্বৰ বা প্ৰাপ্ত পৰিমাপৰ বাখ্যাত পৰিসংখ্যাগত কৌশলৰ ব্যৱহাৰ আদি অন্তভুক্ত কৰা হৈছে।
- শৈক্ষিক পৰিমাপত ব্যৱহৃত পৰিমাণগত মানসমূহে পৰিমাপযোগ্য বৈশিষ্ট্যৰ উপস্থিতি, অনুপস্থিতি বা তীব্ৰতাক সূচায়।
- শৈক্ষিক পৰিমাপ প্ৰকৃত শূন্য বিন্দুৰপৰা আৰম্ভ নহয়। শৈক্ষিক পৰিমাপত শূন্যই কেৱল আপেক্ষিক অৱস্থানকহে সূচায়।
- শৈক্ষিক পৰিমাপত ব্যৱহৃত এককৰ মূল্য স্থিৰ বা নিৰ্দিষ্ট নহয়। সেয়েহে শৈক্ষিক পৰিমাপ সম্পূৰ্ণৰূপে পৰিমাপ কৰা ব্যক্তিজনৰ ব্যক্তিনিষ্ঠ প্ৰভাৱৰ পৰা মুক্ত নহয়।
- শৈক্ষিক পৰিমাপৰ দ্বাৰা পোৱা সংখ্যাগত তথ্যই প্ৰাথমিক বা সাধাৰণ ৰূপত নিৰ্দিষ্ট অৰ্থ প্ৰকাশ নকৰে। উদাহৰণস্বৰূপে, এজন শিক্ষাৰ্থীয়ে এটা পৰীক্ষাত লাভ কৰা ৬০ নম্বৰৰ সঠিক বাখ্যা দিব নোৱাৰি, যদিহে পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ প্ৰয়োজনীয় নূন্যতম নম্বৰ বা একেটা পৰীক্ষাত আন শিক্ষাৰ্থীসকলে লাভ কৰা নম্বৰসমূহ জনা নাযায়।
- যিহেতু এজন শিক্ষাৰ্থীয়ে জনা বা কৰিব পৰা সকলো কাৰ্য পৰ্য্যবেক্ষণ বা পৰিমাপ কৰাটো সম্ভৱ নহয়, সেয়েহে শৈক্ষিক পৰিমাপ আচৰণৰ নমুনাৰ ওপৰত ভিত্তি কৰি কৰা হয়। সেইবাবে, ই স্বভাৱগতভাৱে অসম্পূৰ্ণ।

- শৈক্ষিক জোখ মাপ পৰোক্ষ আৰু অনুমানৰ ওপৰত ভিত্তি কৰি কৰা হয়। শিক্ষার্থীৰ শৈক্ষিক কৃতিত্ব বা অন্যান্য বৈশিষ্ট্যসমূহ প্রত্যক্ষভাৱে জুখিব নোৱাৰি। সেয়েহে, তেওঁলোকক প্রদান কৰা কার্য, প্রশ্নৰ উত্তৰ অথবা আচৰণৰ ভিত্তিত পৰোক্ষভাৱে পৰিমাপ কৰিব লাগে। তদুপৰি, গণিত বা ইংৰাজীত শিক্ষার্থীৰ নম্বৰ বা প্রদর্শনক তেওঁলোকৰ অন্তর্নিহিত সমস্যা সমাধান ক্ষমতা বা যোগাযোগ দক্ষতাৰ প্রতিনিধি বুলি গণ্য কৰা হয়। এইধৰণৰ অনুমান শৈক্ষিক পৰিমাপৰ সময়ত মূল্যায়ন কৰা আচৰণৰ নমুনাৰ ওপৰত ভিত্তি কৰে।
- যিহেতু শৈক্ষিক পৰিমাপ আপেক্ষিক আৰু নিৰপেক্ষ নহয় সেয়েহে বিভিন্ন পৰিমাপৰ পৰা পোৱা সংখ্যাগত তথ্যসমূহক প্রত্যক্ষভাৱে তুলনা কৰিব নোৱাৰি।

এইদৰে, শৈক্ষিক পৰিমাপ হৈছে পৰোক্ষ, অনির্দিষ্ট আৰু ব্যক্তিনিষ্ঠ; ইয়াৰ বিপৰীতে ভৌতিক পৰিমাপ প্রত্যক্ষ, নির্দিষ্ট আৰু বস্তুনিষ্ঠ। যদিও বিশেষজ্ঞসকলে শৈক্ষিক পৰিমাপৰ বিষয়গত আৰু অন্যান্য সীমাবদ্ধতাসমূহ কম কৰাৰ বাবে অহৰহ প্রচেষ্টা চলাই আহিছে, তথাপিও ই ভৌতিক পৰিমাপৰ দৰে সম্পূর্ণ সঠিকতা আৰু পূর্ণতা দাবী কৰিব নোৱাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩. ভৌতিক পৰিমাপ আৰু শৈক্ষিক পৰিমাপৰ মাজৰ দুটা পার্থক্য লিখা।

প্রশ্ন ৪. শৈক্ষিক পৰিমাপৰ যিকোনো দুটা সীমাবদ্ধতা লিখা।

১.৬ শৈক্ষিক পৰিমাপৰ কার্য্যাৱলী

শিক্ষাত পৰিমাপে শিক্ষার্থীৰ আচৰণৰ পৰিৱর্তন অনুমান কৰাৰ ক্ষেত্রত বিভিন্ন কার্য অন্তর্ভুক্ত কৰে। শিক্ষাত পৰিমাপে শিক্ষার্থীক এটা শ্রেণীৰ পৰা আন এটা শ্রেণীলৈ উত্তীর্ণ কৰা বা একেটা শ্রেণীত ৰখাই থোৱাৰ সিদ্ধান্ত লোৱাত সহায় কৰে। ইয়াৰ উপৰিও, ই শিক্ষাদান আৰু শিক্ষণৰ ফলপ্রসূতাও মূল্যায়ন কৰে। ইয়াৰ জৰিয়তে কিমান ফলপ্রসূভাৱে শৈক্ষিক লক্ষ্যসমূহত উপনীত হোৱা গৈছে, তাৰ মূল্যায়ন কৰা হয়। শৈক্ষিক পৰিমাপৰ কিছুমান গুৰুত্বপূর্ণ কার্য তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- **নির্দেশনামূলক কার্য্যঃ—** পৰিমাপ হৈছে শিক্ষাদান আৰু নির্দেশনাৰ এক অপৰিহার্য অংশ। পৰিমাপে নির্দেশনাৰ উদ্দেশ্য নির্বাচন, ইয়াৰ উপযুক্ততা আৰু ব্যৱহাৰযোগ্যতা নির্ণয় কৰাত সহায় কৰে। তদুপৰি লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্রত শিক্ষার্থীৰ অগ্রগতি মূল্যায়ন কৰিবলৈ পৰিমাপ অতি প্রয়োজনীয়। ইয়াৰ উপৰিও পৰিমাপে শিক্ষাদানৰ পদ্ধতি আৰু কৌশলৰ সফলতা বা বিফলতা নির্ণয় কৰাত সহায় কৰে। পাঠ্যক্রমৰ প্রয়োজনীয় পুনৰীক্ষণ আৰু সংশোধন কৰাতো শৈক্ষিক পৰিমাপে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- **নিৰ্বাচনঃ—** শিক্ষানুষ্ঠান আৰু বিশেষ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে শিক্ষাৰ্থী নিৰ্বাচন কৰা, তেওঁলোকক উত্তীৰ্ণ কৰা বা একেটা শ্ৰেণীত ৰখাই থোৱা সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰা আৰু শিক্ষাৰ্থীৰ আগ্ৰহ ও সম্ভাৱনাৰ ভিত্তিত বিভিন্ন পাঠ্যক্ৰমিক আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যকলাপৰ বাবে নিৰ্বাচন কৰাটো বিভিন্ন ধৰণৰ পৰিমাপৰ ওপৰত নিৰ্ভৰ কৰে।
- **শ্ৰেণীবিভাজনঃ—** বিভিন্ন শৈক্ষিক প্ৰয়োজনীয়তাই শিক্ষাৰ্থীসকলক তেওঁলোকৰ সামৰ্থ্য, আগ্ৰহ বা অন্যান্য মাপকাঠীৰ ভিত্তিত শ্ৰেণীবিভাজন কৰাত গুৰুত্ব আৰোপ কৰে। বিভিন্ন পাঠ্যক্ৰম বা কেৰিয়াৰত নামভৰ্তিৰ বাবে শিক্ষাৰ্থী নিৰ্বাচন কৰা, দল গঠন কৰা, সমজাতীয় বৈশিষ্ট্যসম্পন্ন শিক্ষাৰ্থী বাছনি কৰা, বিশেষ নিৰ্দেশনা বা পৰামৰ্শৰ ব্যৱস্থা কৰা, উন্নত অধ্যয়নৰ সুযোগ সৃষ্টি কৰা আৰু এনে অন্যান্য উদ্দেশ্যৰ বাবে এই শ্ৰেণীবিভাজন প্ৰয়োজনীয়। শিক্ষাৰ্থীৰ এনে শ্ৰেণীবিভাজনৰ ভিত্তি হিচাপে পৰিমাপ ব্যৱহাৰ কৰিব পাৰি।
- **তুলনা কৰাঃ—** শিক্ষাৰ্থীৰ কৃতিত্ব, যোগ্যতা, সম্ভাৱনা, বুদ্ধি আৰু অন্যান্য লক্ষণ বা বৈশিষ্ট্যৰ ভিত্তিত তুলনা কৰিবলৈ শৈক্ষিক পৰিমাপ অতি প্ৰয়োজনীয়। এনে তুলনাই শিক্ষাৰ্থীৰ মাজত থকা ব্যক্তিগত পাৰ্থক্য আৰু সেই পাৰ্থক্যৰ কাৰণসমূহ বিচাৰি উলিয়াবলৈ সহায় কৰে। শৈক্ষিক পৰিমাপে নিৰ্দেশনাৰ বিভিন্ন কাৰ্য, শিক্ষাদানৰ পদ্ধতি আৰু কৌশল আদিৰ মাজত তুলনা কৰাৰ ভিত্তি হিচাপেও কাম কৰে যাতে সেয়াবোৰৰ আপেক্ষিক সফলতা বা বিফলতা জানিব পৰা যায়।
- **সম্ভাৱনীয়তা নিৰ্ণয়ঃ—** শিক্ষাৰ সৈতে জড়িত বহুতো সিদ্ধান্ত ভৱিষ্যৎ সম্ভাৱনীয়তা নিৰ্ণয়ৰ ভিত্তিৰূপে বিবেচিত হয়। বিশেষ পাঠ্যক্ৰম, কেৰিয়াৰ বা অন্যান্য আনুষংগিক কাৰ্যকলাপৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ সফলতা বা বিফলতাৰ বিষয়ে ভৱিষ্যৎ সম্ভাৱনীয়তা নিৰ্ণয় কৰিবলৈ শৈক্ষিক পৰিমাপ ভিত্তি হিচাপে ব্যৱহাৰ কৰা হয়। পৰিমাপৰ দ্বাৰা পোৱা বৰ্তমানৰ তথ্যই ভৱিষ্যতে শিক্ষাৰ্থীৰ সম্ভাব্য সফলতাৰ সংকেত প্ৰদান কৰে।
- **চিনাক্তকৰনঃ—** এখন শিক্ষানুষ্ঠানলৈ অহা প্ৰতিজন শিক্ষাৰ্থী আনজনৰ পৰা পৃথক যিয়ে তেওঁলোকক অনন্য কৰি তোলে। বিভিন্ন শিক্ষাৰ্থীৰ বিভিন্ন ক্ষেত্ৰত সবলতা আৰু দুৰ্বলতা থাকে। এনে সবলতা বা দুৰ্বলতা নিৰ্ণয় কৰিবলৈ পৰিমাপ কৰাটো গুৰুত্বপূৰ্ণ যাতে ইয়াৰ প্ৰতিকাৰৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। শিক্ষাৰ্থীৰ সবলতাৰ ভিত্তিত উপযুক্ত পাঠ্যক্ৰম বা কেৰিয়াৰ নিৰ্বাচন কৰাত সহায় কৰা, আৰু তেওঁলোকৰ দুৰ্বলতাসমূহ দূৰ কৰিবলৈ বিশেষ প্ৰশিক্ষণ বা প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰাত পৰিমাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- **নিৰ্দেশনাঃ—** ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৃত্তিমূলক আৰু ব্যক্তিগত জীৱনৰ সফলতাৰ বাবে নিৰ্দেশনা প্ৰদান কৰাটো অতি প্ৰয়োজনীয়। সঠিক নিৰ্দেশনাৰ অভাৱে মানুহৰ জীৱনত বিফলতা আৰু হতাশাৰ সৃষ্টি কৰিব পাৰে। জীৱনৰ সমস্যাবোৰ এবাই চলি সফল আৰু সম্পূৰ্ণ জীৱন যাপন

কৰিবলৈও নির্দেশনাৰ প্রয়োজন। শিক্ষার্থীৰ আগ্রহ, ক্ষমতা আৰু অন্যান্য মানসিক-দৈহিক বৈশিষ্ট্যৰ পৰিমাপ কৰাটো শিক্ষার্থীসকলক ফলপ্রসূ নির্দেশনা প্রদানৰ বাবে অপৰিহার্য।

- **প্রশাসনঃ—** যিকোনো শৈক্ষিক অনুষ্ঠানত বিভিন্ন প্রশাসনিক সিদ্ধান্ত গ্রহণৰ বাবে পৰিমাপ অতি গুৰুত্বপূর্ণ। পৰিমাপে বিভিন্ন শৈক্ষিক সিদ্ধান্ত গ্রহণ, নীতি প্রণয়ন, প্রশাসনিক ব্যৱস্থাৰ ফলপ্রসূতা মূল্যায়ন, অগ্রগতিৰ প্রতিবেদন প্রস্তুত কৰা, নামভর্তি, পদোন্নতি আৰু অন্যান্য প্রশাসনিক সিদ্ধান্তৰ ভেটি হিচাপে কাম কৰে।
- **গৱেষনাঃ—** পাঠ্যক্রম আৰু শিক্ষাদান পদ্ধতিৰ ফলপ্রসূতা, শৈক্ষিক লক্ষ্যৰ উপযুক্ততা আৰু কৃতিত্বৰ স্তৰ, শৈক্ষিক প্রশাসনৰ ফলপ্রসূতা তথা প্রয়োজনীয় উন্নয়নৰ উপায় বিচাৰি উলিয়াবলৈ গৱেষণা অতি প্রয়োজনীয়। শিক্ষাক্ষেত্রত পৰিমাপে শৈক্ষিক সমস্যাৰ সমাধান বিচাৰি উলিয়াবলৈ গৱেষণা কার্য সম্পাদনত গুৰুত্বপূর্ণ সহায় কৰে।
- **বিকাশঃ—** শিক্ষাক্ষেত্রত পৰিমাপৰ দ্বাৰা শৈক্ষিক অনুশীলন আৰু আনুষংগিক বিষয়সমূহৰ উন্নতি আৰু বিকাশ সাধন কৰা হয়। শিক্ষাদান আৰু শিক্ষাগ্রহণ, শিক্ষাদান পদ্ধতিৰ সফলতা, শিক্ষাদানৰ কৌশল, আৰু শিক্ষণ অভিজ্ঞতা উন্নত কৰাৰ বাবে তথ্য আহৰণত শৈক্ষিক পৰিমাপ অতি গুৰুত্বপূর্ণ। ইয়াৰ উপৰিও, শৈক্ষিক লক্ষ্যত উপনীত হ'বলৈ ফলপ্রসূ শিক্ষামূলক আঁচনি নির্মাণ কৰাতো শৈক্ষিক পৰিমাপে বিশেষ ভূমিকা পালন কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫. শৈক্ষিক পৰিমাপৰ প্রধান কার্যাৱলীসমূহ কি?

১.৭ পৰিমাপৰ মাপকাঠী বা স্কেল

পৰিমাপ হৈছে নির্দিষ্ট নিয়ম অনুসৰি বস্তু বা পৰিঘটনাক সংখ্যামান প্রদান কৰা প্রক্রিয়া। গিলফোর্ড)Guilford)-এ কোৱাৰ দৰে, "পৰিমাপ হৈছে কোনো তথ্যৰ সংখ্যামূলক ব্যাখ্যা আৰু ইয়াৰ অর্থ হ"ল সংখ্যা আৰু গাণিতিক চিন্তন কার্যৰ দ্বাৰা প্রদান কৰা বিভিন্ন সুবিধাৰ সহায় লোৱা।' কিন্তু পৰিমাপৰ প্রক্রিয়াত অর্থাৎ সংখ্যামান প্রদান কৰাৰ ক্ষেত্রত সকলো পৰিসংখ্যাগত বা গাণিতিক কার্য সদায় লাভ কৰা পৰিমাপ ৰ ক্ষেত্রত প্রযোজ্য নহয়। ইয়াত মাপকাঠী বা পৰিমাপৰ স্তৰৰ -(সংখ্যা) ধাৰণাটো প্রাসংগিক আৰু গুৰুত্বপূর্ণ হৈ পৰে। পৰিমাপৰ মাপকাঠীয়ে সংখ্যাসমূহ ক -(পৰিমাপ) সংজ্ঞায়িত আৰু শ্রেণীভুক্ত কৰাৰ উপায়সমূহক বুজায়। প্রতিটো পৰিমাপৰ মাপকাঠীৰ কিছুমান বিশেষ বৈশিষ্ট্য বা উপাদান থাকে, যিয়ে কিছুমান গাণিতিক বা পৰিসংখ্যাগত বিশ্লেষণত ইয়াৰ প্রযোজ্যতা নির্ধাৰণ কৰে। এইদৰে, পৰিমাপৰ মাপকাঠী বা পৰিমাপৰ স্তৰ হৈছে এনে এক শ্রেণীবিভাজন, যিয়ে চলকসমূহৰ বাবে প্রদান কৰা সংখ্যাসমূহৰ ভিতৰত নিহিত তথ্যৰ প্রকৃতি বর্ণনা কৰে। হার্ভার্ড বিশ্ববিদ্যালয়ৰ চাইকোএকাউষ্টিক লেবৰেটৰীৰ সঞ্চালক- ষ্টেনলি স্মিথ ষ্টিভেন্স)Stanley Smith

Stevens)-এ চাৰিটা স্তৰ বা মাপকাঠীৰ সহায়ত এই শ্ৰেণীবিভাজন প্ৰস্তুত কৰিছিল। এই স্তৰ বা মাপকাঠীসমূহ হৈছে— নামমাপক, ক্ৰমসূচক, অন্তৰালসূচক আৰু অনুপাতসূচক মাপকাঠী।

- **নামমাপক মাপকাঠী (Nominal Scale):** যেতিয়া পৰিমাপৰ সংখ্যাগত তথ্য বা সংখ্যাসমূহক সাধাৰণ চিনাক্তকাৰী বা নাম হিচাপে ব্যৱহাৰ কৰা হয়, তেতিয়া ই পৰিমাপৰ নামমাপক মাপকাঠীক প্ৰতিনিধিত্ব কৰে। নামমাপক মাপকাঠীৰ উদাহৰণ হ'ল— যান-বাহনৰ পঞ্জীয়ন নম্বৰ, ডাক সূচাংক নম্বৰ, ফোন নম্বৰ আদি। একেদৰে, কোনো গৱেষণামূলক অধ্যয়নতো য'ত লিংগ হৈছে চলক, তাত মহিলাক ১ আৰু পুৰুষক ২ হিচাপে সাংকেতিকৰণ কৰাটো নামমাপক তথ্যৰ এক উদাহৰণ। ইয়াত সংখ্যাসমূহ কেৱল তথ্যৰ শ্ৰেণীসমূহক প্ৰতিনিধিত্ব কৰিবলৈ ব্যৱহাৰ কৰা হয়। নামমাপক মাপকাঠীক গুণগত মাপকাঠী বুলিও জনা যায়, আৰু এই মাপকাঠীত কৰা পৰিমাপে গুণগত তথ্য প্ৰদান কৰে। নামমাপক মাপকাঠীত ব্যৱহৃত সংখ্যাসমূহ কেৱল চিহ্ন হিচাপে নিৰ্ধাৰিত হয়; ইয়াৰ কোনো নিৰ্দিষ্ট সংখ্যাগত মান বা অৰ্থ নাথাকে। সেইবাবেই, নামমাপক তথ্যৰ ওপৰত গাণিতিক গণনা কৰিব নোৱাৰি। পৰিসংখ্যাগত দৃষ্টিকোণৰ পৰা এইটোৱেই হৈছে পৰিমাপৰ আটাইতকৈ নিম্ন স্তৰ।
- **ক্ৰমসূচক মাপকাঠী (Ordinal Scale):** যেতিয়া পৰিমাপত ব্যৱহৃত সংখ্যাই ক্ৰমবদ্ধ শৃংখলা বা স্থানক্ৰমৰ প্ৰতিনিধিত্ব কৰে, তেতিয়া ই পৰিমাপৰ ক্ৰমসূচক মাপকাঠীক প্ৰতিনিধিত্ব কৰে। শ্ৰেণীত প্ৰথম, দ্বিতীয় বা তৃতীয় স্থান লাভ কৰা শিক্ষাৰ্থীসকলে ক্ৰমসূচক তথ্যৰ উদাহৰণ। এইদৰে ক্ৰমসূচক মাপকাঠীয়ে পৰিমাপসমূহৰ স্থান বা ক্ৰমৰ বিষয়ে তথ্য দিয়ে। কিন্তু এই মাপকাঠীয়ে একেৰাহে থকা ব্যৱধানসমূহৰ মাজৰ আপেক্ষিক পাৰ্থক্যৰ বিষয়ে তথ্য প্ৰদান নকৰে। উদাহৰণস্বৰূপে, যেতিয়া তিনিজন ল'ৰাক তেওঁলোকৰ বুদ্ধিমত্তা, কৃতিত্ব, উচ্চতা বা আন কোনো বৈশিষ্ট্যৰ ভিত্তিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দিয়া হয়, তেতিয়া আমি ক'ব নোৱাৰোঁ যে প্ৰথম আৰু দ্বিতীয় স্থানৰ মাজৰ পাৰ্থক্য, দ্বিতীয় আৰু তৃতীয় স্থানৰ মাজৰ পাৰ্থক্যৰ সমানুপাতিক। এনে মাপকাঠীয়ে ব্যৱধানসমূহৰ সঠিক পাৰ্থক্যৰ বিষয়ে তথ্য নিদিয়ে; ই কেৱল স্থানক্ৰমহে সূচায়। তথাপিও এই মাপকাঠী শৈক্ষিক আৰু মনোবৈজ্ঞানিক গৱেষণাত বহুলভাৱে ব্যৱহাৰ কৰা হয়।
- **অন্তৰালসূচক মাপকাঠী (Interval Scale):** এটা **অন্তৰালসূচক মাপকাঠীয়ে** পৰিমাণক সূচোৱাৰ লগতে এই মাপকাঠীত ক্ৰমিক অন্তৰালসমূহৰ ব্যৱধানৰ মাজত সমান পাৰ্থক্যক প্ৰতিনিধিত্ব কৰে আৰু ইয়াৰ উপৰিও ক্ৰমৰ বিষয়ে তথ্য প্ৰদান কৰে। উষ্ণতাৰ মাপকাঠী হৈছে অন্তৰালসূচক মাপকাঠীৰ এটা উৎকৃষ্ট উদাহৰণ। ফাৰেনহাইট বা চেলচিয়াছ স্কেলত ডিগ্ৰী য'তেই নহওক, একে পৰিমাণৰ মাপক প্ৰতিনিধিত্ব কৰে। উদাহৰণস্বৰূপে, ৩০ ডিগ্ৰী আৰু ১৮ ডিগ্ৰী চেলচিয়াছৰ উষ্ণতাৰ পাৰ্থক্য ৪২ ডিগ্ৰী আৰু ৩০ ডিগ্ৰী চেলচিয়াছৰ পাৰ্থক্যৰ সৈতে একে। অৱশ্যে শূন্যই এটা অন্তৰালসূচক মাপকাঠীত কেৱল এটা নিৰ্দিষ্ট বিন্দুক প্ৰতিনিধিত্ব কৰে; ই নিৰপেক্ষ সৰ্বনিম্ন মানক

প্রতিনিধিত্ব নকৰে। উদাহৰণস্বৰূপে, উষ্ণতাৰ মাপকাঠীত শূন্য ডিগ্রী চেলচিয়াছে উষ্ণতাৰ সম্পূর্ণ অনুপস্থিতি বুজাব নোৱাৰে।

- **অনুপাতসূচক মাপকাঠী (Ration Scale):** পৰিমাপৰ অনুপাতসূচক মাপকাঠীয়ে নিৰপেক্ষ বা প্রকৃত শূন্য থকা সমান অন্তৰালসমূহৰ মাজৰ পৰিমাণগত পার্থক্যক প্রতিনিধিত্ব কৰে। সাধাৰণতে ভৌতিক পৰিমাপ, যেনে উচ্চতা আৰু ওজন, অনুপাতসূচক তথ্যৰ উদাহৰণ। এনে পৰিমাপে নিৰৱচ্ছিন্নভাৱে নির্দিষ্ট পৰিমাণক সূচায়, য'ত এককসমূহ সমান হয় আৰু শূন্যৰ অর্থ হ'ল জুখিব পৰা মাত্রাটোৰ সম্পূর্ণ বা নিৰপেক্ষ অনুপস্থিতি। অনুপাতসূচক মাপকাঠীৰ ক্ষেত্রত সকলো ধৰণৰ পৰিসংখ্যাগত গণনা আৰু বিশ্লেষণ প্রযোজ্য হয়।

তালিকা (১.১)ত পৰিমাপৰ মাপকাঠীসমূহৰ তলত দিয়া বৈশিষ্ট্যসমূহে ইহঁতৰ মাজৰ পার্থক্য দেখুৱাইছেঃ—

তালিকা ১.১ : পৰিমাপৰ চাৰিটা মাপকাঠীৰ মাজৰ পার্থক্য

	চলক/পৰিমাপৰ মাজত পার্থক্য কৰে	স্থান/ক্রমৰ পৰিমাপ	পৰিমাপৰ মাজত পার্থক্যৰ মাত্রা সূচায়	নিৰপেক্ষ বা প্রকৃত শূন্যৰ উপস্থিতি
নামমাপক মাপকাঠী	✓	×	×	×
ক্রমসূচক মাপকাঠী	✓	✓	×	×
অন্তৰালসূচক মাপকাঠী	✓	✓	✓	×
অনুপাতসূচক মাপকাঠী	✓	✓	✓	✓

অধিক শিকিবলৈ

হার্ভাড বিশ্ববিদ্যালয়ৰ চাইকো- একিউষ্টিক লেবৰেটৰীৰ সঞ্চালক ষ্টেন্‌লি স্মিথ ষ্টিভেন্সে চাৰিটা স্তৰ বা মাপকাঠীৰ পৰিমাপৰ সহায়ত এই শ্রেণীবিভাজন প্রস্তুত কৰিছিল। এই স্তৰ মাপকাঠীসমূহ হৈছেঃ— নামমাপক, ক্রমসূচক, অন্তৰালসূচক আৰু অনুপাতসূচক মাপকাঠী।

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিমাপ হৈছে নির্দিষ্ট নিয়ম অনুসৰি বস্তু বা পৰিঘটনাক সংখ্যামান প্রদান কৰা প্রক্রিয়া। ই হৈছে কোনো এটা বস্তুৰ আকাৰ, মাত্রা, পৰিমান আদি নির্ধাৰণ কৰা এক প্রক্রিয়া।
- পৰিমাপক ইয়াৰ উদ্দেশ্য, প্রকৃতি আৰু ব্যৱহৃত সঁজুলি বা পদ্ধতিৰ ভিত্তিত ভৌতিক পৰিমাপ বা মনোবৈজ্ঞানিক পৰিমাপ হিচাপে শ্রেণীভুক্ত কৰিব পাৰি।

- শৈক্ষিক পৰিমাপ শিক্ষাদানৰ ফলত শিক্ষার্থীৰ আচৰণত হোৱা পৰিৱর্তন নির্ণয় কৰাৰ প্রক্রিয়া। অন্য অর্থত, শৈক্ষিক পৰিমাপ হ'ল শিক্ষার্থীৰ আচৰণগত পৰিৱর্তনৰ ক্ষেত্রত শিক্ষণ অভিজ্ঞতাৰ প্রভাৱ পৰিমাণীকৰণ কৰাৰ প্রক্রিয়া।
- শৈক্ষিক পৰিমাপক মনোবৈজ্ঞানিক পৰিমাপৰ অংশ হিচাপে বিবেচনা কৰা হয়। ইয়াত তথ্য সংগ্রহ আৰু পদ্ধতিগত সংগঠন, অভীক্ষাৰ নির্মাণ আৰু প্রতিমানীকৰণ, পৰিমাপৰ অন্যান্য সঁজুলিৰ বিকাশ আৰু সেইবোৰৰ ব্যৱহাৰ আদি অন্তর্ভুক্ত থাকে।
- বিভিন্ন অভীক্ষা আৰু অনান্য সঁজুলি ব্যৱহাৰ কৰি শিক্ষার্থীৰ শৈক্ষিক কৃতিত্ব, বুদ্ধি, আগ্রহ, সামর্থ্য, সম্ভাৱনা আৰু অনান্য লক্ষণসমূহৰ পৰিমাপ কৰা কার্য শৈক্ষিক পৰিমাপৰ পৰিসৰৰ ভিতৰত পৰে।
- ভৌতিক পৰিমাপৰ বিপৰীতে শৈক্ষিক পৰিমাপত কিছুমান সীমাবদ্ধতা আছে। শৈক্ষিক পৰিমাপ পৰোক্ষ, অনির্দিষ্ট আৰু ব্যক্তিনিষ্ঠ; আনহাতে ভৌতিক পৰিমাপ প্রত্যক্ষ, নির্দিষ্ট আৰু বস্তুনিষ্ঠ। যদিও বিশেষজ্ঞসকলে শৈক্ষিক পৰিমাপৰ বিষয়বস্তু আৰু অনান্য সীমাবদ্ধতাসমূহক কম কৰাৰ অহৰহ প্রচেষ্টা চলাই আহিছে, তথাপি ই ভৌতিক পৰিমাপৰ দৰে সঠিকতা আৰু পূর্ণতা দাবী কৰিব নোৱাৰে।
- শিক্ষাক্ষেত্রত পৰিমাপে শিক্ষার্থীৰ আচৰণৰ পৰিবর্তন অনুমান কৰাৰ লগতে অনান্য কার্যসমূহো সম্পাদন কৰে। শিক্ষাদান আৰু শিক্ষণৰ ফলপ্রসূতা মূল্যায়নৰ উপৰিও নির্বাচন, শ্রেণীবিভাজন, তুলনা, পূর্বানুমান, নির্দেশনা আদি ক্ষেত্রতো সহায় কৰে।
- পৰিমাপৰ মূলতঃ চাৰিটা মাপকাঠী আছে (যেনেঃ নামমাপক, ক্রমসূচক, অন্তৰালসূচক আৰু অনুপাতসূচক মাপকাঠী) যিয়ে সংখ্যাসমূহক সংজ্ঞায়িত কৰা আৰু শ্রেণীবিভাজনৰ উপায়সমূহক বুজায়। প্রতিটো পৰিমাপৰ মাপকাঠীৰ কিছুমান বিশেষ বৈশিষ্ট্য থাকে যিয়ে কিছুমান গাণিতিক বা পৰিসাংখিক বিশ্লেষণত ইয়াৰ প্রযোজ্যতা নির্ধাৰণ কৰে। এইদৰে পৰিমাপৰ মাপকাঠী হৈছে এনে এক শ্রেণীবিভাজন যিয়ে চলকসমূহৰ বাবে প্রদান কৰা সংখ্যাসমূহৰ ভিতৰত নিহিত তথ্যৰ প্রকৃতি বর্ণনা কৰে।

১.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থঃ

(১) গোস্বামী মৰমীঃ 'শিক্ষা আৰু মনোবিজ্ঞানত পৰিমাপ আৰু মূল্যায়ন, অশোক বুক ষ্টল, গুৱাহাটী।

(২) শর্মী দাস ফুনু আৰু কলিতা উৎপলঃ 'শিক্ষাত পৰিমাপণ, মূল্যায়ন আৰু পৰিসংখ্যা বিজ্ঞান'। শান্তি প্রকাশন, গুৱাহাটী।

১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পৰিমাপ হৈছে তথ্যৰ পৰিমাণ নির্ণয় কৰা প্রক্রিয়া। ই হৈছে এনে এক প্রক্রিয়া যাৰ দ্বাৰা কোনো ব্যক্তি, বস্তু বা পৰিঘটনাৰ কোনো বৈশিষ্ট্য নির্দিষ্ট নিয়ম অনুসৰি সংখ্যা বা প্রতীকৰ ৰূপত উপস্থাপন কৰা হয়। পৰিমাপৰ জৰিয়তে কোনো বস্তু বা পৰিঘটনাৰ মাত্রা নির্ণয় কৰা হয়; যেনে— কোনো এটা বস্তু কিমান ডাঙৰ বা সৰু, কিমান বেছি বা কম, কিমান দীঘল বা চুটি ইত্যাদি। James M. Bradfield-ৰ মতে, "সংখ্যা বা প্রতীকৰ দ্বাৰা কোনো বিষয়ৰ পৰিমাণ নির্ধাৰণ কৰি বিষয়টো সম্পর্কে সঠিক ধাৰণা গঠন কৰা আৰু অন্যান্য বিষয়ৰ সৈতে ইয়াৰ সম্পর্ক নিৰূপণ কৰা কার্যই হৈছে পৰিমাপ।"

২ নং প্রশ্নৰ উত্তৰঃ পৰিমাপ হৈছে মানুহৰ জীৱনৰ এক অপৰিহার্য অংশ। আমাৰ দৈনন্দিন জীৱনৰ প্রায় সকলো দিশতে পৰিমাপ জড়িত হৈ থাকে। জন্মৰ পৰা মৃত্যুলৈকে মানুহৰ জীৱনৰ প্রায় প্রতিটো ক্ষেত্রতে বিভিন্ন ৰূপত পৰিমাপৰ উপস্থিতি দেখা যায়। ঘড়ী, তুলাচনী, থার্মোমিটাৰ, ধনৰ লেনদেন আৰু অন্যান্য পৰিমাপৰ মাধ্যমসমূহে প্রতিজন মানুহৰ জীৱনত বিশেষ ভূমিকা পালন কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ ভৌতিক পৰিমাপ আৰু শৈক্ষিক পৰিমাপৰ মাজৰ দুটা পার্থক্য হ'ল—

- ভৌতিক পৰিমাপ প্রকৃত প্রকৃত শূন্য বিন্দুৰ পৰা আৰম্ভ হয়, আনহাতে শৈক্ষিক পৰিমাপত প্রকৃত শূন্য বিন্দু নাথাকে। শৈক্ষিক পৰিমাপত শূন্য নিৰপেক্ষ নহয়, ববঞ্চ আপেক্ষিক।
- ভৌতিক পৰিমাপ প্রত্যক্ষ, বস্তুনিষ্ঠ; আনহাতে শৈক্ষিক পৰিমাপ পৰোক্ষ, অনির্দিষ্ট আৰু ব্যক্তিনিষ্ঠ।

৪ নং প্রশ্নৰ উত্তৰঃ শৈক্ষিক পৰিমাপৰ দুটা সীমাবদ্ধতা হ'ল—

- শৈক্ষিক পৰিমাপ পৰোক্ষ, অনির্দিষ্ট আৰু ব্যক্তিনিষ্ঠ।
- শৈক্ষিক পৰিমাপ অসম্পূর্ণ, কিয়নো যিকোনো বিষয়ৰ কৃতিত্বৰ পৰিমাপ সদায় শিক্ষার্থীৰ আচৰণৰ নমুনাৰ ওপৰত ভিত্তি কৰি কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰঃ শিক্ষাক্ষেত্রত পৰিমাপে শিক্ষার্থীৰ আচৰণৰ পৰিৱর্তন অনুমান কৰাৰ মূল ব্যাখ্যাসহ বিভিন্ন কার্য সম্পাদন কৰে। ই শিক্ষাদান আৰু শিক্ষণৰ ফলপ্রসূতা মূল্যায়নৰ উপৰিও নির্বাচন, শ্রেণীবিভাজন, তুলনা, ভৰিষ্যৎ নির্ধাৰণ, নিদান আৰু নির্দেশনা আদিত সহায় কৰে।

১.১১ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. শৈক্ষিক পৰিমাপ বুলিলে কি বুজা?

প্রশ্ন ২. পৰিমাপৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ৩. পৰিমাপৰ মাপকাঠী বুলিলে কি বুজা?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. পৰিমাপ বুলিলে কি বুজা? ভৌতিক পৰিমাপ আৰু মনোবৈজ্ঞানিক পৰিমাপৰ মাজৰ পার্থক্য লিখক।

প্রশ্ন ২. শৈক্ষিক পৰিমাপৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ৩. শৈক্ষিক পৰিমাপৰ কার্য্যৰলী ব্যখ্যা কৰক।

প্রশ্ন ৪. পৰিমাপৰ বিভিন্ন মাপকাঠীসমূহৰ মাজত তুলনা কৰক।

*****

অধ্যায় ২ : মনোবৈজ্ঞানিক অভীক্ষা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মনোবৈজ্ঞানিক অভীক্ষাৰ চমু ইতিহাস
২.৪ মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ
২.৪.১ মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকৃতি
২.৫ অভীক্ষা, পৰীক্ষা আৰু মূল্যায়ন
২.৬ মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকাৰ
২.৭ মনোবৈজ্ঞানিক অভীক্ষাৰ কার্যাৱলী
২.৮ মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ
২.৯ এটা ভাল অভীক্ষাৰ অর্থ
২.৯.১ এটা ভাল অভীক্ষাৰ বৈশিষ্ট্য
২.৯.২ এটা ভাল অভীক্ষাৰ ব্যৱহাৰিক বৈশিষ্ট্য
২.৯.৩ এটা ভাল অভীক্ষাৰ প্ৰযুক্তিগত বৈশিষ্ট্য
২.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
২.১১ অধিক জানিবলৈ
২.১২ অগ্ৰগতিৰ খতিয়ান
২.১৩ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- মনোবৈজ্ঞানিক অভীক্ষাৰ ধাৰণা ব্যাখ্যা কৰিব সক্ষম হ'ব।
- মনোবৈজ্ঞানিক অভীক্ষাৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব।
- মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকৃতি বর্ণনা কৰিব পাৰিব।
- অভীক্ষা, পৰীক্ষা আৰু মূল্যায়নৰ পার্থক্য নিৰূপন কৰিব পাৰিব।
- মনোবৈজ্ঞানিক অভীক্ষাক শ্ৰেণীবিভাজন কৰিব পৰা বিভিন্ন উপায়সমূহ বর্ণনা কৰিব পাৰিব।
- মনোবৈজ্ঞানিক অভীক্ষাৰ বিভিন্ন কার্যাৱলী বর্ণনা কৰিব পাৰিব।
- মনোবৈজ্ঞানিক অভীক্ষাৰ বিভিন্ন ব্যৱহাৰ উল্লেখ কৰিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

মানৱীয় কার্যকলাপৰ অন্যান্য ক্ষেত্রত ব্যৱহাৰৰ উপৰিও শৈক্ষিক ক্ষেত্রতো মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা আছে। মনোবৈজ্ঞানিক অভীক্ষাসমূহ মূলতঃ বুদ্ধি, দক্ষতা, কৃতিত্ব আৰু শিক্ষাৰ ক্ষেত্রত ব্যক্তি বা দলৰ বিভিন্ন শৈক্ষিক আৰু অ-শৈক্ষিক ব্যক্তিত্বৰ লক্ষণ অধ্যয়ন কৰিবলৈ নির্মাণ আৰু ব্যৱহাৰ কৰা হয়। এই অভীক্ষাসমূহে শিক্ষার্থীসকলৰ মাজত বৌদ্ধিক বিকাশ, বয়স আৰু লিংগৰ সৈতে শৈক্ষিক আৰু অ-শৈক্ষিক ব্যক্তিত্বৰ বৈশিষ্ট্যৰ ভিত্তিত ব্যক্তিগত পার্থক্যৰ স্বৰূপ নির্ণয় আৰু বিশ্লেষণ কৰাত সহায় কৰে। ইয়াৰ উপৰিও, প্রতিভাশালী, পিছপৰা বা শিক্ষাগতভাৱে অনগ্রসৰ শিশুসকলৰ ব্যক্তিত্বৰ বৈশিষ্ট্য, লগতে মনোবিকাৰগ্রস্ত আৰু বিক্ষিপ্তমনা ব্যক্তিসকলৰ ব্যক্তিত্বৰ গুণসমূহৰ বিশ্লেষণো মনোবৈজ্ঞানিক অভীক্ষাৰ জৰিয়তে সম্ভৱ।

শিক্ষানুষ্ঠানসমূহত শিক্ষার্থীৰ শ্রেণীবিভাজন, ভৱিষ্যৎবাণী, তুলনা, নির্বাচন আদি বিভিন্ন সিদ্ধান্ত গ্রহণৰ লগতে প্রশাসনিক নীতি নির্ধাৰণ আৰু প্রতিষ্ঠানৰ ব্যৱস্থাপনাৰ ক্ষেত্রতো মনোবৈজ্ঞানিক অভীক্ষাৰ বহুল ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও মনোবৈজ্ঞানিক অভীক্ষাই ছাত্র-ছাত্রীৰ সবলতা, দুর্বলতা আৰু অন্যান্য মানসিক-শাৰীৰিক বৈশিষ্ট্যসমূহৰ মূল্যায়নৰ ভিত্তিত শৈক্ষিক আৰু বৃত্তিমূলক নির্দেশনা তথা পৰামর্শ প্রদান কৰাত সহায় কৰে। মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ নিযুক্তি, ব্যৱসায়, উদ্যোগ আৰু অন্যান্য বহু ক্ষেত্রতো দেখা যায় যিয়ে বহু লোকৰ জীৱনক প্রভাৱিত কৰে। এই অধ্যায়ত আপুনি মনোবৈজ্ঞানিক অভীক্ষাৰ ইতিহাস, ধাৰণা, প্রকৃতি, কার্যাৱলী আৰু ব্যৱহাৰৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

২.৩ মনোবৈজ্ঞানিক অভীক্ষাৰ এক চমু ইতিহাস

মনোবৈজ্ঞানিক অভীক্ষাৰ ইতিহাস অতি দীঘলীয়া। ইয়াৰ উৎপত্তি খ্রীষ্টপূর্ব ২২০০ চনৰ ভিতৰত বুলি ধাৰণা কৰিব পাৰি। সেই সময়ত চীনৰ সম্রাটসকলে কর্মচাৰী নির্বাচন কৰিছিল। লগতে প্রতি তিনিবছৰৰ মূৰে মূৰে তেওঁলোকৰ কার্যদক্ষতা পৰীক্ষা কৰা হৈছিল। এই কামৰ বাবে প্রাথমিক ধৰণৰ পৰীক্ষাৰ ব্যৱহাৰ কৰা হৈছিল। পিছৰ শতিকাবোৰত এই অভীক্ষাসমূহ লাহে লাহে উন্নত হয়। বিভিন্ন সংশোধনৰ মাজেৰে এইবোৰ লিখিত অভীক্ষাৰ ৰূপ লয়। এই বিকাশ হান ৰাজবংশৰ (খ্রীষ্টপূর্ব ২০০ৰ পৰা খ্রীষ্টাব্দ ২০০লৈ) সময়ত প্রৱর্তিত হৈছিল। আধুনিক মনোবৈজ্ঞানিক পৰীক্ষণৰ সূচনা মূলতঃ ১৮০০ চনৰ শেষৰফালে ইউৰোপত হয়। সেই সময়ত কাঁহ-পিতলৰ সঁজুলিৰ যুগ চলি আছিল। বহু চিকিৎসক আৰু মনোৰোগ বিশেষজ্ঞই মানসিক ৰোগী আৰু মস্তিষ্ক আঘাতপ্রাপ্ত ব্যক্তিৰ লক্ষণসমূহ অধ্যয়ন কৰিছিল। ইয়াৰ বাবে তেওঁলোকে প্রতিমানীকৃত পদ্ধতি বিকাশ কৰিছিল। এই ক্ষেত্রত Hubert von Grashey বিশেষভাৱে উল্লেখযোগ্য। তেওঁ ১৮৮৫ চনত মস্তিষ্ক আঘাতপ্রাপ্ত ৰোগীৰ দৃশ্য চিনাক্তকৰণ ক্ষমতা পৰীক্ষা কৰিবলৈ Memory Drum উদ্ভাৱন কৰিছিল। Francis Galton-এ ইন্দ্রিয় আৰু

প্রতিচ্ছবিৰ বৈষম্যৰ পৰীক্ষাৰ জৰিয়তে বুদ্ধি পৰিমাপ কৰাৰ চেষ্টা কৰিছিল। তেওঁ উচ্চ সুৰৰ শব্দৰ প্রতি সংবেদনশীলতা পৰিমাপ কৰিবলৈ বিখ্যাত 'Galton Whistle' উদ্ভাৱন কৰিছিল। ১৮৭৯ চনত Wilhelm Wundt-এ জার্মানীৰ লাইপজিগত প্রথম মনোবৈজ্ঞানিক পৰীক্ষাগাৰ স্থাপন কৰিছিল। তেওঁ 'চিন্তন মিটাৰ' নামৰ যন্ত্রো বিকাশ কৰিছিল। এই যন্ত্রৰ সহায়ত তেওঁ চিন্তাৰ গতি পৰিমাপ কৰাৰ চেষ্টা কৰিছিল। আমেৰিকান মনোবিজ্ঞানী James Cattell-এ ১৮৯০ চনত প্রকাশিত তেওঁৰ এখন গৱেষণাপত্রত প্রথমবাৰৰ বাবে মানসিক অভীক্ষাৰ কথা উল্লেখ কৰিছিল। ফৰাচী চিকিৎসক Esquirol আৰু Seguin-এ মানসিকভাৱে পিছপৰা ব্যক্তিৰ নিদান আৰু চিকিৎসাৰ ওপৰত কাম কৰিছিল। তেওঁলোকে ১৮০০ চনৰ শেষৰফালে বুদ্ধি অভীক্ষাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল। ১৯০৫ চনত ফ্রান্সৰ পেৰিছত Alfred Binet (আলফ্রেড বিনে) আৰু তেওঁৰ সহযোগী Theodore Simon-এ প্রথম উপযুক্ত বুদ্ধি অভীক্ষা উদ্ভাৱন কৰিছিল। এই Binet-Simon বুদ্ধি অভীক্ষা ৩০টা সাধাৰণ বিষয়ৰ ওপৰত আধাৰিত আছিল। ইয়াৰ মূল উদ্দেশ্য আছিল বিদ্যালয়ৰ সেই শিশুসকলক চিনাক্ত কৰা, যিসকল সাধাৰণ শিক্ষাৰ পৰা লাভৱান হ'ব পৰা নাছিল। মূল Binet বুদ্ধি অভীক্ষা ১৯০৮ চনত সংশোধিত কৰা হৈছিল। পিছত এই অভীক্ষাক আমেৰিকাৰ ষ্টেনফর্ড বিশ্ববিদ্যালয়ত Lewis Terman-এ উন্নত কৰে। ইয়াক Stanford-Binet বুদ্ধি অভীক্ষা বুলি জনা যায়। এই অভীক্ষা ১৯১৬ চনত প্রথমবাৰৰ বাবে প্রৱর্তিত হয়। পিছত ইয়াক ১৯৩৭, ১৯৬০ আৰু ১৯৭২ চনত সংশোধিত কৰা হৈছিল। জার্মান মনোবিজ্ঞানী William Stern-এ বুদ্ধ্যাংকৰ ধাৰণা আগবঢ়াইছিল। তেওঁ মানসিক বয়সক প্রকৃত বয়সেৰে ভাগ কৰি ইয়াক গণনা কৰিছিল। পিছত Terman-এ বুদ্ধ্যাংকক ১০০ৰে পূৰণ কৰি ভগ্নাংশ আঁতৰোৱাৰ পৰামর্শ দিয়ে। এইদৰে বুদ্ধ্যাংক (IQ)ৰ আধুনিক ধাৰণাৰ উদ্ভৱ হয়।

২.৪ মনোবৈজ্ঞানিক অভীক্ষাৰ অর্থ আৰু সংজ্ঞা

শিক্ষাত পৰিমাপ আৰু মূল্যায়ন হৈছে নির্দেশনা বা শিক্ষণৰ ফলত সৃষ্টি হোৱা শিক্ষার্থীৰ আচৰণ পৰিৱর্তনৰ এক ব্যাপক আৰু বৈজ্ঞানিক মূল্যাংকন প্রক্রিয়া। এই পৰিমাপ আৰু মূল্যায়ন প্রক্রিয়াই শৈক্ষিক লক্ষ্যৰ দিশত শিক্ষার্থীৰ অগ্রগতিৰ বিষয়ে প্রয়োজনীয় তথ্য প্রদান কৰে। এনে জ্ঞান অবিহনে শিক্ষার্থী বা শিক্ষণ প্রক্রিয়াই শৈক্ষিক লক্ষ্যৰ দিশত সন্তোষজনকভাৱে আগবাঢ়িব নোৱাৰে। সেয়েহে এনে জ্ঞান বা তথ্য সংগ্রহ কৰিবলৈ পৰিমাপৰ বিভিন্ন সঁজুলি ব্যৱহাৰ কৰা হয়। মনোবৈজ্ঞানিক অভীক্ষা হৈছে শৈক্ষিক পৰিমাপ আৰু মূল্যায়নত ব্যৱহৃত আটাইতকৈ উপযোগী সঁজুলিসমূহৰ ভিতৰত অন্যতম।

এটা মনোবৈজ্ঞানিক অভীক্ষা হৈছে কিছুমান প্রশ্ন (item) বা কার্যাৱলীৰ এক সংগ্রহ য'ত অভীক্ষার্থীয়ে উত্তৰ দিব লাগে বা নির্দিষ্ট কার্য সম্পাদন কৰিব লাগে। এই প্রশ্ন বা কার্যসমূহৰ জৰিয়তে ব্যক্তি বা দলৰ বুদ্ধি, জ্ঞান, দক্ষতা বা ব্যক্তিত্বৰ অন্যান্য সংলক্ষণসমূহ পৰিমাপ কৰা হয়। এই প্রশ্ন বা কার্যসমূহৰ সংগ্রহ (অভীক্ষা) অতি প্রয়োজনীয় কিয়নো ভৌতিক বস্তুৰ দৰে বুদ্ধি, কৃতিত্ব বা অন্য কোনো মানসিক সংলক্ষণ বা বৈশিষ্ট্যসমূহ প্রত্যক্ষভাৱে পৰিমাপ কৰিব নোৱাৰি। ভৌতিক বস্তুৰ পৰিমাপ প্রত্যক্ষ আৰু সহজ কাৰণ ইয়াক সার্বজনীনভাৱে গ্রহণযোগ্য সঁজুলি আৰু এককৰ সহায়ত জুখিব পাৰি। কিন্তু

মনোবৈজ্ঞানিক বৈশিষ্ট্যসমূহ যেনে জ্ঞান, দক্ষতা, মনোভাৱ, কৃতিত্ব বা ব্যক্তিত্বৰ অন্যান্য সংলক্ষণসমূহ তেতিয়ালৈকে পৰিমাপ কৰিব নোৱাৰি যেতিয়ালৈকে সেয়া মানুহৰ আচৰণত প্ৰকাশ নাপায়। সেয়েহে এই বিমূর্ত সংলক্ষণ বা গুণসমূহক ব্যক্তিৰ আচৰণত স্পষ্টভাৱে প্ৰকাশ কৰিব লাগে যাতে সেইবোৰ পৰিমাপ কৰা সম্ভৱ হয়। এই উদ্দেশ্যে অভীক্ষার্থীক কিছুমান প্ৰশ্ন বা কার্যৰ ৰূপত উদ্দীপক প্ৰদান কৰা হয় যাতে তেওঁলোকৰ প্ৰতিক্ৰিয়া পর্যবেক্ষণ, লিপিবদ্ধ বা পৰিমাপ কৰিব পৰা যায়। প্ৰশ্নসমূহ বা সম্পাদন কৰিবলগীয়া কার্যসমূহ এনেদৰে বাছনি বা প্ৰস্তুত কৰা হয় যাতে অভীক্ষার্থীৰ প্ৰতিক্ৰিয়াই পৰিমাপ কৰিবলগীয়া বৈশিষ্ট্যটো স্পষ্ট আৰু পৰিমাপযোগ্য কৰি তোলে। গতিকে মনোবৈজ্ঞানিক অভীক্ষাক মনোবৈজ্ঞানিক সংলক্ষণ বা বৈশিষ্ট্য পৰিমাপ কৰাৰ বাবে প্ৰয়োজনীয় আচৰণৰ নমুনা উলিয়াবলৈ নির্বাচিত কৰা কিছুমান উদ্দীপকৰ সংগ্ৰহ বুলি বুজিব পাৰি— যিসমূহ প্ৰশ্নৰ ৰূপত উত্তৰ দিবলৈ বা কার্য হিচাপে সম্পাদন কৰিবলৈ দিয়া হয়। এই বিষয়ে মনোবিজ্ঞানী Marshall-এ সংজ্ঞা আগবঢ়াই কৈছে যে "মনোবৈজ্ঞানিক অভীক্ষা হৈছে উদ্দীপকৰ এক সুনির্বাচিত আৰু সংগঠিত নমুনা, যিয়ে অভীক্ষার্থীৰ প্ৰতিক্ৰিয়াৰ জৰিয়তে তেওঁৰ কিছু বিশেষ বৈশিষ্ট্য প্ৰকাশ কৰে।" অৱশ্যে Marshall-ৰ এই সংজ্ঞাটোৱে মনোবৈজ্ঞানিক অভীক্ষাৰ সকলো দিশ সম্পূর্ণভাৱে সামৰি নলয়। সেয়েহে মনোবৈজ্ঞানিক অভীক্ষাৰ কেইটামান গুৰুত্বপূর্ণ সংজ্ঞা তলত দিয়া হ'ল—

Frank S. Freeman-ৰ মতে, "মনোবৈজ্ঞানিক অভীক্ষা হৈছে এক প্ৰতিমানীকৃত সঁজুলি, যিয়ে ব্যক্তিৰ সামগ্ৰিক ব্যক্তিত্বৰ এক বা একাধিক দিশ মৌখিক বা অমৌখিক প্ৰতিক্ৰিয়া বা অন্যান্য আচৰণৰ মাধ্যমেৰে বস্তুনিষ্ঠভাৱে পৰিমাপ কৰে।"

মনোবিজ্ঞানী Anastasi আৰু Urbina-য়ে মনোবৈজ্ঞানিক অভীক্ষাক "আচৰণৰ নমুনাৰ এক বস্তুনিষ্ঠ আৰু প্ৰতিমানীকৃত পৰিমাপ" বুলি সংজ্ঞায়িত কৰিছে।

A.K. Singh-ৰ মতে, "মনোবৈজ্ঞানিক বা শৈক্ষিক অভীক্ষা হৈছে এক প্ৰতিমানীকৃত প্ৰক্ৰিয়া, যিয়ে ব্যক্তিৰ এক বা একাধিক সংলক্ষণ পৰিমাণগত বা গুণগতভাৱে মৌখিক বা অমৌখিক আচৰণৰ নমুনাৰ জৰিয়তে পৰিমাপ কৰে।"

Mclntire আৰু Miller-ৰ মতে, "মনোবৈজ্ঞানিক অভীক্ষা হৈছে এনে এক সঁজুলি য'ত অভীক্ষার্থীয়ে আচৰণ প্ৰদর্শন কৰিব লাগে। এই আচৰণৰ মাধ্যমেৰে ব্যক্তিৰ গুণ আৰু লক্ষণসমূহ যেনে বুদ্ধি আদি পৰিমাপ কৰা হয়। এই লক্ষণসমূহ ব্যক্তিৰ আচৰণ বুজিবলৈ আৰু বর্ণনা কৰিবলৈ গুৰুত্বপূর্ণ বুলি বিবেচিত হয়।"

ওপৰোক্ত সংজ্ঞাসমূহৰ বিশ্লেষণ কৰিলে এইটো স্পষ্ট হয় যে মনোবৈজ্ঞানিক অভীক্ষাত অভীক্ষার্থীয়ে সম্পাদন কৰিবলগীয়া কিছুমান প্ৰশ্ন বা কার্য অন্তর্ভুক্ত থাকে। এইবোৰৰ জৰিয়তে তেওঁৰ আচৰণৰ নমুনা প্ৰকাশ পায়। এই আচৰণৰ নমুনাই পৰোক্ষভাৱে পৰিমাপ কৰিবলগীয়া ব্যক্তিত্বৰ লক্ষণ বা বৈশিষ্ট্যৰ ইংগিত দিয়ে।

২.৪.১. মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকৃতি

মনোবৈজ্ঞানিক পৰিমাপত ব্যৱহৃত বিভিন্ন সঁজুলিৰ ভিতৰত অন্যতম হৈছে মনোবৈজ্ঞানিক অভীক্ষা। মনোবৈজ্ঞানিক অভীক্ষাক কিছুমান সংলক্ষণ বা বৈশিষ্ট্য পৰিমাপ কৰাৰ উদ্দেশ্যে ব্যক্তিৰ প্ৰতিক্ৰিয়া বা আচৰণৰ বহিঃপ্ৰকাশ উলিয়াবলৈ ব্যৱহাৰ কৰা সঁজুলি হিচাপে ধৰা হয়। তলত দিয়া বৈশিষ্ট্যসমূহে মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকৃতি স্পষ্ট কৰে—

- মনোবৈজ্ঞানিক অভীক্ষা হৈছে পৰিমাপ কৰিবলগীয়া ব্যক্তিৰ কিছুমান লক্ষণ বা বৈশিষ্ট্য পৰিমাপ কৰাৰ উদ্দেশ্যে তেওঁৰ প্ৰতিক্ৰিয়াৰ বহিঃপ্ৰকাশ উলিয়াবলৈ ব্যৱহৃত উদ্দীপকৰ এক সুনিৰ্বাচিত আৰু সুসংগঠিত সংগ্ৰহ।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ বিমূর্ত, অপৰ্যবেক্ষণীয় আৰু প্ৰত্যক্ষভাৱে পৰিমাপ কৰিব নোৱাৰা মনোবৈজ্ঞানিক লক্ষণসমূহ পৰিমাপ কৰাৰ বাবে নিৰ্মাণ আৰু ব্যৱহাৰ কৰা হয়। সেয়েহে ই এক পৰোক্ষ পৰিমাপৰ সঁজুলি। ইয়াত ব্যক্তিয়ে প্ৰকাশ কৰা আচৰণৰ জৰিয়তে লক্ষণসমূহ পৰিমাপ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাত অভীক্ষার্থীয়ে পৰ্যবেক্ষণযোগ্য বা পৰিমাপযোগ্য আচৰণ প্ৰদৰ্শন কৰিবলগীয়া হয়। অভীক্ষার্থীয়ে যেতিয়া অভীক্ষা দিয়ে, তেতিয়া তেওঁ কিছুমান প্ৰশ্নৰ উত্তৰ দিব লাগে বা কোনো কাৰ্য সম্পাদন কৰিব লাগে। এনে সময়ত অভীক্ষার্থীয়ে পৰ্যবেক্ষণযোগ্য আৰু পৰিমাপযোগ্য আচৰণৰ ৰূপত কিছুমান লক্ষণ বা বৈশিষ্ট্য প্ৰকাশ কৰে।
- মনোবৈজ্ঞানিক অভীক্ষাত যি আচৰণক লক্ষণ বা বৈশিষ্ট্য বুজিবলৈ গুৰুত্বপূৰ্ণ বুলি ধৰা হয়, সেই আচৰণকে পৰিমাপ কৰাৰ বাবে ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাত ব্যক্তিৰ আচৰণ, লক্ষণ বা কৰ্মক্ষমতাৰ বিমূর্ত মাত্ৰাক প্ৰকাশ কৰিবলৈ ব্যক্তিক সংখ্যামান বা শ্ৰেণীত বিভক্ত কৰা হয়। অৰ্থাৎ মনোবৈজ্ঞানিক অভীক্ষাই সংখ্যামান বা শ্ৰেণীবিভাজনৰ ৰূপত আচৰণৰ কৰ্মক্ষমতাক প্ৰতিনিধিত্ব কৰে।
- মনোবৈজ্ঞানিক অভীক্ষাই নিৰৱচ্ছিন্নভাৱে প্ৰতিমানীকৃত পদ্ধতি অনুসৰণ কৰে। সহজ ভাষাত ক'বলৈ গ'লে, মনোবৈজ্ঞানিক অভীক্ষা প্ৰদানৰ পদ্ধতি সকলো পৰিৱেশতে আৰু সকলো অভীক্ষকৰ ক্ষেত্ৰত একে হয়। সকলো মনোবৈজ্ঞানিক অভীক্ষাৰ সৈতে সাধাৰণতে এখন নিৰ্দেশনামূলক হাতপুথি থাকে য'ত অভীক্ষা প্ৰদানৰ বিশদ নিৰ্দেশনা দিয়া থাকে।

- মনোবৈজ্ঞানিক অভীক্ষাই সদায় সীমিত আচৰণৰ এক নমুনা পৰিমাপ কৰে যি পৰিমাপ কৰিবলগীয়া সংলক্ষণ বা বৈশিষ্ট্য বুজিবলৈ বা ব্যাখ্যা কৰিবলৈ গুৰুত্বপূৰ্ণ। ব্যৱহাৰিক সীমাবদ্ধতাৰ বাবে আচৰণৰ সামগ্ৰিক দিশ সম্পূৰ্ণৰূপে পৰিমাপ কৰা সম্ভৱ নহয়। সেয়েহে অভীক্ষাই সদায় সংশ্লিষ্ট আচৰণৰ সামগ্ৰিক দিশৰ ওপৰত অনুমান কৰিবলৈ আচৰণৰ নমুনাৰ ওপৰত নিৰ্ভৰ কৰে।
- মনোবৈজ্ঞানিক অভীক্ষাৰ লক্ষ্য হৈছে কাৰ্যক্ষমতা, লক্ষণ বা বৈশিষ্ট্যৰ ভিত্তিত ব্যক্তিগত পাৰ্থক্য পৰিমাপ কৰা। যদিও সকলো ব্যক্তিয়েই এই লক্ষণ বা বৈশিষ্ট্যৰ অধিকাৰী, তথাপিও ইয়াৰ পৰিমাণ ব্যক্তি ভেদে ভিন্ন হয়। মনোবৈজ্ঞানিক অভীক্ষাৰ উদ্দেশ্য হৈছে এজন ব্যক্তিৰ লক্ষণ বা মানদণ্ডৰ পৰিমাণ নিৰ্ণয় কৰা, যাতে সেই সংলক্ষণ বা মানদণ্ডৰ ভিত্তিত ব্যক্তিগত পাৰ্থক্য অনুমান কৰিব পৰা যায়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহে একেটা অভীক্ষাত এটা দলৰ গড় কাৰ্যক্ষমতাৰ ভিত্তিত গণনা কৰা নীতিৰ মানদণ্ড বা মানকসমূহকো অন্তৰ্ভুক্ত কৰে। এনে মানদণ্ডই এজন ব্যক্তিৰ প্ৰাপ্ত নম্বৰ বা কাৰ্যক্ষমতাৰ ভিত্তিত তেওঁ যিটো দলৰ সদস্য, সেই দলৰ নীতিৰ মানদণ্ডৰ সৈতে তুলনা কৰি ফলাফল ব্যাখ্যা কৰাত সহায় কৰে।
- মনোবৈজ্ঞানিক অভীক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল যে ই নমুনা হিচাপে লোৱা আচৰণৰ পৰিমাপৰ ভিত্তিত আচৰণৰ সম্পূৰ্ণ ক্ষেত্ৰৰ ওপৰত অনুমান কৰে। এইদৰে ই অভীক্ষার্থীৰ পৰীক্ষা নকৰা আচৰণ, কাৰ্যক্ষমতা বা লক্ষণৰ ভৱিষ্যৎবাণী কৰে।
- মনোবৈজ্ঞানিক অভীক্ষাৰ নিৰ্মাণ আৰু পৰিচালনা সাধাৰণতে নিম্নলিখিত ধাৰণাসমূহৰ ওপৰত আধাৰিতঃ
  - মনোবৈজ্ঞানিক অভীক্ষাই যেতিয়া পৰিমাপ কৰিব বিচৰা সংলক্ষণটো সঠিকভাৱে পৰিমাপ কৰে আৰু অভীক্ষার্থীৰ প্ৰতিক্ৰিয়াৰ ভিত্তিত তেওঁলোকৰ বিষয়ে কৰা অনুমানসমূহ শুদ্ধ হয়, তেতিয়া ইয়াক অভীক্ষাৰ বৈধতা বুলি কোৱা হয়।
  - যেতিয়া এজন ব্যক্তিৰ অভীক্ষাৰ প্ৰতিক্ৰিয়া আৰু তেওঁ অভীক্ষাত পোৱা নম্বৰ সকলো সময়তে স্থিৰ থাকে, তেতিয়া অভীক্ষাৰ এই বৈশিষ্ট্যটোক নিৰ্ভৰযোগ্যতা বুলি অভিহিত কৰা হয়।
  - ইয়াত ধৰি লোৱা হয় যে অভীক্ষক বা অভীক্ষা নিৰ্মাতাই অভীক্ষাত অন্তৰ্ভুক্ত প্ৰশ্নসমূহৰ অৰ্থ সঠিকভাৱে বুজি পাইছে।
  - ইয়াত এইটোও অনুমান কৰা হয় যে অভীক্ষার্থীয়ে নিজৰ লগতে নিজৰ চিন্তা, ভাৱনা আৰু অনুভৱসমূহ সঠিকভাৱে আৰু সত্যনিষ্ঠাৰে প্ৰকাশ কৰিব।

- এজন ব্যক্তিয়ে অভীক্ষাত পোৱা নম্বৰ তেওঁৰ প্ৰকৃত দক্ষতাৰ ওপৰত ভিত্তি কৰি পোৱা নম্বৰ। এই নম্বৰটো অভীক্ষাৰ নিজস্ব ত্ৰুটি, অভীক্ষা সম্পাদনৰ অসুবিধা, অভীক্ষকৰ ব্যক্তিগত প্ৰভাৱ, অভীক্ষার্থীৰ মানসিক আৰু শাৰীৰিক অৱস্থা, লগতে পৰিৱেশৰ বিৰূপ প্ৰভাৱ আদিৰ সমষ্টি হিচাপে বিবেচিত হয়।

অৱশ্যে মনত ৰাখিবলগীয়া যে এইবোৰ কেৱল অনুমান। যিকোনো অভীক্ষাৰ ক্ষেত্ৰত এইবোৰ সদায় সত্য বুলি প্ৰমাণিত নহ'বও পাৰে। মনোবৈজ্ঞানিক অভীক্ষাৰ গুণমান এই ধাৰণাসমূহ কিমান পৰিমাণে বাস্তৱত সত্য বুলি প্ৰমাণিত হয় তাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ ফলতেই মনোবৈজ্ঞানিক অভীক্ষাৰ সঠিকতা আৰু বিশ্বাসযোগ্যতাৰ প্ৰশ্নটো উদ্ভৱ হয়। ভৌতিক পৰিমাপৰ সঁজুলিয়ে যি ধৰণৰ নিখুঁততা, বিশ্বাসযোগ্যতা আৰু নিশ্চিততা দাবী কৰিব পাৰে, সেই একে স্তৰৰ নিশ্চয়তা মনোবৈজ্ঞানিক অভীক্ষাই সম্পূৰ্ণৰূপে দাবী কৰিব নোৱাৰে।

২.৫ অভীক্ষা, পৰীক্ষা আৰু মূল্যায়ন

অভীক্ষা, পৰীক্ষা আৰু মূল্যায়ন প্ৰায় একেধৰণৰ ধাৰণা আৰু কেতিয়াবা সেয়া পৰস্পৰে পৰস্পৰ বিকল্পভাৱে ব্যৱহাৰ কৰা হয়। অৱশ্যে এই তিনিটা ধাৰণাৰ অৰ্থ সম্পূৰ্ণ একে নহয়; ইহঁতৰ মাজত সূক্ষ্ম পাৰ্থক্য আছে। অভীক্ষা আৰু পৰীক্ষা হৈছে মূল্যায়নৰ সঁজুলি। মূল্যায়নৰ সঁজুলি হিচাপে দুয়োটাৰ অৰ্থ আৰু পৰিসৰ ভিন্ন। মূল্যায়নৰ এক গুৰুত্বপূৰ্ণ সঁজুলি হিচাপে অভীক্ষা হৈছে কোনো এটা নিৰ্দিষ্ট ক্ষেত্ৰ বা বিষয়ত উত্তৰ দিবলগীয়া বা কাৰ্য সম্পাদন কৰিবলগীয়া প্ৰশ্নসমূহৰ এক সমষ্টি। অভীক্ষার্থীক এই প্ৰশ্নসমূহৰ উত্তৰ বা দিয়া কাৰ্য সম্পাদনৰ ভিত্তিত মূল্যায়ন কৰা হয়। পৰীক্ষাও প্ৰশ্ন বা কাৰ্যসমূহৰ এক সমষ্টি। কিন্তু পৰীক্ষাত সাধাৰণতে একাধিক ক্ষেত্ৰ বা বিষয় অন্তৰ্ভুক্ত থাকে। বিপৰীতে অভীক্ষাই সাধাৰণতে এটা নিৰ্দিষ্ট ক্ষেত্ৰ বা বিষয়ৰ ওপৰতহে গুৰুত্ব দিয়ে। সেয়েহে পৰীক্ষাৰ পৰিসৰ অভীক্ষাতকৈ বহল। এটা পৰীক্ষা বহুতো আন্তঃসম্পৰ্কিত অভীক্ষাৰ সমাহাৰ বুলিও ক'ব পাৰি। এটা পৰীক্ষাই শিক্ষার্থীৰ বিভিন্ন ধৰণৰ মানসিক আৰু শাৰীৰিক যোগ্যতা পৰিমাপ কৰিব পাৰে। কিন্তু এটা অভীক্ষাই সাধাৰণতে ব্যক্তিত্ব বা আচৰণৰ কেৱল এটা বিশেষ দিশহে পৰিমাপ কৰে। শিক্ষাক্ষেত্ৰত অভীক্ষা আৰু পৰীক্ষা দুয়োটাই শিক্ষার্থীৰ জ্ঞান আৰু কৃতিত্ব পৰিমাপ কৰে। সেয়েহে বহু ক্ষেত্ৰত দুয়োটাক প্ৰায় একে অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে পৰীক্ষাসমূহ সাধাৰণতে শৈক্ষিক বৰ্ষৰ শেষত অনুষ্ঠিত হয় আৰু ই বিভিন্ন বিষয় সামৰি লয়। আনহাতে অভীক্ষাসমূহ শৈক্ষিক বৰ্ষৰ মাজতেই অনুষ্ঠিত হয় আৰু ই পাঠ্যক্ৰমৰ বিশেষ অধ্যায় বা বিষয়ৰ ওপৰত ভিত্তি কৰি হয়। ইয়াৰ উপৰিও অভীক্ষাসমূহ সাধাৰণতে অবিৰত আৰু নিৰ্ণায়ক প্ৰকৃতিৰ হয়, যাৰ উদ্দেশ্য এটা অধ্যায় সম্পূৰ্ণ হোৱাৰ পিছত শিক্ষার্থীৰ কৃতিত্ব মূল্যায়ন কৰা। আনহাতে পৰীক্ষাসমূহ সামূহিক প্ৰকৃতিৰ হয় আৰু ই শৈক্ষিক বৰ্ষৰ শেষত শিক্ষার্থীৰ অগ্ৰগতি, উত্তীৰ্ণ বা অনুত্তীৰ্ণ হোৱাৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে।

অভীক্ষা আৰু পৰীক্ষা দুয়োটাই মূল্যায়নৰ সঁজুলি বা আহিলা। এটা অভীক্ষাৰ লক্ষ্য হৈছে কোনো বস্তু বা বিষয়ৰ এটা বিশেষ অংশৰ পৰিমাপ কৰা। ইয়াৰ বিপৰীতে পৰীক্ষাৰ লক্ষ্য হৈছে সমগ্ৰ বস্তু বা বিষয়ৰ সামগ্ৰিক পৰিমাপ কৰা। উদাহৰণস্বৰূপে, এজন চিকিৎসকে ৰোগ নিৰ্ণয় কৰিবলৈ ৰোগীৰ শাৰীৰিক পৰীক্ষা কৰে। এনে শাৰীৰিক পৰীক্ষাৰ ভিতৰত বহুতো উপ-পৰীক্ষা অন্তৰ্ভুক্ত থাকে, যেনে— তেজ পৰীক্ষা, মল-মূত্ৰ (মূত্ৰ) পৰীক্ষা, হৃদস্পন্দন পৰীক্ষা ইত্যাদি।

মূল্যায়ন হৈছে এটা ধাৰণা যি অভীক্ষা আৰু পৰীক্ষাতকৈ অধিক ব্যাপক। বিভিন্ন অভীক্ষা আৰু পৰীক্ষাক মূল্যায়নৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। এটা অভীক্ষা বা পৰীক্ষা সাধাৰণতে ব্যক্তিৰ সংজ্ঞানাত্মক, আৱেগিক বা মনোসঞ্চালনমূলক আচৰণৰ যিকোনো এটা দিশৰ সৈতে জড়িত থাকে। আনহাতে মূল্যায়ন হৈছে এক ব্যাপক প্ৰক্ৰিয়া। ই ব্যক্তিৰ সংজ্ঞানাত্মক, আৱেগিক আৰু মনোসঞ্চালনমূলক আচৰণকে ধৰি সকলো দিশৰ ওপৰত লক্ষ্য ৰাখে। ইয়াৰ উপৰিও মূল্যায়ন হৈছে এক অবিৰত প্ৰক্ৰিয়া যিয়ে সময়ে সময়ে অনুষ্ঠিত হোৱা বিভিন্ন অভীক্ষা আৰু পৰীক্ষাৰ পৰা সংগৃহীত তথ্য ব্যৱহাৰ কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১. মনোবৈজ্ঞানিক অভীক্ষা কি?

প্ৰশ্ন ২. মনোবৈজ্ঞানিক অভীক্ষাৰ দুটা বৈশিষ্ট্য লিখক।

২.৬ মনোবৈজ্ঞানিক অভীক্ষাৰ প্ৰকাৰ

মনোবৈজ্ঞানিক অভীক্ষাসমূহক বিভিন্ন মাপকাঠীৰ ভিত্তিত বিভিন্ন প্ৰকাৰত ভাগ কৰা হৈছে। সেয়েহে মনোবৈজ্ঞানিক অভীক্ষাৰ কোনো একক বা স্থিৰ শ্ৰেণীবিভাজন নাই। বিভিন্ন শ্ৰেণীবিভাজন সাধাৰণতে একচেটীয়া নহয়; ইহঁত পৰস্পৰৰ সৈতে জড়িত হৈ থাকে। মন কৰিবলগীয়া গুৰুত্বপূৰ্ণ কথাটো হ'ল যে মনোবৈজ্ঞানিক অভীক্ষাসমূহক ইয়াৰ দ্বাৰা পৰিমাপ কৰা আচৰণৰ প্ৰকৃতি, প্ৰয়োগ কৰা পদ্ধতি, মানাংক প্ৰদানৰ পদ্ধতি আৰু ব্যৱহাৰৰ ধৰণ আদি বিভিন্ন দিশৰ ভিত্তিত শ্ৰেণীবিভাগ কৰিব পাৰি।

পৰিমাপ কৰিব বিচৰা বা পৰিমাপ কৰিব পৰা আচৰণৰ প্ৰকৃতিৰ ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষাসমূহক শ্ৰেণীবিভাগ কৰা হয়। সেইসমূহ এনেধৰণৰ—

এটা অভীক্ষাই কি পৰিমাপ কৰে বা কি পূৰ্বানুমান কৰে তাৰ ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ শ্ৰেণীবিভাগ কৰা হয়। এই মাপকাঠীৰ ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষাসমূহক সাধাৰণ কাৰ্যক্ষমতা অভীক্ষা আৰু সৰ্বাধিক কাৰ্যক্ষমতা অভীক্ষা হিচাপে ব্যাপকভাৱে ভাগ কৰা হৈছে।

সাধাৰণ কাৰ্যক্ষমতাৰ অভীক্ষাত অভীক্ষাৰ্থীয়ে সাধাৰণতে কোনো বিশেষ পৰিস্থিতিত তেওঁ কেনেদৰে আচৰণ কৰিব, সেই বিষয়ে প্ৰকাশ কৰিব লাগে। অৰ্থাৎ এই অভীক্ষাই কোনো নিৰ্দিষ্ট

পৰিস্থিতিত অভীক্ষার্থীৰ সম্ভাব্য কার্যসম্পাদন বা আচৰণ কেনে হ'ব সেইটো মূল্যায়ন কৰে। সাধাৰণ কার্যক্ষমতাৰ অভীক্ষাত অভীক্ষার্থীৰ উত্তৰসমূহক সাধাৰণতে সঠিক বা ভুল হিচাপে শ্রেণীবিভাগ কৰা নহয়। এই অভীক্ষা অধিকভাৱে অভীক্ষার্থীৰ পছন্দ, অগ্রাধিকাৰ বা অনুভৱ জানিবলৈ ব্যৱহাৰ কৰা হয়। সাধাৰণ কার্যক্ষমতাৰ অভীক্ষাই সাধাৰণতে ব্যক্তিত্ব, আগ্রহ, অভিৰোচন, মূল্যবোধ আৰু মনোভাৱ আদি অসংজ্ঞানাত্মক আচৰণসমূহ পৰিমাপ কৰে।

সর্বাধিক কার্যক্ষমতাৰ অভীক্ষাই সাধাৰণতে ব্যক্তিৰ জ্ঞানমূলক আচৰণ যেনে— বুদ্ধি, যোগ্যতা আৰু কৃতিত্ব আদি পৰিমাপ কৰে। এই অভীক্ষাসমূহত অন্তর্ভুক্ত প্রশ্নসমূহৰ উত্তৰ সঠিক বা ভুল হ'ব পাৰে। সেয়েহে উত্তৰ প্রদানকাৰীক যিমান পাৰি সঠিকভাৱে প্রশ্নসমূহৰ উত্তৰ দিবলৈ কোৱা হয়। অভীক্ষাত প্রাপ্ত নম্বৰ ব্যক্তিয়ে কিমানটা প্রশ্ন সঠিকভাৱে উত্তৰ দিছে তাৰ ওপৰত নির্ভৰ কৰে। এই অভীক্ষাসমূহৰ মূল লক্ষ্য হৈছে উপযুক্ত পৰিস্থিতিত ব্যক্তিৰ সর্বোচ্চ ক্ষমতা পৰিমাপ কৰা।

সাধাৰণ কার্যক্ষমতাৰ অভীক্ষা বা অসংজ্ঞানাত্মক অভীক্ষাসমূহক প্রতিক্রিয়া প্রদানকাৰীৰ আগত উপস্থাপন কৰা উদ্দীপকৰ ভিত্তিত গাঠনিগত বা অগাঠনিগত অভীক্ষা হিচাপে ভাগ কৰিব পাৰি। গাঠনিগত অভীক্ষাত গাঠনিগত প্রশ্নসমূহ অন্তর্ভুক্ত কৰা হয়। অর্থাৎ এই ধৰণৰ প্রশ্নসমূহত প্রতিক্রিয়া প্রদানকাৰীয়ে পূর্বনির্ধাৰিত বা সীমিত বিকল্পৰ ভিতৰতহে উত্তৰ দিব পাৰে। উদাহৰণস্বৰূপে, ব্যক্তিত্ব অভীক্ষাত প্রতিক্রিয়া প্রদানকাৰীক নিজৰ জীৱনৰ বিভিন্ন কার্যকলাপ বা বিষয়ৰ ওপৰত "হয়/নহয়" বা "সঁচা/মিছা" আদি ৰূপত উত্তৰ দিবলৈ কোৱা হয়। এইবোৰ গাঠনিগত প্রশ্নৰ উদাহৰণ। আনহাতে অগাঠনিগত অভীক্ষাত অগাঠনিগত উদ্দীপক বা প্রশ্নসমূহ ব্যৱহাৰ কৰা হয় য'ত প্রতিক্রিয়া প্রদানকাৰীয়ে মুক্তভাৱে আৰু কোনো নির্দিষ্ট সীমাবদ্ধতা নথকাকৈ উত্তৰ দিব পাৰে। উদাহৰণস্বৰূপে, ব্যক্তিত্বৰ প্রক্ষেপক অভীক্ষাত চিয়াহীৰ দাগ বা ছবি আদি অগাঠনিগত উদ্দীপক হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াত অভীক্ষার্থীক সেই দাগ বা ছবিখনত তেওঁ কি দেখিছে বা কি কল্পনা কৰিছে সেই বিষয়ে বর্ণনা কৰিবলৈ কোৱা হয়। এই প্রক্ষেপক অভীক্ষাসমূহৰ মূল ধাৰণা হৈছে যে অগাঠনিগত বা অস্পষ্ট উদ্দীপকৰ সম্মুখীন হ'লে ব্যক্তি নিজৰ অন্তর্নিহিত আৰু অচেতন অভিৰোচন, অনুভূতি আৰু মনোভাৱ প্রক্ষেপ কৰে। অৱশ্যে অগাঠনিগত অভীক্ষাৰ মানাংক প্রদান গাঠনিগত অভীক্ষাতকৈ তুলনামূলকভাৱে অধিক জটিল।

সংজ্ঞানাত্মক অভীক্ষাসমূহক পুনৰ যোগ্যতাৰ অভীক্ষা আৰু কৃতিত্বৰ অভীক্ষা হিচাপে ভাগ কৰা হৈছে। যদিও এই দুয়ো ধৰণৰ অভীক্ষাই শিক্ষণ আৰু অভীক্ষার্থীয়ে কি শিকিলে বা কি কৰিব পাৰে সেই বিষয়ৰ সৈতে জড়িত, তথাপি ইহঁতৰ উদ্দেশ্যত পার্থক্য আছে। কৃতিত্ব অভীক্ষাই সাধাৰণতে বিশেষ শিক্ষা বা প্রশিক্ষণৰ পৰা আহৰণ কৰা শিক্ষণৰ মূল্যায়ন কৰে। আনহাতে যোগ্যতাৰ অভীক্ষাই সাধাৰণতে সাধাৰণ পৰিৰেশত আৰু বৃহত্তৰ অভিজ্ঞতাৰ ভিত্তিত হোৱা শিক্ষণৰ ক্ষমতা বা সম্ভাৱনাৰ মূল্যায়ন কৰে।

সংজ্ঞানাত্মক অভীক্ষাসমূহক পুনৰ গতি অভীক্ষা আৰু ক্ষমতা অভীক্ষা হিচাপে শ্রেণীবিভাগ কৰা হয়। গতি অভীক্ষাত এনে প্রশ্নসমূহ অন্তর্ভুক্ত থাকে যিবোৰ সকলো প্রশ্নৰ শুদ্ধ উত্তৰ প্রদান কৰিবলৈ সাধাৰণতে পর্যাপ্ত সময়ৰ প্রয়োজন হয়। অর্থাৎ সময়ৰ সীমাবদ্ধতাৰ ভিতৰত কিমান সঠিক উত্তৰ দিয়া

হয় সেইটোৱেই মূল ভিত্তি। কেৱাণী দক্ষতাৰ কিছুমান অভীক্ষা গতি অভীক্ষাৰ উদাহৱণ। আনহাতে ক্ষমতা অভীক্ষাত তুলনামূলকভাৱে কঠিন প্রশ্নসমূহ অন্তর্ভুক্ত কৰা হয় আৰু এই ক্ষেত্রত পর্যাপ্ত সময় প্রদান কৰা হয়। এই অভীক্ষাসমূহৰ উদ্দেশ্য হৈছে অভীক্ষার্থীয়ে কিমান দ্রুতভাৱে উত্তৰ দিয়ে তাৰ পৰীক্ষা নহয়, বৰঞ্চ তেওঁ কিমান জানে বা কি কৰিব পাৰে সেইটো পৰিমাপ কৰা। সেয়েহে ক্ষমতা অভীক্ষাত সময়ৰ চাপ কম থাকে আৰু ব্যক্তিৰ ক্ষমতাৰ গভীৰতা মূল্যায়ন কৰা হয়। অৱশ্যে গতি আৰু ক্ষমতা পৃথকভাৱে পৰিমাপ কৰিব পৰা অভীক্ষাৰ সংখ্যা কম। বাস্তৱত বেছিভাগ মনোবৈজ্ঞানিক অভীক্ষা এই দুয়োটা উপাদানৰ সংমিশ্রণৰ দ্বাৰা গঠিত হয়।

অভীক্ষা প্রয়োগৰ ভিত্তিত শ্রেণীবিভাজনঃ—

মনোবৈজ্ঞানিক অভীক্ষাসমূহক কেনেকৈ প্রয়োগ কৰা হয় তাৰ ভিত্তিত পুনৰ শ্রেণীবিভাজন কৰিব পাৰি। মনোবৈজ্ঞানিক অভীক্ষাসমূহ একে সময়ত এজন ব্যক্তিৰ ওপৰত বা এটা দলৰ ওপৰত প্রয়োগ কৰিব পাৰি। যিবোৰ অভীক্ষা এটা সময়ত এজন ব্যক্তিক পৃথকে প্রয়োগ কৰা হয়, সেইবোৰক ব্যক্তিগত অভীক্ষা বুলি কোৱা হয়। ব্যক্তিগত অভীক্ষাসমূহ মৌখিক, অমৌখিক বা কার্যসম্পাদনমূলক হ'ব পাৰে। আলফ্রেড বিনে ব্যক্তিগত অভীক্ষাৰ বিকাশ আৰু জনপ্রিয়কৰণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। বিনে–চাইমন বুদ্ধি অভীক্ষা, আলেকজেণ্ডাৰ পাছ-এলং অভীক্ষা, আৰু কোহ্ছ ব্লক ডিজাইন অভীক্ষা আদি ব্যক্তিগত অভীক্ষাৰ উদাহৱণ। ব্যক্তিগত অভীক্ষাই অভীক্ষার্থীৰ সৈতে সঠিক সম্পর্ক স্থাপন কৰাত সহায় কৰে যাৰ ফলত পৰিমাপ অধিক শুদ্ধ হয়। তদুপৰি ব্যক্তিগত অভীক্ষাসমূহ তুলনামূলকভাৱে অধিক বৈধ আৰু নির্ভৰযোগ্য। কিন্তু এই অভীক্ষাসমূহ ব্যয়বহুল, সময়সাপেক্ষ আৰু প্রয়োগৰ বাবে বিশেষজ্ঞৰ প্রয়োজন হয়। অধিকাংশ ব্যক্তিগত অভীক্ষা মৌখিক প্রকৃতিৰ হোৱা বাবে সৰু শিশু বা অভীক্ষাত ব্যৱহৃত ভাষা নজনাসকলৰ ক্ষেত্রত ইয়াক প্রয়োগ কৰাটো কঠিন হয়।

ব্যক্তিগত অভীক্ষাৰ বিপৰীতে দলগত অভীক্ষাসমূহ একে সময়তে এটা দলৰ ওপৰত প্রয়োগ কৰা হয়। এই অভীক্ষাসমূহ মৌখিক বা অমৌখিক— দুয়ো ধৰণৰ হ'ব পাৰে। দলগত অভীক্ষাৰ উদাহৱণ হিচাপে আর্মী আলফা অভীক্ষা, আর্মী বিটা অভীক্ষা আৰু আর্মী জেনেৰেল ক্লাছিফিকেচন অভীক্ষা আদি উল্লেখযোগ্য। দলগত অভীক্ষাসমূহ একে সময়তে বহু সংখ্যক লোকক পৰীক্ষা কৰিবলৈ উপযোগী। এই অভীক্ষাসমূহ প্রয়োগ কৰাটো ব্যক্তিগত অভীক্ষাতকৈ তুলনামূলকভাৱে সহজ, সেয়েহে ইয়াৰ বাবে বিশেষজ্ঞ ব্যক্তিৰ প্রয়োজন কম হয়। ফলস্বৰূপে এই অভীক্ষাসমূহ সময়, অর্থ আৰু শ্রমৰ ক্ষেত্রত অধিক মিতব্যয়ী। অৱশ্যে দলগত অভীক্ষাসমূহ ব্যক্তিগত অভীক্ষাৰ তুলনাত কম নির্ভৰযোগ্য আৰু কম বৈধ বুলি গণ্য কৰা হয়।

ভাষাৰ ব্যৱহাৰৰ ভিত্তিত শ্রেণীবিভাজনঃ—

মনোবৈজ্ঞানিক অভীক্ষাসমূহক ভাষাৰ ব্যৱহাৰৰ ভিত্তিত শ্রেণীবিভাজন কৰিব পাৰি। এই ভিত্তিত মনোবৈজ্ঞানিক অভীক্ষাসমূহক মৌখিক, অমৌখিক আৰু কার্যসম্পাদনমূলক অভীক্ষা হিচাপে ভাগ কৰা হৈছে। মৌখিক অভীক্ষাত সাধাৰণতে লিখিত প্রশ্ন বা নির্দেশনা দিয়া হয় আৰু উত্তৰসমূহ কথিত বা

লিখিত ভাষাত দিব লাগে। যিহেতু অভীক্ষার্থীয়ে ভাষা ব্যৱহাৰ কৰি প্ৰতিক্ৰিয়া প্ৰদান কৰিব লাগে, সেয়েহে এই অভীক্ষাসমূহত তেওঁলোকৰ ভাষা জ্ঞানৰ প্ৰভাৱ পৰে। বোধগম্যতা, স্মৃতি, শব্দভাণ্ডাৰ, শব্দ সংযোগ আদি অভীক্ষাসমূহ মৌখিক অভীক্ষাৰ উদাহৰণ। সাধাৰণতে দলগত অভীক্ষাসমূহ মৌখিক প্ৰকৃতিৰ হয়। সাম্প্ৰতিক সময়ত কিছুমান মৌখিক অভীক্ষা কম্পিউটাৰ আৰু অন্যান্য ইলেকট্ৰনিক মাধ্যমৰ সহায়ত পৰিচালিত হয়। মৌখিক অভীক্ষাসমূহ ব্যক্তিৰ বিভিন্ন সংজ্ঞানাত্মক গুণ, যেনে স্মৃতিশক্তি, চিন্তা, যুক্তি, বোধগম্যতা, বিশ্লেষণ আৰু সংশ্লেষণ আদি পৰিমাপ কৰাৰ বাবে উপযোগী। অৱশ্যে এই অভীক্ষাসমূহ ভাষা দক্ষতাৰ দ্বাৰা প্ৰভাৱিত হোৱা বাবে সৰু শিশু, অশিক্ষিত ব্যক্তি বা যিসকল ব্যক্তি অভীক্ষাত ব্যৱহৃত ভাষাতকৈ ভিন্ন ভাষা ব্যৱহাৰ কৰে, তেওঁলোকৰ ক্ষেত্ৰত এই অভীক্ষা প্ৰয়োগ কৰাটো সীমিত হয়। ইয়াৰ উপৰিও মৌখিক অভীক্ষাৰ নিৰ্ভৰযোগ্যতা আৰু বৈধতাৰ ক্ষেত্ৰতো কেতিয়াবা সন্দেহ দেখা যায়।

মৌখিক অভীক্ষাৰ বিপৰীতে অমৌখিক অভীক্ষাসমূহত লিখিত বা কথিত ভাষাৰ ব্যৱহাৰ কৰা নহয়। এই অভীক্ষাসমূহত অভীক্ষার্থীক নিৰ্দেশনা, অংগীভংগী বা কিছুমান তালিকা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশনা দিয়া হয়। ভাষাৰ পৰিৱৰ্তে ছবি, আকৃতি, চিহ্ন বা বিভিন্ন গঠন ব্যৱহাৰ কৰি অভীক্ষাৰ প্ৰশ্নসমূহ প্ৰস্তুত কৰা হয়। মন কৰিবলগীয়া যে অমৌখিক অভীক্ষাত ভাষা ব্যৱহাৰ নকৰিলেও কাগজ-কলম ব্যৱহাৰ কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত কাগজ-কলমৰ ব্যৱহাৰ কেৱল অ-ভাষিক চিহ্ন, যেনে 'X', '✓' বা অনুৰূপ চিহ্নৰ জৰিয়তে প্ৰশ্নসমূহৰ উত্তৰ বা প্ৰতিক্ৰিয়া প্ৰদান কৰিবলৈ সীমিতভাৱে কৰা হয়। এনে অভীক্ষাৰ উদাহৰণ হিচাপে চিকাগো অমৌখিক অভীক্ষা, আৰ্মী বিটা অভীক্ষা, আৰু ৱেভেন'ছ প্ৰগ্ৰেছিভ মেট্ৰিচেছ অভীক্ষা আদি উল্লেখযোগ্য। অমৌখিক অভীক্ষাসমূহ সৰু শিশু, অশিক্ষিত ব্যক্তি বা যিসকল ব্যক্তি অভীক্ষাত ব্যৱহৃত ভাষাতকৈ ভিন্ন ভাষা ব্যৱহাৰ কৰে, তেওঁলোকৰ বাবে বিশেষভাৱে উপযোগী। অৱশ্যে অমৌখিক অভীক্ষাৰ এটা সীমাবদ্ধতা হ'ল যে এই অভীক্ষাসমূহে মানুহৰ সকলো মানসিক বা মনোবৈজ্ঞানিক গুণ সম্পূৰ্ণৰূপে পৰিমাপ কৰিব নোৱাৰে।

কার্য্যসম্পাদনমূলক অভীক্ষা এই নামটোৰ পৰা অনুমেয় যে এনে অভীক্ষাসমূহত অভীক্ষার্থীয়ে কিছুমান নিৰ্দিষ্ট কার্য সম্পাদন কৰিব লাগে। এই অভীক্ষাসমূহত অভীক্ষার্থীয়ে কি কৰিব লাগিব সেই বিষয়ে নিৰ্দেশনা দিয়াৰ ক্ষেত্ৰতহে সাধাৰণতে ভাষাৰ ব্যৱহাৰ কৰা হয়। এই অভীক্ষাৰ প্ৰশ্নসমূহে হাতৰ কার্য বা সমস্যা সমাধানমূলক কার্যকলাপক অন্তৰ্ভুক্ত কৰে। ইয়াৰ ভিতৰত সাধাৰণতে বস্তু নিয়ন্ত্ৰণ, সঠিক পথ অনুসৰণ, সঠিক ক্ৰমত চিত্ৰ সজোৱা, নমুনা সম্পূৰ্ণ কৰা আদি কার্যসমূহ অন্তৰ্ভুক্ত থাকে। এই ধৰণৰ অভীক্ষাৰ সহায়ত সকলো মানসিক লক্ষণ পৰিমাপ কৰিব নোৱাৰি। কার্যসম্পাদনমূলক অভীক্ষা সাধাৰণতে ব্যক্তিগতভাৱে প্ৰয়োগ কৰা হয়। কিছুমান উল্লেখযোগ্য কার্যসম্পাদনমূলক অভীক্ষা হৈছে ভাটিয়া কার্যসম্পাদনমূলক অভীক্ষা, পার্টিয়াছ মেজ অভীক্ষা, আৰু কোহ্ছ ব্লক ডিজাইন অভীক্ষা আদি। এই অভীক্ষাসমূহ সৰু শিশু, অশিক্ষিত ব্যক্তি বা ভাষাগত পার্থক্য বা সমস্যা থকা লোকসকলৰ পৰীক্ষাৰ বাবে বিশেষভাৱে উপযোগী। এই অভীক্ষাসমূহে মানুহৰ দক্ষতা আৰু সঞ্চালনমূলক ক্ষমতা পৰিমাপ কৰাৰ উপৰিও কিছুমান মনোবৈজ্ঞানিক আৰু স্নায়বিক ৰোগৰ নিৰ্ণয়ত সহায় কৰে। অৱশ্যে

কার্যসম্পাদনমূলক অভীক্ষাসমূহ ব্যয়বহুল আৰু দলগতভাৱে প্ৰয়োগ কৰিব নোৱাৰি। ইয়াৰ আন এটা সীমাবদ্ধতা হ'ল যে এই অভীক্ষাসমূহৰ নিৰ্ভৰযোগ্যতা তুলনামূলকভাৱে উচ্চ মানৰ নহ'বও পাৰে।

প্ৰশ্নপদৰ গঠনৰ ভিত্তিত শ্ৰেণীবিভাজনঃ—

মনোবৈজ্ঞানিক অভীক্ষাসমূহ প্ৰশ্নপদৰ গঠনৰ ভিত্তিত শ্ৰেণীবিভাজন কৰিব পাৰি। এই ভিত্তিত অভীক্ষাসমূহ বস্তুনিষ্ঠ আৰু ব্যক্তিনিষ্ঠ হিচাপে ভাগ কৰা হয়। বস্তুনিষ্ঠ অভীক্ষাৰ প্ৰশ্নসমূহত বহুবিকল্পী, বিকল্প প্ৰতিক্ৰিয়া বা পুনঃস্মৰণ আৰু চিনাক্তকৰণধৰ্মী প্ৰশ্ন অন্তৰ্ভুক্ত থাকে। এই ধৰণৰ প্ৰশ্ন সাধাৰণতে চুটি আৰু সহজ হয় যাৰ উত্তৰ এটা শব্দ বা এটা বাক্যত দিব পাৰি। বস্তুনিষ্ঠ প্ৰশ্নৰ উত্তৰসমূহ স্থিৰ, পূৰ্বনিৰ্ধাৰিত আৰু মানকভিত্তিক হয়। আনহাতে ব্যক্তিনিষ্ঠ অভীক্ষাত মুক্ত ধৰণৰ প্ৰশ্নসমূহ অন্তৰ্ভুক্ত কৰা হয়। ইয়াত উত্তৰসমূহ পূৰ্বনিৰ্ধাৰিত নহয়। অভীক্ষাৰ্থীয়ে নিজৰ ব্যক্তিগত অনুভৱ, অভিজ্ঞতা বা বোধগম্যতাৰ ভিত্তিত উত্তৰ প্ৰদান কৰিব লাগে। বস্তুনিষ্ঠ অভীক্ষাৰ প্ৰশ্নসমূহ বৈধ, নিৰ্ভৰযোগ্য আৰু মানাংকন সহজ হয়। কিন্তু এই অভীক্ষাসমূহে অভীক্ষাৰ্থীৰ বিষয়ে গভীৰ তথ্য প্ৰদান কৰিব নোৱাৰে। আনহাতে ব্যক্তিনিষ্ঠ প্ৰশ্নসমূহৰ মানাংকন তুলনামূলকভাৱে কঠিন, কেতিয়াবা পৰিমাণগত ৰূপত প্ৰকাশ কৰাটোও জটিল হয়, তথাপি ই অভীক্ষাৰ্থীৰ বিষয়ে অধিক গভীৰ আৰু বিস্তৃত তথ্য প্ৰকাশ কৰিব পাৰে।

পৰিমাপৰ ক্ষেত্ৰ বা বিষয়বস্তুৰ ভিত্তিত শ্ৰেণীবিভাজনঃ—

মনোবৈজ্ঞানিক অভীক্ষাসমূহক পৰিমাপৰ ক্ষেত্ৰ বা বিষয়বস্তুৰ ভিত্তিতো শ্ৰেণীবিভাজন কৰিব পাৰি। উদাহৰণস্বৰূপে বুদ্ধি অভীক্ষা, কৃতিত্ব অভীক্ষা, আগ্ৰহ অভীক্ষা, ব্যক্তিত্ব অভীক্ষা আদি। আমেৰিকা যুক্তৰাষ্ট্ৰৰ *The Mental Measurements Yearbook* (প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে প্ৰকাশিত) হৈছে সমগ্ৰ বিশ্বৰ ইংৰাজী ভাষাৰ মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ তথ্য সংৰক্ষণ কৰা এক গুৰুত্বপূৰ্ণ প্ৰকাশন। এই গ্ৰন্থত অভীক্ষাসমূহ শ্ৰেণীবদ্ধ কৰিবলৈ ১৮টা বিষয়ভিত্তিক শ্ৰেণীবিভাজন ব্যৱহাৰ কৰা হৈছে। সেইবোৰ হ'ল—

- কৃতিত্ব
- আচৰণ মূল্যায়ন
- বিকাশমূলক
- শিক্ষা
- ইংৰাজী আৰু ভাষা
- চাৰুকলা
- বিদেশী ভাষা
- বুদ্ধি আৰু সাধাৰণ ক্ষমতা
- গণিত
- স্নায়ুমনোবৈজ্ঞানিক

- ব্যক্তিত্ব
- পঠন
- বিজ্ঞান
- ইন্দ্রিয় সঞ্চালনমূলক
- সমাজ অধ্যয়ন
- কথন আৰু শ্ৰৱণ
- বৃত্তি
- মনোবৈজ্ঞানিক অভীক্ষা আৰু পৰিমাপণ

কার্য্যৰ ভিত্তিত শ্রেণীবিভাজনঃ—

মনোবৈজ্ঞানিক অভীক্ষাসমূহক ইয়াৰ কার্যৰ ভিত্তিতো শ্রেণীবিভাজন কৰা হৈছে। কিছুমান মনোবৈজ্ঞানিক অভীক্ষা ব্যক্তিৰ বর্তমান মনোবৈজ্ঞানিক অৱস্থা নির্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, অভীক্ষার্থী আচৰণগত বা চৰিত্রগত বিকাৰ, হতাশা আদি সমস্যাত ভুগি আছে নে নাই সেইটো পৰিমাপ কৰিবলৈ অভীক্ষা ব্যৱহাৰ কৰিব পাৰি। এনে অভীক্ষাসমূহক নির্ণায়ক অভীক্ষা (Diagnostic Tests) বুলি কোৱা হয়। শিক্ষাক্ষেত্রত নির্ণায়ক অভীক্ষাই শিক্ষার্থীৰ কোনো বিষয়, ক্ষেত্র বা দক্ষতাৰ বোধগম্যতা মূল্যায়ন কৰে। আন কিছুমান অভীক্ষা, যাক পূর্বানুমানাত্মক অভীক্ষা (Predictive Tests) বুলি কোৱা হয়, ভৱিষ্যতৰ ফলাফল অনুমান কৰাত সহায় কৰে। এই অভীক্ষাসমূহে ভৱিষ্যতে কোনো সমস্যা সৃষ্টি হোৱাৰ সম্ভাৱনা থকা ব্যক্তিসকলক চিনাক্ত কৰা বা শ্রেণীবিভাজন কৰাত সহায় কৰে। শিক্ষাক্ষেত্রত এনে অভীক্ষাই এজন শিক্ষার্থীয়ে কোনো নির্দিষ্ট বিষয় বা কার্যত কিমান ভাল প্রদর্শন কৰিব পাৰে তাৰ পূর্বানুমান আগবঢ়ায়।

মনোবৈজ্ঞানিক অভীক্ষাৰ আন কিছুমান শ্রেণীবিভাজনো আছে, যেনে— নির্বাচন অভীক্ষা, নিয়োগমূলক অভীক্ষা, শ্রেণীবিভাজন অভীক্ষা, প্রমাণীকৰণ অভীক্ষা আদি। এই অভীক্ষাসমূহক সাধাৰণতে সিহঁতে সম্পাদন কৰা কার্যৰ ভিত্তিত নামাকৰণ কৰা হয়।

মানাংকৰ তাৎপর্য্য ব্যাখ্যাৰ পদ্ধতিৰ ভিত্তিতো মনোবৈজ্ঞানিক অভীক্ষাসমূহক শ্রেণীবিভাজন কৰা হৈছে। অর্থাৎ এটা অভীক্ষাৰ মানাংক কেনেদৰে ব্যাখ্যা কৰা হয়, তাৰ ওপৰত ভিত্তি কৰি এই শ্রেণীবিভাজন কৰা হয়। যেতিয়া এজন ব্যক্তিৰ প্রাপ্ত মানাংক একে অভীক্ষা দিয়া এটা দলৰ গড় মানাংকৰ সৈতে তুলনা কৰা হয়, তেতিয়া তাক প্রতিমান-প্রাসংগিক অভীক্ষা (Norm-Referenced Test) বুলি কোৱা হয়। প্রতিমান-প্রাসংগিক অভীক্ষাই এটা দলৰ ভিতৰত ব্যক্তিৰ আপেক্ষিক স্থানৰ বিষয়ে তথ্য প্রদান কৰে। আনহাতে নির্ণায়ক-প্রাসংগিক অভীক্ষা (Criterion-Referenced Test)ত প্রত্যেক অভীক্ষার্থীৰ মানাংকক দলৰ অন্য সদস্যৰ ফলাফলৰ সলনি পূর্বনির্ধাৰিত মানদণ্ড বা নির্ণায়কৰ সৈতে তুলনা কৰা হয়। এনে অভীক্ষাৰ উদ্দেশ্য হৈছে অভীক্ষার্থীয়ে এক বা একাধিক নির্দিষ্ট দক্ষতা আয়ত্ত কৰিছে নে নাই, তাৰ মূল্যায়ন কৰা। এই অভীক্ষাসমূহে 'উত্তীর্ণ' বা 'অনুত্তীর্ণ' সিদ্ধান্ত লোৱাত

সহায় কৰে আৰু প্ৰমাণীকৰণ (certification) সম্পৰ্কীয় সিদ্ধান্ততো সহায়ক হয়। বিভিন্ন ব'ৰ্ড পৰীক্ষা, যেনে IIT-JEE, চিকিৎসা প্ৰৱেশ পৰীক্ষা আদি নিৰ্ণায়ক-প্ৰাসংগিক অভীক্ষাৰ উদাহৰণ। যদি অভীক্ষাৰ্থীয়ে কোনো বৃত্তি বা পেচা আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় দক্ষতা আয়ত্ত কৰিছে বুলি প্ৰমাণ কৰিব পাৰে, তেন্তে তেওঁক প্ৰমাণপত্ৰ বা লাইচেন্স প্ৰদান কৰা হয়।

২.৭ মনোবৈজ্ঞানিক অভীক্ষাৰ কাৰ্য্যাৱলী

মনোবৈজ্ঞানিক অভীক্ষাই বৰ্তমান পৃথিৱীত বহু গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে। মনোবৈজ্ঞানিক পৰীক্ষণৰ তাৎপৰ্য্য কেৱল শিক্ষাৰ ক্ষেত্ৰতে সীমাবদ্ধ নহয়। এই অভীক্ষাসমূহে ব্যক্তিৰ অভিযান্ত্ৰিক, চিকিৎসা, সংগীত, পঠন, কাৰ্যালয়িক, স্থানিক, সংখ্যালঘু দক্ষতা, নিপুণতা-ভিত্তিক আৰু অন্যান্য বহু ক্ষেত্ৰত কাৰ্য সম্পাদনৰ ক্ষমতা পৰিমাপ কৰে। মনোবৈজ্ঞানিক অভীক্ষাই নিৰ্ণায়ক আৰু পূৰ্বানুমানাত্মক— দুয়ো ধৰণৰ কাৰ্য পালন কৰে। ইয়াৰ ফলত শিক্ষামূলক, বৃত্তিমূলক আৰু ব্যক্তিগত নিৰ্দেশনা তথা পৰামৰ্শদানত সহায় হয়। এই অভীক্ষাসমূহে ছাত্ৰ-ছাত্ৰীৰ মাজত বাস্তৱসন্মত আত্ম-প্ৰতিচ্ছবি গঢ়ি তুলিবলৈ সহায় কৰে, শিক্ষামূলক আৰু বৃত্তিমূলক লক্ষ্য স্থিৰ কৰাত সহায় কৰে, আৰু গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে যাৰ ভিত্তিত স্থান-নিয়োগ, কৰ্মজীৱন আৰু বৃত্তিমূলক নিৰ্বাচনৰ ক্ষেত্ৰত যুক্তিসংগত সিদ্ধান্ত ল'ব পৰা যায়। ইয়াৰ উপৰিও মনোবৈজ্ঞানিক অভীক্ষাই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতি পৰিমাপ কৰে, তেওঁলোকক সামৰ্থ্যৰ ভিত্তিত শ্ৰেণীবিভাজন কৰাত সহায় কৰে, বিভিন্ন পাঠ্যক্ৰম আৰু কৰ্মজীৱন বাছনি কৰাত সহায় কৰে, লগতে আত্মবোধ গঠন আৰু ব্যক্তিগত সিদ্ধান্ত গ্ৰহণতো সহায় কৰে। মনোবৈজ্ঞানিক অভীক্ষাৰ মুখ্য কাৰ্যসমূহ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰিঃ—

- **নিৰ্ণয় কৰাঃ—** মনোবৈজ্ঞানিক অভীক্ষাৰ অন্যতম মুখ্য কাৰ্য হৈছে নিৰ্ণয় কৰা। মনোবৈজ্ঞানিক অভীক্ষাই ব্যক্তিৰ বৰ্তমান মনোবৈজ্ঞানিক অৱস্থা নিৰ্ণয় কৰে। উদাহৰণস্বৰূপে, নিৰ্ণায়ক অভীক্ষা ব্যৱহাৰ কৰি অভীক্ষাৰ্থীৰ আচৰণ বা চৰিত্ৰগত বিকাৰ, হতাশা আদি সমস্যা আছে নে নাই সেইটো নিৰ্ধাৰণ কৰিব পাৰি। শিক্ষাক্ষেত্ৰত নিৰ্ণায়ক অভীক্ষাই শিক্ষাৰ্থীৰ বোধগম্যতা আৰু দক্ষতা মূল্যায়ন কৰে। ই কোনো বিষয়ত শিক্ষাৰ্থীৰ সবলতা আৰু দুৰ্বলতা চিনাক্ত কৰাতো সহায় কৰে। শিক্ষাৰ্থীৰ সবলতা আৰু দুৰ্বলতাৰ তথ্যই তেওঁলোকক কেনেকৈ আৰু কি শিকাব লাগে তাৰ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰে।
- **ভৱিষ্যত সম্ভাৱনীয়তা নিৰ্ধাৰণঃ—** মনোবৈজ্ঞানিক অভীক্ষাই ভৱিষ্যতৰ নিৰ্দিষ্ট অৱস্থাৰ বিষয়ে শংকা থকা লোকসকলক চিনাক্ত বা শ্ৰেণীবিভাজন কৰিব পাৰে। এনে অভীক্ষাক পূৰ্বাভাষসূচক অভীক্ষা বুলি কোৱা হয়। শিক্ষাক্ষেত্ৰত এনে অভীক্ষাই এজন শিক্ষাৰ্থীয়ে কোনো নিৰ্দিষ্ট বিদ্যালয়ৰ বিষয় বা কামত ভৱিষ্যতে কিমান ভাল প্ৰদৰ্শন কৰাৰ সম্ভাৱনা আছে তাৰ পূৰ্বানুমান কৰাত সহায় কৰে।

- **গঠনমূলক আৰু সামগ্ৰীক মূল্যায়নৰ বাবে তথ্য প্ৰদানঃ—** মনোবৈজ্ঞানিক অভীক্ষাই গঠনমূলক আৰু সামগ্ৰীক মূল্যায়নৰ বাবে প্ৰয়োজনীয় তথ্য প্ৰদান কৰে। গঠনমূলক মূল্যায়ন কোনো কাৰ্যসূচী বা প্ৰক্ৰিয়া সঠিকভাৱে কাৰ্যকৰী হৈছে নে নাই, আৰু যদি নহয় তেন্তে কিয় কাৰ্যকৰী হোৱা নাই— এই বিষয়সমূহ অধ্যয়ন কৰিবলৈ বিশেষভাৱে উপযোগী। গঠনমূলক মূল্যায়নে কাৰ্যসূচী পৰিকল্পনাকাৰী, নক্সা প্ৰস্তুতকাৰী, প্ৰশিক্ষক আৰু পৰিচালকসকলক কাৰ্যসূচীৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ কিমান সফলভাৱে ৰূপায়িত হৈছে, সেই বিষয়ে মনোযোগ দিবলৈ সহায় কৰে। এই মূল্যায়নে চলি থকা কোনো কাৰ্যসূচীৰ ত্ৰুটি যত সোনকালে সম্ভৱ হয় সংশোধন কৰাত সহায় কৰে। আনহাতে সামগ্ৰীক মূল্যায়ন কোনো কাৰ্যসূচী সম্পূৰ্ণ হোৱাৰ পিছত সম্পন্ন কৰা হয় আৰু সেই কাৰ্যসূচীৰ সামগ্ৰিক সফলতা বা বিফলতা নিৰ্ণয় কৰা হয়। বিভিন্ন ধৰণৰ মনোবৈজ্ঞানিক অভীক্ষাই গঠনমূলক আৰু সামগ্ৰীক মূল্যায়নৰ বাবে প্ৰয়োজনীয় তথ্য যোগান ধৰে।
- **শ্ৰেণীভুক্তকৰণঃ—** মনোবৈজ্ঞানিক অভীক্ষাই উদ্দেশ্য অনুসৰি ব্যক্তিৰ ৰুচি, যোগ্যতা, মনোভাৱ, বুদ্ধি বা অন্য যিকোনো গুণৰ ভিত্তিত শ্ৰেণীবিভাজন কৰাৰ বাবে তথ্য যোগান ধৰে। শিক্ষাক্ষেত্ৰত বিভিন্ন প্ৰশাসনিক উদ্দেশ্যৰ সৈতে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীবিভাজন কৰাটো অতি গুৰুত্বপূৰ্ণ, আৰু এই ক্ষেত্ৰত মনোবৈজ্ঞানিক অভীক্ষাৰ পৰা প্ৰাপ্ত তথ্যই বিশেষভাৱে সহায় কৰে।
- **নিৰ্বাচনঃ—** মনোবৈজ্ঞানিক অভীক্ষা পাঠ্যক্ৰম বা বৃত্তিৰ বাবে প্ৰয়োজনীয় জ্ঞান বা দক্ষতাৰ ভিত্তিত নামভৰ্তি, নিয়োগ বা অন্যান্য কাৰ্যকলাপৰ বাবে ব্যক্তি নিৰ্বাচন কৰাত অতি উপযোগী।
- **তুলনাঃ—** মনোবৈজ্ঞানিক অভীক্ষাই ব্যক্তিৰ কৃতিত্ব, বুদ্ধি, ব্যক্তিত্ব, মেজাজ আৰু অন্যান্য গুণৰ ভিত্তিত ব্যক্তিসকলৰ মাজত তুলনা কৰাত সহায় কৰে। এনে তুলনাই ব্যক্তিৰ মাজত থকা ব্যক্তিগত পাৰ্থক্যসমূহ বুজিবলৈও সহায় কৰে।
- **নিৰ্দেশনামূলক বা শৈক্ষিক কাৰ্য্যঃ—** মনোবৈজ্ঞানিক অভীক্ষাসমূহ বিভিন্ন নিৰ্দেশনামূলক বা শৈক্ষিক সিদ্ধান্ত গ্ৰহণৰ বাবে উপযোগী। মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰৰ জৰিয়তে অৰ্জন কৰা জ্ঞানে শৈক্ষিক বা নিৰ্দেশনামূলক উদ্দেশ্যসমূহ সঠিকভাৱে বাছনি কৰাত সহায় কৰে। ই শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কৌশলৰ পৰিকল্পনা কৰাতো সহায় কৰে। ইয়াৰ উপৰি, অভীক্ষাৰ পৰা পোৱা তথ্যই পাঠ্যক্ৰম উন্নত কৰাত, পাঠদান পদ্ধতিৰ ফলপ্ৰসূতা মূল্যায়নত আৰু লক্ষ্যত কিমানদূৰ উপনীত হৈছে সেই বিষয়ে মূল্যায়ন কৰাত সহায় কৰে। তদুপৰি নামভৰ্তি, নিৰ্বাচন, তুলনা, ভৱিষ্যত নিৰ্ধাৰণ, পদোন্নতি আদি বিভিন্ন ব্যৱহাৰিক আৰু প্ৰশাসনিক সিদ্ধান্তসমূহো বিভিন্ন মনোবৈজ্ঞানিক অভীক্ষাৰ পৰা সংগৃহীত তথ্যৰ ওপৰত ভিত্তি কৰি লোৱা হয়।
- **নিৰ্দেশনা আৰু পৰামৰ্শদানঃ—** শিক্ষা, বৃত্তিমূলক আৰু ব্যক্তিগত জীৱনৰ সমস্যাসমূহৰ ক্ষেত্ৰত নিৰ্দেশনা আৰু পৰামৰ্শদান প্ৰদান কৰাৰ বাবে মনোবৈজ্ঞানিক অভীক্ষা অপৰিহাৰ্য। আগ্ৰহ, দক্ষতা,

বুদ্ধি, ব্যক্তিত্ব আদি পৰিমাপ কৰা অভীক্ষাসমূহ যিকোনো নির্দেশনা আৰু পৰামর্শদান কার্যসূচীৰ সফলতাৰ বাবে অতি আৱশ্যকীয়।

- **গৱেষণা আৰু বিকাশঃ—** মনোবৈজ্ঞানিক অভীক্ষাই গৱেষণা আৰু বিকাশত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। মানুহৰ আচৰণৰ ওপৰত গৱেষণা কৰিবলৈ বিভিন্ন ধৰণৰ মনোবৈজ্ঞানিক অভীক্ষাৰ প্রয়োজন হয়। একেদৰে বিভিন্ন মনোবৈজ্ঞানিক সংলক্ষণৰ অভীক্ষাই মানুহৰ আচৰণ আৰু ব্যক্তিত্বৰ ওপৰত নতুন গৱেষণাৰ দিশৰ সূচনা কৰিব পাৰে। এনে গৱেষণাই মানুহৰ আচৰণ আৰু ব্যক্তিত্বক বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ নতুন তত্ত্ব, নীতি বা নিয়মৰ বিকাশত সহায় কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩. যিকোনো দুই প্রকাৰৰ মনোবৈজ্ঞানিক অভীক্ষাৰ বিষয়ে লিখক।

প্রশ্ন ৪. নির্ণায়ক অভীজ্ঞা কি?

প্রশ্ন ৫. মনোবৈজ্ঞানিক অভীক্ষাৰ দুটা কার্য লিখক।

২.৮ মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ

মানুহৰ কার্যকলাপৰ বিভিন্ন ক্ষেত্রত মনোবৈজ্ঞানিক অভীক্ষাসমূহ অপৰিসীমভাৱে ব্যৱহাৰ কৰা হয়। মনোবৈজ্ঞানিক অভীক্ষাৰ গুৰুত্বপূর্ণ ব্যৱহাৰসমূহ তলত উল্লেখ কৰা হ'লঃ—

- মনোবৈজ্ঞানিক অভীক্ষাসমূহ ব্যক্তিৰ বুদ্ধি, যোগ্যতা, কৃতিত্ব, আগ্রহ, মনোভাৱ, বৃত্তিমূলক দক্ষতা, অসংজ্ঞানাত্মক ব্যক্তিত্বৰ বৈশিষ্ট্য আৰু আন একেধৰণৰ সংলক্ষণসমূহৰ মাজত পার্থক্য নির্ণয় আৰু বিশ্লেষণ কৰিবলৈ বহুলভাৱে ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ বিভিন্ন শৈক্ষিক, মনোবৈজ্ঞানিক, সাংস্কৃতিক, সমাজতাত্ত্বিক আৰু নিয়োগ-সংক্রান্তীয় অধ্যয়নত ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ সংজ্ঞানাত্মক বা মানসিক বিকাশ, বয়স আৰু বিকাশৰ স্তৰৰ সৈতে জড়িত ব্যক্তিত্বৰ বৈশিষ্ট্য, লিংগ, বর্ণ, বংশগতি আৰু পৰিবেশ, বুদ্ধি, শিক্ষা আৰু অন্যান্য কাৰকৰ অধ্যয়নত ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ সাধাৰণ, প্রতিভাশালী, বাধাগ্রস্ত, স্নায়বিক বিকাৰগ্রস্ত আৰু মানসিকভাৱে বিকাৰগ্রস্ত ব্যক্তিৰ স্বভাৱ আৰু বৈশিষ্ট্য অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ শৈক্ষিক পৰিকল্পনা, শ্রেণীবিভাজন, নির্বাচন, ভৱিষ্যৎ সম্ভাৱনীয়তা নির্ধাৰণ, স্থান নির্ধাৰণ, পদোন্নতি মূল্যায়ন আৰু প্রমাণপত্র প্রদানৰ ক্ষেত্রতো ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ শৈক্ষিক, বৃত্তিমূলক আৰু ব্যক্তিগত নির্দেশনা তথা পৰামর্শদানত ব্যৱহাৰ কৰা হয়।

- মনোবৈজ্ঞানিক অভীক্ষাসমূহ ব্যক্তিৰ বিশেষ দক্ষতা চিনাক্ত কৰিবলৈ আৰু পৰিমাপ কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ ক্লিনিকেল পৰিবেশ যেনে— মানসিক চিকিৎসালয়ত মানসিক অসুস্থতা নির্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়। MMPI (মিমেচোটা বহুমুখী ব্যক্তিত্ব অভীক্ষা) RISB (ব'টাৰ অসম্পূর্ণ বাক্য অভীক্ষা) আদি এনে ক্লিনিকেল অভীক্ষাৰ উদাহৰণ।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ মানুহক সাধাৰণ আৰু অসাধাৰণ, অপৰাধী আৰু নির্দোষী, বুদ্ধিমান আৰু মানসিকভাৱে অক্ষম, সক্ষম আৰু অক্ষম আদি বিভিন্ন শ্রেণীত ভাগ কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ শিক্ষণ, আচৰণ, মনোভাৱ বা সমাযোজনৰ সমস্যাৰ সৈতে জড়িত কাৰকসমূহ নির্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ ব্যৱসায় আৰু উদ্যোগত কর্মচাৰী নির্বাচন আৰু নিয়োগ কৰি বিভিন্ন বিভাগত নিয়োজিত কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ বৈজ্ঞানিক গৱেষণা আৰু অনুসন্ধানত ব্যৱহাৰ কৰা হয়।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ প্রথম বিশ্বযুদ্ধৰ সময়ৰ পৰাই সৈনিক নির্বাচনৰ ক্ষেত্রত অবিৰামভাৱে ব্যৱহাৰ হৈ আহিছে।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে মনোবৈজ্ঞানিক অভীক্ষাসমূহ শিক্ষা, বৃত্তি, মানসিক বিকাৰগ্রস্ততা নির্ণয় আদি মানৱ জীৱনৰ বিভিন্ন ক্ষেত্রত অতি উপযোগী। সেয়েহে এই অভীক্ষাসমূহে বহুলোকৰ জীৱনত গুৰুত্বপূর্ণভাৱে প্রভাৱ পেলায়।

২.৯ এটা ভাল অভীক্ষাৰ অর্থ

এটা ভাল অভীক্ষাই বস্তুনিষ্ঠভাৱে যি পৰিমাপ কৰিব বিচাৰে, সেইটো সঠিকভাৱে পৰিমাপ কৰে আৰু একেধৰণৰ ফলাফল প্রদান কৰে। অন্য অর্থত, এটা ভাল অভীক্ষা হৈছে বৈধ, নির্ভৰযোগ্য, উদ্দেশ্যপূর্ণ, ব্যৱহাৰিক আৰু অভীক্ষকৰ বাবে উপযোগী। এটা ভাল অভীক্ষাই প্রতিমানীকৰণৰ নীতি-নিয়মো পূৰণ কৰে। ইয়াৰ অর্থ হৈছে— ভাল অভীক্ষাসমূহ একে ধৰণৰ পৰিস্থিতিত প্রদান কৰা হয় আৰু ব্যক্তিসকলে পোৱা নম্বৰবোৰ তুলনাযোগ্য কৰিবলৈ বস্তুনিষ্ঠভাৱে মানাংক প্রদান কৰা হয়। যিকোনো ব্যক্তিনিষ্ঠতা এৰাই চলিবলৈ ভাল অভীক্ষাসমূহৰ প্রয়োগ আৰু মানাংক প্রদান ব্যৱস্থা সুস্পষ্টভাৱে বর্ণনা কৰা থাকে। ইয়াৰ উপৰি, এটা ভাল অভীক্ষা প্রথমে এটা বৃহৎ দলৰ ওপৰত পৰীক্ষা কৰা হয়, আৰু সেই দলৰ মানাংকৰ পৰা আদর্শ বা প্রাসংগিক মান (norms) নির্ধাৰণ কৰা হয় যাৰ সহায়ত ব্যক্তিৰ ফলাফল ব্যাখ্যা কৰা হয়। ভাল অভীক্ষাবোৰ একে ধৰণৰ মানদণ্ড অনুসৰি পৰিচালিত হয়। এই অভীক্ষাসমূহ পুনঃপৰীক্ষণ কৰা হয় আৰু বৈধতা আৰু নির্ভৰযোগ্যতাৰ মান নিশ্চিত কৰা হয়।

ইয়াৰ লগতে, এটা ভাল অভীক্ষাই প্ৰতিক্ৰিয়া প্ৰদানকাৰীসকলৰ সুবিধাৰ বাবে উপযুক্ত তথ্য প্ৰদান কৰে। এটা ভাল অভীক্ষা ব্যৱহাৰিক হ'লেও ইয়াক সহজে প্ৰয়োগ কৰিব পৰা হয়।

সেয়েহে এটা ভাল অভীক্ষাক এনে এটা অভীক্ষা হিচাপে বুজিব পাৰি যাক একে ধৰণৰ পৰিস্থিতিত পৰিচালনা কৰা হয় আৰু সামঞ্জস্যপূৰ্ণভাৱে তাৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰি। অৰ্থাৎ এটা ভাল অভীক্ষাৰ সকলো প্ৰধান দিশ একে ধৰণৰ হয়। একেটা অভীক্ষা সকলো অভীক্ষার্থীক প্ৰদান কৰা হয়। অভীক্ষাটো যি পৰিস্থিতিত প্ৰয়োগ কৰা হয় (সময়, সম্পদ আদি), সেই পৰিস্থিতিও প্ৰতিমানীকৃত কৰা হয়। তদুপৰি মানাংকৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পদ্ধতিও প্ৰতিমানীকৃত হয়।

২.৯.১ ভাল অভীক্ষাৰ লক্ষণসমূহ

যেতিয়া আমি কোনো অভীক্ষা নিৰ্মাণ কৰাৰ বা উপলব্ধ অভীক্ষাসমূহৰ পৰা এটা অভীক্ষা বাছনি কৰাৰ প্ৰয়োজন হয়, তেতিয়া নিশ্চিত কৰিব লাগে যে সেই অভীক্ষাটোৰ কিছু ভাল দিশ বা বৈশিষ্ট্য আছে। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে ভাল অভীক্ষাৰ লক্ষণসমূহক ব্যৱহাৰিক লক্ষণ বা অভীক্ষাৰ ব্যৱহাৰযোগ্যতা আৰু কাৰিকৰী মান— এই দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। এই দুয়োটা শ্ৰেণীৰ গুণসমূহ তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি—




Figure 2.1: ভাল অভীক্ষাৰ লক্ষন (চিত্ৰ ২.১)

এইখিনিতে গুৰুত্ব দিব লাগে যে ওপৰত উল্লেখ কৰা ব্যৱহাৰিক আৰু কাৰিকৰী— দুয়োবিধ লক্ষণেই এটা ভাল অভীক্ষা গঠন কৰিবলৈ অত্যন্ত গুৰুত্বপূৰ্ণ। যদিও অভীক্ষাৰ কাৰিকৰী লক্ষণসমূহ তুলনামূলকভাৱে অধিক গুৰুত্বপূৰ্ণ, তথাপি ব্যৱহাৰিক লক্ষণৰ অনুপস্থিতিত কোনো অভীক্ষা কাৰিকৰীভাৱে শক্তিশালী হ'লেও ব্যৱহাৰযোগ্য নহ'ব পাৰে। একেদৰে কাৰিকৰী গুণাগুণ নথকা এটা অভীক্ষা অতি ব্যৱহাৰিক হ'লেও উপযুক্ত বা বিশ্বাসযোগ্য ফলাফল প্ৰদান কৰিব নোৱাৰে। সেয়েহে এটা ভাল অভীক্ষা গঠন কৰিবলৈ ব্যৱহাৰিক আৰু কাৰিকৰী— দুয়োবিধ লক্ষণৰ সমান গুৰুত্ব আছে।

২.৯.২ এটা ভাল অভীক্ষাৰ ব্যৱহাৰিক লক্ষণসমূহ

অভীক্ষাৰ ব্যৱহাৰিক লক্ষণসমূহে সেই গুণাগুণক সূচায় যিয়ে অভীক্ষাৰ পৰিচালনাক সহজ আৰু সুবিধাজনক কৰি তোলে। এটা ভাল অভীক্ষাৰ ব্যৱহাৰিক লক্ষণসমূহৰ ভিতৰত তলত দিয়াবোৰ অন্তৰ্ভুক্ত—

- ব্যাপকতা
- সহজে পৰিচালনাযোগ্য
- মানাংক প্ৰদানত সৰলতা
- মানাংকৰ সহজ ব্যাখ্যা আৰু তাৎপৰ্য বুজোৱা ক্ষমতা
- তুলনাযোগ্যতা থকা
- মিতব্যয়ীতা
- বোধগম্যতা
- গঠন আৰু আকৃতিৰ স্পষ্টতা
- বৈচিত্ৰ্য
- গ্ৰহণযোগ্যতা
- আকৰ্ষণীয়তা
- উদ্দেশ্যৰ স্পষ্টতা

- **এটা ভাল অভীক্ষা ব্যাপকঃ—** এটা ভাল অভীক্ষা সদায় যথেষ্ট ব্যাপক হয় য'ত প্ৰতিটো যোগ্যতা আৰু উদ্দেশ্যৰ ভিত্তিত প্ৰশ্নপদসমূহ অন্তৰ্ভুক্ত কৰা থাকে আৰু যাৰ সহায়ত পৰিমাপ কৰিবলগীয়া সংলক্ষণসমূহ সঠিকভাৱে পৰিমাপ কৰিব পৰা যায়। যদি কোনো অভীক্ষাই সমগ্ৰ বিষয়বস্তু বা পাঠ্যক্ৰম তথা শিক্ষাৰ উদ্দেশ্যক প্ৰতিনিধিত্ব নকৰে, তেন্তে

সেইটো কেতিয়াও এটা ভাল অভীক্ষা বুলি দাবী কৰিব নোৱাৰে। অভীক্ষাটোক প্রতিনিধিত্বমূলক আৰু ব্যাপক কৰি তুলিবলৈ বিভিন্ন ধৰণৰ প্রশ্নপদ অভীক্ষাত অন্তর্ভুক্ত কৰা উচিত।

- **এটা ভাল অভীক্ষা সহজে পৰিচালনাযোগ্যঃ—** যি অভীক্ষা সহজে পৰিচালনা কৰিব পাৰি, তাক ভাল অভীক্ষা বুলি ক'ব পাৰি। এটা ভাল অভীক্ষাৰ পৰিচালনাৰ নির্দেশনাসমূহ সদায় স্পষ্ট আৰু সঠিক হয়। এটা ভাল অভীক্ষাৰ পুস্তিকাত অভীক্ষা পৰিচালনাৰ বাবে প্রয়োজনীয় প্রস্তুতি, অভীক্ষা পুস্তিকা বিতৰণ আৰু সংগ্রহ কৰাৰ পদ্ধতি আদি বিষয়সমূহ সহজ আৰু স্পষ্ট ভাষাত বিৱৰণ কৰা থাকে।
- **মানাংক প্রদানৰ সৰলতা হৈছে এটা ভাল অভীক্ষাৰ বৈশিষ্ট্যঃ—** এটা ভাল অভীক্ষাৰ মানাংক প্রদান সহজ হ'ব লাগে। অভীক্ষাৰ প্রশ্নপদসমূহৰ প্রতিক্রিয়াৰ বিপৰীতে মানাংক প্রদানৰ প্রক্রিয়াটো সহজ আৰু দ্রুত হ'ব লাগে। মানাংক প্রদান প্রক্রিয়াটো সহজ, দ্রুত আৰু সুবিধাজনক কৰিবলৈ ভাল অভীক্ষাত উপযুক্ত 'মানাংক প্রদানৰ চাবিকাঠি' (Scoring Key) থাকে। এই চাবিকাঠিয়ে অভীক্ষা পুস্তিকাত দ্রুত আৰু বস্তুনিষ্ঠভাৱে মানাংক প্রদান কৰাত সহায় কৰে।
- **মানাংকৰ সহজ তাৎপর্য্য বাখ্যাঃ—** এটা ভাল অভীক্ষাত ব্যক্তিয়ে প্রাপ্ত নম্বৰসমূহৰ তাৎপর্য সহজে ব্যাখ্যা কৰিব পৰা হ'ব লাগে। উপযুক্ত মানদণ্ডৰ ব্যৱস্থা কৰি নম্বৰসমূহৰ সৰল ব্যাখ্যা নিশ্চিত কৰিব পাৰি। অভীক্ষাত প্রাপ্ত নম্বৰসমূহ এনে ধৰণৰ হ'ব নালাগে, যিবোৰ সহজে ব্যাখ্যা কৰিব বা বুজিব নোৱাৰি।
- **ভাল অভীক্ষাৰ দ্বাৰা প্রাপ্ত নম্বৰ তুলনাযোগ্যঃ—** যদি অভীক্ষাৰ পৰা বিভিন্ন ব্যক্তিয়ে পোৱা নম্বৰসমূহ তুলনা কৰিব নোৱাৰি, তেন্তে সেই অভীক্ষাৰ মূল্য আৰু গুৰুত্ব সন্দেহযুক্ত হৈ পৰে। ভাল অভীক্ষাসমূহ একে ধৰণৰ পৰিস্থিতিত পৰিচালনা কৰা হয় আৰু বস্তুনিষ্ঠভাৱে মানাংক প্রদান কৰা হয়, যাৰ ফলত ব্যক্তি বা দলসমূহে পোৱা নম্বৰসমূহ তুলনা কৰিব পৰা যায়।
- **ভাল অভীক্ষা মিতব্যয়ীঃ—** অভীক্ষা এটা পৰিচালনা কৰা, মানাংক প্রদান কৰা আৰু তাৰ তাৎপর্য ব্যাখ্যা কৰাৰ ক্ষেত্রত সময়, অর্থ আৰু শ্রমৰ দিশৰ পৰা মিতব্যয়ী হ'ব লাগিব। যদি কোনো অভীক্ষাৰ উচ্চ কাৰিকৰী গুণাগুণ থাকে, কিন্তু ই ব্যয়বহুল, সময়-খৰচী আৰু অধিক শ্রমৰ প্রয়োজন হয়, তেন্তে সেই অভীক্ষাক ভাল অভীক্ষা বুলি দাবী কৰিব নোৱাৰি।
- **ভাল অভীক্ষাসমূহ বোধগম্যঃ—** এটা ভাল অভীক্ষা অভীক্ষার্থী আৰু অভীক্ষক উভয়ৰে বাবে বোধগম্য বা সহজে বুজিব পৰা হয়। প্রশ্নপদসমূহ আৰু নির্দেশনাসমূহ স্পষ্ট আৰু

নির্দিষ্ট হ'ব লাগে। ভাল অভীক্ষাৰ পৰিচালনা, মানাংক প্রদান আৰু তাৎপর্য ব্যাখ্যা কৰাৰ প্রক্রিয়াসমূহ পৰিচালক বা অভীক্ষকৰ বাবে সহজে বুজিব পৰা হোৱা উচিত।

- **আকর্ষণীয় ভৌতিক গঠনঃ—** ভাল অভীক্ষাৰ ভৌতিক গঠন বা আৱৰণ আকর্ষণীয় আৰু সুন্দৰ হয়। ব্যৱহাৰ কৰা কাগজৰ গুণাগুণ আৰু ছপাৰ গুণাগুণ উচ্চমানৰ হ'ব লাগিব।
- **ভাল অভীক্ষাই বিভিন্নতা প্রদান কৰেঃ—** ভাল অভীক্ষাত বিভিন্ন ধৰণৰ প্রশ্নপদ অন্তর্ভুক্ত থাকে, যেনে— বহু-বিকল্পী প্রশ্নপদ, বস্তুনিষ্ঠ প্রশ্নপদ আদি। ইয়াৰ উপৰিও প্রতিক্রিয়া প্রদানকাৰীসকলে কৰিবলগীয়া বিভিন্ন কার্য্যকলাপ যেনে— লিখা, পঢ়া, কোৱা, শুনা, পুনৰ লিখা, ব্যাখ্যা কৰা, খালী ঠাই পূৰণ কৰা, মিলোৱা, পৃথক কৰা, চিনাক্তকৰণ আদি অন্তর্ভুক্ত থাকে। অভীক্ষাসমূহত ব্যৱহাৰ কৰা কার্য্য আৰু সামগ্রীসমূহ বাস্তৱ জীৱনৰ সৈতে জড়িত হোৱা উচিত।
- **ভাল অভীক্ষাসমূহ গ্রহণযোগ্যঃ—** গ্রহণযোগ্যতা হৈছে ভাল অভীক্ষাৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। এটা ভাল অভীক্ষা অভীক্ষার্থী, অভীক্ষক আৰু আন সংশ্লিষ্ট পক্ষসমূহৰ বাবে গ্রহণযোগ্য হ'ব লাগিব।
- **ভাল অভীক্ষাসমূহ আকর্ষণীয়ঃ—** ভাল অভীক্ষা অভীক্ষার্থীৰ বাবে আকর্ষণীয় হ'ব লাগে। অভীক্ষার্থীক পৰীক্ষা দিবলৈ উৎসাহিত কৰিবলৈ আৰু পৰীক্ষাৰ শেষলৈকে তেওঁলোকৰ আগ্রহ ধৰি ৰাখিবলৈ অভীক্ষাটো আকর্ষণীয় হোৱা উচিত। অনাকর্ষণীয় আৰু আমনিদায়ক অভীক্ষাই উৎকৃষ্ট ফলাফল দিব নোৱাৰে।
- **ভাল অভীক্ষাৰ উদ্দেশ্যসমূহ স্পষ্টঃ—** ভাল অভীক্ষাৰ এটা বৈশিষ্ট্য হৈছে ইয়াৰ উদ্দেশ্যৰ স্পষ্টতা। এইটো এটা ভাল অভীক্ষাৰ অন্যতম গুৰুত্বপূর্ণ বৈশিষ্ট্য। অভীক্ষার্থী আৰু অভীক্ষক উভয়ৰে বাবে অভীক্ষাৰ উদ্দেশ্য অতি স্পষ্ট হ'ব লাগে।

২.৯.৩ এটা ভাল অভীক্ষাৰ কাৰিকৰী লক্ষণসমূহ

অভীক্ষাৰ গুণগত মান উচ্চ মানদণ্ডৰ কৰি তুলিবলৈ কাৰিকৰী লক্ষণসমূহ অতি গুৰুত্বপূর্ণ। অভীক্ষাৰ কাৰিকৰী লক্ষণসমূহে অভীক্ষাৰ বৈজ্ঞানিক ভিত্তি আৰু বিশ্বাসযোগ্যতা নিশ্চিত কৰে। অভীক্ষাৰ কাৰিকৰী লক্ষণসমূহ হৈছে—

- বৈধতা
- নির্ভৰযোগ্যতা
- পৃথকীকৰণ
- বস্তুনিষ্ঠতা
- মানদণ্ড

- প্রতিমানীকৰণ

- **বৈধতাঃ—** বৈধতা হৈছে এটা ভাল অভীক্ষা বা আন যিকোনো পৰিমাপক সঁজুলিৰ আটাইতকৈ গুৰুত্বপূর্ণ কাৰিকৰী লক্ষণ। Cronbach-ৰ মতে, "বৈধতা হৈছে এটা অভীক্ষাই যি পৰিমাপ কৰিব বিচাৰে, তাক সঠিকভাৱে পৰিমাপ কৰাৰ মাত্রা।" অর্থাৎ অভীক্ষাৰ বৈধতা হৈছে অভীক্ষাই যি পৰিমাপ কৰিবলৈ উদ্দেশ্য কৰিছে, সেয়া কিমান পৰিমাণে সঠিকভাৱে পৰিমাপ কৰে। বৈধতাই অভীক্ষাৰ সত্যতা সূচায়। অন্য অর্থত, এটা অভীক্ষাই যি পৰিমাপ কৰিব বিচাৰে, সেয়া সঁচাকৈয়ে পৰিমাপ কৰিছে নে নাই— এই প্রশ্নৰ উত্তৰ বৈধতাই প্রদান কৰে। বৈধতাৰ ধাৰণাটো ইমানেই গুৰুত্বপূর্ণ যে নির্ভৰযোগ্যতাৰ তুলনাত ইয়াৰ প্রয়োজনীয়তা অধিক। এটা অভীক্ষা নির্ভৰযোগ্য হ'ব পাৰে, কিন্তু বৈধ নহ'বও পাৰে। কিন্তু কোনো অভীক্ষা যদি বৈধ নহয়, তেন্তে তাৰ নির্ভৰযোগ্যতাৰ কোনো অর্থ বা গুৰুত্ব নাথাকে। আনহাতে বৈধ অভীক্ষা সাধাৰণতে নির্ভৰযোগ্যও হয়। বৈধতাৰ ধাৰণাটো সম্পূর্ণৰূপে চৰম নহয়; সেয়েহে অভীক্ষাৰ উদ্দেশ্যৰ লগত সংগতি ৰাখিহে ইয়াৰ বৈধতা নির্ধাৰণ কৰা হয়। ফলস্বৰূপে, এটা অভীক্ষা এটা উদ্দেশ্যৰ বাবে বৈধ হ'ব পাৰে, কিন্তু আন উদ্দেশ্যৰ বাবে নহ'বও পাৰে। অভীক্ষাটোৰ ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি ইয়াৰ বৈধতা ভিন্ন হ'ব পাৰে। সেয়েহে F. S. Freeman-এ বৈধতাৰ সংজ্ঞা এনেদৰে দিছে— "বৈধতাৰ সূচকে গ্রহণযোগ্য মাপকাঠীৰ লগত তুলনা কৰিলে অভীক্ষাই যিমানখিনি পৰিমাপ কৰিব বিচাৰে আৰু সঁচাকৈয়ে যিমান পৰিমাপ কৰে, তাক দেখুৱায়।" উদাহৰণস্বৰূপে, কিশোৰ-কিশোৰীৰ যুক্তিসংগত চিন্তাশক্তি মূল্যায়নৰ বাবে প্রস্তুত কৰা অভীক্ষাটোৱে সেই বয়সৰ ক্ষেত্রত ভালদৰে উদ্দেশ্য পূৰণ কৰিব পাৰে, কিন্তু একে অভীক্ষা বেলেগ বয়সৰ ছাত্র-ছাত্রীক দিলে প্রয়োজনীয় বা সঠিক ফলাফল পোৱাত ব্যর্থ হ'ব পাৰে।

- **নির্ভৰযোগ্যতাঃ—** নির্ভৰযোগ্যতা হৈছে এটা ভাল অভীক্ষাৰ আন এক অতি গুৰুত্বপূর্ণ কাৰিকৰী লক্ষণ। ই ফলাফল বা তথ্যৰ স্থিৰতাৰ সৈতে জড়িত। Freeman-ৰ মতে, "নির্ভৰযোগ্যতাৰ ধাৰণাই পৰীক্ষণ আৰু পুনঃপৰীক্ষণত কেনেধৰণৰ স্থিৰ ফলাফল দিয়ে, তাক সূচায়।" অর্থাৎ যেতিয়া কোনো তথ্য পুনৰাবৃত্তি কৰা হয়, তেতিয়া নির্ভৰযোগ্য হ'বলৈ হলে সেইটো একে ফলাফল প্রদান কৰিব লাগে। যদি এজনতকৈ অধিক বিশেষজ্ঞ বা মূল্যায়নকাৰীয়ে একেটা অভীক্ষা প্রয়োগ কৰে, তেন্তে নির্ভৰযোগ্যতাৰ বাবে তেওঁলোক সকলোৰে ফলাফল একে হোৱাটো প্রয়োজনীয়। একেদৰে এজন ব্যক্তিয়ে একেটা অভীক্ষা দুবাৰ দিলে যদি দুয়োটা সময়তে মানাংকসমূহ একে থাকে, তেন্তে সেই অভীক্ষাটোক নির্ভৰযোগ্য বুলি ক'ব পাৰি। অর্থাৎ এটা নির্ভৰযোগ্য অভীক্ষাই এজন ব্যক্তিক কম সময়ৰ ভিতৰত দুবাৰ পৰীক্ষা ল'লেও আৰু বেলেগ বেলেগ মূল্যায়নকাৰীয়ে মূল্যায়ন কৰিলেও

একে ফলাফল প্রদান কৰে। Anastasi-ৰ মতে, "নির্ভৰযোগ্যতাৰ অর্থ হ'ল একেজন ব্যক্তিয়ে ভিন্ন সময়ত একে অভীক্ষা বা সমতুল্য প্রশ্নপদযুক্ত বেলেগ অভীক্ষাত পৰীক্ষা দিলে পোৱা মানাংকৰ স্থিৰতা।" যদি কোনো অভীক্ষা বা পৰিমাপৰ সঁজুলিয়ে একেজন ব্যক্তিৰ ওপৰত ভিন্ন সময়ত বা ভিন্ন মূল্যায়নকাৰীৰ দ্বাৰা ব্যৱহাৰ কৰিলে ভিন্ন ফলাফল দিয়ে, তেন্তে বুজিব লাগিব যে সেই অভীক্ষাটো নির্ভৰযোগ্য নহয়।

এটা অভীক্ষাৰ নির্ভৰযোগ্যতাৰ অর্থ হ'ল শিক্ষার্থীয়ে একে অভীক্ষাৰ বিকল্প ৰূপ বা ভিন্ন প্রয়োগত পোৱা মানাংকৰ স্থিৰতা। অৱশ্যে অভীক্ষার্থীৰ দৈহিক-মানসিক অৱস্থা আৰু পৰিৱেশগত অৱস্থাৰ পার্থক্যৰ বাবে হুবহু একে বিষয়বস্তুৰ দুটা অভীক্ষাই কেতিয়াও একে ফলাফল দিব নোৱাৰে। একেটা অভীক্ষা এটা দলৰ শিক্ষার্থীক ভিন্ন সময়ত প্রয়োগ কৰিলে সাধাৰণতে ফলাফলত কিছু পার্থক্য দেখা যায়। তথাপিও যিকোনো সময়ত আমি একে বিষয়বস্তুৰ দুটা ভিন্ন অভীক্ষা বা একেটা অভীক্ষা ভিন্ন সময়ত প্রয়োগ কৰোঁ। তেতিয়া আশা কৰা হয় যে অভীক্ষার্থীয়ে দুয়োটা প্রয়োগত পোৱা মানাংকসমূহ একে ধৰণৰ হ'ব। এই অৱস্থাত মানাংকসমূহ তুলনাযোগ্য হোৱাৰ মাত্রালৈকে অভীক্ষাটোক নির্ভৰযোগ্য বুলি কোৱা হয়।

এই অভীক্ষাৰ নির্ভৰযোগ্যতা বৈধতাৰো এক সূচক। যদি কোনো অভীক্ষাই স্থিৰ ফলাফল দিব নোৱাৰে, তেন্তে স্পষ্ট হয় যে সেই অভীক্ষাটোৱে সঠিকভাৱে জুখিব বিচৰা সংলক্ষণ বা চলকৰ পৰিমাপ কৰা নাই। এটা অভীক্ষা বৈধ হ'বলৈ নির্ভৰযোগ্য হ'বই লাগিব। সেয়েহে নির্ভৰযোগ্যতাৰ নির্ধাৰণক অভীক্ষা এটা বৈধকৰণ প্রক্রিয়াৰ প্রথম পদক্ষেপ বুলি গণ্য কৰা হয়। যদি অভীক্ষাটো নির্ভৰযোগ্য নহয়, তেন্তে সেইটো বৈধ হয় নে নহয় তাৰ পৰীক্ষা কৰাৰ বিশেষ প্রয়োজন নাথাকে আৰু সহজেই সিদ্ধান্ত ল'ব পাৰি যে অভীক্ষাটো বৈধ নহয়। পৰিমাপৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰি অভীক্ষা এটাৰ নির্ভৰযোগ্যতা নির্ধাৰণ কৰিবলৈ কেইবাটাও পদ্ধতি ব্যৱহাৰ কৰা হয়।

- **পৃথকীকৰণঃ—** এটা ভাল অভীক্ষা পৃথকীকৰণকাৰী হ'ব লাগিব। বিভিন্ন উদ্দেশ্যৰ উপৰিও ব্যক্তি বা দলসমূহৰ মাজৰ পার্থক্য অধ্যয়ন কৰাৰ বাবে অভীক্ষাসমূহৰ নির্মাণ আৰু পৰিচালনা কৰা হয়। সেয়েহে এটা ভাল অভীক্ষাই ব্যক্তিসকলৰ কৃতিত্বৰ পার্থক্য সঠিকভাৱে পৰিমাপ কৰিব পাৰিব লাগিব। পৃথকীকৰণকাৰী অভীক্ষাই শিক্ষাৰ ক্ষেত্রত আগবঢ়া ছাত্র-ছাত্রীক পিছপৰা ছাত্র-ছাত্রীৰ পৰা পৃথক কৰিব পাৰে। এটা অভীক্ষাৰ পৃথকীকৰণ শক্তি বৃদ্ধি কৰিবলৈ ইয়াৰ মানাংকৰ পৰিসৰ সর্বনিম্নৰ পৰা সর্বোচ্চলৈ বিস্তৃত হ'ব লাগে। ইয়াৰ উপৰিও অভীক্ষাত বিভিন্ন স্তৰৰ কঠিনতাৰ প্রশ্নপদ অন্তর্ভুক্ত থাকিব লাগিব। সহজ অর্থত, অভীক্ষাত উচ্চ স্তৰৰ কঠিন প্রশ্নপদ থাকিব লাগে, যিবোৰ কেৱল উৎকৃষ্ট ছাত্র-ছাত্রীয়েহে শুদ্ধ উত্তৰ দিব পাৰে আৰু লগতে সকলো ছাত্র-ছাত্রীয়ে উত্তৰ দিব পৰা অতি সহজ

প্রশ্নপদো থাকিব লাগে। এটা ভাল অভীক্ষাৰ প্রতিটো প্রশ্নপদে অধিক জ্ঞান থকা আৰু কম জ্ঞান থকা ছাত্র-ছাত্রীৰ মাজত পার্থক্য স্পষ্ট কৰিব পাৰিব লাগিব। যদি অধিক আৰু কম জ্ঞান থকা দুয়ো ধৰণৰ ছাত্র-ছাত্রীয়ে কোনো এটা প্রশ্নপদত সমানভাৱে ভুল উত্তৰ দিয়ে, তেন্তে সেই প্রশ্নপদটোৱে ভাল আৰু কম সক্ষম শিক্ষার্থীৰ মাজত পার্থক্য নির্ণয় কৰাত ব্যর্থ হৈছে বুলি ধৰা হয়। যদি কোনো প্রশ্নপদৰ উত্তৰ কম সক্ষম শিক্ষার্থীয়ে শুদ্ধকৈ আৰু অধিক সক্ষম শিক্ষার্থীয়ে অশুদ্ধকৈ দিয়ে, তেন্তে সেই প্রশ্নপদটোৱে ধনাত্মক পৃথকীকৰণ কৰিছে বুলি ধৰা হয়। এনে ক্ষেত্রত সেই প্রশ্নপদ অস্পষ্ট বা ত্রুটিপূর্ণ হ'ব পাৰে, সেয়েহে তাক সংশোধন বা বাদ দিব লাগে যাতে ই জ্ঞানী আৰু কম জ্ঞানী শিক্ষার্থীৰ মাজত সঠিক ধনাত্মক পৃথকীকৰণ কৰিব পাৰে। অভীক্ষা এটা প্রয়োগ কৰাৰ পিছত প্রশ্নপদসমূহ বিশ্লেষণ কৰিলে প্রতিটো প্রশ্নপদৰ আপেক্ষিক কঠিনতা আৰু পৃথকীকৰণ শক্তি নির্ধাৰণ কৰাত সহায় হয়। সেয়েহে অভীক্ষা প্রস্তুত কৰাৰ সময়ত প্রশ্নপদসমূহ সাৱধানে আৰু বিস্তৃতভাৱে বিশ্লেষণ কৰিব লাগে যাতে প্রশ্নপদসমূহ পৃথকীকৰণকাৰী আৰু উপযুক্ত কঠিনতাৰ স্তৰৰ হয়।

- **বস্তুনিষ্ঠতাঃ—** বস্তুনিষ্ঠতা হৈছে মনোবৈজ্ঞানিক অভীক্ষাৰ আন এটা গুৰুত্বপূর্ণ কাৰিকৰী নীতি। এটা ভাল অভীক্ষা সদায় বস্তুনিষ্ঠ হোৱা উচিত। বস্তুনিষ্ঠতা হৈছে বৈধতা আৰু নির্ভৰযোগ্যতাৰ বাবে এক গুৰুত্বপূর্ণ পূর্বচর্ত। বস্তুনিষ্ঠ অভীক্ষাৰ পৰা প্রাপ্ত মানাংকসমূহত অভীক্ষকৰ মানসিক বা দৈহিক প্রভাৱৰ কোনো স্থান নাথাকে। বস্তুনিষ্ঠ অভীক্ষাৰ প্রশ্নপদসমূহত যিহেতু এটা মাত্র শুদ্ধ উত্তৰ থাকে, সেয়েহে মানাংক প্রদান প্রক্রিয়াত ব্যক্তিগত প্রভাৱৰ কোনো স্থান নাথাকে। অভীক্ষাৰ বস্তুনিষ্ঠতাৰ দুটা দিশ আছে— (i) অভীক্ষাৰ প্রশ্নপদৰ বস্তুনিষ্ঠতা আৰু (ii) মানাংক প্রদানৰ বস্তুনিষ্ঠতা।

  অভীক্ষাৰ প্রশ্নপদৰ বস্তুনিষ্ঠতাৰ অর্থ হ'ল যে প্রশ্নপদসমূহ স্পষ্ট, সৰল আৰু সুনির্দিষ্ট হ'ব লাগিব আৰু প্রতিটো প্রশ্নপদৰ মাত্র এটাহে শুদ্ধ উত্তৰ থাকিব লাগিব। কোনো বস্তুনিষ্ঠ প্রশ্নপদৰ যিকোনো অৱস্থা বা পৰিস্থিতিত এটাতকৈ অধিক শুদ্ধ উত্তৰ থাকিব নালাগে। অভীক্ষাৰ প্রশ্নপদবোৰৰ ভাষা সৰল, স্পষ্ট আৰু সহজে বুজিব পৰা হ'ব লাগে। অভীক্ষার্থীসকলে কি কৰিব লাগে বা প্রশ্নপদবোৰৰ প্রতি কেনেকৈ প্রতিক্রিয়া দিব লাগে সেই বিষয়ে স্পষ্ট নির্দেশনা থাকিব লাগে। অভীক্ষার্থীসকললৈ স্পষ্ট নির্দেশনা থাকিলে বিভিন্ন অভীক্ষকে উত্তৰপত্র পৰীক্ষা কৰিলেও একে উত্তৰপত্রত সামঞ্জস্যপূর্ণ মানাংক নিশ্চিত কৰিব পাৰি। অভীক্ষাৰ বস্তুনিষ্ঠতা নিশ্চিত কৰিবলৈ এইটো মনত ৰাখিব লাগিব যে অনির্দিষ্ট, ৰচনাধর্মী আৰু অস্পষ্ট নির্দেশযুক্ত প্রশ্নপদে ব্যক্তিনিষ্ঠতাৰ সৃষ্টি কৰিব পাৰে।

  মানাংক প্রদানৰ ক্ষেত্রত বস্তুনিষ্ঠতাৰ অর্থ হৈছে অভীক্ষাৰ পুস্তিকা বা উত্তৰবহীবোৰত বস্তুনিষ্ঠভাৱে মানাংক প্রদান কৰা। বস্তুনিষ্ঠ মানাংক প্রদান প্রণালীত মানাংক দিয়া ব্যক্তি যিয়েই নহওক, একে ধৰণৰ উত্তৰবহীয়ে একে নম্বৰ পোৱাৰ সম্ভাৱনা থাকে। এনে ব্যৱস্থাত

ব্যক্তিগত সিদ্ধান্ত বা ব্যক্তিৰ ব্যক্তিগত প্ৰভাৱে নম্বৰৰ ক্ষেত্ৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে। সাধাৰণতে মানাংক প্ৰদান প্ৰক্ৰিয়াক বস্তুনিষ্ঠ কৰিবলৈ অভীক্ষা প্ৰয়োগ কৰাৰ আগতে মানাংক প্ৰদানৰ চাবিকাঠী প্ৰস্তুত কৰা হয়। এই চাবিকাঠীত অভীক্ষাৰ প্ৰতিটো প্ৰশ্নপদৰ নম্বৰ প্ৰদানৰ পদ্ধতি আৰু শুদ্ধ আৰু অশুদ্ধ উত্তৰৰ নমুনা উল্লেখ কৰা থাকে।

বস্তুনিষ্ঠ প্ৰশ্নপদে বস্তুনিষ্ঠ মানাংক প্ৰদান সম্ভৱ কৰি তোলে। পৰম্পৰাগত ৰচনাধৰ্মী প্ৰশ্নবোৰ ব্যক্তিনিষ্ঠ ধৰণৰ হয় বুলি অভিযোগ উত্থাপন হৈ আহিছে। ইয়াৰ কাৰণ হৈছে এনে ধৰণৰ প্ৰশ্নপদৰ মানাংক প্ৰদান অভীক্ষকৰ মনৰ অৱস্থা, পৰীক্ষাৰ্থীৰ ভাষা আৰু হস্তাক্ষৰ, জ্যোতি প্ৰভাৱ (Halo Effect) আদিৰ দ্বাৰা প্ৰভাৱিত হয়।

- **মানদণ্ডঃ—** এটা ভাল অভীক্ষাৰ সৈতে সদায় উপযুক্ত মানদণ্ড সংযুক্ত থাকে যাৰ সহায়ত ব্যক্তিসকলে অভীক্ষাত পোৱা মানাংকসমূহৰ ব্যাখ্যা কৰা আৰু বিভিন্ন মানাংকৰ মাজত তুলনা কৰা সম্ভৱ হয়। ব্যক্তিয়ে অভীক্ষাত পোৱা অশোধিত বা অব্যাখ্যাত মানবোৰে সাধাৰণতে বিশেষ অৰ্থ বা তাৎপৰ্য বহন নকৰে। উদাহৰণস্বৰূপে, এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে পৰীক্ষাত পোৱা ৬০ নম্বৰৰ অৰ্থ স্পষ্ট নহয়, যদি সেই পৰীক্ষাৰ মুঠ মান, আন পৰীক্ষাৰ্থীয়ে পোৱা মান, অথবা সেই পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলৰ গড় মান আদি তথ্য অজ্ঞাত থাকে। ইয়াৰ উপৰি এনে মানাংকক পোনপটীয়াকৈ অন্য ব্যক্তি বা একেজন ব্যক্তিয়ে বেলেগ অভীক্ষাত পোৱা মানৰ সৈতে তুলনা কৰিব নোৱাৰি। এই অসুবিধা দূৰ কৰিবলৈ, মানাংকবোৰ সঠিকভাৱে ব্যাখ্যা কৰাৰ বাবে আৰু তুলনাযোগ্য কৰি তুলিবলৈ এটা ভাল অভীক্ষাৰ বাবে উপযুক্ত মানদণ্ডৰ ব্যৱস্থা থকাটো প্ৰয়োজনীয়। এটা মানদণ্ড বা আদৰ্শমান হৈছে একে ধৰণৰ এটা দলে এটা অভীক্ষাত পোৱা গড় মান। এজন ব্যক্তিয়ে পোৱা মানাংকটো কেৱল সেই সমূহীয়া দলৰ বাবে নিৰ্ধাৰিত মানদণ্ড বা আদৰ্শমানৰ সৈতে তুলনা কৰিহে ব্যাখ্যা কৰিব পাৰি।

মানদণ্ড হৈছে কোনো নিৰ্দিষ্ট প্ৰতিনিধি গোটৰ দ্বাৰা কোনো নিৰ্দিষ্ট অভীক্ষাত পোৱা গড় বা প্ৰতিনিধিত্বমূলক মান। Freeman ৰ মতে, "মানদণ্ড হৈছে নিৰ্দিষ্ট প্ৰতিনিধি এটাৰ দ্বাৰা কোনো নিৰ্দিষ্ট পৰীক্ষাত লাভ কৰা গড় বা সাধাৰণ মান"। উদাহৰণস্বৰূপে, এটা বুদ্ধি অভীক্ষাত ১০ বছৰ বয়সৰ শিশুসকলৰ গড় মান, বা গণিতৰ পৰীক্ষাত অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ গড় নম্বৰ আদি। এনে মানদণ্ডৰ সহায়ত ব্যক্তি এজনৰ নম্বৰৰ ব্যাখ্যা আৰু তুলনা কৰাটো সহজ হয়। ইয়াৰ উপৰি ব্যক্তিজনক দলটোৰ ভিতৰত এটা আপেক্ষিক স্থান বা ৰেংক প্ৰদান কৰাও সম্ভৱ হয়।

অভীক্ষাবোৰত সাধাৰণতে চাৰি ধৰণৰ মানদণ্ড ব্যৱহাৰ কৰা হয়। সেয়া হৈছে—

- বয়সভিত্তিক মানদণ্ড
- শ্ৰেণীভিত্তিক মানদণ্ড

- শতাংশমান
- আদর্শমান

এটা অভীক্ষাৰ বাবে বয়সভিত্তিক মানদণ্ড হৈছে নির্দিষ্ট বয়সৰ দলৰ ব্যক্তিসকলে সেই অভীক্ষাত পোৱা অব্যাখ্যাত মানৰ গাণিতিক গড়। উদাহৰণস্বৰূপে, ১১ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ এটা দলে বুদ্ধি অভীক্ষাত পোৱা গড় নম্বৰেই ১১ বছৰ বয়সৰ শিশুৰ বাবে সেই অভীক্ষাৰ বয়সভিত্তিক মানদণ্ড হ'ব। এই ধাৰণাটো অতি সহজ আৰু ই একে বয়সৰ দলৰ ব্যক্তিসকলৰ অভীক্ষাৰ নম্বৰৰ মাজত তুলনা কৰাত সহায় কৰে। কিন্তু বয়সভিত্তিক মানদণ্ডৰ এটা সীমাবদ্ধতা আছে। ই কেৱল সেইবোৰ অভীক্ষাৰ ক্ষেত্রতহে প্রযোজ্য হয় যি অভীক্ষাই বয়স বৃদ্ধিৰ সৈতে বৃদ্ধি পোৱা বৈশিষ্ট্য বা গুণৰ পৰিমাপ কৰে।

এটা অভীক্ষাৰ বাবে শ্রেণীভিত্তিক মানদণ্ড হৈছে নির্দিষ্ট শ্রেণীত পঢ়া ছাত্র-ছাত্রীসকলৰ দল এটাই পৰীক্ষাত পোৱা অব্যাখ্যাত মানৰ গাণিতিক গড়। উদাহৰণস্বৰূপে, দশম শ্রেণীৰ ছাত্র-ছাত্রীসকলৰ এটা দলে পৰীক্ষাত পোৱা গড় মানটোৱেই দশম শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে সেই পৰীক্ষাৰ শ্রেণীভিত্তিক মানদণ্ড। শ্রেণীভিত্তিক মানদণ্ডৰ ধাৰণাটো বয়সভিত্তিক মানদণ্ডৰ ধাৰণাৰ দৰে। কিন্তু ইয়াত গড় কৃতিত্ব শ্রেণীৰ ভিত্তিত নির্ধাৰণ কৰা হয় যিটো বয়সভিত্তিক মানদণ্ডৰ পৰা পৃথক, কিয়নো তাত বয়সৰ ভিত্তিত মানদণ্ড নির্ধাৰণ কৰা হয়। শ্রেণীভিত্তিক মানদণ্ডৰ ধাৰণাটো সহজ আৰু ই একে শ্রেণীত পঢ়া ছাত্র-ছাত্রীসকলৰ কৃতিত্ব তুলনা কৰাত সহায় কৰে। শ্রেণীভিত্তিক মানদণ্ডৰ মূল সীমাবদ্ধতা হৈছে যে ই একে শ্রেণীৰ ছাত্র-ছাত্রীৰ মাজৰ সম্ভাব্য ব্যক্তিগত পার্থক্যবোৰ বিবেচনা নকৰে আৰু নির্দিষ্ট শ্রেণীৰ সকলো ছাত্র-ছাত্রীৰ বাবে এটা একক আদর্শমান স্থিৰ কৰে।

শতাংশমান হৈছে ব্যক্তিসকলৰ অব্যাখ্যাত মানসমূহক শতাংশলৈ ৰূপান্তৰিত কৰাৰ এক প্রক্রিয়া। শতাংশমান হৈছে এনে এটা মান যাৰ তলত এটা দলৰ নির্দিষ্ট শতাংশ ব্যক্তিৰ মান অৱস্থান কৰে। উদাহৰণস্বৰূপে, ৩৫তম শতাংশমান হৈছে সেই মান, যাৰ তলত ৩৫ শতাংশ ব্যক্তিৰ মান অৱস্থান কৰে। শতাংশমান নির্ধাৰণৰ সুবিধা হ'ল যে ই গণনা কৰিবলৈ সহজ আৰু যিকোনো ধৰণৰ অভীক্ষাত ব্যৱহাৰ কৰিব পাৰি।

কিন্তু শতাংশমান নির্ধাৰণৰ প্রধান সীমাবদ্ধতা হৈছে যে ই কেৱল দলটোৰ ভিতৰত ব্যক্তিৰ আপেক্ষিক স্থানহে সূচাব পাৰে, ব্যক্তিয়ে অর্জন কৰা সাফল্যৰ মাত্রা বা পৰিমাণ স্পষ্টভাৱে প্রকাশ কৰিব নোৱাৰে।

আদর্শমান ব্যৱস্থাত ছাত্র-ছাত্রীৰ প্রাথমিক মানবোৰ আদর্শমানলৈ ৰূপান্তৰিত কৰা হয়। এই ৰূপান্তৰটো এজন ব্যক্তিৰ মান দলটোৰ গড় নম্বৰৰ পৰা কিমান বিচ্যুতিৰ দূৰত্বত অৱস্থিত সেয়া গণনা কৰি কৰা হয়। প্রাথমিক মানক আদর্শমানলৈ ৰূপান্তৰিত কৰাৰ কৰাৰ বাবে সর্বাধিক ব্যৱহৃত সূত্রটো হ'ল—

$$Z = \frac{X - U}{Q}$$

য'ত

Z = আদর্শমান

X = এজন ছাত্র বা ছাত্রীৰ প্রাথমিক মান

U = সকলো নম্বৰৰ গড়

Q = সকলো নম্বৰৰ মানক বিচ্যুতি

উদাহৰণস্বৰূপে যদি এগৰাকী ছাত্র বা ছাত্রীয়ে পৰীক্ষাত ৮০ নম্বৰ পায় আৰু সেই পৰীক্ষাৰ সকলো ছাত্র ছাত্রীৰ গড় আৰু মানক বিচ্যুতি ক্রমে ৬০ আৰু ১০ হয়, তেন্তে ছাত্র বা ছাত্রগৰাকীৰ আদর্শ মান হ'ব—

$$Z = \frac{৮০ - ৬০}{১০}$$

= ২Q

ইয়াৰ অর্থ হ'ল ছাত্র বা ছাত্রী গৰাকীয়ে পোৱা ৮০ নম্বৰটো গড় নম্বৰতকৈ ২Q বা ২ মানক বিচ্যুতি ওপৰত অৱস্থিত। এনেদৰে আদর্শমানলৈ ৰূপান্তৰ কৰি ব্যক্তিয়ে পোৱা প্রাথমিক নম্বৰবোৰৰ ব্যাখ্যা আৰু তুলনা কৰিব পাৰি। অৱশ্যে আদর্শ মানৰ ব্যৱহাৰ ধাৰণাটো অতি সহজ নহয় আৰু ইয়াক ব্যৱহাৰ কৰিবলৈ পৰিসংখ্যামূলক জ্ঞানৰ প্রয়োজন হয়।

- **প্রতিমানীকৰণঃ—** এটা ভাল অভীক্ষাৰ আন এটা গুৰুত্বপূর্ণ কাৰিকৰী লক্ষণ হ'ল যে অভীক্ষাটো প্রতিমানীকৃত হ'ব লাগিব। অভীক্ষাৰ প্রতিমানীকৰণ হৈছে অভীক্ষাৰ প্রয়োগ আৰু মানাংক প্রদানৰ বাবে একেধৰণৰ প্রক্রিয়াৰ ব্যৱস্থা কৰা। অভীক্ষা পৰিচালনা, মানাংক প্রদান আৰু তাৰ তাৎপর্য ব্যাখ্যাৰ বাবে নির্দিষ্ট নিয়ম নির্ধাৰণ আৰু ৰূপায়ণ কৰা প্রক্রিয়াই হৈছে প্রতিমানীকৰণ। যেতিয়ালৈকে এটা অভীক্ষা প্রতিমানীকৃত কৰা নহয়, তেতিয়ালৈকে সেয়া ভিন্ন পৰিমাপৰ এক অনানুষ্ঠানিক মাপক হিচাপেহে গণ্য হয়। প্রতিমানীকৃত অভীক্ষাত সকলো অভীক্ষার্থীয়ে একে ধৰণে একে প্রশ্নৰ উত্তৰ দিয়ে আৰু অভীক্ষা প্রয়োগৰ চর্তসমূহ (যেনে সময়, পৰিৱেশ, সম্পদ আদি)ও একে ধৰণে নির্ধাৰিত থাকে। ইয়াৰ লগতে মানাংক ব্যাখ্যাৰ প্রক্রিয়াও একে নিয়ম অনুসৰি কৰা হয়। এইদৰে প্রতিমানীকৰণে অভীক্ষার্থীসকলৰ আপেক্ষিক কার্যদক্ষতা তুলনা কৰাটো সম্ভৱ কৰি তোলে।

এটা ভাল অভীক্ষাই প্রতিমানীকৰণৰ লক্ষনসমূহ পূৰন কৰিব লাগিব। অভীক্ষাটো প্রতিমানকৃত কৰিবলৈ তলত দিয়া দিশসমূহ মানি চলিব লাগে—

- একে পৰিস্থিতিত বহুত সংখ্যক ছাত্র ছাত্রীৰ ওপৰত অভীক্ষাটো প্রয়োগ কৰা হয়।
- মানাংক প্রদানৰ চাবিকাঠী (Scoring key) ব্যৱহাৰ কৰি বস্তুনিষ্ঠভাৱে মানাংক প্রদান কৰা হয় আৰু তাৎপর্য্য বিশ্লেষণৰ বাবে মান বা নম্বৰসমূহ সজোৱা হয়।

- মানসমূহৰ গড় আৰু অনান্য পৰিসংখ্যামূলক গণনা কৰা হয় আৰু অভীক্ষাৰ মানদণ্ড নির্ধাৰন কৰা হয়।
- অভীক্ষাৰ বৈধতা আৰু নির্ভৰযোগ্যতা নির্ধাৰণ কৰা হয়।
- অৱশেষত, অভীক্ষাৰ পৰিচালনাৰ বাবে অভীক্ষাৰ নির্দেশনাৱলী বা অভীক্ষা পুস্তিকা প্রস্তুত কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬. ভাল অভীক্ষা কি ?

প্রশ্ন ৭. বৈধতা কি ?

প্রশ্ন ৮. ভাল অভীক্ষাৰ দুটা ব্যৱহাৰিক লক্ষণ উল্লেখ কৰা।

২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি তলত দিয়া ধাৰণাখিনি বুজিব পাৰি—

- মনোবৈজ্ঞানিক অভীক্ষা হৈছে সুনির্বাচিত উদ্দীপকৰ এক সমষ্টি যি প্রশ্নপদৰ ৰূপত প্রদান কৰা হয় বা কার্য সম্পাদনৰ বাবে দিয়া হয় যাতে নির্দিষ্ট এক মনোবৈজ্ঞানিক সংলক্ষণ বা বৈশিষ্ট্য পৰিমাপ কৰিবলৈ প্রয়োজনীয় আচৰণৰ এক নমুনা আহৰণ কৰিব পাৰি।
- মনোবৈজ্ঞানিক অভীক্ষাৰ দীঘলীয়া ইতিহাস চীনৰ সম্রাটসকলৰ সময়ৰ পৰা (প্রায় খ্রীষ্টপূর্ব ২২০০ শতিকা) আছে বুলি অনুমান কৰা হয়, যিসকলে কর্মচাৰী নির্বাচন আৰু তেওঁলোকৰ যোগ্যতা পৰীক্ষা কৰিবলৈ অভীক্ষাৰ প্রাথমিক ৰূপ ব্যৱহাৰ কৰিছিল। অৱশ্যে মনোবৈজ্ঞানিক অভীক্ষা আধুনিক ৰূপত আৰম্ভ হৈছিল মাত্র ১৮০০ চনৰ শেষৰ ফালে। সেই সময়ছোৱাত হিউবার্ট ভন গ্রেসি, ফ্রান্সিস গেল্টন, উইলহেল্ম ভন্ট, জেম্ছ কেটেল আৰু আন বহুতো চিকিৎসক আৰু মনোৰোগ বিশেষজ্ঞসকলে আধুনিক অভীক্ষা ব্যৱস্থাৰ বিকাশত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল। ১৯০৫ চনত ফ্রান্সত আলফ্রেড বিনে আৰু তেওঁৰ সহযোগী থিঅডৰ চাইমনে শেহতীয়াকৈ প্রথম প্রকৃত বুদ্ধি অভীক্ষা বিকশিত কৰিছিল। মূল ফৰাচী বিনে-চাইমন বুদ্ধি অভীক্ষা পিছলৈ আমেৰিকা যুক্তৰাষ্ট্রৰ ষ্টেনফর্ড বিশ্ববিদ্যালয়ত লুইছ টার্মেনৰ দ্বাৰা সংশোধন কৰা হৈছিল, যাক ষ্টেনফর্ড-বিনে বুদ্ধি মাপকাঠী বুলি জনা যায়। জার্মান মনোবৈজ্ঞানিক উইলিয়াম ষ্টার্নে বুদ্ধ্যাংকৰ (I.Q.) ধাৰণাটো প্রচলন কৰিছিল, য'ত মানসিক বয়সক প্রকৃত বয়সেৰে ভাগ কৰি নির্ধাৰণ কৰা হৈছিল।
- মনোবৈজ্ঞানিক অভীক্ষাসমূহ হৈছে পৰোক্ষ পৰিমাপৰ সঁজুলি যিবোৰ মনোবৈজ্ঞানিক চলকসমূহ পৰিমাপ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই চলকসমূহ নিৰাকাৰ, অপর্যবেক্ষণযোগ্য আৰু পোনপটীয়াকৈ পৰিমাপ কৰিব নোৱাৰি। ইয়াৰ উপৰি মনোবৈজ্ঞানিক পৰীক্ষণে সদায় আচৰণৰ

নমুনাৰ ওপৰত নির্ভৰ কৰি সম্পর্কিত আচৰণৰ সামগ্রিক ক্ষেত্রৰ বিষয়ে অনুমান কৰে। অভীক্ষা এটাত কোনো ব্যক্তিৰ প্রাপ্ত মান হৈছে তেওঁৰ প্রকৃত দক্ষতা আৰু কিছুমান ত্রুটীৰ সমষ্টি। এই ত্রুটীসমূহ অভীক্ষাটোৰ নিজস্ব দোষ, অভীক্ষাৰ ভুল পৰিচালনা, অভীক্ষকৰ ব্যক্তিগত প্রভাৱ, অভীক্ষার্থীৰ শাৰীৰিক-মানসিক অৱস্থা বা পৰিৱেশৰ বিৰূপ প্রভাৱৰ পৰা সৃষ্টি হ'ব পাৰে। সেয়েহে এটা মনোবৈজ্ঞানিক অভীক্ষাই কোনো পৰিমাপৰ সঁজুলিৰ সম্পূর্ণ সঠিকতা, বিশ্বাসযোগ্যতা বা নিখুঁততাৰ দাবী কৰিব নোৱাৰে।

- যদিও অভীক্ষা, পৰীক্ষা আৰু মূল্যায়ন একে অর্থবোধক শব্দ যেন লাগে যদিও এইসমূহৰ অর্থ পৃথক। অভীক্ষা আৰু পৰীক্ষা হৈছে মূল্যায়নৰ সঁজুলি, কিন্তু মূল্যায়ন হৈছে অধিক বিস্তৃত, বৈজ্ঞানিক আৰু সামগ্রিক প্রক্রিয়া। অভীক্ষা হৈছে একোটা নির্দিষ্ট ক্ষেত্র বা বিষয়ৰ ওপৰত উত্তৰ দিবলগীয়া বা সম্পাদন কৰিবলগীয়া প্রশ্নপদ বা কার্য্যৰ এক সংহতি। পৰীক্ষাও একোটা প্রশ্ন বা কার্য্যৰ সমষ্টি, কিন্তু পৰীক্ষাত বহুতো ক্ষেত্র বা বিষয় অন্তর্ভুক্ত থাকে, যিটো অভীক্ষাত সাধাৰণতে নাথাকে। কিয়নো অভীক্ষা সাধাৰণতে এটা নির্দিষ্ট ক্ষেত্র বা বিষয়ৰ ওপৰতহে কেন্দ্রিত হৈ থাকে।
- মনোবৈজ্ঞানিক অভীক্ষাবোৰক পৰিমাপ কৰা আচৰণৰ প্রকৃত স্বৰূপ, পৰিচালনা কৰাৰ নিয়ম, মানাংক প্রদানৰ পদ্ধতি আৰু ব্যৱহাৰৰ ধৰণৰ ওপৰত ভিত্তি কৰি শ্রেণীবিভাজন কৰিব পাৰি। সেয়েহে মনোবৈজ্ঞানিক অভীক্ষাৰ একক শ্রেণীবিভাজন নাই আৰু বিভিন্ন শ্রেণীবিভাজন একচেটীয়া নহয়, বৰঞ্চ পাৰস্পৰিকভাৱে সংযুক্ত হৈ থাকে।
- মনোবৈজ্ঞানিক অভীক্ষাৰ বিভিন্ন কার্যৰ ভিতৰত আছে ৰোগ নির্ণয়, ভৱিষ্যৎ সম্ভাৱনা প্রদান, গঠনমূলক আৰু সামগ্রিক মূল্যায়নৰ বাবে তথ্য প্রদান, শ্রেণীবিভাজন, নির্বাচন, তুলনা, নির্দেশনামূলক বা শিক্ষামূলক কার্য নির্দেশনা আৰু পৰামর্শদান, গৱেষণা আৰু বিকাশ আদি।
- মনোবৈজ্ঞানিক অভীক্ষাবোৰ ব্যক্তি আৰু দলৰ বুদ্ধি, যোগ্যতা, কৃতিত্ব আৰু আন বহুতো শৈক্ষিক তথা অনা-শৈক্ষিক ব্যক্তিত্বৰ বৈশিষ্ট্য অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই অভীক্ষাবোৰে শিক্ষার্থীৰ মাজত থকা ব্যক্তিগত পার্থক্যৰ স্বৰূপ নির্ধাৰণ আৰু বিশ্লেষণ কৰাত সহায় কৰে, যেনে— বৌদ্ধিক বিকাশ, বয়স আৰু লিংগৰ সৈতে জড়িত শৈক্ষিক আৰু অনা-শৈক্ষিকভাৱে পিছপৰা শিশুৰ ব্যক্তিত্বৰ বৈশিষ্ট্য, লগতে স্নায়ুবিকলতা আৰু মানসিক ৰোগী ব্যক্তিসকলৰ ব্যক্তিত্বৰ বৈশিষ্ট্য আদি।
- এটা ভাল অভীক্ষাই যিটো পৰিমাপ কৰিব বিচাৰে, তাক বস্তুনিষ্ঠভাৱে পৰিমাপ কৰে আৰু স্থিৰ ফলাফল দিয়ে। এটা ভাল অভীক্ষা বৈধ, নির্ভৰযোগ্য, বস্তুনিষ্ঠ, ব্যৱহাৰিক আৰু অভীক্ষার্থীৰ বাবে সুবিধাজনক হ'ব লাগে। এটা ভাল অভীক্ষাই প্রতিমানীকৰণৰ নীতি-নিয়মসমূহ পূৰণ কৰে। ভাল অভীক্ষাসমূহ একে ধৰণৰ পৰিস্থিতিত প্রয়োগ কৰা হয় আৰু বস্তুনিষ্ঠভাৱে মূল্যায়ন কৰা হয় যাতে অভীক্ষা দিয়া ব্যক্তিসকলৰ প্রাপ্ত নম্বৰ সহজে তুলনা কৰিব পৰা যায়।

- অভীক্ষা এটা প্রস্তুত কৰোঁতে বা উপলব্ধ অভীক্ষাসমূহৰ পৰা এটা নিৰ্বাচন কৰোঁতে এইটো নিশ্চিত কৰিব লাগে যে অভীক্ষাটোত কিছুমান ভাল দিশ বা বৈশিষ্ট্য আছে। এটা ভাল অভীক্ষাৰ লক্ষণসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি— ব্যৱহাৰিক লক্ষণ বা অভীক্ষাৰ উপযোগিতা আৰু কাৰিকৰী লক্ষণ।
- ভাল অভীক্ষাৰ ব্যৱহাৰিক লক্ষণসমূহৰ ভিতৰত আছে ব্যাপকতা বা বিস্তৃত পৰিসৰ, সহজে পৰিচালনাযোগ্যতা, মানাংক প্ৰদানৰ সহজ পদ্ধতি, মানাংকৰ সহজ ব্যাখ্যা, তুলনাযোগ্যতা, মিতব্যয়িতা, বোধগম্যতা, আকৰ্ষণীয় গঠন, বৈচিত্ৰ্য, গ্ৰহণযোগ্যতা, আকৰ্ষণীয়তা আৰু স্পষ্ট উদ্দেশ্য।
- ভাল অভীক্ষাৰ কাৰিকৰী লক্ষণসমূহৰ ভিতৰত আছে বৈধতা, নিৰ্ভৰযোগ্যতা, পৃথকীকৰণ ক্ষমতা, বস্তুনিষ্ঠতা, মানদণ্ড আৰু প্ৰতিমানীকৰণ।

২.১১ অধিক জানিবলৈ

(১) শিক্ষাত পৰিমাপণ, মূল্যায়ন আৰু পৰিসংখ্যা বিজ্ঞান— ড° ফুনু দাস শৰ্মা, ড° উৎপল কলিতা।

(২) শিক্ষা আৰু মনোবিজ্ঞানত পৰিমাপ আৰু মূল্যায়ন— ড° মৰমী গোস্বামী।

(৩) শৈক্ষিক পৰিমাপণ আৰু শৈক্ষিক পৰিসংখ্যা বিজ্ঞান— ড° মুকুন্দ শৰ্মা।

২.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ মনোবৈজ্ঞানিক অভীক্ষা হৈছে এক প্ৰতিমানীকৃত সঁজুলি যিয়ে ব্যৱহাৰকাৰী ব্যক্তিজনৰ নিৰ্ধাৰিত কিছুমান সংলক্ষণ বা বৈশিষ্ট্য প্ৰকাশ কৰা আচৰণৰ এটা নমুনা উলিয়াবলৈ বিভিন্ন উদ্দীপকৰ সমষ্টি ব্যৱহাৰ কৰে। আচৰণৰ এনে নমুনাই পৰোক্ষভাৱে যিটো পৰিমাপ কৰা হয়, সেই সংলক্ষণ বা ব্যক্তিত্বৰ বৈশিষ্ট্যক প্ৰকাশ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ মনোবৈজ্ঞানিক অভীক্ষাৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল—

(i) মনোবৈজ্ঞানিক অভীক্ষাসমূহ হৈছে পৰোক্ষ পৰিমাপৰ সঁজুলি। এইসমূহে মনোবৈজ্ঞানিক চলকসমূহ পৰিমাপ কৰে, যেতিয়া এই চলকসমূহ ব্যক্তিজনৰ আচৰণত প্ৰকাশ পায়।

(ii) মনোবৈজ্ঞানিক অভীক্ষাসমূহ পৰিমাপ কৰিবলগীয়া আচৰণটো মূল্যায়ন কৰিবলৈ আচৰণৰ নমুনাৰ ওপৰত নিৰ্ভৰ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ মনোবৈজ্ঞানিক অভীক্ষাৰ দুটা প্ৰকাৰ হৈছে ব্যক্তিগত অভীক্ষা আৰু দলীয় অভীক্ষা। যিবোৰ অভীক্ষা একে সময়ত এজন ব্যক্তিৰ ওপৰত প্ৰয়োগ কৰা হয়, সেইবোৰক

ব্যক্তিগত অভীক্ষা বোলে। দলীয় অভীক্ষাসমূহ হৈছে সেইবোৰ অভীক্ষা যিবোৰ একে সময়তে এটা দলৰ ওপৰত প্ৰয়োগ কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ কিছুমান মনোবৈজ্ঞানিক অভীক্ষা ব্যক্তিসকলৰ বৰ্তমানৰ মনস্তাত্ত্বিক অৱস্থাৰ নিৰ্ণয় কৰিবলৈ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, অভীক্ষার্থীৰ আচৰণ বা চৰিত্ৰ বিকাৰগ্ৰস্ততাৰ দ্বাৰা প্ৰভাৱিত হৈছে নেকি, অভীক্ষার্থী হতাশাগ্ৰস্ত নেকি আদি নিৰ্ণয় কৰিবলৈ অভীক্ষা ব্যৱহাৰ কৰিব পাৰি। এনে অভীক্ষাক নিৰ্ণায়ক অভীক্ষা বোলে।

৫ নং প্ৰশ্নৰ উত্তৰঃ মনোবৈজ্ঞানিক অভীক্ষাৰ দুটা গুৰুত্বপূৰ্ণ কাৰ্য হৈছেঃ—

(i) **শ্ৰেণীবিভাজনঃ—** মনোবৈজ্ঞানিক অভীক্ষাই উদ্দেশ্যৰ ভিত্তিত প্ৰাসংগিক বিভিন্ন লক্ষণ যেনে— আগ্ৰহ, মনোভাৱ, যোগ্যতা, বুদ্ধি বা অন্যান্য গুণৰ ভিত্তিত ব্যক্তিসকলক শ্ৰেণীবিভাজন কৰিবলৈ তথ্য যোগান ধৰে।

(ii) **নিৰ্বাচনঃ—** মনোবৈজ্ঞানিক অভীক্ষাই এটা পাঠ্যক্ৰম বা বৃত্তিৰ বাবে প্ৰয়োজনীয় জ্ঞান বা দক্ষতাৰ ভিত্তিত নামভৰ্ত্তি, নিয়োগ বা অনান্য কাৰ্য্যকলাপৰ বাবে ব্যক্তিসকলক নিৰ্বাচন কৰাত সহায় কৰে।

৬ নং প্ৰশ্নৰ উত্তৰঃ এটা ভাল অভীক্ষা হ'ল বৈধ, নিৰ্ভৰযোগ্য, বস্তুনিষ্ঠ, ব্যৱহাৰিক আৰু অভীক্ষার্থীৰ বাবে সুবিধাজনক। ভাল অভীক্ষাসমূহ একে ধৰণৰ পৰিস্থিতিত পৰিচালনা কৰা হয় আৰু বস্তুনিষ্ঠভাৱে মানাংক প্ৰদান কৰা হয় যাতে অভীক্ষা দিয়া ব্যক্তিসকলৰ প্ৰাপ্ত মানসমূহ সহজে তুলনাযোগ্য কৰিব পৰা যায়।

৭ নং প্ৰশ্নৰ উত্তৰঃ বৈধতা হৈছে এটা ভাল অভীক্ষা বা আন পৰিমাপৰ সঁজুলিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰিকৰী লক্ষণ। বৈধতাই এটা অভীক্ষাৰ সত্যতা সূচায়। সাধাৰণ অৰ্থত, এটা অভীক্ষাৰ বৈধতা হৈছে সেই অভীক্ষাই যিটো পৰিমাপ কৰিব বিচাৰে, তাক সঠিকভাৱে পৰিমাপ কৰাৰ ক্ষমতা।

৮ নং প্ৰশ্নৰ উত্তৰঃ এটা ভাল অভীক্ষাৰ যিকোনো দুটা ব্যৱহাৰিক লক্ষণ হ'ল—

(i) অভীক্ষাৰ উদ্দেশ্যৰ স্পষ্টতা।

(ii) সামগ্ৰীকতা বা ব্যাপক পৰিসৰ।

? ২.১৩ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. মনোবৈজ্ঞানিক অভীক্ষাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২. শিক্ষাত মনোবৈজ্ঞানিক অভীক্ষাৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখক।

প্রশ্ন ৩. অভীক্ষা, পৰীক্ষা আৰু মূল্যায়নৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৪. প্রতিমানীকৃত অভীক্ষা বুলিলে কি বুজে?

প্রশ্ন ৫. এটা অভীক্ষাৰ ব্যৱহাৰযোগ্যতা বুলিলে কি বুজে?

প্রশ্ন ৬. বস্তুনিষ্ঠতাৰ অর্থ কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. মনোবৈজ্ঞানিক অভীক্ষাৰ ইতিহাস বাখ্যা কৰক।

প্রশ্ন ২. মনোবৈজ্ঞানিক অভীক্ষাৰ প্রকৃতি বাখ্যা কৰক।

প্রশ্ন ৩. মনোবৈজ্ঞানিক অভীক্ষাৰ শ্রেণীবিভাজন কৰক।

প্রশ্ন ৪. মনোবৈজ্ঞানিক অভীক্ষাৰ কার্য্যাৱলী আলোচনা কৰক।

প্রশ্ন ৫. মনোবৈজ্ঞানিক অভীক্ষাৰ বিভিন্ন ব্যৱহাৰসমূহ লিখক।

প্রশ্ন ৬. এটা ভাল অভীক্ষাৰ ব্যৱহাৰিক লক্ষনসমূহ আলোচনা কৰক।

প্রশ্ন ৭. বৈধতাৰ সংজ্ঞা দিয়ক। বৈধতাৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ৮. এটা অভীক্ষাৰ নির্ভৰযোগ্যতা নির্ণয় কৰা বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰক।

প্রশ্ন ৯. মানদণ্ড কি? বিভিন্ন প্রকাৰৰ মানদণ্ডৰ বিষয়ে লিখক।

*****

অধ্যায় ৩ : শিক্ষাত মূল্যায়ন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মূল্যায়নৰ অর্থ আৰু সংজ্ঞা

৩.৩.১ মাপ, মূল্যাংকন আৰু মূল্যায়ন

৩.৪ শিক্ষামূলক মূল্যায়নৰ স্বভাৱ

৩.৫ মাপ আৰু মূল্যায়নৰ মাজৰ সম্পর্ক

৩.৬ মূল্যায়নৰ নীতিসমূহ

৩.৭ মূল্যায়নৰ ধাপসমূহ

৩.৮ শিক্ষাত মূল্যায়নৰ গুৰুত্ব

৩.৯ মূল্যায়নৰ সঁজুলি আৰু প্রযুক্তিসমূহ

৩.১০ মূল্যায়নৰ প্রকাৰসমূহ

৩.১১ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৩.১২ অধিক জানিবলৈ

৩.১৩ অগ্রগতিৰ খতিয়ান

৩.১৪ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- মূল্যায়নৰ অর্থ আৰু প্রকাৰসমূহ বুজিবলৈ সক্ষম হ'ব
- মাপ আৰু মূল্যায়নৰ মাজৰ পার্থক্য জানিবলৈ সক্ষম হ'ব
- শিক্ষামূলক মূল্যায়নৰ স্বভাৱ আৰু নীতিসমূহ বুজিবলৈ সক্ষম হ'ব
- মূল্যায়নৰ ধাপ আৰু সঁজুলিসমূহ বর্ণনা কৰিবলৈ সক্ষম হ'ব
- শিক্ষাত মূল্যায়নৰ গুৰুত্ব ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব

৩.২ পৰিচয়

মূল্যায়নে জীৱনৰ সকলো ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই মানুহক কি ভাল আৰু কি বেয়া সেইটো মূল্যাংকন আৰু নিৰ্ণয় কৰাত সহায় কৰে। সেয়ে, মূল্যায়ন শিক্ষা প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য আৰু অত্যাৱশ্যক অংশ হিচাপে গণ্য কৰা হয়। দেখা যায় যে শিক্ষা এটা প্ৰক্ৰিয়া হিচাপে সম্পূৰ্ণ বুলিয়েই ধৰা হয় তেতিয়াহে, যেতিয়া ইয়াৰ সৈতে মূল্যায়ন সংলগ্ন থাকে।

মূল্যায়ন হৈছে শিক্ষণৰ ফলস্বৰূপে শিক্ষাৰ্থীৰ আচৰণত হোৱা পৰিবৰ্তনৰ এক মূল্যাংকন। এইধৰণৰ তথ্য শিক্ষাত অতি গুৰুত্বপূৰ্ণ, কাৰণ যথেষ্ট তথ্য নাথাকিলে শিক্ষাৰ্থী আৰু শিক্ষক দুয়োয়ে লক্ষ্যৰ দিশে অগ্ৰগতি লাভ কৰিব নোৱাৰে। ই শিক্ষাৰ্থীৰ লক্ষ্য আৰু উদ্দেশ্যৰ দিশে অগ্ৰগতি মূল্যাংকন কৰাৰ এক ধাৰাবাহিক আৰু সামগ্ৰিক প্ৰক্ৰিয়া।

আগতে শিক্ষাবছৰৰ শেষত পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰথা অকাৰ্যকৰী আৰু ত্ৰুটিপূৰ্ণ বুলি প্ৰমাণিত হৈছে। বহুলভাৱে উপলব্ধি আৰু স্বীকৃতি দিয়া হৈছে যে শিক্ষাৰ্থীৰ মূল্যাংকন শিক্ষণ প্ৰক্ৰিয়াৰ সৈতে অবিৰতভাৱে চলি থাকিব লাগে, যি নিজেই এক ধাৰাবাহিক প্ৰক্ৰিয়া।

ইয়াৰ উপৰিও, শিক্ষা যেতিয়া সৰ্বাঙ্গীন বিকাশৰ প্ৰক্ৰিয়া হিচাপে ধৰা হয়, তেতিয়া এই বিকাশৰ মূল্যাংকনত জ্ঞানমূলক (cognitive), ভাৱগত (affective), আৰু ক্ৰিয়ামূলক (psychomotor) দিশসমূহো অন্তৰ্ভুক্ত কৰিব লাগে।

আধুনিক মূল্যায়নৰ ধাৰণা আৰু পদ্ধতিসমূহ শিক্ষাত ত্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থাক সংস্কাৰ কৰাৰ বৰ্তমান ধাৰাৰ এটা অংশ। মূল্যায়নে তথ্য সংগ্ৰহ কৰা, সেই তথ্যৰ ব্যাখ্যা কৰা আৰু শিক্ষাৰ্থীৰ আচৰণ উন্নত কৰিবলৈ কি কৰা উচিত সেই বিষয়ে সিদ্ধান্ত লোৱাটো অন্তৰ্ভুক্ত কৰে।

এই অধ্যায়ত, আপুনি শিক্ষাত মূল্যায়নৰ ধাৰণা, গুৰুত্ব, নীতি আৰু প্ৰকাৰসমূহৰ বিষয়ে এক স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।

৩.৩ মূল্যায়নৰ অৰ্থ আৰু সংজ্ঞা

মূল্যায়ন হৈছে সিদ্ধান্ত গ্ৰহণৰ বাবে তথ্য যোগান ধৰা এক প্ৰক্ৰিয়া। সিদ্ধান্ত গ্ৰহণ বা বহু বিকল্পৰ মাজৰ পৰা এটা বাছনি কৰাৰ কাৰ্য্য মূল্য নিৰ্ধাৰণ কৰা বা বিকল্পসমূহক মূল্য প্ৰদান কৰাৰ ওপৰত নিৰ্ভৰ কৰে। এনে মূল্য নিৰ্ধাৰণৰ কাৰ্য্য আকৌ কিছুমান মাপ, নিয়ম, লক্ষ্য বা আন কিছুমান মানদণ্ডৰ ওপৰত ভিত্তি কৰি কৰা হয়। সেয়ে মূল্যায়নৰ কাৰ্য্যত তথ্য সংগ্ৰহ, সংগঠিত কৰা, বিশ্লেষণ কৰা আৰু প্ৰক্ৰিয়াকৰণ কৰাৰ দৰে কামসমূহ অন্তৰ্ভুক্ত থাকে, যাতে সিদ্ধান্ত গ্ৰহণৰ বাবে মূল্য নিৰ্ধাৰণ কৰিব পৰা যায়।

শিক্ষাত মূল্যায়নৰ ধাৰণা তুলনামূলকভাৱে নতুন। শিক্ষাত মূল্যায়ন হৈছে লক্ষ্যসমূহৰ সৈতে সম্পৰ্ক ৰাখি শিক্ষণ প্ৰক্ৰিয়া আৰু ইয়াৰ ফলাফলৰ মূল্য বা গুৰুত্বৰ বিষয়ে সিদ্ধান্ত লোৱাৰ এক প্ৰক্ৰিয়া। ইয়াত লক্ষ্য আৰু উদ্দেশ্য; পাঠ্যসূচী, পদ্ধতি আৰু কৰ্মচাৰীসমূহৰ দৰে শিক্ষামূলক

পৰিকল্পনাসমূহৰ বিষয়ে সিদ্ধান্ত লোৱা অন্তর্ভুক্ত থাকে; লগতে বিভিন্ন কার্যসূচী বন্ধ কৰা, অব্যাহত ৰখা বা পৰিবর্তন কৰাৰ বিষয়েও সিদ্ধান্ত লোৱা হয়।

মূল্যায়ন হৈছে শিক্ষার্থীৰ আচৰণত হোৱা পৰিবর্তনৰ পৰিমাণ নির্ধাৰণৰ ক্ষেত্রতো এক সমালোচনামূলক সিদ্ধান্ত লোৱাৰ প্রক্রিয়া, যাক নির্ধাৰিত লক্ষ্যৰ পোহৰত বিচাৰ কৰা হয়। কিন্তু ই কেৱল এটা বিষয় বা বিষয়সমূহত জ্ঞানৰ মূল্যাংকন বা মাপ নহয়। ই শিক্ষার্থীৰ প্রেৰণা, যোগ্যতা, মনোভাৱ, আগ্রহ, মূল্যবোধ, দক্ষতা, আদর্শ, লক্ষ্য আৰু ব্যক্তিত্বৰ আন বৈশিষ্ট্যসমূহৰ এক বিস্তৃত মূল্যাংকন। সেয়ে ক'ব পাৰি যে মূল্যায়ন হৈছে ব্যক্তিৰ সম্পূর্ণ ব্যক্তিত্বৰ শাৰীৰিক, মানসিক, বৈশিষ্ট্যমূলক, স্বভাৱগত, আচৰণগত বা গতিশীল পৰিবর্তনসমূহৰ মূল্যাংকন।


National Council of Educational Research and Training-এ ১৯৬৩ চনত প্রকাশ কৰা "The concept of evaluation in education" নামৰ পুস্তিকাত মূল্যায়নক তিনিটা গুৰুত্বপূর্ণ দিশ নির্ধাৰণ কৰাৰ প্রক্রিয়া হিচাপে বর্ণনা কৰিছে—

i) কিমান পর্যন্ত এটা উদ্দেশ্য লাভ কৰা হৈছে,

ii) পাঠশালাত প্রদান কৰা শিক্ষণ অভিজ্ঞতাসমূহ কিমান ফলপ্রসূ হৈছে, আৰু

iii) শিক্ষাৰ লক্ষ্যসমূহ কিমান সফলভাৱে পূৰণ কৰা হৈছে।

এইদৰে মূল্যায়নৰ প্রক্রিয়াত তিনিটা গুৰুত্বপূর্ণ উপাদান ওচৰা-ওচৰিকৈ জড়িত থাকে; সেইসমূহ হ'ল— শিক্ষা লক্ষ্য আৰু উদ্দেশ্যসমূহ, সেই লক্ষ্য আৰু উদ্দেশ্যসমূহ লাভ কৰিবলৈ প্রদান কৰা শিক্ষণ অভিজ্ঞতা, আৰু সেই শিক্ষণ অভিজ্ঞতাৰ ফলত শিক্ষার্থীৰ আচৰণত হোৱা পৰিবর্তন। মূল্যায়ন হৈছে এই তিনিটা উপাদানৰ মাজৰ আন্তঃসম্পর্ক বিশ্লেষণ কৰাৰ এক প্রক্রিয়া, যাক তলত দিয়া দৰে চিত্রৰ মাধ্যমে প্রদর্শন কৰিব পাৰি।



চিত্র ৩.১: মূল্যায়নৰ প্রক্রিয়া

ওপৰৰ চিত্রখনে স্পষ্টকৈ দেখুৱাই যে মূল্যায়ন সদায় লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে সম্পর্ক ৰাখি সম্পন্ন কৰা হয়। সেইবাবে, শিক্ষামূলক মূল্যায়ন বা শিক্ষার্থীৰ অগ্রগতিৰ বিষয়ে সিদ্ধান্ত লোৱাৰ প্রক্রিয়াই শিক্ষাৰ পূর্বনির্ধাৰিত লক্ষ্যসমূহৰ সৈতে সম্পর্ক ৰাখিব লাগিব। এই সত্যটো উজ্জ্বল কৰি Ralph W. Tyler-এ মূল্যায়নক এইদৰে সংজ্ঞা দিছিল— "the process of determining to what extent

educational objectives are actually being realized by the programme of curriculum and instruction."

মূল্যায়নৰ ধাৰণাটো অধিক স্পষ্ট কৰিবলৈ, তলত কিছুমান গুৰুত্বপূৰ্ণ সংজ্ঞা দিয়া হৈছে—

Bradfield আৰু **Murdock**-ৰ মতে, "Evaluation is the assignment of symbols to phenomenon in order to characterize the worth or value of a phenomenon usually with reference to some social, cultural or scientific standard."

"মূল্যায়ন হৈছে কোনো ঘটনাৰ ওপৰত প্ৰতীক আৰোপ কৰা, যাতে সেই ঘটনাৰ মূল্য বা গুৰুত্ব নিৰ্ধাৰণ কৰিব পৰা যায়, সাধাৰণতে কিছুমান সামাজিক, সাংস্কৃতিক বা বৈজ্ঞানিক মানদণ্ডৰ সৈতে সম্পৰ্ক ৰাখি।"

Lee Cronbach-এ মূল্যায়নক এইদৰে সংজ্ঞা দিছে— "the collection and use of information to make decisions about an educational program.""শিক্ষামূলক কাৰ্যসূচীৰ বিষয়ে সিদ্ধান্ত ল'বলৈ তথ্য সংগ্ৰহ আৰু তাৰ ব্যৱহাৰ কৰা।"

James M. Lee-ৰ মতে, "Evaluation is the appraisal of pupil's progress in attaining the educational goals set by the school, the class and himself. The chief purpose of evaluation is to guide and further the students learning."

Michael Quinn Patton-এ মূল্যায়নক এইদৰে ব্যাখ্যা কৰিছে— "systematic collection of information about the activities, characteristics, and results of programs to make judgments about the program, improve or further develop program effectiveness, inform decisions about future programming, and/or increase understanding."

"মূল্যায়ন হৈছে বিদ্যালয়, শ্ৰেণী আৰু নিজে নিৰ্ধাৰণ কৰা শিক্ষাগত লক্ষ্যসমূহ লাভ কৰাৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ অগ্ৰগতিৰ মূল্যাংকন। মূল্যায়নৰ মুখ্য উদ্দেশ্য হৈছে শিক্ষাৰ্থীৰ শিক্ষণক পথপ্ৰদৰ্শন কৰা আৰু অধিক আগবঢ়োৱা।"

Thorpe (১৯৮০)-এ শিক্ষামূলক মূল্যায়নক এইদৰে বৰ্ণনা কৰিছে— "Evaluation is the collection, analysis and interpretation of information about any aspect of a programme of education, as a part of a recognized process of judging its effectiveness, its efficiency and any other outcomes it may have."

"মূল্যায়ন হৈছে শিক্ষাৰ কোনো কাৰ্যসূচীৰ যিকোনো দিশ সম্পৰ্কে তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু ব্যাখ্যা কৰাৰ এক প্ৰক্ৰিয়া, যি ইয়াৰ কাৰ্যকাৰিতা, দক্ষতা আৰু ইয়াৰ আন সম্ভাব্য ফলাফলসমূহৰ বিচাৰৰ এটা স্বীকৃত প্ৰক্ৰিয়াৰ অংশ।"

Benjamin Bloom-ৰ মতে, "Evaluation is concerned with securing evidence on the attainment of specific objectives of instruction."

"মূল্যায়ন নির্দিষ্ট শিক্ষণ উদ্দেশ্যসমূহ লাভ কৰাৰ বিষয়ে প্ৰমাণ সংগ্ৰহ কৰাৰ সৈতে সম্পৰ্কিত।"

উপৰোক্ত সংজ্ঞাসমূহে প্ৰকাশ কৰে যে মূল্যায়ন এটা অত্যন্ত বিস্তৃত প্ৰক্ৰিয়া। ই শিক্ষামূলক কাৰ্যসূচী গঠন কৰাত সহায় কৰে, ইয়াৰ কাৰ্যকাৰিতা মূল্যাংকন কৰে, আৰু ইয়াক উন্নত কৰিবলৈ সহায় কৰে। মূল্যায়ন পৰম্পৰাগত পৰীক্ষাতকৈ বহুত বেছি বিস্তৃত ধাৰণা, য'ত জ্ঞানমূলক (cognitive), ভাবগত (affective), আৰু ক্ৰিয়ামূলক (psychomotor) আচৰণ বা শিক্ষণ ফলাফলৰ পৰিবৰ্তনসমূহ ধৰা হয়।

এইখিনিত মন কৰিবলগীয়া যে শিক্ষামূলক মূল্যায়নৰ প্ৰসংগত দুটা ভিন্ন পৰিস্থিতি আছে—

i) শিক্ষামূলক কাৰ্যসূচীৰ ভিতৰত মূল্যায়ন (Evaluation In an Educational Program - EIEP), আৰু

ii) শিক্ষামূলক কাৰ্যসূচীৰ ওপৰত মূল্যায়ন (Evaluation Of an Educational Program - EOEP)।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন১. মূল্যায়নৰ সংজ্ঞা দিয়ক।

৩.৩.১. পৰিমাপ, মূল্যাংকন আৰু মূল্যায়ন

মূল্যায়নক পৰিমাপ (Measurement) আৰু মূল্যাংকন (Assessment)ৰ দৰে একে ধৰণৰ ধাৰণাসমূহৰ পৰা পৃথক কৰা অতি গুৰুত্বপূৰ্ণ। যদিও কেতিয়াবা এই শব্দসমূহ পৰস্পৰৰ পৰিবৰ্তে ব্যৱহাৰ কৰা হয়, তথাপিও ইহঁতে পৃথক অৰ্থ প্ৰকাশ কৰে।

পৰিমাপ (Measurement): মাপ হৈছে কোনো ঘটনা বা বস্তু বা মানদণ্ডক পৰিমাণগত অৰ্থ প্ৰদান কৰাৰ কাৰ্য্য; যেনে টেবুলৰ দৈর্ঘ্য, কোনো বিষয়ত লাভ কৰা নম্বৰ আদি। ই বস্তু বা ঘটনাসমূহক সংখ্যা প্ৰদান কৰি পৰিমাণগত অৰ্থ দিয়া এক প্ৰক্ৰিয়া। শিক্ষাৰ ক্ষেত্ৰত, পৰিমাণগত মাপসমূহে এজন শিশুৰ প্ৰদৰ্শন নিৰ্ধাৰণ কৰাত সহায় কৰে; যেনে এজন শিক্ষাৰ্থীয়ে বিজ্ঞান বিষয়ত ৪০ নম্বৰ লাভ কৰিছে। এই মাপটোৱে ইয়াতকৈ অধিক ব্যাখ্যা দিব নোৱাৰে বা তেওঁ উত্তীৰ্ণ নে অনুত্তীৰ্ণ হৈছে সেইটো ক'ব নোৱাৰি। মাপৰ কাম কেৱল পৰিমাণগত স্ক'ৰ বা সংখ্যা প্ৰদান কৰালৈকে সীমাবদ্ধ থাকে আৰু ই স্ক'ৰ বা প্ৰদৰ্শনৰ ওপৰত কোনো মূল্য নিৰ্ধাৰণ নকৰে।

মূল্যাংকন (Assessment): মূল্যাংকন হৈছে এটা তথ্য-সংগ্রহমূলক প্রক্রিয়া, যাৰ লক্ষ্য হৈছে কোনো নির্দিষ্ট সময়ত বিদ্যমান অৱস্থাসমূহ বর্ণনা কৰা। মূল্যাংকনে তথ্য সংগ্রহ কৰিবলৈ মাপ ব্যৱহাৰ কৰে। একে সময়তে, ই মাপৰ তথ্যসমূহক ব্যাখ্যা কৰিব পৰা ৰূপত সংগঠিত কৰে। শিক্ষাৰ ক্ষেত্রত, মূল্যাংকনে কোনো এটা নির্দিষ্ট সময়ত শিক্ষার্থীয়ে শিক্ষাগত লক্ষ্যৰ দিশে কৰা অগ্রগতি বর্ণনা কৰে। কিন্তু, মূল্যাংকনে এই অগ্রগতিৰ ব্যাখ্যা বা ইয়াৰ অন্তর্নিহিত কাৰণসমূহ প্রদান নকৰে। ই আগলৈ কেনেধৰণৰ ব্যৱস্থা ল'ব লাগে বা কেনেকৈ উন্নতি কৰিব লাগে তাৰ পৰামর্শও নিদিয়ে। শিক্ষাৰ ক্ষেত্রত, মূল্যাংকন হৈছে শিক্ষণ উদ্দেশ্যসমূহৰ সৈতে সম্পর্ক ৰাখি শিক্ষার্থীৰ শিক্ষণৰ স্বভাৱ আৰু পৰিসৰ বর্ণনা কৰাৰ প্রক্রিয়া।

মূল্যায়ন (Evaluation): মূল্যায়ন মানে মূল্যাংকনত মূল্য নির্ধাৰণ সংযোজন কৰা। ই পূর্বনির্ধাৰিত আৰু গ্রহণযোগ্য লক্ষ্য বা মূল্যসমূহৰ সৈতে সম্পর্ক ৰাখি কোনো উৎপাদন, প্রক্রিয়া বা অগ্রগতিৰ কার্যকাৰিতা, উপযোগিতা বা কাম্যতাৰ ওপৰত সিদ্ধান্ত লয়। মূল্যায়নত প্রক্রিয়া বা উৎপাদনৰ অধিক উন্নতিৰ বাবে পৰামর্শসমূহো অন্তর্ভুক্ত থাকে। সেয়ে, মূল্যায়ন হৈছে এটা গুণগত মাপ। ই মূল্যায়িত কৰা প্রক্রিয়া বা কার্যসূচীৰ কার্যকাৰিতা, উপযোগিতা বা উত্তমতা নির্ণয় কৰি অর্থপূর্ণ সিদ্ধান্ত ল'বলৈ সহায় কৰে।

জানি থোৱা ভাল

মূল্যাংকন হৈছে এটা তথ্য-সংগ্রহমূলক প্রক্রিয়া, যাৰ লক্ষ্য হৈছে কোনো নির্দিষ্ট সময়ত বিদ্যমান অৱস্থাসমূহ বর্ণনা কৰা। মূল্যাংকনে তথ্য সংগ্রহ কৰিবলৈ মাপ ব্যৱহাৰ কৰে। আকৌ, মূল্যায়ন মানে মূল্যাংকনত মূল্য নির্ধাৰণ সংযোজন কৰা।

৩.৪ শিক্ষামূলক মূল্যায়নৰ স্বভাৱ

মূল্যায়ন হৈছে কিছুমান মানদণ্ড আৰু উদ্দেশ্য অনুসৰি কোনো ঘটনা বা বস্তুৰ যথেষ্টতা, কার্যকাৰিতা, মূল্য বা গুৰুত্বৰ বিষয়ে সিদ্ধান্ত লোৱাৰ এক পদ্ধতিগত প্রক্রিয়া। এনে সিদ্ধান্ত প্রাসংগিক তথ্য সংগ্রহ কৰি সেইসমূহক মানদণ্ডৰ সৈতে তুলনা কৰাৰ ওপৰত আৰু/অথবা উদ্দেশ্য পূৰণ কৰাৰ ক্ষেত্রত ইয়াৰ কার্যকাৰিতাৰ ওপৰত ভিত্তি কৰি কৰা হয়। যথাযথ বা সফল মূল্যায়নৰ বৈশিষ্ট্যসমূহ হৈছে— কি মূল্যায়ন কৰা হ'ব তাৰ স্পষ্ট আৰু নির্দিষ্ট সংজ্ঞা, মূল্যায়নৰ লক্ষ্যসমূহ, মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা নির্দিষ্ট মানদণ্ড বা মানসমূহ, শুদ্ধ পর্যবেক্ষণ আৰু মাপ, আৰু যুক্তিসংগত আৰু বৈধ সিদ্ধান্ত। তলত দিয়া বৈশিষ্ট্যসমূহে মূল্যায়নৰ স্বভাৱ প্রকাশ কৰে—

- মূল্যায়নৰ ধাৰণাটো, যি শিক্ষাৰ ক্ষেত্ৰত তুলনামূলকভাৱে নতুন, পৰীক্ষা বা মাপতকৈ অধিক বৈজ্ঞানিক আৰু বিস্তৃত।
- মূল্যায়ন হৈছে কোনো ঘটনাৰ পৰিমাণগত আৰু গুণগত দুয়ো ধৰণৰ মাপ। ই মূল্যাংকন বা মাপত মূল্য নির্ধাৰণ সংযোজন কৰাৰ কার্য্য।
- যদিও মূল্যায়ন মাপৰ ওপৰত নির্ভৰ কৰে, তথাপিও মূল্যায়ন আৰু মাপ একে নহয়; মাপ কেৱল মূল্যায়নৰ এটা অংশ। মাপে পৰিমাণগত স্ক'ৰ প্ৰদান কৰে আৰু মূল্যায়নে সেই স্ক'ৰৰ ওপৰত মূল্য নির্ধাৰণ কৰে।
- মূল্যায়ন হৈছে কোনো বস্তুৰ মূল্য বা গুৰুত্বৰ বিষয়ে সিদ্ধান্ত লোৱাৰ প্ৰক্ৰিয়া, আৰু সেয়ে ই বিষয়ভিত্তিক (subjective)।
- মূল্যায়ন কিছুমান সামাজিক, সাংস্কৃতিক বা বৈজ্ঞানিক মানদণ্ড আৰু/অথবা লক্ষ্যৰ ওপৰত ভিত্তি কৰি কৰা হয়।
- শিক্ষামূলক মূল্যায়ন শিক্ষা লক্ষ্য আৰু উদ্দেশ্যসমূহৰ সৈতে ঘনিষ্ঠভাৱে জড়িত; অর্থাৎ শিক্ষামূলক মূল্যায়ন শিক্ষাগত উদ্দেশ্যসমূহৰ ওপৰত ভিত্তি কৰি কৰা হয়।
- মূল্যায়ন এটা ধাৰাবাহিক আৰু পদ্ধতিগত প্ৰক্ৰিয়া, যিয়ে শিক্ষার্থীৰ আচৰণৰ তিনিটা ক্ষেত্ৰ— জ্ঞানমূলক (cognitive), ভাবগত (affective), আৰু প্ৰেৰণামূলক বা ক্ৰিয়ামূলক (conative বা psychomotor)—সমূহক বিবেচনা কৰে।
- মূল্যায়ন কেৱল কিছুমান বিষয়ত জ্ঞান মূল্যাংকন কৰাৰ প্ৰক্ৰিয়া নহয়; বৰঞ্চ ই শিক্ষার্থীৰ প্ৰেৰণা, যোগ্যতা, মনোভাৱ, আগ্ৰহ, মূল্যবোধ, দক্ষতা, আদর্শ, লক্ষ্য আৰু ব্যক্তিত্বৰ আন মনো-শাৰীৰিক বৈশিষ্ট্যসমূহৰ এক বিস্তৃত মূল্যাংকন। প্ৰকৃততে, মূল্যায়ন হৈছে ব্যক্তিৰ সম্পূর্ণ ব্যক্তিত্বৰ শাৰীৰিক, মানসিক, বৈশিষ্ট্যমূলক, স্বভাৱগত, আচৰণগত বা গতিশীল পৰিবর্তনসমূহৰ মূল্যাংকন।
- মূল্যায়ন এটা ধাৰাবাহিক প্ৰক্ৰিয়া, যি পৰীক্ষা বা পৰীক্ষাসমূহৰ দৰে নহয় যিবোৰ নির্দিষ্ট সময়ত বা শিক্ষাবর্ষৰ শেষত অনুষ্ঠিত হয়। যিহেতু মূল্যায়ন ধাৰাবাহিক, সেয়ে কোনো মূল্য বা মাপ চূড়ান্ত বা সম্পূর্ণ বুলি ধৰা উচিত নহয়।
- শিক্ষামূলক মূল্যায়নৰ প্ৰক্ৰিয়াত তিনিটা গুৰুত্বপূর্ণ উপাদান ঘনিষ্ঠভাৱে জড়িত থাকে; সেইসমূহ হ'ল— শিক্ষা লক্ষ্য আৰু উদ্দেশ্যসমূহ, সেই লক্ষ্যসমূহ লাভ কৰিবলৈ প্ৰদান কৰা শিক্ষণ অভিজ্ঞতাসমূহ, আৰু সেই শিক্ষণ অভিজ্ঞতাৰ ফলত শিক্ষার্থীৰ আচৰণত হোৱা পৰিবর্তন।
- মূল্যায়নৰ মৌলিক স্বভাৱ দার্শনিক আৰু মানদণ্ডমূলক (normative)।

৩.৫ মাপ আৰু মূল্যায়নৰ মাজৰ সম্পৰ্ক

মাপ (Measurement) আৰু মূল্যায়ন (Evaluation)ৰ ধাৰণাসমূহ বহু সময়ত একে বুলি ভাবি বিভ্ৰান্তি হয় আৰু সেয়ে এই শব্দসমূহ পৰস্পৰৰ পৰিবৰ্তে ব্যৱহাৰ কৰা হয়। যদিও মাপ আৰু মূল্যায়ন কিছু পৰিমাণে একে ধৰণৰ, তথাপিও ইহঁতৰ অৰ্থ ভিন্ন। মূল্যায়নৰ ধাৰণা মাপতকৈ অধিক বিস্তৃত আৰু অধিক বৈজ্ঞানিক। মাপ হৈছে মূল্যায়নৰ এটা অংশ মাত্ৰ। কিন্তু মূল্যায়ন মাপৰ ওপৰত ভিত্তি কৰি কৰা হয়।

মাপ হৈছে কোনো বস্তু, বিষয় বা আন কোনো বৈশিষ্ট্যৰ সংখ্যাগত স্ক'ৰ; কিন্তু মূল্যায়ন হৈছে সেই স্ক'ৰ বা মাপত বিষয়ভিত্তিক সিদ্ধান্ত বা মূল্য সংযোজন কৰাৰ কাৰ্য্য। উদাহৰণস্বৰূপে, কাপোৰ এটাৰ দৈর্ঘ্য আৰু প্ৰস্থ নিৰ্ধাৰণ কৰা এটা মাপৰ কাৰ্য্য; কিন্তু নিৰ্দিষ্ট আকাৰৰ কাপোৰ এখন চিলা কৰিবলৈ সেই কাপোৰটো কিমান উপযোগী বা যথেষ্ট সেইটো নিৰ্ণয় কৰা হৈছে মূল্যায়ন। একেদৰে, গণিতৰ পৰীক্ষাত এজন শিক্ষার্থীয়ে ৪৫ নম্বৰ লাভ কৰিলে, এইটো তেওঁৰ গণিত জ্ঞানৰ মাপ। এতিয়া যদি সেই স্ক'ৰটো আন শিক্ষার্থীসকলৰ সৈতে তুলনা কৰি তাক ৰেংক বা গ্ৰেড দিয়া হয়, তেন্তে সেইটো মূল্যায়ন।

Bradfield আৰু Murdock-এ দিয়া মাপ আৰু মূল্যায়নৰ সংজ্ঞাসমূহে এই দুয়োৰ মাজৰ পাৰ্থক্য স্পষ্ট কৰিবলৈ সহায় কৰে। তেওঁলোকৰ মতে— "মাপ হৈছে কোনো ঘটনাৰ অৱস্থা যতটা সম্ভৱ সঠিকভাৱে বৰ্ণনা কৰিবলৈ মাত্ৰাসমূহত প্ৰতীক প্ৰদান কৰাৰ প্ৰক্ৰিয়া," আৰু "মূল্যায়ন হৈছে কোনো ঘটনাৰ মূল্য বা গুৰুত্ব বৰ্ণনা কৰিবলৈ সেই ঘটনাত প্ৰতীক প্ৰদান কৰা, সাধাৰণতে কিছুমান সামাজিক, সাংস্কৃতিক বা বৈজ্ঞানিক মানদণ্ডৰ সৈতে সম্পৰ্ক ৰাখি।"

একেদৰে, মন্ত্ৰ'ৰে মাপ আৰু মূল্যায়নৰ মাজৰ আন এটা পাৰ্থক্যৰ দিশ উজ্জ্বল কৰি লিখিছিল— "মাপত গুৰুত্ব দিয়া হয় বিষয়বস্তুৰ এটা নিৰ্দিষ্ট দিশত, বিশেষ দক্ষতা আৰু সামৰ্থ্যৰ লাভত; আনহাতে মূল্যায়নত গুৰুত্ব দিয়া হয় বিস্তৃত ব্যক্তিত্বগত পৰিবৰ্তন আৰু শিক্ষামূলক কাৰ্যসূচীৰ মুখ্য লক্ষ্যসমূহত।"

মাপ আৰু মূল্যায়নৰ বৈশিষ্ট্যসমূহৰ তুলনামূলক বিশ্লেষণে ইহঁতৰ মাজৰ পাৰ্থক্য বুজিবলৈ সহায় কৰে—

তালিকা ৩.১: মাপ আৰু মূল্যায়নৰ মাজৰ পাৰ্থক্য

মাপ (Measurement)	**মূল্যায়ন (Evaluation)**
মাপ হৈছে বস্তুসমূহক সংখ্যাগত মূল্য প্ৰদান কৰা আৰু সিহঁতক শৃংখলাবদ্ধ কৰাৰ কাৰ্য্য।	মূল্যায়ন হৈছে মাপৰ দ্বাৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি বস্তুসমূহৰ বিষয়ে বিষয়ভিত্তিক মূল্য নিৰ্ধাৰণ কৰাৰ কাৰ্য্য।

মাপ হৈছে বস্তুগত, নিশ্চিত আৰু নিৰপেক্ষ।	মূল্যায়ন হৈছে বিষয়ভিত্তিক, আপেক্ষিকভাৱে অনিশ্চিত আৰু ব্যক্তিগতভাৱে অর্থপূর্ণ।
মাপ হৈছে বস্তু বা তাৰ বৈশিষ্ট্যসমূহৰ পৰিমাণ নির্ধাৰণ।	মূল্যায়ন হৈছে সেই পৰিমাণৰ গুণগত মূল্য নির্ধাৰণ।
মাপে কোনো চলকৰ উপস্থিতি, অনুপস্থিতি বা তীব্রতা নির্ধাৰণ কৰে।	মূল্যায়নে চলকৰ উপস্থিতি বা অনুপস্থিতি নির্ধাৰণ কৰাৰ উপৰিও মানদণ্ডমূলক মূল্য আৰু ব্যাখ্যা প্রদান কৰে।
মাপ পৰিমাণগত আৰু সংখ্যাগত।	মূল্যায়ন গুণগত আৰু মানদণ্ডমূলক মূল্য।
মাপে মূল্যায়নৰ বাবে প্রয়োজনীয় তথ্য প্রদান কৰে।	মূল্যায়নে মাপৰ দ্বাৰা প্রদান কৰা তথ্য ব্যৱহাৰ কৰে।
মাপ এটা পৃথক প্রক্রিয়া আৰু ইয়াৰ পৰিসৰ সীমিত।	মূল্যায়ন এটা সমন্বিত প্রক্রিয়া আৰু শিক্ষাৰ এক অবিচ্ছেদ্য অংশ। ইয়াৰ পৰিসৰ বিস্তৃত।
মাপ তাৎক্ষণিক লক্ষ্যসমূহৰ সৈতে সম্পর্কিত, সেয়ে ই বর্তমানমুখী।	মূল্যায়ন শিক্ষাৰ দীর্ঘম্যাদী লক্ষ্যসমূহৰ সৈতে সম্পর্কিত; সেয়ে ই এটা ধাৰাবাহিক প্রক্রিয়া।
মাপ বৈজ্ঞানিক স্বভাৱৰ।	মূল্যায়ন দার্শনিক স্বভাৱৰ।

উপৰোক্ত বিশ্লেষণে আমাক মাপ আৰু মূল্যায়নৰ মাজৰ সাদৃশ্য, বৈসাদৃশ্য আৰু সম্পর্ক বুজিবলৈ সহায় কৰে। মাপ আৰু মূল্যায়ন দুটা ঘনিষ্ঠভাৱে সম্পর্কিত ধাৰণা, যিসমূহ পৰস্পৰ-সম্পর্কিত আৰু পৰস্পৰ-নির্ভৰশীল।

৩.৬ মূল্যায়নৰ নীতিসমূহ

মূল্যায়নৰ প্রক্রিয়াটো কিছুমান গুৰুত্বপূর্ণ নীতিৰ ওপৰত ভিত্তি কৰি হোৱা উচিত। সেইসমূহ হৈছে—

- মূল্যায়নৰ প্রথম আৰু প্রধান নীতি হৈছে মূল্যায়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ নির্ধাৰণ বা বিবেচনা কৰা। মূল্যায়ন আৰম্ভ কৰাৰ আগতে মূল্যায়নকাৰীয়ে লক্ষ্যসমূহ সম্পর্কে সম্পূর্ণ স্পষ্টতা থকা উচিত।
- মূল্যায়ন সম্পন্ন কৰিবলৈ ব্যৱহৃত সঁজুলিসমূহ মূল্যায়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ সৈতে সামঞ্জস্য ৰাখি বাছনি কৰিব লাগে। কাৰণ সকলো সঁজুলি সকলো লক্ষ্যৰ ক্ষেত্রত ফলপ্রসূ নহ'ব পাৰে।

- মূল্যায়নৰ বিভিন্ন পর্যায়ত বিভিন্ন সঁজুলি আৰু পদ্ধতি ব্যৱহাৰ কৰিব লাগে, কিয়নো কেৱল এটা সঁজুলিৰ দ্বাৰা কোনো ব্যক্তি বা বস্তুৰ সম্পূর্ণ মূল্যায়ন সম্ভৱ নহয়।
- মূল্যায়নকাৰীয়ে ব্যৱহৃত বিভিন্ন সঁজুলিৰ শক্তি আৰু দুর্বলতা সম্পর্কে ভালদৰে জানিব লাগে। এই ক্ষেত্ৰত সঁজুলিসমূহৰ বৈধতা (validity) আৰু বিশ্বাসযোগ্যতা (reliability) পৰীক্ষা কৰা অতি গুৰুত্বপূর্ণ।
- যিহেতু মূল্যায়ন এটা ধাৰাবাহিক প্রক্রিয়া, সেয়ে মূল্যায়নৰ কোনো এটা ফলাফলক চূড়ান্ত বা সম্পূর্ণ বুলি গণ্য কৰা উচিত নহয়।
- কেৱল মূল্যায়নৰ বাবে মূল্যায়ন কৰাৰ সলনি, ইয়াক উচ্চ লক্ষ্যসমূহ লাভ কৰাৰ উপায় হিচাপে গণ্য কৰা উচিত।
- মূল্যায়নৰ প্রক্রিয়াত জড়িত নৈতিক আৰু নৈতিকতাসংক্রান্ত বিষয়সমূহৰ বিষয়ে মূল্যায়নকাৰীয়ে সচেতন হোৱা উচিত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন২. **মূল্যায়নৰ দুটা নীতি উল্লেখ কৰা।**

৩.৭ মূল্যায়নৰ ধাপসমূহ

এটা পদ্ধতিগত মূল্যায়ন কার্যসূচীয়ে তলত দিয়া ধাপসমূহ অনুসৰণ কৰিব লাগে—

- **মূল্যায়নৰ লক্ষ্য নির্ধাৰণ কৰা:** কি মূল্যায়ন কৰা হ'ব সেইটো নির্ধাৰণ কৰাটো মূল্যায়নৰ প্রথম গুৰুত্বপূর্ণ ধাপ। মূল্যায়ন স্পষ্টভাৱে লক্ষ্যসমূহ প্রণয়ন আৰু উল্লেখ কৰাৰ পৰা আৰম্ভ হয়।
- **লক্ষ্যসমূহ আচৰণগত শব্দত সংজ্ঞায়িত কৰা:** শিক্ষামূলক মূল্যায়নৰ দ্বিতীয় গুৰুত্বপূর্ণ ধাপ হৈছে লক্ষ্যসমূহ আচৰণগত শব্দত সংজ্ঞায়িত কৰা। এইটো গুৰুত্বপূর্ণ, কাৰণ বিস্তৃত বা অস্পষ্টভাৱে কোৱা লক্ষ্যসমূহ মাপ আৰু মূল্যায়ন কৰিব পৰা নাযায়। উদাহৰণস্বৰূপে, যদি আমি "অধ্যয়ন দক্ষতা" মূল্যায়ন কৰিব বিচাৰো, তেন্তে শিক্ষার্থীয়ে কি কি শিকিব লাগে সেইবোৰ তালিকা কৰি সংজ্ঞায়িত কৰিব লাগিব। এনে আচৰণগত সংজ্ঞা নাথাকিলে মূল্যায়ন সফলভাৱে আগবাঢ়িব নোৱাৰে।
- **মূল্যায়নৰ বাবে মানদণ্ড বা মান নির্বাচন আৰু নির্ধাৰণ কৰা:** মূল্যায়ন সদায় পর্যবেক্ষণ বা তথ্যসমূহ পূর্বনির্ধাৰিত মানদণ্ড বা মানৰ সৈতে তুলনা কৰি কৰা হয়। সেয়ে এই পর্যায়ত এনে মানদণ্ড বা মান নির্বাচন আৰু স্থিৰ কৰা গুৰুত্বপূর্ণ।
- **তথ্য সংগ্রহৰ বাবে সঁজুলি আৰু প্রযুক্তি নির্বাচন আৰু বিকাশ কৰা:** প্রাসংগিক তথ্য সংগ্রহ কৰিবলৈ উপযুক্ত সঁজুলি আৰু প্রযুক্তি বাছনি কৰাটো মূল্যায়নৰ পৰৱর্তী গুৰুত্বপূর্ণ ধাপ। যদি

উপলব্ধ সঁজুলিসমূহ মূল্যায়নৰ উদ্দেশ্যৰ সৈতে মিল নাখায়, তেন্তে মূল্যায়নকাৰীয়ে নিজৰ সঁজুলি আৰু পদ্ধতি বিকাশ কৰিব লাগিব।

- **তথ্য সংগ্রহ আৰু লিপিবদ্ধ কৰা:** এই ধাপত নির্বাচিত সঁজুলিৰ জৰিয়তে তথ্য সংগ্রহ কৰা আৰু উপযুক্ত ৰূপত সিহঁতক লিপিবদ্ধ কৰা হয়।
- **তথ্যৰ বিশ্লেষণ আৰু ব্যাখ্যা কৰা:** তথ্য সংগ্রহ আৰু লিপিবদ্ধ কৰাৰ পিছত, সেইবোৰ বিভিন্ন পৰিসংখ্যা আৰু আন পদ্ধতি ব্যৱহাৰ কৰি বিশ্লেষণ কৰা হয়, যাতে তথ্যসমূহ ব্যাখ্যা কৰিব পৰা যায় আৰু বৈধ সিদ্ধান্তত উপনীত হ'ব পৰা যায়। সংগৃহীত তথ্যসমূহ তাৰ পিছত পূর্বে নির্ধাৰিত মানদণ্ড বা মানৰ সৈতে তুলনা কৰা হয়।
- **মূল্যায়ন আৰু সিদ্ধান্ত গ্রহণ:** মূল্যায়নৰ শেষ ধাপত মূল্যায়িত কৰা বস্তু বা প্রক্রিয়াৰ মূল্যৰ বিষয়ে সিদ্ধান্ত লোৱা হয় আৰু বিশ্লেষণ, ব্যাখ্যা আৰু মানদণ্ড, মান বা লক্ষ্যৰ সৈতে তুলনা কৰি ইয়াৰ যথেষ্টতা বা কার্যকাৰিতাৰ বিষয়ে সিদ্ধান্ত গ্রহণ কৰা হয়।

৩.৮শিক্ষাত মূল্যায়নৰ গুৰুত্ব

মূল্যায়ন শিক্ষা-শিক্ষণ প্রক্রিয়াৰ এক অবিচ্ছেদ্য অংশ। ই শিক্ষণ আৰু শিক্ষাৰ লক্ষ্য আৰু পাঠ্যসূচীৰ দৰে সমানেই গুৰুত্বপূর্ণ। মূল্যায়নে লক্ষ্য আৰু পাঠ্যসূচীৰ উপযোগিতা, লক্ষ্যসমূহ কিমান পর্যন্ত লাভ কৰা হৈছে, শিক্ষণ আৰু পদ্ধতিসমূহৰ কার্যকাৰিতা, আৰু শিক্ষা-শিক্ষণ প্রক্রিয়াৰ আন গুৰুত্বপূর্ণ উপাদানসমূহৰ বিষয়ে অতি গুৰুত্বপূর্ণ প্রতিফলন (feedback) প্রদান কৰে।

Kothari Commission-ৰ প্রতিবেদনত মূল্যায়নৰ গুৰুত্ব উপলব্ধি কৰি এইদৰে মন্তব্য কৰা হৈছিল—

"The new approach to evaluation will attempt to improve the written examination so that it becomes valid and reliable measure of educational achievement and to devise techniques for measuring those important aspects of the student's growth that cannot be measured by written examinations."

"মূল্যায়নৰ নতুন পদ্ধতিয়ে লিখিত পৰীক্ষাক উন্নত কৰিবলৈ চেষ্টা কৰিব যাতে ই শিক্ষাগত সাফল্যৰ এক বৈধ আৰু বিশ্বাসযোগ্য মাপ হয় আৰু শিক্ষার্থীৰ বিকাশৰ সেই গুৰুত্বপূর্ণ দিশসমূহ মাপিবলৈ প্রযুক্তি উদ্ভাৱন কৰিব, যিসমূহ লিখিত পৰীক্ষাৰে মাপিব নোৱাৰি।"

মূল্যায়নৰ গুৰুত্ব সম্পর্কে কিছুমান গুৰুত্বপূর্ণ দিশ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

- মূল্যায়নে শিক্ষাৰ সফলতা আৰু বিফলতাৰ মূল্যাংকন কৰে। ই শিক্ষা ব্যৱস্থাৰ উন্নতিত সহায় কৰে। মূল্যায়নে শিক্ষার্থীয়ে লক্ষ্যসমূহৰ দিশে কিমান অগ্রগতি কৰিছে আৰু পদ্ধতি আৰু শিক্ষণ অভিজ্ঞতাসমূহে লক্ষ্য লাভত কিমান সফল বা বিফল হৈছে সেইটো জানিবলৈ সহায় কৰে।
- মূল্যায়নে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ বিশ্লেষণ আৰু পুনৰালোচনা কৰে। মূল্যায়ন শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ স্পষ্ট কৰা আৰু সিহঁতৰ বর্ণনা কৰাৰ পৰা আৰম্ভ হয়।
- পৰম্পৰাগত পৰীক্ষা ব্যৱস্থা ত্রুটিপূর্ণ আৰু ই শিক্ষার্থীৰ সঠিক মূল্যায়ন কৰিব নোৱাৰে। মূল্যায়নে শিক্ষার্থীৰ ধাৰাবাহিক আৰু সামগ্রিক মূল্যাংকন কৰে, যি অধিক বৈজ্ঞানিক।
- শিক্ষার্থীসকলৰ মাজত থকা ব্যক্তিগত পার্থক্যসমূহ চিনাক্ত কৰাত মূল্যায়নৰ ভূমিকা অতি গুৰুত্বপূর্ণ। এনে পার্থক্যসমূহ চিনাক্ত কৰাটোৱে বিভিন্ন শ্রেণীৰ শিক্ষার্থীৰ বাবে লক্ষ্য, পাঠ্যসূচী আৰু পদ্ধতিসমূহ উপযুক্তভাৱে গঢ়ি তুলিবলৈ সহায় কৰে।
- মূল্যায়নে শিক্ষার্থীৰ উত্তৰণ (promotion), বিভিন্ন পাঠ্যক্রম আৰু পেছাত স্থান নির্ধাৰণ (placement), আৰু গ্রেডিঙত সহায় কৰে। ই শিক্ষাৰ লক্ষ্য লাভৰ বাবে শিক্ষণ অভিজ্ঞতা বা পাঠ্যসূচী সংশোধন কৰাত সহায় কৰে।
- মূল্যায়নে শিক্ষার্থীৰ আচৰণত আশা কৰা পৰিবর্তনসমূহৰ এক বিস্তৃত মূল্যাংকন কৰে আৰু শিক্ষার্থীৰ প্রয়োজন, সম্ভাৱনা, শক্তি আৰু দুর্বলতাৰ বিষয়ে মূল্যৱান তথ্য প্রদান কৰে। এনে তথ্য শিক্ষাদানক অধিক কার্যকাৰী আৰু উপযোগী কৰি তোলে।
- শিক্ষণ অভিজ্ঞতা বা পাঠ্যসূচী হৈছে শিক্ষাৰ লক্ষ্য লাভৰ মাধ্যম। বিভিন্ন বিষয় আৰু কার্যকলাপৰ অধ্যয়নৰ জৰিয়তে শিক্ষার্থীৰ আচৰণ কাম্য দিশত গঢ় লৈ উঠে। যদি শিক্ষণ অভিজ্ঞতাসমূহে কাম্য পৰিবর্তন আনিব নোৱাৰে, তেন্তে বুজিব লাগিব যে বিষয় আৰু কার্যকলাপৰ বাছনি ত্রুটিপূর্ণ আছিল। সেয়ে মূল্যায়নে শিক্ষণ অভিজ্ঞতা বা পাঠ্যসূচীত প্রয়োজনীয় সংশোধন কৰাত সহায় কৰে।
- মূল্যায়নে দিশ-নির্দেশনা (guidance)ৰ বাবে এটা ভিত্তি প্রদান কৰে। মূল্যায়নে ব্যক্তিৰ এটা সামগ্রিক ছবি প্রদান কৰে, যিয়ে তাক শিক্ষাগত আৰু পেছাগত ক্ষেত্রত পথপ্রদর্শন কৰে। সেয়ে শিক্ষাগত, পেছাগত আৰু ব্যক্তিগত দিশ-নির্দেশনাৰ সফলতা শিক্ষার্থীৰ শক্তি, দুর্বলতা আৰু আন ব্যক্তিত্ব বৈশিষ্ট্যসমূহৰ সঠিক মূল্যায়নৰ ওপৰত নির্ভৰ কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন৩. শিক্ষাত মূল্যায়ন কিয় গুৰুত্বপূর্ণ?


৩.৯মূল্যায়নৰ সঁজুলি আৰু প্রযুক্তিসমূহ

সফল মূল্যায়ন ব্যক্তিসকল আৰু তেওঁলোকৰ বৈশিষ্ট্যসমূহ সম্পৰ্কে সঠিক আৰু সম্পূৰ্ণ তথ্যৰ ওপৰত ভিত্তি কৰি থাকে। তথ্য বা তথ্যসমূহ বিভিন্ন প্ৰত্যক্ষ বা পৰোক্ষ উৎসৰ পৰা সংগ্ৰহ কৰা যাব পাৰে। তথাপিও, ব্যৱহাৰযোগ্য, বৈধ আৰু বিশ্বাসযোগ্য তথ্য সংগ্ৰহ কৰিবলৈ পদ্ধতিগত প্ৰযুক্তি গ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ। মূল্যায়নৰ বাবে বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ কৰিবলৈ বিভিন্ন যন্ত্ৰ, উপকৰণ বা আন উপায়সমূহ ব্যৱহাৰ কৰা হয়। এইধৰণৰ তথ্য সংগ্ৰহৰ বাবে ব্যৱহৃত যন্ত্ৰসমূহক সঁজুলি বুলি কোৱা হয়।

বিভিন্ন উদ্দেশ্যৰ বাবে বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ কৰিবলৈ ভিন্ন সঁজুলিৰ প্ৰয়োজন হয়। মূল্যায়নকাৰীয়ে নিজৰ নিৰ্দিষ্ট উদ্দেশ্য পূৰণ কৰিবলৈ একাধিক সঁজুলি একেলগে ব্যৱহাৰ কৰিব লাগিব পাৰে। প্ৰযুক্তি হৈছে কোনো নিৰ্দিষ্ট কামত প্ৰয়োগ কৰা এক ব্যৱহাৰিক পদ্ধতি বা প্ৰক্ৰিয়া। মূল্যায়নৰ প্ৰযুক্তিসমূহত শিক্ষণৰ নিৰ্দিষ্ট ফলাফলসমূহ সম্পৰ্কে তথ্য সংগ্ৰহ কৰিবলৈ ব্যৱহৃত সঁজুলিসমূহ অন্তৰ্ভুক্ত থাকে।

মূল্যায়নৰ প্ৰযুক্তিৰ উদাহৰণসমূহ হৈছে— anecdotal report (ঘটনাভিত্তিক প্ৰতিবেদন), সাক্ষাৎকাৰ (interview), কেছ অধ্যয়ন (case study), পৰ্যবেক্ষণ (observation) আদি; আনহাতে মূল্যায়নৰ সঁজুলিসমূহত অন্তৰ্ভুক্ত থাকে— পৰীক্ষা (tests), প্ৰশ্নপত্ৰ (question papers), পৰ্যবেক্ষণ সূচী (observation schedules), প্ৰশ্নাৱলী (questionnaire), মূল্যাংকন স্কেল (rating scale), চেকলিষ্ট (checklists), সামগ্ৰিক ৰেকৰ্ড (cumulative record) আদি।

কিছুমান গুৰুত্বপূৰ্ণ মূল্যায়নৰ সঁজুলি আৰু প্ৰযুক্তিসমূহ তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি—



চিত্ৰ ৩.২: মূল্যায়নৰ সঁজুলি আৰু প্ৰযুক্তিসমূহ

পৰীক্ষা (Tests): পৰীক্ষাসমূহ শিক্ষামূলক আৰু মানসিক মূল্যায়নত বহুলভাৱে ব্যৱহৃত সঁজুলি। এটা পৰীক্ষা হৈছে কিছুমান প্ৰশ্নৰ সমষ্টি, যাৰ উত্তৰ দিব লাগে বা কিছুমান কাম সম্পন্ন কৰিব লাগে, যাতে এজন ব্যক্তি বা গোটৰ শিক্ষাগত সাফল্য বা মানসিক বৈশিষ্ট্যসমূহ মাপ কৰিব পৰা যায়। বিভিন্ন পৰীক্ষা ব্যক্তিগতভাৱে বা গোট হিচাপে অনুষ্ঠিত কৰিব পাৰি। শিক্ষামূলক পৰীক্ষাসমূহ আকৌ সাফল্য পৰীক্ষা (achievement), নিৰ্ণায়ক পৰীক্ষা (diagnostic), আৰু পূৰ্বাভাসমূলক পৰীক্ষা (prognostic) হিচাপে ভাগ কৰা হয়।

সাফল্য পৰীক্ষা (Achievement Test): সাফল্য পৰীক্ষাই নিৰ্দিষ্ট সময়ৰ পাঠদান বা প্ৰশিক্ষণৰ পিছত ব্যক্তিয়ে লাভ কৰা কোনো ক্ষেত্ৰ বা বিষয়ৰ জ্ঞান বা দক্ষতা মাপে। সাফল্য পৰীক্ষাসমূহ মৌখিক (oral), লিখিত (written), আৰু কাৰ্যসম্পাদনভিত্তিক (performance based) হ'ব পাৰে। এই পৰীক্ষাসমূহ আকৌ শ্ৰেণীকক্ষৰ শিক্ষকেই নিজৰ তাৎক্ষণিক আৰু স্থানীয় প্ৰয়োজনৰ বাবে তৈয়াৰ কৰিব পাৰে (teacher-made test); অথবা মানদণ্ড অনুসৰি পৰীক্ষা বিশেষজ্ঞ বা বিশেষজ্ঞসকলৰ দ্বাৰা তৈয়াৰ কৰা হ'ব পাৰে (standardized test)। (শিক্ষকৰ দ্বাৰা প্ৰস্তুত আৰু মানদণ্ডভিত্তিক পৰীক্ষাৰ বিষয়ে অধিক তথ্যৰ বাবে UNIT-viii চাওক)

শিক্ষাৰ্থীৰ বিশেষ বিষয়ত শক্তি আৰু দুৰ্বলতা নিৰ্ণয় কৰিবলৈ ব্যৱহাৰ কৰা পৰীক্ষাসমূহক নিৰ্ণায়ক পৰীক্ষা (diagnostic tests) বোলা হয়। উদাহৰণস্বৰূপে, কোনো শিক্ষাৰ্থীয়ে গণিতত বা ইতিহাসত অসুবিধা পাইছে নেকি, আৰু যদি পায়, তেন্তে কিয়— এইটো নিৰ্ণয় কৰিবলৈ পৰীক্ষা ব্যৱহাৰ কৰা হয়। এনে পৰীক্ষাসমূহক নিৰ্ণায়ক পৰীক্ষা বুলি কোৱা হয়। নিৰ্ণায়ক পৰীক্ষাই শিক্ষাৰ্থীৰ কোনো বিষয়, ক্ষেত্ৰ বা দক্ষতাৰ বুজাবুজি মূল্যাংকন কৰে।

পূৰ্বাভাসমূলক পৰীক্ষা (Prognostic tests) পূৰ্বানুমান কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই পৰীক্ষাসমূহে ভৱিষ্যতে বিশেষ প্ৰতিভা বা গুণ থকা ব্যক্তিসকলক চিনাক্ত বা শ্ৰেণীবদ্ধ কৰাত সহায় কৰে। শিক্ষাৰ ক্ষেত্ৰত, এনে পৰীক্ষাই কোনো ব্যক্তিয়ে কোনো এটা বিষয় বা কামত কিমান ভাল কৰিব পাৰে সেইটো পূৰ্বানুমান কৰে।

মানসিক পৰীক্ষাসমূহ (Psychological tests) বিভিন্ন মানসিক বৈশিষ্ট্য বা গুণ মাপিবলৈ ব্যৱহাৰ কৰা হয়। যোগ্যতা (aptitude), বুদ্ধিমত্তা (intelligence), ব্যক্তিত্ব (personality), সৃজনশীলতা (creativity) আদি মাপিবলৈ ব্যৱহাৰ কৰা পৰীক্ষাসমূহ মানসিক পৰীক্ষাৰ ভিতৰত গুৰুত্বপূৰ্ণ। যোগ্যতা পৰীক্ষাই কোনো নিৰ্দিষ্ট কাৰ্যত এজন ব্যক্তিৰ সম্ভাব্য সক্ষমতা বা সাফল্যৰ স্তৰ পূৰ্বানুমান কৰিবলৈ চেষ্টা কৰে। সৃজনশীলতাৰ পৰীক্ষাই মানুহৰ সৃজনশীল সম্ভাৱনাসমূহ মাপে। বুদ্ধিমত্তা আৰু ব্যক্তিত্বৰ পৰীক্ষাৰ উপৰিও, মানসিক পৰীক্ষাই ইঞ্জিনিয়াৰিং, চিকিৎসা, সংগীত, পঢ়া, দপ্তৰীয় কাম, স্থানিক (spatial), সংখ্যাগত (numerical), হাতৰ কৌশল (dextrous) আদি বিভিন্ন ক্ষেত্ৰত কাম সম্পন্ন কৰাৰ সক্ষমতা মাপিবলৈ সহায় কৰে।

সূচী (Inventories)

সূচীসমূহ হৈছে এনে সঁজুলি যিবোৰে ব্যক্তিৰ আচৰণৰ এটা বা একাধিক দিশ মূল্যাংকন কৰিবলৈ চেষ্টা কৰে। সূচীত কিছুমান প্রশ্ন বা বিবৃতি থাকে, যিবোৰ ব্যক্তিগত বৈশিষ্ট্য, পছন্দ-অপছন্দ, আগ্রহ, ৰুচি আদি সম্পর্কীয় আৰু প্রথম পুৰুষত লিখা থাকে। পৰীক্ষার্থীয়ে এনে প্রশ্ন বা বিবৃতিসমূহত 'সঁচা' বা 'মিছা', 'সহমত' বা 'অসম্মত' আদি ৰূপত উত্তৰ দিব লাগে। সূচীসমূহ স্ব-প্রতিবেদনমূলক (self-reporting) সঁজুলি। উদ্দেশ্য অনুসৰি সূচীসমূহক আগ্রহ সূচী (interest inventory), সমন্বয় সূচী (adjustment inventory), আৰু ব্যক্তিত্ব সূচী (personality inventory) হিচাপে ভাগ কৰা হয়। উদাহৰণস্বৰূপে— Strong interest inventory, Bell Adjustment inventory, Minnesota Multiphasic Personality inventory আদি।

সূচীসমূহ অর্থনৈতিক, সহজ আৰু বস্তুনিষ্ঠ সঁজুলি। কিন্তু সূচীৰ তথ্য ব্যৱহাৰ কৰাৰ সময়ত সাৱধান হোৱা উচিত, কাৰণ সংগৃহীত তথ্য পক্ষপাতমূলক বা ওপৰ-ওপৰীয়া হ'ব পাৰে। সূচীৰ আন এটা সমস্যা হৈছে ইয়াৰ বৈধতা নির্ধাৰণ কৰাটো অত্যন্ত কঠিন।

মনোভাৱ স্কেল (Attitude Scales)

মনোভাৱ স্কেল হৈছে কোনো বিষয়, বস্তু বা প্রসঙ্গৰ প্রতি মানুহৰ মনোভাৱ মাপিবলৈ ব্যৱহৃত সঁজুলি। মনোভাৱ হৈছে কোনো বস্তু, ব্যক্তি বা প্রসঙ্গৰ প্রতি ইতিবাচক বা নেতিবাচকভাৱে প্রতিক্রিয়া জনোৱাৰ বাবে শিকি লোৱা এক আৱেগিক প্রৱণতা। ই এজন ব্যক্তিৰ মানসিক বা স্নায়বিক প্রস্তুতি, যাৰ জৰিয়তে তেওঁ কিবা এটাৰ প্রতি ইতিবাচক বা নেতিবাচকভাৱে প্রতিক্রিয়া প্রকাশ কৰে।

মনোভাৱ স্কেলে এজন ব্যক্তিৰ মনোভাৱক সংখ্যাগত মান দিয়াৰ বাবে এটা ভিত্তি প্রদান কৰে। ই এনে সঁজুলি যি এজন ব্যক্তিৰ অনুভূতিৰ তীব্রতা আৰু দিশ (ইতিবাচক বা নেতিবাচক) সূচক স্ক'ৰ প্রদান কৰে। মনোভাৱ স্কেলত কিছুমান বিবৃতি থাকে আৰু উত্তৰদাতাক সেইবোৰৰ ওপৰত প্রতিক্রিয়া দিবলৈ কোৱা হয়। সেই প্রতিক্রিয়াৰ ওপৰত ভিত্তি কৰি প্রতিটো বিষয়ত এটা স্ক'ৰ দিয়া হয়, যিয়ে তেওঁৰ অৱস্থান সূচায়।

অতি জনপ্রিয় মনোভাৱ স্কেলসমূহ হৈছে— Thurstone's scale, Likert's scale, আৰু Guttman scale।

Thurstone স্কেল (Thurstone's scale): Thurstone স্কেল (যাক Thurstone technique of scaled values বুলিও কোৱা হয়) ত বিবৃতিৰ ৰূপত কিছু বিষয়বস্তু থাকে, যাৰ সৈতে উত্তৰদাতাই সহমত বা অসম্মত হ'ব লাগে। যিবোৰ বিষয়বস্তুৰ সৈতে উত্তৰদাতাই সহমত হয়, সেইবোৰত স্ক'ৰ দিয়া হয়। প্রতিটো বিষয়বস্তুৰ এটা পূর্বনির্ধাৰিত মান থাকে আৰু স্কেলত উত্তৰদাতাৰ স্ক'ৰ হৈছে তেওঁ যিবোৰ

বিষয়বস্তুৰ সৈতে সহমত হয়, সেইবোৰৰ মধ্যম মান (median score)। বিষয়বস্তুসমূহৰ স্ক'ৰ নির্ধাৰণ কৰিবলৈ কিছুমান নির্ণায়ক (judges) ক প্রতিটো বিষয়বস্তু ১১-দফীয়া স্কেলত শ্রেণীবদ্ধ কৰিবলৈ কোৱা হয়, যি মাপ কৰিবলগীয়া মনোভাৱ প্রতিফলিত কৰে। প্রতিটো বিষয়বস্তুৰ চূড়ান্ত স্ক'ৰ হৈছে নির্ণায়কসকলৰ ব্যক্তিগত স্ক'ৰৰ মধ্যম মান।

Likert স্কেল (Likert scales): Likert স্কেল (যাক summated ratings পদ্ধতি বুলিও কোৱা হয়) ত কিছুমান বিবৃতি থাকে আৰু তাৰ পিছত পাঁচ বা সাতটা প্রতিক্রিয়া থাকে, যাৰ লগত সংখ্যাগত মান সংলগ্ন থাকে। উত্তৰদাতাসকলে প্রতিটো বিষয়বস্তুৰ সৈতে তেওঁলোকৰ সহমতৰ পৰিমাণ যিকোনো এটা বিকল্প বাছি সূচাব লাগে। প্রতিটো বিষয়বস্তুৰ স্ক'ৰৰ যোগফলেই স্কেলত তেওঁলোকৰ মুঠ স্ক'ৰ।

Guttman মনোভাৱ স্কেল (Guttman scale): Guttman মনোভাৱ স্কেলত মাপ কৰিবলগীয়া মনোভাৱৰ সৈতে সম্পর্কিত এক শৃংখলাবদ্ধ (hierarchical) বিবৃতিৰ সমষ্টি থাকে। এই বিবৃতিসমূহে মনোভাৱৰ তীব্রতা ধাপে ধাপে বৃদ্ধি পোৱা ৰূপত প্রতিফলিত কৰে। যি স্থানত উত্তৰদাতাই কোনো এটা বিবৃতিৰ সৈতে অসম্মত হয়, সেই স্থানেই উত্তৰদাতাৰ স্কেলৰ অৱস্থান সূচায়।

Semantic Differential পদ্ধতি: মনোভাৱ মাপৰ আন এটা জনপ্রিয় পদ্ধতি হৈছে semantic differential পদ্ধতি, যি Charles E. Osgood, George Suci আৰু Percy Tannenbaum-এ বিকাশ কৰিছিল। এই স্কেলত উত্তৰদাতাসকলে দ্বিমুখী (bipolar) স্কেলত (সাধাৰণতে ৭-দফীয়া) ধাৰণাসমূহক মূল্যাংকন কৰে। স্কেলৰ দুয়ো মূৰত বিপৰীত অর্থৰ বিশেষণৰ জোৱা থাকে (যেনে— ভাল/বেয়া, সঠিক/ভুল আদি)।

পর্যবেক্ষণ (Observation)

পর্যবেক্ষণ হৈছে মূল্যায়নৰ বাবে তথ্য সংগ্রহৰ এটা অতি জনপ্রিয় আৰু উপযোগী প্রযুক্তি। ই হৈছে ব্যক্তি বা গোটৰ আচৰণ, ঘটনাসমূহ লক্ষ্য কৰা আৰু স্বাভাৱিক বা বাস্তৱ পৰিৱেশত শাৰীৰিক বৈশিষ্ট্যসমূহ লিপিবদ্ধ কৰা। পর্যবেক্ষণৰ ফলাফল বিভিন্ন উপায়ে লিপিবদ্ধ কৰি সংৰক্ষণ কৰা হয়। পর্যবেক্ষণে ব্যক্তিৰ বাহ্যিক বা স্পষ্ট আচৰণ মাপিবলৈ আৰু মূল্যাংকন কৰিবলৈ সহায় কৰে।

পর্যবেক্ষণ স্বাভাৱিক (natural) বা নিয়ন্ত্রিত (controlled) হ'ব পাৰে। পৰিৱেশত কোনো হস্তক্ষেপ নকৰাকৈ আৰু পর্যবেক্ষিত ব্যক্তিসকলৰ জ্ঞান নথকাকৈ কৰা পর্যবেক্ষণক স্বাভাৱিক পর্যবেক্ষণ বোলা হয়। আনহাতে, যেতিয়া পৰিৱেশ পর্যবেক্ষকৰ দ্বাৰা নিয়ন্ত্রিত কৰা হয় আৰু বিষয়বস্তুসকলক জনোৱা হয় যে তেওঁলোকক পর্যবেক্ষণ কৰা হৈছে, তেতিয়া তাক নিয়ন্ত্রিত পর্যবেক্ষণ বোলা হয়।

স্বাভাৱিক পর্যবেক্ষণৰ সুবিধা হৈছে— মানুহে যদি নাজানে যে তেওঁলোকক পর্যবেক্ষণ কৰা হৈছে, তেন্তে তেওঁলোকে স্বাভাৱিক আচৰণ কৰে। কিন্তু স্বাভাৱিক পর্যবেক্ষণ সদায় সম্ভৱ নহয়; সেয়ে নিয়ন্ত্রিত পর্যবেক্ষণো ব্যৱহাৰ কৰিব লাগে।

পর্যবেক্ষণ অংশগ্রহণমূলক (participant) বা অ-অংশগ্রহণমূলক (non-participant) হ'ব পাৰে। অংশগ্রহণমূলক পর্যবেক্ষণত পর্যবেক্ষক নিজেই গোটৰ এটা অংশ হৈ তেওঁলোকৰ কার্যকলাপত অংশ লয় আৰু পর্যবেক্ষণ কৰে। অ-অংশগ্রহণমূলক পর্যবেক্ষণত পর্যবেক্ষক দূৰত থাকি, কোনো হস্তক্ষেপ নকৰাকৈ পর্যবেক্ষণ কৰে।

পর্যবেক্ষণ পদ্ধতিগত আৰু সাৱধানতাৰে পৰিকল্পিত হোৱা উচিত। ইয়াৰ মূল সুবিধা হৈছে— যেতিয়া আৰু য'ত কোনো ঘটনা ঘটে, তেতিয়াই তথ্য সংগ্রহ কৰিব পৰা যায়। কিন্তু পর্যবেক্ষণত পর্যবেক্ষকৰ পক্ষপাতৰ সম্ভাৱনা থাকে। তদুপৰি, মানুহে জানিলে যে তেওঁলোকক পর্যবেক্ষণ কৰা হৈছে, তেন্তে তেওঁলোকে ভালকৈ আচৰণ কৰিবলৈ চেষ্টা কৰে।


মূল্যাংকন স্কেল (Rating Scale)

মূল্যায়ন স্কেলত কিছুমান বিবৃতি থাকে, যিবোৰে কোনো পৰিস্থিতি, বস্তু বা ব্যক্তিত্ব সম্পর্কে মতামত বা সিদ্ধান্ত প্রকাশ কৰে আৰু সিহঁত মূল্যৰ স্কেলত উপস্থাপিত হয়। ইয়াত কিছুমান দফা থাকে, যিবোৰে কোনো দৃষ্টিগোচৰ বৈশিষ্ট্যৰ বিভিন্ন স্তৰ সূচায়। মূল্যাংকনকাৰীক ৩, ৫ বা ৭-দফীয়া স্কেলত নিজৰ পছন্দ অনুসৰি মূল্যাংকন কৰিবলৈ কোৱা হয়।

যদিও মূল্যাংকন স্কেলৰ বিভিন্ন ধৰণ আছে, তথাপিও সংখ্যাগত (Numeric) আৰু চিত্রমূলক (Graphic) মূল্যাংকন স্কেল অধিক ব্যৱহৃত।


উদাহৰণ (Graphic Rating Scale):

প্রশ্ন: মধু কিমান সামাজিক ?



একেই বিষয়টো সংখ্যাগত মূল্যাংকন স্কেল (Numeric Rating Scale)ত তলত দিয়া দৰে হ'ব—

প্রশ্ন: মধু কিমান সামাজিক ?



যদিও মূল্যাংকন স্কেলসমূহ অতি জনপ্রিয় আৰু ব্যাপকভাৱে ব্যৱহৃত মূল্যায়নৰ সঁজুলি, তথাপিও ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। এই সীমাবদ্ধতাসমূহৰ ভিতৰত অন্তর্ভুক্ত— Halo effect বা পূর্বৰ প্রদর্শন বা ব্যক্তি সম্বন্ধে সাধাৰণ ধাৰণাৰ ওপৰত ভিত্তি কৰি মূল্যাংকন কৰাৰ প্রৱণতা;

Generosity error বা মূল্যাংকনকাৰীয়ে অত্যাধিক উদাৰভাৱে স্ক'ৰ দিয়াৰ প্ৰৱণতা; Leniency error বা মূল্যাংকনকাৰীয়ে চিনি থকা ব্যক্তিসকলক অধিক স্ক'ৰ দিয়াৰ প্ৰৱণতা; ইয়াৰ বিপৰীতে কেতিয়াবা এই ভুলৰ বিষয়ে সজাগতা থাকিলে মূল্যাংকনকাৰীয়ে প্ৰকৃততে দিব লগা স্ক'ৰতকৈ কম স্ক'ৰ দিব পাৰে; Central tendency error বা গড় মানৰ ওচৰত স্ক'ৰ দিয়াৰ প্ৰৱণতা; আৰু এনে আন বহুতো ভুল।

তালিকাভিত্তিক পৰীক্ষা (Check list)

চেকলিষ্ট হৈছে মূল্যায়নৰ এটা সহজ সঁজুলি। ইয়াত আচৰণ বা প্ৰশ্নৰ এখন তালিকা থাকে আৰু উত্তৰদাতাই প্ৰতিটো প্ৰশ্ন বা আচৰণৰ বিপৰীতে 'হয়' বা 'নহয়' চিহ্নিত কৰিব লাগে। ই জ্ঞান, দক্ষতা বা আচৰণৰ উপস্থিতি বা অনুপস্থিতি চিনাক্ত কৰিবলৈ অতি উপযোগী সঁজুলি।

প্ৰশ্নাৱলী (Questionnaire)

প্ৰশ্নাৱলী হৈছে কোনো সামাজিক, মানসিক বা শিক্ষামূলক বিষয় বা সমস্যাৰ সৈতে সম্পৰ্কিত প্ৰশ্নসমূহৰ এটা সমষ্টি। প্ৰশ্নাৱলী মুখামুখি বা ডাকযোগে প্ৰদান কৰিব পাৰি। মূল্যায়ন কৰিবলগীয়া বস্তু বা বিষয়ৰ বিষয়ে তথ্য সংগ্ৰহ কৰাই প্ৰশ্নাৱলী ব্যৱহাৰৰ উদ্দেশ্য। প্ৰশ্নাৱলী ব্যক্তিগতভাৱে বা গোট হিচাপে প্ৰয়োগ কৰিব পাৰি।

প্ৰশ্নাৱলীক দুটা প্ৰকাৰত বিভক্ত কৰিব পাৰি— বন্ধ (closed) আৰু মুক্ত (open)। যি প্ৰশ্নাৱলীয়ে উত্তৰদাতাক সংক্ষিপ্ত উত্তৰ দিবলৈ বা দিয়া বিকল্পসমূহৰ মাজৰ পৰা এটা বাছিবলৈ ক'য়, তাক বন্ধ প্ৰকাৰৰ প্ৰশ্নাৱলী বোলা হয়। বন্ধ প্ৰশ্নাৱলী নিৰ্দিষ্ট ধৰণৰ তথ্য সংগ্ৰহৰ বাবে অতি উপযোগী। এইবোৰ তুলনামূলকভাৱে বস্তুনিষ্ঠ, স্ক'ৰ কৰা সহজ আৰু দ্ৰুত, আৰু উত্তৰ দিয়াও সহজ।

মুক্ত প্ৰশ্নাৱলীয়ে উত্তৰদাতাৰ নিজৰ ভাষাত দীঘল আৰু মুক্ত উত্তৰ দাবী কৰে। এইধৰণৰ প্ৰশ্নাৱলীয়ে বিষয়টোৰ গভীৰলৈ যাব পাৰে আৰু উত্তৰদাতাক যিকোনো দৈর্ঘ্য আৰু পদ্ধতিত উত্তৰ দিয়াৰ স্বাধীনতা দিয়ে। কিন্তু এনে উত্তৰসমূহ বিশ্লেষণ আৰু ব্যাখ্যা কৰাটো কঠিন।

প্ৰশ্নাৱলীৰ মুখ্য সুবিধাসমূহৰ ভিতৰত আছে— খৰচ কম, বৃহৎ নমুনা আৱৰণ কৰিব পৰা ক্ষমতা, উত্তৰদাতাৰ স্বাধীনতা আদি। কিন্তু ই সময়সাপেক্ষ সঁজুলি আৰু উত্তৰদাতাই প্ৰশ্ন বুজিবলৈ ভুল কৰিলে বা কিছুমান প্ৰশ্ন এৰি দিলে ইয়াৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে। তদুপৰি, ডাকযোগে পঠোৱা প্ৰশ্নাৱলীৰ প্ৰত্যাবৰ্তনৰ হাৰ অতি কম।

সাক্ষাৎকাৰ (Interview)

সাক্ষাৎকাৰ হৈছে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ বাবে মুখামুখি আৰু প্ৰত্যক্ষ যোগাযোগৰ এক মাধ্যম। প্ৰশ্নাৱলীৰ ওপৰত সাক্ষাৎকাৰৰ সুবিধা হৈছে— উত্তৰদাতাই প্ৰশ্ন বুজাত ভুল কৰা বা কোনো প্ৰশ্ন এৰি যোৱাৰ সমস্যা এৰাব পৰা যায়। যেতিয়া সাক্ষাৎকাৰকাৰীয়ে সাক্ষাৎকাৰগ্ৰহীতাৰ সৈতে সম্পৰ্ক (rapport) স্থাপন কৰে আৰু অনুকূল পৰিৱেশ সৃষ্টি কৰে, তেতিয়া প্ৰয়োজনীয় সকলো গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰাটো সহজ হয়। সাক্ষাৎকাৰৰ আন এটা ডাঙৰ সুবিধা হৈছে— উত্তৰদাতাৰ দেহভাষাই (body language) বিষয়টোৰ বিষয়ে অতিৰিক্ত তথ্য প্ৰদান কৰে।


সাক্ষাৎকাৰক দুটা প্ৰকাৰত ভাগ কৰিব পাৰি— গঠনমূলক (structured) আৰু অগঠনমূলক (unstructured)। গঠনমূলক সাক্ষাৎকাৰত পূৰ্বনিৰ্ধাৰিত আৰু মানদণ্ডযুক্ত ধাপসমূহ অনুসৰণ কৰা হয়। একে প্ৰশ্নসমূহ সকলো সাক্ষাৎকাৰগ্ৰহীতাক একে ক্ৰমত সুধা হয় আৰু সাক্ষাৎকাৰকাৰীয়ে প্ৰশ্ন সলনি, সংযোজন বা বাদ দিব নোৱাৰে।

অগঠনমূলক সাক্ষাৎকাৰ নমনীয় আৰু প্ৰশ্ন বা প্ৰশ্নৰ ক্ৰম সাক্ষাৎকাৰকাৰীয়ে প্ৰয়োজন অনুসৰি সলনি কৰিব পাৰে। প্ৰয়োজন অনুসৰি তেওঁ প্ৰশ্ন যোগ বা বাদ দিব পাৰে। এই নমনীয়তাই সাক্ষাৎকাৰগ্ৰহীতাৰ সৈতে সুসম্পৰ্ক স্থাপন কৰাত সহায় কৰে, যাৰ ফলত প্ৰয়োজনীয় তথ্য সংগ্ৰহ সহজ হয়। অগঠনমূলক সাক্ষাৎকাৰক 'focussed', 'depth', বা 'non-directive' সাক্ষাৎকাৰ বুলিও কোৱা হয়।

সাক্ষাৎকাৰ হৈছে এক গুৰুত্বপূৰ্ণ সঁজুলি, যাৰ বৈশিষ্ট্য হৈছে নমনীয়তা আৰু উচ্চ প্ৰতিক্ৰিয়া হাৰ, যিয়ে গভীৰ আৰু সংবেদনশীল তথ্য উলিয়াব পাৰে। কিন্তু সাক্ষাৎকাৰ ব্যয়বহুল, সময়সাপেক্ষ, উত্তৰদাতাৰ গোপনীয়তা লংঘন কৰিব পাৰে, আৰু মুখামুখি উপস্থিতিৰ বাবে কিছু সংকোচ সৃষ্টি কৰে। তদুপৰি, সাক্ষাৎকাৰৰ পৰা পোৱা তথ্য ব্যাখ্যা কৰাটো কঠিন।

শিক্ষামূলক পৰীক্ষাসমূহ (Educational Tests)

শিক্ষামূলক মূল্যায়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সঁজুলি হৈছে শিক্ষামূলক পৰীক্ষাসমূহ। শিক্ষামূলক পৰীক্ষাসমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—



চিত্র ৩.৩: শিক্ষামূলক পৰীক্ষাৰ শ্ৰেণীবিভাজন

অগ্রগতি নিৰীক্ষণ

প্রশ্ন৪. Likert স্কেল কি ?

প্রশ্ন৫. প্রশ্নাৱলী কি ?

৩.১০ মূল্যায়নৰ প্রকাৰসমূহ

মূল্যায়নৰ প্রক্রিয়াক ইয়াৰ লক্ষ্য, কার্য্য আৰু তুলনামূলক মানদণ্ডৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্রকাৰত ভাগ কৰা হয়। গুৰুত্বপূর্ণ প্রকাৰসমূহৰ সংক্ষিপ্ত আলোচনা তলত দিয়া হৈছে—

গঠনমূলক মূল্যায়ন (Formative Evaluation):

এই প্রকাৰৰ মূল্যায়ন শিক্ষা-শিক্ষণ প্রক্রিয়াৰ সৈতে একেলগে চলি থাকে। গঠনমূলক মূল্যায়নে শিক্ষার্থী আৰু শিক্ষকক শিক্ষা-শিক্ষণ চলি থকা অৱস্থাত প্রয়োজনীয় প্রতিফলন (feedback) প্রদান কৰে। এনে প্রতিফলনে শিক্ষা-শিক্ষণ প্রক্রিয়াক সংশোধন কৰি সাফল্য বৃদ্ধি কৰাত সহায় কৰে। ই শিক্ষক আৰু শিক্ষার্থীক ধাৰাবাহিকভাৱে প্রতিফলন দিয়ে। উদাহৰণ— ইউনিট টেষ্ট, সাপ্তাহিক বা মাহেকীয়া পৰীক্ষা আদি।

সমাপনী মূল্যায়ন (Summative Evaluation):

সমাপনী মূল্যায়ন চূড়ান্ত স্বভাৱৰ। এই ধৰণৰ মূল্যায়ন শিক্ষাবর্ষ বা পাঠদানৰ শেষত কৰা হয়, যাতে শিক্ষার্থীয়ে লক্ষ্যসমূহৰ দিশে কিমান অগ্রগতি কৰিছে সেইটো নির্ণয় কৰিব পৰা যায়। ই শিক্ষার্থীক উত্তৰণ দিয়া, ধৰি ৰখা, গ্রেড দিয়া বা প্রমাণপত্র প্রদান কৰাৰ সিদ্ধান্ত ল'বলৈ সহায় কৰে।

গঠনমূলক আৰু সমাপনী মূল্যায়নৰ তুলনা:

- গঠনমূলক মূল্যায়নে মূল্যায়নক এক প্রক্রিয়া হিচাপে ধৰে; সমাপনী মূল্যায়নে ইয়াক এটা ফলাফল হিচাপে ধৰে।
- গঠনমূলক মূল্যায়ন শিক্ষা-শিক্ষণ চলি থকা সময়তেই কৰা হয়; সমাপনী মূল্যায়ন শেষত কৰা হয়।
- গঠনমূলক মূল্যায়নে তৎক্ষণাত প্রতিফলন দিয়ে; সমাপনী মূল্যায়নে তৎক্ষণাত প্রতিফলন নিদিয়ে।
- গঠনমূলক মূল্যায়নে লক্ষ্য, পদ্ধতি বা পাঠ্যসূচীৰ সংশোধনত সহায় কৰে; সমাপনী মূল্যায়নে শেষত লক্ষ্য আৰু শিক্ষণৰ কার্যকাৰিতা মূল্যাংকন কৰে।
- গঠনমূলক মূল্যায়ন সাধাৰণতে মানদণ্ডভিত্তিক (criterion-based) আৰু ধাৰাবাহিক; সমাপনী মূল্যায়ন নর্মভিত্তিক (norm-based) আৰু চূড়ান্ত।

মূল্যায়নক ইয়াৰ তুলনামূলক মানদণ্ডৰ ওপৰত ভিত্তি কৰি আৰু ভাগ কৰিব পাৰি—

- যেতিয়া এজন ব্যক্তিৰ প্রদর্শন নিজৰ গোটৰ আন সদস্যসকলৰ সৈতে তুলনা কৰা হয়, তাক **নর্ম-সংদর্ঘিত মূল্যায়ন (Norm-referenced Evaluation)** বোলা হয়। ই গোটৰ ভিতৰত ব্যক্তিৰ স্থান বা অৱস্থান দেখুৱায়।
- যেতিয়া এজন ব্যক্তিৰ প্রদর্শন পূর্বনির্ধাৰিত মানদণ্ড বা মানৰ সৈতে তুলনা কৰা হয়, তাক **মানদণ্ড-সংদর্ঘিত মূল্যায়ন (Criterion-referenced Evaluation)** বোলা হয়। ই ব্যক্তিয়ে কোনো দক্ষতা সম্পূর্ণভাৱে আয়ত্ত কৰিছে নে নাই সেইটো নির্ণয় কৰে আৰু 'উত্তীর্ণ' বা 'অনুত্তীর্ণ' সিদ্ধান্ত ল'বলৈ সহায় কৰে।

মূল্যায়নক দুটা স্তৰতো ভাগ কৰিব পাৰি—

- কার্যসূচী স্তৰৰ মূল্যায়ন (Programme Level Evaluation): কোনো শিক্ষামূলক কার্যসূচীৰ সফলতা মূল্যাংকন কৰা।
- শিক্ষার্থী স্তৰৰ মূল্যায়ন (Student Level Evaluation): শিক্ষার্থীৰ প্রদর্শন মূল্যাংকন কৰা।

মূল্যায়নৰ কার্য্যৰ ওপৰত ভিত্তি কৰি—

- যেতিয়া শিক্ষার্থীৰ নির্দিষ্ট দুর্বলতা বা বুজাবুজি নির্ণয় কৰিবলৈ মূল্যায়ন কৰা হয়, তাক **নিদানমূলক মূল্যায়ন (Diagnostic Evaluation)** বোলা হয়।
- যেতিয়া শিক্ষার্থীক উপযুক্ত পাঠ্যক্রম বা পেছাত স্থাপন কৰিবলৈ মূল্যায়ন কৰা হয়, তাক **স্থাপনমূলক মূল্যায়ন (Placement Evaluation)** বোলা হয়।

৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই **অধ্যায়টি**অধ্যয়ন কৰাৰ পিছত আমি তলত দিয়া কথাসমূহ শিকিলোঁ—

- শিক্ষাত তুলনামূলকভাৱে নতুন মূল্যায়নৰ ধাৰণাটো হৈছে লক্ষ্যৰ সৈতে সম্পর্ক ৰাখি শিক্ষা প্রক্রিয়া আৰু ইয়াৰ ফলাফলৰ মূল্য বা গুৰুত্বৰ বিষয়ে সিদ্ধান্ত লোৱাৰ প্রক্রিয়া।
- মাপ আৰু মূল্যায়ন একে নহয়। মাপ হৈছে সংখ্যাগত স্ক'ৰ, কিন্তু মূল্যায়ন হৈছে সেই স্ক'ৰত বিষয়ভিত্তিক মূল্য সংযোজন কৰা।
- মূল্যায়ন প্রক্রিয়াই কিছুমান নীতি আৰু পদ্ধতিগত ধাপ অনুসৰণ কৰিব লাগে।
- সফল মূল্যায়নৰ বাবে বিভিন্ন তথ্য সংগ্রহৰ সঁজুলি ব্যৱহাৰ কৰিব লাগে। এই সঁজুলিসমূহ হৈছে— পৰীক্ষা, সূচী, মনোভাৱ স্কেল, পর্যবেক্ষণ, মূল্যাংকন স্কেল, চেকলিষ্ট, প্রশ্নাৱলী, সাক্ষাৎকাৰ আদি।
- মূল্যায়নৰ বিভিন্ন প্রকাৰ আছে— গঠনমূলক, সমাপনী, নিদানমূলক, স্থাপনমূলক, নর্ম-সংদর্ঘিত, মানদণ্ড-সংদর্ঘিত আদি।

৩.১২ অধিক জানিবলৈ

- Bloom, B.S. (1956): *Taxonomy of Educational Objectives. Handbook I, Cognitive Domain,* David McKay Co. Inc,New York
- Gupta, S.P. (2009): *Modern Measurement and Evaluations with Statistics*, Sharda Pustak Bhavan, Allahabad
- NCERT (1963): *The Concept of Evaluations in Education*, New Delhi.
- Stanley & Hopkins (1966): *Education and Psychological Measurement and Evaluation*, Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey
- UGC (1972): *Examination Reforms: A Plan of Actions*, New Delhi

৩.১৩ অগ্রগতিৰ খতিয়ান

১নংপ্রশ্নৰউত্তৰঃমূল্যায়ন হৈছে কোনো ঘটনাৰ এক গুণগত মাপ। ই মূল্যায়িত কৰা প্রক্রিয়া বা কার্যসূচীৰ কার্যকাৰিতা, উপযোগিতা বা উত্তমতা নির্ণয় কৰি সেই প্রক্রিয়া বা কার্যসূচীৰ বিষয়ে অর্থপূর্ণ সিদ্ধান্ত ল'বলৈ সহায় কৰে।

২নংপ্রশ্নৰউত্তৰঃ১) মূল্যায়নৰ প্রথম আৰু প্রধান নীতি হৈছে মূল্যায়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ নির্ধাৰণ বা বিবেচনা কৰা। মূল্যায়ন আৰম্ভ কৰাৰ আগতে মূল্যায়নকাৰীয়ে লক্ষ্যসমূহ সম্পর্কে সম্পূর্ণ স্পষ্টতা থকা উচিত।

২) মূল্যায়ন সম্পন্ন কৰিবলৈ ব্যৱহৃত সঁজুলিসমূহ মূল্যায়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ সৈতে সামঞ্জস্য ৰাখি বাছনি কৰিব লাগে। কাৰণ সকলো সঁজুলি সকলো লক্ষ্যৰ ক্ষেত্রত ফলপ্রসূ নহ'ব পাৰে।

৩নংপ্রশ্নৰউত্তৰঃমূল্যায়ন শিক্ষাৰ এক অবিচ্ছেদ্য আৰু অত্যাৱশ্যক অংশ। মূল্যায়নে লক্ষ্য আৰু পাঠ্যসূচীৰ উপযোগিতা, লক্ষ্যসমূহ কিমান পর্যন্ত লাভ কৰা হৈছে, শিক্ষণ আৰু পদ্ধতিসমূহৰ কার্যকাৰিতা, আৰু শিক্ষা-শিক্ষণ প্রক্রিয়াৰ আন গুৰুত্বপূর্ণ উপাদানসমূহৰ বিষয়ে গুৰুত্বপূর্ণ প্রতিফলন প্রদান কৰে। এনে তথ্য শিক্ষাত অতি গুৰুত্বপূর্ণ, কাৰণ লক্ষ্যৰ দিশে অগ্রগতি সম্পর্কে যথেষ্ট তথ্য নাথাকিলে শিক্ষার্থী আৰু শিক্ষক দুয়োয়ে ফলপ্রসূভাৱে আগবাঢ়িব নোৱাৰে।

৪নংপ্রশ্নৰউত্তৰঃLikert স্কেল মনোভাৱ মাপিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াত কিছুমান বিবৃতি থাকে আৰু তাৰ পিছত পাঁচ বা সাতটা বিকল্প প্রতিক্রিয়া থাকে, যাৰ সৈতে সংখ্যাগত মান জড়িত থাকে। উত্তৰদাতাসকলে প্রতিটো বিবৃতিৰ সৈতে নিজৰ সহমতৰ পৰিমাণ যিকোনো এটা বিকল্প বাছি প্রকাশ কৰে। প্রতিটো বিষয়বস্তুৰ স্ক'ৰৰ যোগফলেই তেওঁলোকৰ স্কেলৰ স্ক'ৰ।

৫নংপ্রশ্নৰউত্তৰঃপ্রশ্নাৱলী হৈছে কিছুমান প্রশ্নৰ এক সমষ্টি, যি উত্তৰদাতাসকলক প্রদান কৰা হয় যাতে কোনো সামাজিক, মানসিক বা শিক্ষামূলক বিষয় বা সমস্যাৰ সৈতে সম্পর্কিত তথ্য সংগ্রহ কৰিব পৰা যায়।

? ৩.১৪ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. মাপ আৰু মূল্যায়নৰ মাজৰ পার্থক্য কি ?

প্রশ্ন ২. Halo effect কি ?

প্রশ্ন ৩. প্রশ্নাৱলী আৰু সূচীৰ মাজৰ পার্থক্য বিচাৰ কৰক।

খ) ৰচনাধর্মী প্রশ্ন(৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. শিক্ষামূলক মূল্যায়নৰ স্বভাৱ আলোচনা কৰক।

প্রশ্ন ২. মূল্যায়নৰ নীতিসমূহ সংক্ষেপে বর্ণনা কৰক।

প্রশ্ন ৩. মূল্যায়নৰ ধাপসমূহ আলোচনা কৰক।

প্রশ্ন ৪. মূল্যায়নৰ বিভিন্ন প্রকাৰসমূহ বর্ণনা কৰক।

*****

অধ্যায় ৪ : অভীক্ষা নির্মাণ আৰু মান্যকৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মানসিক অভীক্ষাৰ অর্থ
৪.৪ মান্যকৃত অভীক্ষাৰ অর্থ আৰু বৈশিষ্ট্যসমূহ
৪.৫ অভীক্ষা নির্মাণৰ নীতি-নিয়মসমূহ
৪.৬ অভীক্ষা নির্মাণ আৰু মান্যকৰণৰ পদ্ধতিসমূহ
৪.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- মানসিক অভীক্ষাৰ সংজ্ঞা দিব পাৰিব
- মান্যকৃত অভীক্ষাৰ সংজ্ঞা দিব পাৰিব
- অভীক্ষা নির্মাণৰ নীতি-নিয়মসমূহ আলোকপাত কৰিব পাৰিব
- অভীক্ষা নির্মাণত জড়িত ধাপসমূহ ব্যাখ্যা কৰিব পাৰিব

৪.২ পৰিচয়

মানসিক অভীক্ষা হৈছে মাপ আৰু মূল্যায়নত ব্যৱহাৰ কৰা আটাইতকৈ গুৰুত্বপূর্ণ উপকৰণসমূহৰ ভিতৰত এটা। মানসিক অভীক্ষাসমূহ শিক্ষা ক্ষেত্রত আৰু মানুহৰ কার্যকলাপৰ বিভিন্ন আন ক্ষেত্রতো অত্যন্ত উপযোগী। এই অভীক্ষাসমূহ বুদ্ধিমত্তা, যোগ্যতা, সাফল্য আৰু ব্যক্তিৰ ব্যক্তিত্বৰ বিভিন্ন শৈক্ষিক আৰু অশৈক্ষিক গুণাৱলীৰ অধ্যয়নৰ বাবে ব্যৱহাৰ কৰা হয়। এই অভীক্ষাসমূহে শিক্ষার্থীসকলৰ মাজত থকা ব্যক্তিগত পার্থক্যসমূহৰ স্বৰূপ নির্ধাৰণ কৰাত সহায় কৰে।

মানসিক অভীক্ষাসমূহ বৌদ্ধিক বিকাশ অধ্যয়নৰ লগতে বয়স আৰু লিংগৰ সৈতে সম্পর্কিত শৈক্ষিক আৰু অশৈক্ষিক ব্যক্তিত্ব বৈশিষ্ট্যসমূহ, প্রতিভাশালী, মানসিকভাৱে পিছপৰা বা শৈক্ষিকভাৱে

পিছপৰা ব্যক্তিৰ ব্যক্তিত্ব বৈশিষ্ট্যসমূহ, আৰু নিউৰোটিক আৰু চাইকোটিক ব্যক্তিসকলৰ ব্যক্তিত্ব গুণাবলী অধ্যয়নত অত্যন্ত উপযোগী।

শৈক্ষিক প্রতিষ্ঠানসমূহে মানসিক অভীক্ষাসমূহ বিস্তৃতভাৱে ব্যৱহাৰ কৰে—বিভিন্ন সিদ্ধান্ত গ্রহণ, প্রশাসনিক নীতি নির্ধাৰণ আৰু প্রতিষ্ঠানৰ ব্যৱস্থাপনা কৰাৰ দ্বৈত উদ্দেশ্যৰে। মানসিক অভীক্ষাসমূহ শিক্ষার্থীসকলক শিক্ষাগত আৰু বৃত্তিমূলক দিশ নির্দেশনা আৰু পৰামর্শ প্রদান কৰাৰ ক্ষেত্রতো উপযোগী, ইয়াৰ উপৰিও নিয়োগ, ব্যৱসায়, উদ্যোগ আৰু বহুতো আন কাম-কাজৰ ক্ষেত্রতো ইয়াৰ ব্যৱহাৰ আছে, যিসমূহে বহু লোকৰ জীৱনত প্রভাৱ পেলায়।

যিহেতু আমি পূর্বৰ **অধ্যায়**ত মানসিক অভীক্ষাৰ ইতিহাস আৰু ধাৰণাৰ বিষয়ে ইতিমধ্যে বিশদভাৱে আলোচনা কৰিছোঁ, সেয়েহে ইয়াত আমি মান্যকৃত অভীক্ষাৰ অর্থ, অভীক্ষা নির্মাণৰ নীতি আৰু পদ্ধতিসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিম।

৪.৩ মানসিক অভীক্ষাৰ অর্থ

এটা মানসিক অভীক্ষা হৈছে কিছুমান প্রশ্নৰ সমষ্টি, যাৰ উত্তৰ দিয়াৰ প্রয়োজন হয়, অথবা কিছুমান কাম (কার্য্য) যি মনোবিজ্ঞানী বা শিক্ষকসকলে সম্পাদন কৰাটো প্রয়োজন হয়। এনে প্রশ্ন বা কামসমূহৰ সমষ্টি ব্যক্তিগত বা গোটৰ বুদ্ধিমত্তা, জ্ঞান, দক্ষতা অথবা ব্যক্তিত্বৰ আন গুণাৱলী মাপিবলৈ ব্যৱহাৰ কৰা হয়।

এই প্রশ্ন বা কামসমূহৰ সমষ্টি (অভীক্ষা)ৰ প্রয়োজন এইকাৰণে যে বুদ্ধিমত্তা, সাফল্য বা এনে আন কোনো গুণ বা বৈশিষ্ট্য শাৰীৰিক জগতৰ বস্তুসমূহৰ দৰে সোজাকৈ মাপিব পৰা নহয়। শাৰীৰিক জগতৰ বস্তুসমূহৰ মাপ সোজা আৰু সহজ, কাৰণ এনে মাপ বিশ্বব্যাপী গ্রহণযোগ্য মানদণ্ডযুক্ত উপকৰণ আৰু এককৰ সহায়ত কৰিব পাৰি।

ইয়াৰ বিপৰীতে, মানসিক মাপ য'ত জ্ঞান, দক্ষতা, যোগ্যতা, সাফল্য বা ব্যক্তিত্বৰ আন কোনো গুণৰ মাপ অন্তর্ভুক্ত থাকে, সেয়া মানুহৰ আচৰণত প্রকাশ নোহোৱা পর্যন্ত মাপিব পৰা নহয়।

সেয়েহে, মাপ কৰিবলগীয়া এই বিমূর্ত গুণ বা বৈশিষ্ট্যসমূহক ব্যক্তিৰ আচৰণত স্পষ্ট কৰি তোলাটো প্রয়োজনীয়, যাতে ইয়াক মাপ কৰিব পৰা যায়। এই উদ্দেশ্যে, প্রশ্ন বা কামৰ ৰূপত কিছুমান উদ্দীপক (stimuli) সেই ব্যক্তি বা বিষয়বস্তুসকলক দিয়া হয়, যাৰ আচৰণ মাপ কৰা হৈছে, যাতে তেওঁলোকৰ প্রতিক্রিয়াসমূহ পর্যবেক্ষণ, নথিভুক্ত আৰু মাপ কৰিব পৰা যায়।

উত্তৰ দিবলগীয়া প্রশ্নসমূহ বা সম্পাদন কৰিবলগীয়া কামসমূহ এইদৰে নির্বাচিত বা গঢ়া হয় যে, অভীক্ষার্থীৰ (testee) এনে প্রশ্ন বা কামৰ প্রতি দিয়া প্রতিক্রিয়াই মাপ কৰিবলগীয়া গুণ বা বৈশিষ্ট্যসমূহক স্পষ্ট আৰু মাপযোগ্য কৰি তোলে।

এইদৰে, এটা মানসিক অভীক্ষাক সাৱধানে নির্বাচিত উদ্দীপকসমূহৰ এটা সমষ্টি হিচাপে বুজিব পাৰি, যিবোৰ প্রশ্নৰ ৰূপত উত্তৰ দিবলগীয়া বা কামৰ ৰূপত সম্পাদন কৰিবলগীয়া হয়, যাতে এটা নির্দিষ্ট মানসিক গুণ বা বৈশিষ্ট্য মাপিবলৈ প্রয়োজনীয় আচৰণৰ এটা নমুনা আহৰণ কৰিব পৰা যায়।

এই প্রসংগত মনোবিজ্ঞানী মার্শেলে দিয়া সংজ্ঞাটো উল্লেখযোগ্য—("A psychological test may be defined as a pattern of stimuli, selected and organised to elicit responses which reveal certain characteristics in the person who takes them.") "এটা মানসিক অভীক্ষাক এনে এক ধৰণৰ উদ্দীপকৰ বিন্যাস হিচাপে সংজ্ঞায়িত কৰিব পাৰি, যাক নির্বাচন আৰু সংগঠিত কৰা হয় যাতে এনে প্রতিক্রিয়া আহৰণ কৰিব পৰা যায় যিয়ে সেই ব্যক্তি জনৰ কিছুমান বৈশিষ্ট্য প্রকাশ কৰে, যিজনে এইবোৰ গ্রহণ কৰে।"

কিন্তু, এই সংজ্ঞাই মানসিক অভীক্ষাৰ সকলো বৈশিষ্ট্য অন্তর্ভুক্ত নকৰে। সেয়ে, তলত মানসিক অভীক্ষাৰ কিছুমান গুৰুত্বপূর্ণ সংজ্ঞা দিয়া হ'ল—

Frank S. Freemanৰ মতে, "এটা মানসিক অভীক্ষা হৈছে এটা মান্যকৃত উপকৰণ, যি উদ্দেশ্যমূলকভাৱে ব্যক্তিত্বৰ সম্পূর্ণতাৰ এটা বা অধিক দিশ মাপিবলৈ প্রস্তুত কৰা হয়, যি মৌখিক বা অমৌখিক প্রতিক্রিয়াৰ নমুনা অথবা আন আচৰণৰ মাধ্যমৰে সম্পন্ন কৰা হয়।"("A psychological test is a standardized instrument designed to measure objectively one or more aspects of a total personality by means of samples of verbal or non-verbal responses, or by means of other behaviours.)

Anne Anastasi আৰু Susana Urbina য়ে এটা মানসিক অভীক্ষাৰ সংজ্ঞা এইদৰে দিছে যে, ই হৈছে আচৰণৰ এটা নমুনাৰ উদ্দেশ্যমূলক আৰু মান্যকৃত মাপ।

A. K. Singh য়ে কৈছে যে, "এটা মানসিক বা শৈক্ষিক অভীক্ষা হৈছে এটা মান্যকৃত পদ্ধতি, যাৰ সহায়ত মৌখিক বা অমৌখিক আচৰণৰ এটা নমুনাৰ মাধ্যমে কোনো এটা বা একাধিক গুণৰ দিশ পৰিমাণগত বা গুণগতভাৱে মাপ কৰা হয়।" ("A psychological or educational test is a standardized procedure to measure quantitatively or qualitatively one or more than one aspect of a trait by means of a sample of verbal or non verbal behavior)

Robert McIntire আৰু Lawrence A. Millerৰ ভাষাত, "মানসিক অভীক্ষাসমূহ হৈছে এনে উপকৰণ, যিয়ে অভীক্ষার্থীক কিছুমান আচৰণ সম্পাদন কৰিবলৈ প্রয়োজন কৰে। সম্পাদিত এই আচৰণ ব্যৱহাৰ কৰা হয় কিছুমান ব্যক্তিগত বৈশিষ্ট্য, গুণ বা ধর্ম—যেনে বুদ্ধিমত্তা—মাপিবলৈ, যাক আচৰণ বর্ণনা আৰু বুজিবলৈ গুৰুত্বপূর্ণ বুলি ধৰা হয়।" (Psychological tests are instruments that require the testee to perform some behaviour. The behaviour performed is used to measure some personal attribute, trait or characteristic - such as intelligence - that is thought to be important in describing and understanding the behaviour.)

উপৰোক্ত মানসিক অভীক্ষাৰ সংজ্ঞাসমূহৰ বিশ্লেষণে আমাক এই সিদ্ধান্তত উপনীত হ'বলৈ সহায় কৰে যে, এটা অভীক্ষাত কিছুমান বিষয়বস্তু বা কাম অন্তর্ভুক্ত থাকে, যিবোৰ অভীক্ষার্থীয়ে সম্পাদন কৰে আৰু যিয়ে তেওঁৰ আচৰণৰ এটা নমুনা উদ্দীপিত কৰে। এনে আচৰণৰ নমুনাই পৰোক্ষভাৱে সেই ব্যক্তিত্বৰ গুণ বা বৈশিষ্ট্য প্রকাশ কৰে, যাক মাপ কৰা হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. মানসিক অভীক্ষাৰ সংজ্ঞা দিয়ক।

৪.৪ মান্যকৃত অভীক্ষাৰ অর্থ আৰু বৈশিষ্ট্যসমূহ

এটা মান্যকৃত অভীক্ষা হৈছে এনে এক অভীক্ষা, যাক সকলো অভীক্ষার্থীৰ বাবে একে পদ্ধতিত পৰিচালনা (administer), মূল্যায়ন (score) আৰু ব্যাখ্যা (interpret) কৰা হয়। এটা মান্যকৃত অভীক্ষাই অভীক্ষা পৰিচালনা আৰু মূল্যায়নৰ পদ্ধতিত একৰূপতা (uniformity) স্থাপন কৰে। এই পদ্ধতিগত একৰূপতা অতি গুৰুত্বপূর্ণ, কাৰণ ই বিভিন্ন ব্যক্তিয়ে লাভ কৰা স্কৰসমূহ তুলনাযোগ্য কৰি তোলে।

Lee J. Cronbachৰ মতে, এটা মান্যকৃত অভীক্ষা হৈছে এনে এক অভীক্ষা, য'ত পদ্ধতি, উপকৰণ আৰু মূল্যায়ন পদ্ধতি পূর্বে নির্ধাৰিত থাকে, যাতে একেই অভীক্ষা বিভিন্ন সময় আৰু ঠাইত একে ধৰণে প্রয়োগ কৰিব পৰা যায়।

এটা মান্যকৃত অভীক্ষাৰ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহে ইয়াৰ অর্থ অধিক স্পষ্ট কৰে—

- এটা মান্যকৃত অভীক্ষা একে ধৰণৰ পৰিস্থিতিত পৰিচালনা কৰা হয়; ক'ত, কেতিয়া, কাৰ দ্বাৰা বা কাক উদ্দেশ্য কৰি অভীক্ষাটো লোৱা হৈছে সেয়া গুৰুত্বপূর্ণ নহয়—ই সদায় একে পদ্ধতিত সম্পন্ন কৰা হয়।
- এটা মান্যকৃত অভীক্ষা সদায় উদ্দেশ্যমূলক আৰু মানদণ্ডযুক্ত বা সামঞ্জস্যপূর্ণ ধৰণে মূল্যায়ন কৰা হয়; মূল্যায়নৰ পদ্ধতিসমূহ এনে ধৰণে নির্ধাৰিত থাকে যে বিভিন্ন মূল্যায়নকাৰীয়ে একেই প্রতিক্রিয়াৰ বাবে একেই স্ক'ৰ লাভ কৰে।
- এটা মান্যকৃত অভীক্ষাত সকলো অভীক্ষার্থীয়ে একেই প্রশ্নসমূহ একে ধৰণে উত্তৰ দিব লাগে।
- মান্যকৃত অভীক্ষাত বিভিন্ন ব্যক্তি বা গোটে লাভ কৰা স্ক'ৰসমূহ তুলনা কৰিব পৰা যায়, যাতে ব্যক্তিগত বা গোটগত শিক্ষার্থীৰ আপেক্ষিক (relative) কার্যসম্পাদন মূল্যায়ন কৰিব পৰা যায়।
- মান্যকৃত অভীক্ষাসমূহ সাধাৰণতে ব্যক্তি বা গোটৰ আপেক্ষিক কার্যসম্পাদন মাপিবলৈ প্রস্তুত কৰা হয়। সেয়ে, ব্যক্তি বা গোটৰ কার্যসম্পাদন তুলনা কৰাৰ বাবে মানদণ্ড (norms) স্থাপন কৰাটো মান্যকৃত অভীক্ষা নির্মাণৰ এটা গুৰুত্বপূর্ণ অংশ।
- মান্যকৃত অভীক্ষাৰ বাবে নির্দেশনা প্রস্তুত কৰাটো ইয়াৰ নির্মাণৰ এটা গুৰুত্বপূর্ণ অংশ। এই নির্দেশনাসমূহত ব্যৱহাৰ কৰিবলগীয়া সামগ্রী, দিয়া সময়সীমা, প্রতিক্রিয়াদাতাসকলক দিয়া মৌখিক নির্দেশনা আৰু প্রদর্শন, আৰু পৰীক্ষাৰ পৰিস্থিতিৰ সকলো বিৱৰণ উল্লেখ কৰা থাকে।
- মান্যকৃত অভীক্ষাসমূহ উচ্চমানৰ নির্ভৰযোগ্য (reliable) আৰু বৈধ (valid) হয়।

৪.৫ অভীক্ষা নির্মাণৰ নীতি-নিয়মসমূহ

মানসিক অভীক্ষা নির্মাণ আৰু ইয়াৰ মান্যকৰণ সুপৰিকল্পিত আৰু পদ্ধতিগত হ'ব লাগিব। অভীক্ষা নির্মাণৰ সময়ত কিছুমান মৌলিক নীতি মানি চলা উচিত, যিবোৰে অভীক্ষা নির্মাতাসকলক পথপ্রদর্শন কৰে। এনে কিছুমান গুৰুত্বপূর্ণ নীতি তলত দিয়া হ'ল—

- মানসিক অভীক্ষা নির্মাণ সদায় উপযুক্ত পৰিকল্পনাৰে আৰম্ভ হ'ব লাগিব। পৰিকল্পনা কৰাৰ সময়ত অভীক্ষাৰ উদ্দেশ্য, ক্ষেত্র, নির্দিষ্ট লক্ষ্যসমূহ, অভীক্ষাৰ প্রশ্নৰ ধৰণ আৰু ইয়াৰ কার্যকাৰিতা, খৰচ আৰু ব্যৱহাৰিকতা বিবেচনা কৰিব লাগিব।
- অভীক্ষা নির্মাণৰ আন এটা গুৰুত্বপূর্ণ নীতি হৈছে লক্ষ্যসমূহ আচৰণগত আৰু স্পষ্ট শব্দত সংজ্ঞায়িত কৰা, যি পৰীক্ষাৰ বাবে পথপ্রদর্শক হিচাপে কাম কৰিব।
- অভীক্ষাৰ জৰিয়তে আৱৰি ধৰা বিষয়বস্তুসমূহ স্পষ্টভাৱে নির্ধাৰিত হ'ব লাগিব।
- অভীক্ষা নির্মাণৰ বাবে এটা ব্লুপ্রিণ্ট (blueprint) প্রস্তুত কৰিব লাগিব। এই ব্লুপ্রিণ্টত বিষয়বস্তুৰ প্রতিটো বিষয়ৰ অধীনত অন্তর্ভুক্ত কৰিবলগীয়া প্রশ্নৰ সংখ্যা উল্লেখ থাকিব।
- প্রার্থীৰ বাবে দিয়া নির্দেশনাসমূহ স্পষ্ট, দ্ব্যর্থতামুক্ত আৰু নির্দিষ্ট হ'ব লাগিব।
- অভীক্ষাসমূহ এনে প্রশ্নসমূহ অন্তর্ভুক্ত কৰি নির্মাণ কৰিব লাগিব, যিয়ে সকলো শিক্ষণ উদ্দেশ্য মাপিবলৈ সহায় কৰে।
- নির্দিষ্ট উদ্দেশ্যৰ বাবে উপযুক্ত প্রশ্ন ব্যৱহাৰ কৰিব লাগিব। ই নিশ্চিত কৰিব লাগিব যে প্রশ্নসমূহে কেৱল তথ্য মনত পেলোৱাৰ পৰিবর্তে উচ্চমানৰ মানসিক ক্ষমতা পৰীক্ষা কৰিব পাৰে। অভীক্ষা নির্মাণৰ এটা গুৰুত্বপূর্ণ নীতি হৈছে অভীক্ষাটো নির্ভৰযোগ্য, বৈধ আৰু উদ্দেশ্যমূলক কৰি তোলা। এটা অভীক্ষা নির্ভৰযোগ্য হয় যেতিয়া ই সদায় একে ফলাফল দিয়ে; বৈধ হয় যেতিয়া ই যি মাপিবলৈ উদ্দেশ্য কৰা হৈছে তাকেই মাপে; আৰু উদ্দেশ্যমূলক হয় যেতিয়া স্কৰ মাপ লোৱা ব্যক্তিৰ প্রভাৱৰ পৰা মুক্ত থাকে।
- সন্দেহজনক উত্তৰ থকা, অগুৰুত্বপূর্ণ, অর্থহীন বা দ্ব্যর্থতাপূর্ণ প্রশ্নসমূহ পৰিহাৰ কৰিব লাগিব।
- প্রশ্নসমূহৰ ভাষা স্পষ্ট আৰু সৰল হ'ব লাগিব। একে সময়তে, অলংকাৰশাস্ত্র, ব্যাকৰণ আৰু যতি-চিহ্নৰ নিয়মসমূহ কঠোৰভাৱে মানি চলিব লাগিব।
- স্পষ্ট উত্তৰ নাথকা যিকোনো প্রশ্ন পৰিহাৰ কৰিব লাগিব।
- জটিল বা ধোঁৰাশালী (tricky) প্রশ্নসমূহ পৰিহাৰ কৰিব লাগিব।
- এনে প্রশ্নসমূহ পৰিহাৰ কৰিব লাগিব, যিবোৰে আন প্রশ্নৰ উত্তৰ আগতেই প্রকাশ কৰি দিয়ে।

৪.৬ অভীক্ষা নির্মাণ আৰু মান্যকৰণৰ পদ্ধতিসমূহ

অভীক্ষা নির্মাণ এটা অত্যন্ত জটিল আৰু বিস্তৃত প্রক্রিয়া। যেতিয়া কোনোবাই এটা মানসিক অভীক্ষা নির্মাণ কৰিব বিচাৰে, তেতিয়া বহুতো গুৰুত্বপূর্ণ কাৰক বিবেচনা কৰিব লাগে। সকলো ধৰণৰ অভীক্ষাৰ ক্ষেত্রতে কিছুমান সাধাৰণ দিশ থাকে, যিবোৰ অভীক্ষা নির্মাণৰ সময়ত যত্ন ল'বলগীয়া। এই কাৰক বা দিশসমূহৰ ভিতৰত গুৰুত্বপূর্ণ হ'ল—যি ক্ষেত্রত অভীক্ষাটো নির্মাণ কৰা হ'ব, যি বয়সৰ গোট আৰু যি শ্রেণীৰ বাবে অভীক্ষাটো প্রস্তুত কৰা হ'ব।

ইয়াৰ উপৰিও, অভীক্ষাটোৱে পূৰণ কৰিবলগীয়া সাধাৰণ বা নির্দিষ্ট উদ্দেশ্যটো বিবেচনা কৰা প্রয়োজন। এইবোৰ দিশৰ উপৰিও, মানসিক অভীক্ষা নির্মাণৰ সময়ত কিছুমান গুৰুত্বপূর্ণ ধাপ অনুসৰণ কৰিব লাগে। তলত সেই গুৰুত্বপূর্ণ ধাপসমূহ উল্লেখ কৰা হ'ল—

১. অভীক্ষাৰ পৰিকল্পনা (Planning the Test): অভীক্ষা নির্মাণৰ প্রথম গুৰুত্বপূর্ণ ধাপ হৈছে অভীক্ষাৰ পৰিকল্পনা। এই ধাপত অভীক্ষা নির্মাতাই আন গুৰুত্বপূর্ণ দিশসমূহ বিবেচনা কৰাৰ লগতে পৰীক্ষাৰ উদ্দেশ্যসমূহ নির্ধাৰণ কৰিব লাগিব।

যি বিষয়ৰ ওপৰত অভীক্ষাটো প্রস্তুত কৰা হ'ব, সেই বিষয় বা পাঠ্যসূচীৰ বিশ্লেষণ, লক্ষ্যভুক্ত জনসমষ্টি (target population)ৰ বিবেচনা, যি সীমাবদ্ধতাৰ ভিতৰত অভীক্ষাটো নির্মাণ কৰা হ'ব, ব্যৱহাৰ কৰিবলগীয়া প্রশ্নসমূহৰ দৈর্ঘ্য আৰু প্রকৃতি, মূল্যায়ন (scoring) আৰু ব্যাখ্যাৰ পদ্ধতি আদি—এই সকলোবোৰ গুৰুত্বপূর্ণ বিষয়, যিবোৰে অভীক্ষাৰ পৰিকল্পনাৰ সময়ত বিশেষ মনোযোগ দাবী কৰে।

সেয়েহে, পৰিকল্পনাৰ পর্যায়ত অভীক্ষা নির্মাতাই তলত উল্লেখ কৰা ধাপসমূহ অনুসৰণ কৰিব লাগিব—

•অভীক্ষাৰ উদ্দেশ্যসমূহ নির্ধাৰণ (Determination of the objectives of the test):মানসিক অভীক্ষাসমূহ বিভিন্ন উদ্দেশ্যৰে নির্মাণ কৰা হ'ব পাৰে। এটা মানসিক অভীক্ষাৰ উদ্দেশ্যসমূহ শিক্ষার্থীসকলৰ প্রৱেশ আচৰণ (entry behaviour) মাপ কৰা, তেওঁলোকৰ শিক্ষণ প্রক্রিয়াৰ সময়ত তেওঁলোকৰ কার্যসম্পাদনত শিক্ষাদানৰ প্রভাৱ নির্ণয় কৰা, অথবা তেওঁলোকৰ অন্তিম আচৰণ (terminal behaviour) মাপ কৰা আদি বিভিন্ন হ'ব পাৰে।

ইয়াৰ উপৰিও, মানসিক অভীক্ষাসমূহ বুদ্ধিমত্তা, যোগ্যতা, আগ্রহ, ব্যক্তিত্ব আদি বিভিন্ন মানসিক গুণ বা বৈশিষ্ট্য মাপিবলৈও প্রস্তুত কৰা হ'ব পাৰে। সেয়ে, অভীক্ষা নির্মাণৰ আৰম্ভণিতেই কোন উদ্দেশ্য বা লক্ষ্য লৈ অভীক্ষাটো প্রস্তুত কৰা হ'ব সেয়া নির্ধাৰণ কৰাটো অত্যন্ত গুৰুত্বপূর্ণ। উদ্দেশ্যসমূহ স্পষ্টভাৱে নির্ধাৰণ কৰাৰ পিছতহে অভীক্ষা নির্মাণৰ পৰৱর্তী ধাপসমূহ আগবঢ়াব পাৰি।

•ব্লুপ্রিণ্ট প্রস্তুত কৰা (Preparation of the Blue-print): অভীক্ষাৰ পৰিকল্পনাৰ সময়ত অভীক্ষা নির্মাতাই ল'বলগীয়া দ্বিতীয় গুৰুত্বপূর্ণ ধাপ হৈছে এটা ব্লুপ্রিণ্ট বা অভীক্ষাৰ নির্দিষ্টকৰণ (test-specifications) প্রস্তুত কৰা।

এটা অভীক্ষা ব্লুপ্রিণ্ট হৈছে এনে এখন দস্তাবেজ, যিয়ে অভীক্ষাৰ বিষয়বস্তু প্রতিফলিত কৰে। ইয়াত শিক্ষণ উদ্দেশ্যসমূহ, সেই উদ্দেশ্যসমূহৰ সৈতে মিল খোৱা প্রশ্ন বা কামসমূহ, আৰু শিক্ষণৰ ক্ষেত্র (learning domains) আৰু সেইসমূহৰ স্তৰসমূহ অন্তর্ভুক্ত থাকে।

এইদৰে, এটা অভীক্ষা ব্লুপ্রিণ্ট হৈছে সেই পৰিকল্পনা, যাক অভীক্ষা নির্মাণৰ সময়ত সৃষ্টি আৰু ব্যৱহাৰ কৰা হয়। ব্লুপ্রিণ্ট প্রস্তুত কৰাৰ বাবে তলত দিয়া দিশসমূহৰ প্রয়োজন হয়—

পৰীক্ষাৰ বাবে নির্বাচিত সকলো বিষয় বা ইউনিটসমূহ আৰু প্রতিটো বিষয় বা ইউনিটৰ বাবে নির্ধাৰিত সময় তলৰ উদাহৰণত দেখুওৱাৰ দৰে তালিকাভুক্ত কৰিব লাগিব—

ধাৰাবাহিক নং	বিষয়/ইউনিট	পাঠদানৰ সময়
১	সৌৰজগত	১৬
২	পানীৰ জগত	১০
৩	খাদ্য আৰু পুষ্টি	৮
৪	যোগাযোগৰ উপায়সমূহ	৮
৫	আমাৰ পৰিবেশ	১২
	মুঠ ঘণ্টা:	৫৪

বিভিন্ন বিষয়বস্তু ক্ষেত্রসমূহৰ বাবে ওজন (weightage) বা নম্বৰ নির্ধাৰণ কৰিব লাগিব, যাৰ বাবে প্রতিটো বিষয়ৰ বাবে শতাংশ গণনা কৰি নম্বৰ সামঞ্জস্য কৰা হয়, তলত দেখুওৱা ধৰণে—

পাঠদানৰ সময় (প্রতিটো বিষয়) × ১০০মুঠ ঘণ্টা

ধাৰাবাহিক নং	বিষয়/ ইউনিট	পাঠদানৰ সময়	গণনা	শতাংশ
১ ।	সৌৰজগত	১৬	১৬/৫৪ × ১০০	২৯.৬ ≈ ৩০
২ ।	পানীৰ জগত	১০	১০/৫৪ × ১০০	১৮.৫ ≈ ১৮
৩ ।	খাদ্য আৰু পুষ্টি	৮	৮/৫৪ × ১০০	১৪.৮ ≈ ১৫
৪ ।	যোগাযোগৰ উপায়সমূহ	৮	৮/৫৪ × ১০০	১৪.৮ ≈ ১৫
৫ ।	আমাৰ পৰিবেশ	১২	১২/৫৪ × ১০০	২২.২ ≈ ২২
		মুঠ ঘণ্টা: ৫৪		মুঠ শতাংশ: ১০০

• তলৰ উদাহৰণত দেখুওৱাৰ দৰে বিভিন্ন শিক্ষণ উদ্দেশ্যসমূহৰ বাবে আৰু অন্তর্ভুক্ত কৰিবলগীয়া বিভিন্ন ধৰণৰ প্রশ্নসমূহৰ বাবে ওজন (weightage) নির্ধাৰণ কৰিব পাৰি—

শিক্ষণ উদ্দেশ্যসমূহ	প্রশ্নৰ ধৰণ			মুঠ
	বস্তুগত ধৰণ	চুটি উত্তৰ ধৰণ	প্রবন্ধধৰণ	
জ্ঞান	৩			৩
বুজন	১০	৭		১৭

প্রয়োগ	৭	১৪	১৫	৩৬
বিশ্লেষণ		৭	১৫	২২
সংযোজন		৭	১৫	২২
মূল্যায়ন				
মুঠ	২০	৩৫	৪৫	১০০

বিৱৰণ সূচী (Table of Specification) বা ব্লুপ্রিণ্ট প্রস্তুত

তলৰ সূচীখনত দেখুওৱা ধৰণে বিষয়সমূহ, শিক্ষণ উদ্দেশ্যসমূহ আৰু বিভিন্ন ধৰণৰ প্রশ্নৰ মাজত সম্পর্ক স্থাপন কৰি এটা বিৱৰণ সূচী (blueprint) প্রস্তুত কৰা হয়—

বিষয়সমূহ/ শিক্ষণ উদ্দেশ্য	**জ্ঞান (Knowledge)**			**বুজন (Understanding)**			**প্রয়োগ (Application)**			**মুঠ**
	অতি চুটি	চুটি	প্রবন্ধ ধৰণৰ	অতি চুটি	চুটি	প্রবন্ধ ধৰণৰ	অতি চুটি	চুটি	প্রবন্ধ ধৰণৰ	
সৌৰজগত	১	২	------	১	৪	-----	-----	৭	১৫	৩০
পানীৰ জগত	১			২					১৫	১৮
খাদ্য আৰু পুষ্টি	১			১	৩		৪	৬		১৫
যোগাযোগৰ উপায়সমূহ	২	৬		২	৫					১৫
আমাৰ পৰিবেশ	১	২		৩		১৫	১			২২
সর্বমুঠ	৬	১০		৯	১২	১৫	৫	১৩	৩০	১০০

২. অভীক্ষাৰ প্রথম খচৰা প্রস্তুত কৰা (Preparing the first draft of the test):

অভীক্ষাৰ পৰিকল্পনা কৰাৰ পিছত, ব্লুপ্রিণ্টৰ আধাৰত অভীক্ষাৰ প্রথম খচৰা প্রস্তুত কৰাটো অভীক্ষা নির্মাণৰ দ্বিতীয় গুৰুত্বপূর্ণ ধাপ। এই ধাপত অভীক্ষাৰ বাবে প্রশ্নসমূহ, অভীক্ষার্থীৰ বাবে নির্দেশনাসমূহ আৰু স্ক'ৰিং কী (scoring key) প্রস্তুত কৰা হয়। অভীক্ষাৰ বাবে প্রশ্ন প্রস্তুত কৰাটো আটাইতকৈ গুৰুত্বপূর্ণ কাম, য'ত অভীক্ষা নির্মাতাই অত্যন্ত সতর্কতা অৱলম্বন কৰিব লাগে। তলত উল্লেখ কৰা নির্দেশনাসমূহে অভীক্ষাৰ বাবে প্রশ্ন প্রস্তুত কৰাত সহায় কৰে—

- প্রশ্নসমূহ অভীক্ষাৰ উদ্দেশ্যসমূহৰ সৈতে সম্পর্কিত হ'ব লাগিব; অর্থাৎ প্রশ্নসমূহে নির্দিষ্ট শিক্ষণ ফলাফল বা উদ্দেশ্যত উল্লেখ কৰা গুণ বা কার্যসম্পাদন মাপ কৰিব লাগিব।
- প্রশ্নসমূহে সম্পূর্ণ বিষয়বস্তু বা ক্ষেত্র আৰু সকলো শিক্ষণ উদ্দেশ্য প্রতিনিধিত্ব কৰিব লাগিব।

- প্রশ্নসমূহ স্পষ্টভাৱে লিখা হ'ব লাগিব আৰু দ্ব্যর্থতাপূর্ণ নহ'ব লাগে। অভীক্ষার্থীয়ে সহজে প্রশ্নটো বুজিব পাৰিব লাগিব।
- প্রশ্নসমূহৰ কঠিনতাৰ স্তৰ উপযুক্ত হ'ব লাগিব।
- প্রশ্নসমূহ ব্যাকৰণগতভাৱে শুদ্ধ হ'ব লাগিব আৰু অভীক্ষার্থীসকলক কোনো সংকেত (cue) দিব নালাগে।
- স্পষ্ট উত্তৰ নথকা প্রশ্নসমূহ অভীক্ষাত অন্তর্ভুক্ত কৰিব নালাগে।
- আন প্রশ্নৰ উত্তৰ দিয়া থাকে এনে প্রশ্নসমূহ পৰিহাৰ কৰিব লাগিব।
- অভীক্ষাৰ প্রশ্নসমূহ প্রযুক্তিগতভাৱে শুদ্ধ হ'ব লাগিব; অর্থাৎ ই নির্ভৰযোগ্য, বৈধ আৰু উদ্দেশ্যমূলক হ'ব লাগিব।

অভীক্ষা নির্মাণৰ আন এটা গুৰুত্বপূর্ণ দিশ, যি প্রশ্ন প্রস্তুতিৰ সৈতে একেলগে আগবাঢ়ে, সেয়া হৈছে অভীক্ষাৰ বাবে নির্দেশনা প্রস্তুত কৰা। অভীক্ষাৰ প্রযুক্তিগত গুণাবলী যেনে বৈধতা আৰু নির্ভৰযোগ্যতা, বহুলাংশে নির্দেশনাৰ স্পষ্টতাৰ ওপৰত নির্ভৰ কৰে। সেয়ে, অভীক্ষাৰ নির্দেশনাসমূহত অভীক্ষাৰ উদ্দেশ্য স্পষ্টকৈ উল্লেখ থাকিব লাগিব, অভীক্ষা সম্পূর্ণ কৰাৰ বাবে দিয়া সময়সীমা উল্লেখ কৰিব লাগিব, প্রশ্নসমূহ কেনেকৈ উত্তৰ দিব লাগে সেই বিষয়ে স্পষ্ট নির্দেশনা দিব লাগিব, উত্তৰসমূহ কেনেকৈ নথিভুক্ত কৰা হ'ব সেইটো উল্লেখ কৰিব লাগিব, আৰু অনুমান (guessing)ৰ প্রভাৱক কেনেকৈ গুৰুত্ব দিয়া হ'ব সেয়াও উল্লেখ কৰিব লাগিব।

একেদৰে, অভীক্ষা নির্মাতাই স্কৰিং কী প্রস্তুত কৰিব লাগিব আৰু প্রশ্নসমূহ কেনেকৈ মূল্যায়ন কৰা হ'ব তাৰ পদ্ধতিও ব্যাখ্যা কৰিব লাগিব।

কিছুমান অভীক্ষা বিশেষজ্ঞই পৰামর্শ দিয়ে যে অভীক্ষাৰ প্রাথমিক খচৰাটো বিশেষজ্ঞসকলৰ মতামতৰ বাবে প্রেৰণ কৰিব লাগে আৰু লক্ষ্য জনসমষ্টিৰ এটা সৰু নমুনাত ইয়াক প্রয়োগ কৰি তেওঁলোকৰ প্রতিক্রিয়াসমূহ বিশ্লেষণ কৰিব লাগে। এই প্রক্রিয়াক অভীক্ষাৰ "সৰু গোটৰ প্রয়োগ" (small group try out) বোলা হয়।

বিশেষজ্ঞসকলৰ মতামত আৰু সৰু গোটৰ প্রয়োগৰ পোহৰত অভীক্ষাৰ প্রাথমিক খচৰাত অধিক সংশোধনৰ প্রয়োজন হ'ব পাৰে। এইদৰে, পৰৱর্তী ধাপত বৃহৎ নমুনাত প্রয়োগ কৰাৰ বাবে প্রাথমিক খচৰাটো প্রস্তুত কৰা হয়।

৩. অভীক্ষাৰ প্রয়োগ (Trying out the test):

অভীক্ষাৰ প্রাথমিক খচৰা প্রস্তুত হোৱাৰ পিছত, যি জনসমষ্টিৰ বাবে অভীক্ষাটো নির্মাণ কৰা হৈছে সেই জনসমষ্টিৰ এটা ডাঙৰ আৰু যাদৃচ্ছিকভাৱে নির্বাচিত প্রতিনিধিত্বমূলক নমুনাত ইয়াক প্রয়োগ কৰিব লাগিব। এই প্রয়োগে অভীক্ষাৰ বৈধতা, নির্ভৰযোগ্যতা আৰু ব্যৱহাৰযোগ্যতা নির্ধাৰণ কৰাত সহায়

কৰে। ইয়াৰ উপৰিও, ই ত্রুটিপূর্ণ প্রশ্নসমূহ উন্নত কৰা আৰু অপ্রয়োজনীয় প্রশ্নসমূহ বাদ দিয়াত সহায় কৰে।

অভীক্ষাৰ প্রয়োগে প্রশ্নসমূহৰ কঠিনতাৰ স্তৰ আৰু বিভেদকাৰী ক্ষমতা (discriminating power) নির্ধাৰণ কৰাতো সহায় কৰে। যি নমুনাত অভীক্ষাটো প্রয়োগ কৰা হয়, তাত দুর্বল, ভাল আৰু মেধাৰী শিক্ষার্থীসকল অন্তর্ভুক্ত থাকিব লাগিব। শাৰীৰিক আৰু মানসিক অৱস্থা সাধাৰণ হ'ব লাগিব। ইয়াৰ লগতে নিশ্চিত কৰিব লাগিব যে অভীক্ষাৰ পৰিস্থিতি কোনো অপ্রয়োজনীয় কাৰকৰ দ্বাৰা প্রভাৱিত নহয়। উপযুক্ত পর্যবেক্ষণ (invigilation), বহাৰ ব্যৱস্থা, পোহৰ আৰু আন প্রয়োজনীয় পৰিস্থিতিসমূহ সঠিকভাৱে সাজু থাকিব লাগিব।

অভীক্ষা প্রয়োগ কৰাৰ পিছত, পূর্বতে প্রস্তুত কৰা স্কৰিং কী আৰু পদ্ধতি অনুসৰি উত্তৰপত্রসমূহৰ মূল্যায়ন কৰিব লাগিব।

৪. প্রশ্ন বিশ্লেষণ (Item analysis):

অভীক্ষাৰ প্রাথমিক খচৰা প্রয়োগ আৰু মূল্যায়নৰ পিছত, প্রশ্নসমূহ বিশ্লেষণ কৰাৰ কাম আৰম্ভ হয়। প্রশ্ন বিশ্লেষণৰ মুখ্য উদ্দেশ্য হৈছে ভৰিষ্যতৰ বাবে অভীক্ষাৰ প্রশ্নসমূহৰ গুণগত মান উন্নত কৰা। সহজ অর্থত, প্রশ্ন বিশ্লেষণ মানে হৈছে প্রশ্নসমূহৰ আপেক্ষিক কঠিনতাৰ স্তৰ আৰু বিভেদকাৰী ক্ষমতা নির্ধাৰণ কৰা।

প্রশ্ন বিশ্লেষণে অত্যন্ত সহজ বা অত্যন্ত কঠিন প্রশ্নসমূহ বাদ দিবলৈ সহায় কৰে। সাধাৰণতে, যি প্রশ্ন বেছি সংখ্যক প্রতিক্রিয়াদাতাই সঠিকভাৱে উত্তৰ দিয়ে, তাক অত্যন্ত সহজ বুলি ধৰা হয়; আৰু যি প্রশ্ন মাত্র অলপসংখ্যক প্রতিক্রিয়াদাতাই সঠিকভাৱে উত্তৰ দিয়ে, তাক অত্যন্ত কঠিন বুলি ধৰা হয়। সেয়ে, মাত্র মধ্যম বা উপযুক্ত কঠিনতাৰ স্তৰৰ প্রশ্নসমূহেই অভীক্ষাৰ চূড়ান্ত খচৰাত ৰাখা হয়।

প্রশ্নসমূহৰ কঠিনতাৰ স্তৰ নির্ধাৰণ কৰাৰ লগতে, বিভেদকাৰী ক্ষমতা নির্ধাৰণ কৰাটোও প্রশ্ন বিশ্লেষণৰ আন এটা গুৰুত্বপূর্ণ কাম। বিভেদকাৰী ক্ষমতা বুলিলে বুজায় যে প্রশ্নসমূহে ভাল (বেছি জনা) আৰু দুর্বল (কম জনা) শিক্ষার্থীৰ মাজত পার্থক্য কৰিব পাৰে নে নাই। যদি কোনো প্রশ্ন ভাল আৰু দুর্বল শিক্ষার্থীৰ একে সংখ্যকেই সঠিকভাৱে উত্তৰ দিয়ে, তেন্তে সেই প্রশ্নই কোনো পার্থক্য সৃষ্টি নকৰে বুলি বুজা যায়। আনহাতেযদি কোনো প্রশ্নত ভাল শিক্ষার্থীৰ সংখ্যা দুর্বল শিক্ষার্থীৰ তুলনাত বেছি সঠিক , তেন্তে সেই প্রশ্নই ,উত্তৰ দিয়ে ভাল আৰু দুর্বল শিক্ষার্থীৰ মাজত পার্থক্য কৰিব পাৰে বুলি ক'ব পাৰি।

প্রশ্ন বিশ্লেষণৰ অন্তর্গত আন এটা কাম হৈছে বহু-বিকল্পধাৰী (multiple choice) প্রশ্নৰ ক্ষেত্রত বিভ্রান্তিকাৰী বিকল্পসমূহৰ (distracters) বিশ্লেষণ কৰা। বহু-বিকল্পধাৰী প্রশ্নত এটা সঠিক উত্তৰৰ সৈতে কিছুমান ভুল বিকল্পও দিয়া থাকে। এই ভুল বিকল্পসমূহক বিভ্রান্তিকাৰী (distracters) বোলা হয়।

বিভ্রান্তিকাৰী বিশ্লেষণ হৈছে এইটো নির্ধাৰণ কৰাৰ প্রক্রিয়া যে এই বিকল্পসমূহে প্রতিক্রিয়াদাতাসকলক বিভ্রান্ত কৰাৰ নিজৰ উদ্দেশ্য পূৰণ কৰিব পাৰিছে নে নাই।

৫. অভীক্ষাৰ চূড়ান্ত খচৰা প্রস্তুত কৰা (Preparing the final draft of the test):

প্রশ্ন বিশ্লেষণৰ আধাৰত নির্বাচিত প্রশ্নসমূহ অভীক্ষাৰ চূড়ান্ত খচৰাত অন্তর্ভুক্ত কৰা হয়। উপযুক্ত কঠিনতাৰ স্তৰ আৰু বিভেদকাৰী ক্ষমতা থকা প্রশ্নসমূহেই চূড়ান্ত খচৰাত স্থান পায়। প্রতিটো প্রশ্নৰ উত্তৰ দিয়াৰ বাবে প্রতিক্রিয়াদাতাসকলক স্পষ্ট নির্দেশনা দিয়া হয়। অভীক্ষাৰ প্রাথমিক খচৰা প্রয়োগ কৰাৰ আধাৰত, অভীক্ষাটো সম্পূর্ণ কৰিবলৈ প্রয়োজনীয় সময় নির্ধাৰণ কৰি লিপিবদ্ধ কৰা হয়।

৬. মান্যকৰণ (Standardization):

অভীক্ষা নির্মাণৰ অন্তিম ধাপ হৈছে মান্যকৰণ। এই ধাপৰ মুখ্য উদ্দেশ্য হৈছে অভীক্ষাৰ বাবে গুণগত মান আৰু মানদণ্ড (norms) নির্ধাৰণ কৰা। এই ধাপত অন্তর্ভুক্ত মুখ্য কামসমূহ তলত দিয়া হ'ল—

- অভীক্ষাৰ চূড়ান্ত খচৰাটো এটা অতি ডাঙৰ শিক্ষার্থীৰ গোটত প্রয়োগ কৰা,
- উত্তৰপত্রসমূহ মূল্যায়ন কৰি বিশ্লেষণৰ বাবে স্ক'ৰসমূহ সাজি লোৱা,
- অভীক্ষার্থীসকলৰ লাভ কৰা স্ক'ৰসমূহৰ গড় (Mean) আৰু আন পৰিসংখ্যাগত মানসমূহ গণনা কৰা,
- স্ক'ৰসমূহৰ পৰিসংখ্যাগত মানৰ আধাৰত অভীক্ষাৰ বাবে মানদণ্ড (norms) নির্ধাৰণ কৰা,
- অভীক্ষাৰ প্রশ্নসমূহৰ নির্ভৰযোগ্যতা নির্ধাৰণ কৰা,
- অভীক্ষাৰ প্রশ্নসমূহৰ বৈধতা নির্ধাৰণ কৰা,
- অভীক্ষাৰ ব্যৱহাৰযোগ্যতাৰ বিভিন্ন দিশসমূহ বিবেচনা কৰা,
- অভীক্ষা পৰিচালনা কৰাৰ বাবে অভীক্ষা মেনুৱেল বা নির্দেশিকা প্রস্তুত কৰা।

এইদৰে, এটা মানসিক অভীক্ষাৰ নির্মাণ উপৰোক্ত ধাপসমূহৰ মাজেৰে আগবাঢ়ে। (কিছুমান গুৰুত্বপূর্ণ ধাপ, যেনে প্রশ্ন বিশ্লেষণ আদি, পৰৱর্তী অধ্যায়সমূহত অধিক বিশদভাৱে আলোচনা কৰা হৈছে।)

কার্যকলাপ ৪.১

- যিকোনো এটা বিদ্যালয় বিষয়ৰ পৰা এটা বিষয় বাছি লৈ এটা ব্লুপ্রিণ্ট প্রস্তুত কৰক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩. **ব্লুপ্রিণ্ট কি?**

প্রশ্ন ৪. **প্রশ্ন বিশ্লেষণৰ মুখ্য উদ্দেশ্য কি?**

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আমি তলত দিয়া ধৰণে সাৰাংশ দাঙি ধৰিব পাৰো—

- মানসিক অভীক্ষা হৈছে মাপ আৰু মূল্যায়নত ব্যৱহাৰ কৰা আটাইতকৈ গুৰুত্বপূর্ণ উপকৰণসমূহৰ ভিতৰত এটা।
- এটা মানসিক অভীক্ষা হৈছে কিছুমান প্রশ্নৰ সমষ্টি, যাৰ উত্তৰ দিব লাগে, অথবা কিছুমান কাম, যিবোৰ অভীক্ষার্থীয়ে সম্পাদন কৰিব লাগে। এই প্রশ্নসমূহ বা কামসমূহ এনে ধৰণে নির্বাচিত বা গঢ়া হয় যে অভীক্ষার্থীৰ প্রতিক্রিয়াই মাপ কৰিবলগীয়া গুণ বা বৈশিষ্ট্যক স্পষ্ট আৰু মাপযোগ্য কৰি তোলে। সেয়ে, এটা মানসিক অভীক্ষাক সাৱধানে নির্বাচিত উদ্দীপকসমূহৰ এটা সমষ্টি হিচাপে বুজিব পাৰি, যিবোৰ প্রশ্নৰ ৰূপত উত্তৰ দিবলগীয়া বা কামৰ ৰূপত সম্পাদন কৰিবলগীয়া হয়, যাতে এটা নির্দিষ্ট মানসিক গুণ বা বৈশিষ্ট্য মাপিবলৈ প্রয়োজনীয় আচৰণৰ এটা নমুনা আহৰণ কৰিব পৰা যায়।
- এটা মান্যকৃত মানসিক অভীক্ষা হৈছে এনে এক অভীক্ষা, যাক সকলো অভীক্ষার্থীৰ বাবে একে ধৰণে পৰিচালনা, মূল্যায়ন আৰু ব্যাখ্যা কৰা হয়।
- এটা মান্যকৃত অভীক্ষাৰ বৈশিষ্ট্য হৈছে অভীক্ষা পৰিচালনা আৰু মূল্যায়নৰ পদ্ধতিত একৰূপতা। এই পদ্ধতিগত একৰূপতাৰ বাবে বিভিন্ন ব্যক্তিয়ে লাভ কৰা স্ক'ৰসমূহ তুলনাযোগ্য হয়।
- মানসিক অভীক্ষা নির্মাণ আৰু ইয়াৰ মান্যকৰণ সুপৰিকল্পিত আৰু পদ্ধতিগত হ'ব লাগিব। কিছুমান মৌলিক নীতিয়ে সদায় মানসিক অভীক্ষা নির্মাণক নিয়ন্ত্রণ কৰে। অভীক্ষাটো বৈধ, নির্ভৰযোগ্য, উদ্দেশ্যমূলক আৰু ব্যৱহাৰযোগ্য কৰিবলৈ সকলো চেষ্টা কৰিব লাগিব।
- এটা মানসিক অভীক্ষা নির্মাণৰ সময়ত কিছুমান গুৰুত্বপূর্ণ ধাপ অনুসৰণ কৰিব লাগিব। এই ধাপসমূহৰ ভিতৰত গুৰুত্বপূর্ণ হ'ল—
  - অভীক্ষাৰ পৰিকল্পনা কৰা
  - অভীক্ষাৰ প্রথম খচৰা প্রস্তুত কৰা
  - অভীক্ষাৰ প্রয়োগ কৰা
  - প্রশ্ন বিশ্লেষণ কৰা
  - অভীক্ষাৰ চূড়ান্ত খচৰা প্রস্তুত কৰা

- মান্যকৰণ কৰা

৪.৮ অধিক জানিবলৈ

- *Anastasi,* Anne (*1982): Psychological testing*, Edition 5, illustrated. Macmillan,The University of Michigan.
- Bloom, B.S. (1956): *Taxonomy of Educational Objectives. Handbook I, Cognitive Domain*, David McKay Co. Inc, New York.
- Ebel, R.L. and Frisbel, D.A. (1979): *Essential of Educational Measurement*, 3rd Edition, Prentice Hall of India, New Delhi.
- Gupta, S.P.(2009): *Modern Measurement and Evaluations with Statistics*, Sharda Pustak Bhavan, Allahabad
- Sax, G. (1970): *Principle of Educational Measurement and Evaluation*, Wordsworth Pub. California.
- Stanley & Hopkins (1966): *Education and Psychological Measurement and Evaluation*, Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey

৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃএটা মানসিক অভীক্ষা হৈছে কিছুমান প্রশ্নৰ সমষ্টি, যাৰ উত্তৰ দিব লাগে, অথবা কিছুমান কাম, যিবোৰ অভীক্ষার্থীয়ে সম্পাদন কৰিব লাগে। এই প্রশ্নসমূহ বা কামসমূহ এনে ধৰণে নির্বাচিত বা গঢ়া হয় যে অভীক্ষার্থীৰ প্রতিক্রিয়াই মাপ কৰিবলগীয়া গুণ বা বৈশিষ্ট্যক স্পষ্ট আৰু মাপযোগ্য কৰি তোলে। সেয়ে, এটা মানসিক অভীক্ষাক সাৱধানে নির্বাচিত উদ্দীপকসমূহৰ এটা সমষ্টি হিচাপে বুজিব পাৰি, যিবোৰ প্রশ্নৰ ৰূপত উত্তৰ দিবলগীয়া বা কামৰ ৰূপত সম্পাদন কৰিবলগীয়া হয়, যাতে এটা নির্দিষ্ট মানসিক গুণ বা বৈশিষ্ট্য মাপিবলৈ প্রয়োজনীয় আচৰণৰ এটা নমুনা আহৰণ কৰিব পৰা যায়।

২ নং প্রশ্নৰ উত্তৰঃঅভীক্ষা নির্মাণৰ দুটা গুৰুত্বপূর্ণ নীতি হৈছে—

(i) মানসিক অভীক্ষা নির্মাণ সদায় উপযুক্ত পৰিকল্পনাৰে আৰম্ভ হ'ব লাগিব। পৰিকল্পনা কৰাৰ সময়ত অভীক্ষাৰ উদ্দেশ্য, ক্ষেত্র, নির্দিষ্ট লক্ষ্যসমূহ, প্রশ্নৰ ধৰণ আৰু ইয়াৰ কার্যকাৰিতা, খৰচ আৰু ব্যৱহাৰিকতা বিবেচনা কৰিব লাগিব।

(ii) অভীক্ষা নির্মাণৰ আন এটা গুৰুত্বপূর্ণ নীতি হৈছে অভীক্ষাটো নির্ভৰযোগ্য, বৈধ আৰু উদ্দেশ্যমূলক কৰি তোলা। এটা অভীক্ষা নির্ভৰযোগ্য হয় যেতিয়া ই সদায় একে ফলাফল দিয়ে; বৈধ হয় যেতিয়া ই যি মাপিবলৈ উদ্দেশ্য কৰা হৈছে তাকেই মাপে; আৰু উদ্দেশ্যমূলক হয় যেতিয়া স্ক'ৰ মাপ লোৱা ব্যক্তিৰ প্রভাৱৰ পৰা মুক্ত থাকে।

৩ নং প্রশ্নৰ উত্তৰঃএটা অভীক্ষা ব্লুপ্রিণ্ট হৈছে এনে এখন দস্তাবেজ, যিয়ে অভীক্ষাৰ বিষয়বস্তু প্রতিফলিত কৰে। ইয়াত শিক্ষণ উদ্দেশ্যসমূহ, সেই উদ্দেশ্যসমূহৰ সৈতে মিল খোৱা প্রশ্ন বা

কামসমূহ, আৰু শিক্ষণ ক্ষেত্ৰ (learning domains) আৰু সেইসমূহৰ স্তৰসমূহ অন্তর্ভুক্ত থাকে। এইদৰে, এটা অভীক্ষা ব্লুপ্রিণ্ট হৈছে সেই পৰিকল্পনা, যাক অভীক্ষা নির্মাণৰ সময়ত সৃষ্টি আৰু ব্যৱহাৰ কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰঃপ্রশ্ন বিশ্লেষণৰ মুখ্য উদ্দেশ্য হৈছে ভৱিষ্যতৰ বাবে অভীক্ষাৰ প্রশ্নসমূহৰ গুণগত মান উন্নত কৰা। প্রশ্ন বিশ্লেষণ প্রক্রিয়াত প্রশ্নসমূহৰ আপেক্ষিক কঠিনতাৰ স্তৰ আৰু বিভেদকাৰী ক্ষমতা নির্ধাৰণ কৰা হয়।

? ৪.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. মান্যকৃত অভীক্ষা বুলিলে কি বুজা যায়?

প্রশ্ন ২. সৰু গোটৰ প্রয়োগ (small group try out) কি?

প্রশ্ন ৩. প্রশ্ন বিশ্লেষণ (item analysis) বুলিলে কি বুজা যায়?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. অভীক্ষা নির্মাণৰ মুখ্য নীতি-নিয়মসমূহ উল্লেখ কৰক।

প্রশ্ন ২. মানসিক অভীক্ষা নির্মাণৰ বাবে ব্লুপ্রিণ্ট প্রস্তুত কৰাৰ প্রক্রিয়াটো ব্যাখ্যা কৰক।

প্রশ্ন ৩. অভীক্ষা নির্মাণত জড়িত ধাপসমূহ আলোচনা কৰক।

প্রশ্ন ৪. অভীক্ষাৰ মান্যকৰণত জড়িত কামসমূহৰ বিষয়ে লিখক।

*****

অধ্যায় ৫ : অভীক্ষাৰ প্ৰশ্নপদ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ প্ৰশ্নপদ বিশ্লেষণৰ অৰ্থ
৫.৩.১ প্ৰশ্নপদ বিশ্লেষণৰ উদ্দেশ্যসমূহ
৫.৪ অভীক্ষাৰ প্ৰশ্নপদ বিশ্লেষণ আৰু নিৰ্বাচন
৫.৪.১ জটিলতাৰ স্তৰ নিৰ্ধাৰণ
৫.৪.২ প্ৰভেদসূচক শক্তিৰ নিৰ্ধাৰণ
৫.৪.৩ বিকল্প বিশ্লেষণ (বিকৰ্ষ বিশ্লেষণ)
৫.৫ বিভিন্ন অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰস্তুতি
৫.৫.১ বিভিন্ন প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদ নিৰ্মাণৰ নিৰ্দেশনা
৫.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৫.৭ অধিক জানিবলৈ
৫.৮ অগ্ৰগতিৰ খতিয়ান
৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্ৰশ্নপদ বিশ্লেষণৰ অৰ্থ আৰু উদ্দেশ্যবোৰ বুজিবপাৰিব
- অভীক্ষাৰ বিষয়বস্তু বিশ্লেষণ আৰু নিৰ্বাচন প্ৰক্ৰিয়া বুজিব পাৰিব
- অভীক্ষাৰ বিষয়বস্তুৰ কঠিনতা আৰু প্ৰভেদসূচকতাৰ নিৰ্ণয়ৰ প্ৰক্ৰিয়া নিৰ্ধাৰণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিকল্প বিশ্লেষণৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ অভীক্ষাৰ বিষয়বস্তু প্ৰস্তুতিৰ প্ৰক্ৰিয়া বুজিব পাৰিব।

৫.২ পৰিচয়

মনোবৈজ্ঞানিক অভীক্ষা প্ৰধানকৈ অভীক্ষাৰ বিষয়সমূহৰ এক সংগ্ৰহ। বিষয়বস্তু হৈছে প্ৰশ্নৰ উক্তিৰ এক ধৰণ। ই লিণ্ডকুৱেষ্ট বিষয়বস্তুৰ সংজ্ঞা এনেদৰে দিছে "অনুশীলনৰ নম্বৰ প্ৰদানৰ একক।" কে. এল বিনৰ মতে বিষয়বস্তু হৈছে এটা কাৰ্য্য বা প্ৰশ্ন যাক সাধাৰণতে কোনো সৰু এককত ভাগ

কৰিব নোৱাৰি।" নানেলীয়ে বৰ্ণনা কৰিছিল, "পৰীক্ষাৰ সৰ্বনিম্ন সাধাৰণ হব।" সেইবাবে এটা অভীক্ষাৰ গুণমান বহু পৰিমানে অভীক্ষাৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰে। বিষয়বস্তু বিশ্লেষণৰ গুৰুত্ব ইয়াৰ পৰা বুজিব পাৰি যে অভীক্ষাৰ বৈধতা, নিৰ্ভৰযোগ্যতা আৰু বস্তুনিষ্ঠতাকে ধৰি বেছিভাগ গুৰুত্বপূৰ্ণ মাপকাঠী ইয়াৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰে। বিষয়বস্তুৰ বিশ্লেষণে বিষয়বস্তুৰ মূল্যায়ন কৰি উচ্চ বৈধতা, নিৰ্ভৰযোগ্যতা আৰু বস্তুনিষ্ঠতা নিশ্চিত কৰিব পাৰে আৰু ইয়াক উন্নত কৰাৰ বাবে পৰামৰ্শ দিব পাৰে। প্ৰকৃততে অভীক্ষাৰ উন্নতিকৰণ হৈছে উপযুক্ত বিষয়বস্তু নিৰ্বাচন আৰু বিষয়বস্তু বিশ্লেষণৰ প্ৰক্ৰিয়াৰ যোগেদি অনুপযুক্ত বিষয়বোৰৰ সংশোধন কৰা। প্ৰশ্নপদ বিশ্লেষণে অভীক্ষাৰ পৰা অপ্ৰয়োজনীয় বিষয়বোৰ বাদ দিবলৈ নিৰ্দেশনা দিয়ে যাতে ইয়াক চুটি কৰিব পাৰি আৰু লগতে ইয়াৰ বৈধতা আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিব পৰা যায়। প্ৰশ্নপদ বিশ্লেষণ হৈছে অভীক্ষা নিৰ্মাণৰ এটা গুৰুত্বপূৰ্ণ দিশ। তাৰোপৰি বিভিন্ন পদ্ধতিৰ ক্ষেত্ৰত বিষয়বস্তুৰ বিশ্লেষণ হৈছে এক বিস্তৃত শব্দ যাক অভীক্ষাৰ বিষয়বস্তুৰ মূল্যায়ণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। এই অধ্যায়টোত বিষয়বস্তু বিশ্লেষণৰ বিশদ বৰ্ণনা উপস্থাপন কৰা হৈছে যাতে শিক্ষাৰ্থীসকলে অভীক্ষাৰ বিভিন্ন বিশয়বস্তু নিজে প্ৰস্তুত কৰিব পাৰে।

৫.৩ প্ৰশ্নপদ বিশ্লেষণৰ অৰ্থ

অভীক্ষা নিৰ্মাণৰ প্ৰতিমানীকৰণৰ ক্ষেত্ৰত প্ৰশ্নপদ বিশ্লেষণ হৈছে অতি গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। প্ৰশ্নপদ বিশ্লেষণে অভীক্ষাৰ বিষয়বস্তুৰ মূল্যায়ন কৰে। সেইবাবে, অভীক্ষা এটাৰ প্ৰশ্নপদ বিশ্লেষণ নকৰাকৈ কোনেও এটা ভাল অভীক্ষা নিৰ্মাণৰ আশা কৰিব নোৱাৰে। সাধাৰণ অৰ্থত প্ৰশ্নপদ বিশ্লেষণ হৈছে অভীক্ষাৰ বিষয়বস্তুৰ আপেক্ষিক কঠিনতা আৰু প্ৰভেদসূচক শক্তিৰ নিৰ্ণায়ক। অন্য শব্দত, প্ৰশ্নপদ বিশ্লেষণৰ কাৰ্য হৈছে বিষয়বস্তু কিমান কঠিন বা কিমান সহজ তাক নিৰ্ণয় কৰা আৰু বিষয়বস্তুৱে ভাল আৰু বেয়া ছাত্ৰ-ছাত্ৰীৰ পাৰ্থক্য বিচাৰ কৰিব পাৰেনে নোৱাৰে। অভীক্ষাৰ বৈধতা আৰু নিৰপেক্ষতা অভীক্ষাটোৰ প্ৰশ্নপদৰ বৈধতা আৰু নিৰপেক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে।

আবুদুনৰিনৰ মতে, "প্ৰশ্নপদ হৈছে প্ৰশ্নপদৰ মানদণ্ড বিশেষভাৱে বিচাৰ কৰাৰ মূল উদ্দেশ্যেৰে অভীক্ষাৰ প্ৰতিটো বস্তুৰ প্ৰতি অভীক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া বা বিশ্লেষণ কৰা প্ৰক্ৰিয়া, প্ৰশ্নপদৰ অসুবিধা আৰু প্ৰভেদমূলক ক্ষমতাৰ লগতে প্ৰতিটো বিকল্পৰ ফলপ্ৰসূতা।"

গিলফোৰ্ডৰ মতে, "প্ৰশ্নপদ বিশ্লেষণ হৈছে মুঠ নম্বৰৰ নিৰ্ভৰযোগ্যতা বা মুঠ বৈধতাৰ উন্নতি আৰু উন্নত প্ৰশ্নৰ ক্ৰম অনুযায়ী আৰু নম্বৰ বিতৰণৰ প্ৰকাৰৰ অৰ্জন। অভীক্ষাৰ বৈধতা আৰু নিৰ্ভৰযোগ্যতা দুয়োটা ইয়াৰ প্ৰশ্নপদৰ বৈশিষ্ট্যবোৰৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰশ্নপদ বিশ্লেষণ অভীক্ষাৰ উচ্চনিৰ্ভৰযোগ্যতা আৰু বৈধতা আগতীয়াকৈ নিশ্চিতকৰে।"

আৰথাৰ. এচ. ৰেবেৰৰ মতে, "সংকীৰ্ণ অৰ্থত এই শব্দটো (প্ৰশ্নপদ বিশ্লেষণ) বিশেষভাৱে প্ৰতিটো ব্যক্তিগত প্ৰশ্নই অভীক্ষাৰ সামগ্ৰীক বৈধতাত কিমান ফলপ্ৰসূভাৱে অৱিহনা যোগায় তাক জোখাৰ বাবে ব্যৱহাৰ কৰা হ'ব।"

বেৱনকোহেন, ৱেলৱাইট, ইট, অলৰ মতে, "প্ৰশ্নপদ বিশ্লেষণ হৈছে এক প্ৰক্ৰিয়া য'ত প্ৰশ্নপদৰ প্ৰতিক্ৰিয়াবোৰ পৰীক্ষা কৰা হয় যাতে সেই প্ৰশ্নপদবোৰৰ গুণমান পৰীক্ষা কৰিব পাৰি। পৰিসাংখিক পদ্ধতিবোৰ অভীক্ষাৰ প্ৰশ্নপদ চিনাক্ত কৰাৰ বাবে নিয়ম অনুসৰি ব্যৱহাৰ কৰিব পাৰি যিদৰে অভীক্ষাত নেথাকে। কিছুমান প্ৰশ্নপদক আঁতৰ কৰা হয় যিবোৰ অভীক্ষাত থকা অন্য প্ৰশ্নপদৰ ধৰণৰ সহযোগী নহয়। তাৰোপৰি, প্ৰশ্নপদ বিশ্লেষণে প্ৰকাশ কৰিব যে এটা প্ৰশ্নপদ অতি সহজ নেকি, অতি কঠিন নেকি আৰু/বা অভীক্ষা লোৱা বিভিন্ন ধৰণৰ ব্যক্তিৰ মাজত পাৰ্থক্য দেখুৱাব।"

যেতিয়া এটা অভীক্ষা নিৰ্মাণ কৰা হয়, তেতিয়া অভীক্ষাটোৰ বাবে যিমান প্ৰশ্নপদৰ প্ৰয়োজনতাতকৈ বেছি প্ৰশ্নপদ নিৰ্মাণ কৰা হয়। এনেবোৰ প্ৰাথমিক প্ৰশ্নপদবোৰ বেছিসংখ্যক নমুনাৰ ওপৰত প্ৰয়োগ কৰা হয় আৰু উত্তৰবোৰ সাৱধানে বিশ্লেষণ কৰা হয়। প্ৰশ্নপদসমূহৰ কঠিনতা, প্ৰভেদসূচাংক, বৈধতা, নিৰ্ভৰযোগ্যতা, বস্তুনিষ্ঠতা ইত্যাদি বিশ্লেষণ কৰাৰ পিছত, নিৰ্বাচিত প্ৰশ্নপদবোৰ অভীক্ষাৰ চূড়ান্ত খচৰাৰ বাবে ৰখা হয় আৰু অনুপযুক্ত প্ৰশ্নপদবোৰ আঁতৰোৱা হয়। প্ৰশ্নপদৰ এনে বিশ্লেষণে অভীক্ষা এটাৰ উচ্চগুণমান নিশ্চিত কৰে। সেইবাবে প্ৰশ্নপদ বিশ্লেষণ হৈছে এটা ভাল অভীক্ষা নিৰ্মাণৰ এক অপৰিহাৰ্য্য অংশ।

৫.৩.১ প্ৰশ্নপদ বিশ্লেষণৰ উদ্দেশ্যসমূহ

প্ৰশ্নপদ বিশ্লেষণে অভীক্ষা নিৰ্মাণকাৰীজনক নিৰ্মাণ কৰিব বিচৰা অভীক্ষাৰ গুণমান অনুশীলন কৰাৰ সুযোগ দিয়ে। উপযুক্তভাৱে সংজ্ঞায়িত শিকনৰ উদ্দেশ্য আৰু উপযুক্তভাৱে প্ৰস্তুত কৰা প্ৰশ্নপদবোৰে অভীক্ষা নিৰ্মাণ প্ৰক্ৰিয়াত ভাল আৰম্ভণি কৰাত সহায় কৰে, কিন্তু প্ৰশ্নপদ বিশ্লেষণে অভীক্ষাটোৰ প্ৰকৃত সফলতাৰ ওপৰত প্ৰতিপুষ্টি প্ৰদান কৰিব পাৰে। প্ৰশ্নপদ বিশ্লেষণৰ প্ৰধান উদ্দেশ্য তলত দাঙি ধৰা হ'ল—

- প্ৰশ্নপদ বিশ্লেষণৰ প্ৰথমটো উদ্দেশ্য হৈছে অভীক্ষাৰ প্ৰশ্নপদসমূহৰ গুণগত মানদণ্ড উন্নত কৰা, যাতে ভৱিষ্যতে ব্যৱহাৰ কৰিব পাৰি।
- প্ৰশ্নপদ বিশ্লেষণৰ অন্য এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে উচ্চগুণমানসম্পন্ন, ফলপ্ৰসু, উপযুক্ত অভীক্ষা নিৰ্মাণত সহায় কৰা। প্ৰশ্নপদ বিশ্লেষণে অনুপযুক্ত প্ৰশ্নপদ আঁতৰ কৰা বা সংশোধন কৰাত সহায় কৰে।
- প্ৰশ্নপদ বিশ্লেষণৰ অন্য এক উদ্দেশ্য হৈছে অভীক্ষাৰ প্ৰশ্নপদসমূহৰ আপেক্ষিক কঠিনতাৰ স্তৰ নিৰ্ধাৰণ কৰা। উপযুক্ত কঠিনতাৰ স্তৰ বাহাল থকা প্ৰশ্নপদবোৰ চূড়ান্ত পৰ্য্যায়ত ৰখা হয়।
- প্ৰশ্নপদ বিশ্লেষণৰ অন্য এক উদ্দেশ্য হৈছে কিমান ভালদৰে ছাত্ৰ-ছাত্ৰীসকলৰ পাৰ্থক্য দেখুৱাব পাৰে বা প্ৰত্যেকটো প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতা নিৰ্ণয় কৰিব পাৰে।
- প্ৰশ্নপদ বিশ্লেষণে কিছুমান প্ৰশ্নপদে কিয় ভালকৈ কাৰ্য্য কৰিব নোৱাৰে তাক উলিওৱাত সহায় কৰে আৰু এনেদৰে ইয়াক উন্নত কৰাৰ পৰামৰ্শ প্ৰদান কৰে।

- প্ৰশ্নপদ বিশ্লেষণৰ অন্য এক উদ্দেশ্য হৈছে অভীক্ষার্থীসকলৰ শৈক্ষিক কৃতিত্বৰ সবলতা আৰু দুৰ্বলতাবোৰ অধ্যয়ন কৰা।
- প্ৰশ্নপদ বিশ্লেষণে ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ প্ৰকৃতি, শিক্ষণৰ ফলপ্ৰসূতা আৰু প্ৰশ্নপদবোৰৰ বৈশিষ্ট্যবোৰ দাঙি ধৰে।
- অভীক্ষার্থীসকলৰ অশুদ্ধ প্ৰতিক্ৰিয়াবোৰ অধ্যয়ন কৰি ভাল প্ৰশ্নপদ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰশ্নপদ বিশ্লেষণে অন্তৰ্দৃষ্টি প্ৰদান কৰে।
- প্ৰশ্নপদ বিশ্লষণৰ প্ৰধান উদ্দেশ্য হৈছে অভীক্ষাৰ গুণগত মান মূল্যায়ন কৰা। অভীক্ষাৰ চূড়ান্ত খচৰা প্ৰশ্নপদ বিশ্লেশণৰ পৰা পোৱা প্ৰত্যেকটো প্ৰশ্নপদৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়।

এনেদৰে প্ৰশ্নপদ বিশ্লেষণৰ উদ্দেশ্য হৈছে এটা অভীক্ষাই কিমান ভালদৰে কার্য্য কৰে তাক জোখা। তাৰোপৰি, অভীক্ষাৰ প্ৰতিটো প্ৰশ্নপদৰ উদ্দেশ্য হৈছে অভীক্ষার্থীসকলৰ এটা শিক্ষা ফলাফলৰ প্ৰদৰ্শনৰ নমুনা লোৱা। সেইবাবে প্ৰত্যকটো প্ৰশ্নপদৰ বিশ্লেষণ জৰুৰী, যদি আমি বিশেষ শিক্ষা ফলাফলত ব্যক্তিৰ পাৰদৰ্শিতা জানিব বিচাৰো।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১. প্ৰশ্নপদ বিশ্লেষণ কি ?

প্ৰশ্ন ২. প্ৰশ্নপদ বিশ্লেষণৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

৫.৪ অভীক্ষাৰ প্ৰশ্নপদ বিশ্লেষণ আৰু নিৰ্বাচন

প্ৰশ্নপদ বিশ্লেষণ প্ৰক্ৰিয়াই প্ৰধানকৈ কঠিনতাৰ স্তৰ নিৰ্ধাৰণৰ কার্য্য আৰু প্ৰত্যেকটো প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতা নিৰ্ধাৰণৰ উপৰিও বিকল্প বিশ্লেষণ কৰে। মনোচিকিৎসক আৰু অভীক্ষাৰ বিশেষজ্ঞসকলে বিশ্বাস কৰে যে আপেক্ষিক কঠিনতাৰ স্তৰ আৰু প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা নিৰ্ণয়ৰ বাবে সকলো প্ৰতিক্ৰিয়াকাৰীৰ প্ৰতিক্ৰিয়া বিশ্লেষণৰ প্ৰয়োজন নাই; এটা শাখাৰ প্ৰতিক্ৰিয়াকাৰীৰ প্ৰতিক্ৰিয়া বিশ্লেষণে এই উদ্দেশ্যটো ভালদৰে পূৰণ কৰিব পাৰে। ইয়াৰ বাবে, প্ৰশ্নপদৰ প্ৰতিক্ৰিয়াকাৰীসকলৰ মাজৰ পৰা দুটা দল গঠন কৰিব লাগে— এটা হৈছে 'উচ্চদল' আৰু আনটো হৈছে 'নিম্নদল'। এনেবোৰ দল গঠন কৰিবলৈ অভীক্ষাত পোৱা নম্বৰ অনুযায়ী সকলো প্ৰতিক্ৰিয়াকাৰীৰ স্থান প্ৰদান কৰিব লাগে। ইয়াৰ পিছত, পৰিসাংখ্যিক গণনাৰ সুবিধাৰ বাবে উচ্চ দলৰ ২৫% ৰ পৰা ৩৫% ভিতৰত যিকোনো শতাংশক প্ৰতিক্ৰিয়াকাৰী উচ্চদলত অন্তৰ্ভূক্ত কৰিব লাগে আৰু নিম্নদলৰ ২৫% ৰ পৰা ৩৫% ভিতৰত প্ৰতিক্ৰিয়াকাৰীৰ যিকোনো শতাংশ নিম্নদলত অন্তৰ্ভূক্ত কৰিব লাগে।

এইখিনিতে এইটো উল্লেখযোগ্য যে অভীক্ষাৰ প্ৰশ্নপদৰ জটিলতাৰ স্তৰ আৰু প্ৰভেদদৰ্শিতাৰ ক্ষমতা নিৰ্ণয় কৰিবৰ বাবে বিভিন্ন সূত্ৰ ব্যৱহাৰ কৰা হয়। তলৰ ভাগত জটিলতাৰ স্তৰ নিৰ্ণয় আৰু প্ৰভেদদৰ্শিতাৰ ক্ষমতা নিৰ্ণয়ৰ বাবে সৰল আৰু সহজে বুজি পোৱা ধৰণৰ সূত্ৰ তলত দাঙি ধৰা হ'ল।

৫.৪.১ জটিলতাৰ স্তৰ নিৰ্ধাৰণ

প্ৰশ্নপদৰ জটিলতাৰ স্তৰ হৈছে সাধাৰণভাৱে প্ৰশ্নৰ শুদ্ধ উত্তৰ কৰা ছাত্ৰ-ছাত্ৰীৰ শতাংশ। প্ৰশ্নপদৰ জটিলতাৰ সূচী ০.০০ পৰা ১.০০ লৈ থাকে, যিমানে মান উচ্চ হয়, সিমানেই প্ৰশ্নপদ সহজ হয়। যদি এটা প্ৰশ্ন সকলোৱে শুদ্ধভাৱে উত্তৰ কৰে বা প্ৰত্যেকেই ইয়াক ভুল কৰে, তেতিয়া এইটো বুজিব লাগিব যে অভীক্ষাত অন্তৰ্ভূক্ত হোৱা প্ৰশ্ন অতি বেছি সহজ বা অতি বেছি টান। এনে প্ৰশ্নপদে ভাল আৰু বেয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰভেদ আনিব নোৱাৰে। সেইবাবে মধ্যমীয়া ধৰণৰ জটিলতা স্তৰ থকা প্ৰশ্নপদ অভীক্ষাত অন্তৰ্ভূক্ত কৰিব লাগে।

পৰিসাংখ্যিকভাৱে প্ৰশ্নপদৰ জটিলতাৰ স্তৰ নিৰ্ধাৰণ কৰিবলৈ হ'লে প্ৰশ্নপদৰ শুদ্ধ উত্তৰ কৰা উচ্চ আৰু নিম্ন দুয়োটা দলৰ মুঠ ছাত্ৰ সংখ্যাক দুয়োটা দলত থকা মুঠ ছাত্ৰৰ সংখ্যাৰে বিভাজন কৰিব লাগে। এই গণনাটো তলৰ সূত্ৰ ব্যৱহাৰ কৰি কৰিব লাগে।

$$D_f = \frac{C_H + C_L}{N_H + N_L}$$

য'ত

D_f =জটিলতাৰ সূচী

C_H =উচ্চ দলৰ শুদ্ধকৈ প্ৰশ্নপদৰ উত্তৰ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

C_L =শুদ্ধকৈ প্ৰশ্নপদৰ উত্তৰ কৰা নিম্নদলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

N_H =উচ্চ দলৰ মুঠ প্ৰতিক্ৰিয়াকাৰীৰ সংখ্যা

N_L =নিম্ন দলৰ মুঠ প্ৰতিক্ৰিয়াকাৰীৰ সংখ্যা

উদাহৰণস্বৰূপে, উচ্চ দলৰ ২০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১২ জনে প্ৰশ্নপদৰ শুদ্ধ উত্তৰ প্ৰদান কৰিছে আৰু নিম্ন দলৰ ১২ জনৰ ভিতৰত ৮ জনে কৰিছে, তেতিয়া প্ৰশ্নপদৰ জটিলতাৰ স্তৰৰ সূচী হ'ব

$$D_f = \frac{C_H + C_L}{N_H + N_L} = \frac{১২ + ৮}{২০ + ২০} = \frac{২০}{৪০} = ০.৫০$$

এইখিনিতে মনত ৰাখিবলগীয়া যে প্ৰশ্নপদৰ জটিলতাৰ সূচী ০.০০ৰ পৰা ১.০০ থাকিব পাৰে, যিমানেই উচ্চমান, সিমানেই প্ৰশ্নপদ সহজ হয়। বিখ্যাত পৰিসংখ্যাবিদ এইচ.ই. গেৰেটৰ মতে, প্ৰশ্নপদৰ জটিলতাৰ যিকোনো সূচী ০.৪০ ৰ পৰা ০.৬০ ভিতৰত গ্ৰহণযোগ্য ।

তলৰ তালিকাত জটিলতা স্তৰৰ বিভিন্ন সূচীসমূহ আৰু সেইবোৰৰ ব্যাখ্যা দাঙি ধৰা হ'ল।

তালিকা ৫.১ প্ৰশ্নপদৰ জটিলতা স্তৰৰ সূচকাংক

জটিলতাৰ সূচকাংক	*জটিলতাৰ স্তৰ*
০.০০ — ০.২০	*অতি জটিল*
০.২১ — ০.৪০	*জটিল*
০.৪১ — ০.৬০	*মজলীয়া/বেছি গ্ৰহণযোগ্য*

০.৬১ — ০.৮০	সহজ
০.৮১ — ১.০০	অতি সহজ

উৎসঃ Asaad & Hailaya (2004)

ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়া আৰু সূত্ৰই এটা অভীক্ষাৰ প্ৰশ্নপদৰ কঠিনতাৰ স্তৰ বিশ্লেষণত সহায় কৰে। তাৰোপৰি, এইটো লক্ষ্য কৰা হয় যে কেতিয়াবা প্ৰশ্নপদৰ উপযুক্ত জটিলতাৰ স্তৰ থকাৰ পিছতো শিক্ষাৰ্থীৰ ভাল আৰু বেয়াৰ পাৰ্থক্য উলিয়াব নোৱাৰিব পাৰে। উদাহৰণস্বৰূপে, যদি উচ্চ দলৰ ২০ জনৰ ভিতৰত এটা প্ৰশ্ন ১০ জনে শুদ্ধকৈ কৰে আৰু নিম্ন দলৰ ২০ জনৰ ভিতৰত ১০ জনে শুদ্ধকৈ কৰে, তেতিয়া প্ৰশ্নপদৰ জটিলতাৰ স্তৰৰ সূচকাংক হ'ব ০.৫০

$$D_f = \frac{C_H + C_L}{N_H + N_L} = \frac{১০ + ১০}{২০ + ২০} = \frac{২০}{৪০} = ০.৫০$$

যদিও ওপৰত উল্লেখ কৰা প্ৰশ্নপদৰ জটিলতাৰ স্তৰ গ্ৰহণযোগ্য, কিন্তু এই প্ৰশ্নপদে ভাল আৰু বেয়া শিক্ষাৰ্থীৰ মাজত পাৰ্থক্য কৰিব নোৱাৰে, কাৰণ উচ্চ আৰু নিম্নদলৰ সমান সংখ্যক শিক্ষাৰ্থীয়ে শুদ্ধ উত্তৰ কৰিছে। অন্যহাতে, যদি উচ্চ দলৰ ২০ জনৰ ভিতৰত ২০ জনেই শুদ্ধ উত্তৰ কৰিলেহেতেন আৰু নিম্নদলৰ ২০ জনৰ কোনেও কৰিব নোৱাৰিলেহেতেন, তেতিয়াও প্ৰশ্নপদৰ জটিলতাৰ স্তৰৰ সূচী পুনৰ ০.৫০ হ'লহেতেন।

$$D_f = \frac{C_H + C_L}{N_H + N_L} = \frac{২০ + ০}{২০ + ২০} = \frac{২০}{৪০} = ০.৫০$$

কিন্তু, এই প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা উচ্চ হ'ব, কাৰণ এই প্ৰশ্নপদটো উচ্চদলৰ প্ৰত্যেকেই শুদ্ধভাৱে উত্তৰ কৰিছে আৰু নিম্নদলৰ কোনেও কৰা নাই। এই উদাহৰণটোৱে দেখুৱাইছে যে কেৱল গ্ৰহণযোগ্য জটিলতা স্তৰৰ সূচকাংকই ভাল প্ৰশ্নপদ নিৰ্মাণ কৰিব নোৱাৰে। সেইবাবেই প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা নিৰ্ণয় হৈছে প্ৰশ্নপদ বিশ্লেষণৰ এবাব নোৱাৰা অংশ।

৫.৪.২ প্ৰভেদসূচক ক্ষমতাৰ নিৰ্ধাৰণ

এটা পৰিমাপনৰ আহিলাই ভাল আৰু বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ্থক্য আনিব পাৰিব লাগে। লিন আৰু গ্ৰণলাণ্ডৰ মতে, এটা প্ৰশ্নপদৰ প্ৰভেদমূলক সূচীৰ সংজ্ঞা হৈছে "উচ্চ আৰু নিম্ন কৃতিত্বৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰভেদৰ মাত্ৰা যিয়ে নিৰ্ণয় কৰে।" অন্য ভাষাত, প্ৰশ্নপদে বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা ভালখিনিক উলিয়াই আনিব আৰু নিৰ্বাচন কৰিব পাৰিব লাগে; আৰু বেছি ভালসকলে বেয়াসকলতকৈ বেছি প্ৰশ্নৰ উত্তৰ কৰিব পাৰে। অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা নিৰ্ধাৰণ কৰাৰ বিভিন্ন পদ্ধতি আছে, তেনেকুৱা এটা পদ্ধতি হৈছে উচ্চদলৰ শুদ্ধ উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীৰ পৰা নিম্নদলৰ শুদ্ধ উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যাক

বিয়োগ কৰিব লাগে আৰু সেই প্ৰাপ্ত ৰাশিক উচ্চ দল বা নিম্ন দলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰে বিভাজন কৰিব লাগে। এই গণণাটো তলৰ সূত্ৰ প্ৰয়োগ কৰি কৰিব পাৰি।

$$D_S = \frac{C_H - C_L}{N}$$

য'ত

D_S =প্ৰভেদদৰ্শিতাৰ ক্ষমতাৰ সূচী

C_H =উচ্চ দলৰ প্ৰশ্নপদ শুদ্ধকৈ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

C_L =প্ৰশ্নপদ শুদ্ধকৈ কৰা নিম্ন দলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

N =উচ্চ বা নিম্ন দলৰ মুঠ প্ৰতিক্ৰিয়াকাৰীৰ সংখ্যা

উদাহৰণস্বৰূপে, যদি উচ্চ দলৰ ২০ ছাত্ৰ-ছাত্ৰীৰ সকলোৱে শুদ্ধকৈ উত্তৰ কৰে আৰু নিম্ন দলৰ কোনেও কৰিব নোৱাৰে, তেতিয়া প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা হ'ব—

$$D_S = \frac{C_H - C_L}{N} = \frac{২০ - ০}{২০} = \frac{২০}{২০} = ১.০০$$

ঠিক একেদৰে, উচ্চ দলৰ ২০ জনৰ ভিতৰত যদি ১০ জনে শুদ্ধ উত্তৰ কৰে আৰু নিম্ন দলতো ২০ জনৰ ভিতৰত ১০ জনে শুদ্ধকৈ কৰে, তেতিয়া প্ৰভেদদৰ্শিতা ক্ষমতাৰ সূচী হ'ব—

$$D_S = \frac{C_H - C_L}{N} = \frac{১০ - ১০}{২০} = \frac{০}{২০} = ০.০০$$

এইখিনিতে এইটো গুৰুত্বপূৰ্ণ যে প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতাৰ প্ৰসাৰ ১.০০ আৰু ১.০০ ৰ মাজত থাকে।এটা প্ৰশ্নপদৰ উচ্চস্তৰৰ প্ৰভেদদৰ্শিতাক +১.০০ নিৰ্দেশ কৰা হয় আৰু এইটো তেতিয়াহে হ'ব যেতিয়া প্ৰশ্নপদটো উচ্চ দলৰ সকলোৱে শুদ্ধকৈ উত্তৰ কৰিব আৰু নিম্ন দলৰ কোনেও কৰিব নোৱাৰে। যেতিয়া উচ্চ আৰু নিম্নদলৰ সমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নপদৰ শুদ্ধ উত্তৰ কৰে, তেতিয়া প্ৰভেদদৰ্শিতাৰ ক্ষমতাৰ সূচকাংক ০.০০ হয়। আৰু প্ৰভেদদৰ্শিতাৰ ঋণাত্মক সূচকাংক পোৱা যায় যেতিয়া উচ্চ দলতকৈ নিম্ন দলৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নপদ শুদ্ধকৈ কৰে। প্ৰভেদদৰ্শিতাৰ ঋণাত্মক থকা প্ৰশ্নপদবোৰ সহজেই আঁতৰাই পেলোৱা হয়।

তলৰ তালিকাখনত প্ৰভেদদৰ্শিতাৰ ক্ষমতাৰ বিভিন্ন সূচকাংক আৰু সেইবোৰৰ ব্যাখ্যা দাঙি ধৰা হ'ল।

তালিকা ৫.২অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতা ক্ষমতাৰ সূচকাংকসমূহ

প্ৰভেদদৰ্শিতাৰসূচী	*ব্যাখ্যা*
০.১০ বা কম	*নিম্ন/প্ৰশ্নবোধক প্ৰশ্নপদ*
০.১১ — ০.২০	*প্ৰভেদদৰ্শিতা নথকা*
০.২১ — ০.৩০	*মধ্যমীয়াভাৱে প্ৰভেদদৰ্শিতা থকা*
০.৩১ — ০.৪০	*প্ৰভেদদৰ্শিতা*
০.৪১ — ১.০০	*অতি প্ৰভেদদৰ্শিতা*

উৎসঃ Asaad & Hailaya (2008)

৫.৪.৩ বিকৰ্ষ বিশ্লেষণ

বিকৰ্ষ বিশ্লেষণ হৈছে প্ৰশ্নপদ বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ দিশ। বহুবিকল্প নিৰ্বাচন থকা প্ৰশ্নপদত ছাত্ৰ-ছাত্ৰীসকলক সম্ভাব্য উত্তৰ থকা তালিকাৰ পৰা এটা বিকল্প বাচিব দিয়া হয়। শুদ্ধ বিকল্পটোক 'চাবি' বা শুদ্ধ উত্তৰ বুলি কোৱা হয় আনহাতে অশুদ্ধ বিকল্পক বিকৰ্ষক বোলা হয়। বহুবিকল্প বাচনি থকা প্ৰশ্নপদত বিকৰ্ষৰ কাৰ্য্য হৈছে যিবোৰ অভীক্ষাৰ্থীয়ে প্ৰকৃততে শুদ্ধ উত্তৰ নেজানে তেওঁলোকক আঁতৰ কৰা। বহুবিকল্প বাচনি থকা প্ৰশ্নপদৰ প্ৰকাৰৰ সকলো বিকৰ্ষকে উপযুক্তভাৱে কাম কৰিব লাগে যাতে প্ৰশ্নপদবোৰ ফলপ্ৰসু হয়। বিকৰ্ষক বিশ্লেষণ হৈছে এটা প্ৰক্ৰিয়া যিয়ে বিকৰ্ষকৰ ফলপ্ৰসু কাৰ্য্য নিৰ্ধাৰণ কৰে, ই অভীক্ষাৰ্থীসকলক শুদ্ধ উত্তৰ দিয়াৰ পৰা দূৰত ৰাখে।

বিকৰ্ষক বিশ্লেষণ প্ৰক্ৰিয়াই বিকৰ্ষকৰ ফলপ্ৰসূতা নিৰ্ধাৰণৰ বাবে প্ৰয়োজন হোৱা বিকৰ্ষকৰ গণণাক অন্তৰ্ভূক্ত কৰে। এটা ফলপ্ৰসু বিকৰ্ষক উল্লেখযোগ্য প্ৰতিক্ৰিয়াকাৰী দ্বাৰা নিৰ্বাচিত হ'ব লাগে। তাৰোপৰি, এই ক্ষেত্ৰত এক গ্ৰহণযোগ্য মান প্ৰশ্নপদৰ জটিলতাৰ সূচীৰ ওপৰত বহু পৰিমানে নিৰ্ভৰ কৰিব লাগে। উদাহৰণস্বৰূপে, এটা প্ৰশ্নপদ ১০০ জন ছাত্ৰ-ছাত্ৰীয়ে কৰিলে আৰু জটিলতাৰ সূচী আছিল ০.৫৫ আৰু এইটো আশা কৰা হয় যে ৰৈ যোৱা ০.৪৫ বিকৰ্ষকৰ মাজত সমানে ভগাই দিয়া উচিত (প্ৰশ্নপদৰ কঠিনতা শুদ্ধকৈ উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীৰ শতাংশৰ সমান)। এনেদৰে, যদি প্ৰশ্নপদৰ জটিলতা ০.৫৫ হয়, তেতিয়া ৫৫ জন ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ প্ৰশ্নপদৰ উত্তৰ কৰে।

এতিয়া যদি বাকী থকা ৪৫ জন ছাত্ৰ-ছাত্ৰীয়ে বিকল্প 'C' ক নিৰ্বাচন কৰে, বিকৰ্ষক B আৰু D তেওঁলোকৰ বিকৰ্ষকৰ ভূমিকাত অনুপযোগী হয়। সেইদৰে, যদি ২৫ জন ছাত্ৰ-ছাত্ৰীয়ে 'D' নিৰ্বাচন কৰে আৰু অন্য ২০ জনে 'B' নিৰ্বাচন কৰে, তেতিয়া 'C' ফলপ্ৰসু বিকৰ্ষক হৈ নেথাকে আৰু তাক আঁতৰাব লাগে। ইয়াৰ উপযুক্ত চৰ্ত হ'ব তিনিটা বিকৰ্ষকৰ প্ৰতিটোকে ১৫ জন প্ৰতিক্ৰিয়াকাৰীয়ে নিৰ্বাচন কৰে। সেইবাবে, এটা প্ৰশ্নপদ যিটোৰ জটিলতা ০.৫৫ হ'লে, প্ৰতিটো বিকৰ্ষকৰ উপযুক্ত ফলপ্ৰসুতাৰ পৰিমান হৈছে ১৫/১০০ বা ০.১৫।

অভীক্ষাৰ প্ৰশ্নপদৰ বিকৰ্ষক বিশ্লেষণ অন্য এক প্ৰকাৰেও কৰিব পাৰি। ইয়াত, প্ৰশ্নপদৰ প্ৰভেদ দৰ্শিতা নিৰ্ণয়ৰ বাবে ব্যৱহাৰ কৰা সূত্ৰটো বিকৰ্ষক বিশ্লেষণৰ বাবেও ব্যৱহাৰ কৰিব পাৰি। তাৰোপৰি, বিশ্লেষণৰ বাবেও ব্যৱহাৰ কৰিব পাৰি। তাৰোপৰি, বিশ্লেষণ আৰু ব্যাখ্যা নিয়মিত প্ৰশ্নপদ প্ৰভেদ দৰ্শিতাৰ পৰা পৃথক হ'ব লাগে। ইয়াত, ধনাত্মক মানৰ পৰিবৰ্তে, ঋণাত্মক মান গ্ৰহণযোগ্য, যিহেতু নিম্ন দলৰ বেছি ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰা বিকৰ্ষকবোৰ বেছি ফলপ্ৰসু। এই পদ্ধতিটোত, প্ৰশ্নপদৰ উচ্চ আৰু নিম্নদলৰ প্ৰতিক্ৰিয়াবোৰ তালিকাকৰণ কৰা হয় আৰু প্ৰভেদদৰ্শিতাৰ সূচী এনেদৰে গণণা কৰা হয়—

তালিকা ৫.৩ বিকৰ্ষক বিশ্লেষণ

বিকৰ্ষক	উচ্চ দলৰ বাচনি হোৱা প্ৰতিক্ৰিয়াকাৰী	নিম্ন দলৰ বাচনি হোৱা প্ৰতিক্ৰিয়াকাৰী	প্ৰভেদদৰ্শিতাৰ সূচী
A	৪২	১৮	(৪২-১৮)/ ৬০=০.৪০
B	১৬	১৬	(১৫-১৬)/ ৬০=০.০০
C	১২	৩	(১২-৩)/ ৬০=০.১৫
D	৮	৩২	(৮-২)/ ৬০=০.৪০

শুদ্ধ উত্তৰ

ওপৰৰ তালিকাত, বিকল্প A হৈছে শুদ্ধ উত্তৰ আৰু সেইবাবে প্ৰভেদদৰ্শিতাৰ সূচী ০.৪০ থকা ধনাত্মক মান গ্ৰহণযোগ্য। বিকৰ্ষক 'B' মান হৈছে '0' আৰু ইয়াৰ অৰ্থ হৈছে বিকৰ্ষকে উচ্চ দলৰ ভাল ছাত্ৰ-ছাত্ৰী আৰু নিম্ন দলৰ বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিভাজন আনিব নোৱাৰে। সেইবাবে এই বিকৰ্ষকৰ ফলপ্ৰসুতা প্ৰশ্নবোধক হয় আৰু ইয়াক সংশোধন কৰিব লাগে বা আঁতৰাব লাগে। বিকৰ্ষক 'C' ধনাত্মক মান (০.১৫) য়ে দেখুৱাই যে এই বিকৰ্ষকে বহুতো ভাল ছাত্ৰ-ছাত্ৰী বাচনি কৰিছে। সেইবাবে, এইটো বিকৰ্ষকে পুনৰ উপযুক্তভাৱে কাৰ্য্য নকৰে। তাৰোপৰি, চূড়ান্ত বিকৰ্ষক, অৰ্থাৎ 'D' য়ে উচ্চ দলৰ তুলনাত নিম্ন দলৰ পৰা অধিক ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰি ফলপ্ৰসুভাৱে কাৰ্য্য কৰে। এটা বিকৰ্ষক ফলপ্ৰসু হয় যেতিয়া দেখা যায় যে বেয়া ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উত্তৰ দিয়ে।

এইখিনিতে এইটো উল্লেখযোগ্য যে যিকোনো এটা দলৰ প্ৰতিক্ৰিয়াকাৰীয়ে যদি এটা বিকৰ্ষকক বাচনি নকৰে, তেতিয়া বিকৰ্ষকটো অনুপযুক্ত হয়। যেতিয়া এটা বিকৰ্ষক কোনেও বাচনি নকৰে তেতিয়া এটা ভুল বিকল্প হ্ৰাস পায় আৰু এনেদৰে প্ৰতিক্ৰিয়াকাৰীক বৈ যোৱা বিকল্পৰ পৰা শুদ্ধ উত্তৰ অনুমান কৰাত সহায় কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন৩. প্ৰশ্নপদৰ কঠিনতাৰ স্তৰ বুলিলে কি বুজে?

প্ৰশ্ন৪. অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰভেদ দৰ্শিতাৰ ক্ষমতা কি?

প্ৰশ্ন৫. বিকৰ্ষক বিশ্লেষণ কাক বোলে?

৫.৫ বিভিন্ন প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰস্তুতি

ভাল অভীক্ষা এটাৰ ফলাফল বা প্ৰাপ্তাংকই অভীক্ষাটোৱে পৰিমাপন কৰিব বিচৰা অভীক্ষাৰ্থীসকলৰ প্ৰকৃত সামৰ্থক প্ৰতিফলিত কৰে। নিৰ্মাণ কৰিবলগীয়া অভীক্ষাৰ প্ৰশ্নপদৰ ধৰণ অভীক্ষাৰ উদ্দেশ্য বা অভীক্ষাই জুখিব বিচৰা ক্ষমতাৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। সেইবাবে অভীক্ষা

নিৰ্মানকাৰীসকলৰ প্ৰশ্নপদৰ ধৰণ লগতে তাৰ আপেক্ষিক সবলতা আৰু দুৰ্বলতা সম্পৰ্কে ভাল জ্ঞান থাকিব লাগে। বহল দৃষ্টিভংগীত, প্ৰশ্নপদসমূহক দুটা ভাগত ভাগ কৰিব পাৰিঃ বস্তুনিষ্ঠ ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদ আৰু ব্যক্তিনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদ।

- **বস্তুনিষ্ঠ ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদঃ** এই প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদত বাস্তৱিক প্ৰশ্ন থাকে, যিবোৰৰ বাবে অতি চমু উত্তৰ লাগে, সোনকালে নম্বৰ প্ৰদান কৰিব পাৰি আৰু উত্তৰৰ সূচীৰ সহায়ত যিকোনো ব্যক্তিয়ে নম্বৰ প্ৰদান পাৰে। এইবোৰ প্ৰশ্নপদত চমু উত্তৰৰ প্ৰয়োজন য'ত সাধাৰণতে এটা শব্দ, বাক্যাংশ বা এটা বাক্য থাকে।
- **ব্যক্তিনিষ্ঠ ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদঃ** এনেবোৰ প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদে নম্বৰ প্ৰদানকাৰী বা মূল্যায়নকাৰীৰ ব্যক্তিনিষ্ঠ বিচাৰক অন্তৰ্ভূক্ত কৰে। এনেবোৰ প্ৰশ্নপদ প্ৰস্তুত কৰা, প্ৰশাসন আৰু শুদ্ধকৈ মূল্যায়ন কৰাটো কঠিন আৰু খৰচী, যদিও এইবোৰ প্ৰশ্নপদ অধিক বৈধ। বস্তুনিষ্ঠ প্ৰকাৰৰ প্ৰশ্নপদে অন্তৰ্ভূক্ত কৰা ডাগবোৰ হৈছে—
    - বিকল্প প্ৰতিক্ৰিয়া (সত্য-অসত্য, হয়-নহয়) প্ৰশ্নপদ
    - সমিলকৰণ প্ৰশ্নপদ
    - বহুবিকল্প বাচনি প্ৰশ্নপদ
    - সম্পূৰ্ণ কৰা প্ৰশ্নপদ
- **বিকল্প প্ৰতিক্ৰিয়া ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদঃ** এই ধৰণৰ প্ৰশ্নপদত, বাস্তৱভিত্তিক উক্তি থাকে আৰু শিক্ষাৰ্থীয়ে তাত থকা বিকল্পবোৰত (সাধাৰণতে হয়/ নহয় বা সত্য -অসত্য) প্ৰতিক্ৰিয়া দেখুৱাব লাগে, উক্তিটোৰ সত্যতা সম্পৰ্কে নিজৰ বিচাৰকৰণৰ ওপৰত। এই প্ৰকাৰৰ প্ৰশ্নপদবোৰে অন্তৰ্ভূক্ত কৰা প্ৰধান সুবিধাবোৰ হৈছে— এনে প্ৰশ্নপদবোৰ প্ৰস্তুত কৰা সহজ, বস্তুনিষ্ঠভাৱে নম্বৰ প্ৰদান কৰিব পাৰি আৰু এইবোৰ বিষয়বস্তুৰ বহল পৰিসৰ অন্তৰ্ভূক্ত কৰিব পাৰে। ইয়াৰ অসুবিধাবোৰে অন্তৰ্ভূক্ত কৰাবোৰ হৈছে— নিৰ্দিষ্টকৈ শুদ্ধ বা অশুদ্ধ বা সাধাৰণভাৱে হয় বা নহয় উত্তৰ দিব পৰা প্ৰশ্নপদ নিৰ্মাণ কৰাতো সহজ নহয় আৰু এইবোৰত অনুমান কৰাৰ প্ৰৱণতা থাকে।
- **সমিলকৰণ ধৰণৰ প্ৰশ্নপদঃ** এই প্ৰকাৰৰ প্ৰশ্নপদত এখন তালিকাৰ সূচীৰ সৈতে আন এখন তালিকাৰ সূচীৰ সংযোগ থাকিব লাগে। অভীক্ষাৰ প্ৰশ্নপদবোৰ আন্তঃসম্পৰ্কিত সূচীৰ দুটা স্তম্ভত উপস্থাপন কৰিব লাগে আৰু অভীক্ষাৰ্থীসকলক সূচী সংযোগ কৰিবলৈ কোৱা হয়। এই প্ৰকাৰৰ অভীক্ষা প্ৰশ্নপদৰ সুবিধাবোৰ হৈছেঃ— এই প্ৰশ্নপদবোৰে তথ্যবোৰৰ সহযোগিতা আৰু সম্পৰ্ক পৰিমাপ নকৰিব পাৰে লগতে এইবোৰৰ ক্ৰম ভালদৰে চাব পাৰে, প্ৰশ্নৰ আৰম্ভণিত কোন, কেতিয়া, ক'ত আৰু কি ব্যৱহাৰ কৰি প্ৰশ্ন সুধিব পৰা যায়, এই প্ৰশ্নপদবোৰ নিৰ্মাণ কৰাতো আপেক্ষিকভাৱে সহজ আৰু সেইবোৰত নম্বৰ প্ৰদান কৰাতো সহজ। এই প্ৰকাৰৰ প্ৰশ্নপদবোৰৰ অসুবিধাবোৰ হৈছেঃ— এইবোৰ সাধাৰণতে উচ্চক্ৰমৰ চিন্তা পৰিমাপনৰ বাবে নিৰ্মাণ কৰিব পৰা নাযায় আৰু এই প্ৰকাৰৰ প্ৰশ্নপদত অনুমান কৰাটো সহজ।

- **বহুবিকল্প বাচনি প্ৰশ্নপদঃ** বহুবিকল্প বাচনি প্ৰশ্নপদ হৈছে সাধাৰণতে এক উক্তি, য'ত চাৰিটা বা পাঁচটা বিকল্প প্ৰতিক্ৰিয়া থাকে, য'ৰ পৰা উৎকৃষ্ট বা শুদ্ধটো বাচি উলিয়াব লাগে। উক্তি বা প্ৰশ্নটোক 'ডাল' বুলি কোৱা হয় আৰু বিকল্প বা বাচনিবোৰ হৈছে 'বিকল্প' আৰু শুদ্ধ বিকল্পটোক 'Key' বুলি কোৱা হয়। অশুদ্ধ বিকল্পবোৰক বিকৰ্ষক বোলা হয়। বহুবিকল্প বাচনিৰ প্ৰশ্নপদৰ সুবিধাবোৰ হ'লঃ— এইবোৰে শিক্ষণৰ বিভিন্ন স্তৰ পৰিমাপ কৰিব পাৰে, নম্বৰ প্ৰদান সহজ, সকলোৰে মাজত জনপ্ৰিয়, প্ৰমাণিত ফলপ্ৰসু পৰিমাপনৰ আহিলা। অসুবিধাবোৰ হৈছেঃ— ফলপ্ৰসু বিকল্প বাচনি প্ৰশ্নপদ প্ৰস্তুত কৰাতো কঠিন, ভালদৰে প্ৰস্তুত প্ৰশ্নপদবোৰে কেৱল উচ্চক্ৰমৰ চিন্তাবোৰহে পৰিমাপ কৰিব পাৰে আৰু অভীক্ষার্থীয়ে সঠিক উত্তৰ অনুমান কৰাটো সম্ভৱ কৰি তোলা কেইবাটাও যুক্তিযুক্ত বিকৰ্ষক থাকে।
- **সম্পূৰ্ণকৰণ প্ৰশ্নপদঃ** সম্পূৰ্ণকৰণ প্ৰশ্নপদত, এটা বাক্য উপস্থাপন কৰা হয়, য'ৰ পৰা এটা গুৰুত্বপূৰ্ণ শব্দ, আকাৰ বা বাক্যংশ নোহোৱা কৰা হয় আৰু শিক্ষার্থীসকলে সেই বাদ পৰা শব্দ বা আকাৰ লিখিব লাগে। এই প্ৰশ্নপদবোৰ প্ৰশ্ন বা বাক্যংশৰ ধৰমত উপস্থাপন কৰা হয় য'ত শিক্ষার্থীয়ে এটা শব্দ বা উক্তিৰ দ্বাৰা প্ৰতিক্ৰিয়া কৰিব লাগে। এই প্ৰকাৰৰ প্ৰশ্নপদৰ সুবিধাবোৰ হৈছেঃ— নিৰ্মাণ কৰিবলৈ আপেক্ষিকভাৱে সহজ, এক বহল সূচী আবৰি লয় আৰু অনুমান কৰাটো হ্ৰাস কৰে। এনেবোৰ প্ৰশ্নপদৰ অসুবিধাবোৰ হৈছেঃ— এইবোৰ সাধাৰণতে নিম্ন স্তৰৰ চিন্তাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়, প্ৰশ্নবোৰ কেতিয়াবা অস্পষ্ট হয়, নিৰ্মাণ কাৰ্য্য সৰল নহয়, নম্বৰ প্ৰদান মূল্যায়নকাৰীৰ বিচাৰ কৰণৰ ওপৰত নিৰ্ভৰ কৰে।

- **বিভিন্ন ধৰণৰ ব্যক্তিনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদঃ** সাধাৰণতে দুই প্ৰকাৰৰ অভীক্ষা থাকে, সেইকেইটা হৈছে চমু উত্তৰৰ ধৰণ বা সীমাবদ্ধ প্ৰতিক্ৰিয়া প্ৰশ্নপদ আৰু ৰচনা ধৰণৰ বা বিস্তাৰিত প্ৰতিক্ৰিয়াৰ প্ৰশ্নপদ।

ক) **চমু উত্তৰৰ প্ৰশ্নপদঃ** —এইবোৰ হৈছে সাধাৰণ ভাৱে সংগঠিত প্ৰশ্নপদ, যাৰ বাবে চমু উত্তৰৰ প্ৰয়োজন, সাধাৰণতে কেইটামান শব্দ বা বাক্য থাকে। এই প্ৰশ্নপদবোৰে বিষয়বস্তুৰ বিস্তৃত এলেকাক প্ৰতিনিধিত্ব কৰে। ইয়াৰ সুবিধাবোৰে অন্তৰ্ভূক্ত কৰাবোৰ হৈছে— ৰচনা অভীক্ষাতকৈ অধিক বৈধ আৰু নিৰ্ভৰযোগ্য, ব্যক্তিনিষ্ঠতাৰ প্ৰভাৱৰ পৰা মুক্ত যিহেতু উত্তৰৰ সীমা নিৰ্ধাৰিত হৈ থাকে, ছাত্ৰ-ছাত্ৰীয়ে অসংলগ্ন উত্তৰ লিখিব নোৱাৰে, প্ৰস্তুতি, প্ৰশাসন আৰু নম্বৰ প্ৰদান সহজ, প্ৰশ্নৰ উত্তৰ কৰিবলৈ কম সময়ৰ প্ৰয়োজন, এই প্ৰশ্নপদবোৰ হৈছে ৰচনাত্মক আৰু বস্তুনিষ্ঠতাৰ সংমিশ্ৰণ। চমু প্ৰশ্ন উত্তৰৰ প্ৰশ্নপদবোৰৰ সীমাবদ্ধতাবোৰ হৈছে— বিষয়বস্তুৰ পৰিসৰৰ আলোচনাৰ সীমাবদ্ধতা আৰু আকাংখিত প্ৰতিক্ৰিয়াৰ প্ৰকৃতি নিৰ্দেশ কৰে আৰু এনেদৰে মৌলিকতা সীমাবদ্ধ হয়।

খ) **ৰচনাত্মক প্ৰশ্নপদঃ**—এই প্ৰশ্নপদবোৰ হৈছে পৰম্পৰাগত আৰু জনপ্ৰিয় যাৰ বাবে দীঘল উত্তৰৰ প্ৰয়োজন আৰু উচ্চস্তৰৰ চিন্তাৰ চাহিদা থাকে যেনে বিশ্লেষণ, সংশ্লেষণ, ব্যাখ্যা, তুলনা, উপস্থাপন ইত্যাদি। শৈক্ষিক কৃতিত্ব পৰিমাপনৰ বাবে এইবোৰ প্ৰশ্নপদ অতি উপযোগী আৰু ছাত্ৰ-ছাত্ৰীৰ

মাজত জ্ঞানৰ গভীৰতা পৰীক্ষা কৰাৰ বাবে উপযোগী। তাৰোপৰি, ৰচনাত্মক উত্তৰবোৰক কম বৈধ, কম নিৰ্ভৰযোগ্য আৰু প্ৰায়েই ব্যক্তিনিষ্ঠ বুলি অভিযোগ কৰা হয়। ৰচনাত্মক প্ৰশ্নপদৰ সুবিধাবোৰ হৈছেঃ— এইবোৰ উচ্চ সংজ্ঞাত্মক সামৰ্থবোৰৰ পৰিমাপন কৰিব পাৰে যেনে বিশ্লেষণ, সংশ্লেষণ আৰু মূল্যায়ন, মনোভাৱ, মূল্যবোধ আৰু সৃজনাত্মক চিন্তাৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্য নিশ্চিত কৰিব পাৰে, সেইবোৰে লিখিত যোগাযোগৰ সামৰ্থবোৰ পৰীক্ষা কৰিব পাৰে, প্ৰতিনিধিত্ব, প্ৰকাশ আৰু বুজাবুজি, নিৰ্মাণ আৰু ৰচনাত্মক প্ৰশ্নপদ প্ৰশাসন সহজ আৰু ই কম খৰচী, সেইবোৰে ছাত্ৰ-ছাত্ৰীৰ মাজত গভীৰ অধ্যয়নৰ অভ্যাস বিকাশ কৰিব পাৰে। ৰচনাত্মক উত্তৰৰ সীমাবদ্ধতাবোৰ হৈছেঃ— এইবোৰে বিস্তৃত পাঠ্যসূচীক সামৰিব নোৱাৰে কাৰণ খুব কম প্ৰশ্নহে ইয়াত সুধিব পাৰি, ছাত্ৰ-ছাত্ৰীয়েও অপ্ৰাসংগিক উত্তৰ লিখিব পাৰে কাৰণ উত্তৰৰ পৰিসৰৰ নিৰ্দেশনা নেথাকে, বৈধতা, নিৰ্ভৰযোগ্যতা আৰু বস্তুনিষ্ঠতা আদিবোৰ ৰচনাত্মক প্ৰশ্নপদৰ ক্ষেত্ৰত প্ৰশ্নবোধক ধৰণৰ হয়, ৰচনাত্মক উত্তৰ নম্বৰ প্ৰদান ব্যক্তিনিষ্ঠতাৰ পৰা মুক্ত নহয়, সময় বেছি লয়, শিকন আৰু বোধতকৈ স্মৃতিহে পৰিমাপন কৰে, চিন্তাৰ গতি লিখাৰ গতিলৈ হ্ৰাস কৰে।

৫.৫.১ বিভিন্ন প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদ নিৰ্মাণৰ নিৰ্দেশনা

বিভিন্ন প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদ নিৰ্মানৰ কিছুমান নিৰ্দেশনা তলত দাঙি ধৰা হ'ল—

(ক) বস্তুনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদ নিৰ্মানৰ নিৰ্দেশনা

- বস্তুনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদবোৰ এনেদৰে নিৰ্মান কৰিব লাগে যাতে উত্তৰবোৰ "হয়" বা "নহয়" হয় আৰু প্ৰত্যেকটো প্ৰশ্নৰ এটাই মাত্ৰ সম্ভাব্য উত্তৰ হ'ব লাগে। কিছুমান শব্দ যেনে সকলো, সাধাৰণতে, কেতিয়াও একেবাৰে বা এটাও নহয় ইত্যাদি কাৰণ এই শব্দবোৰ বহুতো পৰিবেশত অস্পষ্ট হয়।
- সত্য-অসত্যৰ উক্তিবোৰত প্ৰশ্নপদবোৰে সত্য বা অসত্য যিকোনে এটা হ'ব লাগে দ্ব্যৰ্থহীন বা স্পষ্ট হ'ব লাগে। নেতিবাচক উক্তি ব্যৱহাৰ কৰিব নেলাগে।
- সমিলকৰণ প্ৰশ্নপদত, অসমান পক্ষ আৰু প্ৰতিক্ৰিয়া প্ৰদান কৰিব লাগে যাতে অনুমান হ্ৰাস কৰিব পাৰি। প্ৰশ্নপদবোৰ চুটিকৈ ৰাখিব লাগে। প্ৰতিটো স্তম্ভৰ শীৰ্ষক শাৰীটোৱে ইয়াৰ সূচীৰ যথাযথ বৰ্ণনা কৰিব লাগে আৰু সমিলকৰণৰ ভিত্তি নিৰ্দেশ কৰা থাকে।
- সম্পূৰ্ণকৰণৰ প্ৰশ্নপদ নিৰ্দিষ্ট আৰু দ্ব্যৰ্থহীন হ'ব লাগে। উদাহৰণস্বৰূপে, শিক্ষা হৈছে— প্ৰক্ৰিয়া; এই প্ৰশ্নপদটো হৈছে অস্পষ্ট কাৰণ বিভিন্ন শব্দবোৰ যেনে 'গতিশীল', 'সামাজিক', 'দ্বি-কাৰক', 'ত্ৰিকাৰক' বা অন্য শব্দ কিছুমান ইয়াৰ শুদ্ধ উত্তৰ হ'ব পাৰে। ঠিক সেইদৰে, অন্য প্ৰশ্নপদঃ গান্ধীজী জন্ম হৈছিল— এইটো স্পষ্ট নহয়, জন্মৰ বছৰটো সোধা হৈছিল বা তেওঁৰ জন্মৰ স্থানো হ'ব পাৰে।

যদি উত্তৰটো সাংখিক বা পৰিমানগত হয়, তেতিয়া প্ৰশ্নত 'একক'টোৰ নিৰ্দেশনা থাকিব লাগে। কেতিয়াবা এটা খালী ঠাইৰ আগত 'an' ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীক এটা ধাৰণা দিয়া হয় যে তাত স্বৰবৰ্ণ ব্যৱহাৰেৰে আৰম্ভ হ'ব।

- বহু বিকল্প বাচনি প্ৰশ্নপদত এখন তালিকা নিৰ্দিষ্টকৈ প্ৰস্তুত কৰিব লাগে তাত বিষয়ৰ প্ৰশ্নপদ আৰু অভীক্ষাৰ কৌশল অন্তৰ্ভুক্ত কৰিব লাগে। বহু বিকল্প প্ৰশ্নপদবোৰ নিৰ্দেশনাৰ সকলো উদ্দেশ্য পৰীক্ষা কৰিবলৈ নিৰ্মান কৰিব লাগে। প্ৰশ্নপদৰ উক্তিটোৱে অলাগতিয়াল তথ্য নিদিয়াকৈ সমস্যাটো স্পষ্টভাৱে উল্লেখ কৰিব লাগে। বিকল্পবোৰ সাৱধানে বাচনি কৰিব লাগে আৰু উত্তম উত্তৰ অন্তৰ্ভূক্ত কৰিব লাগে। বিকৰ্ষকবোৰ সাসংগিক হ'ব লাগে আৰু অস্বাভাৱিক হ'ব নেলাগে। কোনো প্ৰশ্নপদে সূত্ৰ প্ৰদান কৰিব নেলাগে বা একে অভীক্ষাত অন্য প্ৰশ্নৰ উত্তৰ হ'ব নেলাগে। সকলোবোৰ প্ৰশ্নপদে স্বাধীন হ'ব লাগে। কুটিল প্ৰশ্ন এৰাই চলিব লাগে আৰু অভীক্ষার্থীসকলক স্পষ্ট নিৰ্দেশনা দিব লাগে।

(খ) ব্যক্তিনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদ নিৰ্মানৰ নিৰ্দেশনা

- অভীক্ষার্থীসকলৰ মানসিক বিকাশৰ স্তৰৰ প্ৰতি লক্ষ্য ৰাখি অভীক্ষাৰ প্ৰশ্নপদ প্ৰস্তুত কৰিব লাগে।
- প্ৰশ্নপদবোৰ অতি বেছি বিস্তৃত, অতি সাধাৰণ আৰু অস্পষ্ট হ'ব নেলাগে।
- প্ৰত্যেকটো প্ৰশ্নপদৰ আৰ্হি উত্তৰবোৰ নম্বৰ প্ৰদানৰ বাবে নিৰ্দেশনা হিচাবে প্ৰস্তুত কৰিব লাগে।
- কাৰ্য্যৰ ক্ৰিয়াবোৰে যেনে সমাধান, ব্যাখ্যা, তুলনা, বৈষম্য, আলোচনা, স্পষ্ট কৰা আদিবোৰ পৰীক্ষার্থীসকলক নিৰ্দেশনা দিয়াৰ বাবে ব্যৱহাৰ কৰা হয় যাতে তেওঁলোকে আকাংখিত আচৰণত গুৰুত্ব দিব পাৰে।
- উত্তৰৰ প্ৰত্যাশিত দৈৰ্ঘ্য, সময়সীমা আৰু সঁহাৰিৰ বৈশিষ্টসমূহ সূচাই উপযুক্ত দিশ প্ৰদান কৰিব লাগে যিবোৰ নম্বৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ।
- এটা নম্বৰ প্ৰদানৰ বিধি সৃষ্টি কৰিব লাগে যিয়ে সঁহাৰিৰ আকাংখিত বৈশিষ্ট্যসমূহ তালিকাভুক্ত কৰিব যদি প্ৰতিটো নিৰ্দিষ্ট বৈশিষ্ট্যৰ বাবে পইণ্ট প্ৰদান কৰা হয়।
- প্ৰশ্নপদৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিবলৈ আৰু ব্যক্তিকেন্দ্ৰিক নম্বৰ প্ৰদানত লক্ষ্য ৰাখিবলৈ এজনতকৈ অধিক মূল্যায়নকাৰী ৰাখিব লাগে যিয়ে উত্তৰত নম্বৰ প্ৰদান কৰে।
- অভীক্ষাৰ প্ৰশ্নপদৰ ব্যৱহাৰ কৰা ভাষা স্পষ্ট আৰু অদ্ব্যার্থক হ'ব লাগে।
- কিছুমান উপযোগী শব্দ যেনে 'কেনেকৈ', 'কিয়', 'তুলনা', 'বৰ্ণনা' আৰু 'আলোচনা' ইত্যাদি অভীক্ষাৰ প্ৰশ্নপদ লিখোতে ব্যৱহাৰ কৰিব লাগে।
- প্ৰশ্নটোৱে প্ৰয়োজনীয় উত্তৰৰ পৰিসৰ স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগে।
- প্ৰশ্নৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদান কৰিবলৈ শিক্ষার্থীক উপযুক্ত সময় প্ৰদান কৰিব লাগে।
- প্ৰশ্নপদবোৰৰ অভীক্ষাৰ লক্ষ্য বা উদ্দেশ্যৰ সৈতে মিল থাকিব লাগে।

- উত্তৰৰ প্ৰয়োজনীয় দৈর্ঘ্য নির্ণয় কৰি থ'ব লাগে।

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আমি এনেদৰে সংক্ষেপীকৰণ কৰিব পাৰো—

- অভীক্ষা নির্মাণৰ প্রতিমানীকৰণৰ ক্ষেত্রত প্রশ্নপদ বিশ্লেষণ হৈছে অতি গুৰুত্বপূর্ণ প্রক্রিয়া। প্রশ্নপদ বিশ্লেষণে অভীক্ষাৰ বিষয়বস্তু মূল্যায়ন কৰে। সেইবাবে অভীক্ষা এটাৰ প্রশ্নপদ বিশ্লেষণ নকৰাকৈ কোনেও এটা ভাল অভীক্ষা নির্মানৰ আশা কৰিব নোৱাৰে। সাধাৰণ অর্থত প্রশ্নপদ বিশ্লেষণ হৈছে অভীক্ষাৰ বিষয়বস্তুৰ আপেক্ষিক কঠিনতা আৰু প্রভেদসূচক শক্তিৰ নির্ণায়ক।
- প্রশ্নপদ বিশ্লেষণৰ উদ্দেশ্য হৈছে এটা অভীক্ষাই কিমান ভালদৰে কার্য্য কৰে তাক জোখা। ই অভীক্ষা নির্মাণকাৰীক অভীক্ষাৰ গুণমান নিয়ন্ত্রণৰ বাবে অনুশীলনীৰ অনুমতি প্রদান কৰে। প্রশ্নপদ বিশ্লেষণৰ উদ্দেশ্য হৈছে প্রশ্নপদসমূহৰ গুণগত মানদণ্ড উন্নত কৰা, যাতে ইয়াৰ ভৱিষ্যতে ব্যৱহাৰ কৰিব পাৰি। ই উচ্চগুণমান সম্পন্ন, ফলপ্রসু উপযুক্ত অভীক্ষা নির্মানক সহায় কৰে। প্রশ্নপদ বিশ্লেষণে কিমান ভালদৰে ছাত্র-ছাত্রীসকলৰ পার্থক্য দেখুৱাব পাৰে বা প্রত্যেকটো প্রশ্নপদৰ প্রভেদ দর্শিতা নির্ণয় কৰিব পাৰে। প্রশ্নপদ বিশ্লেষণৰ প্রধান উদ্দেশ্য হৈছে অভীক্ষাৰ গুণগত মানদণ্ড মূল্যায়ন কৰা। অভীক্ষাৰ চূড়ান্ত খচৰা প্রশ্নপদ বিশ্লেষণৰ পৰা পোৱা প্রত্যেকটো প্রশ্নপদৰ ওপৰত ভিত্তি কৰি প্রস্তুত কৰা হয়।
- প্রশ্নপদ বিশ্লেষণ প্রক্রিয়াই প্রধানকৈ কঠিনতাৰ স্তৰ নির্ধাৰণৰ কার্য্য আৰু প্রত্যেকটো প্রশ্নপদ প্রভেদদর্শিতা নির্ধাৰণৰ উপৰিও বিকল্প বিশ্লেষণ কৰে। প্রশ্নপদৰ জটিলতাৰ স্তৰ হৈছে সাধাৰণভাৱে প্রশ্নৰ শুদ্ধ উত্তৰ কৰা ছাত্র-ছাত্রীৰ শতাংশ। পৰিসাংখ্যিকভাৱে প্রশ্নপদৰ জটিলতাৰ স্তৰ নির্ধাৰণ কৰিবলৈ হ'লে প্রশ্নপদৰ শুদ্ধ উত্তৰ কৰা উচ্চ আৰু নিম্ন দুয়োটা দলৰ মুঠ ছাত্রৰ সংখ্যাক দুয়োটা দলত থকা মুঠ ছাত্রৰ সংখ্যাৰে বিভাজন কৰিব লাগে।
- প্রভেদদর্শিতাৰ সূচীক এনেদৰে ক'ব পাৰি যে উচ্চ আৰু নিম্ন কৃতিত্বৰ ছাত্র-ছাত্রীৰ মাজত প্রভেদৰ মাত্রা ই নির্ণয় কৰে। প্রশ্নপদে বেয়া ছাত্র-ছাত্রীৰ মাজৰ পৰা ভালখিনিক উলিয়াই আনিব আৰু নির্বাচন কৰিব পাৰিব লাগে আৰু বেছি ভালসকলে বেয়াসকলতকৈ বেছি প্রশ্নৰ উত্তৰ কৰিব পাৰে। অভীক্ষাৰ প্রশ্নপদৰ প্রভেদদর্শিতাৰ ক্ষমতা নির্ধাৰণৰ বিভিন্ন পদ্ধতি আছে, তেনেকুৱা এটা পদ্ধতি হৈছে উচ্চ দলৰ শুদ্ধ উত্তৰ দিয়া ছাত্র-ছাত্রীৰ পৰা নিম্ন দলৰ শুদ্ধ উত্তৰ দিয়া ছাত্র-ছাত্রীৰ সংখ্যাক বিয়োগ কৰিব লাগে আৰু সেই প্রাপ্ত ৰাশিক উচ্চদল বা নিম্নদলৰ ছাত্র-ছাত্রীৰ সংখ্যাৰে বিভাজন কৰিব লাগে।
- বিকর্ষ বিশ্লেষণ হৈছে প্রশ্নপদ বিশ্লেষণৰ এক গুৰুত্বপূর্ণ দিশ। বহুবিকল্প নির্বাচন থকা প্রশ্নপদৰ ছাত্র-ছাত্রীসকলক সম্ভাব্য উত্তৰ থকা তালিকাৰ পৰা এটা বিকল্প বাচিব দিয়া হয়। শুদ্ধ

বিকল্পটোক শুদ্ধ উত্তৰ বুলি কোৱা হয় আনহাতে অশুদ্ধ বিকল্পক বিকৰ্ষক বোলা হয়। বহু বিকল্প বাচনি থকা প্ৰশ্নপদত বিকৰ্ষৰ কাৰ্য্য হৈছে যিবোৰ অভীক্ষার্থীয়ে প্ৰকৃততে শুদ্ধ উত্তৰ নেজানে তেওঁলোকক আঁতৰ কৰা। বহুবিকল্প বাচনি থকা প্ৰশ্নপদৰ প্ৰকাৰৰ সকলো বিকৰ্ষকে উপযুক্তভাৱে কাম কৰিব লাগে যাতে প্ৰশ্নপদবোৰ ফলপ্ৰসু হয়। বিকৰ্ষক বিশ্লেষণ হৈছে এটা প্ৰক্ৰিয়া যিয়ে বিকৰ্ষৰ ফলপ্ৰসু কাৰ্য্য নিৰ্ধাৰণ কৰে, ই অভীক্ষার্থীসকলক শুদ্ধ উত্তৰ দিয়াৰ পৰা দূৰত ৰাখে।

- বহল দৃষ্টিভংগীত, প্ৰশ্নসমূহক দুটা ভাগত ভাগ কৰিব পাৰিঃ বস্তুনিষ্ঠ ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদ আৰু ব্যক্তিনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদ।

  বস্তুনিষ্ঠ ধৰণৰ অভীক্ষাৰ প্ৰশ্নপদঃ এই প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদত বাস্তৱিক প্ৰশ্ন থাকে, যিবোৰৰ বাবে অতি চমু উত্তৰ লাগে, সোনকালে নম্বৰ প্ৰদান কৰিব পাৰি আৰু উত্তৰৰ সূচীৰ সহায়ত যিকোনো ব্যক্তিয়ে নম্বৰ প্ৰদান কৰিব পাৰে। এইবোৰ প্ৰশ্নপদত চমু উত্তৰৰ প্ৰয়োজন য'ত সাধাৰণতে এটা শব্দ, বাক্যংশ বা এটা বাক্য থাকে।

  ব্যক্তিনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদঃ এনে প্ৰকাৰৰ অভীক্ষাৰ প্ৰশ্নপদে নম্বৰ প্ৰদানকাৰী বা মূল্যায়নকাৰীৰ ব্যক্তিনিষ্ঠ বিচাৰক অন্তৰ্ভুক্ত কৰে। এই প্ৰকাৰৰ প্ৰশ্নপদ প্ৰস্তুত কৰা, প্ৰশাসন আৰু শুদ্ধকৈ মূল্যায়ন কৰাটো কঠিন আৰু খৰচী, যদিও এইবোৰ প্ৰশ্নপদ অধিক বৈধ।
- সঠিক নিৰ্দেশনা অনুসৰণ কৰি বিভিন্ন ধৰণৰ প্ৰশ্নপদ নিৰ্মাণ কৰাৰ সময়ত সৰ্বোচ্চ সাৱধানতা অৱলম্বন কৰিব লাগে যাতে প্ৰশ্নপদবোৰ বৈধ, নিৰ্ভৰযোগ্য আৰু বস্তুনিষ্ঠ কৰি তুলিব পৰা যায়।

৫.৭ অধিক জানিবলৈ

1) Asaad, A.S. & Hailaya, W.M. (2004): Measurement and Evaluation; concepts and principles, Rex Book Store. Inc. Manila
2) Bloom, B.S. (1956): Taxonomy of Educational Objectives. Handbook I, Cognitive Domain, David McKay Co. Inc,New York
3) Bean, K.L.: Construction of Educational and Personal Tests, McGraw Hill Book, Inc. New York
4) Gupta, S.P. (2009): Modern Measurement and Evaluations with Statistics, Sharda Pustak Bhavan, Allahabad
5) UGC, (1972): Examination Reforms: A Plan of Actions, New Delhi

৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ অভীক্ষা নিৰ্মানৰ প্ৰতিমানীকৰণৰ ক্ষেত্ৰত প্ৰশ্নপদ বিশ্লেষণ হৈছে অতি গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। প্ৰশ্নপদ বিশ্লেষণে অভীক্ষাৰ বিষয়বস্তুৰ মূল্যায়ণ কৰে। সেইবাবে অভীক্ষা এটাৰ

প্ৰশ্নপদ বিশ্লেষণ নকৰাকৈ কোনেও এটা ভাল অভীক্ষা নিৰ্মানৰ আশা কৰিব নোৱাৰে। সাধাৰণ অৰ্থত প্ৰশ্নপদ বিশ্লেষণ হৈছে অভীক্ষাৰ বিষয়বস্তুৰ কঠিনতা আৰু প্ৰভেদসূচক শক্তিৰ নিৰ্ণায়ক। অন্য শব্দত প্ৰশ্নপদ বিশ্লেষণৰ কাৰ্য্য হৈছে বিষয়বস্তু কিমান কঠিন বা কিমান সহজ তাক নিৰ্ণয় কৰা আৰু বিষয়বস্তুৱে ভাল আৰু বেয়া ছাত্ৰ-ছাত্ৰীৰ পাৰ্থক্য বিচাৰ কৰিব পাৰে নে নোৱাৰে। অভীক্ষাৰ বৈধতা আৰু নিৰপেক্ষতা অভীক্ষাটোৰ প্ৰশ্নপদৰ বৈধতা আৰু নিৰপেক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ প্ৰশ্নপদ বিশ্লেষণৰ দুটা উদ্দেশ্য হৈছে

(i) প্ৰশ্নপদ বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে উচ্চ গুণমান সম্পন্ন, ফলপ্ৰসু, উপযুক্ত অভীক্ষা নিৰ্মাণত সহায় কৰা। প্ৰশ্নপদ বিশ্লেষণে অনুপযুক্ত প্ৰশ্নপদ আঁতৰ কৰা বা সংশোধনত সহায় কৰে।

(ii) প্ৰশ্নপদ বিশ্লেষণৰ অন্য এক উদ্দেশ্য হৈছে অভীক্ষাৰ প্ৰশ্নপদসমূহৰ আপেক্ষিক কঠিনতাৰ স্তৰ নিৰ্ধাৰণ কৰা। উপযুক্ত কঠিনতাৰ স্তৰ বাহাল থকা প্ৰশ্নপদবোৰ চূড়ান্ত পৰ্য্যায়ত ৰখা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ প্ৰশ্নপদৰ জটিলতাৰ স্তৰ হৈছে সাধাৰণভাৱে প্ৰশ্নৰ উত্তৰ কৰা ছাত্ৰ-ছাত্ৰীৰ শতাংশ। প্ৰশ্নপদৰ জটিলতাৰ সূচী ০.০০ ৰ পৰা ১.০০ লৈ থাকে, যিমানেই মান উচ্চ হয়, সিমানেই প্ৰশ্নপদ সহজ হয়। যদি এটা প্ৰশ্ন সকলোৱে শুদ্ধভাৱে উত্তৰ কৰে বা প্ৰত্যেক ইয়াক ভুল কৰে, তেতিয়া এইটো বুজিব লাগিব যে অভীক্ষাত অন্তৰ্ভূক্তহোৱা প্ৰশ্নপদ অতি বেছি টান। এনে প্ৰশ্নপদে ভাল আৰু বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰভেদ আনিব নোৱাৰে। সেইবাবে মধ্যমীয়া ধৰণৰ জটিলতা স্তৰ থকা প্ৰশ্নপদ অভীক্ষাত অন্তৰ্ভূক্ত কৰিব লাগে। পৰিসাংখিকভাৱে প্ৰশ্নপদৰ জটিলতাৰ স্তৰ নিৰ্ধাৰণ কৰিবলৈ হ'লে প্ৰশ্নপদৰ শুদ্ধ উত্তৰ কৰা উচ্চ আৰু নিম্ন দুয়োটা দলৰ মুঠ ছাত্ৰৰ সংখ্যাক দুটা দলত থকা মুঠ ছাত্ৰৰ সংখ্যাৰে বিভাজন কৰিব লাগে।

৪ নং প্ৰশ্নৰ উত্তৰঃ প্ৰভেদ দৰ্শিতাৰ সূচীক এনেদৰে ক'ব পাৰি যে উচ্চ আৰু নিম্ন কৃতিত্বৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰভেদৰ মাত্ৰাই নিৰ্ণয় কৰে। প্ৰশ্নপদে বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা ভালখিনিক উলিয়াই আনিব আৰু বাচনি কৰিব পাৰিব লাগে আৰু বেছি ভালসকলে বেয়া সকলতকৈ বেছি প্ৰশ্নৰ উত্তৰ কৰিব পাৰে। অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰভেদ দৰ্শিতাৰ ক্ষমতা নিৰ্ধাৰণৰ বিভিন্ন পদ্ধতি আছে, তেনে এটা পদ্ধতি হৈছে উচ্চ দলৰ শুদ্ধ উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীৰ পৰা নিম্নদলৰ শুদ্ধ উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যাক বিয়োগ কৰিব লাগে আৰু সেই প্ৰাপ্ত ৰাশিক উচ্চদল বা নিম্নদলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰে বিভাজন কৰিব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰঃ বিকৰ্ষ হৈছে প্ৰশ্নপদ বিশ্লেষণৰ এটা গুৰুত্বপূৰ্ণ দিশ। বহুবিকল্প নিৰ্বাচন থকা প্ৰশ্নপদৰ ছাত্ৰ-ছাত্ৰীসকলক সাম্ভাব্য উত্তৰ থকা তালিকাৰ পৰা এটা বিকল্প বাচিব দিয়া

হয়। শুদ্ধ বিকল্পটোক শুদ্ধ উত্তৰ বুলি কোৱা হয়, আনহাতে অশুদ্ধ বিকল্পক বিকৰ্ষক বোলা হয়। বহুবিকল্প বাচনি থকা প্ৰশ্নপদত বিকৰ্ষৰ কাৰ্য্য হৈছে যিবোৰ অভীক্ষার্থীয়ে প্ৰকৃততে শুদ্ধ উত্তৰ নেজানে তেওঁলোকক আঁতৰ কৰা। বহুবিকল্প বাচনি থকা প্ৰশ্নপদৰ প্ৰকাৰৰ সকলো বিকৰ্ষকে উপযুক্তভাৱে কাম কৰিব লাগে যাতে প্ৰশ্নপদবোৰ ফলপ্ৰসু হয়। বিকৰ্ষক বিশ্লেষণ হৈছে এটা প্ৰক্ৰিয়া যিয়ে বিকৰ্ষকৰ ফলপ্ৰসু কাৰ্য্য নিৰ্ধাৰণ কৰে, ই অভীক্ষার্থীসকলক শুদ্ধ উত্তৰ দিয়াৰ পৰা দূৰত ৰাখে। বিকৰ্ষক বিশ্লেষণ প্ৰক্ৰিয়াই বিকৰ্ষকৰ ফলপ্ৰসূতা নিৰ্ধাৰণৰ বাবে প্ৰয়োজন হোৱা বিকৰ্ষকৰ গণণাক অন্তৰ্ভূক্ত কৰে।

? ৫.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. প্ৰশ্নপদ বিশ্লেষণৰ গুৰুত্ব কি?

প্ৰশ্ন ২. বস্তুনিষ্ঠ অভীক্ষাৰ প্ৰশ্নপদসমূহৰ সুবিধা আৰু অসুবিধাবোৰ কি কি?

প্ৰশ্ন ৩. অভীক্ষাৰ প্ৰশ্নপদৰ বিভিন্ন প্ৰকাৰবোৰ লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. অভীক্ষাৰ প্ৰশ্নপদৰ কঠিনতাৰ স্তৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২. অভীক্ষাৰ প্ৰশ্নপদৰ প্ৰভেদদৰ্শিতাৰ ক্ষমতা কেনেদৰে গণণা কৰা হয় ব্যাখ্যা কৰক।

প্ৰশ্ন ৩. বিকৰ্ষক বিশ্লেষণৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰক।

প্ৰশ্ন ৪. ৰচনাত্মক অভীক্ষাৰ প্ৰশ্নপদৰ গুণমান উন্নত কৰাৰ কিছুমান পৰামৰ্শ আগবঢ়াওক।

*****

অধ্যায় ৬ : বৈধতা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ বৈধতাৰ অর্থ আৰু সংজ্ঞা
৬.৪ অভীক্ষাৰ বৈধতাত প্রভাৱ পেলোৱা কাৰকসমূহ
৬.৫ অভীক্ষাৰ বৈধতাৰ প্রকাৰসমূহ
৬.৬ অভীক্ষাৰ বৈধতাৰ পৰিমাপৰ পদ্ধতিসমূহ
৬.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- এটা অভীক্ষাৰ বৈধতাৰ সংজ্ঞা দিব পাৰিব
- অভীক্ষা এটাৰ বৈধতাত প্রভাৱ পেলোৱা কাৰকবোৰ বুজিব পাৰিব
- অভীক্ষাৰ বৈধতাৰ বিভিন্ন প্রকাৰবোৰ ব্যাখ্যা কৰিব পাৰিব
- অভীক্ষাৰ বৈধতা নির্ণয়ৰ পদ্ধতিবোৰ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

মনোবৈজ্ঞানিক অভীক্ষা আৰু পৰিমাপনৰ বিভিন্ন আহিলাসমূহে শিক্ষণৰ বিভিন্ন উদ্দেশ্য পূৰণ কৰে। শৈক্ষিক তত্ত্ব আৰু ব্যৱহাৰিক দিশৰ বিভিন্ন ফলাফল মনোবৈজ্ঞানিক অভীক্ষা প্রয়োগ কৰি কৰা তথ্য সংগ্রহ আৰু পৰিমাপৰ বিভিন্ন আহিলাৰ ওপৰত নির্ভৰ কৰে। যিহওক, যদি তথ্য সংগ্রহৰ আহিলাই ভুল ফলাফল দিয়ে, তেতিয়া ইয়াৰ ফলত ভুল সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ উদ্দেশ্যত উপনীত হোৱাত ব্যর্থ হয়। সেইবাবে তথ্য সংগ্রহৰ আহিলা বৈধ হ'ব লাগে যাতে ই বস্তুৰ পৰিমাপনৰ সঠিক ফলাফল দিব পাৰে। অভীক্ষাৰ বৈধতাৰ ধাৰণা, কাৰক, প্রকাৰ আৰু পদ্ধতি সম্পর্কে এই অধ্যায়টোত এটা স্পষ্ট বোধ দিবলৈ চেষ্টা কৰা হৈছে।

৬.৩ বৈধতাৰ অর্থ আৰু সংজ্ঞা

বৈধতা হৈছে এটা ভাল অভীক্ষা আৰু অন্য প্ৰকাৰৰ পৰিমাপনৰ আহিলাৰ এক অতি গুৰুত্বপূৰ্ণ গুণ। অভীক্ষা এটাৰ বৈধতাক এনেদৰে ক'ব পাৰি যে এটা অভীক্ষাই যি পৰিমাপ কৰিব বিচাৰিছে তাক যদি পৰিমাপ কৰিব পাৰিছে তেতিয়া আমি তাক বৈধতা থকা বুলি কওঁ। অন্যভাৱে কবলৈ হ'লে বৈধতাই এটা প্ৰশ্নৰ উত্তৰ দিয়ে যে অভীক্ষা এটাই যি জুখিব বিচাৰিছে সেইটো জুখিছেনে? বৈধতাৰ ধাৰণাটো ইমানেই মৌলিক যে ই নিৰ্ভৰযোগ্যতাৰ দিশটোৰ আগত থাকে। এটা অভীক্ষা নিৰ্ভৰযোগ্য হ'লেও বৈধ নহ'ব পাৰে। তাৰোপৰি, যদি এটা অভীক্ষা বৈধ নহয়, তেতিয়া তাৰ নিৰ্ভৰযোগ্যতাৰ কোনো অর্থ বা গুৰুত্ব নে থাকে। অন্যহাতে বৈধ অভীক্ষাবোৰ সাধাৰণতে নিৰ্ভৰযোগ্য হয়। বৈধতাৰ ধাৰণাটো নিৰপেক্ষ নহয় আৰু সেইবাবে এটা অভীক্ষাৰ বৈধতা সদায় এটা উদ্দেশ্যৰ বাবে বৈধ, সকলোৰে বাবে নহয়। যিকোনো অভীক্ষা বিভিন্ন ধৰণে বৈধ হ'ব পাৰে, ইয়াৰ বিভিন্ন ব্যৱহাৰৰ ওপৰত ভিত্তি কৰে। উদাহৰণস্বৰূপে, কৈশোৰ কালৰ ল'ৰা-ছোৱালীৰ যুক্তিসংগত চিন্তাৰ সামর্থ পৰিমাপন কৰিবলৈ প্ৰস্তুত কৰা অভীক্ষা এটাই ইয়াৰ উদ্দেশ্য পূৰণ কৰিব পাৰে, কিন্তু সেই অভীক্ষাটো অন্য এটা দলৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলেই উদ্দেশ্য পূৰণ কৰাৰ ক্ষেত্ৰত বিফল হ'ব পাৰে।

বৈধতাৰ বিষয়ে বিভিন্ন মনোবিদসকলে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। তলত কিছুমান গুৰুত্বপূৰ্ণ সংজ্ঞা দাঙি ধৰা হ'ল।

এল. জে. ক্ৰনব্ৰান্স মতে, "বৈধতা হৈছে কোনো এটা অভীক্ষাই যিটো জুখিব বুলি কয় তাক কিমানখিনি জুখিব পাৰে।"

এফ. এচ. ফ্ৰিমেনে বৈধতাৰ সংজ্ঞা এনেদৰে দিছে— "ই হৈছে এটা 'সূচী' যিয়ে এটা অভীক্ষাই গ্ৰহণ কৰা মাপকাঠীৰ সৈতে তুলনা কৰিলেই জুখিব বিচৰাখিনি কিমানখিনি জুখিব তাক দেখুৱায়।"

হেনৰি গেৰেটে কৈছিল যে, "এটা অভীক্ষা বা পৰিমাপন আহিলাৰ বৈধতাই যি নিষ্ঠাৰে জুখিব বুলি কয় তাৰ ওপৰত নির্ভৰ কৰে।"

আনচটাচীয়ে কৈছে, "অভীক্ষাৰ বৈধতাৰ প্ৰশ্নটো অভীক্ষাটোৱে কি জুখিব আৰু ই সেই সম্পৰ্কে কিমান ভালদৰেই জোখে।"

অভীক্ষাটোকে প্ৰকৃততে কি পৰিমাপ কৰিব তাৰ নিশ্চিত কৰিবলৈ দুটা প্ৰকাৰৰ চলকৰ পৰিমানৰ লক্ষ্যৰ প্ৰয়োজন। এটা প্ৰকাৰ পৰিমাপন অভীক্ষাটোৰ পৰাই পোৱা যায় আৰু আনটো প্ৰকাৰ যিয়ে চলকৰ পৰিমাপ নকৰে, সেইবোৰ উপযুক্ত আৰু গ্ৰহণযোগ্য আহিলাৰ দ্বাৰা পোৱা যাব। পিছৰটোক মাপকাঠী বুলি জনা যায়। যদি নম্বৰ বা অভীক্ষাৰ পৰিমাপন উপযুক্তভাৱে মাপকাঠীৰ দ্বাৰা পোৱা যায় তেতিয়া এই অভীক্ষাটোক বৈধ হিচাবে ধৰা হয়। এনেদৰে এটা অভীক্ষাৰ বৈধতা হৈছে অভীক্ষাটোৱে পৰিমাপন কৰা চলকবোৰৰ মাজৰ যোগাযোগ বা সহসম্বন্ধ আৰু চলক বস্তুনিষ্ঠভাৱে সংজ্ঞায়িত আৰু পৰিমাপন কৰা হয়। অভীক্ষা আৰু মাপকাঠীৰ পৰিমাপৰ পৰা পোৱা সহসম্পৰ্কৰ দ্বাৰা যোগাযোগ দেখুওৱা হয় যিটোক সহসম্বন্ধৰ বৈধতা বুলিও কোৱা হয়। সেইবাবে, মনৰোৱে কৈছিল যে, "বৈধতা

শিৱোনামৰ অধীনত আমি পৰীক্ষাৰ দ্বাৰা পোৱা নম্বৰ আৰু কাÚÇ±ৰলীৰ বিবৃতিত জুখিব পৰা ক্ষমতাসমূহৰ মাজত থকা কার্য্যকৰী সম্পর্কৰ স্থিৰতাৰ মাত্রা সোধা-পোছা কৰো।" সহসম্বন্ধ গুণাংকৰ দ্বাৰা বৈধতাক পৰিসাংখিকভাৱে ব্যাখ্যা কৰিব পাৰি। সেই অভীক্ষাবোৰৰ নম্বৰৰ মাজত সহসম্বন্ধ গুণাংক জুখিব পাৰি আৰু মাপকাঠী গ্রহণ কৰিব পাৰি।

৬.৪ অভীক্ষাৰ বৈধতাত প্রভাৱ পেলোৱা কাৰকসমূহ

অভীক্ষা এটাৰ বৈঠতাত বিভিন্ন কাৰকে প্রভাৱ পেলায়। বৈধতাত প্রভাৱ পেলোৱা গুৰুত্বপূর্ণ কাৰকবোৰ তলত দাঙি ধৰা হ'ল—

- **অভীক্ষাটোত থকা কাৰকসমূহঃ**—এটা অভীক্ষাৰ বৈধতা বেছিকৈ অভীক্ষাটোত থকা বিষয়বোৰৰ ওপৰত নির্ভৰ কৰে। প্রকৃততে, এটা অভীক্ষাৰ বৈধতা নির্ভৰ কৰে অভীক্ষাত অন্তÖÅÂÇক্ত কৰা প্রতিটো বস্তুৱে অভীক্ষাৰ উদ্দেশ কিমান ভালদৰে লাভ কৰিব পাৰে তাৰ ওপৰত। অভীক্ষাটো যিটো উদ্দেশ্য পূৰণ কৰিবলৈ নির্মাণ কৰা হৈছিল সেই উদ্দেশ্য পূৰণ কৰাত যদি ব্যর্থ হয়, তেতিয়া অভীক্ষাটোৰ বৈধতা নেথাকে।যি নহওক, অন্য কিছুমান কাৰক আছে যিবোৰে অভীক্ষাৰ বৈধতাৰ ওপৰত প্রভাৱ পেলায়। এনে কাৰকবোৰ—
  - **নির্দেশনাৰ স্পষ্টতাঃ** বিষয়বোৰৰ কেনেকৈ উত্তৰ কৰিব লাগে আৰু কেনেদৰে ৰেকর্ড ৰাখিব লাগে, অনুমান কৰিব দিয়া হ'বনে ইত্যাদি আদিৰ স্পষ্টতাই এটা অভীক্ষাৰ বৈধতা বৃদ্ধি কৰে। আনহাতে, অভীক্ষার্থীক প্রদান কৰাই স্পষ্ট নির্দেশনাই বৈধতা হ্রাস কৰে।
  - **অভীক্ষাৰ দৈর্ঘ্যঃ** অভীক্ষাৰ দৈর্ঘতাইও বৈধতাৰ ওপৰত প্রভাৱ পেলায়।এটা অভীক্ষা হৈছে বিভিন্ন বিষয়ৰ সংগ্রহ যিয়ে অভীক্ষাৰ সূচী বা উদ্দেশ্যক প্রতিনিধিত্ব কৰে। কিন্তু যদি অভীক্ষাত বেছি বিষয়বস্তু অন্তÖÅÂÇক্ত কৰা নহয়, তেতিয়াই সমগ্র সূচী বা উদ্দেশ্যক প্রতিনিধিত্ব কৰিব নোৱাৰে আৰু বৈধতাৰ ওপৰত বেয়াকৈ প্রভাৱ পেলায়।
  - **অভীক্ষাৰ বিষয়বস্তুত ব্যৱহাৰ কৰা ভাষাঃ** অভীক্ষাৰ বিষয়বস্তুত ব্যৱহাৰ কৰা ভাষা সদায় স্পষ্ট, সৰল আৰু উপযুক্ত অর্থ থকা হ'ব লাগে। কঠিন উচ্চাৰণ, বাক্যৰ জটিল গঠন, অস্পষ্ট শব্দ আৰু শব্দাংশ অভীক্ষার্থীসকলক অভীক্ষাৰ বিষয়বস্তু বুজাত অসুবিধা কৰে যিয়ে অভীক্ষাৰ বৈধতা হ্রাস কৰে।
  - **বিষয়বস্তুৰ জটিলতাৰ স্তৰঃ** অভীক্ষাত অন্তÖÅÂÇক্ত বিষয়বস্তুৰ জটিলতাই অভীক্ষাৰ বৈধতাৰ ওপৰত প্রভাৱ পেলায়। সাধাৰণতে এইটো লক্ষ্য কৰা হয় যে যেতিয়া অভীক্ষাৰ বিষয়বস্তুৰ কঠিনতা সমজাতীয় হয়, তেতিয়া বৈধতা নিম্নস্তৰৰ হয়, অন্যহাতে, কঠিনতা ভিন্ন ধৰণৰ হয় তেতিয়া বৈধতা উচ্চ পর্য্যায়ৰ হয়।

- **বিষয়বস্তুৰ বৈষম্য ক্ষমতাঃ** জটিলতাৰ স্তৰৰ দৰে, বিষয়বস্তুৰ বৈষম্যৰ ক্ষমতায়ো অভীক্ষাৰ বৈধতাৰ ওপৰত প্ৰভাৱ পেলায়। উচ্চ বৈষম্য থকা বিষয়বস্তুৰ বৈধতা উচ্চ হয় আৰু নিম্ন বৈষম্যৰ ক্ষেত্ৰত বৈধতা নিম্নগামী হয়।
- **বিষয়বস্তুৰ অনুপযুক্ত গঠনঃ** বিষয়বস্তুৰ অনুপযুক্ত গঠনে অভীক্ষাৰ বৈধতা নিম্নগামী কৰে। যিবোৰ বিষয়ে উত্তৰৰ এটা আভাস দিয়ে বা অন্য প্ৰশ্নৰ উত্তৰ হিচাবে থাকে বা অন্য কোনো অনুপযুক্ততা থাকে সেইবোৰে অভীক্ষাৰ বৈধতা হ্ৰাস কৰে।
- **অনুপযুক্ত বিষয়বস্তুঃ** কেতিয়াবা কিবা এটা সংলক্ষণ বা চলক পৰিমাপনৰ বাবে বিষয়বস্তু সংগঠন কৰা হয়, কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত দেখা যায় যে ই অন্য সংলক্ষণ বা তলকহে পৰিমাপন কৰিছে। তেনে অনুপযুক্ত বিষয়বস্তুৱে অভীক্ষাৰ বৈধতা হ্ৰাস কৰে।
- **বিষয়বস্তুৰ ত্ৰুটিপূৰ্ণ ব্যৱস্থাঃ** অভীক্ষাৰ বিষয়য়বস্তু যুক্তিপূৰ্ণভাৱে সজাব লাগে আৰু জটিলতাৰ উৰ্ধক্ৰমত সজাব লাগে। যদি বিষয়বস্তু যুক্তিসংগতভাৱে সজোৱা নাথাকে, সেইবোৰে অভীক্ষাৰ বৈধতাত বিপৰীত প্ৰভাৱ পেলায়।
- **অনুমানঃ**যদি বিষয়বস্তু আৰু অভীক্ষাটো এনেদৰে সংগঠন কৰা হয় যে ছাত্ৰ-ছাত্ৰীয়ে তাৰ শুদ্ধ উত্তৰ অনুমান কৰিব পাৰে তেতিয়া অভীক্ষাৰ বৈধতাৰ ওপৰত সন্দেহ থাকে।

- **বৈধকৰণৰ মাপকাঠীঃ** এটা অভীক্ষাৰ বৈধতা পৰিমাপ কৰিবৰ বাবে অভীক্ষাত লাভ কৰা নম্বৰ অন্য গ্ৰহণযোগ্য পৰিমাপন বা মাপকাঠীৰ সৈতে তুলনা কৰা হয়। বৈধতাৰ বিভিন্ন সূচকাংক লাভ কৰা হয় তেতিয়া অভীক্ষা বৈধকৰণত বিভিন্ন মাপকাঠী ব্যৱহাৰ কৰা হয়।
- **বৈধতা জোখা পদ্ধতিসমূহঃ—** অভীক্ষাৰ বৈধতা জোখাৰ বিভিন্ন পদ্ধতি আছে। বৈধতা জোখাৰ বাবে যেতিয়া বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয় তেতিয়া বিভিন্ন ধৰণে বৈধতাৰ পৰিমাপ কৰা হয়।
- **দলৰ প্ৰকৃতিঃ—**নমুনা সংগ্ৰহ কৰা দল যিটো বৈধতা পৰিমাপনৰ বাবে ব্যৱহাৰ কৰা হয় তাৰ ওপৰতো অভীক্ষাৰ বৈধতা নিৰ্ভৰ কৰে। বিশেষ দলৰ ব্যক্তিৰ বাবে বৈধতা সদায় বিশেষ।
- **অভীক্ষা লোৱা ব্যক্তিৰ প্ৰতিক্ৰিয়াৰ লগত সম্পৰ্ক থকা কাৰকঃ—**অভীক্ষা লোৱা ব্যক্তিৰ মনো-শাৰিৰীক অৱস্থা, আবেগিক আৰু মানসিক অৱস্থা, তাৰোপৰি সাংস্কৃতিক কাৰক য'ত সামাজিক-অৰ্থনৈতিক চৰ্ত, সামাজিক শ্ৰেণী, ভাষা, ধৰ্ম, শৈক্ষিক পটভূমি, লিংগ ইত্যাদিয়ে ব্যক্তিৰ নম্বৰক প্ৰভাৱিত কৰে আৰু অভীক্ষাৰ বৈধতাত প্ৰভাৱ পেলায়।
- **অভীক্ষাৰ প্ৰশাসন আৰু নম্বৰৰ সৈতে সম্পৰ্ক থকা কাৰক সমূহঃ—**কেতিয়াবা অভীক্ষাৰ প্ৰশাসন আৰু নম্বৰ প্ৰদান প্ৰক্ৰিয়াৰ বৈধতাৰ ওপৰত হস্তক্ষেপ কৰে। কিছুমান কাৰক যেনে অস্পষ্ট নিৰ্দেশনা, অনুপযুক্ত সময়, ঠগোৱা, প্ৰাৰ্থীক অন্যায়ভাৱে সহায়, অনিৰ্ভৰযোগ্য আৰু বস্তুনিষ্ঠ নম্বৰ প্ৰদান আৰু বেয়া মনো-শাৰিৰীক অৱস্থাই ব্যক্তিৰ নম্বৰৰ ওপৰত প্ৰভাৱ পেলায় আৰু অৱশেষত বৈধতাক প্ৰভাৱিত কৰে।

ওপৰত উল্লেখ কৰা কাৰকবোৰৰ উপৰিও অন্য কিছুমান কাৰকে অভীক্ষাৰ বৈধতাৰ ওপৰত প্ৰভাৱ পেলায়।

৬.৫ অভীক্ষাৰ বৈধতাৰ প্ৰকাৰসমূহ

অভীক্ষাৰ উদ্দেশ্যৰ সৈতে অভীক্ষাৰ বৈধতাৰ ওচৰ সম্পৰ্ক আছে। সেইবাবে অভীক্ষাৰ বৈধতা সদায় অভীক্ষাৰ উদ্দেশ্যৰ প্ৰসংগত জোখা হয়। প্ৰত্যেক অভীক্ষাৰ এক নিজস্ব স্পষ্ট উদ্দেশ্য আছে। অভীক্ষাৰ বিভিন্ন উদ্দেশ্যবোৰৰ ভিত্তিত বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি বৈধতা নিৰ্ণয় কৰা হয়। প্ৰত্যেক অভীক্ষাৰে নিজৰ ভিন্ন প্ৰকাৰৰ বৈধতা থাকে। বিভিন্ন অভীক্ষা বিশেষজ্ঞ আৰু মনোমাপক বিশেষজ্ঞসকলে বৈধতাক বিভিন্ন প্ৰকাৰত ভাগ কৰিছে আৰু অলপ পৃথকভাৱে নামকৰণ কৰিছে। বিভিন্ন প্ৰকাৰৰ ভিতৰত, তলত উল্লেখ কৰাবোৰ বহলভাৱে ব্যৱহৃত আৰু জনপ্ৰিয়।

আপাত বৈধতাঃ আপাত বৈধতা হৈছে অভীক্ষাৰ এক সকল বৈধতা। যি নহওক আপাত বৈধতা মনোমাপক দিশৰ পৰা প্ৰকৃত বৈধতা নহয়। ই হৈছে অভীক্ষাৰ বাহ্যিক বা অতিৰিক্ত গুণ আৰু ই অভীক্ষাই কি জুখিব বিচৰা দেখা পোৱা যায় তাক বুজায় আৰু প্ৰকৃততে ই কি পৰিমাপ কৰিব বিচাৰে তাক নুবুজায়। কাৰীকৰি দিশৰ পৰা আপাত বৈধতা আচলতে বৈধতা নহয় কিন্তু বাস্তৱ দিশৰ পৰা সম্পৰ্ক স্থাপন আৰু সংশ্লিষ্ট ব্যক্তিৰ মাজত গ্ৰহণযোগ্যতা বৃদ্ধিৰ বাবে আপাত বৈধতা গুৰুত্বপূ¡Ç।অভীক্ষাৰ বিষয়বস্তু যেতিয়া অপ্ৰাসংগিক বা অনুপযুক্ত হয়, তেতিয়া প্ৰকৃত বৈধতা যি হলেও ইয়াৰ ফলাফল বেয়া হয়।

এনেদৰে, অভীক্ষা এটাত যদি এনেকুৱা বিষয়বস্তু থাকে যিটো ই দেখাত পৰিমাপন কৰিব বিচৰাখিনিয়েই পৰিমাপন কৰিছে তেতিয়া সেই অভীক্ষাৰ আপাত বৈধতা থকা বুলি কোৱা হয়। উদাহৰণস্বৰূপে, যদি এটা অভীক্ষাৰ শিক্ষক নিৰ্বাচনৰ বাবে বিষয়বস্তু অন্তöÅÂÇক্ত কৰা হৈছে তাত ব্যৱহাৰ কৰা শব্দবোৰ শ্ৰেণীকোঠা আৰু শিক্ষণৰ লগত সম্পৰ্ক থাকে, তেতিয়া তাত আপাত বৈধতা থকা বুলি কোৱা হয়। কিন্তু একে সময়তে অভীক্ষাৰ বিষয়বস্তুবোৰে প্ৰকৃততে শিক্ষণৰ কৌশল পৰিমাপন কৰিব নোৱাৰিবও পাৰে। এইটো উল্লেখযোগ্য যে যদিও অভীক্ষাৰ আপাত বৈধতা থাকে, ই প্ৰকৃততে বৈধ নহবও পাৰে। সেইবাবে যেতিয়া অভীক্ষাৰ বৈধতা জোখা হয়, তেতিয়া কেৱল আপাত বৈধতা পৰ্য্যাপ্ত নহয়। অভীক্ষাৰ বৈধকৰণৰ প্ৰাথমিক স্তৰতহে ইয়াক বিবেচনা কৰা হয়। তাৰোপৰি, এটা অভীক্ষাৰ যেতিয়া সীমাবদ্ধ সময়ৰ ভিতৰত বৈধতা নিৰ্ণয় কৰিবলগীয়া হয়, তেতিয়া আপাত বৈধতা ব্যৱহাৰ কৰা হয়। আপাত বৈধতা, এক অৰ্থত, বিষয়বস্তু উপযুক্ত শব্দ আৰু বাক্যাংশ ব্যৱহাৰ কৰি প্ৰসংগৰ লগত প্ৰাসংগিকতা নিশ্চিত কৰে।

বিষয়বস্তুগত বৈধতাঃ বিষয়বস্তুগত বৈধতাক পাঠ্যসূচী বৈধতা, যুক্তিকৰ বা যুক্তিসংগত বৈধতা, আভ্যন্তৰীণ বৈধতা ইত্যাদি। শৈক্ষিক কৃতিত্বৰ অভীক্ষাত বিষয়বস্তুগত বৈধতা বিশেষভাৱে প্ৰয়োগ কৰা হয়। শিক্ষা ক্ষেত্ৰত, শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ শিক্ষাৰ্থীসকলক এটা পাঠ্যক্ৰমৰ

যোগেদি নির্দেশনা প্রদান কৰা হয়। শিক্ষাৰ অন্তত, যদি শিক্ষার্থীৰ অগ্রগতি পৰিমাপ কৰিবলৈ কিছুমান বিষয়বস্তু অভীক্ষাত অন্তöÅÂÇক্ত কৰা হয় তেতিয়াই পাঠ্যক্রমত উপযুক্তভাৱে প্রতিনিধিত্ব কৰে আৰু উদ্দেশ্যবোৰৰ কৃতিত্ব জুখিব পাৰে, তেতিয়া এনে অভীক্ষাৰ বিষয়বস্তুগত বৈধতা থকা বুলি কোৱা হয়।

বিষয়বস্তুৰ বৈধতা হৈছে অভীক্ষাৰ বিষয়বোৰ নির্দেশনামূলক উদ্দেশ্যৰ সৈতে কিমানখিনি মিল খায়। অন্যভাৱে ক'বলৈ হ'লে অভীক্ষাৰ বাবে ব্যৱহৃত নমুনাটো জুখিবলগীয়া অঞ্চল বা দিশটোৰ প্রতিনিধিত্বমূলক নে কি সেইটো নির্ণয় কৰাৰ প্রক্রিয়াটোৱেই হৈছে বিষয়বস্তুৰ বৈধতা। ই হৈছে অপৰিমাংখিক ধৰণৰ বৈধতা। এনেদৰে বিষয়বস্তুগত বৈধতাক আমি সংজ্ঞা দিব পাৰো যে অভীক্ষাই বিষয়সূচী বা বিষয়বস্তুৰ প্রতিনিধিত্বমূলক নমুনা আৰু জুখিব পৰা আচৰণৰ পৰিবর্তনৰ পৰিমান জুখিব পাৰে। তাৰোপৰি, বিষয়বস্তুৰ বৈধতা সদায় জুখিবলগীয়া বিশেষ উদ্দেশ্যৰ প্রসংগত পৰীক্ষা কৰা হয়। শিক্ষাৰ পাঠ্যক্রমৰ উদ্দেশ্যেৰে অভীক্ষাৰ বিষয়বস্তু সযতনে পৰীক্ষা কৰাৰ পিছত বিষয়বস্তুৰ বৈধতাৰ পৰিমাপ বিষয়ভিত্তিকভাৱে উপস্থাপন কৰা হয়।

বিষয়বস্তুৰ বৈধতা বেছিভাগেই কৃতিত্ব, বৃত্তি ইত্যাদি মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰা অভীক্ষাসমূহৰ বাবে প্রাসংগিক। একেদৰে বিষয়বস্তুৰ বৈধতা অভিৰুছি, ব্যক্তিত্ব, বুদ্ধি ইত্যাদি পৰীক্ষা কৰাৰ ক্ষেত্রত উপযুক্ত নহয়।

মাপকাঠীৰ বৈধতাঃ মাপকাঠীৰ বৈধতাক অভিজ্ঞতাভিত্তিক বা পৰিসাংখিক বৈধতা বুলি জনা যায়। মাপকাঠীৰ বৈধতা বা মাপকাঠী সম্পর্কিত বৈধতাত, অভীক্ষাত লাভ কৰা নম্বৰ কিছুমান মাপকাঠীৰ সৈতে তুলনা আৰু সম্পর্কিত কৰা হয়। মাপকাঠী হৈছে এক মানদণ্ড যাৰ সৈতে অভীক্ষাৰ নম্বৰ তুলনা বা মূল্যায়ন কৰা হয়। এনেদৰে মাপকাঠীৰ বৈধতা হৈছে অভীক্ষাৰ নম্বৰসমূহ মাপকাঠীৰ সৈতে কিমানদূৰ মিল খায়। ই হৈছে অভীক্ষাৰ নম্বৰৰ মাজত সহসম্বন্ধ নির্ণয় কৰাৰ পৰিমানগত বা পৰিসাংখিত প্রক্রিয়া। অভীক্ষাৰ বৈধতা মাপকাঠীৰ ওপৰত কার্য্যক্ষমতা ভৱিষ্যৎবাণী কৰাৰ ক্ষমতাৰ দ্বাৰাও নির্ধাৰিত হয়। বিভিন্ন গুণৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্রকাৰৰ মাপকাঠীৰ বৈধতা পোৱা যায় যিবোৰ বিচাৰকৰ মানদণ্ড হিচাবে ব্যৱহাৰ হয়। সেইবোৰ হৈছে এনেধৰণৰ—

ভৱিষ্য বৈধতাঃ ভৱিষ্য বৈধতাই এটা অভীক্ষা তাত্বিকভাৱে ভৱিষ্যতবাণী কৰিব পৰা উচিত ভৱিষ্যৎ কৰিব পৰা পৰিসৰক বুজায়। ভৱিষ্যৎ বৈধতা এক প্রতিষ্ঠিত মাপকাঠীৰ ওপৰত ভিত্তি কৰি নির্ধাৰণ কৰা হয়। এটা অভীক্ষাৰ ভৱিষ্য বৈধতা থকা বুলি কোৱা হয়, যদি ইয়াৰ নম্বৰে অভীক্ষা লোৱা ব্যক্তিৰ বিশেষ ক্ষেত্রত পাৰদর্শিতাৰ ভৱিষ্যতবাণী কৰে। ভৱিষ্য বৈধতা ক্ষেত্রত পাৰদর্শিতাৰ ভৱিষ্যতবাণী কৰে। ভৱিষ্য বৈধতা নির্ণয় কৰিবলৈ এটা অভীক্ষা ওলোৱা হয় আৰু নম্বৰ প্রাপ্ত কৰা হয়। পৰবর্ত্তী স্তৰত, একেজন ব্যক্তিৰ নম্বৰ সেই বিশেষ দিশত প্রকৃত পাৰদর্শিতাৰ বাবে লাভ কৰা নম্বৰ তেওঁ আগৰ অভীক্ষাত লাভ কৰা নম্বৰৰ সৈতে তুলনা কৰা হয়। যদি এই দুয়োটা নম্বৰৰ মাজত ওচৰ সম্বন্ধ থাকে তেতিয়া অভীক্ষাটোৰ ভৱিষ্য বৈধতা থকা বুলি কোৱা হয়। উদাহৰণস্বৰূপে, এটা প্রবেশ পৰীক্ষাত ছাত্র-ছাত্রীয়ে লাভ কৰা নম্বৰক তেওঁলোকে সেই পাঠ্যক্রমত লাভ কৰা নম্বৰৰ সৈতে তুলনা বা সহসম্বন্ধ

নির্ণয় কৰা (যাৰ বাবে তেওঁলোক প্ৰবেশ পৰীক্ষাত নিৰ্বাচিত হয়) যাতে অভীক্ষা ভৱিষ্য বৈধতা নির্ণয় কৰিব পাৰি। প্ৰবেশ পৰীক্ষা, বৃত্তিমূলক পৰীক্ষা আৰু অভিৰুছি পৰীক্ষাৰ বাবে ভৱিষ্য বৈধতা উপযোগী।

সহগামী বৈধতাঃ সহগামী বৈধতা হৈছে আগতে বৈধকৰণ হৈ থকা অভীক্ষা এটাৰ সৈতে সম্বন্ধ ৰাখি নির্মাণ কৰা। নতুনকৈ নির্মাণ কৰা অভীক্ষাৰ সহগামী বৈধতা জুখিবলৈ, ছাত্ৰ-ছাত্ৰীয়ে অভীক্ষাত (নতুনকৈ নির্মান কৰা) লাভ কৰা নম্বৰ আগৰ বৈধ আৰু প্ৰতিমানীকৃত অভীক্ষাৰ সৈতে তুলনা আৰু সম্বন্ধিত কৰা হয়। উদাহৰণস্বৰূপে, নতুনকৈ নির্মাণ কৰা অভীক্ষা বৈধতা নির্ণয় কৰিবলৈ ষ্টেনফোর্ড বিনেৰ সৈতে তুলনা কৰা। যেতিয়া নতুন অভীক্ষাটো এটা প্ৰতি¿‡Âত আৰু প্ৰতিমানীকৃত অভীক্ষাৰ দ্বাৰা বৈধকৰণ কৰা হয়, তেতিয়া পাছৰটোক বৈধতাৰ মাপকাঠী বুলি কোৱা হয়। যেতিয়া অভীক্ষা নির্মাণকাৰীয়ে এটা নতুন অভীক্ষা নির্মাণ কৰে আৰু যি উদ্দেশ্যেৰে অভীক্ষাটো নির্মাণ কৰিছিল সেই উদ্দেশ্যপূর্ণ হোৱা বুলি নিশ্চিত হ'ব বিচাৰে, তেতিয়া তেওঁ প্ৰক্ৰিয়াবোৰ মানি চলিব লাগিব। এইটো কৰাৰ বাবে তেওঁ ইতিমধ্যে প্ৰতিষ্ঠিত অভীক্ষা বিচাৰি উলিয়াব লাগিব যাৰ দ্বাৰা একে চলক পৰিমাপন কৰা হৈছে, দুয়োটা অভীক্ষা চলাব লাগিব আৰু দুয়োটাৰ ফলাফল তুলনা কৰিব লাগিব। যদি ফলাফলৰ মাজত ওচৰ সম্বন্ধ থাকে, তেতিয়া নতুন অভীক্ষাটোৰ সহগামী বৈধতা থকা বুলি কোৱা হয়। মাপকাঠীৰ বৈধতা সাধাৰণতে বুদ্ধি, বহুমুখী অভিৰুছি আৰু ব্যক্তিত্বৰ অভীক্ষা বৈধকৰণৰ বাবে প্ৰয়োগ কৰা হয়।

ধাৰণা বিষয়ক বৈধতাঃ মনোবিজ্ঞানত, কিছুমান বস্তুৰ ধাৰণা ব্যাখ্যা কৰিবলৈ ইয়াক বিকাশ কৰা হৈছে। বিভিন্ন ধাৰণা পৰিমাপ কৰিবলৈ মনোবৈজ্ঞানিক অভীক্ষাবোৰ প্ৰস্তুত কৰা হয়। যেতিয়া এটা বিশেষ ধাৰণা পৰিমাপ কৰিবলৈ অভীক্ষা নির্মাণ কৰা হয়, তেতিয়া অভীক্ষা নির্মাণকাৰীয়ে স্পষ্টভাৱে ধাৰণাৰ সংজ্ঞা দিব লাগে, যাক অভীক্ষাটোৰ জৰিয়তে পৰিমাপ কৰিব বিচৰা হৈছে। অভীক্ষা নির্মাণকাৰীয়ে সংজ্ঞা দিয়া ধাৰণাৰ তাত্বিক দিশটো ধাৰণা বৈধতাৰ দ্বাৰা পৰিমাপন কৰা হয়। আনাচটাচীৰ মতে, ধাৰণা বিষয়ক বৈধতা হৈছে, যিটো অভীক্ষাই তাত্বিক ধাৰণা বা সংলক্ষণ বা মনোবৈজ্ঞানিক চলকক পৰিমাপ কৰে।

উপাদানমূলক বৈধতাঃ অভীক্ষা সাধাৰণতে বিভিন্ন মানসিক ধাৰণা বা উপাদান পৰিমাপ কৰিবলৈ গঠন কৰা হয়। বিভিন্ন তেনে উপাদান বা ধাৰণা পৰিমাপ নকৰিবলৈ, অভীক্ষাত বিভিন্ন বিষয়ৰ একক অন্তöÅÂÇক্ত কৰা হয়। উপাদানমূলক বৈধতাই এটা কাৰক গঠন কৰা বস্তুৰ এককসমূহৰ নম্বৰ আৰু মুঠ অভীক্ষাৰ নম্বৰৰ মাজৰ সহসম্পর্কক বুজায়। অভীক্ষাবোৰ সাধাৰণতে বিভিন্ন উপাদানৰ দ্বাৰা গঠিত হয়। অভীক্ষাৰ প্ৰতিটো উপাদানৰ দ্বাৰা গঠিত হয়। অভীক্ষাৰ প্ৰতিটো উপাদানৰ সৈতে অভীক্ষাৰ সহসম্বন্ধক অভীক্ষাৰ উপাদানমূলক বৈধতা বুলি কোৱা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১. বৈধতা কাক বোলে?

প্ৰশ্ন ২. আপাত বৈধতা কি?

প্রশ্ন ৩. অভীক্ষাৰ বৈধতাত প্রভাৱ পেলোৱা দুটা কাৰক লিখক।

প্রশ্ন ৪. মাপকাঠী বৈধতাৰ দুটা বিভিন্ন প্রকাৰ কি কি?

প্রশ্ন ৫. ধাৰণা বিষয়ক বৈধতা কাক বোলে?

৬.৬ অভীক্ষাৰ বৈধতাৰ পৰিমাপৰ পদ্ধতিসমূহ

নতুনকৈ নির্মাণ কৰা অভীক্ষাবোৰ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি বৈধতা জোখা হয়। এটা অভীক্ষাৰ বৈধতা পৰিমাপনৰ কিছুমান সাধাৰণ পদ্ধতিবোৰ হৈছে এনেধৰণৰ—

সহসম্বন্ধ গুণাংক পদ্ধতিঃ—অভীক্ষা নির্মাণকাৰীয়ে সাধাৰণতে নতুন অভীক্ষাবোৰ, সেই অভীক্ষাত লাভ কৰা নম্বৰ আৰু উপযুক্তভাৱে গ্রহণযোগ্য অভীক্ষাৰ ফলাফলৰ সৈতে সহসম্বন্ধ নির্ণয় কৰি বৈধতা নির্ণয় কৰে, যাক কাৰীকৰী বৈধতা বুলি জনা যায়। সহসম্বন্ধ গুণাংকই এটা অভীক্ষাৰ বৈধতাৰ সূচাংক প্রদান কৰে। দুটা অভীক্ষাৰ মাজৰ সহসম্বন্ধৰ ফলাফল উচ্চ হ'লে সি নতুন অভীক্ষাৰ উচ্চ বৈধতাক নির্দেশ কৰে। যেতিয়া বৈধতা বর্ণনা কৰিবলৈ সহসম্বন্ধ গুণাংক ব্যৱহাৰ কৰা হয়, সেইবোৰক বৈধতা গুণাংক বুলি কোৱা হয়। চাফ্রিট আৰু উডৰ মতে, সাধাৰণতে ০.০৯ ৰ বৈধতাৰ গুণাংক বা উচ্চ আশা কৰা হয় কিন্তু ০.৮০ কৈ ওপৰৰ মূল্য গ্রহণযোগ্য। তেওঁলোকে আকৌ কৈছিল যে, নিম্ন বৈধতা গুণাংক (০.৫০ ৰ ০.৬০ লৈ) অভীক্ষা ভৱিষ্যৎবাণী প্রদান কৰাতো গ্রহণযোগ্য।

নতুন অভীক্ষা বৈধকৰণৰ বাবে ব্যৱহাৰ কৰা সহসম্বন্ধ গুণাংক পদ্ধতি ভিতৰত পিয়াৰচনৰ সহসম্বন্ধৰ পদ্ধতি বেছিকৈ ব্যৱহৃত হয় আৰু ই অতি জনপ্রিয়। তাৰোপৰি সহসম্বন্ধৰ পদ্ধতি লাভ কৰা তথ্যৰ প্রকৃতি আৰু লগতে মাপকাঠীৰ ওপৰত নির্ভৰ কৰে। বার্গ আৰু লাটিনৰ মতে (২০০৮), নতুন অভীক্ষাৰ বৈধতা নির্ণয় কৰিবলৈ সাধাৰণতে ব্যৱহৃত সহসম্বন্ধৰ পদ্ধতিবোৰ হৈছে—

বৈধতাৰ প্রকাৰ	পৰিসংখ্যা (সহসম্বন্ধ পদ্ধতি)
আপাত বৈধতা	একো নাই
বিষয়বস্তুগত বৈধতা	একো নাই
সহগামী আৰু ভৱিষ্য বৈধতা	পিয়াৰচন সহসম্বন্ধ, স্পিয়েৰমেন, বহুবিকল্প সহসম্বন্ধ
ধাৰণা বিষয়ক বৈধতা	স্বাধীন

ওপৰৰ তালিকাৰ পৰা এইটো স্পষ্ট হৈছে যে সহসম্বন্ধ গুণাংক পদ্ধতিৰ এটা গুৰুত্বপূর্ণ দিশ হৈছে এই পদ্ধতিটো কেৱল সহগামী আৰু ভৱিষ্য বৈধতাৰ ক্ষেত্রতহে প্রয়োগ কৰিব পাৰি।

ক্রচ বৈধকৰণ পদ্ধতিঃ ক্রচ বৈধকৰণ হৈছে এক প্রক্রিয়া যাৰ জৰিয়তে অভীক্ষা এটাৰ দ্বিতীয়বাৰৰ কাৰণে দ্বিতীয় নমুনাৰ ওপৰত কৰা হয়। বৈধকৰণৰ বাবে যি পদ্ধতি ব্যৱহাৰ কৰিলেও, ক্রচ বৈধকৰণ অতি গুৰুত্বপূর্ণ। ই হৈছে এটা প্রক্রিয়া য'ত বৈধকৰণৰ মূল প্রক্রিয়াৰ পৰা পোৱা ফলাফল পৰীক্ষা কৰাৰ

উদ্দেশ্যে একে নমুনাৰ পৰা লোৱা ব্যক্তিৰ ভিন্ন নমুনাত অভীক্ষা প্রদান কৰা হয়। অন্য ভাষাত ক'বলৈ হ'লে ক্রচ বৈধকৰণৰ অর্থ হৈছে আগতে বিকাশ আৰু পুনৰীক্ষণ কৰা অভীক্ষা সম্পূর্ণ এটা নতুন দলত ইয়াৰ বাবে পৰীক্ষা কৰা।

ক্রচ বৈধকৰণৰ সাধাৰণ প্রকাৰবোৰে অন্তöÅÂÇক্ত কৰা পদ্ধতিবোৰ—

- **হল্ড আউচ বৈধকৰণঃ** যদিও এইটো ক্রচ বৈধকৰণৰ এটা পদ্ধতি, কিন্তু এই পদ্ধতিত তথ্য পাৰ নহয়। পর্য্যবেক্ষণ বা নম্বৰসমূহ প্রাথমিক প্রশাসনৰ পৰা ইচ্ছাকৃতভাৱে বাছি লৈ বৈধকৰণ তথ্যৰ নমুনা গঠন কৰা হয়, আৰু বাকী পর্য্যবেক্ষণসমূহ প্রশিক্ষণ তথ্য হিচাবে ৰখা হয়। সাধাৰণতে, প্রাথমিক নমুনাৰ এক-তৃতীয়াংশ তথ্য বৈধকৰণৰ বাবে প্রয়োগ কৰা হয়।
- **K-fold Cross বৈধকৰণঃ** এই পদ্ধতিত প্রকৃত নমুনাক K নমুনা উপভাগত ভগোৱা হয়; K নমুনা উপভাগৰ পৰা এটা উপনমুনা তথ্য বৈধকৰণৰ বাবে প্রয়োগ কৰা হয়, আৰু বাকী নমুনা উপভাগবোৰ তথ্যৰ প্রশিক্ষণৰ বাবে প্রয়োগ কৰা হয়। তেতিয়া ক্রচ বৈধকৰণ K বাৰ পুনৰাবৃত্তি কৰা হয়, প্রত্যেক K উপভাগ তথ্য বৈধকৰণৰ বাবে এবাৰ ব্যৱহাৰ কৰা হয়। প্রত্যেক fold ৰ ফলাফলৰ গড় নির্ণয় কৰা হয় বা একক অনুমানৰ বাবে যুক্ত কৰা হয়।
- **Leave-one-out Cross Validation:—**এই পদ্ধতিয়ে প্রকৃত নমুনাৰ পৰা একক নিৰীক্ষণ ব্যৱহাৰ কৰে তথ্য বৈধকৰণৰ বাবে, অন্য নিৰীক্ষণবোৰ প্রশিক্ষণ তথ্য হিচাবে থাকে। এই প্রক্রিয়াটো পুনৰাবৃত্তি কৰা হয় আৰু নমুনাৰ প্রত্যেকটো নিৰীক্ষণ তথ্য বৈধকৰণত এবাৰ ব্যৱহৃত হয়।
- **প্রত্যাশা তালিকা পদ্ধতিঃ** প্রত্যাশা তালিকা পদ্ধতি হৈছে দ্বিপাক্ষিক তালিকা, য'ত দুটা অক্ষীক্ষাৰ সম্পর্ক দেখুওৱা হয়। হেলমষ্টাডাৰ, এটা নির্দিষ্ট অভীক্ষা নম্বৰ লাভ কৰা ছাত্র-ছাত্রীসকলে কোনো পৰিস্থিতিত এটা নির্দিষ্ট ধৰণে আচৰণ কৰিব বুলি ইংগিত দিয়া সম্ভাৱনাসমূহ প্রদান কৰে। এই পদ্ধতিটো অন্য অভীক্ষাৰ পাৰদর্শিতাৰ স্তৰৰ ভৱিষ্যতবাণী কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি, অন্য কথাত ভৱিষ্য বৈধতা জুখিবৰ বাবে প্রত্যাশা তালিকা ব্যৱহাৰ কৰিব পাৰি।

ব্যক্তিৰ বর্তমান অভীক্ষাৰ পাৰদর্শিতা চাই তেওঁৰ ভৱিষ্যতৰ কিছুমান কার্য্যাৱলীৰ সফলতাৰ সুবিধা চোৱাৰ ক্ষেত্রত প্রত্যাশা তালিকাই সহায় কৰে। ই হৈছে সংখÉ±ৰ তালিকা য'ৰ পৰা কোনো বিশেষ ব্যক্তি বা ব্যক্তিৰ গোটে সফলতাৰ এক নির্দিষ্ট স্তৰ লাভ কৰাৰ সম্ভাৱনা বা সম্ভাৱনাৰ ভৱিষ্যত বাণী কৰিব পাৰি।

প্রত্যাশা তালিকা হৈছে অভীক্ষা এটাৰ বৈধতাৰ জোখ লোৱাৰ এক সৰল আৰু পোনপটীয়া পদ্ধতি। এই তালিকাখনে প্রশ্নৰ উত্তৰ কৰাত সহায় কৰে, যেনে মেট্রিক পৰীক্ষাত প্রথম বিভাগ লাভ কৰা

ছাত্রজনৰ ডিগ্রী পাঠ্যক্রমৰ সকলো যান্মাসিকত কেনে ফলাফলৰ সম্ভাৱনীয়তা থাকে? বা তৃতীয় বিভাগত পাছ কৰা ছাত্রজনৰ ডিগ্রী পাঠ্যক্রম সফলতাৰে সম্পূর্ণ কৰাৰ কেনে সম্ভাৱনীয়তা থাকে? প্রত্যাশা তালিকাই এনেবোৰ প্রশ্নৰ উত্তৰত সহায় কৰে। প্রত্যাশ্যা তালিকাৰ কার্য্য সম্পর্কে তলত দাঙি ধৰা হ'ল।

তালিকাঃ প্রত্যাশা তালিকা

যান্মাসিক সম্পূর্ণ কৰা ছাত্র-ছাত্রীৰ শতাংশ						
HSLC ৰ বিভাগ	১	২	৩	৪	৫	৬
প্রথম	৯৯	৯৫	৯১	৮৯	৮৯	৮৫
দ্বিতীয়	৯৩	৯০	৮৫	৮৩	৭৮	৭০
তৃতীয়	৮০	৭৫	৭১	৬৭	৬১	৫৭

ওপৰৰ টেবুলখনে দেখুৱাইছে যে HSLC ত প্রথম বিভাগ পোৱা ছাত্র-ছাত্রীৰ ডিগ্রীৰ ছয়টা যান্মাসিক সম্পূর্ণ কৰাৰ সম্ভাৱনীয়তা ৮৫%। সেইদৰে তৃতীয় বিভাগ পোৱাজনৰ ডিগ্রীৰ সকলো যান্মাসিক সম্পূর্ণ কৰাৰ সম্ভাৱনীয়তা হৈছে ৫৭% মাত্র।

এইটো গুৰুত্বপূর্ণ যে প্রত্যাশা তালিকাৰ গঠন একে নহয়। ইয়াৰ তথ্য গঠন বা সজ্জিতকৰণ নির্ভৰ কৰে ব্যৱহাৰকাৰীয়ে কি ভৱিষ্যৎ বাণী কৰিব বিচাৰিছে তাৰ ওপৰত। যি নহওক, পূর্বৰ অভীক্ষাৰ নম্বৰ জনা হ'লে এটা বিশেষ স্তৰৰ পৰিবেশন ভৱিষ্যত বাণী কৰিব পৰা সম্ভাৱনাৰ অনুমান সকলো প্রত্যাশা তালিকাই প্রদান কৰিব পাৰে। এনেদৰে প্রত্যাশা তালিকাই অভীক্ষাৰ নম্বৰৰ বৈধতা জুখিব পাৰে ইয়াৰ ভৱিষ্যত সামর্থৰ ওপৰত সম্ভাৱনীয়তাৰ গঠনত।

- **উপাদান বিশ্লেষণ পদ্ধতিঃ** উপাদান বিশ্লেষণ হৈছে এটা পৰিসাংখ্যিক পদ্ধতি, যি এটা অভীক্ষাৰ বৈধতা প্রস্তুত কৰাৰ বাবে ইয়াৰ বিষয়বস্তুৰ সহসম্বন্ধ অধ্যয়ন কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। উপাদান বিশ্লেষণ হৈছে এক পদ্ধতি যাক অভীক্ষাৰ বৃহৎ সংখ্যক বিষয়বস্তু কম কম উপাদান কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। অভীক্ষাটো গঠন কৰা প্রতিটো কাৰকৰ সৈতে অভীক্ষাৰ সমন্বয় গণনা কৰা হয় যাতে অভীক্ষাৰ মুঠ কার্য্যক্ষমতা হিচাবে প্রতিটো কাৰকৰ অৱদান বিচাৰি উলিওৱা হয় আৰু লগতে সকলো কাৰক আভ্যন্তৰীণভাৱে সামঞ্জস্যপূর্ণ নেকি আৰু অভীক্ষাৰ উদ্দেশ্যৰ দৰে একে চলকৰ মূল্যায়ন কৰা হয়।

ওপৰত আলোচনা কৰা পদ্ধতিবোৰৰ উপৰিও অন্য কিছুমান পদ্ধতি যেনে বিষয়বস্তু বিশ্লেষণ, বিশেষজ্ঞৰ বিচাৰকৰণ আৰু মতামত ইত্যাদিবোৰ নতুনকৈ নির্মাণ কৰা অভীক্ষাৰ বৈধকৰণৰ বাবে ব্যৱহাৰ কৰা হয়।

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি এনেদৰে সাৰাংশ লিখিব পাৰিব—

- বৈধতা হৈছে অভীক্ষা এটাৰ সততা। এটা অভীক্ষাৰ বৈধতাৰ সংজ্ঞা এনেদৰে দিব পাৰি যে অভীক্ষাটোৱে যি পৰিমাপন কৰিব বিচাৰিছে তাক পৰিমাপ কৰা বুলি দাবী কৰা। বৈধতাৰ ধাৰণাটো ইমানেই গুৰুত্বপূৰ্ণ যে ই নিৰ্ভৰযোগ্যতাৰ দিনটোৰ আগত থাকে। এটা অভীক্ষা নিৰ্ভৰযোগ্য হ'লেও বৈধ নহ'বও পাৰে। আনহাতে বৈধতা থকা অভীক্ষা এটা নিৰ্ভৰযোগ্য হয়। বৈধতাৰ ধাৰণাটো চূড়ান্ত নহয় আৰু সেইবাবে এটা অভীক্ষাৰ বৈধতা সেই অভীক্ষাটোৰ উদ্দেশ্যৰ পৰা গম পাব পাৰি। সেইবাবে এটা অভীক্ষা এটা উদ্দেশ্যৰ বাবে বৈধ হ'লেও আন উদ্দেশ্যৰ বাবে নহ'বও পাৰে।
- অভীক্ষা এটা বৈধতা বিভিন্ন কাৰকৰ দ্বাৰা প্ৰভাৱিত হয়, অভীক্ষাৰ ভিতৰতে থকা কাৰকবোৰ— বিষয়বস্তুৰ কঠিনতা আৰু বৈষম্যৰ স্তৰ, অভীক্ষাটোৰ দৈর্ঘ, বিষয়বস্তুৰ গুণমান, নিৰ্দেশনাৰ স্পষ্টতা, অনুমান ইত্যাদি অন্তöÅÂÇক্ত থাকে। বৈধকৰণৰ মাপকাঠী, বৈধতা জোখাৰ পদ্ধতিসমূহ, দলৰ প্ৰকৃতি, অভীক্ষা গ্ৰহণকাৰীৰ সৈতে জড়িত কাৰকবোৰ, প্ৰশাসন আৰু অভীক্ষাৰ নম্বৰ প্ৰদানৰ সৈতে জড়িত কাৰক।
- বৈধতাক বিভিন্ন অভীক্ষা বিশেষজ্ঞ আৰু মনোমাপকসকলে বিভিন্ন ভাগত ভাগ কৰিছে, অধিক জনপ্ৰিয় আৰু বেছিকৈ ব্যৱহাৰ হোৱা বৈধতাৰ প্ৰকাৰবোৰ হৈছে আপাত বৈধতা, বিষয়বস্তুগত বৈধতা, মাপকাঠী বৈধতা, ধাৰণা বিষয়ক বৈধতা আৰু উপাদান বৈধতা।
- অভীক্ষাৰ বৈধতা নিৰূপনৰ বিভিন্ন পদ্ধতি আছে। গুৰুত্বপূৰ্ণ পদ্ধতিবোৰ হৈছে সহসম্বন্ধ গুণাংক পদ্ধতি, ক্ৰচ বৈধকৰণ পদ্ধতি, প্ৰত্যাশা তালিকা পদ্ধতি, উপাদান বিশ্লেষণ ইত্যাদি।

৬.৮ অধিক জানিবলৈ

1) Anastasi, Anne (1982): Psychological testing, Edition 5, illustrated. Macmillan, The University of Michigan
2) Gupta, S.P. (2009): Modern Measurement and Evaluations with Statistics, Sharda Pustak Bhavan, Allahabad
3) Kelley, T. L. (1927): Interpretation of educational measurements, Macmillan, New York
4) Newton, Paul & Shaw, Stuart (2014): Validity in Educational and Psychological Assessment, Sage Publications, London.
5) Safrit, Margaret J. And Wood, Terry M. (1995): Introduction to Measurement in Physical Education and Exercise Science, Mosby, Missouri

6) Stanley & Hopkins (1966): Education and Psychological Measurement and Evaluation, Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বৈধতা হৈছে এটা ভাল অভীক্ষাৰ বা অন্য পৰিমাপনৰ আহিলাৰ এক গুৰুত্বপূৰ্ণ কাৰীকৰি গুণ। বৈধতা হৈছে অভীক্ষাৰ সত্যতা। প্রত্যেকটো অভীক্ষা মানসিক সংলক্ষণ পৰিমাপনৰ কাৰণে গঠন কৰা হয়। অভীক্ষাৰ উদ্দেশ্যৰ সৈতে জড়িত অভীক্ষাৰ মূল্যবোধ আৰু ই হৈছে অভীক্ষাটোৱে জুখিব বিচৰাখিনি জুখিব পাৰিছেনে নাই তাক নিশ্চিত কৰে।

২ নং প্রশ্নৰ উত্তৰঃ আপাত বৈধতা হৈছে অভীক্ষাৰ এক সৰল প্রকাৰ। যি নহওক আপাৰ বৈধতা মনোমাপক দিশৰ পৰা প্রকৃত বৈধতা নহয়। ই হৈছে অভীক্ষাৰ বাহ্যিক বা অতিৰিক্ত গুম আৰু ই অভীক্ষাই কি জুখিব বিচৰা দেখা পোৱা যায় তাক বুজায় আৰু প্রকৃততে ই কি পৰিমাপ কৰিব বিচাৰে তাক নুবুজায়।

৩ নং প্রশ্নৰ উত্তৰঃঅভীক্ষাৰ বৈধতাক প্রভাৱিত কৰা কাৰকবোৰ হৈছে—

(i) অভীক্ষাৰ বৈধতা প্রধানকৈ অভীক্ষাত থকা বিষয়বস্তুৰ ওপৰত নির্ভৰ কৰে। প্রকৃততে, অভীক্ষাৰ বৈধতা অভীক্ষাৰ উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্রত কিমান ভালকৈ বিষয়বস্তু অন্তöÅÂÇক্ত কৰা হয় তাৰ ওপৰত নির্ভৰ কৰে।

(ii) নমুনা সংগ্রহ কৰা দলৰ প্রকৃতিৰ ওপৰতো অভীক্ষাৰ বৈধতা নির্ভৰ কৰে। বিশেষ এটা দলৰ ব্যক্তিৰ ক্ষেত্রত বৈধতা সদায় বিশেষ ধৰণৰ হয়।

৪ নং প্রশ্নৰ উত্তৰঃ কাৰিকৰি বৈধতাৰ বিভিন্ন প্রকাৰবোৰ হৈছে—

(i) ভৰিষ্য বৈধতা আৰু

(ii) সহগামী বৈধতা

৫ নং প্রশ্নৰ উত্তৰঃ ধাৰণা বিষয়ক বৈধতা হৈছে অভীক্ষা নির্মাতাই সংজ্ঞায়িত কৰা তাত্ত্বিক দিশটো কিমানখিনি জুখিব পাৰে। আনাচটাচীৰ মতে, “ধাৰণা বিষয়ক বৈধতা হৈছে যিটো অভীক্ষাই তাত্ত্বিক ধাৰণা বা সংলক্ষণ বা মনোবৈজ্ঞানিক চলকক পৰিমাপন কৰে।”

৬.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. অভীক্ষা নির্মাণত বৈধতাৰ গুৰুত্ব কি ?

প্রশ্ন ২. অভীক্ষাৰ বিষয়বস্তু বৈধতাৰ সংজ্ঞা দিয়ক।

প্রশ্ন৩. ধাৰণা বিষয়ক বৈধতা কাক বোলে ?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. অভীক্ষাৰ বৈধতাত প্রভাৱ পেলোৱা কাৰকবোৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২. মাপকাঠীৰ বৈধতা বুলিলে কি বুজে ? মাপকাঠী বৈধতাৰ বিভিন্ন প্রকাৰবোৰ আলোচনা কৰক।

প্রশ্ন ৩. অভীক্ষাৰ বৈধতা নিৰূপন কৰাৰ বিভিন্ন পদ্ধতিবোৰ ব্যাখ্যা কৰক।

*****

অধ্যায় ৭ : নির্ভৰযোগ্যতা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ নির্ভৰযোগ্যতাৰ অর্থ আৰু সংজ্ঞা
৭.৪ অভীক্ষাৰ নির্ভৰযোগ্যতাৰ প্রভাৱ পেলোৱা কাৰকসমূহ
৭.৫ অভীক্ষাৰ নির্ভৰযোগ্যতাত নিৰূপন কৰাৰ পদ্ধতিসমূহ
৭.৬ নির্ভৰযোগ্যতা আৰু বৈধতাৰ সম্পর্ক
৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান
৭.১০ আৰ্হি প্রশ্নসমূহ

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অভীক্ষাৰ নির্ভৰযোগ্যতাৰ সংজ্ঞা দিব পাৰিব
- অভীক্ষাৰ নির্ভৰযোগ্যতাৰ প্রভাৱ পেলোৱা বিভিন্ন কাৰকবোৰৰ বিষয়ে জানিব পাৰিব
- অভীক্ষাৰ নির্ভৰযোগ্যতা নিৰূপন কৰা প্রক্রিয়া ব্যাখ্যা কৰিব পাৰিব
- নির্ভৰযোগ্যতা আৰু বৈধতাৰ মাজৰ সম্পর্ক বুজিব পাৰিব।

৭.২ পৰিচয়

নির্ভৰযোগ্যতা হৈছে এটা ভাল অভীক্ষাৰ এক অতি গুৰুত্বপূর্ণ কাৰিকৰী গুণ। শিক্ষা ক্ষেত্রত বা অন্য ক্ষেত্রত মূল্যায়ণ আৰু পৰিমাপনৰ বাবে তথ্য সংগ্রহ কৰাৰ আহিলা নির্ভৰযোগ্য হ'ব লাগে, তাৰোপৰি অন্য গুণবোৰো পূৰণ কৰিব লাগে, যেনে বৈধতা, বস্তুনিষ্ঠতা ইত্যাদি। বৈধতাৰ দৰে নির্ভৰযোগ্যতাও হৈছে পৰিমাপনৰ এক গুৰুত্বপূর্ম আহিলা। এটা ভাল অভীক্ষা বা অন্য পৰিমাপনৰ আহিলা নির্ভৰযোগ্য হ'ব লাগিব। তথ্যসংগ্রহৰ আহিলাবোৰ যদি ত্রুটিপূর্ণ হয়, ব্যৱহাৰ কৰা তথ্যবোৰো ত্রুটিপূর্ণ হ'ব। যদি তথ্যবোৰ মূল্যবান আৰু ব্যৱহাৰযোগ্য হ'ব লাগে, তেতিয়া সেইবোৰ বৈধ আৰু নির্ভৰযোগ্য হ'ব লাগিব। এই অধ্যায়টোত আমি নির্ভৰযোগ্যতাৰ অর্থ আৰু ইয়াৰ বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিম।

৭.৩ নির্ভৰযোগ্যতাৰ অর্থ আৰু সংজ্ঞা

নির্ভৰযোগ্যতা হৈছে ফলাফল বা প্রাপ্তফলৰ স্থিৰতা। যেতিয়া এটা অনুসন্ধানৰ পুনৰাবৃত্তি কৰা হয় ই একেই ফলাফল দিব লাগে যদি ই নির্ভৰযোগ্য হয়। যেতিয়া এজনতকৈ বেছি অভীক্ষক বা মূল্যায়ণকাৰীক পৰিমাপন কৰে, তেতিয়া সকলোৱে একে ধৰণৰ ফলাফল পাব লাগিব, যদিহে তথ্যবোৰ নির্ভৰযোগ্য হয়। একেদৰে, যেতিয়া এজন ব্যক্তিয়ে একে পৰীক্ষাক দুবাৰ লয়, আৰু দুয়োবাৰতে লাভ কৰা নম্বৰ যদি প্রায় একে হয়, তেতিয়া অভীক্ষাটো নির্ভৰযোগ্যতা থকা বুলি কোৱা হয়। ইয়াৰ অর্থ হৈছে নির্ভৰযোগ্য অভীক্ষা এটা একে ব্যক্তিক কম সময়ৰ ভিতৰত দুবাৰ কৰিব দিলে ই একেই ফলাফল দিব আৰু অন্য মূল্যায়ণকাৰীয়ে কৰিলেও একে ফলাফল পোৱা যাব। অন্যহাতে, এটা অভীক্ষা বা অন্য মূল্যায়ণৰ আহিলা বিভিন্ন দিশত বা পৃথক মূল্যায়ণকাৰীয়ে একে ব্যক্তিৰ ওপৰত প্রয়োগ কৰিলে যদি ইয়াৰ ফলাফল পৃথক হয় তেন্তে বুজিব লাগিব যে অভীক্ষাটো নির্ভৰযোগ্য নহয়।

অভীক্ষা এটাৰ নির্ভৰযোগ্যতা হৈছে ছাত্র-ছাত্রীয়ে এটা অভীক্ষা বেলেগ বেলেগ ধৰণে প্রদান কৰাৰ পিছতো একে স্থিৰ নম্বৰ পোৱা। যিনহওক, একে সূচী থকা দুটা অভীক্ষাই কেতিয়াও হুবহু ফলাফল দিব নোৱাৰে, ইয়াৰ কাৰণ হৈছে অভীক্ষা গ্রহণকাৰীৰ পৰিবেশীয় চর্ত য'ত মনো-দৈহিক দিশ জড়িত হৈ থাকে। আনকি একেই অভীক্ষা একে ছাত্রৰ দলত দুটা বেলেগ কাৰমত প্রয়োগ কৰিলে পৃথক ফলাফল পোৱা যায়। যি নহওক, যেতিয়া আমি একে সামগ্রী থকা দুটা পৃথক অভীক্ষা বা একে অভীক্ষা দুটা বেলেগ সময়ত কৰো, আমি ইচ্ছা কৰো যে দুটা পৃথক ভাৱে লোৱা ছাত্র-ছাত্রীয়ে একে নম্বৰ পাব লাগে। এনেকুৱা পৰিৱেশত, যেতিয়া নম্বৰবোৰৰ তুলনা কৰিব পাৰি তেতিয়া ই নির্ভৰযোগ্য হয়।

এটা অভীক্ষাৰ নির্ভৰযোগ্যতাই বৈধতা নির্দেশনা কৰে। যদি এটা অভীক্ষাই এটা স্থিৰ ফলাফল দিব নোৱাৰে, তেতিয়া কব পাৰি যে অভীক্ষাটোৱে সংলক্ষণ বা আগ্রহৰ চলকক সঠিকভাৱে পৰিমাপন কৰিব পৰা নাই। বৈধ অভীক্ষা এটা নির্ভৰযোগ্য। সেইবাবে, অভীক্ষাৰ বৈধতৰণ প্রক্রিয়াৰ ক্ষেত্রত নির্ভৰযোগ্যতাৰ নিৰূপনক প্রথম পদক্ষেপ বুলি বিবেচনা কৰা হয়। যদি অভীক্ষাটো নির্ভৰযোগ্য নহয় তেন্তে ইয়াৰ বৈধতা পৰীক্ষা কৰাৰ প্রয়োজনীয়তা নেথাকে আৰু এইটো সহজে কব পাৰি যে অভীক্ষাটো বৈধ নহয়। পৰিমাপনৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰি নির্ভৰযোগ্যতা পৰিমাপন কৰিবলৈ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়।

আনাচটাচীৰ মতে, "নির্ভৰযোগ্যতাই একেজন ব্যক্তিয়ে একে অভীক্ষাৰ বিভিন্ন সময়ত বা বিভিন্ন সমতুল্য বস্তুৰ বিভিন্ন গোটৰ সৈতে বা পৰিবর্তনশীল অভীক্ষাৰ অৱস্থাত পুনৰ পৰীক্ষা কৰিলে লাভ কৰা নম্বৰৰ সামঞ্জস্যতাক বুজায়।"

ফ্রীমেনেৰ মতে, "নির্ভৰযোগ্যতা শব্দটোৰ দ্বাৰা পৰীক্ষা আৰু পুনৰ পৰীক্ষাৰ ক্ষেত্রত সামঞ্জস্যপূর্ণ ফলাফল দিয়া পৰিসৰক বুজোৱা হয়।

হেনৰি ই গেৰেটে কৈছিল, "এটা অভীক্ষা বা যিকোনো পৰিমাপনৰ আহিলা কাক প্রয়োগ কৰা হয় তাৰ ক্ষমতা জোখাৰ ওপৰত নির্ভৰ কৰে।"

ষ্ট'ডলা আৰু ষ্ট'ৰডাহীৰ মতে, "নির্ভৰযোগ্যতা হৈছে ব্যক্তিৰ গোটৰ পৰা সমতুল্য পৰীক্ষাত দুটা বা তাতকৈ অধিক নম্বৰৰ গোটৰ মাজৰ সম্পর্ক।"

মেহৰেনচ আৰু লেহমেনে কৈছে যে, "নির্ভৰযোগ্যতাক একেটা বস্তুৰ দুটা পৰিমাপনৰ মাজৰ সম্বন্ধৰ মাত্রা হিচাবে সংজ্ঞায়িত কৰিব পাৰি।"

ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰ বিশ্লেষণ কৰি কব পাৰি যে নির্ভৰযোগ্যতা হৈছে অভীক্ষাৰ নম্বৰৰ স্থিৰতা। ই পৰিমাপনৰ আহিলাৰ সঠিকতাৰ প্রতিনিধিত্ব কৰে। যদি এটা অভীক্ষা বা অন্য আহিলা এটাই পৰীক্ষা আৰু পুনৰ পৰীক্ষাৰ পৰিবর্তনশীল অৱস্থাত স্থিৰ ফলাফল দিয়ে তেতিয়া সেই আহিলাটোক নির্ভৰযোগ্য বুলি ধৰা হয়। নির্ভৰযোগ্যতা হৈছে অভীক্ষাৰ বৈধতাৰ পূর্বচর্ত। তাৰোপৰি নির্ভৰযোগ্যতা হৈছে নম্বৰৰ বৈশিষ্ট্যহে মাথো আৰু ই অভীক্ষাৰ সম্পদ নহয়।

৭.৪ অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলোৱা কাৰকসমূহ

যেতিয়া এটা অভীক্ষা নির্মাণ বা ব্যৱহাৰ কৰা হয়, তেতিয়া এইটো বুজাতো দৰকাৰ যে অভীক্ষাৰ নির্ভৰযোগ্যতাত বহুতো কাৰকে প্রভাৱ পেলাব পাৰে। অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলোৱা কিছুমান গুৰুত্বপূর্ণ কাৰকৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **অভীক্ষাৰ দৈর্ঘ্যঃ—** অভীক্ষাৰ নির্ভৰযোগ্যতা অভীক্ষাটোৰ দৈর্ঘ্যৰ ওপৰত নির্ভৰ কৰে। মনোমাপক সকলৰ মতে, অভীক্ষাত গ্রহণযোগ্য গুণমান সম্পন্ন বিষয়বস্তু আৰু যিয়ে পাঠ্যসূচীৰ প্রতিনিধিত্ব কৰে তেনেবোৰ বৃদ্ধি কৰিলে অভীক্ষাৰ নির্ভৰযোগ্যতা বৃদ্ধি পায়। ইয়াৰ বিপৰীতে, যদি বিষয়বস্তু আঁতৰাই অভীক্ষাটোৰ দৈর্ঘ্য কমোৱা হয় তেতিয়া ইয়াৰ নির্ভৰযোগ্যতাও হ্রাস পায়।
- **নির্ভৰযোগ্যতা নিৰূপনৰ বাবে ব্যৱহৃত পদ্ধতিঃ—** অভীক্ষা এটাৰ নির্ভৰযোগ্যতা পৰিমাপৰ বাবে বিভিন্ন পদ্ধতি আছে। নির্ভৰযোগ্যতা নিৰূপন কৰিবলৈ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰিলে একেটা পৰীক্ষাৰ নির্ভৰযোগ্যতাৰ বিভিন্ন সূচকাংক পোৱা যাব পাৰে।
- **দলৰ প্রকৃতিঃ—** যিটো দলৰ ওপৰত অভীক্ষাটো অনুষ্ঠিত কৰা হয় সেই দলৰ প্রকৃতিৰ ওপৰতো নির্ভৰযোগ্যতা নির্ভৰ কৰে। যদি দলৰ ছাত্র-ছাত্রীসকলৰ বিভিন্ন প্রকাৰৰ যোগ্যতা থাকে তেন্তে সেই অভীক্ষা অতি নির্ভৰযোগ্য হয়, ইয়াৰ বিপৰীতে একেধৰণৰ সামর্থ থকা দলৰ নির্ভৰযোগ্যতা নিম্ন হয়।
- **বিষয়বস্তুৰ কঠিনতাৰ স্তৰঃ—** অভীক্ষাৰ বিষয়বস্তুৰ কঠিনতাৰ স্তৰেও নির্ভৰযোগ্যতাৰ ওপৰত প্রবাৱ পেলায়। অতি কঠিন বা অতি সহজ বিষয়বস্তুৱে অভীক্ষাৰ নির্ভৰযোগ্যতা হ্রাস কৰে।
- **নম্বৰ প্রদানৰ বস্তুনিষ্ঠতাঃ—** নম্বৰ প্রদান ব্যৱস্থা যেতিয়া বস্তুনিষ্ঠ হয় তেতিয়া অভীক্ষাৰ নির্ভৰযোগ্যতা বৃদ্ধি পায়। নম্বৰ প্রদানত ব্যক্তিনিষ্ঠতাই অভীক্ষাৰ নম্বৰৰ ক্ষেত্রত পার্থক্য আনে যাৰ ফলত নম্বৰৰ স্থিৰতা হ্রাস পায় আৰু এনেদৰে অভীক্ষাৰ নির্ভৰযোগ্যতা সূচকাংকত প্রভাৱ পেলায়।

- **নির্দেশনাৰ স্পষ্টতাঃ—** যি অভীক্ষাত অৱতীর্ণ হ'ব তেওঁলোকক স্পষ্টভাৱে নির্দেশনা প্রদান কৰিলে তেওঁলোকে কি কৰিব লাগিব তাক স্পষ্টভাৱে বুজি পায়, গতিকে অভীক্ষাৰ পুনৰাবৃত্তি কৰিলেও নম্বৰৰ ক্ষেত্রত স্থিৰতা থাকে। যদি নির্দেশনা স্পষ্ট নহয় তেতিয়া অভীক্ষাৰ নির্ভৰযোগ্যতা হ্রাস পায়।
- **অভীক্ষা আৰু পুনঃ অভীক্ষাৰ মাজৰ ব্যৱধানঃ—** এটা অভীক্ষা বা অন্য সঁজুলি নির্ভৰযোগ্যতা পৰিমাপন কৰিবলৈ হ'লে অভীক্ষাটো দুবাৰ প্রয়োগ কৰিব লাগে যাতে দুটা নম্বৰ পোৱা যায়। দুবাৰ অভীক্ষৰ মাজৰ সময়ৰ ব্যৱধানে অভীক্ষাৰ নির্ভৰযোগ্যতাৰ সূচকাংকত প্রভাৱ পেলায়। সাধাৰণতে যেতিয়া দুয়োবাৰ অভীক্ষাৰ মাজত সময়ৰ ব্যৱধান কম থাকে তেতিয়া নির্ভৰযোগ্যতাৰ সূচাংক উচ্চ হয় আৰু যেতিয়া ইয়াৰ ব্যৱধান বেছি হয় তেতিয়া অভীক্ষাৰ নির্ভৰযোগ্যতাৰ সূচাংক নিম্ন হয়।
- **অভীক্ষ প্রশাসনৰ পৰিৱেশঃ—** অভীক্ষা প্রশাসন বা প্রয়োগ কৰাৰ ভৌতিক পৰিৱেশেও অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলায়। কিছুমান কাৰক যেনে হুলস্থূল, তাপমান, পোহৰ, বহাৰ সুবিধা আদিয়ে অভীক্ষাৰ নম্বৰত প্রভাৱ পেলায় যিয়ে অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলায় যিয়ে অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ বিস্তাৰ কৰে।
- **অভীক্ষার্থীৰ ব্যক্তিৰ মনো-দৈহিক অৱস্থাঃ—** প্রতিক্রিয়া কর্তাৰ অভীক্ষাৰ সময়ৰ মনো-দৈহিক অৱস্থাই অভীক্ষাৰ নম্বৰত প্রভাৱ পেলায়। কিছুমান কাৰক যেনে শাৰীৰিক সুস্থতা, আবেগিক স্থিৰতা, অভিৰোচন, উদ্বেগ ইত্যাদিয়ে অভীক্ষাৰ নম্বৰত প্রভাৱ পেলায় আৰু এনেদৰে অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলায়।

অনুমানঃ— যেতিয়া অভীক্ষাৰ বিষয়বস্তু উত্তৰৰ ক্ষেত্রত অনুমানৰ সুবিধা থাকে তেতিয়া একে ব্যক্তিৰ একে অভীক্ষাৰ ক্ষেত্রত নম্বৰৰ স্থিৰতা নেথাকে। এনে অনুমানেও অভীক্ষাৰ নির্ভৰযোগ্যতাক প্রভাৱিত কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. নির্ভৰযোগ্যতা কি ?

প্রশ্ন ২. অভীক্ষাৰ নির্ভৰযোগ্যতাত প্রভাৱ পেলোৱা দুটা কাৰক উল্লেখ কৰক।

প্রশ্ন ৩. নির্ভৰযোগ্যতাৰ দুটা প্রকাৰ কি কি ?

৭.৫ অভীক্ষাৰ নির্ভৰযোগ্যতা নিৰূপন কৰাৰ পদ্ধতিসমূহ

অভীক্ষাৰ নির্ভৰযোগ্যতা পৰিমাপ কৰাৰ বিভিন্ন পদ্ধতি আছে। নির্ভৰযোগ্যতা নিৰূপনৰ বিভিন্ন পদ্ধতিবোৰক দুটা পৃথক ভাগত ভাগ কৰা হৈছে। সেইকেইটা হৈছে i) আপেক্ষিক নির্ভৰযোগ্যতা নিৰূপনৰ পদ্ধতি আৰু ii) নিৰপেক্ষ নির্ভৰযোগ্যতা পৰিমাপনৰ পদ্ধতি। আপেক্ষিক নির্ভৰযোগ্যতা সাধাৰণতে সহ সম্বন্ধ গুণাংক হিচাবে প্রকাশ কৰা হয়, যাক নির্ভৰযোগ্যতাৰ গুণাংক বুলি জনা যায়।

এই পদ্ধতিত দুটা পৃথক অভীক্ষাৰ পৰা পোৱা নম্বৰৰ সহসম্বন্ধ নির্ণয় কৰা হয় আৰু তাক নির্ভৰযোগ্যতাৰ গুণাংক বুলি কোৱা হয়। দ্বিতীয় প্রকাৰৰ পদ্ধতিত নিৰপেক্ষ নির্ভৰযোগ্যতা নিৰূপনক পৰিমাপনৰ পদ্ধতিক ষ্টেনদার্দ এৰোৰ বুলি জনা যায়। Syandard error হৈছে প্রকৃততে লাভ কৰা নম্বৰৰ এটা গোটৰ প্রকৃত নম্বৰৰ বিচ্যুতিৰ এটা অনুমান।

আপেক্ষিক নির্ভৰযোগ্যতা বা গুণাংক নির্ভৰযোগ্যতা পৰিমাপ কৰিবলৈ বহুতো পদ্ধতি ব্যৱহাৰ কৰা হয়। ইয়াৰে কেইটামান জনপ্রিয় পদ্ধতি হৈছে—

- নির্ভৰযোগ্যতাৰ অভীক্ষা পুনঃ অভীক্ষা পদ্ধতি
- সমান্তৰ আর্হিৰ নির্ভৰযোগ্যতা
- দ্বিখণ্ডিত বা যুগ্ম-অযুগ্ম নির্ভৰযোগ্যতা
- কুডাৰ ৰিকার্ডচন নির্ভৰযোগ্যতা

অভীক্ষা পুনঃঅভীক্ষা পদ্ধতিঃ—

অভীক্ষাৰ নির্ভৰযোগ্যতা নিৰূপনৰ ই এটা সৰল পদ্ধতি। এই পদ্ধতিটোত একেই অভীক্ষা, একেই দলৰ ওপৰত কম সময়ৰ ব্যৱধানত দুবাৰ প্রয়োগ কৰা হয়। এনেদৰে দুবাৰ অনুষ্ঠিত কৰাৰ ফলত দুটা গোটত নম্বৰ লাভ কাৰ যায়। এতিয়া নির্ভৰযোগ্যতা নিৰূপন কৰাৰ বাবে এই দুয়োটা গোটৰ নম্বৰৰ মাজত সহসম্বন্ধ গুণাংক নির্ণয় কৰা হয়। অভীক্ষাৰ পুন অভীক্ষাৰ সহ-সম্বন্ধ গুণাংকক কেতিয়াবা 'সাময়িক স্থিতিশীলতা' বা গুণাংকৰ স্থিতিশীলতা বুলি জনা যায়। নির্ভৰযোগ্যতাৰ গুণাংকই অভীক্ষা অনুস্থিত কৰাৰ নম্বৰৰ স্থিৰতা নির্দেশ কৰে। সহঃসম্বন্ধ গুণাংকৰ সূচকাংক উচ্চ হ'লে, অভীক্ষাটো অধিক নির্ভৰযোগ্য হয়।

অভীক্ষা-পুনঃঅভীক্ষা পদ্ধতিৰ সবলতাসমূহঃ—

- ই এটা সৰল পদ্ধতি
- ই হৈছে এক অর্থৈনতিক পদ্ধতি, যিহেতু নির্ভৰযোগ্যতা নিৰূপন কৰাৰ বাবে এবাৰেই পৰীক্ষা লব লাগে।
- ই পদ্ধতিটোৰ বাবে দ্বিতীয় অভীক্ষা এটা প্রস্তুত কৰিব নেলাগে।
- প্রায় সকলোবোৰ অভীক্ষাৰ ক্ষেত্রতে এই পদ্ধতিটো ব্যৱহাৰ কৰিব পাৰি।
- এই পদ্ধতিটোৱে জটিল পৰিসাংখিক প্রক্রিয়াক অন্তর্ভুক্ত নকৰে, সৰল সহসম্বন্ধ গুণাংকৰ সহায় লয়।

নির্ভৰযোগ্যতাৰ অভীক্ষা পুনঃঅভীক্ষা পদ্ধতিৰ দুর্বলতাসমূহঃ—

- দুবাৰ অভীক্ষা অনুস্থিত কৰাৰ মাজৰ সময়ৰ ব্যৱধানৰ সিদ্ধান্ত লোৱা কঠিন।

- যদি অভীক্ষা অনুস্থিত কৰাৰ মাজত সময়ৰ ব্যৱধান কম হয়, বিষয়বস্তুৰ তাৎক্ষণিক স্মৃতি, অভ্যাস, সমিল আদিয়ে সহসম্বন্ধ অতি উচ্চ কৰি তোলে আৰু অন্যহাতে দুয়োটা অভীক্ষাৰ মাজত যদি সময়ৰ ব্যৱধান দীঘল হয়, ছাত্ৰ-ছাত্ৰীৰ আতৰণ আৰু পৰিপক্কতাৰ পৰিবৰ্তন ঘটি নির্ভৰযোগ্যতা নিম্ন হয়।
- এই পদ্ধতিটোৰ বাবে সময় অধিক লাগে।

সমান্তৰ আৰ্হিৰ নির্ভৰযোগ্যতাঃ—

এই পদ্ধতিটোক একান্ত আৰ্হিৰ নির্ভৰযোগ্যতা বুলিও জনা যায়। এই পদ্ধতি ব্যৱহাৰ কৰি নির্ভৰযোগ্যতা নিৰূপন কৰিবলৈ অভীক্ষাৰ দুটা সমান বা সমান্তৰাল ধৰণ গঠন কৰা হয়। এই দুয়োটা ধৰণ উদ্দেশ্য, সুচী, বিষয়বস্তুৰ কঠিনতা, অভীক্ষাৰ দৈর্ঘ্য আৰু অন্য তেনে বৈশিষ্ট্যবোৰৰ ক্ষেত্ৰত একে হ'ব লাগে। এই দুয়োটা ধৰণ যিমান পাৰি অদৃশ্য কৰিব লাগে কিন্তু একেই কৰিব নেলাগে। ফ্ৰিমেনে কৈছিল যে অভীক্ষাৰ দুয়োটা ধৰণে তলত দিয়া বিশেষ দিশবোৰ পূৰণ কৰিব লাগে।

বিষয়বস্তুৰ সংখ্যা সমান হ'ব লাগে।

- সূচী, অন্তর্ভক্ত সংলক্ষণ, স্তৰ আৰু কঠিনতাৰ প্ৰসাৰ, আৰু নমুনাৰ উপযুক্ততাৰ দিশত অভীক্ষাৰ দুয়োটা ধৰণ একে হ'ব লাগে।
- বিষয়বস্তুবোৰ অসুবিধাৰ হিচাবত একেদৰেই বিচৰণ কৰিব লাগে।
- দুয়োটা অভীক্ষাৰ প্ৰকাৰৰ জুখিব পৰা কার্য্য বা বৈশিষ্ট্যসমূহত বস্তুৰ একেধৰণৰ দিশ পৰিমাপন কৰা হয়। বিষয়বস্তুৰ মিল থকাটো প্ৰত্যেক বস্তুৰ আন্তঃসম্পর্কৰ দ্বাৰা দেখুওৱা হয় বা গোটেই অভীক্ষাৰ নম্বৰৰ দ্বাৰা দেখুওৱা হয়।
- দুয়োটা ধৰণৰ গড় আৰু মান বিচ্যুতি মাজত ওচৰ সম্পর্ক থাকিব লাগে।
- অনুস্থিত কৰাৰ পদ্ধতি আৰু নম্বৰ প্ৰদান একে হ'ব লাগে।

যদিও এই উপযুক্ত চর্তবোৰ প্ৰয়োজনীয়, এই সকলোবোৰ লাভ কৰাতো কঠিন। অভীক্ষাৰ দুটা সমান্তৰ ধৰণ প্ৰস্তুত কৰাৰ পিছত, সেই দুটা একে ব্যক্তিৰ ওপৰত এটাৰ পিছত আনটো হিচাবে প্ৰয়োগ কৰিব লাগে। অভীক্ষাৰ এই দুয়োটা ধৰমৰ পৰা লাভ কৰা নম্বৰৰ মাজত সম্বন্ধ কৰি তাৰ পৰা সহসম্বন্ধ গুণাংক নির্ণয় কৰা হয়। গিলফোর্ডৰ মতে, একান্তৰ পদ্ধতিয়ে সূচীৰ সমান্তৰ আৰু পাৰদর্শিতাৰ স্থিৰতা নির্দেশ কৰে।

সমান্তৰ নির্ভৰযোগ্যতাৰ সবলতাসমূহ—

- অভীক্ষাটো দুবাৰ অনুস্থিত কৰিব নেলাগে।
- দুবাৰ অভীক্ষা অনুস্থিত কৰিলে তাৰ মাজত সময়ৰ ব্যৱধানৰ সমস্যা নাহে।
- অভীক্ষাৰ সৈতে মিল থকা বা তাৎক্ষণিক স্মৃতিয়ে প্ৰভাৱ পেলোৱাটো ইয়াত নেথাকে।
- ই পদ্ধতিটো হৈছে অভীক্ষা- পুনঅভীক্ষা পদ্ধতিতকৈ উন্নত।

এই পদ্ধতিটো সীমাবদ্ধতাসমূহঃ—

- এটা একক অভীক্ষাৰ দুটা সমান ভাগ প্রস্তুত কৰাটো কঠিন।
- এই পদ্ধতিৰ বাবে অভীয় দ্বিতীয় ধৰণ এটা নির্মান আৰু প্রতিমানীকৰণ কৰিব লাগে যিটোৰ বাবে সময় লাগে আৰু ই কঠিন হয়।
- যিহেতু অভীক্ষাৰ ধৰমৰ সূচী, কঠিনতা আৰু গঠন, অনুশীলন আৰু সমিলৰ প্রভাৱ একে হয় সেইবাবে ইয়াক সম্পূর্ণৰূপে নিয়ন্ত্রণ কৰিব নোৱাৰি।
- বহুতো অভীক্ষা আছে যিবোৰক দুটা ভাগত ভাগ কৰিব নোৱাৰি।

দ্বিখণ্ডিত বা যুগ্ম-অযুগ্ম পদ্ধতিঃ—

অভীক্ষাৰ নির্ভৰযোগ্যতা পৰিমাপন কৰাৰ ক্ষেত্রত দ্বিখণ্ডিত পদ্ধতিয়ে সাধাৰণতে ব্যৱহাৰ কৰা হয়। এই পদ্ধতিত অভীক্ষাটোক দুটা খণ্ডত ভাগ কৰা হয় আৰু এটা ভাগৰ নম্বৰ আনটো ভাগৰ নম্বৰৰৰ সম্বন্ধিত কৰা হয়। যি নহওক, অভীক্ষাটোক বেলেগ পদ্ধতি ব্যৱহাৰ কৰি দুটা ভাগত বিভাজন কৰিব পাৰি। সাধাৰণতে অযুগ্ম সংখ্যাবোৰ একলগ কৰি এটা ধৰণ গঠন কৰা হয় আৰু যুগ্ম সংখ্যাবোৰ লগ কৰি আন এটা ধৰণ গঠন কৰা হয়। সেইবাবে এই পদ্ধতিটো যুগ্ম-অযুগ্ম পদ্ধতি বুলিও জনা যায়। অভীক্ষাটো এটা দলৰ ওপৰত এবাৰ অনুস্থিত কৰি এই পদ্ধতিটো প্রয়োগ কৰা হয় আৰু তাৰপাছত দুয়োটা ভাগৰ নম্বৰ পৃথক কৰি লোৱা হয়। দুয়োটা ভাগৰ নম্বৰ সহসম্বন্ধিত কৰি স্পিয়েৰমেন-ব্রাউন সূত্র ব্যৱহাৰ কৰি অভীক্ষাটো সহসম্বন্ধ গুণাংক নির্ণয় কৰা হয়। এনেদৰে এই পদ্ধতিয়ে আন্তঃনির্ভৰযোগ্যতা পৰিমাপন কৰে। যদি ফলাফলে দেখুৱায় যে দুয়োটা ভাগৰ সহসম্বন্ধ উচ্চ নহয়, ইয়াৰ অর্থ হৈছে দুয়োটা ভাগে একে চলকক পৰিমাপন কৰা নাই। যেতিয়া অভীক্ষাৰ সমান্তৰ ধৰণ কৰিব নোৱাৰি আৰু অভীক্ষা পুনঅভীক্ষা সম্ভৱপৰ নহয় তেতিয়া নির্ভৰযোগ্যতা নিৰূপনত এই পদ্ধতি ব্যৱহাৰ কৰা হয়। সাধাৰণতে এই পদ্ধতিটো মনোভাৱ কাঠি, ব্যক্তিত্ব, উদ্ভাৱনকাৰী, প্রশ্নাৱলী বুদ্ধি, পাৰদর্শিতাৰ অভীক্ষা ইত্যাদি নির্ভৰযোগ্যতা নিৰূপনৰ বাবে ব্যৱহাৰ কৰা হয়। যিহেতু অভীক্ষাটো এবাৰেই পাতিব লাগে সেইবাবে এই পদ্ধতিতো অতি জনপ্রিয়। এই পদ্ধতিটোৱে দ্বিতীয় অভীক্ষা নির্মান আৰু প্রয়োগৰ সময়, ধন আৰু প্রচেষ্টা ৰাহি কৰে।

এই পদ্ধতিটোৰ প্রধান সুবিধাসমূহ হৈছেঃ—

- দুটা সমান ভাগ প্রস্তুত কৰাৰ সমস্যা আঁতৰ কৰে।
- স্মৃতি, সমিলকৰণ, অনুশীলনীৰ প্রভাৱ, ক্লান্তি, পৰিপক্কতাৰ দিশবোৰ আঁতৰ কৰে।
- অভীক্ষাৰ পৰিৱেশৰ পৰিবর্তন নাথাকে যিহেতু এবাৰেই অভীক্ষা অনুস্থিত কৰা হয়।

এই পদ্ধতিৰ প্ৰধান অসুবিধাসমূহঃ—

- অভীক্ষাটো বিভিন্ন ধৰণে দুটা ভাগ কৰিব পাৰি আৰু সেইবাৰে দুটা ধৰণৰ নম্বৰৰ মাজত একক মূল্য নাথাকিবও পাৰে।
- এটা অভীক্ষাক একেবাৰে সমানকৈ দুটা ভাগত ভাগ কৰাটো কঠিন।
- অভীক্ষাটোক দুটা ভাগত বিভাজন কৰাটো কঠিন কাৰণ অভীক্ষাৰ বিষয়বস্তুবোৰে একে সংলক্ষণ বা গুণ পৰিমাপন কৰে।
- এই পদ্ধতিটোক ক্ষমতা অভীক্ষা আৰু বিষমজাতীয় অভীক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি।

যুক্তি সংগত সমতুল্যতা পদ্ধতিঃ—

নির্ভৰযোগ্যতা পৰিমাপনৰ অন্য এক পদ্ধতি হৈছে যুক্তিসংগত সমতুল্য পদ্ধতি, যিটো এবাৰ অভীক্ষা অনুস্থিত কৰাৰ দ্বাৰা কৰিব পাৰি। এই পদ্ধতিত কুডাৰ ৰিকাৰ্ডচনৰ সূত্ৰ ব্যৱহাৰ কৰা হয় আৰু সেইবাবে এই পদ্ধতিটোক কুডাৰৰিকাৰ্ডচন পদ্ধতি বুলি জনা যায়। যেতিয়া অভীক্ষাৰ সকলো বিষয়বস্তু মনোবৈজ্ঞানিকভাৱে সাদৃশ্য থকা হয় তেতিয়া এই পদ্ধতিটো উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ অর্থ হ'ল অভীক্ষাৰ সকলো বিষয়বস্তুৱে একে চলক বা চলকসমূহ একে অনুপাতত পৰিমাপন কৰিব লাগে। ইয়াক 'আন্তঃ বিষয়বস্তুৰ স্থিৰতা' বুলি জনা যায়। আন্তঃ বিষয়বস্তুৰ স্থিৰতাৰ অর্থ হৈছে অভীক্ষাৰ সকলো বিষয়বস্তুৰ অন্য বিষয়ৰ সৈতে উচ্চ সম্বন্ধ থাকিব লাগে। যদি অভীক্ষাৰ বিষয়বস্তু সমজাতীয় নহয়, তেতিয়া এই পদ্ধতিয়ে নির্ভৰযোগ্যতাৰ সহসম্বন্ধৰ নিম্ন সূচাংক দেখুৱায়।

কুডাৰ ৰিকাৰ্ডচনে অভীক্ষাৰ নির্ভৰযোগ্যতা নিৰূপনৰ বিভিন্ন সূত্ৰৰ বিকাশ কৰিছিল। বেছিকৈ ব্যৱহাৰ হোৱা সূত্ৰটো হৈছে—

$$r_n = \left(\frac{n}{n-1}\right)\left(\frac{SD_1^z - \epsilon_{pq}}{SD_1^z}\right)$$

ইয়াত

r_{11}= গোটেই অভীক্ষাটোৰ নির্ভৰযোগ্যতাৰ গুণাংক

n = অভীক্ষাটো সকলো বিষয়বস্তুৰ সংখ্যা

SD = গোটেই অভীক্ষাৰ মান বিচ্যুতি

SD^v = গোটেই অভীক্ষাৰ বিচ্যুতি

Q = প্ৰত্যেক বিষয়বস্তুত উত্তীর্ণ নোহোৱা ব্যক্তিৰ সংখ্যা

P = প্ৰত্যেক বিষয়বস্তুত উত্তীর্ণ হোৱা ব্যক্তিৰ সংখ্যা

ϵ_{pq} = pq ৰ উৎপাদনৰ যোগফল

এই পদ্ধতিটো ব্যৱহাৰ কৰাৰ প্ৰধান সুবিধাবোৰ হৈছে এই পদ্ধতিটো ব্যৱহাৰৰ দ্বাৰা কিছুমান জটিলতা এৰাই চলিব পাৰি।

- এই পদ্ধতিৰ বাবে অভীক্ষাটো এবাৰ প্ৰয়োগ কৰিব লাগে।

- এই পদ্ধতিটো সৰল আৰু অর্থনৈতিক
- যেতিয়া বিষয়বস্তুবোৰ সমজাতীয় হয় এই পদ্ধতিটোৱে প্রকৃত ফলাফল দিয়ে।

এই পদ্ধতিটোৰ সীমাবদ্ধতাবোৰ হৈছে

- অভীক্ষাৰ বিষয়বস্তুবোৰ সমজাতীয় নহ'লে এই পদ্ধতিটো সফলভাৱে ব্যৱহাৰ কৰিব নোৱাৰি।
- কুডাৰ ৰিকার্ডচনে দিয়া বিভিন্ন সূত্র ব্যৱহাৰ কৰি েকে অভীক্ষাৰ নির্ভৰযোগ্যতা বিভিন্ন পোৱা যায়।
- এই অভীক্ষাটোৱে শক্তি অভীক্ষা বিষমতা থকা বিষয়বস্তুৰ সৈতে কার্য্য কৰিব নোৱাৰে।

নিৰপেক্ষ নির্ভৰযোগ্যতা নিৰূপনৰ পদ্ধতি বা পৰিমাপনৰ মানদণ্ডৰ ভূলঃ—

পৰিমাপনৰ আহিলাবোৰ একেবাৰে নিখুতভাৱে নির্ভৰযোগ্য নহয়। সকলো আহিলাৱে কিছুমান ভূল থাকে আৰু যিসকল ব্যক্তিয়ে পৰিমাপন কৰে তেওঁলোকেও ভূল কৰে। সেইবাবে পৰিমাপনৰ আহিলাৰ অস্থিৰতা আৰু যিবোৰে ইয়াক ব্যৱহাৰ কৰে তেওঁলোক বেছি অসাধাৰণ নহয়। সেইবাবে, অভীক্ষাত (X) ব্যক্তিয়ে লাভ কৰা নম্বৰ দুটা উপাদানৰ কার্য্য বুলি ধৰা হয়, অর্থাৎ এটা সত্য নম্বৰ (T) আৰু এটা ভূল উপাদান (E). প্রাপ্ত নম্বৰ $X = T \pm E$

সত্য নম্বৰ আৰু নিৰীক্ষণীয় নম্বৰৰ মাজৰ বিচ্যুতিক পৰিমাপনৰ ভূল বুলি কোৱা হয়। পৰিসংখ্যাত 'error' হৈছে চলকৰ উৎস যাক ব্যাখ্যা কৰিব নোৱাৰি। কি সত্য নম্বৰটো ভূলৰ পৰা মুক্ত আৰু ই সদায় একে থাকে। কিন্তু প্রাপ্ত নম্বৰ প্রচেষ্টাৰ সৈতে সলনি হৈ থাকে কাৰণ প্রাপ্ত নম্বৰ ভূলৰ দ্বাৰা প্রভাৱিত হয়।

তাত্ত্বিকভাৱে, সত্য নম্বৰে অসীম পৰিমাপনৰ পৰা লাভ কৰা নম্বৰৰ গড়ক প্রতিনিধিত্ব কৰে। প্রত্যেক প্রাপ্ত নম্বৰ সত্য নম্বৰতকৈ সৰু বা ডাঙৰ। প্রাপ্ত নম্বৰৰ পৰা সত্য নম্বৰৰ বিচ্যুতিক পৰিমাপনৰ ভূল বুলি কোৱা হয়। যেতিয়া পৰিমাপনৰ ভূল সৰু হয়, তেতিয়া নির্ভৰযোগ্যতাৰ উচ্চ হয়। পৰিমাপনৰ ভূল বা সত্য নম্বৰৰ পৰা প্রাপ্ত নম্বৰৰ তাকতম্য সাধাৰণতে বিতৰণ কৰা হয় আৰু এই তাৰতম্যৰ মানদণ্ড বিচ্যুতি বা পৰিমাপনৰ ভূলক পৰিমাপনৰ মানদণ্ড ভূল (SEM) বোলা হয়। পৰিমাপনৰ মানদণ্ডৰ ভূল হৈ অভীক্ষাৰ নির্ভৰযোগ্যতা প্রতিবিম্ব। SEM নির্ণয়ৰ সূত্রটো হৈছে—

$$SE_M = SD_x\sqrt{1 - r_{nx}}$$

ইয়াত SE_M = পৰিমাপনৰ মানদণ্ডৰ ভূল

SD_x = প্রাপ্ত নম্বৰৰ মান বিচ্যুতি

r_{nn} = অভীক্ষাৰ নির্ভৰযোগ্যতাৰ গুণাংক

সকলো পৰিমাপনৰে ই যিহেতু কিছুমান ভূল থাকে, কোনো অভীক্ষা প্রতিকৰ পুনৰ অভীক্ষা কৰাৰ সময়ত কোনো ব্যক্তিৰ বাবে একে নম্বৰ পোৱাৰ সম্ভাৱনা কম। একে অভীক্ষাৰ ক্ষেত্রত ব্যক্তিৰ পুন পৰীক্ষাক SE_M ধার্য্য কৰে সত্য নম্বৰৰ সৈতে। সত্য নম্বৰ সদায় নজনাকৈ থাকে কাৰণ কোনো পৰীক্ষাই

সত্য নম্বৰৰ প্ৰতিবিম্ব দাঙি ধৰিব নোৱাৰে। SE_M অভীক্ষাৰ নিৰপেক্ষ নির্ভৰযোগ্যতা পৰিমাপন কৰে, SE_M সৰু হ'লে নির্ভৰযোগ্যতা উচ্চ হয় আৰু SEM ডাঙৰ হ'লে নির্ভৰযোগ্যতা নিম্ন হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪. নির্ভৰযোগ্যতা পৰিমাপনৰ অভীক্ষা পুনঅভীক্ষা পদ্ধতিৰ দুটা সীমাবদ্ধতা উল্লেখ কৰক।

প্ৰশ্ন ৫. আন্তঃ বিষয়বস্তু স্থিৰতা কি ?

৭.৬ নির্ভৰযোগ্যতা আৰু বৈধতাৰ সম্পৰ্ক

নির্ভৰযোগ্যতা আৰু বৈধতাৰ মাজত ওচৰ সম্পৰ্ক আছে। দুয়োটা ভাল অভীক্ষা বা ভাল পৰিমাপন আহিলাৰ এৰাব নোৱাৰা গুণ। নির্ভৰযোগ্যতা আৰু বৈধতা দুটা পৃথক কিন্তু অভীক্ষাৰ কার্য্যক্ষমতাৰ আন্তঃসম্পৰ্ক থকা দিশ। নির্ভৰযোগ্যতা আৰু বৈধতাৰ সম্পৰ্ক ব্যাখ্যা কৰিবলৈ এফ. এচ. ফ্ৰিমেনে লিখিছিল, "এটা বৈধ অভীক্ষাৰ প্ৰয়োজনীয় চর্ত হৈছে ইয়াৰ পয্যাপ্ত পৰিমানপ নির্ভৰযোগ্যতা থকাতো। যদি অভীক্ষাৰ নির্ভৰযোগ্যতাৰ গুণাংক '0' হয়, ইয়াক কাৰো লগত সম্পর্কিত কৰিব নোৱাৰি। নিজৰ সৈতে সম্পৰ্ক স্থাপন কৰিব নোৱাৰা অভীক্ষাটোৱে আন এটা চলকৰ পৰিমাপৰ সৈতে ভালদৰে সম্পৰ্ক স্থাপন কৰিব নোৱাৰে।"

নির্ভৰযোগ্যতা আৰু বৈধতাৰ সম্পৰ্ক তলত দিয়া ধৰণৰ—

- বৈধতা হৈছে অভীক্ষাৰ সত্যতা, অভীক্ষাটো উদ্দেশ্য কিমান ভালকৈ অভীক্ষাটোৱে পূৰম কৰিছে ই তাক নির্দেশ কৰে। ই হৈছে এটা অভীক্ষাই যিটো জুখিব বুলি কয় তাক কিমানখিনি জুখিব পাৰিছে তাৰেই পৰিমাপন। আনহাতে, নির্ভৰযোগ্যতা হৈছে অভীক্ষাৰ নম্বৰৰ নির্ভৰশীলতা বা সামঞ্জস্য বা স্থিৰতা। ই অভীক্ষাৰ উদ্দেশ্যৰ সৈতে প্ৰত্যক্ষ ভাৱে জড়িত নহয়।
- নির্ভৰযোগ্যতা অভীক্ষা এটাৰ নম্বৰৰ স্থিৰতাৰ সৈতে জড়িত, বৈধতাই আন বাহ্যিক গুণৰ সৈতে অভীক্ষাৰ সহসম্বন্ধ পৰিমাপন কৰে।
- এটা বৈধ অভীক্ষা সদায় নির্ভৰযোগ্য, কিন্তু এটা নির্ভৰযোগ্য অভীক্ষা সদায় বৈধ নহবও পাৰে। অভীক্ষা এটাৰ নিজৰ সৈতে উচ্চ সহসম্বন্ধ থাকিলে। নির্ভৰযোগ্যতা বাহ্যিক গুণৰ (বৈধতা) সৈতে সহসম্বন্ধ নেথাকিবও পাৰে।
- নির্ভৰযোগ্যতা নথকা অভীক্ষা এটা কেতিয়াও বৈধ নহয়। যদি অভীক্ষাটো নির্ভৰযোগ্য নহয়, ইয়াৰ অর্থ হৈছে এয়ে যে ই প্ৰত্যেক বাৰতে একে বস্তুৰ পৰিমাপন কৰা নাই, যদি ই একে বস্তুৰ পৰিমাপন কৰা নাই তেতিয়া ই বৈধ হ'ব নোৱাৰে। এই দিশৰ পৰা, নির্ভৰযোগ্যতা হৈছে বৈধতাৰ পূর্বচর্ত। যিনহওক, কেৱল নির্ভৰযোগ্যতাই অভীক্ষাৰ বৈধতা নিশ্চিত কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে, এটা ঘড়ীয়ে সদায় (নির্ভৰযোগ্য) ভুল সময় দিয়ে (অবৈধ)। কিন্তু বৈধ অভীক্ষা এটা সদায় নির্ভৰযোগ্য।

- অভীক্ষাৰ বিষয়বস্তুবোৰ যেতিয়া সমজাতীয় হয় তেতিয়া অভীক্ষাৰ নির্ভৰযোগ্যতা উচ্চ হয়, আনহাতে অভীক্ষাৰ বিষয়বস্তুবোৰ বিষমতাপূর্ণ হ'লে অভীক্ষাটো অধিক বৈধ হয়।
- অভীক্ষাৰ নির্ভৰযোগ্যতাৰ বাবে সমান কঠিনতা স্তৰৰ আন্তঃ বিষয়বস্তুৰ স্থিৰতা লাগে, অন্যহাতে বৈধতাৰ বাবে বিভিন্ন কঠিনতাৰ স্তৰ লাগে।
- যদিও নির্ভৰযোগ্যতা আৰু বৈধতাৰ মাজত কিছু পার্থক্য আছে, দুয়োটাৰ মাজত যথেষ্ট সম্পর্ক আছে আৰু এটা ভাল অভীক্ষাৰ বাবে দুয়োটাই প্রয়োজনীয়।

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ণ কৰি আমি এনেদৰে লিখিব পাৰো—

- শিক্ষা ক্ষেত্রৰ পৰিমাপন আৰু মূল্যায়নৰ যিকোনো আহিলা নির্ভৰযোগ্য হ'ব লাগে। নির্ভৰযোগ্যতা হৈছে অভীক্ষাৰ প্রাপ্তাংকৰ স্থিৰতা, পৰিমাপনৰ আহিলাৰ সঠিকতাৰ প্রতিনিধিত্ব কৰে। যদি এটা অভীক্ষা বা অন্য আহিলাই বিভিন্ন চর্তত অভীক্ষা আৰু পুন অভীক্ষা কৰাৰ পিছত এটা স্থিৰ ফলাফল দিয়ে, তেতিয়া সেই আহিলাক নির্ভৰযোগ্য বুলি কোৱা হয়। নির্ভৰযোগ্যতা হৈছে এটা অভীক্ষাৰ বৈধতাৰ পূর্ব চর্ত, নির্ভৰযোগ্যতা হৈছে নম্বৰৰ বৈশিষ্ট্য আৰু ই অভীক্ষাটোৰ এটা সম্পদ নহয়।
- এটা অভীক্ষাৰ নির্ভৰযোগ্যতা বিভিন্ন কাৰকৰ দ্বাৰা প্রভাৱিত হ'ব পাৰে। ইয়াৰ কিছুমান গুৰুত্বপূর্ণ কাৰক হৈছে— অভীক্ষাৰ দৈর্ঘ্য, নির্ভৰযোগ্যতা নিৰূপনত ব্যৱহৃত পদ্ধতি, দলৰ প্রকৃতি, অতি সহজ বা অতি কঠিন বিষয়বস্তু, নম্বৰ প্রদানত বস্তুনিষ্ঠাতাৰ অভাৱ, অভীক্ষার্থীক অস্পষ্ট নির্দেশনা প্রদান, অভীক্ষা আৰু পুন অভীক্ষাৰ মাজৰ সময়ৰ ব্যৱধান, অভীক্ষা লোৱা পৰিৱেশৰ অৱস্থা, অভীক্ষা লোৱা ব্যক্তিৰ মনো-দৈহিক অৱস্থা প্রতিক্রিয়াকাৰীৰ অনুমান ইত্যাদি।
- অভীক্ষাৰ নির্ভৰযোগ্যতা পৰিমাপনৰ বিভিন্ন পদ্ধতি আছে। নির্ভৰযোগ্যতা নিৰূপনৰ বিভিন্ন পদ্ধতিবোৰক দুটা পৃথক ভাগত ভাগ কৰা হৈছে— i) আপেক্ষিক নির্ভৰযোগ্যতা, ii) নিৰপেক্ষ নির্ভৰযোগ্যতা। আপেক্ষিক নির্ভৰযোগ্যতা সাধাৰণতে সহ-সম্বন্ধ গুণাংক হিচাবে প্রকাশ কৰা হয়, যাক নির্ভৰযোগ্যতাৰ গুণাংক বুলি জনা যায়। আপেক্ষিক নির্ভৰযোগ্যতা বা গুণাংক নির্ভৰযোগ্যতা পৰিমাপ কৰিবলৈ বহুতো পদ্ধতি ব্যৱহাৰ কৰা হয়। ইয়াৰে কেইটামান জনপ্রিয় পদ্ধতি হৈছে—
  - অভীক্ষা পুন অভীক্ষা পদ্ধতি
  - সমান্তৰ আর্হিৰ নির্ভৰযোগ্যতা
  - দ্বিখণ্ডিত বা যুগ্ম-অযুগ্ম পদ্ধতি
  - কুডাৰ ৰিকার্ডচন নির্ভৰযোগ্যতা

- নিৰপেক্ষ নির্ভৰযোগ্যতা পৰিমাপন কৰাৰ দ্বিতীয় পদ্ধতিটোক পৰিমাপনৰ মানদণ্ড ভুল বুলি কোৱা হয়। SEM য়ে প্ৰকৃততে সত্য প্ৰাপ্তাংকৰ পৰা প্ৰাপ্ত নম্বৰৰ বিচ্যুতি নিৰূপন কৰে।
- নির্ভৰযোগ্যতা আৰু বৈধতা দুয়োটা ভাল অভীক্ষা বা ভাল পৰিমাপন আহিলাৰ এৰাব নোৱাৰা গুণ। নির্ভৰযোগ্যতা আৰু বৈধতাৰ মাজত ওচৰ সম্পৰ্ক আছে। দুয়োটা পৃথক হলেও কিন্তু অভীক্ষাৰ কার্য্যক্ষমতাৰ আন্তঃসম্পৰ্ক থকা দিশ।

৭.৮ অধিক জানিবলৈ

1) Anastasi, Anne (1982): Psychological testing, Edition 5, illustrated. Macmillan, The University of Michigan.
2) Ebel, R.L. and Frisbel, D.A. (1979): Essential of Educational Measurement, 3rd Edition, Prentice Hall of India, New Delhi.
3) Freeman, F.S. (1962): Theory and Practice of Psychological Testing, Holt, Rirehant & Winston, New York
4) Mehrens, W.A. and Lehmann, I.J. (1962): Standardized tests in Education, Holt, Rinehart and Winston, New York
5) ewton, Paul & Shaw, Stuart (2014): Validity in Educational and Psychological Assessment, Sage Publications, London.
6) Pradhan Hemant (1996): Essentials of Educational Measurement, Evaluation and Statistics, Saha Publishers and Distributers, Sambalpur

৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ নির্ভৰযোগ্যতা হৈছে এটা অভীক্ষাৰ প্ৰাপ্তাংকৰ স্থিৰতা, ই পৰিমাপনৰ আহিলাৰ সঠিকতাৰ প্ৰতিনিধিত্ব কৰে। যদি এটা অভীক্ষা বা অন্য আহিলাই অভীক্ষা আৰু পুনঅভীক্ষাৰ ক্ষেত্ৰত চলকৰ চৰ্ত পৰীক্ষা কৰি এক স্থিৰ ফলাফল দিয়ে তেতিয়া সেই আহিলাক নির্ভৰযোগ্য বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ অভীক্ষাৰ নির্ভৰযোগ্যতাত প্ৰভাৱ পেলোৱা দুটা কাৰক হৈছে—

i) অভীক্ষা অনুস্থিত কৰা পৰিৱেশৰ অৱস্থা

ii) অভীক্ষা লোৱাৰ সময়ত অভীক্ষা গ্ৰহণকাৰীৰ মনোদৈহিক অৱস্থা।

৩ নং প্ৰশ্নৰ উত্তৰঃ দুটা প্ৰকাৰৰ নির্ভৰযোগ্যতা হৈছে— (i) আপেক্ষিক নির্ভৰযোগ্যতা, (ii) নির্ভৰযোগ্যতা। আপেক্ষিক নির্ভৰযোগ্যতা সাধাৰণতে সহসম্বন্ধ গুণাংক হিচাবে প্ৰকাশ কৰা হয়, যাক নির্ভৰযোগ্যতাৰ গুণাংক বুলি জনা যায়। এি পদ্ধতিত দুটা পৃথক অভীক্ষাৰ পৰা পোৱা নম্বৰৰ সহসম্বন্ধ নির্ণয় কৰা হয় আৰু যাক নির্ভৰযোগ্যতাৰ গুণাংক বুলি কোৱা হয়। দ্বিতীয় প্ৰকাৰৰ পদ্ধতিত নিৰপেক্ষ নির্ভৰযোগ্যতা নিৰূপনৰ পদ্ধতিক পৰিমাপনৰ মানদণ্ড

ভূল বুলি জনা যায়। SEM হৈছে প্ৰকৃততে লাভ কৰা নম্বৰৰ এটা গোটৰ প্ৰকৃত নম্বৰৰ বিচ্যুতিৰ এটা অনুমান।

৪ নং প্ৰশ্নৰ উত্তৰঃ অভীক্ষা-পুন অভীক্ষা পদ্ধতিৰ দুটা সীমাবদ্ধতা হৈছে—

এই পদ্ধতিৰ বাবে অভীক্ষাটো দুবাৰ অনুস্থিত কৰিব লগা হয়। যদি অভীক্ষা অনুস্থিত কৰাৰ মাজত সময়ৰ ব্যৱধান কম হয়, বিষয়বস্তুৰ তৎক্ষাণিক স্মৃতি, অভ্যাস, সমিল আদিয়ে সহসম্বন্ধ অতি উচ্চ কৰি তোলে আৰু আনহাতে দুয়োটা অভীক্ষাৰ মাজত যদি সময়ৰ ব্যৱধান দীঘল হয়, ছাত্ৰ-ছাত্ৰীৰ আচৰণ আৰু পৰিপক্কতাৰ পৰিবৰ্তন ঘটি নির্ভৰযোগ্যতা নিম্ন হয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ আন্তঃ বিষয়বস্তুৰ স্থিৰতা হৈছে অভীক্ষাৰ সকলো বিষয়বস্তুৰ অন্য বিষয়ৰ সৈতে উচ্চ সম্বন্ধ থাকিব লাগে। ইয়াৰ অর্থ হ'ল অভীক্ষাৰ সকলো বিষয়বস্তুৰে একে চলক বা চলকসমূহ একে অনুপাতত পৰিমাপ কৰিব লাগে। কুডাৰ-ৰিকার্ডচন পদ্ধতি ব্যৱহাৰ কৰি অভীক্ষাৰ নির্ভৰযোগ্যতা নির্ণয়ৰ ক্ষেত্ৰত আন্তঃ বিষয়বস্তুৰ স্থিৰতা অতি গুৰুত্বপূর্ণ।

৭.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. নির্ভৰযোগ্যতাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২. পৰিমাপনৰ মানদণ্ড ভূল কি?

প্ৰশ্ন ৩. নির্ভৰযোগ্যতা আৰু বৈধতাৰ সম্পর্ক ব্যাখ্যা কৰক।

খ) ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. অভীক্ষাৰ নির্ভৰযোগ্যতাত প্ৰভাৱ পেলোৱা কাৰকবোৰ আলোচনা কৰক।

প্ৰশ্ন ২. অভীক্ষা আপেক্ষিক নির্ভৰযোগ্যতা নিৰূপনৰ দুটা পদ্ধতি ব্যাখ্যা কৰক।

প্ৰশ্ন ৩. আপেক্ষিক নির্ভৰযোগ্যতা পৰিমাপনৰ বিভিন্ন পদ্ধতিবোৰৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪. এটা অভীক্ষাৰ নির্ভৰযোগ্য নির্ভৰশীলতা পৰিমাপনৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰক।

*****

অধ্যায় ৮ : শৈক্ষিক কৃতিত্ব আৰু ইয়াৰ পৰিমাপ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ শৈক্ষিক কৃতিত্বৰ অর্থ
৮.৪ শৈক্ষিক কৃতিত্বৰ পৰিমাপ
৮.৫ কৃতিত্ব পৰীক্ষাৰ উদ্দেশ্যসমূহ
৮.৬ কৃতিত্ব পৰীক্ষাৰ প্রকাৰসমূহ
৮.৬.১ মান্যকৃত কৃতিত্ব পৰীক্ষা
৮.৬.২ শিক্ষক-নির্মিত কৃতিত্ব পৰীক্ষা
৮.৬.৩ ৰচনাধর্মী, বস্তুগত ধৰণৰ, আৰু সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষা
৮.৬.৪ মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নির্মিত পৰীক্ষাৰ মাজৰ পার্থক্য
৮.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- কৃতিত্ব পৰীক্ষাৰ অর্থ আৰু উদ্দেশ্যসমূহ বুজিব পাৰিব ।
- মান্যকৃত কৃতিত্ব পৰীক্ষাৰ বিভিন্ন প্রকাৰসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব ।
- শিক্ষক-নির্মিত কৃতিত্ব পৰীক্ষাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব ।
- শিক্ষক-নির্মিত পৰীক্ষা নির্মাণৰ প্রক্রিয়া ব্যাখ্যা কৰিব পাৰিব ।
- ৰচনাধর্মী, সংক্ষিপ্ত, উত্তৰ ধৰণৰ আৰু বস্তুগত ধৰণৰ পৰীক্ষাসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব ।

৮.২ পৰিচয়

শৈক্ষিক কৃতিত্ব শিক্ষক, অভিভাৱক, নীতি-প্ৰণেতা আৰু শৈক্ষিক প্ৰশাসকসকলৰ বাবে এটা গুৰুত্বপূৰ্ণ চিন্তাৰ ক্ষেত্ৰ। শিক্ষা প্ৰতিষ্ঠানসমূহত শিক্ষাৰ্থীসকলক সেই নিৰ্দিষ্ট শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ আধাৰত বিভিন্ন জ্ঞান, অভিজ্ঞতা আৰু দক্ষতা প্ৰদান কৰা হয়।

এই জ্ঞান আৰু অভিজ্ঞতাসমূহৰ কিমানখিনি শিক্ষাৰ্থীসকলে আয়ত্ত কৰিছে বা শিক্ষাৰ্থীসকলে শিক্ষাৰ লক্ষ্যসমূহ লাভ কৰাত কিমানখিনি সফল হৈছে তাক মূল্যায়ন কৰিবলৈ নিয়মিত সময় অন্তৰত পৰীক্ষা অনুষ্ঠিত কৰা হয়। সেয়ে, শৈক্ষিক কৃতিত্ব পৰীক্ষাসমূহে শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ কৃতিত্বৰ স্তৰ পৰিমাপ কৰাত সহায় কৰে। এই **অধ্যায়**ত আমি কৃতিত্ব পৰীক্ষাৰ বিভিন্ন প্ৰকাৰ আৰু শিক্ষা ক্ষেত্ৰত ইয়াৰ প্ৰয়োগযোগ্যতাৰ বিষয়ে আলোচনা কৰিম।

৮.৩ শৈক্ষিক কৃতিত্বৰ অৰ্থ

শৈক্ষিক কৃতিত্ব হৈছে এজন শিক্ষাৰ্থীয়ে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ কিমান পৰিমাণে লাভ কৰিছে তাৰ পৰিমাণ। ই পাঠন, লিখন, গণিত, ভাষা-শিল্প, বিজ্ঞান আৰু অন্যান্য বিষয়সমূহত শিক্ষাৰ্থীসকলৰ কৃতিত্ব বা প্ৰদৰ্শনক বুজায়, যাক কৃতিত্ব পৰীক্ষাৰ জৰিয়তে পৰিমাপ কৰা হয়।

Simpson and Weiner ৰ মতে, কৃতিত্বক এটা মান্যকৃত পৰীক্ষাৰ শৃংখলাত পৰিমাপ কৰিব পৰা আচৰণ হিচাপে সংজ্ঞায়িত কৰা হৈছে। এটা সৰল আৰু ব্যৱহাৰিক দৃষ্টিভংগীৰ পৰা ক'লে, শৈক্ষিক কৃতিত্ব বুলিলে শিক্ষণ প্ৰক্ৰিয়াৰ সময়ত এজন ব্যক্তিয়ে অৰ্জন কৰা জ্ঞান, লাভ, বুজাপড়া, দক্ষতা, প্ৰদৰ্শন আদি বুজায়। ইয়াৰ অৰ্থ হৈছে, শিক্ষাৰ ফলত শিক্ষাৰ্থীৰ আচৰণত হোৱা সকলো কাম্য পৰিৱৰ্তনক শৈক্ষিক কৃতিত্ব বুলিব পাৰি। শিক্ষাৰ্থীসকলৰ শিক্ষাগত আৰু অশিক্ষাগত কৃতিত্বৰ গুণগত মান, শিক্ষাদান আৰু শিক্ষণ পদ্ধতিৰ কাৰ্যকাৰিতা, আৰু শিক্ষা প্ৰতিষ্ঠানৰ সামগ্ৰিক মান মূল্যায়ন কৰিবলৈ নিয়মিত মূল্যায়ন কৰা হয়। এই মূল্যায়ন প্ৰক্ৰিয়া শিক্ষাৰ লক্ষ্য আৰু শিক্ষাৰ্থীসকলক সেই লক্ষ্যসমূহ লাভ কৰাত সহায় কৰিবলৈ প্ৰদান কৰা পাঠ্যসূচীৰ ৰূপত থকা শিক্ষণ অভিজ্ঞতাৰ সৈতে ঘনিষ্ঠভাৱে সম্পৰ্কিত। শিক্ষকসকলে শিক্ষাৰ লক্ষ্য আৰু নিৰ্দেশনাৰ উদ্দেশ্যসমূহ লাভ কৰাত শিক্ষাৰ্থীসকলক সহায় কৰিবলৈ পাঠ্যসূচীৰ আধাৰত জ্ঞান প্ৰদান কৰে। শিক্ষাৰ লক্ষ্য অনুসৰি আচৰণ গঢ় দিয়াৰ এই কাৰ্যত শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ সফলতাৰ পৰিমাণেই তেওঁলোকৰ শৈক্ষিক কৃতিত্ব। এই পৰ্যায়ত কৃতিত্ব আৰু অন্যান্য সদৃশ ধাৰণাসমূহ যেনে দক্ষতা (aptitude) আৰু বুদ্ধিমত্তা (intelligence)ৰ মাজত পাৰ্থক্য কৰা গুৰুত্বপূৰ্ণ। দক্ষতা (aptitude) হৈছে উপযুক্ত শিক্ষা বা প্ৰশিক্ষণ প্ৰদান কৰিলে কোনো এটা ক্ষেত্ৰত শিকিবলৈ বা দক্ষতা বিকাশ কৰিবলৈ থকা ক্ষমতা; ই হৈছে এজন ব্যক্তিৰ স্বাভাৱিক কৌশল, প্ৰতিভা বা শিকাৰ সামৰ্থ্য। দক্ষতাৰ দিশ ভবিষ্যতমুখী। যেতিয়া দক্ষতা শিকাৰ সম্ভাৱনা বুজায়, তেতিয়া কৃতিত্ব হৈছে

শিকণ নিজেই। ই হৈছে এজন ব্যক্তিয়ে ইতিমধ্যে শিকা জ্ঞান বা দক্ষতাৰ পৰিমাণ বা বিস্তৃতি। ইয়াৰ দিশ অতীতমুখী। দক্ষতা হৈছে প্ৰশিক্ষণৰ জৰিয়তে নিৰ্দিষ্ট বিষয় শিকাৰ ক্ষমতা, কিন্তু বুদ্ধিমত্তা হৈছে এক সাধাৰণ মানসিক ক্ষমতা, যাৰ জৰিয়তে যুক্তি কৰা, সমস্যাৰ সমাধান কৰা, বিমূৰ্ত চিন্তা কৰা, ধাৰণা আৰু ভাষা বুজা, আৰু শিকা সম্পন্ন হয়; যি প্ৰশিক্ষণ বা শিক্ষাৰ উৎপাদন নহয়। বুদ্ধিমত্তাৰ দিশ বৰ্তমানমুখী।

৮.৪ শৈক্ষিক কৃতিত্বৰ পৰিমাপ

যদিও কৃতিত্বৰ পৰিমাপ কৰাটো জটিল, কাৰণ কৃতিত্ব ধাৰণাটো নিজেই অদৃশ্য (intangible) আৰু ইয়াৰ বিষয়ে একমততাৰ অভাৱ আছে, লগতে শৈক্ষিক পৰিমাপৰ বহুতো কৌশল তুলনামূলকভাৱে অশুদ্ধ (imprecise); তথাপিও মনোবিজ্ঞানীসকলে বিশ্বাস কৰে যে শৈক্ষিক কৃতিত্ব পৰিমাপ কৰিব পৰা যায়। প্ৰকৃত অৰ্থত শৈক্ষিক কৃতিত্বই সাধাৰণতে ব্যক্তিৰ আচৰণত পাৰ্থক্য সৃষ্টি কৰে। যিজন ব্যক্তিয়ে অধিক কৃতিত্ব অৰ্জন কৰিছে তেওঁ কম কৃতিত্ব অৰ্জন কৰা ব্যক্তিৰ পৰা ভিন্ন ধৰণে আচৰণ কৰে। কৃতিত্বৰ পৰিমাপ হৈছে এইধৰণৰ পাৰ্থক্যসমূহ চিনাক্ত কৰাৰ প্ৰক্ৰিয়া।

শিক্ষাই প্ৰদান আৰু বিকাশ কৰিবলৈ লক্ষ্য কৰা জ্ঞান, দক্ষতা, তথ্য আৰু অন্যান্য গুণসমূহ পৰিমাপ কৰাৰ দাবী কৰা বিভিন্ন ধৰণৰ পৰীক্ষা আৰু পৰীক্ষণৰ জৰিয়তে বহুতো গুৰুত্বপূৰ্ণ শৈক্ষিক কৃতিত্ব সন্তোষজনকভাৱে পৰিমাপ কৰিব পৰা যায়।

Bruce and Neville ৰ মতে, শৈক্ষিক কৃতিত্ব বিদ্যালয়ৰ বিষয়সমূহৰ বাবে বিকাশ কৰা মান্যকৃত কৃতিত্ব পৰীক্ষাৰ জৰিয়তে পৰিমাপ কৰা হয়। ইয়াৰ অৰ্থ হৈছে যে শৈক্ষিক কৃতিত্ব কোনো এটা পাঠ্যক্ৰমৰ শেষত যি অৰ্জন কৰা হয় তাৰ সৈতে সম্পৰ্কিতভাৱে পৰিমাপ কৰা হয়, কিয়নো ই শিক্ষা-লক্ষ্যৰ মধ্যম বা দীঘলীয়া সময়ৰ উদ্দেশ্যসমূহৰ সাধন। ইয়াত গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যে পৰীক্ষাটো জাতীয় মানদণ্ড পূৰণ কৰিবলৈ এটা মান্যকৃত পৰীক্ষা হ'ব লাগে। এটা পৰীক্ষা মান্যকৃত হ'বলৈ হ'লে ই এক নিৰ্দিষ্ট সময়সীমাৰ ওপৰত বৈধ (valid) হ'ব লাগিব।

N. M. Downie ৰ মতে, "যিকোনো পৰীক্ষা যিয়ে প্ৰশিক্ষণ বা শিক্ষণৰ এটা সময়ৰ পিছত এজন ব্যক্তিৰ অৰ্জন আৰু কৃতিত্বসমূহ পৰিমাপ কৰে।"("Any test that measures the attainments and accomplishments of an individual after a period of training or learning")

Edward Thorndike আৰু **Elizabeth Hagen** এ কৃতিত্ব পৰীক্ষাক এইদৰে সংজ্ঞায়িত কৰিছে— "এইটো এক ধৰণৰ সামৰ্থ্য পৰীক্ষা যিয়ে এজন ব্যক্তিয়ে কি শিকিছে আৰু কৰিব পৰা হৈছে তাক বৰ্ণনা কৰে।"("The type of ability test that describes what a person has learned to do")

Norman E. Gronlund এ কৈছে যে কৃতিত্ব হৈছে— "এজন শিক্ষার্থীয়ে শিক্ষাদানৰ জৰিয়তে কিমান শিকিছে তাক নির্ধাৰণ কৰাৰ এটা পদ্ধতিগত প্রক্রিয়া।" (Achievement is a systematic procedure for determining the amount a student has learned through instructions)

Simpson and Weiner এ মত প্রকাশ কৰিছে যে কৃতিত্ব পৰীক্ষাৰ উদ্দেশ্য হৈছে বিদ্যালয়ৰ কার্যকলাপত পদ্ধতিগত শিক্ষা আৰু প্রশিক্ষণৰ ফলত গঢ়ি উঠা স্বীকৃত মানদণ্ড অনুসৰি দক্ষতা বা জ্ঞান পৰিমাপ কৰা।(Achievement test intends to measure systematic education and training in school occupation towards a conventionally accepted pattern of skills or knowledge)

৮.৫ কৃতিত্ব পৰীক্ষাৰ উদ্দেশ্যসমূহ

কৃতিত্ব পৰীক্ষাৰ মূল উদ্দেশ্য হৈছে শিক্ষার্থীসকলে তেওঁলোকক প্রদান কৰা জ্ঞান, দক্ষতা বা অভিজ্ঞতাসমূহ কিমান পৰিমাণে লাভ কৰিছে তাক নির্ধাৰণ কৰা। কৃতিত্ব পৰীক্ষাৰ লক্ষ্য হৈছে বিভিন্ন ক্ষেত্রত ব্যক্তিসকলৰ বৌদ্ধিক দক্ষতা পৰিমাপ কৰা। ই এজন ব্যক্তিয়ে কি আৰু কিমান শিকিছে বা দক্ষতা অর্জন কৰিছে তাক পৰিমাপ কৰে। বিদ্যালয়সমূহে নিয়মিতভাৱে শিক্ষার্থীসকলৰ কৃতিত্ব পৰিমাপ কৰিবলৈ কৃতিত্ব পৰীক্ষা ব্যৱহাৰ কৰে। কৃতিত্ব পৰীক্ষাৰ কিছুমান গুৰুত্বপূর্ণ উদ্দেশ্য তলত উল্লেখ কৰা হ'লঃ

- কৃতিত্ব পৰীক্ষাৰ এটা মুখ্য উদ্দেশ্য হৈছে শৈক্ষিক লক্ষ্যসমূহ কিমান পৰিমাণে লাভ কৰা হৈছে তাক নির্ধাৰণ কৰা।
- কৃতিত্ব পৰীক্ষাৰ লক্ষ্য হৈছে শিক্ষার্থীসকলৰ আচৰণত শিক্ষা আৰু প্রশিক্ষণৰ প্রভাৱ পৰিমাপ কৰা, বিশেষকৈ স্বীকৃত মানদণ্ড অনুসৰি দক্ষতা বা জ্ঞান বিকাশৰ ক্ষেত্রত।
- কৃতিত্ব পৰীক্ষাৰ লক্ষ্য হৈছে এজন ব্যক্তিয়ে নির্দিষ্ট বিষয়সমূহৰ বিষয়ে কিমান জানে বা তেওঁ কিমান ভালদৰে কিছুমান দক্ষতা প্রদর্শন কৰিব পাৰে তাক মূল্যায়ন কৰা। তদুপৰি, কৃতিত্ব পৰীক্ষাই বিশ্ববিদ্যালয়ত প্রৱেশ, প্রমাণপত্র প্রদান আদি ক্ষেত্রত ব্যক্তিসকল বাছনি কৰাত সহায় কৰে।
- কৃতিত্ব পৰীক্ষাৰ এটা গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে শিক্ষার্থীসকলক উন্নীত (promotion) বা স্থগিত (retention) কৰাৰ বাবে আৰু তেওঁলোকক গ্রেড প্রদান কৰাৰ ভিত্তি প্রদান কৰা।
- কৃতিত্ব পৰীক্ষাৰ লক্ষ্য হৈছে বিভিন্ন শৈক্ষিক ক্ষেত্রত শিক্ষার্থীসকলৰ আপেক্ষিক অৱস্থান নির্ধাৰণ কৰা।

- নির্দিষ্ট পাঠ্যক্রম বা পেছাত সঠিক স্থাপন কৰিবলৈ শিক্ষার্থী বাছনি কৰাত সহায় কৰাটো কৃতিত্ব পৰীক্ষাৰ আন এটা উদ্দেশ্য।
- শিক্ষার্থীসকলক প্রেৰণা যোগোৱাটো কৃতিত্ব পৰীক্ষাৰ এটা গুৰুত্বপূর্ণ উদ্দেশ্য।
- শিক্ষার্থীসকলৰ শিক্ষণ ক্ষেত্রত শক্তি আৰু দুর্বলতা চিনাক্ত কৰা আৰু তেওঁলোকক প্রয়োজনীয় পুনৰ-উপচাৰমূলক (remedial) দিশ-নির্দেশনা আৰু সহায় প্রদান কৰাটো কৃতিত্ব পৰীক্ষাৰ আন এটা উদ্দেশ্য।
- কৃতিত্ব পৰীক্ষাৰ আন এটা উদ্দেশ্য হৈছে শিক্ষার্থী আৰু তেওঁলোকৰ অভিভাৱকক তেওঁলোকৰ শৈক্ষিক কৃতিত্বৰ বিষয়ে অৱগত কৰা।
- পাঠ্যসূচীৰ প্রয়োজনীয় সংস্কাৰৰ বিষয়ে শিক্ষক আৰু বিদ্যালয় প্রশাসকসকলক তথ্য প্রদান কৰাটো কৃতিত্ব পৰীক্ষাৰ আন এটা উদ্দেশ্য।
- কৃতিত্ব পৰীক্ষাৰ আন এটা উদ্দেশ্য হৈছে শিক্ষার্থীসকলৰ অগ্রগতি পৰিমাপ কৰাৰ লগতে শিক্ষাদানৰ কার্যকাৰিতা মূল্যায়ন কৰা।
- কৃতিত্ব পৰীক্ষাৰ এটা গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে শিক্ষার্থীসকলৰ সমাপনী (summative) আৰু গঠনমূলক (formative) মূল্যায়নত সহায় কৰা।


অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. **কৃতিত্ব পৰীক্ষা কি ?**

প্রশ্ন ২. **কৃতিত্ব পৰীক্ষাৰ উদ্দেশ্য কি ?**

৮.৬কৃতিত্ব পৰীক্ষাৰ প্রকাৰসমূহ

মনোবৈজ্ঞানিক পৰীক্ষণৰ ক্ষেত্রত বিভিন্ন ধৰণৰ কৃতিত্ব পৰীক্ষাৰে পৰিপূর্ণ। উদ্দেশ্য, মান্যকৰণ, প্রশাসন, কার্য আৰু এনে অন্যান্য মানদণ্ডৰ আধাৰত কৃতিত্ব পৰীক্ষাসমূহ ভিন্নভাৱে শ্রেণীবদ্ধ কৰা হৈছে। তথাপিও, সকলো কৃতিত্ব পৰীক্ষাক সাধাৰণতে মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নির্মিত পৰীক্ষা এই দুটা শ্রেণীত ভাগ কৰিব পাৰি। এই পৰীক্ষাসমূহৰ এটা সৰল শ্রেণীবিভাজন তলত দিয়া হ'লঃ



চিত্ৰ ৮.১: কৃতিত্ব পৰীক্ষাৰ শ্ৰেণীবিভাজন

৮.৬.১ মান্যকৃত কৃতিত্ব পৰীক্ষা

যদিও কৃতিত্ব পৰীক্ষাৰ দুটা প্ৰকাৰ—অৰ্থাৎ মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নিৰ্মিত পৰীক্ষাৰ উদ্দেশ্য একে, তথাপিও ইয়াৰ নিৰ্মাণ আৰু ব্যৱহাৰৰ প্ৰক্ৰিয়াত পাৰ্থক্য আছে। মান্যকৃত কৃতিত্ব পৰীক্ষাসমূহ বিশেষজ্ঞসকলৰ দ্বাৰা নিৰ্মাণ কৰা হয়। এটা মান্যকৃত কৃতিত্ব পৰীক্ষা সকলো শিক্ষাৰ্থীৰ বাবে আৰু সকলো পৰীক্ষাৰ পৰিস্থিতিত একে ধৰণে প্ৰয়োগ, মূল্যায়ন আৰু ব্যাখ্যা কৰা হয়। এটা মান্যকৃত পৰীক্ষাই পৰীক্ষা প্ৰয়োগ আৰু মূল্যায়নৰ ক্ষেত্ৰত একেধৰণৰ পদ্ধতি স্থাপন কৰে। এই পদ্ধতিগত একৰূপতাই ভিন্ন ব্যক্তিৰ পৰা লাভ কৰা নম্বৰসমূহ তুলনাযোগ্য কৰি তোলে।

Lee J. Cronbach ৰ মতে, মান্যকৃত পৰীক্ষা হৈছে এনে এটা পৰীক্ষা য'ত প্ৰক্ৰিয়া, উপকৰণ আৰু মূল্যায়ন পদ্ধতি এনেদৰে নিৰ্ধাৰিত থাকে যাতে একেই পৰীক্ষা ভিন্ন সময় আৰু ঠাইত একেদৰে প্ৰয়োগ কৰিব পৰা যায়। (A standardized test is one in which procedure, apparatus, and scoring has been fixed so that precisely the same test can be given at different times and places)

Newkirk and Greene ৰ মতে, "এটা পৰীক্ষা তেতিয়াহে মান্যকৃত বুলি কোৱা হয় (i) যদি ইয়াত ব্যৱহাৰ কৰা অনুশীলনসমূহ সাধাৰণ শিক্ষাদান পদ্ধতিৰ আধাৰত নিৰ্বাচিত হয় আৰু ইয়াৰ অন্তৰ্নিহিত কঠিনতাৰ দিশত মূল্যায়ন কৰা হয় আৰু (ii) যদি ইয়াৰ সৈতে এনে মানদণ্ড বা নৰ্মসমূহ সংযুক্ত থাকে যাৰ দ্বাৰা ফলাফলসমূহক কৃতিত্বৰ স্তৰৰ ভিত্তিত ব্যাখ্যা কৰিব পৰা যায়।"

এটা মান্যকৃত পৰীক্ষাৰ মুখ্য বৈশিষ্ট্যসমূহ তলত দিয়া হ'লঃ

- এটা মান্যকৃত পৰীক্ষা একে ধৰণৰ পৰিস্থিতিত প্ৰয়োগ কৰা হয়; অৰ্থাৎ ক'ত, কেতিয়া, কাকৰ দ্বাৰা বা কাক প্ৰতি পৰীক্ষাটো লোৱা হৈছে সেয়া গুৰুত্বপূৰ্ণ নহয়, ই সদায় একে ধৰণে প্ৰয়োগ কৰা হয়।
- এটা মান্যকৃত পৰীক্ষা সদায় বস্তুগতভাৱে আৰু একেধৰণে বা সঙ্গতিপূৰ্ণভাৱে মূল্যায়ন কৰা হয়; মান্যকৃত পৰীক্ষাৰ মূল্যায়ন পদ্ধতিসমূহ এনেদৰে নিৰ্ধাৰিত থাকে যাতে ভিন্ন মূল্যায়নকাৰীয়ে একে উত্তৰসমূহৰ বাবে একে নম্বৰ প্ৰদান কৰে।
- এটা মান্যকৃত পৰীক্ষাত সকলো পৰীক্ষাৰ্থীয়ে একে প্ৰশ্নসমূহৰ উত্তৰ একে ধৰণে দিব লাগিব।
- মান্যকৃত কৃতিত্ব পৰীক্ষাৰ মূল্যায়ন বস্তুগত, মান্য আৰু সুসজ্জিত স্ক'ৰিং কী (scoring key)ৰ আধাৰত কৰা হয়।
- মান্যকৃত পৰীক্ষাত ভিন্ন ব্যক্তি বা গোটে লাভ কৰা নম্বৰসমূহ তুলনা কৰি ব্যক্তিগত শিক্ষাৰ্থী বা শিক্ষাৰ্থী গোটসমূহৰ আপেক্ষিক প্ৰদৰ্শন মূল্যায়ন কৰিব পৰা যায়।
- মান্যকৃত পৰীক্ষাসমূহ সাধাৰণতে ব্যক্তি বা গোটৰ আপেক্ষিক প্ৰদৰ্শন পৰিমাপ কৰিবলৈ ৰূপায়ণ কৰা হয়। সেয়েহে ব্যক্তি বা গোটৰ প্ৰদৰ্শন তুলনা কৰিবলৈ নৰ্ম (norms) স্থাপন কৰাটো মান্যকৃত পৰীক্ষা নিৰ্মাণৰ এটা গুৰুত্বপূৰ্ণ অংশ।
- মান্যকৃত কৃতিত্ব পৰীক্ষাৰ নিৰ্মাণ পদ্ধতিগত আৰু শৃংখলাবদ্ধ, যি নিৰ্দিষ্ট ধাপসমূহ অতিক্ৰম কৰে আৰু কিছুমান নীতি অনুসৰণ কৰে।
- মান্যকৃত কৃতিত্ব পৰীক্ষাৰ বাবে প্ৰশ্ন-উপাদান (item) নিৰ্মাণ প্ৰশ্ন-বিশ্লেষণ (item analysis)ৰ ধাপসমূহৰ মাজেৰে পাৰ হয়।
- এটা মান্যকৃত পৰীক্ষাৰ বাবে নিৰ্দেশনাসমূহ প্ৰস্তুত কৰাটো ইয়াৰ নিৰ্মাণৰ এটা গুৰুত্বপূৰ্ণ অংশ। এই নিৰ্দেশনাসমূহত ব্যৱহাৰ কৰিবলগীয়া উপকৰণ, সময় সীমা, পৰীক্ষাৰ্থীসকলক দিয়া মৌখিক নিৰ্দেশনা আৰু প্ৰদৰ্শন, আৰু পৰীক্ষাৰ পৰিস্থিতিৰ সকলো বিৱৰণ নিৰ্দিষ্ট কৰি দিয়া হয়।
- মান্যকৃত পৰীক্ষাসমূহ অতি বিশ্বাসযোগ্য (reliable) আৰু বৈধ (valid) হয়।

(মান্যকৃত পৰীক্ষা নিৰ্মাণৰ নীতি আৰু পদ্ধতি অধ্যায়– ৪ ত আলোচনা কৰা হৈছে।)

ইয়াত আমি মান্যকৃত কৃতিত্ব পৰীক্ষাৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিম—

প্ৰস্তুতি পৰীক্ষা (Readiness Tests): প্ৰস্তুতি পৰীক্ষা, যি এক প্ৰকাৰৰ পূৰ্বানুমানমূলক (prognostic) পৰীক্ষা, কোনো নিৰ্দিষ্ট শিক্ষণ কাৰ্যত শিক্ষাৰ্থীৰ ভৱিষ্যৎ সফলতা পূৰ্বানুমান

কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই পৰীক্ষাই আনুষ্ঠানিক শিক্ষাদান গ্ৰহণ কৰিবলৈ শিক্ষার্থীৰ শাৰীৰিক, মানসিক বা আৱেগিক প্ৰস্তুতি বা পৰিপক্কতা পৰিমাপ কৰে। ই নিৰ্মাণ আৰু ব্যৱহাৰ কৰা হয় এইটো পূৰ্বানুমান কৰিবলৈ যে কোনো ব্যক্তি নিৰ্দিষ্ট ক্ষেত্ৰত, অৰ্থাৎ পঢ়া বা গণিতত, শিক্ষাদানৰ পৰা কিমান উপকৃত হ'বলৈ সক্ষম বা প্ৰস্তুত।

এই পৰীক্ষাসমূহ এজন ব্যক্তিৰ বিকাশমূলক অৱস্থা অধ্যয়ন কৰিবলৈ নিৰ্মাণ কৰা হয়, যাতে নিৰ্ধাৰণ কৰিব পৰা যায় যে তেওঁ নিৰ্দিষ্ট দক্ষতা শিকিব পাৰে নে নাই, বা কিমান পৰিমাণে শিকিব পাৰে, অথবা নিৰ্দিষ্ট জ্ঞান আৰু অভিজ্ঞতা অৰ্জন কৰিব পাৰে।

শিক্ষামূলক পৰিস্থিতিত, প্ৰস্তুতি পৰীক্ষাই জ্ঞানাত্মক (cognitive), আৱেগাত্মক (affective), আৰু মনো-চালনাত্মক (psycho-motor) আৰু শিক্ষণত জড়িত অন্যান্য কাৰকসমূহ পৰিমাপ কৰে, যাতে নিৰ্ধাৰণ কৰিব পৰা যায় যে এজন শিক্ষার্থীৰ নিৰ্দিষ্ট পাঠ্যক্ৰমৰ পৰা উপকৃত হ'বলৈ প্ৰয়োজনীয় পটভূমি বা প্ৰস্তুতি আছে নে নাই।

Wrightstone ৰ "Prognostic Test of Mechanical Abilities", Hoke ৰ "Prognosis Test of Stenographic Ability" আদি কিছুমান প্ৰসিদ্ধ প্ৰস্তুতি পৰীক্ষাৰ উদাহৰণ।

নিদানমূলক পৰীক্ষা (Diagnostic Tests): নিদানমূলক পৰীক্ষাই শিক্ষার্থীসকলৰ কোনো বিষয়, ক্ষেত্ৰ বা দক্ষতাৰ ওপৰত বুজাপড়া মূল্যায়ন কৰে। সাধাৰণতে, এই পৰীক্ষাসমূহ শিক্ষাদান আৰম্ভ কৰাৰ আগতে প্ৰয়োগ কৰা হয়। এই পৰীক্ষাসমূহৰ উদ্দেশ্য হৈছে শিক্ষার্থীসকলে শিক্ষাদানৰ অন্তৰ্গত বিষয়বস্তুৰ বিষয়ে ইতিমধ্যে কিমান জানে তাক নিৰ্ধাৰণ কৰা। এই পৰীক্ষাসমূহে বিভিন্ন বিষয়ত শিক্ষার্থীসকলৰ শিক্ষণ-সমস্যাসমূহ চিনাক্ত কৰাত আৰু তেওঁলোকৰ পছন্দৰ শিক্ষণ শৈলী তথা শক্তি আৰু দুৰ্বলতা আৱিষ্কাৰ কৰাত সহায় কৰে। নিদানমূলক পৰীক্ষাই বিভিন্ন বিষয়ৰ ওপৰত শিক্ষার্থীৰ বুজাপড়া মূল্যায়ন কৰাত সহায় কৰে। নিদানমূলক পৰীক্ষাৰ ফলাফলসমূহ পুনৰ-উপচাৰমূলক (remedial) শিক্ষাদান প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰিব পৰা যায়।

এইদৰে, নিদানমূলক পৰীক্ষাই শিক্ষার্থীসকলৰ গঠনমূলক মূল্যায়নত সহায় কৰে আৰু শিক্ষকসকলক তেওঁলোকৰ শিক্ষাদানত কি দিশ গ্ৰহণ কৰিব লাগিব তাৰ বিষয়ে দিশ-নিৰ্দেশনা দিয়ে। নিদানমূলক পৰীক্ষাৰ উদাহৰণসমূহৰ ভিতৰত আছে— Schonnel ৰ Arithmetic-ত নিদানমূলক পৰীক্ষা, Compass Diagnostic Test in Arithmetic, Durrell Analysis of Reading Difficulty, Gates Basic Reading Test আদি। গুৰুত্বপূৰ্ণ যে নিদানমূলক পৰীক্ষাই দুৰ্বলতাসমূহ চিনাক্ত কৰিব পাৰে, কিন্তু সেইসমূহ দূৰ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা প্ৰস্তাৱ কৰিব নোৱাৰে।

দক্ষতা বা পাৰদর্শিতা পৰীক্ষা (Mastery Tests): কৃতিত্ব পৰীক্ষাৰ আন এটা গুৰুত্বপূর্ণ প্রকাৰ হৈছে দক্ষতা পৰীক্ষা বা পাৰদর্শিতা পৰীক্ষা। এই পৰীক্ষাসমূহে কোনো নির্দিষ্ট ক্ষেত্রত শিক্ষার্থীসকলৰ দক্ষতা বা পাৰদর্শিতাক এক নির্ধাৰিত মানদণ্ডৰ সৈতে তুলনা কৰে। দক্ষতা পৰীক্ষাই কোনো নির্দিষ্ট ক্ষেত্রত সফলতা অর্জন কৰিবলৈ প্রয়োজনীয় ন্যূনতম দক্ষতাৰ স্তৰ পৰিমাপ কৰে।

অন্য পৰীক্ষাসমূহৰ দৰে য'ত শিক্ষার্থীসকলৰ প্রদর্শন বা কৃতিত্ব মূল্যায়ন কৰিবলৈ ০ ৰ পৰা ১০০ লৈকে ১০১ পইণ্টৰ স্কেল ব্যৱহাৰ কৰা হয়, তাৰ বিপৰীতে দক্ষতা পৰীক্ষাই শিক্ষার্থীসকলৰ প্রদর্শন "সকলো বা একোৱে নহয়" ৰূপত মূল্যায়ন কৰে; অর্থাৎ এজন ব্যক্তিয়ে নির্দিষ্ট প্রদর্শনৰ স্তৰত সেই বিষয়ত দক্ষতা অর্জন কৰিছে নে নাই।

উদাহৰণস্বৰূপে, গণিতৰ ওপৰত এটা দক্ষতা পৰীক্ষাই নির্ধাৰিত মানদণ্ডৰ আধাৰত এজন ব্যক্তিয়ে দক্ষতা অর্জন কৰিছে নে নাই তাক পৰিমাপ কৰে।

যদি পৰীক্ষার্থীয়ে সেই মানদণ্ডসমূহ পূৰণ কৰে, তেন্তে তেওঁ উত্তীর্ণ হয়; নহ'লে তেওঁ অকৃতকার্য হয়। Missouri Mastery and Achievement Tests হৈছে এটা দক্ষতা পৰীক্ষাৰ উদাহৰণ, যাৰ দ্বাৰা বিদ্যালয় বিষয়সমূহৰ ওপৰত শিক্ষার্থীসকলৰ দক্ষতা পৰিমাপ কৰা হয়।

সাধাৰণ কৃতিত্ব পৰীক্ষা বা সমীক্ষা পৰীক্ষা (General Achievement Tests or Survey Tests):

সাধাৰণ কৃতিত্ব পৰীক্ষাসমূহ কৃতিত্ব পৰীক্ষাৰ ক্ষেত্রত আটাইতকৈ বহুলভাৱে ব্যৱহৃত পৰীক্ষা। এটা সাধাৰণ কৃতিত্ব বা সমীক্ষা পৰীক্ষাই এজন ব্যক্তিৰ প্রদর্শন এটা একক স্ক'ৰত পৰিমাপ কৰে আৰু নির্দিষ্ট শক্তি বা দুর্বলতা পৰিমাপ বা চিনাক্ত নকৰে। এই সাধাৰণ কৃতিত্ব বা সমীক্ষা পৰীক্ষাসমূহ হৈছে নির্দিষ্ট শ্রেণীৰ বাবে প্রস্তুত কৰা বিষয়ভিত্তিক পৰীক্ষাৰ এটা গোট। এই ধৰণৰ পৰীক্ষা প্রয়োগ কৰাৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিৰ নির্দিষ্ট শক্তি আৰু দুর্বলতা চিনাক্ত কৰাৰ পৰিৱর্তে তেওঁলোকৰ গোটৰ মাজত সামগ্রিক অৱস্থান নির্ধাৰণ কৰা। এই পৰীক্ষাসমূহ সাধাৰণতে শৈক্ষিক লক্ষ্যসমূহৰ আধাৰত গঢ়া হয় আৰু ই বিস্তৃত ক্ষেত্র সামৰি লয়।

এই পৰীক্ষাসমূহ ভাষা, গণিত, বানান, সমাজবিজ্ঞান আদি বিভিন্ন ক্ষেত্রত কৃতিত্ব পৰিমাপ বা সমীক্ষা কৰিবলৈ প্রস্তুত কৰা হয়। এইটো কৃতিত্ব মূল্যায়নৰ আটাইতকৈ ব্যাপক পদ্ধতি। এইধৰণৰ পৰীক্ষাই পৰীক্ষার্থীৰ বিভিন্ন বিষয়ত সামগ্রিক অৱস্থানৰ এখন সামগ্রিক ছবি প্রদান কৰে। সাধাৰণ কৃতিত্ব বা সমীক্ষা পৰীক্ষাসমূহ দুটা প্রকাৰত ভাগ কৰিব পাৰি— (i) সাধাৰণ কৃতিত্ব পৰীক্ষাৰ বেটাৰী, আৰু (ii) বিশেষায়িত কৃতিত্ব পৰীক্ষা।

(i) সাধাৰণ কৃতিত্ব পৰীক্ষাৰ বেটাৰী (General Achievement Test Batteries):

এটা টেষ্ট বেটাৰী মানে হৈছে একেলগে গোট খুৱাই ব্যক্তিসকলৰ ওপৰত প্ৰয়োগ কৰা কেইবাটাও পৰীক্ষাৰ সমষ্টি। এটা সাধাৰণ কৃতিত্ব পৰীক্ষাৰ বেটাৰী হৈছে নিৰ্দিষ্ট শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা বিষয়ভিত্তিক পৰীক্ষাৰ এটা গোট। এইধৰণৰ বেটাৰী পৰীক্ষা প্ৰয়োগ কৰাৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিৰ নিৰ্দিষ্ট শক্তি আৰু দুৰ্বলতা চিনাক্ত কৰাৰ পৰিৱৰ্তে তেওঁলোকৰ গোটত থকা সামগ্ৰিক অৱস্থান নিৰ্ধাৰণ কৰা। সাধাৰণ কৃতিত্ব পৰীক্ষাৰ বেটাৰী সাধাৰণতে গোটত ব্যক্তিসকলৰ সামগ্ৰিক অৱস্থান নিৰ্ধাৰণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই বেটাৰীটো হৈছে বিষয়ভিত্তিক পৰীক্ষাসমূহৰ এটা গোট, য'ত প্ৰতিটো বিষয়ত সাধাৰণতে সীমিত সংখ্যক প্ৰশ্ন থাকে।

এইধৰণৰ কিছুমান পৰীক্ষা বেটাৰীৰ উদাহৰণ তলত দিয়া হ'লঃ

Metropolitan Achievement Tests:

Metropolitan Achievement Tests এই পৰীক্ষা বেটাৰীটো ১৯৫৬ চনত প্ৰকাশ কৰা হৈছিল।

এই পৰীক্ষাটো প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ বিস্তৃত।

এই বেটাৰীটো প্ৰয়োগ কৰিবলৈ প্ৰয়োজনীয় সময় ২ ঘণ্টাৰ পৰা ৪½ ঘণ্টালৈকে।

এই বেটাৰীটোত ভিন্ন শ্ৰেণীৰ বাবে মুঠ ১৫টা স্বতন্ত্ৰ পৰীক্ষা অন্তৰ্ভুক্ত আছে।

সেইবোৰ হৈছে—

১. শব্দ জ্ঞান পৰীক্ষা: সকলো শ্ৰেণীৰ বাবে প্ৰযোজ্য

২. শব্দ পাৰ্থক্যকৰণ পৰীক্ষা: ১ম শ্ৰেণীৰ পৰা ৪ৰ্থ শ্ৰেণীলৈ

৩. পঠন পৰীক্ষা: সকলো শ্ৰেণীৰ বাবে প্ৰযোজ্য

৪. গণিতৰ ধাৰণা আৰু দক্ষতা পৰীক্ষা: ১ম আৰু ২য় শ্ৰেণীৰ বাবে

৫. সমস্যা সমাধান ক্ষমতা পৰীক্ষা: ৩য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

৬. গণনা পৰীক্ষা: ৩য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

৭. বানান পৰীক্ষা: সকলো শ্ৰেণীৰ বাবে প্ৰযোজ্য

৮. ভাষা ব্যৱহাৰ পৰীক্ষা: ৭ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

৯. লিখিত ভাষা পৰীক্ষা: ৩য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

১০. বিভিন্ন ধৰণৰ বাক্য ব্যৱহাৰৰ পৰীক্ষা: ৭ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

১১. ব্যাকৰণ পৰীক্ষা: ৫ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ

১২. ভাষা অধ্যয়ন দক্ষতা: সকলো শ্ৰেণীৰ বাবে প্ৰযোজ্য

১৩. সমাজ বিজ্ঞান জ্ঞান পৰীক্ষা: ৫ম শ্রেণীৰ পৰা ৯ম শ্রেণীলৈ

১৪. সমাজ বিজ্ঞান দক্ষতা পৰীক্ষা: ৫ম শ্রেণীৰ পৰা ৯ম শ্রেণীলৈ

১৫. বিজ্ঞান পৰীক্ষা: ৫ম শ্রেণীৰ পৰা ৯ম শ্রেণীলৈ

Sequential Test of Educational Progress (STEP):

Educational Testing Service, যি বিশ্বৰ আটাইতকৈ ডাঙৰ ব্যক্তিগত অ-লাভজনক শৈক্ষিক পৰীক্ষণ আৰু মূল্যায়ন সংস্থা, তেওঁলোকে Sequential Test of Educational Progress (STEP) বিকাশ কৰিছিল।

এই পৰীক্ষা বেটাৰীসমূহ চাৰিটা ভিন্ন স্তৰৰ বাবে বিকাশ কৰা হৈছিল—

স্তৰ- ১: ৪র্থ শ্রেণীৰ পৰা ৬ষ্ঠ শ্রেণীলৈ

স্তৰ-২: ৭ম শ্রেণীৰ পৰা ৯ম শ্রেণীলৈ

স্তৰ–৩: ১০ম শ্রেণীৰ পৰা ১২শ শ্রেণীলৈ

স্তৰ- ৪: ১৩শ শ্রেণীৰ পৰা ১৪শ শ্রেণীলৈ

এই পৰীক্ষা বেটাৰীটোত সাতটা পৰীক্ষা অন্তর্ভুক্ত আছে, সেইবোৰ হৈছে—

১. পঠন ক্ষমতা

২. লিখন ক্ষমতা

৩. গণিতীয় কৃতিত্ব

৪. বিজ্ঞান

৫. সমাজ অধ্যয়ন

৬. শুনা (Listening)

৭. প্রবন্ধ লিখন

শেষৰ পৰীক্ষাটো বাদ দি বাকী সকলো পৰীক্ষা বস্তুগত ধৰণৰ। এই পৰীক্ষা প্রয়োগ কৰিবলৈ মুঠ ৭ ঘণ্টা ৩৫ মিনিট সময় লাগে। কিন্তু এই পৰীক্ষাসমূহ পৃথকভাৱে প্রয়োগ কৰা হয় আৰু ভিন্ন পৰীক্ষাত লাভ কৰা নম্বৰসমূহক এটা মান্য স্ক'ৰত ৰূপান্তৰ কৰি শিক্ষার্থীসকলৰ সামগ্রিক মূল্যায়ন কৰা হয়।

ষ্টেনফ'র্ড কৃতিত্ব পৰীক্ষা:

Stanford Achievement Test টো Metropolitan Achievement Test ৰ সৈতে সদৃশ আৰু প্রথমবাৰৰ বাবে ১৯২৩ চনত প্রকাশিত হৈছিল আৰু ১৯৫৩ চনত পুনৰ সংশোধন কৰা হৈছিল। এই পৰীক্ষাটোত চাৰিটা বেটাৰী আছে। সেইবোৰ হৈছে—

১. প্রাথমিক (Primary) — ২য় আৰু ৩য় শ্রেণীৰ বাবে মুঠ ৫টা পৰীক্ষা

২. মৌলিক স্তৰ (Elementary) — ৩য় আৰু ৪র্থ শ্রেণীৰ বাবে মুঠ ৬টা পৰীক্ষা

৩. মধ্যম (Intermediate) — ৫ম শ্রেণীৰ পৰা ৭ম শ্রেণীলৈ মুঠ ৯টা পৰীক্ষা

৪. উন্নত (Advanced) — ৭ম শ্রেণীৰ পৰা ৯ম শ্রেণীলৈ মুঠ ৯টা পৰীক্ষা

ভিন্ন শ্রেণীৰ বাবে এই পৰীক্ষাসমূহ প্রয়োগ কৰিবলৈ ক্রমে ৮৫ মিনিট, ১৪৫ মিনিট, ২৩২ মিনিট আৰু ২২৭ মিনিট সময় লাগে।

এই পৰীক্ষাসমূহত অন্তর্ভুক্ত বিভিন্ন বিষয়সমূহ তলত উল্লেখ কৰা হৈছে-

ক্ষেত্র	**পৰীক্ষাসমূহ**
ভাষা	পঠন, অনুচ্ছেদৰ অর্থ, শব্দৰ অর্থ, বানান আৰু ভাষা
গণিত	গণিত, গণনা আৰু যুক্তি
সমাজ অধ্যয়ন	সমাজ অধ্যয়ন
বিজ্ঞান	বিজ্ঞান
অধ্যয়ন দক্ষতা	অধ্যয়ন দক্ষতা

(ii) বিশেষায়িত কৃতিত্ব পৰীক্ষা (Specialized Achievement Tests):

বিশেষায়িত কৃতিত্ব পৰীক্ষাসমূহ একেটা শৈক্ষিক ক্ষেত্রত (যেনে পঠন, লিখন আদি) কৃতিত্ব পৰিমাপ কৰিবলৈ নির্মাণ কৰা হয় আৰু ভিন্ন শ্রেণীৰ বাবে ভিন্ন পৰীক্ষা প্রস্তুত কৰা হয়। ব্যক্তিসকলৰ সামগ্রিক বা সামান্য কৃতিত্ব পৰিমাপ কৰাৰ পৰিৱর্তে, বিশেষায়িত কৃতিত্ব পৰীক্ষাই কোনো এটা বিষয় বা ক্ষেত্রত এজন ব্যক্তিৰ পাৱদর্শিতা পৰিমাপ কৰে। বিশেষায়িত কৃতিত্ব পৰীক্ষাৰ দুটা উদাহৰণ তলত উপস্থাপন কৰা হ'লঃ

Iowa Reading Test:

Iowa Reading Test হৈছে পঠন ক্ষমতা পৰিমাপ কৰাৰ বাবে এটা পৰীক্ষা।

এই পৰীক্ষাটোত সাতটা উপ-পৰীক্ষা অন্তর্ভুক্ত আছে; সেইবোৰ হৈছে—

১. পঠনৰ গতি পৰিমাপ কৰাৰ পৰীক্ষা,

২. পঢ়াৰ পিছত গদ্য বুজাপৰা পৰীক্ষা,

৩. কবিতা বুজাপৰা পৰীক্ষা,

৪. শব্দভাণ্ডাৰ (Vocabulary) পৰীক্ষা,

৫. বাক্যৰ অর্থ পৰীক্ষা,

৬. অনুচ্ছেদ বুজাপৰা পৰীক্ষা,

৭. তথ্যৰ অৱস্থান বিচাৰি উলিওৱাৰ পৰীক্ষা।

Thorndike Handwriting Scale for Children:

এই লিখনশৈলী (handwriting) পৰীক্ষাটো প্ৰথমবাৰৰ বাবে ১৯১০ চনত প্ৰকাশ কৰা হৈছিল। এই পৰীক্ষাটো কেৱল শিশুসকলৰ লিখনশৈলী পৰিমাপ কৰিবলৈ, শিশুসকলৰ লিখনশৈলীৰ বৃহৎ নমুনা ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছিল। অভিজ্ঞ মূল্যায়নকাৰীসকলে এই লিখনসমূহ সাধাৰণ মানদণ্ডৰ আধাৰত পৃথক কৰিছিল। আন দুটা সদৃশ পৰীক্ষা হৈছে— The Ayres Handwriting Scales আৰু Conard Manuscript Writing Standards।

৮.৬.২ শিক্ষক-নিৰ্মিত কৃতিত্ব পৰীক্ষা

নামটোৱেই সূচায় যে শিক্ষক-নিৰ্মিত পৰীক্ষাসমূহ শ্ৰেণীকোঠাৰ শিক্ষকসকলে তেওঁলোকৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক কৃতিত্ব পৰিমাপ কৰিবলৈ স্থানীয়ভাৱে প্ৰস্তুত কৰে। কেতিয়াবা এই পৰীক্ষাসমূহ শিক্ষাদান আৰু শিক্ষণৰ কাৰ্যকাৰিতা নিৰ্ধাৰণ কৰিবলৈও নিৰ্মাণ কৰা হয়। এনেধৰণৰ পৰীক্ষা নিৰ্মাণ কৰিবলৈ শিক্ষকজনৰ বিষয়বস্তুৰ ওপৰত পূৰ্ণ দখল থকাৰ লগতে শৈক্ষিক লক্ষ্যসমূহৰ বিষয়ে যথাযথ আৰু বিস্তৃত জ্ঞান থকাটো প্ৰয়োজন। এই পৰীক্ষাসমূহ মান্যকৃত পৰীক্ষা নহয়।

বহুতে কয় যে মান্যকৃত পৰীক্ষাসমূহ কৃতিত্ব পৰীক্ষাৰ ক্ষেত্ৰত অধিক উপযোগী, কাৰণ এইবোৰ শিক্ষক-নিৰ্মিত পৰীক্ষাতকৈ অধিক বৈধ আৰু অধিক বিশ্বাসযোগ্য। কিন্তু একে সময়তে এইটোও মনত ৰাখিব লাগিব যে শিক্ষকজনে সদায় মান্যকৃত পৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰে। বহু সময়ত মান্যকৃত পৰীক্ষাসমূহে স্থানীয় আৰু তাৎÂণিক প্ৰয়োজন বা উদ্দেশ্য পূৰণ কৰিব নোৱাৰে আৰু এইবোৰ ব্যয়বহুল আৰু সহজে উপলব্ধ নহয়। এই কাৰণেই শ্ৰেণীকোঠাৰ শিক্ষকসকলে পৰীক্ষাৰ স্থানীয় প্ৰয়োজন আৰু উদ্দেশ্য পূৰণ কৰিবলৈ নিজৰ পৰীক্ষা নিজে নিৰ্মাণ কৰিব লাগে। শিক্ষক-নিৰ্মিত পৰীক্ষাসমূহ সাধাৰণতে মাত্ৰ দুটা ধাপৰ জৰিয়তে নিৰ্মাণ কৰা হয়: পৰিকল্পনা ধাপ আৰু পৰীক্ষা প্ৰস্তুত কৰাৰ ধাপ।

শিক্ষক-নিৰ্মিত পৰীক্ষাৰ মুখ্য বৈশিষ্ট্যসমূহ হৈছে—

- শিক্ষক-নিৰ্মিত পৰীক্ষাসমূহ শ্ৰেণীকোঠাৰ শিক্ষকসকলে তাৎক্ষণিক আৰু স্থানীয় প্ৰয়োজন পূৰণ কৰিবলৈ নিৰ্মাণ কৰে।
- এইবোৰ নিদানমূলক বা পূৰ্বানুমানমূলক পৰীক্ষা হিচাপেও ব্যৱহাৰ কৰিব পৰা যায়।
- মান্যকৃত পৰীক্ষাত অনুসৰণ কৰা ধাপসমূহ ইয়াত অনুসৰণ কৰা নহয়।
- মান্যকৃত পৰীক্ষাতকৈ কম বৈধ আৰু কম বিশ্বাসযোগ্য।
- এইবোৰৰ নিৰ্মাণ আৰু প্ৰয়োগ সহজ আৰু কম ব্যয়সাপেক্ষ।
- শিক্ষক-নিৰ্মিত পৰীক্ষাৰ পৰিসৰ সীমিত আৰু যি গোটৰ বাবে এইটো নিৰ্মাণ কৰা হয় সেই গোটৰ বাহিৰে আন কোনো গোটৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি।

শিক্ষক-নির্মিত পৰীক্ষা নির্মাণৰ ধাপসমূহঃ উপৰোক্ত অনুসাৰে, শিক্ষক-নির্মিত পৰীক্ষাসমূহ মাত্ৰ দুটা পর্যায় অনুসৰণ কৰি নির্মাণ কৰা হয়: পৰিকল্পনা আৰু পৰীক্ষা প্ৰস্তুত কৰা।

শিক্ষক-নির্মিত পৰীক্ষাৰ বাবে পৰিকল্পনাঃ এই পর্যায়ত পৰীক্ষাৰ লক্ষ্যসমূহ মনত ৰাখি প্ৰশ্নসমূহৰ দৈর্ঘ্য আৰু সংগঠন নির্ধাৰণ কৰা হয়। তাৰ পিছত পাঠদান লক্ষ্যসমূহ, বিষয়বস্তুৰ বিভিন্ন অংশত ওজন (weightage), পাঠদান লক্ষ্যসমূহৰ সৈতে মিল থকা প্ৰশ্ন বা কার্যৰ ধৰণ, আৰু শিক্ষণ ক্ষেত্ৰসমূহ আৰু সেইবোৰৰ স্তৰসমূহ অন্তর্ভুক্ত কৰি এটা ব্লু-প্ৰিণ্ট বা পৰীক্ষা-নির্দেশিকা প্ৰস্তুত কৰা হয়। এটা পৰীক্ষা নির্মাণ কৰাটো এটা জটিল কাম আৰু এইটো সফলভাৱে সম্পন্ন কৰিবলৈ বিশেষজ্ঞ, সহকর্মী আৰু অভিজ্ঞ ব্যক্তিসকলৰ সহায়-সহযোগিতা প্ৰয়োজন। সেয়ে এই পর্যায়ত শিক্ষকজনে সংশ্লিষ্ট ব্যক্তিসকলৰ সৈতে আলোচনা কৰি তেওঁলোকৰ মতামত আৰু পৰামর্শ সংগ্ৰহ কৰিব লাগে। তাৰোপৰি, শিক্ষকজনৰ বিভিন্ন ধৰণৰ প্ৰশ্ন-উপাদান নির্মাণ আৰু ব্যৱহাৰৰ বিষয়ে ভাল জ্ঞান থকাটো উচিত।

পৰীক্ষা প্ৰস্তুত কৰাঃ

এই পর্যায়ত প্ৰশ্নসমূহ প্ৰস্তুত কৰা হয় আৰু প্ৰশ্নসমূহ সঠিকভাৱে বিশ্লেষণ কৰিবলৈ পুনঃপুনঃ অধ্যয়ন কৰা হয়, যাতে নির্বাচিত প্ৰশ্নসমূহ সঠিক আৰু উপযুক্ত হয় নিশ্চিত কৰিব পৰা যায়। প্ৰশ্নসমূহত প্ৰয়োজনীয় সংশোধন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু ত্ৰুটিপূর্ণ প্ৰশ্নসমূহ বাদ দিয়া হয়। একে সময়তে এইটো মনত ৰাখিব লাগে যে খচৰা প্ৰস্তুত কৰাৰ সময়ত নির্ধাৰিত প্ৰশ্নৰ সংখ্যা আৰু ধৰণ পৰীক্ষাত অক্ষুণ্ণ থাকে। পৰীক্ষাৰ বাবে প্ৰশ্নসমূহ নির্বাচন কৰাৰ পিছত সিহঁতক কঠিনতাৰ ক্ৰমবৃদ্ধিৰ আধাৰত সাজি লোৱা হয় আৰু প্ৰশ্নসমূহৰ উত্তৰ কেনেকৈ দিব লাগে সেই বিষয়ে স্পষ্ট নির্দেশনাৰ এটা সংকলন প্ৰস্তুত কৰি সংলগ্ন কৰা হয়। তাৰোপৰি, পৰীক্ষাৰ বাবে নির্ধাৰিত সময় আৰু মূল্যায়নৰ পদ্ধতি নির্ধাৰণ কৰি পৰীক্ষাৰ সৈতে সংলগ্ন কৰা হয়। এইদৰে এটা শিক্ষক-নির্মিত পৰীক্ষা নির্মাণ কৰা হয়।

শিক্ষক-নির্মিত পৰীক্ষাৰ সীমাবদ্ধতাসমূহঃ

- শ্ৰেণীকোঠাৰ শিক্ষক এজনৰ দ্বাৰা পৰীক্ষা নির্মাণ কৰাটো সময়-সাপেক্ষ আৰু ব্যয়বহুল।
- মান্যকৰণ, প্ৰশ্ন-বিশ্লেষণ আদি বৈজ্ঞানিক পদ্ধতিসমূহ এই পৰীক্ষাসমূহত অনুসৰণ কৰা নহয়।
- প্ৰতিজন শিক্ষকেই এটা ভাল বা উপযোগী পৰীক্ষা নির্মাণ কৰিব নোৱাৰে।
- এই পৰীক্ষাসমূহ কম বৈধ, কম বিশ্বাসযোগ্য আৰু বিষয়ভিত্তিক (subjective) হয়।
- এই পৰীক্ষাসমূহে কেৱল স্থানীয় প্ৰয়োজনসমূহ পূৰণ কৰিব পাৰে।
- এই পৰীক্ষাসমূহে একে ধৰণৰ পৰীক্ষাৰ মানদণ্ড বজাই ৰাখিব নোৱাৰে।

৮.৬.৩ ৰচনাধর্মী, বস্তুগত ধৰণৰ, আৰু সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষা

শিক্ষক-নির্মিত পৰীক্ষাসমূহ বিষয়বস্তু আৰু পৰীক্ষাৰ বিভিন্ন উদ্দেশ্যৰ আধাৰত বিভিন্ন ধৰণৰ হ'ব পাৰে। প্রধান প্রকাৰসমূহ তলত আলোচনা কৰা হ'লঃ

ৰচনাধর্মী পৰীক্ষা (Essay Type Tests):

ৰচনাধর্মী পৰীক্ষাসমূহ অতি জনপ্রিয় আৰু পৰম্পৰাগত ধৰণৰ পৰীক্ষা আৰু এইবোৰৰ উত্তৰ দীঘল ৰচনাৰ দৰে হয়। এই প্রশ্নসমূহে ব্যাখ্যা, উদাহৰণ দিয়া, উপস্থাপন, বিশ্লেষণ, তুলনা, যুক্তিকৰণ, সংশ্লেষণ আদি মানসিক ক্ষমতাসমূহ পৰীক্ষা কৰিব পাৰে। এই ধৰণৰ প্রশ্নসমূহ শিক্ষার্থীসকলৰ শৈক্ষিক অগ্রগতি আৰু জ্ঞানৰ গভীৰতা মূল্যায়নৰ বাবে অতি উপযোগী। কিন্তু, এই প্রশ্নসমূহ নির্মাণ আৰু প্রয়োগ কৰাটো সহজ হলেও এইবোৰত বিষয়ভিত্তিকতাৰ (subjectivity) প্রভাৱ থাকে। এই ধৰণৰ পৰীক্ষাসমূহ কম বৈধ, কম বিশ্বাসযোগ্য আৰু বিষয়ভিত্তিক বুলি ধৰা হয়।

ৰচনাধর্মী পৰীক্ষাৰ সুবিধাসমূহ:

- ৰচনাধর্মী পৰীক্ষাই শিক্ষার্থীসকলৰ ভাষা দক্ষতা পৰীক্ষা কৰিব পাৰে।
- এই পৰীক্ষাসমূহে লিখিত যোগাযোগ, প্রকাশ আৰু বুজাপৰা পৰিমাপ কৰিব পাৰে।
- ৰচনাধর্মী পৰীক্ষাই ব্যাখ্যা, উদাহৰণ, উপস্থাপন, বিশ্লেষণ, তুলনা, যুক্তিকৰণ, সংশ্লেষণ আদি মানসিক ক্ষমতাসমূহ যথাযথভাৱে পৰীক্ষা কৰিব পাৰে।
- ৰচনাধর্মী পৰীক্ষা নির্মাণ কৰাটো সহজ আৰু কম ব্যয়সাপেক্ষ।
- ৰচনাধর্মী পৰীক্ষাৰ প্রয়োগ অতি সহজ।
- এই পৰীক্ষাসমূহে শিক্ষার্থীসকলৰ মাজত গভীৰ অধ্যয়নৰ অভ্যাস বিকাশ কৰিব পাৰে।

ৰচনাধর্মী পৰীক্ষাৰ সীমাবদ্ধতাসমূহঃ

- ৰচনাধর্মী পৰীক্ষাই সমগ্র বা বৃহৎ অংশৰ বিষয়বস্তু প্রতিনিধিত্ব কৰিব নোৱাৰে, কিয়নো ইয়াৰ দৈর্ঘ্যৰ বাবে কম সংখ্যক প্রশ্নহে সোধা যায়।
- উত্তৰৰ পৰিসৰ স্পষ্ট নোহোৱাৰ বাবে পৰীক্ষার্থীসকলে অপ্রাসঙ্গিক কথা লিখিব পাৰে।
- ৰচনাধর্মী পৰীক্ষাৰ বৈধতা, বিশ্বাসযোগ্যতা আৰু বস্তুনিষ্ঠতা সন্দেহজনক।
- ভিন্ন পৰীক্ষক বা একে পৰীক্ষকে ভিন্ন সময়ত একে উত্তৰপত্রত ভিন্ন নম্বৰ প্রদান কৰিব পাৰে।
- ৰচনাধর্মী পৰীক্ষাসমূহ সময়-সাপেক্ষ।
- ৰচনাধর্মী পৰীক্ষাই জ্ঞান আৰু বুজাপৰা পৰীক্ষা কৰাৰ পৰিৱর্তে স্মৃতিৰ শক্তি অধিক পৰিমাপ কৰে।

- ৰচনাধৰ্মী পৰীক্ষাই চিন্তনৰ গতি পৰীক্ষার্থীৰ লিখাৰ গতিলৈ হ্রাস কৰে।

সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষা (Short Answer Type Tests):

এইবোৰ যথেষ্ট সংগঠিত প্রশ্ন য'ত সাধাৰণতে কেইটামান শব্দ বা বাক্যৰ ভিতৰত সংক্ষিপ্ত উত্তৰ দিব লাগে। এই প্রশ্নসমূহে বিষয়ৰ বিস্তৃত ক্ষেত্র প্রতিনিধিত্ব কৰিব পাৰে। ৰচনা বা বস্তুগত পৰীক্ষাৰ দৰে এইবোৰ অতিমাত্রা দীঘল বা অতি চুটি নহয়। বর্তমান সময়ত এই পৰীক্ষাসমূহ অতি জনপ্রিয় হৈ পৰিছে। এই প্রশ্নসমূহ অতি চিন্তাশীল হ'ব পাৰে আৰু বিষয়বস্তুৰ ক্ষেত্রত অতি নির্দিষ্টভাৱে প্রস্তুত কৰিব পৰা যায়।

সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাৰ সুবিধাসমূহ:

- সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাই বিষয়বস্তুৰ অতি বিস্তৃত অংশ প্রতিনিধিত্ব কৰিব পাৰে।
- এই পৰীক্ষাসমূহ ৰচনা-ধৰ্মী পৰীক্ষাতকৈ অধিক বৈধ আৰু বিশ্বাসযোগ্য।
- সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাসমূহ অধিক বস্তুনিষ্ঠ আৰু বিষয়ভিত্তিকতাৰ প্রভাৱ কম।
- উত্তৰৰ পৰিসৰ আৰু দৈর্ঘ্য নির্দিষ্ট থকাৰ বাবে পৰীক্ষার্থীসকলে অপ্রাসঙ্গিক উত্তৰ লিখিব নোৱাৰে।
- এই পৰীক্ষাসমূহৰ নির্মাণ, প্রয়োগ আৰু মূল্যায়ন সহজ।
- সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষা ৰচনা-ধৰ্মী আৰু বস্তুগত পৰীক্ষাৰ এটা সংমিশ্রণ।
- সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাসমূহ কম ব্যয়সাপেক্ষ।

সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাৰ সীমাবদ্ধতাসমূহঃ

- সংক্ষিপ্ত উত্তৰ ধৰণৰ পৰীক্ষাই বিষয় আলোচনা কৰাৰ পৰিসৰ সীমিত কৰে।
- এই পৰীক্ষাসমূহে প্রত্যাশিত উত্তৰৰ ধৰণ সূচিত কৰে আৰু ইয়াৰ ফলত মৌলিকতা সীমিত হয়।

বস্তুগত ধৰণৰ পৰীক্ষা (Objective Type Tests):

এই ধৰণৰ পৰীক্ষাসমূহত চুটি উত্তৰৰ প্রয়োজন হয়, যিবোৰ সাধাৰণতে এটা শব্দ, এটা বাক্যাংশ বা এটা চুটি বাক্য হয়। এই ধৰণৰ প্রশ্নসমূহত তথ্যভিত্তিক প্রশ্ন থাকে, যাৰ উত্তৰ অতি চুটি আৰু যিবোৰ স্ক'ৰিং কীৰ সহায়ত যিকোনো ব্যক্তিয়ে দ্রুত আৰু স্পষ্টভাৱে মূল্যায়ন কৰিব পাৰে। এই পৰীক্ষাসমূহক বস্তুগত বোলা হয়, কাৰণ ইয়াৰ মূল্যায়ন পদ্ধতি বস্তুনিষ্ঠ। বস্তুনিষ্ঠতা এই পৰীক্ষাসমূহৰ আটাইতকৈ ডাঙৰ শক্তি। বস্তুগত ধৰণৰ পৰীক্ষাসমূহক মূলত দুটা প্রকাৰত

ভাগ কৰিব পাৰি— **স্মৰণ ধৰণ (Recall Type) বা যোগান ধৰণ** (Supply Type) আৰু **স্বীকৃতি ধৰণ** (Recognition Type) বা **নিৰ্বাচন ধৰণ (Selection Type)**।

স্মৰণ ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ পৰীক্ষাৰ্থীয়ে নিজৰ স্মৃতিৰ পৰা দিব লাগে, সেয়েহে এইবোৰক যোগান ধৰণৰ প্ৰশ্ন বোলা হয়। স্বীকৃতি ধৰণৰ প্ৰশ্নসমূহত পৰীক্ষাৰ্থীয়ে দিয়া বিকল্পসমূহৰ মাজৰ পৰা সঠিক উত্তৰটো বাছনি কৰিব লাগে; সেয়েহে এইবোৰক নিৰ্বাচন ধৰণৰ প্ৰশ্ন বোলা হয়। স্মৰণ ধৰণৰ প্ৰশ্নসমূহ পুনৰ দুটা ভাগত বিভক্ত কৰিব পাৰি— সহজ স্মৰণ ধৰণ আৰু পূৰণ ধৰণৰ প্ৰশ্ন। সহজ স্মৰণ ধৰণৰ প্ৰশ্ন সাধাৰণতে এটা সোজা প্ৰশ্ন হিচাপে দিয়া হয়, যি এটা সৰল প্ৰশ্নসূচক বাক্যৰ ৰূপত থাকে আৰু যাৰ উত্তৰ এটা শব্দ বা চুটি বাক্যত দিব লাগে। এই ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ পৰীক্ষাৰ্থীয়ে নিজৰ স্মৃতিৰ পৰা যোগান ধৰিব লাগে।

সহজ স্মৰণ ধৰণৰ প্ৰশ্নৰ দুটা উদাহৰণ তলত দিয়া হ'লঃ

উদাহৰণ: প্ৰশ্ন ১. ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি কোন আছিল?

উদাহৰণ: প্ৰশ্ন ২. "Educare" শব্দটো কোন ভাষাৰ পৰা আহিছে?

পূৰণ ধৰণৰ প্ৰশ্নসমূহ এটা বাক্য হিচাপে দিয়া হয়, য'ত এটা গুৰুত্বপূৰ্ণ শব্দ বা বাক্যাংশ বাদ দিয়া থাকে।

পৰীক্ষাৰ্থীয়ে সেই শূন্যস্থানত উপযুক্ত শব্দ বা বাক্যাংশ লিখি পূৰণ কৰিব লাগে।

তাৰ দুটা উদাহৰণ তলত দিয়া হ'লঃ

উদাহৰণ: প্ৰশ্ন ১. ভাৰতৰ ৰাজধানী হৈছে _____।

উদাহৰণ: প্ৰশ্ন ২. ৰীৰপূজা _____ স্তৰৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

স্বীকৃতি ধৰণৰ প্ৰশ্নসমূহো বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। ইয়াৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰকাৰ তলত আলোচনা কৰা হ'লঃ

আটাইতকৈ জনপ্ৰিয় আৰু বহুলভাৱে ব্যৱহৃত প্ৰশ্ন ধৰণ হৈছে বিকল্প উত্তৰ ধৰণৰ (Alternate Response Type) প্ৰশ্ন।

এই প্ৰশ্নসমূহ সাধাৰণতে এটা বাক্য বা উক্তি হিচাপে দিয়া হয় আৰু উত্তৰদাতাই "হয় বা নহয়", "সত্য বা অসত্য" অথবা "✓ বা ×" দি উত্তৰ দিব লাগে।

উদাহৰণ: প্ৰশ্ন ১. মনোবিজ্ঞান আত্মাৰ বিজ্ঞান। (সত্য/অসত্য)

উদাহৰণ: প্ৰশ্ন ২. শিক্ষা এটা জীৱনজোৰা প্ৰক্ৰিয়া। (হয়/নহয়)

বহু-বিকল্প ধৰণৰ (Multiple Choice) প্ৰশ্নসমূহো আন এটা জনপ্ৰিয়, বহুল ব্যৱহৃত আৰু উৎকৃষ্ট ধৰণৰ বস্তুগত প্ৰশ্ন।

এটা বহু-বিকল্প প্রশ্ন সাধাৰণতে এটা উক্তি বা প্রশ্ন থাকে, যাৰ পিছত চাৰি বা পাঁচটা বিকল্প উত্তৰ দিয়া থাকে, যাৰ মাজৰ পৰা এটামাত্র সঠিক বা সর্বোত্তম উত্তৰটো বাছনি কৰিব লাগে।

উক্তি বা প্রশ্নখিনি "stem" বুলি কোৱা হয় আৰু বিকল্পসমূহক "options" বোলা হয় আৰু সঠিক উত্তৰটো "key" বুলি কোৱা হয়।

ভুল বিকল্পসমূহক "distracters" বুলি কোৱা হয়।

উদাহৰণঃ ভাৰতৰ ৰাজধানী চহৰৰ নাম হৈছে—

(ক) মুম্বাই

(খ) নতুন দিল্লী

(গ) কলকাতা

(ঘ) চেন্নাই

মিলোৱা ধৰণ (Matching) হৈছে আন এটা স্বীকৃতি ধৰণৰ বস্তুগত প্রশ্ন।

এই ধৰণৰ প্রশ্নত এটা তালিকাৰ বিষয়বস্তু আন এটা তালিকাৰ বিষয়বস্তুৰ সৈতে মিলাব লাগে।

প্রশ্নসমূহ দুটা স্তম্ভত সম্পর্কিত বিষয়বস্তুৰ ৰূপত দিয়া হয় আৰু পৰীক্ষার্থীক সিহঁতক মিলাবলৈ কোৱা হয়।

উদাহৰণঃ

স্তম্ভ–A	**স্তম্ভ–B**
হান্টাৰ কমিছন	১৮৫৪
কোঠাৰী কমিছন	১৯৫২
ৰাধাকৃষ্ণন কমিছন	১৮৮২
মুদালিয়াৰ কমিছন	১৯৬৪
উডছ ডিছপেচ	১৯৪৮

শ্রেণীবিভাজন (Classification) আন এটা স্বীকৃতি ধৰণৰ বস্তুগত প্রশ্ন, য'ত কিছুমান শব্দ, বাক্যাংশ, বস্তুৰ নাম বা তথ্য দিয়া হয় আৰু তাৰ মাজত এটা বাকীসমূহৰ সৈতে অসংগত বা পৃথক থাকে। পৰীক্ষার্থীয়ে সেই অসংগত বা পৃথক উপাদানটো চিনাক্ত কৰিব লাগে।

উদাহৰণ: ১. দিল্লী, মুম্বাই, ৰাজস্থান, চেন্নাই

উদাহৰণ: ২. ব্রহ্মপুত্র, যমুনা, আলাহাবাদ, কাবেৰী

সাজনি (Arrangement) হৈছে আন এটা স্বীকৃতি ধৰণৰ বস্তুগত প্রশ্ন, য'ত কিছুমান ঘটনা, তথ্য বা কোনো কার্যৰ ধাপসমূহ এলোমেলোভাবে দিয়া হয় আৰু পৰীক্ষার্থীয়ে সিহঁতক যৌক্তিক বা কালানুক্রমিক ক্রমত সাজিব লাগে।

উদাহৰণঃ ছেপ্টেম্বৰ, ফেব্রুৱাৰী, ডিচেম্বৰ, জুলাই

বস্তুগত ধৰণৰ পৰীক্ষাৰ সুবিধাসমূহ:

- বস্তুগত ধৰণৰ প্রশ্নসমূহে শিক্ষাদানৰ সকলো উদ্দেশ্য পৰিমাপ কৰিব পাৰে।
- প্রশ্নসমূহ স্পষ্ট, সোজা আৰু দ্ব্যর্থহীন।
- অধিক বৈধ, বিশ্বাসযোগ্য আৰু বস্তুনিষ্ঠ।
- মূল্যায়ন দ্রুত আৰু বস্তুনিষ্ঠ, যি যন্ত্রৰ জৰিয়তেও কৰিব পৰা যায়।
- শিক্ষার্থীসকলে অপ্রাসঙ্গিক উত্তৰ লিখিব নোৱাৰে।
- প্রয়োগ সহজ।
- বস্তুগত ধৰণৰ প্রশ্নসমূহে সমগ্র বিষয়বস্তু বা পাঠ্যক্রম আৱৰি ধৰিব পাৰে।

বস্তুগত ধৰণৰ পৰীক্ষাৰ সীমাবদ্ধতাসমূহঃ

- বস্তুগত ধৰণৰ প্রশ্নসমূহ নির্মাণ কৰাটো জটিল আৰু ব্যয়বহুল।
- এইবোৰে মূলত তথ্যভিত্তিক জ্ঞান পৰিমাপ কৰে, বুজাপড়া নহয়।
- পৰীক্ষার্থীয়ে অনুমান কৰি সঠিক উত্তৰ দিব পাৰে।
- বস্তুগত প্রশ্নসমূহে গভীৰ অধ্যয়নৰ আগ্রহ আৰু অভ্যাস বিকাশ কৰিব নোৱাৰে।
- ভাষাগত দক্ষতা পৰীক্ষা কৰিব নোৱাৰে।
- পৰীক্ষার্থীয়ে অসৎ উপায় ব্যৱহাৰ কৰাৰ সম্ভাৱনা অধিক।
- ব্যাখ্যা, উপস্থাপন, তুলনা, বর্ণনা আদি উচ্চস্তৰৰ মানসিক ক্ষমতা পৰীক্ষা কৰিব নোৱাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩. **নিদানমূলক পৰীক্ষা কি ?**

প্রশ্ন ৪. **শিক্ষক-নির্মিত কৃতিত্ব পৰীক্ষা কি ?**

প্রশ্ন ৫. **বস্তুগত ধৰণৰ পৰীক্ষা কি ?**

৮.৬.৪ মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নির্মিত পৰীক্ষাৰ মাজৰ পার্থক্য

যদিও মান্যকৃত আৰু শিক্ষক-নির্মিত কৃতিত্ব পৰীক্ষাৰ মুখ্য উদ্দেশ্য একে, তথাপিও ইয়াৰ নির্মাণ, প্রয়োগ আৰু মূল্যায়ন পদ্ধতিত গুৰুত্বপূর্ণ পার্থক্য আছে।

এনে কিছুমান গুৰুত্বপূর্ণ পার্থক্য তলত দিয়া হ'লঃ

মান্যকৃত পৰীক্ষা	**শিক্ষক-নির্মিত পৰীক্ষা**
মান্যকৃত পৰীক্ষা, পৰীক্ষা বিশেষজ্ঞসকলৰ দ্বাৰা নির্মাণ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষা শ্রেণীকোঠাৰ শিক্ষকসকলৰ দ্বাৰা নির্মাণ কৰা হয়
মান্যকৃত পৰীক্ষা অতি বৃহৎ নমুনাত মান্যকৰণ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষা মান্যকৰণ কৰা নহয়; কেৱল এটা শ্রেণীৰ শিক্ষার্থীৰ বাবে প্রস্তুত কৰা হয়
মান্যকৃত পৰীক্ষাত কেৱল বস্তুগত ধৰণৰ প্রশ্ন অন্তর্ভুক্ত থাকে	শিক্ষক-নির্মিত পৰীক্ষাত বস্তুগত আৰু বিষয়ভিত্তিক (subjective) দুয়ো ধৰণৰ প্রশ্ন থাকিব পাৰে
মান্যকৃত পৰীক্ষা চাৰিটা পর্যায় অতিক্রম কৰে— পৰিকল্পনা, প্রস্তুতি, চেষ্টা (try out) আৰু মূল্যায়ন	শিক্ষক-নির্মিত পৰীক্ষা মাত্র দুটা পর্যায়— পৰিকল্পনা আৰু প্রস্তুতি অতিক্রম কৰে
মান্যকৃত পৰীক্ষাত বৈধতা আৰু বিশ্বাসযোগ্যতাৰ সূচকসমূহ নির্ধাৰণ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষাত বৈধতা আৰু বিশ্বাসযোগ্যতা নির্ধাৰণৰ পৰিৱর্তে বিষয়বস্তু আৱৰণৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়
মান্যকৃত পৰীক্ষাত প্রশ্ন-উপাদান নির্বাচনৰ বাবে প্রশ্ন-বিশ্লেষণ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষাত প্রশ্ন-উপাদানৰ কোনো বিশ্লেষণ কৰা নহয়
মান্যকৃত পৰীক্ষাত নম্বৰ ব্যাখ্যা কৰিবলৈ নর্মসমূহ বিকাশ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষাত নর্ম নির্ধাৰণ কৰা নহয়, সেয়ে ব্যাখ্যা অসম্পূর্ণ থাকে
মান্যকৃত পৰীক্ষাত প্রয়োগ, মূল্যায়ন আৰু ব্যাখ্যা একে ধৰণৰ আৰু মান্য	শিক্ষক-নির্মিত পৰীক্ষাত প্রয়োগ, মূল্যায়ন আৰু ব্যাখ্যাত একৰূপতা নাথাকে
মান্যকৃত পৰীক্ষাৰ নির্মাণ জটিল আৰু ব্যয়বহুল	শিক্ষক-নির্মিত পৰীক্ষাৰ নির্মাণ সহজ আৰু কম ব্যয়সাপেক্ষ
মান্যকৃত পৰীক্ষা স্থানীয় আৰু তাৎক্ষণিক শ্রেণীকোঠাৰ উদ্দেশ্য পূৰণ নকৰিবও পাৰে	শিক্ষক-নির্মিত পৰীক্ষা শ্রেণীকোঠাৰ স্থানীয় আৰু তাৎক্ষণিক প্রয়োজন পূৰণ কৰিবলৈ নির্মাণ কৰা হয়
মান্যকৃত পৰীক্ষা দুটা ভিন্ন গোটৰ কৃতিত্ব তুলনা	শিক্ষক-নির্মিত পৰীক্ষা মান্যকৰণ নোহোৱাৰ বাবে

কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি	তুলনা কৰিব নোৱাৰি
মান্যকৃত পৰীক্ষা গৱেষণা, শিক্ষাদান, পৰামর্শ, বাছনি আৰু প্রশাসনিক কামত ব্যৱহাৰ কৰা হয়	শিক্ষক-নির্মিত পৰীক্ষা শিক্ষার্থী আৰু প্রতিষ্ঠানৰ কৃতিত্ব পৰিমাপ কৰিবলৈ ব্যৱহাৰ কৰা হয়

Ross ৰ মতে, মান্যকৃত পৰীক্ষা শিক্ষক-নির্মিত পৰীক্ষাৰ পৰা চাৰিটা গুৰুত্বপূর্ণ দিশত পৃথক—

১. বিষয়বস্তু মান্যকৃত, অর্থাৎ প্রশ্ন-উপাদানসমূহ সাৱধানতাৰে পর্যালোচনা কৰি দক্ষ নির্ণায়কসকলৰ দ্বাৰা সুসংগঠিতভাৱে নির্বাচন কৰা হয়।

২. প্রয়োগ মান্যকৃত, অর্থাৎ নির্দেশনা, সময়-সীমা আদি সাৱধানতাৰে নির্ধাৰণ কৰা হয়।

৩. মূল্যায়ন মান্যকৃত, অর্থাৎ স্কৰিং কী প্রস্তুত কৰা হয় আৰু মূল্যায়নৰ বাবে নির্দিষ্ট নিয়মসমূহ প্রণয়ন কৰা হয়।

৪. ব্যাখ্যা মান্যকৃত, অর্থাৎ ভিন্ন গোটৰ বাবে নর্মসমূহ প্রদান কৰা হয়।

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আমি তলত দিয়া ধৰণে সাৰাংশ দাঙি ধৰিব পাৰো—

- শৈক্ষিক কৃতিত্বে শিক্ষণ প্রক্রিয়াৰ সময়ত এজন ব্যক্তিয়ে অর্জন কৰা জ্ঞান, সাফল্য, বুজাপড়া, দক্ষতা, প্রদর্শন আদি বুজায়। অর্থাৎ, শিক্ষাৰ ফলত শিক্ষার্থীৰ আচৰণত হোৱা সকলো কাম্য পৰিবর্তনক শৈক্ষিক কৃতিত্ব বোলা হয়।
- শৈক্ষিক কৃতিত্ব বিদ্যালয় বিষয়সমূহৰ বাবে বিকাশ কৰা মান্যকৃত কৃতিত্ব পৰীক্ষাৰ জৰিয়তে পৰিমাপ কৰা হয়। কৃতিত্ব হৈছে এটা সুসংগঠিত পদ্ধতি, যাৰ জৰিয়তে নির্দেশনাৰ মাধ্যমে শিক্ষার্থীয়ে কিমান শিকিছে সেইটো নির্ধাৰণ কৰা হয়। তদুপৰি, শিক্ষকসকলে প্রস্তুত কৰা বিভিন্ন ধৰণৰ পৰীক্ষা আৰু পৰীক্ষণৰ জৰিয়তে বহু গুৰুত্বপূর্ণ শৈক্ষিক কৃতিত্ব পৰিমাপ কৰিব পাৰি।
- কৃতিত্ব পৰীক্ষাৰ মুখ্য উদ্দেশ্য হৈছে শিক্ষার্থীসকলে তেওঁলোকক প্রদান কৰা জ্ঞান, দক্ষতা বা অভিজ্ঞতা কিমান পৰিমাণে আয়ত্ত কৰিছে সেইটো নির্ধাৰণ কৰা। ইয়ে এজন ব্যক্তিয়ে কি আৰু কিমান শিকিছে বা দক্ষতা অর্জন কৰিছে তাক পৰিমাপ কৰে।
- যদিও কৃতিত্ব পৰীক্ষাসমূহ বিভিন্ন ধৰণে শ্রেণীবদ্ধ কৰা হৈছে, তথাপিও সকলো কৃতিত্ব পৰীক্ষাক বিস্তৃতভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি— মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নির্মিত পৰীক্ষা।

- মান্যকৃত কৃতিত্ব পৰীক্ষা হৈছে এনে এক পৰীক্ষা যাক সকলো শিক্ষার্থীৰ বাবে আৰু সকলো পৰীক্ষণ পৰিস্থিতিত একে ধৰণে প্ৰয়োগ, মূল্যায়ন আৰু ব্যাখ্যা কৰা হয়। মান্যকৃত পৰীক্ষাই পৰীক্ষাৰ প্ৰয়োগ আৰু মূল্যায়ন পদ্ধতিত একৰূপতা স্থাপন কৰে।
- মান্যকৃত কৃতিত্ব পৰীক্ষাসমূহত প্ৰস্তুতি (Readiness) পৰীক্ষা, নিদানমূলক (Diagnostic) পৰীক্ষা, আয়ত্ত (Mastery) পৰীক্ষা আৰু সাধাৰণ কৃতিত্ব পৰীক্ষা অন্তৰ্ভুক্ত। সাধাৰণ কৃতিত্ব পৰীক্ষাক পুনৰ দুটা ভাগত বিভক্ত কৰিব পাৰি— (i) সাধাৰণ কৃতিত্ব পৰীক্ষা বেটাৰী আৰু (ii) বিশেষায়িত কৃতিত্ব পৰীক্ষা।
- শিক্ষক-নিৰ্মিত পৰীক্ষাসমূহ শ্ৰেণীকোঠাৰ শিক্ষকসকলে তেওঁলোকৰ শিক্ষার্থীসকলৰ শৈক্ষিক কৃতিত্ব পৰিমাপ কৰিবলৈ স্থানীয়ভাৱে প্ৰস্তুত কৰে। এই পৰীক্ষাসমূহ ৰচনা-ধৰ্মী, সংক্ষিপ্ত উত্তৰ ধৰণ আৰু বস্তুগত ধৰণৰ পৰীক্ষা আদি বিভিন্ন ধৰণৰ হ'ব পাৰে।
- যদিও মান্যকৃত আৰু শিক্ষক-নিৰ্মিত কৃতিত্ব পৰীক্ষাৰ মুখ্য উদ্দেশ্য একে, তথাপিও বিষয়বস্তু, প্ৰয়োগ, মূল্যায়ন আৰু ব্যাখ্যাৰ ক্ষেত্ৰত এই দুয়োৰ মাজত পাৰ্থক্য আছে।

৮.৮ অধিক জানিবলৈ

- Bloom, B.S. (1956): *Taxonomy of Educational Objectives. Handbook I, Cognitive Domain,* David McKay Co. Inc, New York
- Bloom, B.S. (1976): *Human characteristics and school learning*, McGraw-Hill, New York
- Gupta, S.P. (2009): *Modern Measurement and Evaluations with Statistics*, Sharda Pustak Bhavan, Allahabad
- Pradhan Hemant (1996): *Essentials of Educational Measurement, Evaluation and Statistics,* Saha Publishers and Distributers, Sambalpur
- Stanley & Hopkins (1966): *Education and Psychological Measurement and Evaluation,* Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey
- Kelley, T. L. (1927): *Interpretation of educational measurements,* Macmillan, *New York*

৮.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃকৃতিত্ব পৰীক্ষা হৈছে এনে এটা পৰীক্ষা যি প্ৰশিক্ষণ বা শিক্ষণৰ এটা নিৰ্দিষ্ট সময়ৰ পিছত এজন ব্যক্তিৰ অৰ্জন আৰু সাফল্যসমূহ পৰিমাপ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃকৃতিত্ব পৰীক্ষাৰ মুখ্য উদ্দেশ্য হৈছে শিক্ষার্থীসকলে তেওঁলোকক প্ৰদান কৰা জ্ঞান, দক্ষতা বা অভিজ্ঞতা কিমান পৰিমাণে আয়ত্ত কৰিছে সেইটো নিৰ্ধাৰণ কৰা।

৩ নং প্ৰশ্নৰ উত্তৰঃনিদানমূলক পৰীক্ষা হৈছে এনে এটা পৰীক্ষা যি কোনো বিষয়, ক্ষেত্ৰ বা দক্ষতাৰ ওপৰত শিক্ষাৰ্থীসকলৰ বুজাপড়াৰ সৈতে সৈতে তেওঁলোকৰ নিৰ্দিষ্ট শক্তি আৰু দূৰ্বলতা মূল্যায়ন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃশিক্ষক-নিৰ্মিত কৃতিত্ব পৰীক্ষা হৈছে এনে এটা পৰীক্ষা যি শ্ৰেণীকোঠাৰ শিক্ষক এজনে স্থানীয়ভাৱে তেওঁলোকৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক কৃতিত্ব পৰিমাপ কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃবস্তুগত ধৰণৰ পৰীক্ষা হৈছে এনে এটা পৰীক্ষা য'ত প্ৰশ্নসমূহৰ উত্তৰ সাধাৰণতে এটা শব্দ, এটা বাক্যাংশ বা এটা বাক্যৰ ভিতৰত দিব লাগে। এই প্ৰশ্নসমূহত তথ্যভিত্তিক বিষয় থাকে আৰু এইবোৰ বস্তুনিষ্ঠভাৱে, দ্ৰুত আৰু স্পষ্টভাৱে মূল্যায়ন কৰিব পাৰি।

? ৮.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. **শৈক্ষিক কৃতিত্ব কি?**

প্ৰশ্ন ২. **শৈক্ষিক কৃতিত্ব কেনেকৈ পৰিমাপ কৰিব পাৰি?**

প্ৰশ্ন ৩. **মান্যকৃত কৃতিত্ব পৰীক্ষাৰ সংজ্ঞা দিয়ক।**

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. **মান্যকৃত কৃতিত্ব পৰীক্ষাৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰক।**

প্ৰশ্ন ২. **শিক্ষক-নিৰ্মিত কৃতিত্ব পৰীক্ষাৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰক।**

প্ৰশ্ন ৩. **বস্তুগত ধৰণ আৰু ৰচনা-ধৰ্মী পৰীক্ষাৰ উপাদানসমূহৰ তুলনামূলক সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰক।**

প্ৰশ্ন ৪. **মান্যকৃত পৰীক্ষা আৰু শিক্ষক-নিৰ্মিত পৰীক্ষাৰ মাজত পাৰ্থক্য দেখুৱাওক।**

*****

অধ্যায় ৯ : বুদ্ধি পৰীক্ষা আৰু ইয়াৰ পৰিমাপণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বুদ্ধিৰ অর্থ আৰু সংজ্ঞা
৯.৪ বুদ্ধি বিষয়ক তত্ত্বৰোৰৰ এক চমু অৱলোকন
৯.৫ বুদ্ধিৰ পৰিমাপণ
৯.৫.১ বুদ্ধি পৰীক্ষাৰ প্ৰকাৰ
৯.৫.২ বুদ্ধি পৰীক্ষাৰ ব্যৱহাৰ
৯.৬ এটা বুদ্ধি পৰীক্ষা প্ৰস্তুত কৰাৰ পদ্ধতি
৯.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- বুদ্ধিৰ অর্থ আৰু প্ৰকৃতি বুজি পাব।
- বুদ্ধি বিষয়ক বিভিন্ন তত্ত্ব ব্যাখ্যা কৰিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ বুদ্ধি পৰীক্ষা বিশ্লেষণ কৰিব পাৰিব।
- বুদ্ধি পৰীক্ষাৰ ব্যৱহাৰ সম্পর্কে অৱগত হ'ব।
- বুদ্ধি পৰীক্ষা প্ৰস্তুত কৰাৰ কার্যকলাপবোৰৰ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

বুদ্ধি হৈছে এক বিশেষ মানসিক গুণ। ই ব্যক্তিৰ আন সকলো মানসিক সামর্থ্যৰ উৎস বা আধাৰ হিচাপে বিবেচিত হয়। যিকোনো কামত মানুহে লাভ কৰা সফলতা বা কার্যদক্ষতা বহুলাংশে বুদ্ধিনির্ভৰ। সকলোৱে জানে যে ব্যক্তিভেদে বুদ্ধিৰ স্তৰ ভিন্ন ভিন্ন হয়। কোনো এটা সুনির্দিষ্ট কামৰ বাবে প্ৰয়োজন হোৱা ব্যক্তিৰ কার্যদক্ষতাৰ মূল্যায়নৰ সময়ত বুদ্ধিক এক মূল আধাৰ হিচাপে গ্ৰহণ কৰা হয়। শিক্ষাবিজ্ঞানত বুদ্ধি (Intelligence) হৈছে সফলতাৰ ভিত্তিত ব্যক্তিভেদে পার্থক্য সৃষ্টি কৰা এটা অতি

গুৰুত্বপূৰ্ণ কাৰক। সেয়েহে বুদ্ধি পৰিমাপণ কেৱল মনোবিজ্ঞানীৰ বাবেই নহয়, সাধাৰণ ব্যক্তিৰ বাবেও ই অতি গুৰুত্বপূৰ্ণ। এই কাৰণতেই মনোবিজ্ঞান ক্ষেত্ৰখন বুদ্ধি পৰিমাপণ সম্পৰ্কীয় গৱেষণাৰে সমৃদ্ধ হৈ আছে। এই গৱেষণাসমূহৰ সহায়ত বুদ্ধিৰ প্ৰকৃতি বুজিবলৈ আৰু বুদ্ধি অধিক নিখুঁতভাৱে জোখাৰ বিভিন্ন আহিলা বিকশিত কৰাৰ প্ৰয়াস কৰা হৈছে। এই অধ্যায়টোত বুদ্ধি পৰিমাপণৰ সম্পূৰ্ণ পৰিচয় উপস্থাপন কৰাৰ লগতে বুদ্ধি পৰীক্ষাৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰা হ'ব।

৯.৩ বুদ্ধিৰ অর্থ আৰু সংজ্ঞা

বুদ্ধি (Intelligence) হ'ল এক বহুমুখী সাধাৰণ মানসিক সামৰ্থ। ই ব্যক্তিৰ সকলো মনোদৈহিক সংৰচনা, শক্তি আৰু সামৰ্থ্যক প্ৰভাৱিত কৰে। এই মানসিক বৈশিষ্ট্যটো আপেক্ষিকভাৱে স্থায়ী। বুদ্ধিয়ে ব্যক্তিৰ সকলো মানসিক কাৰ্য-সম্পাদন প্ৰক্ৰিয়া তথা আচৰণ নিৰ্ধাৰণ, নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। বুদ্ধিৰ কাৰণেই ব্যক্তিৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। বুদ্ধিৰ প্ৰকৃতি আৰু পৰিমাপণ পদ্ধতি সম্পৰ্কে বিস্তৃত অধ্যয়ন কৰা পণ্ডিত আলফ্ৰেড বিনেটৰ মতে, বুদ্ধিত এক প্ৰকাৰৰ মৌলিক বৈশিষ্ট্য থাকে; এই বৈশিষ্ট্যৰ সংশোধন বা ইয়াৰ অনুপস্থিতিৰ ফলতেই ব্যক্তিভেদে বুদ্ধিৰ পাৰ্থক্য দেখা যায়। বুদ্ধি ব্যৱহাৰিক জীৱনৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। এই বৈশিষ্ট্যটো হৈছে ব্যক্তিৰ বিচাৰ ক্ষমতা (Judgement)। ইয়াক উচিত বিবেচনা শক্তি (Good Sense), ব্যৱহাৰিক জ্ঞান (Practical Sense), উদ্যোগ (Initiative) আৰু পৰিৱেশ-পৰিস্থিতিৰ সৈতে খাপ খাব পৰা গুণ (The faculty of adapting oneself to circumstances) আদি নামেৰেও জনা যায়।

জীৱনৰ ভিন্নধৰ্মী আৰু নতুন পৰিস্থিতিৰ সৈতে খাপ খাব পৰা সামৰ্থ্যকে বুদ্ধি বুলি ধৰা হয়। মানুহে দৈনন্দিন জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধান কৰিব পৰা ক্ষমতাই হ'ল বুদ্ধি। ই হৈছে মানুহৰ বিমূৰ্ত চিন্তা কৰিব পৰা আৰু শিখন সামৰ্থ্য। বুদ্ধিয়ে মানুহক নতুন প্ৰয়োজনীয়তা, পৰিস্থিতি বা পৰিৱেশৰ সৈতে সন্তোষজনকভাৱে খাপ খাই পৰাত সহায় কৰে। বুদ্ধিক মানুহৰ মনো-শাৰীৰিক গাঁথনিত নিহিত এটা একক তথা অনন্য বৈশিষ্ট্যৰ সমষ্টি বুলিও ধৰা যায়। এই সমষ্টিটোৱে ব্যক্তিৰ আচাৰ-আচৰণ, চিন্তাৰ গতি-প্ৰকৃতি, অভ্যাস আৰু চাৰিত্ৰিক দিশ নিৰ্ধাৰণ কৰাৰ লগতে এইবোৰৰ জৰিয়তে আত্মপ্ৰকাশো কৰে।

অৱশ্যে বুদ্ধিৰ সংজ্ঞা সম্পৰ্কে মনোবিজ্ঞানীসকলৰ মাজত যথেষ্ট মতানৈক্য আছে। বিভিন্ন পণ্ডিতে বুদ্ধিৰ বিভিন্ন ব্যাখ্যা আগবঢ়াইছে। বুদ্ধিৰ কোনো সৰ্বজনগ্ৰাহ্য সংজ্ঞা নাই। তলত বুদ্ধি সম্পৰ্কে প্ৰচলিত কেইটামান গুৰুত্বপূৰ্ণ মতামত উল্লেখ কৰা হ'ল।

এনাচ্টাচি (Anastasi)ৰ মতে, "বুদ্ধি একক আৰু ঐকিক (single and unitary) সামৰ্থ নহয়। আচলতে ই বিভিন্ন প্ৰকাৰ্য (function)ৰ এক সংমিশ্ৰণ। কোনো এক নিৰ্দিষ্ট সংস্কৃতিৰ পৰিধিৰ

ভিতৰত অস্তিত্ব বৰ্তাই ৰখা তথা অগ্রগতিৰ বাবে আৱশ্যকীয় সামর্থৰ মিশ্রিত সামর্থৰ সমষ্টিটোকে বুদ্ধি বোলে।"

এম. এণ্ডাৰচন (M. Anderson)ৰ মতে বুদ্ধি হ'ল "মনৰ সেইটো দিশ য'ত ব্যক্তিৰ চিন্তা কৰিব পৰা সামর্থ, নতুন সমস্যা সমাধান কৰিব পৰা দক্ষতা, যুক্তিসংগতভাৱে বিচাৰ কৰাৰ ক্ষমতা আৰু পৃথিৱী সম্পর্কীয় জ্ঞান নিহিত থাকে।"

ডব্লিউ. ভি. বিংহাম (W.B. Bingham)ৰ ভাষাত, "বুদ্ধি বোলা অভিধাটো আমি জীৱিত প্রাণী এটাৰ নতুন সমস্যা সমাধান কৰিব পৰা সামর্থ্যৰ কথা বুজাবলৈ ব্যৱহাৰ কৰিব পাৰো।"

এচ. এচ. ক'লভিন্ (S.S. Celvin)ৰ মতে, "ব্যক্তিয়ে যি শিকিলে অথবা যি শিকিব পাৰে তাৰ আধাৰত বুদ্ধিৰ গৰাকী হয় আৰু বুদ্ধিৰ সহায়ত তেওঁ নিজৰ চৌপাশৰ পৰিৱেশৰ সৈতে খাপ খাই পৰে।"

ডব্লিউ. ফ্রীমেন (W. Freeman)এ প্রকাশ কৰা মত অনুসৰি বুদ্ধি হ'ল "ব্যক্তিয়ে তেওঁৰ সম্পূর্ণ পৰিৱেশত খাপ খাব পৰা অথবা পৰিৱেশ-পৰিস্থিতি গ্রহণ কৰিব পৰা বা এনে পৰিৱেশৰ কিছুমান সীমিত দিশত মিলি যাব পৰা সামর্থ্যকে বুদ্ধি বুলি কোৱা হয়। বুদ্ধি হৈছে নতুন পৰিস্থিতিত অধিক ফলপ্রসূভাৱে আৰু যথোপযুক্ত ধৰণে কাম কৰিবলৈ নিজৰ আচৰণসমূহৰ ৰেহ-ৰূপ পুনঃসংগঠিত কৰি ল'ব পৰা ব্যক্তিৰ সামর্থ্য। ব্যক্তিৰ শিকাৰ সামর্থ্যই বুদ্ধি। এগৰাকী ব্যক্তিক যি পর্যায়লৈ শিকাব পাৰি, তেওঁৰ বুদ্ধি সিমানখিনিয়েই বুলি ধৰা হয়। বুদ্ধি হৈছে মানুহৰ বিমূর্ত চিন্তা আগবঢ়াই নিব পৰা সামর্থ্য। ধাৰণা আৰু প্রতীকসমূহৰ ফলপ্রসূ ব্যৱহাৰ কৰি কোনো সমস্যা সমাধানৰ পথ উলিয়াব পৰাকে বুদ্ধি বুলি কোৱা হয়।"

এইছ. গার্ডনৰ (H. Gardner)ৰ মতে, "এক অথবা একাধিক সাংস্কৃতিক পৃষ্ঠভূমিৰ ভিতৰত মোল থকা সমস্যা সমাধানকাৰী অথবা কোনো সামগ্রী সৃষ্টিকাৰী মানৱ সামর্থই হ'ল বুদ্ধি।"

ষ্টোডার্চ (Stoddard)ৰ ভাষাত বুদ্ধি হ'ল, (ক) অসুবিধা, (খ) জটিলতা, (গ) বিমূর্ততা, (ঘ) আর্থিক সমস্যা, (ঙ) কোনো লক্ষ্যত খাপ খাই চলিব পৰা মানসিকতা, (চ) সামাজিক প্রমূল্য আৰু (ছ) মৌলিক বৈশিষ্ট্যৰ সমস্যাৰ উত্থান আদি বিশেষত্ব থকা কার্য-কলাপ গ্রহণ তথা সম্পাদন কৰিব পৰা সামর্থ্যই হ'ল বুদ্ধি। বুদ্ধিসম্পন্ন ব্যক্তিয়ে এনে কার্য-কলাপসমূহ শক্তি প্রয়োগৰ প্রয়োজন থকা আৰু আৱেগিক প্রভাৱক প্রতিৰোধ কৰিবলগীয়া পৰিস্থিতিতো অবিৰতভাৱে আগবঢ়াই লৈ যায়।"

বুদ্ধিৰ বিস্তৃত ব্যাখ্যা আগবঢ়োৱা পণ্ডিত ডি. ৱেশ্বলাৰ (D. Wechsler)ৰ মতে, "বুদ্ধি হ'ল ব্যক্তিৰ উদ্দেশ্যপূর্ণভাৱে কাম কৰিব পৰা, যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা আৰু নিজৰ পৰিৱেশৰ সৈতে ফলপ্রসূভাৱে মোকাবিলা কৰিব পৰা সর্বমুঠ অথবা সার্বজনীন সামর্থ্য।"

বুদ্ধিৰ বিভিন্ন সংজ্ঞা আৰু দৃষ্টিভংগী বিশ্লেষণ কৰি ই. বোৰিং (E. Boring) এ কৈছে যে, "বুদ্ধি পৰীক্ষাৰ দ্বাৰা পৰিমাপ কৰিব পৰা সামর্থ্যকেই বুদ্ধি বুলি কোৱা হয়।"

ওপৰত উল্লেখ কৰা বুদ্ধি সম্পৰ্কীয় সংজ্ঞা আৰু মতামতবোৰৰ পৰা এয়া স্পষ্ট হয় যে বুদ্ধিৰ সংজ্ঞা বা প্ৰকৃতি নিৰূপণত মনোবিজ্ঞানীসকলৰ মাজত মতানৈক্য আছে। বিভিন্ন সংজ্ঞা বিশ্লেষণ কৰাৰ অন্তত বুদ্ধিক তলত দিয়া সামৰ্থসমূহৰ এক সংমিশ্রিত ৰূপ বুলি ক'ব পাৰি।

- মানসিক অথবা প্ৰজ্ঞাত্মক সামৰ্থ্য
- নতুন পৰিস্থিতিত খাপ খাব পৰা সামৰ্থ্য
- শিকাৰ সামৰ্থ্য
- বিমূৰ্ত চিন্তা অবিৰত ৰখাৰ সামৰ্থ্য
- সমস্যা সমাধান কৰাৰ সামৰ্থ্য
- অন্তর্নিহিত আৰু আহৰণ কৰা সামৰ্থ্য

৯.৪ বুদ্ধি বিষয়ক তত্ত্ববোৰৰ এক চমু অৱলোকন

বুদ্ধি বিষয়ক অসংখ্য তত্ত্ব আছে। কিন্তু বুদ্ধিৰ প্ৰকৃতি সম্পৰ্কে সহমত পোষণ কৰা তত্ত্ব খুব কম। প্ৰতিটো তত্ত্বই বুদ্ধিক ভিন্ন ভিন্ন দৃষ্টিভংগীৰে বিশ্লেষণ কৰিছে। তত্ত্বসমূহৰ মাজত প্ৰায়েই পৰস্পৰ বিৰোধিতা দেখা যায়। তলত দুটামান গুৰুত্বপূৰ্ণ তত্ত্বৰ চমু অৱলোকন আগবঢ়োৱা হ'ল—

বৈশিষ্ট্য তত্ত্বঃ বুদ্ধিৰ প্ৰকৃতি ব্যাখ্যা কৰা এটা প্ৰাচীন তত্ত্ব। অষ্টাদশ আৰু ঊনবিংশ শতিকাত এই তত্ত্ব অতি জনপ্রিয় আছিল। এই তত্ত্ব অনুসৰি মানৱ মন বিভিন্ন বৈশিষ্ট্য (faculties)ৰ সমষ্টি। মানুহে চিন্তা কৰিব পাৰে, মনত ৰাখিব পাৰে, যুক্তিৰে বিবেচনা কৰিব পাৰে, কল্পনা কৰিব পাৰে আদি। এই বৈশিষ্ট্যসমূহ পৰস্পৰৰ পৰা স্বতন্ত্র। নেৰানেপেৰা অনুশীলনৰ দ্বাৰা এই বৈশিষ্ট্যসমূহক প্ৰশিক্ষণ দিব আৰু তীক্ষ্ণ কৰিব পাৰি।

স্পীয়াৰমেনৰ দ্বি-কাৰক তত্ত্বঃ ১৯০৪ চনত চার্লছ স্পীয়াৰমেনে এই তত্ত্বটো আগবঢ়াইছিল। তেওঁ কৈছিল যে মানুহৰ বৌদ্ধিক সামৰ্থ্যত দুটা কাৰক থাকে। এটা হ'ল সাধাৰণ সামৰ্থ্য বা উমৈহতীয়া সামৰ্থ্য, যাক 'G' ফেক্টৰ বুলি কোৱা হয়। আনটো কাৰক হ'ল নির্দিষ্ট সামৰ্থ্য, যাক 'S' ফেক্টৰ বুলি কোৱা হয়। G ফেক্টৰ হ'ল সার্বজনীন আৰু জন্মগত সামৰ্থ্য। ব্যক্তি যিমানেই অধিক G ফেক্টৰৰ অধিকাৰী হ'ব, সিমানেই জীৱনত অধিক সফলতা লাভ কৰিব। আনহাতে, 'S' ফেক্টৰ জন্মগত নহয়; ইয়াক অভিজ্ঞতা আৰু অনুশীলনৰ দ্বাৰা আহৰণ কৰা হয়। একেজন ব্যক্তিৰ ক্ষেত্রতে ভিন্ন ভিন্ন কার্যকলাপ অনুসৰি S ফেক্টৰৰ প্ৰভাৱো ভিন্ন ভিন্ন হ'ব পাৰে।

থ'র্নডাইকৰ বহু-কাৰক তত্ত্বঃ থ'র্নডাইকে বুদ্ধিৰ বহু-কাৰক তত্ত্বটো আগবঢ়াইছিল। তেওঁৰ মতে সাধাৰণ সামৰ্থ ববুলি কোনো কথা নাই। তেওঁ কৈছিল যে প্ৰতিটো মানসিক কার্যকলাপৰ বাবে বিভিন্ন সামৰ্থৰ সমষ্টি একোটাৰ প্রয়োজন হয়। তেওঁ বুদ্ধিৰ চাৰিটা প্ৰধান বৈশিষ্ট্য চিনাক্ত কৰিছিল। বৈশিষ্ট্যকেইটা হ'ল—

- স্তৰ : কোনো কাম সমাধা কৰাৰ সময়ত উদ্ভৱ হোৱা সমস্যাৰ স্তৰ।
- ব্যাপ্তি : সমস্যাৰ যিকোনো প্ৰদত্ত মাত্ৰা এটাত কৰিবলগীয়া হোৱা কামৰ সংখ্যা।
- ক্ষেত্ৰ : ব্যক্তিয়ে সঁহাৰি জনাবলৈ সক্ষম হোৱা সমস্যাৰ প্ৰতিটো স্তৰতে উদ্ভৱ হোৱা পৰিস্থিতিৰ মুঠ সংখ্যা।
- গতি : ব্যক্তিয়ে এই উপাদানবোৰৰ প্ৰতি সঁহাৰি জনোৱাৰ দ্ৰুততা।

প্ৰাথমিক মানসিক সামৰ্থ্য অথবা দলীয় কাৰক তত্ত্বঃ এই তত্ত্বটোৰ মতে বুদ্ধি অসংখ্য উচ্চমানৰ নিৰ্দিষ্ট কাৰকৰ সমষ্টিৰে গঠিত নহয়। ই মানুহৰ সকলো ধৰণৰ মানসিক কাৰ্যকলাপ পৰিচালনা কৰা সাধাৰণ কাৰকৰো প্ৰকাশ নহয়। ইয়াৰ পৰিৱৰ্তে বুদ্ধি হৈছে মানসিক সামৰ্থৰ গোট কিছুমানেৰে নিৰ্মিত এক সক্ষমতা। এই তত্ত্বটোৱে কয় যে কিছুমান নিৰ্দিষ্ট মানসিক কাৰ্যৰ এটা উমৈহতীয়া 'প্ৰাথমিক' কাৰক থাকে। এই কাৰকটোৱে সেই কাৰ্যসমূহক মনোবৈজ্ঞানিক আৰু প্ৰকাৰ্যমূলক ঐক্য প্ৰদান কৰে। এই ঐক্যই সেই কাৰ্যসমূহক অন্যান্য মানসিক কাৰ্যৰ পৰা পৃথক কৰে। উমৈহতীয়া কাৰক থকা মানসিক কাৰ্যসমূহে এটা গোট বা দল গঠন কৰে। মানুহ মানসিক সামৰ্থৰ বিভিন্ন গোটেৰে সমৃদ্ধ। প্ৰতিটো গোটৰ নিজস্ব প্ৰাথমিক কাৰক এটা থাকে। এই কাৰকটোৰ বাবে প্ৰতিটো দল বা গোটে এক প্ৰকাৰ্যমূলক ঐক্য আৰু সামঞ্জস্য প্ৰদৰ্শন কৰে। এই প্ৰাথমিক কাৰকবোৰ আপেক্ষিকভাৱে পৰস্পৰৰ পৰা স্বতন্ত্ৰ।

এই তত্ত্বটো বিকাশ কৰা থাৰ্স্টনে ছটা প্ৰাথমিক কাৰকৰ এখন তালিকা দিছে।

- **সংখ্যা কাৰক (N) :** ইয়াৰ বাবে ব্যক্তিয়ে দ্ৰুত আৰু নিৰ্ভুলভাৱে সাংখিক গণনা কৰিব পাৰে।
- **মৌখিক কাৰক (V) :** ইয়াৰ বাবে ব্যক্তিয়ে কোৱা কথা বুজি পায় অথবা কথা বুজাব পাৰে।
- **স্থান কাৰক (S) :** ইয়াৰ বাবে ব্যক্তিয়ে স্থানত কাল্পনিকভাৱে বস্তুবোৰ কৌশলপূৰ্ণতাৰে বহুৱাব পাৰে।
- **স্মৃতি (M) :** ইয়াৰ বাবে ব্যক্তিয়ে কথা সোনকালে মনত ৰাখিব পাৰে।
- **শব্দ স্বাচ্ছন্দ্য (W) :** ইয়াৰ বাবে ব্যক্তিয়ে দ্ৰুত গতিত বিচ্ছিন্ন শব্দবোৰ মনলৈ আনি ব্যৱহাৰ কৰিব পাৰে।
- **যুক্তিযুক্ততা (R) :** ইয়াৰ বাবে ব্যক্তিয়ে বৰ্ণৰ শৃংখলা নাইবা গোট এটাৰ সৈতে জড়িত নীতি-নিয়ম অথবা সেইবোৰ সজোৱাৰ উপায় আৱিষ্কাৰ কৰিব পাৰে।

গিলফ'ৰ্ডৰ বুদ্ধিৰ সংৰচনাৰ আৰ্হি (Structure of Intellect Model) অনুসৰি তেওঁ এটা ত্ৰিমাত্ৰিক বুদ্ধিৰ সংৰচনাৰ আৰ্হি উপস্থাপন কৰিছিল। তেওঁৰ মতে মানুহে কৰা প্ৰতিটো বৌদ্ধিক সামৰ্থ্যজড়িত কামকে তিনিটা দিশেৰে বিশ্লেষণ কৰিব পাৰি— (১) কামটোৰ অন্তৰ্নিহিত উপাদান (Content), (২) কামটোত প্ৰয়োগ হোৱা মানসিক কাৰ্য (Operation) আৰু (৩) সেই কাৰ্যৰ ফলাফল (Product)। তেওঁ উপাদানসমূহক পুনৰ পাঁচটা শিতানত ভাগ কৰিছিল— দৰ্শনসাধ্য (Visual), শ্ৰৱণসাধ্য (Auditory), প্ৰতীকি (Symbolic), অৰ্থসম্বন্ধীয় (Semantic) আৰু আচৰণভিত্তিক

(Behavioural)। আকৌ, গিলফ'ৰ্ডৰ মতে মানসিক কার্যসমূহো পাঁচ প্রকাৰৰ— প্রজ্ঞাত্মক (Cognition), স্মৃতি প্রতিধাৰণ (Memory retention), স্মৃতি অভিলেখীকৰণ (Memory recording), অপসাৰী উৎপাদন (Divergent production), এককেন্দ্রিক উৎপাদন (Convergent production) আৰু মূল্যায়ন (Evaluation)। তেওঁ ফলাফল বা উৎপাদককো ছটা শিতানত ভাগ কৰিছিল— একক (Units), শ্রেণী (Classes), সম্পর্ক (Relations), ব্যৱস্থা (Systems), ৰূপান্তৰ (Transformations) আৰু নিহিতার্থ (Implications)।

বুদ্ধিৰ শ্রেণীক্রমৱদ্ধ তত্ত্বঃ চিৰিল বার্ট (Cyril Burt) আৰু ভের্নন (Vernon)এ বুদ্ধিৰ এই তত্ত্বটো আগবঢ়াইছিল। তেওঁলোকে বুদ্ধি গঠনকাৰী কাৰকসমূহক উচ্চৰ পৰা নিম্ন শ্রেণীক্রমত সজাইছিল। একেবাৰে শীর্ষত থাকে 'G' কাৰক বা সাধাৰণ প্রজ্ঞাত্মক কাৰক। তাৰ পাছত দুটা বহল বৈশিষ্ট্যৰ দলীয় কাৰক থাকে। এইবোৰে মৌখিক-শৈক্ষিক (v : ed) আৰু ব্যৱহাৰিক-যান্ত্রিক (k : m) মনোভাৱক সূচায়। এই প্রধান কাৰকসমূহ পুনৰ বিভিন্ন উপ-শাখাত বিভক্ত কৰিব পাৰি। মৌখিক-শৈক্ষিক কাৰকসমূহক মৌখিক (Verbal) আৰু সাংখিক (Numerical) উপ-শাখাত ভাগ কৰা হয়। ব্যৱহাৰিক-যান্ত্রিক কাৰকসমূহৰ উপ-শাখাবোৰ হ'ল— তথ্য (Information), স্থানিক (Spatial) আৰু মনো-অংগসঞ্চালন (Psychomotor) সামর্থ্য। এই শ্রেণীক্রমৰ একেবাৰে নিম্নস্তৰত বিশেষ কাৰকসমূহ থাকে। বুদ্ধিৰ এই শ্রেণীক্রম সজ্জাটোৰ ৰেখাচিত্র অংকন কৰিলে ই ওলোটা আকৃতিৰ বংশবৃক্ষ (Inverted genealogical tree)ৰ দৰে দেখা যায়। ইয়াৰ শীর্ষত 'G' কাৰক আৰু নিম্নস্তৰত 'S' কাৰকসমূহ থাকে। মাজত ক্রমশঃ সংকীর্ণ হৈ যোৱা বিভিন্ন দলীয় কাৰকসমূহ থাকে। ভের্ননৰ তত্ত্বটো স্পীয়াৰমেনৰ দ্বি-কাৰক তত্ত্ব আৰু থর্নডাইকৰ বহু-কাৰক তত্ত্বৰ মাজৰ এক মধ্যৱর্তী ৰূপ বুলি ধৰা হয়।

কেটেল্‌ৰ তৰল আৰু স্ফটিকভাৱে ঘটা বুদ্ধি তত্ত্বঃ আৰ. বি. কেটেলৰ মতে বুদ্ধি দুই প্রকাৰৰ— তৰল বুদ্ধি আৰু স্ফটিকভৱন ঘটা বুদ্ধি। তৰল বুদ্ধি হৈছে মূলতঃ আনুবংশিকভাৱে লাভ কৰা সামর্থ্য। আনহাতে স্ফটিকভৱন ঘটা বুদ্ধি হৈছে ব্যক্তিৰ চৌপাশৰ পৰিৱেশে গঢ় দিয়া বৈশিষ্ট্য। তৰল বুদ্ধিক বিভিন্ন ক্ষেত্রত সাধাৰণ বুদ্ধি বুলি গণ্য কৰা হয়। স্ফটিকভৱন ঘটা বুদ্ধি হৈছে কিছুমান নির্দিষ্ট ক্ষেত্রত ক্রিয়াশীল হোৱা বুদ্ধি। ইয়াৰ এটা উদাহৰণ হৈছে বিদ্যালয়ত শিকাৰ প্রক্রিয়া। তৰল বুদ্ধিৰ সহায়ত মানুহে নতুন পৰিস্থিতিত খাপ খাবলৈ প্রয়োজনীয় কাম কৰিব পাৰে। আনহাতে স্ফটিকভৱন ঘটা বুদ্ধিৰ সহায়ত মানুহে স্থিৰ অভ্যাসত পৰিণত হোৱা কামবোৰ সম্পাদন কৰে। এই দুয়োটা কাৰক পৃথক বৈশিষ্ট্যসম্পন্ন হ'লেও দুয়োটাৰ মাজত আন্তঃসম্পর্ক বিদ্যমান।

গার্ডেনাৰৰ বহু-বুদ্ধি তত্ত্বঃ হাৱার্ড গার্ডেনাৰ (Howard Gardner)এ মানৰ বুদ্ধি সম্পর্কে এক নতুন আৰু ব্যতিক্রম দৃষ্টিভংগী উপস্থাপন কৰিছিল। তেওঁৰ বিকশিত বহু-বুদ্ধি তত্ত্ব (Multiple Intelligences Theory) অনুসৰি মনৰ মাত্র এটা একক গুণ বা কাৰকৰ পৰা মানুহৰ বুদ্ধিমান আচৰণ গঢ় লৈ নুঠে। ইয়াৰ বিপৰীতে মানসিক শক্তিৰ পৃথক পৃথক লাক্ষণিক ভাণ্ডাৰ (metaphorical pool)ৰ পৰা বিভিন্ন ধৰণৰ বুদ্ধি উৎপন্ন হয়। এই ভাণ্ডাৰসমূহৰ প্রতিটোৱে মানুহক বিভিন্ন ধৰণৰ সমস্যা সমাধান

কৰাৰ উপায় দিয়ে আৰু এক বা একাধিক সাংস্কৃতিক পটভূমিত মান্য বিভিন্ন ধৰণৰ উৎপাদন কৰাত সহায় কৰে। এই তত্ত্বটোত আঠ প্ৰকাৰৰ বুদ্ধিৰ কথা কোৱা হৈছে— ভাষিক, যৌক্তিক, স্থানিক, সাংগীতিক, অংগসঞ্চালন সামৰ্থ্য, আন্তঃব্যক্তিক, অন্তৰ্ব্যক্তিক আৰু স্বভাৱজাত বুদ্ধি।

৯.৫ বুদ্ধিৰ পৰিমাপণ

ওপৰৰ আলোচনাৰ পৰা এয়া স্পষ্ট হয় যে বুদ্ধিৰ ধাৰণাটো দুৰ্বোধ্য আৰু বিমূৰ্ত প্ৰকৃতিৰ। ইয়াক কোনো ভৌতিক বা প্ৰত্যক্ষ উপায়েৰে জুখিব নোৱাৰি। আধুনিক মনোবিজ্ঞানীসকলৰ মতে, মানুহৰ আচৰণত প্ৰকট হোৱাৰ পাছতহে বুদ্ধিৰ মূল্যায়ন কৰিব পৰা যায়। এই কাৰণেই বুদ্ধি পৰীক্ষাৰ কিছুমান উপায় প্ৰস্তুত কৰা হৈছে আৰু বুদ্ধি জুখিবলৈ এই উপায়সমূহ বহুলভাৱে ব্যৱহাৰ কৰা হয়। বুদ্ধি পৰীক্ষাৰ ফলাফলৰ পৰা মানুহৰ 'বুদ্ধি সূচ্যাংক' (Intelligence Quotient/ IQ) নিৰ্ধাৰণ কৰা হয়। ইয়াকেই বুদ্ধিৰ পৰিমাপণ বুলি কোৱা হয়। অৱশ্যে এইখিনিতে মনত ৰাখিবলগীয়া যে মানুহে বহুদিন আগৰে পৰাই বিভিন্ন উপায়েৰে বুদ্ধি জোখাৰ চেষ্টা কৰি আহিছে।

মনোবিজ্ঞানীসকলে ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ পৰা মানুহৰ মানসিক সামৰ্থ্য জোখাৰ প্ৰয়াস আৰম্ভ কৰিছিল। অৱশ্যে সেই সময়ত বুদ্ধি জোখাৰ কোনো আনুষ্ঠানিকভাৱে স্বীকৃত উপায় নাছিল। সেয়েহে মানুহক যশ-খ্যাতিৰ ভিত্তিত মূল্যায়ন কৰা হৈছিল অথবা লিখিত ৰূপত স্থান পোৱা গ্ৰন্থ-উল্লেখ (Encyclopaedia entries), লাভ কৰা সন্মান আৰু বঁটা-বাহনৰ সংখ্যা অনুসৰি মানুহৰ বুদ্ধি-বৃত্তি বিচাৰ কৰা হৈছিল। সেই সময়ত বুদ্ধি বংশগত বুলি ধৰা হৈছিল। পৰৱৰ্তী সময়ত মনোবিজ্ঞানীসকলে কিছুমান বিশেষ দক্ষতাৰ আধাৰত মানুহৰ বৌদ্ধিক সামৰ্থ্য বিচাৰ কৰিবলৈ আৰম্ভ কৰে। এনে দক্ষতাসমূহৰ ভিতৰত আছিল সঁহাৰি জনোৱাৰ সময়, ভৌতিক উদ্দীপনাৰ প্ৰতি সংবেদনশীলতা আৰু শাৰীৰিক অনুপাত আদি। এই ক্ষেত্ৰত 'ব্যক্তিগত প্ৰভেদ' অধ্যয়নৰ বাটকটীয়া ছাৰ ফ্ৰান্সিচ গেল্টন (Francis Galton)ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ মানুহৰ সংবেদী-সঁহাৰিবোৰ জোখাৰ চেষ্টা কৰিছিল। মানুহে চকুৰে দেখা আৰু কাণেৰে শুনা তথ্যৰ নিৰ্ভুলতা আৰু এইবোৰৰ প্ৰতি জনোৱা সঁহাৰিৰ সময় জুখি তেওঁ এই সঁহাৰিবোৰ আৰু ব্যক্তিভেদে থকা সামৰ্থ্যৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰাৰ প্ৰয়াস কৰিছিল। ই আছিল পৰিমাণগতভাৱে বুদ্ধি জোখা আৰু ব্যক্তিগত প্ৰভেদ অধ্যয়ন কৰাৰ প্ৰথম গুৰুত্বপূৰ্ণ প্ৰচেষ্টা।

আধুনিক যুগত বুদ্ধি জোখাৰ সৰ্বাধিক জনপ্ৰিয় পদ্ধতি হ'ল IQ পৰীক্ষা। 'বুদ্ধি সূচ্যাংক' (IQ) শব্দটোৰ জনক হ'ল ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ জাৰ্মান মনোবিজ্ঞানী উইলিয়াম ষ্টাৰ্ন (William Stern)। ১৯০৫ চনত আলফ্ৰেড বিনে আৰু থিয়'ড'ৰ চাইমনে এই শব্দটো আনুষ্ঠানিকভাৱে ব্যৱহাৰ কৰিবলৈ লয়। তেওঁলোকে বিকশিত কৰা 'বিনে-চাইমন ইণ্টেলিজেন্স স্কেল' হ'ল প্ৰথম আধুনিক বুদ্ধি পৰীক্ষা। কালক্ৰমত পৃথিৰীৰ বহু দেশে এই 'বিনে-চাইমন স্কেল' ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। এই পৰীক্ষাৰ আধাৰ হৈছে ব্যক্তিৰ ব্যৱহাৰিক জ্ঞান, যুক্তিসংগত চিন্তা কৰিব পৰা সামৰ্থ্য, স্মৰণশক্তি,

শব্দভাণ্ডাৰ আৰু সমস্যা সমাধান কৰিব পৰা দক্ষতা। এই উপাদানসমূহে শিক্ষার্থীৰ বিদ্যায়তনিক সফলতা পূৰ্বানুমান কৰাত সহায় কৰে। এই স্কেল বিকাশ আৰু ব্যৱহাৰ চলি থকাৰ সময়তে বিনে আৰু চাইমনে লক্ষ্য কৰিছিল যে কিছুমান শিক্ষার্থীয়ে নিজৰ বয়সৰ তুলনাত উচ্চ স্তৰৰ প্ৰশ্নৰ উত্তৰ দিব পাৰে, আনহাতে বয়সত ডাঙৰ শিক্ষার্থীসকলে কেতিয়াবা সেইবোৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। এই নিৰীক্ষণৰ আধাৰত তেওঁলোকে 'মানসিক বয়স' (Mental Age) ধাৰণাটো প্ৰচলন কৰে। এই পৰীক্ষাৰ বাবে এনে এক বয়সভিত্তিক গোট বাছি লোৱা হৈছিল, য'ত সকলো ল'ৰা-ছোৱালীয়ে বৌদ্ধিক বিকাশৰ বাবে একে পাঠ্যক্ৰম অনুসৰণ কৰে। ইয়াত শিশুসমূহক 'মানসিক বয়স' অনুসৰি ভাগ কৰি তেওঁলোকক বয়স অনুযায়ী উপযুক্ত সমস্যা বা কার্য সম্পাদন কৰিবলৈ দিয়া হৈছিল। উদাহৰণস্বৰূপে, যদি ৬ বছৰীয়া এটা শিশুৱে সাধাৰণ ৮ বছৰীয়া শিশুৰ দৰে কাম সম্পাদন কৰিব পাৰে, তেন্তে সেই শিশুটোৰ মানসিক বয়স ৮ বছৰ বুলি ধৰা হয়।

জানি থোৱা ভাল

- জার্মান মনোবিজ্ঞানী ৱিলিয়াম ষ্টার্নে ১৯০০ শতিকাৰ প্ৰথমাৰ্দ্ধৰ্ত 'intellience quotient' (IQ / বুদ্ধি সূচ্যাংক) নামেৰে জনাজাত অভিধাটো প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল।
- ১৯০৫ চনত আলফ্ৰেড বিনেট আৰু থিয়'ড'ৰ চাইমনে প্ৰথমটো আধুনিক বুদ্ধি পৰীক্ষা 'বিনেট-চাইমন ইণ্টেলিজেন্স টেষ্ট' প্ৰকাশ কৰিছিল।

পৰৱর্তী সময়ত ষ্টানফ'র্ড বিশ্ববিদ্যালয়ৰ লুইচ টার্মেনে 'বিনে-চাইমন বুদ্ধি পৰীক্ষা' আমেৰিকান পৰিৱেশৰ সৈতে খাপ খুৱাই পুনঃসজ্জিত কৰিছিল। ১৯১৬ চনত এই সংশোধিত বুদ্ধি পৰীক্ষাসমূহ কিতাপ আকাৰে প্ৰকাশিত হোৱাৰ লগে লগে ই 'ষ্টানফ'র্ড-বিনে ইণ্টেলিজেন্স স্কেল' নামেৰে পৰিচিত হয়। ষ্টানফ'র্ডে এই মত পোষণ কৰিছিল যে ব্যক্তিৰ বুদ্ধিক সূচ্যাংক (IQ) হিচাপে জুখিব পৰা যায়। এই সূচ্যাংক নিৰূপণ কৰাৰ সূত্ৰটো হ'ল—

$$\text{IQ} = \frac{(\text{মানসিক বয়স/MentalAge})}{(\text{ক্ৰমিকবয়স /Chronological Age})} \times ১০০$$

ধৰা হ'ল, এটা পাঁচ বছৰীয়া শিশুৱে সাত বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰস্তুত কৰা সকলো প্ৰশ্নৰ উত্তৰ দিব পাৰে, তেন্তে শিশুটোৰ IQ হ'ব ১৪০। আনহাতে, যদি এটা ছয় বছৰীয়া শিশুৱে ছয় বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰস্তুত কৰা সকলো প্ৰশ্নৰ উত্তৰ দিব পাৰে, তেন্তে শিশুটোৰ IQ ১০০ বুলি ধৰা হয়। অর্থাৎ ১০০ নম্বৰক IQৰ গড় মান বুলি গণ্য কৰা হয়। এই নিয়মটো আজিও মানি চলা হয়।

প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাবাহিনীয়ে যথেষ্ট সংখ্যক নতুন সৈনিক নিযুক্তি দিবলগীয়া হৈছিল। 'নতুন সৈনিকৰ মনোবৈজ্ঞানিক পৰীক্ষা সমিতি'ৰ অধ্যক্ষ ৰ'বার্ট

য়াৰ্কিছ (Robert Yerkes)এ এই উদ্দেশ্যে ১৯১৭ চনত দুটা বুদ্ধি পৰীক্ষা প্ৰস্তুত কৰিছিল। সেই দুটা পৰীক্ষাৰ নাম আছিল— 'আৰ্মি আলফা' (Army Alpha) আৰু 'আৰ্মি বিটা' (Army Beta)। 'আৰ্মি আলফা' আছিল কাগজ-কলমৰ সহায়ত কৰা লিখিত পৰীক্ষা। আনহাতে, 'আৰ্মি বিটা' আছিল নিৰক্ষৰ সৈনিকসকলৰ বাবে প্ৰস্তুত কৰা মৌখিক পৰীক্ষা। বিশ্বযুদ্ধ শেষ হোৱাৰ পাছতো এই দুয়োটা পৰীক্ষা সামৰিক ক্ষেত্ৰৰ বাহিৰেও অন্যান্য ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ কৰা হৈছিল। বিভিন্ন ধৰণৰ পৰিস্থিতি, বয়স, সামাজিক পটভূমি আৰু নাগৰিকত্বৰ ব্যক্তিসকলৰ বুদ্ধি জোখাৰ বাবে এই পৰীক্ষাসমূহ ব্যৱহাৰ কৰা হৈছিল।

১৯৫৫ চনত আমেৰিকান মনোবিজ্ঞানী ডেভিড ৱেছলাৰে এক নতুন বুদ্ধি পৰীক্ষা বিকশিত কৰিছিল। ইয়াক 'ৱেছলাৰ এডাল্ট ইণ্টেলিজেন্স স্কেল' (WAIS) নামেৰে জনা যায়। তেওঁ শিশুৰ বুদ্ধি জোখাৰ বাবেও দুটা পৃথক পৰীক্ষা বিকশিত কৰিছিল। সেই দুটা পৰীক্ষাৰ নাম হ'ল 'ৱেছলাৰ ইণ্টেলিজেন্স স্কেল ফৰ চিল্ড্রেন' (WISC) আৰু 'ৱেছলাৰ প্ৰি-স্কুল এণ্ড প্ৰাইমেৰী স্কেল অৱ ইণ্টেলিজেন্স' (WPPSI)। প্ৰাপ্তবয়স্কৰ বুদ্ধি পৰীক্ষাটো বিগত সময়ছোৱাত বহুবাৰ পুনৰীক্ষণ কৰা হৈছে। বৰ্তমান এই পৰীক্ষাটো WAIS-IV নামেৰে জনাজাত।

WAIS-IV ত মুঠ দহটা উপ-পৰীক্ষা (Sub-Tests) আৰু পাঁচটা অনুপূৰক পৰীক্ষা (Supplemental Tests) আছে। এই পৰীক্ষাসমূহৰ সহায়ত বুদ্ধিৰ চাৰিখন প্ৰধান ক্ষেত্ৰ জুখিব পাৰি। এই ক্ষেত্ৰসমূহ হৈছে— মৌখিক বোধগম্যতা সূচ্যাংক (Verbal Comprehension Index), আনুমানভিত্তিক যুক্তিসংগত চিন্তা সূচ্যাংক (Perceptual Reasoning Index), ক্ৰিয়াশীল স্মৰণ শক্তি সূচ্যাংক (Working Memory Index) আৰু তথ্য সংসাধন গতি সূচ্যাংক (Processing Speed Index)। এই পৰীক্ষাসমূহৰ পৰা দুটা বহলভিত্তিক সূচ্যাংকও নিৰ্ণয় কৰিব পাৰি, যাক বুদ্ধিৰ সামগ্ৰিকতাৰ সাৰাংশ বুলি ক'ব পাৰি। চাৰিটা সূচ্যাংক নম্বৰৰ আধাৰত ব্যক্তিৰ সৰ্ব-স্তৰীয় (Full-scale) IQ নম্বৰ নিৰ্ধাৰণ কৰা হয়। লগতে ছটা উপ-পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত ব্যক্তিৰ সাধাৰণ সামৰ্থ্য (General Ability) সূচ্যাংকও নিৰ্ণয় কৰা হয়। ষ্টেনফ'ৰ্ড-বিনে স্কেলৰ আধাৰ আছিল ক্ৰমিক বয়স আৰু মানসিক বয়স। আনহাতে WAISৰ আধাৰ হৈছে পৰীক্ষাত অৱতীৰ্ণ ব্যক্তিয়ে লাভ কৰা নম্বৰ আৰু একে বয়স গোটৰ অন্য ব্যক্তিয়ে লাভ কৰা নম্বৰৰ তুলনা। ইয়াত গড় নম্বৰ ১০০ ধৰা হয়। পৰীক্ষালব্ধ প্ৰায় দুই-তৃতীয়াংশ নম্বৰ ৮৫ ৰ পৰা ১১৫ৰ সাধাৰণ পৰিসৰৰ ভিতৰত থাকে। এই নম্বৰ দিয়া পদ্ধতিটো বুদ্ধি পৰীক্ষাৰ স্বীকৃত কৌশলত পৰিণত হৈছে। বুদ্ধি জুখিবলৈ এই পৰীক্ষাটোৰ লগতে ষ্টেনফ'ৰ্ড-বিনে পৰীক্ষাৰ আধুনিক সংস্কৰণটোও ব্যৱহাৰ কৰা হয়।

আধুনিক IQ পৰীক্ষাবোৰ স্বাভাৱিক সম্ভাৱিতা ৰেখা (Normal Probability Curve)ৰ আধাৰত নিৰূপিত সঠিক গাণিতিক জোখ। এই ধৰণৰ বিতৰণত অধিকাংশ ব্যক্তিয়ে গড় নম্বৰ লাভ কৰে, আৰু অতি কম সংখ্যক ব্যক্তিয়ে গড়ৰ তুলনাত অতি বেছি বা অতি কম নম্বৰ লাভ কৰে। সাধাৰণতে প্ৰায় ৯৫% ব্যক্তিৰ IQ নম্বৰ ৭০ৰ পৰা ১৩০ৰ ভিতৰত থাকে। এইখিনিতে মনত ৰাখিবলগীয়া

যে IQ নম্বৰ আৰু মানসিক সামৰ্থৰ মাজৰ সম্পৰ্ক ৰৈখিক নহয়। ১২০ IQ থকা এজন ব্যক্তি ৬০ IQ থকা ব্যক্তিতকৈ মানসিকভাৱে ঠিক দুগুণ শক্তিশালী বুলি ক'ব নোৱাৰি। বুদ্ধি পৰীক্ষাৰ বহুল ব্যৱহৃত পদ্ধতিসমূহ হ'ল— ষ্টেনফ'ৰ্ড-বিনে পদ্ধতি, WISC, WAIS আৰু ক'ফমেন এচেছমেণ্ট বেটেৰী ফৰ চিল্ড্রেন (Kaufman ABC)।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. বুদ্ধি বুলিলে কি বুজে ?

প্রশ্ন ২. বুদ্ধি পৰীক্ষা কি ?

প্রশ্ন ৩. মানসিক বয়স মানে কি ?

৯.৫.১ বুদ্ধি পৰীক্ষাৰ প্রকাৰ

বিভিন্ন শিতানৰ অধীনত বুদ্ধি পৰীক্ষাসমূহ বিভক্ত কৰা হয়। বুদ্ধি পৰীক্ষাৰ কেইটামান গুৰুত্বপূর্ণ প্রকাৰ হ'ল—

- মৌখিক, অ-মৌখিক আৰু পাৰদর্শিতা পৰীক্ষা
- বুদ্ধিৰ ব্যক্তিগত আৰু দলীয় পৰীক্ষা

বুদ্ধিৰ মৌখিক পৰীক্ষা : এইবোৰ বুদ্ধি পৰীক্ষাৰ কিছুমান পুৰণি কৌশল। এই পৰীক্ষাসমূহৰ প্রধান মাধ্যম হৈছে কথিত আৰু লিখিত ভাষা। পৰীক্ষাত অৱতীর্ণ ব্যক্তিসকলক সাধাৰণতে লিখিত নির্দেশনা দিয়া হয়। তেওঁলোকে কথিত বা লিখিত ভাষা ব্যৱহাৰ কৰি প্রশ্নবোৰৰ উত্তৰ দিয়ে। এই পৰীক্ষাসমূহত ভাষাজ্ঞানেই সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ভাষাৰ জৰিয়তে পৰীক্ষার্থীয়ে নিজৰ সামৰ্থ্য প্রকাশ কৰে আৰু প্রশ্নসমূহৰ উত্তৰও মূলতঃ ভাষাৰ সহায়তহে দিয়া হয়। এই শ্রেণীৰ পৰীক্ষাসমূহৰ উদাহৰণ হ'ল— ষ্টেনফ'ৰ্ড-বিনে পৰীক্ষা, আর্মি আলফা পৰীক্ষা, আর্মি জেনেৰেল ক্লাছিফিকেশ্যন পৰীক্ষা আদি। এইখিনিতে মনত ৰাখিবলগীয়া যে মৌখিক বুদ্ধি পৰীক্ষাসমূহ ব্যক্তিগত আৰু দলীয়— দুয়োটা পদ্ধতিতেই প্রয়োগ কৰিব পাৰি। সেই দিশেৰে মৌখিক বুদ্ধি পৰীক্ষাৰ উপ-শ্রেণী দুটা হ'ল— ব্যক্তিগত মৌখিক পৰীক্ষা আৰু দলীয় মৌখিক পৰীক্ষা।

মৌখিক বুদ্ধি পৰীক্ষাৰ প্রধান সুবিধাসমূহ :

- শুদ্ধ ভষাজ্ঞান থকা ব্যক্তিয়ে নিজৰ বুদ্ধি উপযুক্তভাৱে প্রয়োগ কৰিব পাৰে।
- মৌখিক বুদ্ধি পৰীক্ষাৰ জৰিয়তে চিন্তা কৰিব পৰা সামৰ্থ্য, বিচাৰ কৰিব পৰা সামৰ্থ্য, যুক্তি খটু�ৰাব পৰা দক্ষতা, সাৰমর্ম বাহিৰ কৰিব পৰা সামৰ্থ্য, তুলনা কৰাৰ সামৰ্থ্য, বিশ্লেষণ দক্ষতা, সংশ্লেষণ দক্ষতা আৰু সমস্যা সমাধান কৰাৰ দক্ষতা আদি ফলপ্রসূভাৱে জুখিব পৰা যায়।

- পৰীক্ষা চলি থকাৰ সময়ত উদ্ভৱ হোৱা যিকোনো বিভ্রান্তিকৰ পৰিস্থিতি সহজে আঁতৰ কৰিব পাৰি।

মৌখিক বুদ্ধি পৰীক্ষাৰ প্রধান অসুবিধাসমূহ :

- নিৰক্ষৰ অথবা সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্রত মৌখিক বুদ্ধি পৰীক্ষা ব্যৱহাৰ কৰিব নোৱাৰি।
- স্থানভেদে ভাষা বেলেগ বেলেগ হোৱাৰ বাবে একেটা পৰীক্ষাই সকলো স্থানতে একেদৰে পাতিব নোৱাৰি।
- মৌখিক বুদ্ধি পৰীক্ষাৰ বৈধতা আৰু ভাৰসাযোগ্যতা সন্দর্ভত কিছু সন্দেহ বৈ যায়।
- মৌখিক বুদ্ধি পৰীক্ষাৰে ব্যক্তিৰ দেশীয় অথবা জন্মজাত বুদ্ধি (Native intellience) জুখিব নোৱাৰি।

বুদ্ধিৰ অ-মৌখিক (non-verbal) পৰীক্ষা : কোনো উত্তৰ দিয়াৰ কোনো পর্যায়তে ভাষা প্রয়োগৰ আৱশ্যকতা নথকা বুদ্ধি পৰীক্ষাবোৰক অ-মৌখিক পৰীক্ষা বোলা হয়। এই পৰীক্ষাসমূহৰ আহিলা বা সঁজুলি গঠন কৰোঁতে কোনো কথিত বা লিখিত ভাষা ব্যৱহাৰ কৰা নহয়। পৰীক্ষাত অৱতীর্ণ ব্যক্তিসকলক ভাষাৰ জৰিয়তে কোনো নির্দেশনা দিয়া নহয় আৰু তেওঁলোকে পৰীক্ষা সঁজুলিসমূহৰ প্রতি সঁহাৰি জনোৱাৰ সময়তো ভাষা ব্যৱহাৰ নকৰে। প্রদর্শন (Demonstration), মূক অভিনয় (Pantomime), অংগ-ভংগি (Gestures) আৰু বিভিন্ন তালিকা-সাৰণী (Charts) আদিৰ জৰিয়তে পৰীক্ষার্থীক নির্দেশনা প্রদান কৰা হয়। এই পৰীক্ষাসমূহৰ আহিলা সাধাৰণতে ছবি বা বিভিন্ন নির্মাণ-আর্হি (Structure) হ'ব পাৰে। পৰীক্ষাত অৱতীর্ণ ব্যক্তিসকলে প্রশ্নৰ সৈতে জড়িত ছবি বা নির্মাণ-আর্হিসমূহ নিৰীক্ষণ কৰি সঠিক বিকল্প বাছনি কৰে বা উপযুক্ত সমাধান বিচাৰি উলিয়ায়। এনে পৰীক্ষাসমূহক অ-মৌখিক পৰীক্ষা বোলা হয় যদিও ইয়াত মৌখিক পৰীক্ষাৰ দৰে কাগজ-পেঞ্চিলৰ ব্যৱহাৰো থাকিব পাৰে। অৱশ্যে এই পৰীক্ষাসমূহত কাগজ-পেঞ্চিল বা কলমৰ ব্যৱহাৰ তেনেই সীমিত। সাধাৰণতে 'X' চিহ্ন টোকা, আঁচ টনা বা শুদ্ধ বিকল্পক বৃত্ত চিহ্নেৰে ঘেৰা আদি কামৰ বাবেহে কলম-পেঞ্চিল ব্যৱহাৰ কৰা হয়। বুদ্ধিৰ অ-মৌখিক পৰীক্ষাসমূহ সাধাৰণতে দলীয়ভাৱে প্রয়োগ কৰা হয়। অ-মৌখিক বুদ্ধি পৰীক্ষাৰ বহুল ব্যৱহৃত কিছুমান পদ্ধতি হ'ল— চিকাগ' অ-মৌখিক পৰীক্ষা, আর্মি বিটা পৰীক্ষা আৰু ৰেভেনৰ প্রগ্রেচিভ মেট্রিক্স পৰীক্ষা আদি।

অ-মৌখিক পৰীক্ষাৰ সুবিধাসমূহ :

- নিৰক্ষৰ আৰু সৰু ল'ৰা-ছোৱালীৰ বুদ্ধি জুখিবলৈ ব্যৱহাৰ কৰিব পাৰি।
- ভাষা ব্যৱহাৰ কৰাত অসুবিধা পোৱা ব্যক্তিৰ বুদ্ধি জুখিবলৈ ব্যৱহাৰ কৰিব পাৰি।
- বিভিন্ন স্থান অথবা দেশত এই পৰীক্ষাসমূহ প্রয়োগ কৰিব পাৰি। ভাষাৰ ব্যৱহাৰ নহয় বাবে এই পৰীক্ষাবোৰ কিছু পৰিমাণে সুনির্দিষ্ট সামাজিক আৰু সাংস্কৃতিক প্রবাৱৰ পৰা মুক্ত।

অ-মৌখিক বুদ্ধি পৰীক্ষাৰ প্ৰধান অসুবিধাটো হ'ল যে এই পৰীক্ষাই ব্যক্তিৰ সকলো মানসিক গুণ জুখিব নোৱাৰে। সেয়েহে এই পৰীক্ষাসমূহে বুদ্ধিৰ এক সংহত আৰু সম্পূৰ্ণ জোখ দাঙি ধৰিব নোৱাৰে।

বুদ্ধিৰ পাৰদৰ্শিতা (Performance) পৰীক্ষা : এই পৰীক্ষাসমূহত কেৱল পৰীক্ষাৰ্থীক প্ৰয়োজনীয় নিৰ্দেশনা দিয়াৰ সময়তহে ভাষা ব্যৱহাৰ কৰা হয়। এই পৰীক্ষাৰ বাবে প্ৰয়োজনীয় আহিলা-সঁজুলিসমূহ সাধাৰণতে নিজৰ প্ৰয়োজন অনুসৰি ইফাল-সিফাল কৰিব পৰা (manipulative) প্ৰকৃতিৰ হয়। পৰীক্ষাত অৱতীৰ্ণ ব্যক্তিসকলে প্ৰদত্ত সমস্যাসমূহ হাতে-কামে কৰি সমাধান কৰি দেখুৱাব লাগে। মৌখিক বুদ্ধি পৰীক্ষাৰে জুখিব নোৱাৰা কিছুমান বিশেষ মানসিক গুণ পাৰদৰ্শিতা পৰীক্ষাৰ জৰিয়তে জোখা হয়। এই পৰীক্ষাসমূহ সাধাৰণতে ব্যক্তিগতভাৱে প্ৰয়োগ কৰা হয়। পাৰদৰ্শিতা পৰীক্ষাৰ কেইটামান জনপ্ৰিয় পদ্ধতি হ'ল— পিণ্টাৰ-পেটাৰ্চন স্কেল, প'ৰ্টিয়াচ মে'জ পৰীক্ষা, আলেকজেণ্ডাৰ পাছ-এলং পৰীক্ষা আৰু ভাটিয়া পাৰফৰমেন্স পৰীক্ষা আদি।

পাৰদৰ্শিতা পৰীক্ষাৰ দুটামান সুবিধা হ'ল—

- সৰু ল'ৰা-ছোৱালী, নিৰক্ষৰ লোক আৰু ভাষা ব্যৱহাৰ কৰিবলৈ অসুবিধা পোৱা ব্যক্তিসকলৰ বাবে অত্যন্ত ফলপ্ৰসূ।
- পাৰদৰ্শিতা পৰীক্ষাৰ চিকিৎসাভিত্তিক মূল্য আছে। এই পৰীক্ষাসমূহৰ দ্বাৰা ব্যক্তিৰ মানসিক সমস্যা বা স্নায়ৱিক বিকাৰ চিনাক্ত কৰিব পাৰি।
- পাৰদৰ্শিতা পৰীক্ষাবোৰ কিছু পৰিমাণে সকলো ধৰণৰ সাংস্কৃতিক প্ৰভাৱৰ পৰা মুক্ত।
- পৰীক্ষাত অৱতীৰ্ণ হোৱাসকলৰ ব্যৱহাৰিক আৰু যান্ত্ৰিক দক্ষতা চিনাক্ত কৰাত এই পৰীক্ষাবোৰে সহায় কৰে। পৰীক্ষাৰ ফলাফলৰ ভিত্তিত শিক্ষাৰ্থীসকলক শৈক্ষিক আৰু বৃত্তিমুখী শিক্ষাৰ দিহা-পৰামৰ্শ দিয়া হয়।
- পাৰদৰ্শিতা পৰীক্ষাৰ দুটামান অসুবিধা–
- এই পৰীক্ষাবোৰ সময় খৰছী। সেয়েহে দলীয়ভাৱে এই পৰীক্ষাবোৰ কৰি চাব নোৱাৰি।
- এই পৰীক্ষাবোৰৰ দ্বাৰা ব্যক্তিৰ সাধাৰণ বুদ্ধিৰ বিভিন্ন স্তৰৰ মাজত থকা পাৰ্থক্য স্পষ্টভাৱে নিৰ্ণয় কৰিব নোৱাৰি।
- এই পৰীক্ষাবোৰে ব্যক্তিৰ কেৱল কিছুমান নিৰ্দিষ্ট বৌদ্ধিক সামৰ্থ্যহে জুখিব পাৰে। সেয়েহে এইবোৰে এগৰাকী ব্যক্তিৰ বুদ্ধিৰ সামগ্ৰিক ছবিখন দাঙি ধৰিব নোৱাৰে।

বুদ্ধিৰ ব্যক্তিগত (individual) পৰীক্ষা : এটা সময়ত মাত্ৰ এগৰাকী ব্যক্তিৰ বুদ্ধি পৰীক্ষা কৰাৰ পদ্ধতিসমূহক বুদ্ধিৰ ব্যক্তিগত পৰীক্ষা বোলা হয়। ব্যক্তিগত পৰীক্ষাই বুদ্ধি অধিক সঠিকভাৱে জুখিব পাৰে বুলি ধৰা হয়। এই পৰীক্ষাসমূহৰ সহায়ত এগৰাকী ব্যক্তিৰ বৌদ্ধিক সামৰ্থ্যৰ এখন সম্পূৰ্ণ ছবি পৰিস্ফুট হয়। এই পৰীক্ষাসমূহ মৌখিক, অ-মৌখিক অথবা পাৰদৰ্শিতা প্ৰদৰ্শনধৰ্মী হ'ব পাৰে। আলফ্ৰেড বিনেটে বুদ্ধিৰ ব্যক্তিগত পৰীক্ষাসমূহ জনপ্ৰিয় কৰিছিল। মৌখিক ব্যক্তিগত পৰীক্ষাৰ কিছুমান উদাহৰণ হ'ল— বিনে-চাইমন বুদ্ধি পৰীক্ষা, বিনে পৰীক্ষাৰ ষ্টেনফ'ৰ্ড পুনৰীক্ষণ

আৰু ৰেছলাৰ বেলিভিউ বুদ্ধি পৰীক্ষা আদি। আনহাতে আলেকজেণ্ডাৰ পাছ-এলং পৰীক্ষা, ক'হ্চ্ ব্লক ডিজাইন আৰু ৰেছলাৰ পাৰফৰমেন্স পৰীক্ষা আদি অ-মৌখিক ব্যক্তিগত বুদ্ধি পৰীক্ষাৰ কিছুমান উদাহৰণ।

ব্যক্তিগত বুদ্ধি পৰীক্ষাৰ সুবিধাসমূহ—

- পৰীক্ষা লওঁতাগৰাকীয়ে পৰীক্ষা দিওঁতাগৰাকীৰ ওপৰত অধিক মনোযোগ দিব পাৰে।
- পৰীক্ষালওঁতাগৰাকীয়ে পৰীক্ষা দিওঁতাগৰাকীক বিভিন্ন সময়ত সহজে উৎসাহিত কৰিব পাৰে আৰু পৰীক্ষা চলি থকাৰ সময়ত পৰীক্ষার্থীয়ে দেখুওৱা আচৰণবোৰ মনোযোগেৰে নিৰীক্ষণ কৰিব পাৰে।
- দলীয় পৰীক্ষাবোৰত কৰাৰ দৰে ব্যক্তিগত পৰীক্ষাবোৰত পৰীক্ষার্থীৰ গঠন সামর্থ্যক ভিত্তি কৰি বুদ্ধি জোখা নহয়।
- ব্যক্তিগত বুদ্ধি পৰীক্ষাবোৰ অধিক বৈধ তথা ভৰসাযোগ্য।

ব্যক্তিগত বুদ্ধি পৰীক্ষাৰ কেইটামান অসুবিধা—

- ব্যক্তিগত বুদ্ধি পৰীক্ষাবোৰ সময় খৰছী।
- এই পৰীক্ষাবোৰ সম্পন্ন কৰিবলৈ উন্নত প্রশিক্ষণপ্রাপ্ত ব্যক্তিৰ প্রয়োজন।
- এই পৰীক্ষাসমূহ সম্পন্ন কৰোঁতে দলীয় বুদ্ধি পৰীক্ষাতকৈ অধিক পৰিমাণৰ ধন ব্যয় কৰিবলগীয়া হয়।

বুদ্ধিৰ দলীয় পৰীক্ষা : প্রথম বিশ্বযুদ্ধৰ সময়ত বৃহৎ সংখ্যক সৈনিক নিযুক্তি দিয়াৰ প্রয়োজনীয়তা উদ্ভৱ হোৱাৰ ফলতেই বুদ্ধিৰ দলীয় পৰীক্ষাসমূহ বিকশিত কৰা হৈছিল। একে সময়তে একাধিক ব্যক্তিৰ বুদ্ধি পৰীক্ষা কৰি চোৱা পদ্ধতিসমূহকেই বুদ্ধিৰ দলীয় পৰীক্ষা বোলা হয়। ব্যক্তিৰ এটা দলক একে সময়তে পৰীক্ষা কৰা হয় বাবেই এই পৰীক্ষাসমূহৰ নির্দেশনা আৰু প্রদর্শন সৰল হয়। এই পৰীক্ষাসমূহ সম্পন্ন কৰিবলৈ উচ্চ-প্রশিক্ষণপ্রাপ্ত পৰীক্ষকৰ প্রয়োজন নাথাকে। দলীয় বুদ্ধি পৰীক্ষাসমূহ মৌখিক অথবা অ-মৌখিক প্রকৃতিৰ হ'ব পাৰে। আর্মি আলফা পৰীক্ষা, লর্জ-থর্নডাইক বুদ্ধি পৰীক্ষা, আর্মি জেনেৰেল ক্লাছিফিকেশ্যন টেষ্ট (AGCT), টার্মেন-মেকনিমাৰ টেষ্টচ্ অৰ মেণ্টেল এবিলিটি আদি মৌখিক বুদ্ধি পৰীক্ষাৰ কিছুমান উদাহৰণ। আনহাতে, ৰেভেনচ্ প্রগ্রেচিভ মেট্রিক্স টেষ্ট, চিকাগ' নন-ভার্বেল পৰীক্ষা, এচ্ আৰু এ টেষ্ট অৰ জেনেৰেল এবিলিটি আদি অ-মৌখিক পৰীক্ষাৰ কিছুমান জনপ্রিয় পদ্ধতি।

দলীয় বুদ্ধি পৰীক্ষাৰ সুবিধাসমূহ—

- একে সময়তে অধিক সংখ্যক ব্যক্তিৰ বুদ্ধি পৰীক্ষা কৰিব পাৰি।
- পৰীক্ষা লওঁতাসকলৰ ভূমিকা সৰল হয়।
- দলীয় বুদ্ধি পৰীক্ষাত লাভ কৰা নম্বৰ অধিক বস্তুনিষ্ঠ হয়।

- এনে পৰীক্ষাত প্ৰায়েই সংখ্যাত অধিক আৰু প্ৰতিনিধিত্বমূলক প্ৰতিদৰ্শ (sample) প্ৰয়োগ কৰা হয়। সেয়েহে ইয়াৰ সহায়ত অধিক উন্নত আৰু প্ৰতিষ্ঠিত নিয়ম গঠন হয়।
- ব্যক্তিগত মৌখিক বুদ্ধি পৰীক্ষাতকৈ দলীয় মৌখিক বুদ্ধি পৰীক্ষাত লব্ধ সহগবোৰৰ বৈধতা অধিক হয়।
- সময়, ধন আৰু কষ্টৰ ফালৰ পৰা দলীয় বুদ্ধি পৰীক্ষা মিতব্যয়ী।

দলীয় বুদ্ধি পৰীক্ষাৰ অসুবিধাসমূহ—

- দলীয় বুদ্ধি পৰীক্ষাত লাভ কৰা নম্বৰ সাধাৰণতে পৰীক্ষাৰ্থীৰ পঠন সামৰ্থৰ ওপৰত নিৰ্ভৰশীল হয়।
- দলীয় বুদ্ধি পৰীক্ষাৰ দ্বাৰা আহৰণ কৰা তথ্যৰ নিৰ্ভুলতা সাধাৰণতে ব্যক্তিগত বুদ্ধি পৰীক্ষাতকৈ কম হোৱা দেখা যায়।
- পৰীক্ষা লোৱাসকলে পৰীক্ষাৰ্থীৰ সৈতে বুজাবুজি আৰু সহযোগিতা গঢ়ি তোলাৰ সুযোগ কমকৈ পায় আৰু দীঘলীয়া সময়ৰ বাবে পৰীক্ষাৰ্থীৰ মনোযোগ বৰ্তাই ৰাখিব নোৱাৰে।
- এই পৰীক্ষাবোৰে পৰীক্ষাৰ্থী ভাগৰুৱা, উদ্বিগ্ন অথবা ৰুগীয়া নেকি সেয়া এই পৰীক্ষাবোৰে চিনাক্ত কৰিব নোৱাৰে।
- পৰ্যবেক্ষণৰ পৰা গম পোৱা গৈছে যে আৱেগিক সমস্যাত ভুগি থকা সৰু ল'ৰা-ছোৱালীয়ে দলীয় বুদ্ধি পৰীক্ষাতকৈ ব্যক্তিগত পৰীক্ষাত অধিক সুফল প্ৰদৰ্শন কৰে।
- দলীয় বুদ্ধি পৰীক্ষাত পৰীক্ষা লওঁতাসকলৰ সঁহাৰি অধিক নিয়ন্ত্ৰিত থাকে।

৯.৫.২ বুদ্ধি পৰীক্ষাৰ ব্যৱহাৰ

তলত বুদ্ধি পৰীক্ষা ব্যৱহাৰ কৰাৰ ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

➢ **শৈক্ষিক কাৰ্যত ব্যৱহাৰ :** শিক্ষা ক্ষেত্ৰত বুদ্ধি পৰীক্ষাৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। তলত দিয়া বিষয়সমূহ বুদ্ধি পৰীক্ষাৰ দ্বাৰা নিৰূপণ কৰাৰ প্ৰয়াস কৰা হয়।

- **পাঠ্যক্ৰম বাছনি :** শিক্ষাৰ্থীৰ বাবে বিভিন্ন বিষয় অথবা পাঠ্যক্ৰম বাছনি কৰাৰ অন্যতম ভিত্তি হ'ল বুদ্ধি পৰীক্ষা। সকলোৰে জ্ঞাত যে ভিন্ন ভিন্ন বিষয় বা পাঠ্যক্ৰমৰ বাবে ভিন্ন স্তৰৰ বৌদ্ধিক সামৰ্থ্যৰ প্ৰয়োজন হয়। বুদ্ধি পৰীক্ষাৰ দ্বাৰা শিক্ষাৰ্থীৰ বৌদ্ধিক সামৰ্থৰ ভিত্তিত উপযুক্ত পাঠ্যবিষয় বা পাঠ্যক্ৰম বাছনি কৰিব পৰা যায়।
- **শিক্ষাৰ্থী বাছনি :** কোনো শিক্ষানুষ্ঠানত নামভৰ্তি কৰাৰ সুযোগ দিয়াৰ আগতে সম্ভাব্য শিক্ষাৰ্থীৰ বুদ্ধি পৰীক্ষা কৰি চোৱা হয়।
- **শিক্ষাৰ্থীৰ শ্ৰেণীবিভাজন :** বিভিন্ন শৈক্ষিক উদ্দেশ্যত উপনীত হ'বলৈ শিক্ষাৰ্থীসকলক বিভিন্ন শ্ৰেণী বা গোটত বিভাজন কৰিবলগীয়া হয়। বুদ্ধি পৰীক্ষাই শিক্ষাৰ্থীসকলক তেওঁলোকৰ বৌদ্ধিক উৎকৰ্ষতা অনুসৰি বিভিন্ন গোটত ভাগ কৰিবলৈ সহায় কৰে।

- **শিক্ষার্থীৰ তুলনা :** শিক্ষার্থীৰ সামর্থ্যৰ আধাৰত শিক্ষার্থীসকলৰ তুলনা কৰি বিভিন্ন ধৰণৰ শৈক্ষিক সিদ্ধান্ত গ্রহণ কৰা হয়। বুদ্ধি পৰীক্ষাবোৰে এই কামত সহায় কৰে।
- **শিক্ষার্থীৰ শৈক্ষিক সম্ভাৱনীয়তা চিনাক্তকৰণ :** শিক্ষার্থীসকল বিভিন্ন জন্মগত প্রতিভা লৈ বিদ্যালয়লৈ আহে। বুদ্ধি পৰীক্ষাৰ দ্বাৰা শিক্ষার্থীৰ মানসিক গুণ আৰু সামর্থ্য চিনাক্ত কৰি সঠিক দিহা-পৰামর্শ আৰু প্রশিক্ষণ দিব পাৰিলেহে তেওঁলোকৰ সম্ভাৱনাসমূহৰ পূর্ণ বিকাশ ঘটিব।
- **শিক্ষার্থীৰ বিভিন্ন ভাগ চিনাক্তকৰণ :** সকলো শিক্ষার্থীৰ বুদ্ধিৰ স্তৰ একে নহয়। একেটা শ্রেণীতে বিভিন্ন স্তৰৰ বুদ্ধিসম্পন্ন শিক্ষার্থীক পাঠদান কৰাটো কঠিন আৰু কেতিয়াবা অপকাৰীও হ'ব পাৰে। বুদ্ধি পৰীক্ষাৰ সহায়ত শিক্ষার্থীসকলক একে স্তৰৰ বৌদ্ধিক সামর্থ থকা গোট বা শ্রেণীত অন্তর্ভুক্ত কৰি উপযুক্ত পাঠ্যবিষয়ৰ সূচী আৰু শিক্ষণ পদ্ধতি প্রস্তুত কৰা হয়। ফলত শিক্ষার্থীয়ে নিজৰ বৌদ্ধিক সামর্থ অনুসৰি শিকাৰ সুযোগ লাভ কৰে। বুদ্ধি পৰীক্ষাই মেধাৰী আৰু দুর্বল— উভয় ধৰণৰ শিক্ষার্থীক চিনাক্ত কৰাত সহায় কৰে। ইয়াৰ সহায়ত শিক্ষার্থীক উপযুক্ত শিকন নির্দেশনা প্রদান কৰিব পাৰি।
- **শিক্ষার্থীৰ বাবে যথোপযুক্ত প্রত্যাশিত সফলতাৰ স্তৰ নিৰূপণ :** প্রতিগৰাকী শিক্ষার্থীৰ পৰা কিমানখিনি সফলতা আশা কৰিব পাৰি সেয়া প্রথমে নিৰূপণ কৰি লোৱাটো অতি আৱশ্যক। ইয়াৰ দ্বাৰা হতাশা আৰু অসন্তুষ্টি এৰাই চলিব পৰা যায়। চ'ৰে আৰু টেলফ'র্ড (Sawrey and Telford)ৰ মতে, "মানুহে যি ইচ্ছা কৰে সেয়া লাভ কৰাৰ লক্ষ্যহে স্থিৰ কৰা উচিত। সহজ ভাষাত ক'বলৈ গ'লে, মানুহে সদায় নিজৰ প্রত্যাশাৰ স্তৰ অতি সাৱধানে স্থিৰ কৰি ল'ব লাগে। সেয়া কেতিয়াও অতি উচ্চ বা অতি নিম্ন হ'ব নালাগে। তেতিয়াহে মানুহ সফল হ'ব পাৰে। এয়া তেতিয়াহে সম্ভৱ হয় যেতিয়া ব্যক্তিৰ সম্ভাৱনীয়তাসমূহৰ সঠিক মূল্যায়ন কৰা হয়। বুদ্ধি পৰীক্ষাৰ দ্বাৰা এই মূল্যায়ন কৰা হয়। এই পৰীক্ষাবোৰে ব্যক্তিৰ বৌদ্ধিক সম্ভাৱনীয়তাৰ আধাৰত বাস্তৱসন্মত প্রত্যাশাৰ স্তৰ স্থিৰ কৰি লোৱাত সহায় কৰে।"
- **শিক্ষণ-শিকন প্রক্রিয়া উন্নতকৰণ :** বুদ্ধি পৰীক্ষাই শিক্ষণ-শিকন প্রক্রিয়া উন্নত কৰি তোলাত সহায় কৰে। এই সন্দর্ভত ক্রু' আৰু ক্রু'ৰ মন্তব্য প্রণিধানযোগ্য। তেওঁলোকৰ মতে, "বুদ্ধি পৰীক্ষাৰ ফলাফলসমূহে এগৰাকী শিক্ষার্থীয়ে কি শিকিব আৰু কিমান সোনকালে শিকিব সেয়া বুজাত শিক্ষকক সহায় কৰে। ইয়াৰ উপৰি শিক্ষকে কোন ধৰণৰ শিক্ষণ পদ্ধতি প্রয়োগ কৰিব আৰু শিকনৰ বিষয়সূচী কেনে হ'ব সেয়া নির্ধাৰণ কৰি শিক্ষার্থীৰ মানসিক সম্ভাৱনীয়তাৰ সর্বোচ্চ বিকাশ ঘটাব পৰাকৈ উপযুক্ত শিকন নির্দেশনা আগবঢ়াব পাৰে।"
- **শৈক্ষিক দিক্-নির্দেশনা :** শৈক্ষিক দিক্-নির্দেশনা হ'ল শিক্ষার্থীক নিজৰ উপযুক্ত স্থান বা পথ বিচাৰি উলিওৱাত সহায় কৰা এক গুৰুত্বপূর্ণ শৈক্ষিক সেৱা। বুদ্ধি পৰীক্ষাই

শিক্ষার্থীভেদে উপযুক্ত শৈক্ষিক দিক্-নির্দেশনা প্রদানত সহায় কৰে। শিক্ষার্থীৰ বৌদ্ধিক সামর্থক এনে নির্দেশনাৰ মূল আধাৰ হিচাপে গ্রহণ কৰা হয়।

- **বৃত্তিমুখী শিক্ষা গ্রহণৰ দিক্-নির্দেশনা প্রদান :** ই শৈক্ষিক দিক্-নির্দেশনাৰ সৈতে সম্বন্ধিত। শিক্ষার্থীয়ে জীৱনত সফলতা লাভ কৰিবলৈ বৃত্তিমুখী শিক্ষাৰ ক্ষেত্রতো উপযুক্ত দিক্-নির্দেশনা লাভ কৰা উচিত। ই শিক্ষার্থীক এক সন্তুষ্ট জীৱনৰ অধিকাৰী হোৱাত সহায় কৰিব পাৰে। বুদ্ধি পৰীক্ষাৰ সহায়ত শিক্ষার্থীক একোটা নির্দিষ্ট বৃত্তিমুখী শিক্ষা বাছনি কৰা আৰু তাৰ বাবে প্রয়োজনীয় প্রস্তুতি চলোৱাৰ উপযুক্ত শৈক্ষিক দিক্-নির্দেশনা প্রদান কৰিব পৰা যায়।
- **মানসিক বিকাৰ চিনাক্তকৰণ :** বুদ্ধি পৰীক্ষাৰ সহায়ত বিভিন্ন ধৰণৰ মানসিক সমস্যা চিনাক্ত কৰিব পৰা যায়।
- **সৰু ল'ৰা-ছোৱালীক দিক্-নির্দেশনা দিয়াত ব্যৱহাৰ :** সৰু ল'ৰা-ছোৱালীক উপযুক্ত দিক্-নির্দেশনা প্রদান কৰাৰ আগতে সিহঁতৰ বুদ্ধিৰ স্তৰ জানি লোৱাটো আৱশ্যক। অতি উচ্চ বা একেবাৰে নিম্ন স্তৰৰ বুদ্ধিয়ে শিশুৰ আচাৰ-ব্যৱহাৰত প্রভাৱ পেলাব পাৰে। বুদ্ধি পৰীক্ষাই শিশুৰ বিষয়ে ভালদৰে জানিবলৈ সহায় কৰে। প্রাপ্ত তথ্যৰ আধাৰত শিশুভেদে পৃথক পৃথক দিক্-নির্দেশনা প্রদান কৰিব পাৰি।
- **ব্যক্তিগত প্রভেদ অধ্যয়নত ব্যৱহাৰ :** বুদ্ধি হ'ল ব্যক্তিগত প্রভেদ সৃষ্টি কৰা অন্যতম প্রধান কাৰক। বুদ্ধি পৰীক্ষাই শিক্ষার্থীসকলৰ মাজত থকা ব্যক্তিগত প্রভেদৰ প্রকৃতি, গভীৰতা আৰু বিভিন্ন মাত্রা বুজাত সহায় কৰে।
- **গৱেষণা কার্যত ব্যহাৰ :** গৱেষণাৰ কামত বুদ্ধি পৰীক্ষাৰ বহুলভাৱে সহায় লোৱা হয়। বিভিন্ন শৈক্ষিক আৰু মনোবৈজ্ঞানিক গৱেষণা সমস্যাৰ উপযুক্ত সমাধান উলিয়াবলৈ বুদ্ধি পৰীক্ষা কৰি চোৱাৰ প্রয়োজন হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪. বুদ্ধিৰ মৌখিক পৰীক্ষা বুলিলে কি বুজে ?

প্রশ্ন ৫. দলীয় বুদ্ধি পৰীক্ষাৰ যিকোনো দুটা অসুবিধা উল্লেখ কৰক।

৯.৬ এটা বুদ্ধি পৰীক্ষা প্রস্তুত কৰাৰ পদ্ধতি

এটা স্বীকৃত মানৰ বুদ্ধি পৰীক্ষা প্রস্তুত কৰাৰ সময়ত সদায় বুদ্ধিৰ প্রকৃতি সম্পর্কীয় ধাৰণাটো মনত ৰখা আৱশ্যক।

- বুদ্ধি সকলো মানুহৰেই থাকে। ইয়াৰ অর্থ হ'ল অধিকাংশ মানুহৰ বুদ্ধি মধ্যমীয়া স্তৰৰ হয়, কিছুমানৰ বুদ্ধি অতি উচ্চ আৰু কিছুমানৰ বুদ্ধি তুলনামূলকভাৱে কম হয়।
- বংশানুক্রম আৰু পৰিৱেশ– এই দুটা কাৰকে মানুহৰ বুদ্ধিক প্রভাৱিত কৰে।

- বুদ্ধিৰ জোখ এক আপেক্ষিক বিষয়। আমি যেতিয়া এগৰাকী ব্যক্তিৰ বুদ্ধিৰ বিষয়ে আলোচনা কৰোঁ, তেতিয়া আমি অন্য ব্যক্তিৰ বুদ্ধিৰ সৈতে তুলনা কৰিহে সেই কথা উল্লেখ কৰোঁ।
- ব্যক্তিভেদে বুদ্ধিৰ মাজত বৃহৎ প্রভেদ থাকে।
- বয়সৰ লগে লগে বুদ্ধিৰ বিকাশ ঘটে। কিন্তু ব্যক্তিৰ সমগ্র জীৱন ধৰি বুদ্ধিৰ বৃদ্ধি সমানে নহয়; বুদ্ধিৰ বিকাশ কেতিয়া স্তব্ধ হ'ব তাৰ কোনো নির্দিষ্ট বয়স নাই।
- সামাজিক লিংগ অনুসৰি বুদ্ধিৰ কোনো প্রভেদ নাথাকে।
- জাতি, সম্প্রদায় অথবা সংস্কৃতিয়েও বুদ্ধিৰ মাজত কোনো প্রভেদৰ সৃষ্টি নকৰে।

চতুর্থ অধ্যায় (Unit-IV) ত আলোচনা কৰা মনোবৈজ্ঞানিক পৰীক্ষা এটা প্রস্তুত কৰাৰ সময়ত মানি চলিবলগীয়া নীতি-নিয়ম আৰু কার্যধাপসমূহ বুদ্ধি পৰীক্ষা প্রস্তুত কৰাৰ সময়তো প্রযোজ্য হয়। এটা স্বীকৃত মানৰ বুদ্ধি পৰীক্ষা প্রস্তুত কৰিবলৈ এই নীতি-নিয়মসমূহৰ লগতে তলত উল্লেখ কৰা অতিৰিক্ত বিষয়সমূহো বিবেচনা কৰিব লাগে।

বুদ্ধি পৰীক্ষা এটা প্রস্তুত কৰাৰ সময়ত সদায় শ্রেণী (grade) অথবা বয়স (age)ৰ কথাটো বিবেচনা কৰা হয়। কাৰণ নির্দিষ্ট বয়স বা শ্রেণীৰ বাবে বুদ্ধি পৰীক্ষাৰ কিছুমান নির্দিষ্ট আকৃতি-প্রকৃতি থাকে। বুদ্ধি পৰীক্ষাত প্রয়োগ কৰিবলগীয়া আহিলা-সঁজুলিবোৰো সেই অনুসৰিয়ে বিকশিত বা বাছনি কৰিব লাগে। বুদ্ধি পৰীক্ষা এটাক স্বীকৃত মানবিশিষ্ট কৰা মানে হ'ল—

- পৰীক্ষাটোত প্রয়োগ কৰিবলগীয়া চর্ত বা পৰিস্থিতিসমূহক একে ধৰণৰ স্বীকৃত মানদণ্ডৰ কৰি তোলা।
- বুদ্ধিৰ স্তৰ অনুসৰি সেই স্বীকৃত মানদণ্ডৰ পৰিস্থিতিত পৰীক্ষাত অৱতীর্ণ হোৱা ব্যক্তিসকলৰ পৰা কেনে ফলাফল আশা কৰা হ'ব সেয়া নির্ধাৰণ কৰা (অর্থাৎ কিছুমান নীতি-নিয়ম স্থিৰ কৰা)।
- প্রাপ্ত ফলাফলবোৰ কেৱল বুদ্ধিৰ জোখ বুলি সুনিশ্চিত কৰা (অর্থাৎ, এনে জোখৰ বৈধতা প্রতিষ্ঠা কৰা)।
- নম্বৰ দিয়াৰ প্রক্রিয়াটোৱে পুনঃপৰীক্ষা কৰিবলগীয়া হোৱা পৰিস্থিতিতো যাতে একে ফলাফল প্রদান কৰে সেয়া সুনিশ্চিত কৰা (অর্থাৎ, ভৰসাযোগ্যতা প্রতিষ্ঠা কৰা)।
- ফলাফলসমূহৰ সঠিক আৰু বিজ্ঞানসম্মত ব্যাখ্যা নিশ্চিত কৰা।

পৰীক্ষা পৰিকল্পনা কৰি লোৱাৰ পাছত প্রথম কামটো হ'ল পৰীক্ষাৰ বাবে প্রয়োজন হোৱা আহিলা-সঁজুলিবোৰ লিখি লোৱা বা সংগ্রহ কৰা। পৰীক্ষাৰ প্রকৃতি অনুসৰি সংগৃহীত আহিলা-সঁজুলিৰ ধৰণ ভিন্ন হ'ব পাৰে। অর্থাৎ মৌখিক বুদ্ধি পৰীক্ষা আৰু অ-মৌখিক বুদ্ধি পৰীক্ষাৰ বাবে ব্যৱহৃত আহিলা-সঁজুলিৰ প্রকৃতি পৃথক হয়। এই কার্যধাপত প্রকৃত পৰীক্ষাটোৰ বাবে প্রয়োজনীয় আহিলাতকৈ অধিক সামগ্রী সংগ্রহ কৰি থোৱা উচিত। প্রস্তুতিৰ চূড়ান্ত পর্যায়ত সেই সামগ্রীবোৰৰ পর্যালোচনাৰ ভিত্তিত কিছুমান সামগ্রী বাদ দিয়া হ'ব পাৰে।

যিটো গোটক লক্ষ্য কৰি পৰীক্ষাটো প্রস্তুত কৰা হৈছে, সেই গোটটোৰ মাজৰ পৰা নির্বাচিত কিছুমান ব্যক্তিৰে এটা দল গঠন কৰি বাছনি কৰা আহিলা-সঁজুলিৰে এটা প্রাক্‌কালীন সম্পৰীক্ষা (pilot study) চলোৱাটো দ্বিতীয় কার্যধাপ। এই সম্পৰীক্ষাৰ মূল উদ্দেশ্য হৈছে অত্যন্ত জটিল আৰু অতি সহজ আহিলা-সঁজুলিবোৰ চিনাক্ত কৰা, বিসংগতিপূর্ণ আহিলা-সঁজুলিবোৰ বাছি উলিওৱা, আৰু দ্ব্যর্থক আহিলা-সঁজুলিবোৰ আঁতৰ কৰা। এনে আহিলা-সঁজুলিবোৰক বাদ দিয়া হয়, বা সংশোধন কৰা হয়, অথবা প্রয়োজন অনুসৰি সিহঁতৰ পৰিৱর্তে নতুন আহিলা-সঁজুলি প্রস্তুত কৰা হয়।

বাছনি কৰা চূড়ান্ত আহিলা-সঁজুলিবোৰ জটিলতাৰ মাত্রা অনুসৰি কমৰ পৰা বেছি ক্রমত সজোৱা হয়। এইখিনিতে মনত ৰখা উচিত যে পৰীক্ষাটোত ব্যৱহৃত আহিলা-সঁজুলিবোৰৰ অধিকাংশই অন্তত ৫০ শতাংশ শিক্ষার্থীৰ বাবে উমৈহতীয়া জটিলতাৰ স্তৰ (difficulty level)ৰ ভিতৰত থাকিব লাগিব। মাত্র কেইগৰাকীমান শিক্ষার্থীৰ বাবেহে কিছুমান আহিলা একেবাৰে সহজ বা অত্যন্ত কঠিন হ'ব লাগে।

পৰীক্ষাত ব্যৱহাৰ কৰিবলগীয়া আহিলা-সঁজুলিবোৰ চূড়ান্তভাৱে বাছনি কৰি সঠিক ক্রমত সজাই লোৱাৰ পাছত পৰীক্ষা সম্পন্ন কৰাৰ বাবে স্পষ্ট নির্দেশনা প্রস্তুত কৰিব লাগে। পৰীক্ষকে সেই নির্দেশনা অনুসৰি লক্ষ্য গোটৰ বৃহৎ প্রতিদর্শ (sample) এটাক পৰীক্ষা কৰে। পৰীক্ষা সম্পন্ন হোৱাৰ পাছত সঁহাৰি বা উত্তৰসমূহৰ ভিত্তিত বস্তুনিষ্ঠভাৱে নম্বৰ প্রদান কৰা হয়।

ইয়াৰ লগে লগে প্রাপ্ত নম্বৰ সঠিকভাৱে ব্যাখ্যা কৰিবলৈ মাপনী মান (scale) প্রস্তুত কৰি লোৱা হয়। এনে মাপনী মান স্থিৰ কৰাৰ সময়ত বিভিন্ন পৰিসাংখ্যিক পদ্ধতি অৱলম্বন কৰা হয়। তলত দুটামান বহুল ব্যৱহৃত মাপনী মানৰ বিষয়ে উল্লেখ কৰা হ'ল।

শতকৰা জোখ উলিওৱাৰ নিয়ম : কোনো এটা বিশেষ বয়স গোটৰ শিক্ষার্থীয়ে বুদ্ধি পৰীক্ষাত লাভ কৰা নম্বৰ এই নিয়মৰ সহায়ত বিচাৰ কৰি চোৱা আৰু ব্যাখ্যা কৰা হয়। ব্যক্তিয়ে পৰীক্ষাত লাভ কৰা পোনপটীয়া নম্বৰক শতাংশ হিচাপে প্রকাশ কৰিবলৈ এই প্রক্রিয়াৰ সহায় লোৱা হয়। শতকৰা মাপনী মান (percentile rank) হ'ল এনে এটা মান, যাৰ তলত এটা পৰীক্ষার্থী গোটৰ নির্দিষ্ট শতাংশ নম্বৰ অৱস্থিত থাকে। ধৰা হ'ল মাপনী মানটো ৬৫ শতাংশ। ইয়াৰ অর্থ হ'ল কোনো এটা গোটৰ পৰীক্ষার্থীসকলৰ ভিতৰত ১০০ জনৰ মাজত ৬৫ জনে এই মানতকৈ কম নম্বৰ লাভ কৰিছে।

স্বীকৃত সাধাৰণ মান আৰু মানসিক বয়স নিৰূপণ : যদি পৰীক্ষাত অৱতীর্ণ হোৱা শিক্ষার্থীসকল বিভিন্ন বয়স গোটৰ অন্তর্গত হয়, তেন্তে প্রতিটো বয়স গোটৰ বাবে পৃথক স্বীকৃত সাধাৰণ মান নির্ধাৰণ কৰি লোৱা হয়। ধৰা হ'ল, ৮ৰ পৰা ১১ বছৰ বয়সৰ শিক্ষার্থীৰ এটা গোটক ১০০টা আহিলা-সঁজুলি থকা এটা পৰীক্ষা দিয়াৰ কথা কোৱা হ'ল। এতিয়া ৮, ৯, ১০ আৰু ১১ বছৰীয়া শিক্ষার্থীৰ বয়স গোটসমূহৰ বাবে পৃথক পৃথক গড় (mean) নম্বৰ গণনা কৰি উলিওৱা হয়। এই গড় মানবোৰেই সংশ্লিষ্ট বয়স গোটসমূহৰ বাবে নির্ধাৰিত স্বীকৃত সাধাৰণ মান হিচাপে গণ্য কৰা হয়। একেটা পৰীক্ষা যেতিয়া আন এটা শিক্ষার্থী গোটৰ ওপৰত প্রয়োগ কৰা হয়, তেতিয়া সেই গোটে লাভ কৰা

নম্বৰসমূহ এই স্বীকৃত সাধাৰণ মানসমূহৰ সৈতে তুলনা কৰা হয়। যদি কোনো শিক্ষার্থীয়ে এটা নির্দিষ্ট বয়স গোটৰ বাবে নির্ধাৰিত গড় নম্বৰৰ সমান ফলাফল লাভ কৰে, তেন্তে তেওঁৰ ক্রমানুসাৰ বয়স যিয়েই নহওক কিয়, তেওঁৰ মানসিক বয়স সেই নির্দিষ্ট বয়স গোটৰ সমান বুলি ধৰা হয়। উদাহৰণস্বৰূপে, এজন আঠ বছৰীয়া ল'ৰাই যদি গড়ে দশ বছৰীয়া ল'ৰা এটাৰ বাবে নির্ধাৰিত স্বীকৃত সাধাৰণ মানৰ সমান নম্বৰ লাভ কৰে, তেন্তে তেওঁৰ মানসিক বয়স দশ বছৰ বুলি গণ্য কৰা হয়।

বুদ্ধি সূচ্যাংক (IQ) : কেৱল মানসিক বয়সৰ পৰা এগৰাকী ব্যক্তিৰ বুদ্ধি সম্পর্কে স্পষ্ট ধাৰণা কৰিব নোৱাৰি। এটা আঠ বছৰীয়া ল'ৰাৰ মানসিক বয়স দহ বছৰ আৰু এটা ছবছৰীয়া ল'ৰাৰ মানসিক বয়স আঠ বছৰ হ'ব পাৰে। কিন্তু দুয়োটা একে কথা নহয় আৰু দুয়োটাৰ মাজত সৰল তুলনা কৰাও সম্ভৱ নহয়। দুয়োটাৰ মাজত তুলনা কৰিবলৈ হ'লে মানসিক বয়স আৰু ক্রমিক বয়স দুয়োটাই বিবেচনা কৰি বুদ্ধি সূচ্যাংক (Intelligence Quotient) নির্ণয় কৰিব লাগে। বুদ্ধি সূচ্যাংক হ'ল ওপৰত উল্লেখ কৰা বয়সৰ অনুপাত। তলত IQ নিৰূপণ কৰাৰ সূত্রটো দিয়া হ'ল—

$$\text{IQ} = \frac{(\text{মানসিক বয়স})}{(\text{ক্রমিক বয়স})} \times ১০০$$

পৰীক্ষকে জুখিব খোজা মানসিক সামর্থ বা বিশেষত্বৰ ধাৰণাটো প্রথমে স্পষ্টভাৱে বিকশিত কৰি সংজ্ঞাৱদ্ধ কৰাটো সবাতোকৈ গুৰুত্বপূর্ণ কাম। ইয়াৰ পাছত যথোপযুক্ত পৰিসাংখিক জোখ-মাখ পদ্ধতি প্রয়োগ কৰি বুদ্ধি পৰীক্ষা এটাৰ ভৰসাযোগ্যতা (reliability) আৰু বৈধতা (validity) প্রতিষ্ঠা কৰা হয় আৰু তাৰ পিছত পৰীক্ষাটোক চূড়ান্ত ৰূপ দিয়া হয়। মনত ৰখা উচিত যে পৰীক্ষাটো লক্ষ্য গোটৰ প্রতিনিধি সদস্যসকলৰ মাজতেই প্রাক্কালীনভাৱে প্রয়োগ কৰি চোৱা উচিত। ইয়াৰ লগতে পৰীক্ষাটোৰ স্বীকৃত নীতি-নিয়মসমূহ প্রতিষ্ঠা কৰাৰ বাবেও লক্ষ্য গোটৰ প্রতিনিধি সদস্যৰে গঠিত এটা দলৰ প্রয়োজন হয়।

2 ৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিত পঢ়া মূল কথাবোৰৰ সংক্ষিপ্ত ৰূপ হ'ল এনেধৰণৰ—

- বুদ্ধি হ'ল এক আপেক্ষিকভাৱে স্থায়ী সাধাৰণ মানসিক সামর্থ্য। ই ব্যক্তিৰ সকলোবোৰ মনো-দৈহিক দৈহিক, শক্তি আৰু সামর্থক প্রভাৱিত কৰে।
- বুদ্ধি নামৰ এই মানসিক বৈশিষ্ট্যটোৱে ব্যক্তিৰ সকলো মানসিক কার্য-কলাপ সম্পাদনৰ ক্ষমতা নিয়ন্ত্রণ কৰে আৰু তেওঁৰ আচাৰ-আচৰণ পৰিচালনা কৰে।
- বুদ্ধি জোখাৰ বাবে বিকশাই তোলা পৰীক্ষাবোৰ ভিন ভিন প্রকাৰৰ হ'ব পাৰে। এই পৰীক্ষাবোৰক মৌখিক, অ-মৌখিক, ব্যক্তিগত আৰু দলীয় শিতানত ভগোৱা হয়।

- বুদ্ধি জুখিবলৈ ব্যৱহাৰ কৰা বিভিন্ন প্ৰকাৰৰ পৰীক্ষাবোৰৰ পৰা ব্যক্তিৰ বুদ্ধি সূচ্যাংক অথবা IQ গণনা কৰি উলিয়াব পাৰি। বুদ্ধি পৰীক্ষাৰ অসংখ্য তত্ব আছে যদিও এই তত্ববোৰৰ মাজত বুদ্ধিৰ প্ৰকৃতি সম্পৰ্কীয় কোনো সহমত নাই বুলিব পাৰি। প্ৰতিটো তত্বই আনটো তত্বৰ পৰস্পৰ বিৰোধিতা প্ৰদৰ্শনকাৰী দৃষ্টিভংগীৰে বুদ্ধিৰ ধাৰণাটো ব্যাখ্যা কৰে।
- এটা বুদ্ধি পৰীক্ষা প্ৰস্তুত কৰাৰ সময়ত স্বীকৃত মানৰ মনোবৈজ্ঞানিক পৰীক্ষা এটা প্ৰস্তুত কৰোঁতে মানি চলা সাধাৰণ নীতি-নিয়ম আৰু কাৰ্যঢাপবোৰকে অনুসৰণ কৰিব লাগে।

৯.৮ অধিক জানিবলৈ

1) Chauhan, S. S. (1978): Advanced Educational Psychology, Vikas Publishing House Private Limited, New Delhi
2) Gardner, H. (1993): Multiple intelligences: The theory in practice, Basic Books, New York
3) Mangal, S. K. (2014): Advanced Educational Psychology, 2nd Edition, PHI Learning Private Limited, Delhi
4) Stanley & Hopkins (1966): Education and Psychological Measurement and Evaluation, Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বুদ্ধি (Intelligence) হ'ল এক বহুমুখী বিভক্ত সাধাৰণ মানসিক সামৰ্থ। ই ব্যক্তিৰ মনো-দৈহিক গঠন, শক্তি আৰু সামৰ্থক প্ৰভাৱিত কৰে। এই মানসিক বৈশিষ্ট্যটো আপেক্ষিকভাৱে স্থায়ী। বুদ্ধিয়ে ব্যক্তিৰ সকলো মানসিক কাৰ্য-সম্পাদন প্ৰক্ৰিয়া আৰু আচৰণ নিৰ্ধাৰণ, নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ বুদ্ধি জুখিবলৈ বিশেষভাৱে প্ৰস্তুত কৰি লোৱা পৰীক্ষাবোৰকে বুদ্ধি পৰীক্ষা বোলে। এই পৰীক্ষা বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। এই পৰীক্ষাবোৰৰ সহায়ত ব্যক্তিৰ চিন্তা কৰিব পৰা, যুক্তি খটুৱাব পৰা, শিকিব পৰা আৰু আন বহুতো মানসিক সামৰ্থ্য তথা দক্ষতা জোখা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ এগৰাকী ব্যক্তিৰ মানসিক বয়সে কোনো এটা বিশেষ বয়স গোটৰ বাবে স্থিৰ কৰি লোৱা প্ৰশ্ন অথবা কাৰ্য সম্পাদন কৰাৰ সামৰ্থ্য প্ৰতিফলিত কৰে। পাঁচ বছৰীয়া শিশু এটাই সাত বছৰীয়া শিশু এটাৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নবোৰৰ উত্তৰ যদি সফলতাৰে দিব পাৰে, তেন্তে শিশুটোৰ মানসিক বয়স সাত বছৰ বুলি ধৰা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ বুদ্ধিৰ মৌখিক পৰীক্ষা : এইবোৰ হ'ল বুদ্ধি পৰীক্ষাৰ কিছুমান পুৰণি কৌশল। এই পৰীক্ষাসমূহৰ প্রধান মাধ্যম হ'ল কথিত আৰু লিখিত ভাষা। পৰীক্ষাত অৱতীর্ণ হোৱাসকলক সাধাৰণতে লিখিত নির্দেশনা দিয়া হয়। তেওঁলোকে কথিত অথবা লিখিত ভাষা ব্যৱহাৰ কৰি প্রশ্নবোৰৰ উত্তৰ দিয়ে।

৫ নং প্রশ্নৰ উত্তৰঃ

- দলীয় বুদ্ধি পৰীক্ষাৰ দ্বাৰা আহৰণ কৰা তথ্যৰ নির্ভুলতা সাধাৰণতে ব্যক্তিগত বুদ্ধি পৰীক্ষাতকৈ কম হোৱা দেখা যায়।
- পৰীক্ষা লোৱাসকলে পৰীক্ষার্থীৰ সৈতে বুজাবুজি আৰু সহযোগিতা গঢ়ি তোলাৰ সুযোগ কমকৈ পায় আৰু দীঘলীয়া সময়ৰ বাবে পৰীক্ষার্থীৰ মনোযোগ বর্তাই ৰাখিব নোৱাৰে।

৯.১০ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. বুদ্ধিৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ২. বুদ্ধি কেনেকৈ জোখা হয়?

প্রশ্ন ৩. বহু-বুদ্ধি (Multiple Intellience)ৰ ধাৰণাটো আলোচনা কৰক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. বুদ্ধিৰ কাৰক তত্ত্বৰ বিষয়ে এটা চমুটোকা প্রস্তুত কৰক।

প্রশ্ন ২. বুদ্ধি পৰীক্ষাৰ প্রয়োগৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩. বিভিন্ন প্রকাৰৰ বুদ্ধি পৰীক্ষাৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ৪. এটা বুদ্ধি পৰীক্ষা প্রস্তুত কৰাৰ সময়ত মানি চলা কার্য-প্রক্রিয়াবোৰৰ বিষয়ে আলোচনা কৰক।

*****

অধ্যায় ১০ : শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপণ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ শিক্ষা গ্রহণ ক্ষমতা (Aptitude)ৰ অর্থ
১০.৪ শিক্ষা গ্রহণ ক্ষমতাৰ সংজ্ঞা
১০.৫ শিক্ষা গ্রহণ ক্ষমতাৰ প্রকৃতি তথা বৈশিষ্ট্য
১০.৬ শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপণ
১০.৬.১ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ অর্থ
১০.৭ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ প্রকাৰ
১০.৭.১ একাধিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (Multiple Aptitude Batteries/ MAB)
১০.৭.১ (ক) সাধাৰণ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা সন্নিৱেশ (General Aptitude Test Battery/ GATB)
১০.৭.১ (খ) পার্থক্যসূচক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (Differential Aptitude Tests/ DAT)
১০.৭.১ (গ) প্রাথমিক মানসিক সামর্থ পৰীক্ষা (Test of Primary Mental Ability/ PMA)
১০.৭.২ সুনির্দিষ্ট শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপণ
১০.৭.২ (ক) যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা
১০.৭.২ (খ) কেৰাণী সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতা
১০.৭.২ (গ) সাংগীতিক আৰু শিল্পীসুলভ সামর্থ
১০.৭.২ (ঘ) কলা শিকাৰ বাবে প্রয়োজনীয় সামর্থৰ পৰিমাপণ
১০.৭.২ (ঙ) জ্ঞান অর্জন সম্বন্ধীয় আৰু বৃত্তিজীৰি শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা
১০.৮ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ গুৰুত্ব
১০.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১০.১০ অধিক জানিবলৈ
১০.১১ অগ্রগতিৰ খতিয়ান
১০.১২ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- শিক্ষা গ্রহণ ক্ষমতাৰ অর্থ আৰু প্রকৃতি ব্যাখ্যা কৰিব পাৰিব।
- শিক্ষা গ্রহণ পৰীক্ষা ক্ষমতাৰ সংজ্ঞা আগবঢ়াব পাৰিব।
- বিভিন্ন প্রকাৰৰ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাক শ্রেণীবিভক্ত কৰিব পাৰিব।
- উদাহৰণসহ একাধিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- বিভিন্ন বিশেষীকৃত শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ গুৰুত্ব আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এয়া প্রায়েই কোৱা শুনা যায় যে কিছুমান মানুহৰ বৌদ্ধিক সামর্থ বা বুদ্ধি আন বহুততকৈ অধিক হয় আৰু তেওঁলোকৰ কিছুমান বিশেষ শিকন সামর্থ বা শিক্ষা গ্রহণ ক্ষমতাও থাকে। এজন ব্যক্তিয়ে অধ্যয়ন বা জীৱিকা অর্জনৰ ক্ষেত্রত সফল হ'বনে নহয় সেই কথা পূর্বানুমান কৰাৰ সময়ত বুদ্ধিৰ পিছতেই বিবেচনা কৰিবলগীয়া গুৰুত্বপূর্ণ বৈশিষ্ট্যটো হ'ল ব্যক্তিৰ শিক্ষা গ্রহণ ক্ষমতা। বুদ্ধিক সাধাৰণভাৱে জীৱনৰ সামগ্রিক সফলতাৰ সৈতে সাঙোৰা হয়, আনহাতে শিক্ষা গ্রহণ ক্ষমতাক ব্যক্তিৰ বৃত্তিমুখী জীৱনৰ সফলতাৰ সৈতে অধিক জড়িত বুলি ধৰা হয়। শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা কৰি কোনো ব্যক্তিয়ে এদিন নেতা হ'বনে, ভাল সংগীতজ্ঞ হ'বনে বা দক্ষ শিক্ষক হ'বনে— সেয়া কিছু পৰিমাণে অনুমান কৰিব পৰা যায়। এই বিশেষ শিক্ষা গ্রহণ সামর্থবোৰেই ব্যক্তিক পৰস্পৰৰ পৰা পৃথক কৰি তোলে। এই বৈশিষ্ট্য কেৱল ব্যক্তিগত জীৱনত নহয়, বিভিন্ন ক্ষেত্রত কাম কৰাৰ সময়ত ব্যক্তিয়ে প্রদর্শন কৰা পাৰদর্শিতাৰ ক্ষেত্রতো প্রযোজ্য। সেয়েহে সাধাৰণ বুদ্ধি পৰিমাপৰ লগতে ব্যক্তিৰ শিক্ষা গ্রহণ ক্ষমতাও জুখি চোৱা উচিত। ইয়াৰ দ্বাৰা ব্যক্তিৰ সম্ভাৱনীয়তাৰ বিষয়ে অধিক সঠিক তথ্য সংগ্রহ কৰিব পৰা যায়। এই অধ্যায়ত মানুহৰ শিক্ষা গ্রহণ ক্ষমতা কেনেদৰে পৰীক্ষা কৰি চোৱা হয় সেই বিষয়ে আলোচনা কৰা হ'ব।

১০.৩ শিক্ষা গ্রহণ ক্ষমতা (Aptitude)ৰ অর্থ

শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ বিষয়ে জনাৰ আগতে ইয়াৰ অর্থ জানি লোৱাটো ভাল। শিক্ষা গ্রহণ ক্ষমতা বুজোৱা ইংৰাজী শব্দ 'Aptitude'ৰ মূল শব্দ হৈছে 'aptos'। ইয়াৰ অর্থ হ'ল 'উপযুক্ত' বা 'খাপ খোৱা' (fitted for)। শিক্ষা গ্রহণ ক্ষমতা এক বিশেষ ধৰণৰ সামর্থ। ই ব্যক্তিক কোনো বিশেষ ক্ষেত্রত প্রয়োজনীয় নিপুণতা বা সফলতা অর্জনত সহায় কৰে। ধৰি লোৱা হ'ল, এগৰাকী ব্যক্তিৰ মৌখিক

সামৰ্থ্য অধিক। তেওঁ সুন্দৰভাৱে কথা ক'ব পাৰে। কিন্তু কেৱল এই সামৰ্থ্যৰ সহায়ত তেওঁ আন কোনো বৃত্তিমুখী কাম বা দক্ষতা আয়ত্ত কৰিব পাৰিব বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। এগৰাকী ব্যক্তিৰ কোনো বিশেষ কাৰ্যকলাপ সম্পাদন কৰাৰ ক্ষমতা আছে বুলি কোৱাৰ অৰ্থ হ'ল তেওঁ কোনো পূৰ্বানুমানযোগ্য নিৰ্বাচিত পৰীক্ষাত বৰ্তমান সময়ত পাৰদৰ্শিতাৰ মাধ্যমেৰে নিজৰ সম্ভাৱনা প্ৰদৰ্শন কৰিছে। উদাহৰণস্বৰূপে, যদি আমি ৰীতা নামৰ এজনী ছোৱালীৰ সংগীত শিকাৰ ক্ষমতা আছে বুলি কওঁ, তাৰ অৰ্থ হ'ল ৰীতাই নিজৰ বৰ্তমান সামৰ্থ্যৰ ভিত্তিত এয়া প্ৰদৰ্শন কৰিছে যে উপযুক্ত প্ৰশিক্ষণৰ সহায়ত তাই সংগীত ক্ষেত্ৰত নিপুণ হৈ উঠিব পাৰে। শিক্ষা গ্ৰহণ ক্ষমতা হ'ল ব্যক্তিৰ অন্তৰ্নিহিত সম্ভাৱনীয়তাৰ এক সীমাৰ ভিতৰত থকা পৰিস্থিতি, গুণ বা গুণসমষ্টি। এই সীমাৰ ভিতৰত ব্যক্তিয়ে কিছুমান বিশেষ জ্ঞান আহৰণ কৰে, বিশেষ ধৰণৰ কথা বুজি পায় অথবা বিভিন্ন ধৰণৰ কাৰ্য সম্পাদনৰ দক্ষতা আয়ত্ত কৰে। ইয়াৰ বাবে ব্যক্তিক উপযুক্ত প্ৰশিক্ষণৰ প্ৰয়োজন হয়।

বিংহাম (Bingham)এ শিক্ষা গ্ৰহণ ক্ষমতাৰ সবাতোকৈ উপযুক্ত ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ এই ব্যাখ্যা ৱাৰেনৰ মনোবিজ্ঞানৰ অভিধান (Warren's Dictionary of Psychology)ত অন্তৰ্ভুক্ত কৰা হৈছে। বিংহামৰ মতে শিক্ষা গ্ৰহণ ক্ষমতা হ'ল "এক পৰিস্থিতি অথবা বৈশিষ্ট্যৰ সমষ্টি। ই ব্যক্তিৰ আয়ত্ব কৰিব পৰা সামৰ্থ নিৰ্ভৰশীল। ব্যক্তিয়ে প্ৰশিক্ষণৰ জৰিয়তে কিছুমান (সাধাৰণতে সুনিৰ্দিষ্ট প্ৰকৃতিৰ) জ্ঞান, দক্ষতা আৰু সঁহাৰি সমষ্টি আয়ত্ব কৰি এই সামৰ্থৰ গৰাকী হয়। যেনে— কোনো ভাষাত কথা কোৱাৰ সামৰ্থ, সংগীত সৃষ্টি কৰাৰ সামৰ্থ.....।" বিংহামে শিক্ষা গ্ৰহণ ক্ষমতাক কিছুমান বিশেষ পৰিস্থিতিত ব্যক্তিয়ে প্ৰশিক্ষণৰ সহায়ত সফল হ'ব পৰা সম্ভাৱনীয়তাৰ পৰিমাপ বুলিও অভিহিত কৰিছে। তেওঁ মতে, শিক্ষা গ্ৰহণ ক্ষমতা বোলা ধাৰণাটো তিনিটা অনুমানৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে—

- ব্যক্তিৰ অন্তৰ্নিহিত সম্ভাৱনীয়তাবোৰ সমানভাৱে শক্তিশালী নহয়।
- সম্ভাৱনীয়তাৰ দিশৰ পৰা প্ৰতিগৰাকী ব্যক্তি আনৰ পৰা পৃথক।
- এই প্ৰভেদবোৰৰ মাজৰ বহুতো প্ৰভেদ সুস্থিৰ প্ৰকৃতিৰ হয়।

অৰ্থাৎ শিক্ষা গ্ৰহণ ক্ষমতা ব্যক্তিৰ সাধাৰণ সামৰ্থতকৈ বিশেষভাৱে উচ্চ আৰু নিৰ্দিষ্ট প্ৰকৃতিৰ হয়। ই পাৰদৰ্শিতাৰ এক সুসংগঠিত আৰু লক্ষ্যভিত্তিক সামৰ্থ। কেৱল জ্ঞান অৰ্জনৰ বিশেষ পাৰদৰ্শিতা থকা বা পাণ্ডিত্যপূৰ্ণ ব্যক্তি এজনৰ মৌখিক সামৰ্থ উচ্চ হ'লেও তেওঁ ভাল শিক্ষক হ'বই বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। কাৰণ কেৱল উচ্চ জ্ঞান-অৰ্জন ক্ষমতা বা শিকোৱাৰ প্ৰতি আগ্ৰহ থাকিলেই কোনো ব্যক্তি শিক্ষণ ক্ষমতাৰ অধিকাৰী হয় বুলি ধৰা নাযায়। এজন ভাল শিক্ষকৰ বাবে ব্যক্তিত্বত আন কিছুমান বিশেষ বৈশিষ্ট্যও নিহিত থাকিব লাগে। একেদৰে বৈজ্ঞানিক সামৰ্থৰ পৰিমাপত উচ্চ স্তৰ লাভ কৰা সকলো ব্যক্তি সফল চিকিৎসক হ'ব নোৱাৰে। এজন সফল চিকিৎসক হ'বলৈ অধ্যৱসায়, সামাজিকভাৱে মিলি যাব পৰা গুণ, মানৱজাতিৰ প্ৰতি সহানুভূতিশীল মনোভাৱ, আৰু অস্ত্ৰোপচাৰ আদি সূক্ষ্ম কাৰ্য সম্পাদনৰ বাবে ক্ষীপ্ৰ আঙুলি সঞ্চালনৰ দক্ষতা আদি বহুতো বিশেষ গুণৰ প্ৰয়োজন হয়।

জানি থোৱা ভাল

বাস্তৱত শিক্ষা গ্রহণৰ ক্ষমতাই এগৰাকী ব্যক্তি তলত উল্লেখ কৰা কথাবোৰৰ সৈতে খাপ খাই পৰেনে নাই সেয়া ভৱিষ্যৎবাণী কৰে—

- সফলতা— অতীতৰ কথা বুজায়; পূৰ্বতে কি কাম কৰিছে সেয়া জনাত সহায় কৰে।
- সামৰ্থ্য—বৰ্তমানৰ কথা বুজায়; এই সময়ত কি ক্ষমতাৰ অধিকাৰী সেয়া জনাত সহায় কৰে।
- শিক্ষা গ্রহণৰ ক্ষমতা— ভৱিষ্যতৰ কথা বুজায়; ভৱিষ্যতে ব্যক্তি কি হ'ব পাৰে সেয়া জনাত সহায় কৰে।

১০.৪ শিক্ষা গ্রহণ ক্ষমতাৰ সংজ্ঞা

শিক্ষা গ্রহণ ক্ষমতাৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে অন্বেষণ আৰম্ভ কৰাৰ আগতে ইয়াৰ দুটামান সংজ্ঞা আলোচনা কৰো আহক—

- শিক্ষাৰ অভিধান (Dictionary of Education)ত শিক্ষা গ্রহণ ক্ষমতা'ৰ সংজ্ঞা এনেদৰে দিয়া হৈছে- "কোনো নির্দিষ্ট কলা, পাঠ্যক্রমকেন্দ্রিক বিষয় অথবা কোনো বৃত্তিমুখী শিক্ষাৰ দৰে কোনো এক প্রদত্ত কর্মৰাশি সম্পন্ন কৰাৰ অন্তর্নিহিত ক্ষমতা অথবা সামৰ্থ্য।"
- বিংহাম (১৯৩৭ চন)ৰ ভাষাত, "শিক্ষা গ্রহণৰ ক্ষমতা হৈছে ব্যক্তিয়ে পৰিস্থিতিৰ সৈতে খাপ খুৱাব পৰা এক বিশেষ বৈশিষ্ট্য। এই ক্ষমতাক ব্যক্তিৰ সম্ভাব্য সামৰ্থসমূহ দক্ষভাৱে আয়ত্ত কৰাৰ বাবে প্রয়োজনীয় এক মৌলিক দিশ বুলি ক'ব পাৰি। অন্য অর্থত, নিজৰ সামৰ্থ বিকাশ আৰু অনুশীলন কৰাৰ বাবে আগ্রহ প্রকাশ কৰা আৰু তাৰ বাবে সাজু হোৱা ব্যক্তিৰ মনোভাৱকো শিক্ষা গ্রহণৰ ক্ষমতা বুলি অভিহিত কৰিব পাৰি।"
- ফ্রীমেনে আগবঢ়োৱা শিক্ষা গ্রহণ ক্ষমতাৰ সংজ্ঞা অনুসৰি ই হ'ল "কোনো এটা ভাষাত সাবলীলভাৱে কথা ক'ব পৰা ক্ষমতা, সংগীতজ্ঞ হোৱাৰ সামৰ্থ বা যন্ত্র-পাতিৰ কাম দক্ষতাৰে সম্পন্ন কৰিব পৰা ক্ষমতা আদি যেনে নির্দিষ্ট জ্ঞান, দক্ষতা অথবা সুসংগঠিত সঁহাৰিৰ সমষ্টি উপযুক্ত প্রশিক্ষণৰ সহায়ত আয়ত্ত কৰিবলৈ এগৰাকী ব্যক্তিয়ে প্রদর্শন কৰা সামৰ্থক বুজোৱা কিছুমান বৈশিষ্ট্যৰ সমষ্টিকেই শিক্ষা গ্রহণৰ ক্ষমতা বুলি কোৱা হয়।"
- ট্রেক্সলাৰৰ ভাষাত, "শিক্ষা গ্রহণৰ ক্ষমতা হৈছে ব্যক্তিৰ অন্তর্নিহিত এক গুণ বা গুণসমষ্টি। এই ক্ষমতাই উপযুক্ত প্রশিক্ষণৰ সহায়ত কোনো জ্ঞান আহৰণ, কোনো বিষয় বুজি পোৱা অথবা কোনো দক্ষতা বিকাশ কৰাৰ ক্ষেত্রত ব্যক্তিয়ে কিমান দূৰ সম্ভাব্য স্তৰলৈ আগবাঢ়িব পাৰে সেইটো সূচায়।"

- ভন ডুচেনৰ সংজ্ঞা তুলনামূলকভাৱে কিছু কঠিন। তেওঁৰ মতে, "শিক্ষা গ্রহণৰ ক্ষমতা হৈছে শিকনৰ সম্ভাব্য হাৰৰ এক পৰিমাপ, যাৰ ফলাফল আগ্রহ আৰু সন্তুষ্টিৰ ৰূপত প্রকাশ পায়। ই আপেক্ষিকভাৱে সুনির্দিষ্ট আৰু সংকীর্ণ প্রকৃতিৰ।"

১০.৫ শিক্ষা গ্রহণ ক্ষমতাৰ প্রকৃতি তথা বৈশিষ্ট্য

শিক্ষা গ্রহণৰ ক্ষমতাৰ ধাৰণা আৰু অর্থ স্পষ্টভাৱে বুজিবলৈ, ইয়াৰ প্রকৃতি আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে থকা জ্ঞান বিশেষভাৱে সহায়ক।

- শিক্ষা গ্রহণৰ ক্ষমতা হৈছে এক জন্মগত আৰু অন্তর্নিহিত গুণ, যি কোনো নির্দিষ্ট ক্ষেত্রত উপযুক্ত প্রশিক্ষণৰ সহায়ত প্রকাশ পায়।
- শিক্ষা গ্রহণৰ ক্ষমতাক বংশানুক্রমিক আৰু পৰিৱেশগত কাৰকে প্রভাৱিত কৰে। বংশানুক্রমিক বৈশিষ্ট্যই ব্যক্তিক সম্ভাৱনাৰ গৰাকী কৰি তোলে, আৰু পৰিৱেশগত কাৰকে সেই সম্ভাৱনাসমূহৰ বিকাশ আৰু প্রকাশৰ পথ প্রশস্ত কৰে। সাধাৰণতে, ব্যক্তিৰ শিক্ষা গ্রহণৰ ক্ষমতা কম-বেছি পৰিমাণে সুস্থিৰ হৈ থাকে।
- শিক্ষা গ্রহণৰ ক্ষমতা সাধাৰণ সামর্থ নহয়; ই ব্যক্তিৰ অন্তর্নিহিত এক বিশেষ প্রতিভা। বিভিন্ন ধৰণৰ কার্য সম্পাদনৰ বাবে এই প্রতিভাৰ প্রয়োজন হয়। এই ক্ষমতাৰ প্রকৃতি সুনির্দিষ্ট, সেয়ে সকলো পৰিস্থিতিত একে ধৰণে ইয়াৰ প্রয়োগ সম্ভৱ নহয়; কার্যভেদে ভিন্ন ভিন্ন বিশেষ ক্ষমতাৰ প্রয়োগ প্রয়োজন হয়। শিক্ষা গ্রহণৰ ক্ষমতাক সৰল সামর্থ হিচাপে ব্যাখ্যা কৰিব নোৱাৰি, কাৰণ ইয়াৰ স্বৰূপ অখণ্ড আৰু সামগ্রিক।
- ব্যক্তিৰ শিক্ষা গ্রহণৰ ক্ষমতা সম্পর্কে থকা জ্ঞানে তেওঁ ভৱিষ্যতে কেনে ধৰণৰ কাম সম্পাদন কৰিব পাৰিব, সেই বিষয়ে অনুমান কৰিবলৈ সহায় কৰে। অর্থাৎ, এই ক্ষমতা বর্তমানৰ এক অৱস্থা হলেও, ইয়াৰ সৈতে ভৱিষ্যৎ সম্ভাৱনাৰ সূচনাও জড়িত হৈ থাকে।
- শিক্ষা গ্রহণৰ ক্ষমতা হৈছে বিভিন্ন ধৰণৰ দক্ষতা আয়ত্ত কৰা বা আচৰণ শিকাৰ সামর্থ। ই কেৱল ইতিমধ্যে আহৰণ কৰা দক্ষতাৰ সমষ্টিক নুবুজায়। উদাহৰণস্বৰূপে, কোনো ব্যক্তিৰ বর্তমান গাড়ী চলোৱাৰ দক্ষতা নাথাকিব পাৰে; কিন্তু গাড়ী চলাবলৈ প্রয়োজনীয় শিক্ষা গ্রহণৰ ক্ষমতা তেওঁৰ থাকিব পাৰে। অর্থাৎ, উপযুক্ত প্রশিক্ষণ লাভ কৰিলে তেওঁ গাড়ী চলোৱাৰ বাবে প্রয়োজনীয় দক্ষতা আয়ত্ত কৰিবলৈ সক্ষম হ'ব। সেয়েহে কোৱা হয় যে—

  শিক্ষা গ্রহণ ক্ষমতা = সামর্থ + সফলতাৰ সম্ভাৱনীয়তা
- শিক্ষা গ্রহণৰ ক্ষমতা হৈছে কোনো নির্দিষ্ট কাম সম্পাদনৰ ক্ষেত্রত ব্যক্তিৰ সামর্থ বা সম্ভাৱনীয়তাক সূচোৱা এক লক্ষণ। ই সেই কামৰ বাবে প্রয়োজনীয় খাপ খুৱাব পৰা গুণ আৰু উপযুক্ততাৰ কথাও বুজায়।

- শিক্ষা গ্রহণৰ ক্ষমতা হৈছে ব্যক্তিৰ সামর্থ আৰু ব্যক্তিত্বত নিহিত বিভিন্ন বৈশিষ্ট্যৰ এক অনন্য সংমিশ্রণ। ই ব্যক্তিক কোনো এটা কামতকৈ আন ধৰণৰ কাম অধিক দক্ষতাৰে সম্পাদন কৰাত সহায় কৰে। এইদৰে যিটো কাম তেওঁ অধিক দক্ষতাৰে কৰিব পাৰে, তাত তেওঁৰ সফলতাৰ সম্ভাৱনাও বৃদ্ধি পায়।
- শিক্ষা গ্রহণৰ ক্ষমতাৰ প্রকৃতি বহুমাত্রিক আৰু বস্তুগত। ই মানৱ ব্যক্তিত্বৰ কেৱল একক বৈশিষ্ট্য নহয়; ববং বিভিন্ন বৌদ্ধিক, মানসিক আৰু ব্যক্তিগত গুণৰ সংমিশ্রণ। উদাহৰণস্বৰূপে, বিজ্ঞান শিকাৰ ক্ষমতা বুজালে যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা ক্ষমতা, বিমূর্তভাৱে যুক্তি স্থাপন কৰিব পৰা সামর্থ আৰু পাটীগণিতীয় যুক্তি গঢ়ি তুলিব পৰা দক্ষতা আদি মৌলিক বৌদ্ধিক গুণসমূহৰ উপস্থিতি বুজায়। ইয়াৰ উপৰিও, পৰীক্ষা-নিৰীক্ষাৰ প্রতি আগ্রহ, উদ্ভাৱনী চিন্তা, অধ্যাৱসায় আৰু কঠোৰ পৰিশ্রম কৰিব পৰা মানসিকতা আদি ব্যক্তিগত গুণো এই ক্ষেত্রত জড়িত থাকে। আনহাতে, এগৰাকী সফল স্থপতিবিদ হ'বলৈ সূক্ষ্ম পর্যবেক্ষণ ক্ষমতা, দৃষ্টিনন্দন স্মৃতিশক্তি, বিমূর্ত চিন্তনৰ দক্ষতা আৰু সহজে (free-hand) ৰেখাচিত্র অংকন কৰিব পৰা সামর্থ আদি নির্দিষ্ট বৈশিষ্ট্যৰ সমষ্টি এটাৰ গৰাকী হ'ব লাগে।
- শিক্ষা গ্রহণৰ ক্ষমতা সম্পূর্ণ অনমনীয় বা স্থিৰ প্রকৃতিৰ নহয়।

শেষত ক'ব পাৰি যে শিক্ষা গ্রহণৰ ক্ষমতা হৈছে এক স্বাভাৱিক প্রৱণতা, বিশেষ সামর্থ, বিশেষ ক্ষমতা অথবা এনে সামর্থসমূহৰ সমষ্টি। সাধাৰণতে, ব্যক্তিৰ শিকাৰ বাবে সদায় প্রস্তুত মনোভাৱ বা কোনো নির্দিষ্ট বৃত্তিৰ বাবে থকা উপযুক্ততাৰ আধাৰত এই স্বাভাৱিক প্রৱণতাসমূহ মূল্যায়ন কৰা হয়। যেতিয়ালৈকে অনুকূল পৰিৱেশ সৃষ্টি নহয় বা উপযুক্ত সুবিধা প্রদান কৰা নাযায়, তেতিয়ালৈকে এই ক্ষমতাসমূহ সম্পূর্ণৰূপে বিকশিত বা পৰিস্ফুট নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. শিক্ষা গ্রহণ ক্ষমতাৰ ধাৰণাটোৰ সৈতে বিংহামে সংযুক্ত কৰা অনুমান দুটা কি কি?

প্রশ্ন ২. শিক্ষা গ্রহণ ক্ষমতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ৩. শিক্ষা গ্রহণ ক্ষমতা আৰু সামর্থৰ মাজৰ প্রভেদ নিৰূপণ কৰক।

প্রশ্ন ৪. খালী ঠাই পূৰণ কৰক–

শিক্ষা গ্রহণ ক্ষমতা _____=_____

১০.৬ শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপণ

বিভিন্ন উপায়ৰ জৰিয়তে ব্যক্তিৰ শিক্ষা গ্রহণৰ ক্ষমতা জোখা হয়। ছাত্র-ছাত্রীৰ ক্ষেত্রত অতীতৰ শৈক্ষিক সফলতা, শিক্ষকে কৰা পর্যবেক্ষণ, ছাত্র-ছাত্রীয়ে বাছনি কৰা অভিৰুচি, সাক্ষাৎকাৰ, তেওঁলোকে নিজে নিজৰ বিষয়ে কৰা প্রাক্‌মূল্যায়নৰ ধৰণ, আৰু স্বীকৃত মানদণ্ডযুক্ত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ

সহায়ত এই ক্ষমতা নিৰূপণ কৰা হয়। উল্লেখিত উপায়সমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা। উপযুক্ত শিক্ষা আৰু শৈক্ষিক নির্দেশনা লাভ কৰিলে ব্যক্তিয়ে কি কৰিবলৈ সক্ষম হ'ব, বা কি শিকিব আৰু কৰিব পাৰিব—তাৰ আগতীয়া অনুমান কৰাৰ উদ্দেশ্যে এইধৰণৰ পৰীক্ষাসমূহ প্রস্তুত কৰা হয়। এই পৰীক্ষাসমূহৰ জৰিয়তে ব্যক্তিৰ বুদ্ধি আৰু সামর্থৰ বিভিন্ন দিশ মূল্যায়ন কৰি মানসিক অথবা শাৰীৰিক প্রতিভাৰ স্তৰ নির্ধাৰণ কৰা হয়। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিৰ শৈক্ষিক সম্ভাৱনীয়তা অথবা উপযুক্ত জীৱিকা নির্বাচনৰ ক্ষেত্রত সহায় কৰা। কোনো নির্দিষ্ট কার্যকলাপত সফল হ'বলৈ ব্যক্তিৰ মাজত প্রয়োজনীয় সম্ভাৱনীয়তা আছে নে নাই, সেইটো নিৰূপণ কৰাৰ বাবেও শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা ব্যৱহাৰ কৰা হয়।

১০.৬.১ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ অর্থ

শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ একেবাৰে সাধাৰণ সংজ্ঞা হৈছে কোনো ধৰণৰ আগতীয়া জ্ঞান বা প্রশিক্ষণ অবিহনে কোনো নির্দিষ্ট কাম সম্পাদন কৰিবলৈ ব্যক্তিৰ প্রতিভা, সামর্থ বা সম্ভাৱনীয়তা আছে নে নাই, সেইটো মূল্যায়ন কৰাৰ এক উপায়। এইধৰণৰ পৰীক্ষাসমূহত ধৰি লোৱা হয় যে প্রত্যেক ব্যক্তিৰ কিছুমান অন্তর্নিহিত শক্তি আৰু দুর্বলতা থাকে। এই অন্তর্নিহিত বৈশিষ্ট্যসমূহৰ আধাৰত ব্যক্তিয়ে কোনো নির্দিষ্ট ক্ষেত্রত সফলতা বা বিফলতাৰ দিশে স্বাভাৱিক প্রৱণতা প্রকাশ কৰে।

বুদ্ধি-পৰীক্ষাৰে যিদৰে ব্যক্তিৰ সাধাৰণ মানসিক সামর্থ জুখি চোৱা হয়, তেনেদৰে শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰে ব্যক্তিৰ অন্তর্নিহিত বিশেষ সামর্থসমূহৰ স্তৰ বা মাত্রা নির্ধাৰণ কৰা হয়। উপযুক্ত সুযোগ-সুবিধাৰে সমৃদ্ধ পৰিৱেশত ব্যক্তিয়ে কোনো নির্দিষ্ট আচৰণ বা দক্ষতা আয়ত্ত কৰিবলৈ কেনে ধৰণৰ সামর্থ প্রদর্শন কৰে, সেই বিষয়ে এই পৰীক্ষাসমূহে স্পষ্ট ধাৰণা দিয়ে। এই পৰীক্ষাসমূহ মূলতঃ কোনো ব্যক্তি কোনো নির্দিষ্ট পাঠ্যক্রম বা প্রশিক্ষণৰ পৰা কিমানখিনি লাভৱান হ'ব পাৰে, তাৰ আগতীয়া মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, কেৰাণী-সম্পর্কীয় শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ জৰিয়তে নিৰূপণ কৰা হয় যে উপযুক্ত প্রশিক্ষণ আৰু সঠিক কর্মপ্রেৰণাৰে উদ্বুদ্ধ হোৱাৰ পাছত কোনো ব্যক্তি কেৰাণী হিচাপে সফল হ'ব পাৰিব নে নোৱাৰিব।

- হাল (Hull)ৰ ভাষাত, "শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহ হৈছে বিশেষ আর্হিত প্রস্তুত কৰা পৰীক্ষা। এইবোৰৰ জৰিয়তে ব্যক্তিয়ে কোনো নির্দিষ্ট বৃত্তি শিকা বা বিশেষ দক্ষতা আয়ত্ত কৰাৰ কিমান সম্ভাৱনীয়তা আছে, সেইটো নিৰূপণ কৰাৰ চেষ্টা কৰা হয়।"
- বিংহামৰ সংজ্ঞা অনুসৰি শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহে পোনপটীয়াকৈ ব্যক্তিৰ ভৰিষ্যৎ সফলতা নির্ধাৰণ কৰিব নোৱাৰে, আৰু এইধৰণৰ দাবীও নকৰে। এই পৰীক্ষাসমূহে মূলতঃ ব্যক্তিৰ বর্তমান পাৰদর্শিতাহে জুখি চায়। যিহেতু ব্যক্তিৰ অতীত আৰু বর্তমানৰ আচৰণে ভৰিষ্যৎ সম্ভাৱনীয়তাৰ সূচক বুলি ধৰি লোৱা হয়, সেয়েহে এই পৰীক্ষাসমূহৰ পৰা পোৱা

তথ্যই ব্যক্তিৰ সম্ভাৱনীয়তা সম্পর্কে আগতীয়া মূল্যায়নৰ এক ভিত্তি প্রদান কৰে। এইধৰণৰ প্রাক্‌মূল্যায়ন সদায় সম্ভাৱনীয়তা নিৰূপণৰ ক্ষেত্রত ব্যৱহৃত হয়।

শিক্ষা বিজ্ঞানৰ ক্ষেত্রত, বুদ্ধি-পৰীক্ষাৰ দৰেই শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহৰ সহায়তো শিক্ষার্থীৰ মানসিক সামর্থৰ বিস্তৃত পৰিসৰত তেওঁ প্রদর্শন কৰা সামগ্রিক পাৰদর্শিতা মূল্যায়ন কৰা হয়। অৱশ্যে, এই পৰীক্ষাসমূহত প্রায়েই মৌখিক আৰু সাংখ্যিক দক্ষতাৰ দৰে অধিক বিশেষীকৃত সামর্থ জুখিবলৈ বিশেষ আহিলা ব্যৱহাৰ কৰা হয়। এইবোৰে শৈক্ষিক কার্যসূচীত শিক্ষার্থীয়ে জ্ঞান আহৰণৰ ক্ষেত্রত কিমান সফল হ'ব পাৰে, সেই বিষয়ে আগতীয়া অনুমান কৰিবলৈ সহায় কৰে।

মনত ৰাখিব লাগিব যে শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা আৰু সফলতা-পৰীক্ষা (achievement tests)-ৰ মাজত কেতিয়াবা কেৱল মাত্রাৰ (degree) পার্থক্যহে দেখা যায়। অৱশ্যে, সফলতা-পৰীক্ষাৰ তুলনাত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ পৰিসৰ অধিক ব্যাপক। এই পৰীক্ষাসমূহে অভিজ্ঞতাৰ বিস্তৃত ক্ষেত্রৰ পৰা তথ্য সংগ্রহ কৰাৰ প্রয়াস কৰে। আনহাতে, সফলতা-পৰীক্ষাসমূহে মূলতঃ বিদ্যালয়ত শিকোৱা নির্দিষ্ট বিষয়সমূহত শিক্ষার্থীৰ শেহতীয়া শিকনৰ স্তৰ জুখি চায়।

শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ জৰিয়তে শিক্ষার্থীয়ে ইতিমধ্যে লাভ কৰা অভিজ্ঞতাৰ সীমা অতিক্রম কৰি আন নতুন কার্য সম্পাদন কৰাত দেখুৱাব পৰা প্রতিভা বা সম্ভাৱনীয়তাৰ বিষয়েও তথ্য পোৱা যায়। কিছুমান ক্ষেত্রত সফলতা-পৰীক্ষা আৰু শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ মাজত যথেষ্ট সাদৃশ্য দেখা যায়। শিক্ষার্থীয়ে যিমান উচ্চ স্তৰৰ শিক্ষালাভ কৰে, সিমানেই এই দুয়োবিধ পৰীক্ষাৰ বিষয়বস্তুৰ মাজত সাদৃশ্য বৃদ্ধি পায়। বিষয়বস্তুৰ এই সাদৃশ্য যিমান বেছি হয়, সিমানেই শিক্ষার্থীয়ে ইতিমধ্যে আহৰণ কৰা জ্ঞান স্পষ্টভাৱে মূল্যায়ন কৰিব পৰা যায়, আৰু তাৰ আধাৰত ভৱিষ্যতে উচ্চ স্তৰত তেওঁৰ সফলতাৰ বিষয়ে অধিক নির্ভৰযোগ্য অনুমান কৰিব পৰা যায়।

১০.৭ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ প্রকাৰ

শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ বিভিন্ন প্রকাৰ উপলব্ধ। ইয়াৰ ভিতৰত দুটা প্রধান প্রকাৰ পৰীক্ষকসকলে অধিক ব্যৱহাৰ কৰে। প্রথম প্রকাৰত সংহত সন্নিৱেশ (integrated batteries) বিকশিত কৰা হৈছে, যাৰ সহায়ত যথেষ্ট সংখ্যক (সাধাৰণতে ৬ৰ পৰা ১২টালৈ) ব্যাপক প্রকৃতিৰ বিভিন্ন সামর্থ একেলগে জোখা হয়। এইধৰণৰ পৰীক্ষাক 'সাধাৰণ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা' (General Aptitude Test) বা 'একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা' (Multiple Aptitude Test) বুলি কোৱা হয়। আনটো বহুল ব্যৱহৃত প্রকাৰ হৈছে ব্যক্তিগত পৰীক্ষা, যাক ব্যক্তিৰ নির্দিষ্ট বিশেষ সামর্থসমূহ পৃথকে পৃথকে জোখাৰ উদ্দেশ্যে বিকশিত কৰা হয়। ওপৰৰ আলোচনা অনুসৰি ক'ব পাৰি যে মনোবৈজ্ঞানিক পৰীক্ষাত সাধাৰণতে দুটা প্রকাৰৰ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা ব্যৱহাৰ কৰা হয়—

- একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ অথবা সাধাৰণ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা।

- বিশেষীকৃত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা।

১০.৭.১ একাধিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (Multiple Aptitude Tests)

বিভিন্ন ধৰণৰ মানসিক কার্যকলাপৰ প্রতিটোৰ স্বতন্ত্র পৰিমাপণ কৰাৰ উদ্দেশ্যে একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশসমূহ ব্যৱহাৰ কৰা হয়। এই পৰীক্ষাসমূহৰ জৰিয়তে বিভিন্ন মানসিক কার্যকলাপৰ বাবে পৃথক পৃথক স্ক'ৰ লাভ কৰা যায়। তাত্ত্বিক দৃষ্টিকোণৰ পৰা এই ফলাফলসমূহে ব্যক্তিৰ সামর্থৰ বিভিন্ন গোটীয় কাৰকসমূহ পৰিস্থিতি অনুসৰি খাপ খুৱাই ল'ব পৰা দক্ষতাৰ প্রতিফলন কৰে। ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা এই পৰীক্ষাসমূহে সূচায় যে পৰীক্ষাৰ সময় সীমিত হোৱা বাবে ব্যক্তিৰ বিশেষ সামর্থসমূহ বিভিন্ন গোটত বিভক্ত কৰি সেইবোৰৰ সমষ্টিগতভাৱে মূল্যায়ন কৰা সম্ভৱ।

ধৰা যাওক, এগৰাকী ব্যক্তি কম-বেছি পৰিমাণে স্বতন্ত্র আৰু আপেক্ষিকভাৱে বহল প্রকৃতিৰ একাধিক সামর্থৰ অধিকাৰী। আমি তেওঁৰ এই সামর্থসমূহৰ এক সামগ্রিক ছবি লাভ কৰিব বিচাৰো। তেন্তে ইয়াৰ বাবে একাধিক স্বতন্ত্র পৰীক্ষা গ্রহণ কৰিব লাগিব। কিন্তু পৰীক্ষা-সন্নিৱেশ এটাই এই সমস্যাৰ সহজ সমাধান আগবঢ়াব পাৰে। এনে সন্নিৱেশত জুখিবলগীয়া সামর্থসমূহৰ সৈতে সংশ্লিষ্ট বিভিন্ন ধৰণৰ পৰীক্ষা অন্তর্ভুক্ত কৰা থাকে। সন্নিৱেশত অন্তর্ভুক্ত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহত এগৰাকী ব্যক্তিয়ে লাভ কৰা নম্বৰৰ আধাৰত বিভিন্ন বৃত্তি বা জীৱিকাৰ ক্ষেত্রত তেওঁৰ উপযুক্ততা মূল্যায়ন কৰা হয়। এই পৰীক্ষাসমূহে সাধাৰণতে এটা একক সামগ্রিক ফলাফল প্রদান নকৰে; তাৰ বিপৰীতে, বিভিন্ন উপ-ক্ষেত্রৰ নম্বৰৰ আধাৰত ব্যক্তিৰ সামর্থৰ আন্তঃব্যক্তিক বিশ্লেষণ কৰিবলৈ সহায়ক তথ্য আগবঢ়ায়। বিদ্যালয় পর্যায়ত ব্যৱহৃত অধিকাংশ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা-সন্নিৱেশে বিভিন্ন বৃত্তিত সফলতা লাভ কৰিবলৈ প্রয়োজন হোৱা অন্তর্নিহিত সামর্থসমূহ জুখিব পৰা পৰীক্ষাসমূহৰ সমষ্টি হিচাপে দেখা যায়। এনে তুলনামূলকভাৱে সংক্ষিপ্ত পৰীক্ষাসমূহৰ শৃংখলাই বিভিন্ন শৈক্ষিক আৰু বৃত্তিমুখী ক্ষেত্রত ব্যক্তিয়ে দেখুওৱা সম্ভাৱনীয়তাক মূল্যায়ন আৰু বিশ্লেষণ কৰাত সহায় কৰে। একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা-সন্নিৱেশৰ কিছুমান উদাহৰণ হ'ল—

- সাধাৰণ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ (GATB)
- পার্থক্যসূচক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা (DAT)
- প্রাথমিক মানসিক সামর্থ-পৰীক্ষা (PMA)

১০.৭.১ (ক) সাধাৰণ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা সন্নিৱেশ (GATB)

এই সন্নিৱেশটো ১৯৪৭ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'এমপ্লয়মেণ্ট চাৰ্ভিচ' বিভাগে প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰিছিল। এই সন্নিৱেশত মুঠ ১২টা পৰীক্ষা অন্তৰ্ভুক্ত আছে। এই পৰীক্ষাসমূহৰ জৰিয়তে বিভিন্ন ধৰণৰ বৃত্তিত সফলতা লাভ কৰাৰ বাবে প্ৰয়োজনীয় বুলি গণ্য কৰা নটা শিক্ষা গ্ৰহণৰ ক্ষমতা জুখি চোৱা হয়। GATB-ৰ দ্বাৰা সামৰি লোৱা শিক্ষা গ্ৰহণৰ ক্ষমতাৰ নিৰ্ণায়ক কাৰকসমূহ হ'ল—

- **বুদ্ধি (Intelllience/G) :** তিনিটা পৰীক্ষাৰ পৰা লাভ কৰা সংযুক্ত মুঠ নম্বৰৰ সহায়ত বুদ্ধিৰ স্তৰ নিৰ্ধাৰণ কৰা হয়। এই তিনিটা পৰীক্ষাই ব্যক্তিৰ ত্ৰিমাত্ৰিক স্থান-ধাৰণা, শব্দভাণ্ডাৰ আৰু পাটীগণিতীয় যুক্তি ব্যৱহাৰৰ ক্ষমতা মূল্যায়ন কৰে।
- **মৌখিক শিক্ষা গ্ৰহণ ক্ষমতা (Verbal Aptitude) :** সমাৰ্থক আৰু বিপৰীতাৰ্থক শব্দৰ জ্ঞান পৰীক্ষাৰ জৰিয়তে এই ক্ষমতা জোখা হয়।"
- **সাংখিক শিক্ষা গ্ৰহণ ক্ষমতা (Numerical Aptitude) :** গণনা আৰু যোগ-বিয়োগত যুক্তিযুক্ততা প্ৰয়োগ কৰাৰ ক্ষমতা পৰীক্ষাৰ জৰিয়তে মূল্যায়ন কৰা হয়।
- **স্থানিক শিক্ষা গ্ৰহণ ক্ষমতা (Spatial Aptitude) :** ত্ৰিমাত্ৰিক স্থান-সম্পৰ্কীয় পৰীক্ষাৰ জৰিয়তে এই ক্ষমতা জোখা হয়। এই পৰীক্ষাত দ্বিমাত্ৰিক বস্তুসমূহৰ পাৰস্পৰিক সম্পৰ্ক বুজি পোৱাৰ সামৰ্থ আৰু ত্ৰিমাত্ৰিক ক্ষেত্ৰত কোনো বস্তুৰ সঞ্চৰণৰ প্ৰভাৱ কল্পনা কৰাৰ ক্ষমতা মূল্যায়ন কৰা হয়।
- **ৰূপৰ ধাৰণা (Form Perception) :** এই পৰীক্ষাৰ এটা অংশত আহিলা/সঁজুলিসমূহৰ চিত্ৰ মিলোৱাৰ সামৰ্থ আৰু আনটো অংশত জ্যামিতিক আকৃতিসমূহ চিনাক্ত কৰাৰ ক্ষমতা জোখা হয়।
- **কেৰাণী সম্বন্ধীয় কাম-কাজৰ ধাৰণা পৰীক্ষা (Clerical Perception) :** এই পৰীক্ষাত নামসমূহ মিলাবলৈ দিয়া হয়।
- **অংগ সঞ্চালনৰ সমন্বয় পৰীক্ষা (Motor Coordination) :** এই সামৰ্থ সাধাৰণ কাগজ-পেঞ্চিল পৰীক্ষাৰ জৰিয়তে জোখা হয়। এই পৰীক্ষাত পৰীক্ষাৰ্থীক বৰ্গক্ষেত্ৰৰ শৃংখলাত নিৰ্দিষ্ট বৰ্গক্ষেত্ৰসমূহত পেঞ্চিলেৰে দাগ দিবলৈ কোৱা হয়।
- **আঙুলি সঞ্চালন পৰীক্ষা (Finger Dexterity) :** বিভেট আৰু ৰাশ্বাৰৰ দৰে সঁজুলিসমূহ সংযোজন আৰু খোলাৰ দক্ষতা এই পৰীক্ষাৰ জৰিয়তে মূল্যায়ন কৰা হয়।
- **হস্ত সঞ্চালন পৰীক্ষা (Manual Dexterity) :** ব্যক্তিৰ দুয়োখন হাতৰ ব্যৱহাৰৰ দক্ষতা, আৰু তাৰ পিছত গঁজাল মৰা বোৰ্ড এখনত তেওঁ যিখন হাতেৰে কাম কৰাত অধিক অভ্যস্ত, সেই হাতেৰে গঁজাল মৰাৰ ধৰণ-কৰ্ম পৰীক্ষাৰ জৰিয়তে মূল্যায়ন কৰা হয়।

এই পৰীক্ষা-সন্নিৱেশটোৰে জোখা কাৰকসমূহৰ ভিতৰত আঙুলি-সঞ্চালন আৰু হাত-সঞ্চালন— এই দুটা ব্যৱহাৰিক পাৱদৰ্শিতা-সম্পৰ্কীয় পৰীক্ষা। আনবোৰ পৰম্পৰাগত কাগজ-

পেঞ্চিল ধৰণৰ পৰীক্ষা সকলো পৰীক্ষা সম্পূৰ্ণ কৰিবলৈ প্ৰায় আঢ়ৈ ঘণ্টা সময় লাগে। এই পৰীক্ষাসমূহৰ জৰিয়তে জোখা বিভিন্ন শিক্ষা গ্রহণৰ ক্ষমতাৰ স্বীকৃত মানৰ নম্বৰসমূহ প্ৰতিটো পৰীক্ষাত পোৱা পোনপটীয়া নম্বৰৰ ভিত্তিত নিৰূপণ কৰা হয়। বিভিন্ন গোটৰ পৰীক্ষার্থীৰ বাবে পৃথক পৃথক মানদণ্ড (norms) নিৰ্ধাৰণ কৰা হয়। এই মানদণ্ডসমূহৰ তথ্য সংৰক্ষণ কৰিবলৈ ব্যক্তিগত প্ৰ'ফাইল ৰেক'ৰ্ডো প্ৰস্তুত কৰা হয়। যুৱক আৰু প্ৰাপ্তবয়স্ক ব্যক্তিক বৃত্তিমুখী দিহা-পৰামৰ্শ আগবঢ়াবলৈ এই পৰীক্ষা-সন্নিৱেশ বিশেষভাৱে উপযোগী।

১০.৭.১ (খ) পাৰ্থক্যসূচক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (DAT)

এই সন্নিৱেশটোত বিস্তৃত আৰু অতি সাৱধানতাৰে বিকশিত কৰা একাধিক পৰীক্ষা অন্তৰ্ভুক্ত কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়ন কৰা শিক্ষার্থীক বৃত্তিমুখী আৰু শৈক্ষিক দিশ-নিৰ্দেশনা দিয়াৰ উদ্দেশ্যে এই পৰীক্ষা-সন্নিৱেশ বিকশিত কৰা হৈছিল। তদুপৰি, বিনা বাছনিৰ প্ৰাপ্তবয়স্কসকলকো দিশ-নিৰ্দেশনা প্ৰদানৰ ক্ষেত্ৰতো এই পৰীক্ষাসমূহ ব্যৱহাৰ কৰিব পাৰি।

১৯৪৭ চনত প্ৰথমবাৰৰ বাবে প্ৰকাশিত এই সন্নিৱেশটোৰ সংশোধিত ৰূপ ১৯৭২ চনত (Form S আৰু T) প্ৰকাশ কৰা হৈছিল। উচ্চ মাধ্যমিক বিদ্যালয় স্তৰত ব্যৱহৃত একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা-সন্নিৱেশসমূহৰ ভিতৰত DAT-ক সৰ্বাধিক ব্যৱহৃত বুলি ক'লেও ভুল নহ'ব। এই সন্নিৱেশত শিক্ষার্থীৰ নিৰ্দিষ্ট কিছুমান সামৰ্থ মূল্যায়ন কৰিবলৈ ৮টা উপ-পৰীক্ষা অন্তৰ্ভুক্ত কৰা হৈছে। বিভিন্ন বৃত্তিত সফলতা লাভ কৰিবলৈ ব্যক্তিয়ে এই সামৰ্থসমূহৰ বিভিন্ন সংযোজনৰ অধিকাৰী হ'ব লাগে। সন্নিৱেশত অন্তৰ্ভুক্ত পৰীক্ষাসমূহ সাধাৰণতে ক্ষমতা-পৰীক্ষা (aptitude tests); কেৰাণী-সম্পৰ্কীয় কাম-কাজৰ দ্ৰুততা আৰু নিৰ্ভুলতা জোখা পৰীক্ষাটো ইয়াৰ একমাত্ৰ ব্যতিক্ৰম। প্ৰতিটো পৰীক্ষাই শিক্ষার্থীৰ নিৰ্দিষ্ট সামৰ্থৰ স্তৰ পৃথকভাৱে মূল্যায়ন কৰে। একে জনসংখ্যাৰ ওপৰত পৰীক্ষা চলোৱাৰ অন্তত এই আঠটা পৰীক্ষাক মান্যতা (standardization) দিয়া হৈছে। সন্নিৱেশত অন্তৰ্ভুক্ত এই আঠটা পৰীক্ষা হ'ল—

- **মৌখিক যুক্তি প্ৰয়োগ ক্ষমতা (Verbal Reasoning/ VR) :** এই পৰীক্ষাৰ জৰিয়তে মৌখিক বিশ্লেষণ ক্ষমতা জোখা হয়। পৰীক্ষার্থীৰ কেৱল শব্দ-জ্ঞান নহয়, বৰং মৌখিক ধাৰণা বুজি পোৱা আৰু সেই ধাৰণাসমূহৰ মাজৰ সম্পৰ্ক অনুধাৱন কৰাৰ সামৰ্থ মূল্যায়ন কৰাৰ উদ্দেশ্যে এই পৰীক্ষাটো বিকশিত কৰা হৈছে। এই পৰীক্ষাত বিশ্লেষণযোগ্য কিছুমান বস্তু বা উপাদানৰ বিশেষ ৰূপ ব্যৱহাৰ কৰা হয়। শিক্ষার্থীয়ে কেৱল বস্তুসমূহৰ মাজৰ সম্পৰ্ক চিনাক্ত কৰাই নহয়, যুক্তি প্ৰয়োগ কৰি সেইবোৰ বুজি পোৱাৰ সামৰ্থো প্ৰদৰ্শন কৰিব লাগে।
    - **সাংখিক সামৰ্থ (Numerical Ability/ NA) :** শিক্ষার্থীৰ সাংখ্যিক সম্পৰ্ক বুজাৰ সামৰ্থ জোখিবলৈ এই পৰীক্ষাটো ব্যৱহাৰ কৰা হয়। ইয়াৰ জৰিয়তে শিক্ষার্থীৰ সাংখ্যিক ধাৰণাসমূহ বুজি পোৱাৰ দক্ষতাও নিৰূপণ কৰিব পৰা যায়। পৰীক্ষাত

ব্যৱহৃত প্রশ্নসমূহ সাধাৰণ সমস্যা-সমাধানধর্মী নহয়; ইহঁত মূলতঃ গণনাভিত্তিক। কিছুমান প্রশ্নৰ জৰিয়তে গণনাৰ চাৰিওটা মৌলিক প্রক্রিয়া (যোগ, বিয়োগ, গুণ আৰু ভাগ)ত শিক্ষার্থীয়ে দেখুওৱা দক্ষতা মূল্যায়ন কৰা হয়। আন কিছুমান প্রশ্নে শিক্ষার্থীৰ পৰিমাণগত ধাৰণা আৰু সম্পর্ক বুজাৰ সামর্থ পৰীক্ষা কৰাত সহায় কৰে।

মৌখিক যুক্তি প্রয়োগৰ ক্ষমতা আৰু সাংখ্যিক সামর্থ জোখাৰ বাবে ব্যৱহাৰ কৰা আহিলা বা প্রশ্নসমূহ বহু ক্ষেত্রত সাধাৰণ বুদ্ধি বা জ্ঞান-অর্জন-সম্পর্কীয় সামর্থ মূল্যায়নৰ পৰীক্ষাত ব্যৱহৃত আহিলা/প্রশ্নসমূহৰ সৈতে সাদৃশ্যপূর্ণ হয়।

- **বিমূর্ত্ত যুক্তি প্রয়োগ ক্ষমতা (Abstract Reasoning/ AR) :** শব্দ ব্যৱহাৰ নকৰাকৈ যুক্তি প্রয়োগ কৰি বিষয় বুজি পোৱাৰ ক্ষমতা মূল্যায়ন কৰিবলৈ এই পৰীক্ষাটো ব্যৱহাৰ কৰা হয়। বিমূর্ত যুক্তি প্রয়োগ ক্ষমতা-পৰীক্ষাত ব্যৱহৃত আহিলা বা প্রশ্নসমূহে শিক্ষার্থীৰ ভাষাৰ জৰিয়তে যুক্তি প্রকাশ কৰাৰ সামর্থ জুখি নাচায়।
- **স্থানিক সম্পর্ক বুজাৰ ক্ষমতা (Spatial Relations/ SR) :** এই পৰীক্ষা-শৃংখলাটোৰ ভিতৰত এইটো আটাইতকৈ সৰল পৰীক্ষা। ইয়াৰ জৰিয়তে শিক্ষার্থীৰ কল্পনাশক্তি আৰু মূর্ত্ত বস্তুসমূহক মানসিক বা কাল্পনিকভাৱে হেৰফেৰ কৰিব পৰা সামর্থ মূল্যায়ন কৰা হয়। এই পৰীক্ষাৰ বাবে বিভিন্ন ৰঙৰ দ্বিমাত্রিক জ্যামিতিক আকৃতি ব্যৱহাৰ কৰা হয়। পৰীক্ষার্থীয়ে প্রদত্ত দ্বিমাত্রিক আকৃতিসমূহৰ মাজৰ পৰা ত্রিমাত্রিক আকৃতি গঠন কৰিব পৰা উপযুক্ত আকৃতিসমূহ বাছনি কৰিব লাগে।
- **যান্ত্রিক ধাৰণা বুজাৰ সামর্থ (Mechanical Comprehensive/ MC) :** শিক্ষার্থীৰ যান্ত্রিক নীতি-নিয়ম বুজাৰ সামর্থ এই পৰীক্ষাৰ জৰিয়তে জোখা হয়। ইয়াৰ বাবে দৈনন্দিন জীৱনত দেখা পোৱা কিছুমান পৰিস্থিতি চিত্রৰ মাধ্যমে উপস্থাপন কৰা হয়, য'ত বিভিন্ন যান্ত্রিক আৰু বৈজ্ঞানিক নীতি অন্তর্ভুক্ত থাকে। প্রতিটো প্রশ্ন বা আহিলাত কোনো এক নির্দিষ্ট যান্ত্রিক পৰিস্থিতিৰ চিত্রসহ উপস্থাপন দিয়া থাকে।
- **ভাষাৰ ব্যৱহাৰ ভাগ- I (Language Usage Part- I) :** বানান-জ্ঞান পৰীক্ষা। এই পৰীক্ষাত পৰীক্ষার্থীয়ে দিয়া শব্দ-তালিকাৰ ভিতৰত থকা ভুল বানানসমূহ চিনাক্ত কৰি দেখুৱাব লাগে।
- **ভাষাৰ ব্যৱহাৰ ভাগ- II (language Usage Part- II) :** এই পৰীক্ষাত বাক্যসমূহ ব্যৱহাৰ কৰা হয়। শিক্ষার্থীয়ে বাক্যবোৰৰ ব্যাকৰণগত শুদ্ধতা, যতি-চিহ্নৰ সঠিক ব্যৱহাৰ আৰু উপযুক্ত শব্দৰ প্রয়োগ চিনাক্ত কৰিব লাগে।

'ভাষাৰ ব্যৱহাৰ' অংশ I আৰু II হৈছে সফলতা-পৰীক্ষা। এই দুটা পৰীক্ষা শৃংখলাত অন্তর্ভুক্ত কৰাৰ উদ্দেশ্য হৈছে শিক্ষার্থীৰ মৌলিক ভাষা-দক্ষতাৰ স্তৰ

নিৰূপণ কৰা। বিভিন্ন শৈক্ষিক আৰু বৃত্তিমুখী দক্ষতা অৰ্জনৰ ক্ষেত্ৰত ভাষাৰ মৌলিক জ্ঞান অতি আৱশ্যক।

- **কেৰাণী বিষয়ক কাম-কাজ কৰাৰ দ্ৰুততা আৰু নিৰ্ভুলতা (Clerical Speed and Accuracy) :** সমগ্ৰ পৰীক্ষা-শৃংখলাটোৰ ভিতৰত এইটোৱেই একমাত্ৰ পৰীক্ষা, য'ত মূলতঃ কাম সম্পাদনৰ দ্ৰুততাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াৰ জৰিয়তে পৰীক্ষাৰ্থীৰ এটা ধৰণৰ ধাৰণাগত কাম কিমান দ্ৰুততাৰে সম্পন্ন কৰিব পাৰে, সেইটো জোখা হয়। এই পৰীক্ষাত পৰীক্ষাৰ্থীক শব্দ বা সংখ্যাৰ সদৃশ যুটিসমূহ যত দ্ৰুত সম্ভব চিনাক্ত কৰিবলৈ নিৰ্দেশনা দিয়া হয়। এই পৰীক্ষাত ব্যৱহৃত প্ৰশ্ন বা আহিলাসমূহক বিভিন্ন ধৰণৰ কেৰাণী-সম্পৰ্কীয় কাম-কাজত জড়িত থাকিব পৰা সম্ভাৱ্য উপাদান হিচাপে গণ্য কৰা হয়।

এই পৰীক্ষা-শৃংখলাটোৰ মৌখিক যুক্তি প্ৰয়োগ ক্ষমতা, সাংখ্যিক সামৰ্থ আৰু বিমূৰ্ত যুক্তি প্ৰয়োগ ক্ষমতা— এই তিনিটা পৰীক্ষাই ব্যক্তিৰ বিস্তৃত বৌদ্ধিক সামৰ্থসমূহ মূল্যায়ন কৰাত সহায় কৰে। মৌখিক যুক্তি আৰু সাংখ্যিক সামৰ্থ পৰীক্ষাত ব্যৱহৃত প্ৰশ্ন বা আহিলাসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদ্যালয় স্তৰত সাধাৰণতে শিকোৱা বিষয়বস্তুৰ আধাৰত প্ৰস্তুত কৰা হয়। এই পৰীক্ষাসমূহ পতা, দিয়া আৰু নম্বৰ দিয়া পদ্ধতি সৰল আৰু পোনপটীয়া। এই পৰীক্ষা-সন্নিৱেশ বিকশিত কৰা বিশেষজ্ঞসকলে আটাইকেইটা পৰীক্ষা একেলগে পতাৰ পৰামৰ্শ দিছে যাতে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ প্ৰাপ্ত নম্বৰৰ ধৰণ বিবেচনা কৰি শৈক্ষিক দিহা-পৰামৰ্শ সঠিকভাৱে আগবঢ়াব পাৰি। আটাইকেইটা পৰীক্ষা সম্পূৰ্ণ কৰিবলৈ সাধাৰণতে ৩ ঘণ্টাতকৈ অলপ অধিক সময় লাগে, আৰু প্ৰতিটো উপ-পৰীক্ষাৰ বাবে প্ৰায় ৬ৰ পৰা ৩০ মিনিট সময় নিৰ্ধাৰণ কৰা থাকে। সেইকাৰণে সমগ্ৰ সন্নিৱেশটো পতা কিছু সময়সাপেক্ষ; তথাপি প্ৰয়োজন অনুসৰি কিছুমান উপ-পৰীক্ষা বাছি লৈ পৃথকভাৱে ব্যৱহাৰ কৰাৰ সুবিধাও আছে। উদাহৰণস্বৰূপে, যদি কোনো শিক্ষাৰ্থীৰ অভিযন্তা হ'বলৈ প্ৰয়োজনীয় শিক্ষা গ্ৰহণৰ ক্ষমতা আছে নে নাই, সেইটো নিৰূপণ কৰিব বিচৰা হয়, তেন্তে তেওঁৰ ক্ষেত্ৰত কেৰাণী-সম্পৰ্কীয় দ্ৰুততা পৰীক্ষা, ভাষাৰ ব্যৱহাৰ, ব্যাকৰণ বা মৌখিক যুক্তি প্ৰয়োগ ক্ষমতা-পৰীক্ষা পতাৰ প্ৰয়োজন নাই। তাৰ পৰিৱৰ্তে সাংখ্যিক সামৰ্থ, বিমূৰ্ত যুক্তি প্ৰয়োগ ক্ষমতা আৰু স্থানিক সম্পৰ্ক বুজাৰ ক্ষমতা— এই তিনিটা পৰীক্ষা কৰিলেই যথেষ্ট। এই পৰীক্ষাসমূহৰ ভৰসাযোগ্যতা আৰু বৈধতা অতি উচ্চ বুলি গণ্য কৰা হয়।

DAT-প্ৰক্ৰিয়াসমূহ বিভিন্ন কাৰণত পৰীক্ষাৰ নম্বৰ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত আদৰ্শ বুলি বিবেচিত হয়। এই পৰীক্ষাসমূহৰ জৰিয়তে উচ্চ মাধ্যমিক পৰ্যায়ত অধ্যয়ন কৰা শিক্ষাৰ্থীৰ এক বৃহৎ আৰু প্ৰতিনিধিত্বমূলক গোটৰ আধাৰত নিয়ামক তথ্য (normative data) নিৰ্ধাৰণ কৰা হয়। প্ৰতিটো শ্ৰেণী (অষ্টমৰ পৰা দ্বাদশ) আৰু প্ৰতিটো লিংগভিত্তিক গোটৰ বাবে পৃথক পৃথক মানদণ্ড-সাৰণী (norm tables) প্ৰস্তুত কৰা আছে। এই সাৰণীসমূহত প্ৰতিটো পৰীক্ষাৰ ক্ষেত্ৰত পোৱা পোনপটীয়া নম্বৰৰ পৰা শতকৰা সমতুল্য নম্বৰ (percentile score) নিৰ্ণয় কৰাৰ নিয়মো

উল্লেখ কৰা থাকে। এই শতকৰা নম্বৰসমূহৰ সহায়ত ব্যক্তিগত শিক্ষার্থীক এখন সাধাৰণ শতকৰা তালিকাত স্থান দিয়া হয়। এই স্থানৰ ভিত্তিত শিক্ষার্থীয়ে বিভিন্ন পৰীক্ষাত লাভ কৰা আপেক্ষিক অৱস্থান সহজে বুজি পোৱা যায়। তদুপৰি মুঠ নম্বৰসমূহক তুলনাযোগ্য এককত প্ৰকাশ কৰাৰ লগতে এই পৰীক্ষাসমূহে নম্বৰ নির্ধাৰণৰ সাধাৰণ ভিত্তি-নিয়মো স্পষ্টভাৱে নির্দেশ কৰে।

১০.৭.১ (গ) প্ৰাথমিক মানসিক সামৰ্থ পৰীক্ষা (PMA)

PMA পৰীক্ষাসমূহ থাষ্ট'নৰ সামৰ্থৰ সংৰচনাসংক্ৰান্ত গৱেষণাৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত বিকশিত কৰা হৈছে। বুদ্ধিৰ কাৰক- বিশ্লেষণ পদ্ধতিয়ে আমেৰিকান মনোবিজ্ঞানীসকলক কিছুমান বিশেষ মানসিক সামৰ্থ বা বৈশিষ্ট্য চিনাক্ত কৰাত সহায় কৰিছিল। প্ৰাথমিক মানসিক সামৰ্থ-পৰীক্ষাসমূহ এই ক্ষেত্ৰৰ প্ৰথম বহু-কাৰক চিনাক্তকাৰী পৰীক্ষাৰ সমষ্টি। প্ৰথমতে ইয়াৰ নাম আছিল 'চিকাগ' টেষ্টচ্ অফ্ প্ৰাইমেৰী মেণ্টেল এবিলিটিজ'। ১৯৪১-৪৭ চনত আমেৰিকান কাউন্সিল অন এডুকেশ্যনে প্ৰথমে এই পৰীক্ষাসমূহ প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰিছিল। পিছত ইয়াৰ দ্বিতীয় সংস্কৰণ চায়েন্স ৰিচার্ছ এচোছিয়েছনে প্ৰকাশ কৰিছিল যাক 'এছ আৰ এ প্ৰাইমেৰী মেণ্টেল এবিলিটিজ' বুলি নামকৰণ কৰা হৈছিল। দ্বিতীয় সংস্কৰণত পৰীক্ষাসমূহ তিনিটা স্তৰত বিভক্ত কৰা হৈছিল—এটা কম বয়সীয়া শিশুৰ বাবে, দ্বিতীয়টো মধ্যম বয়সীয়া শিশুৰ বাবে আৰু তৃতীয়টো ১১ৰ পৰা ১৭ বছৰৰ ল'ৰা-ছোৱালীৰ বাবে।

এই পৰীক্ষালানিৰ সাম্প্ৰতিক সংস্কৰণত পাঁচটা মাপন-স্তৰ অন্তর্ভুক্ত আছে। প্ৰতিটো স্তৰৰ বাবে চাৰি বা পাঁচটা উপ-পৰীক্ষা নির্ধাৰণ কৰা হৈছে। এই পৰীক্ষাসমূহৰ জৰিয়তে তলত উল্লেখ কৰা কাৰকসমূহ জোখা হয়—

- **মৌখিক যুক্তি প্ৰয়োগ ক্ষমতা (Verbal Reasoning) :** শব্দৰ মাধ্যমে প্ৰকাশ কৰা চিন্তা-ধাৰণা বুজি পোৱাৰ সামৰ্থ বা শব্দ আৰু মৌখিক ধাৰণাসমূহ আয়ত্ত কৰাৰ ক্ষমতা।
- **সংখ্যা সম্পৰ্কীয় জ্ঞান (Number faciluty) :** সাধাৰণ আৰু সৰল সাংখ্যিক কার্য সম্পাদন কৰাৰ সামৰ্থ।
- **স্থানিক সম্পৰ্ক বুজাৰ সামৰ্থ (Spatial relations) :** কল্পনা কৰা আৰু ধাৰণা গঠন কৰাৰ সামৰ্থ। এই পৰীক্ষাত ব্যৱহৃত আহিলাসমূহ সাধাৰণতে বিভিন্ন ধৰণৰ সৰল নক্সা আৰু জ্যামিতিক আকৃতি, যিবোৰ বিভিন্ন দিশত ঘূৰাব পৰা যায়।
- **যুক্তি প্ৰয়োগ কৰাৰ সামৰ্থ (Reasoning) :** যুক্তিসংগতভাৱে চিন্তা কৰিব পৰা সামৰ্থ।
- **দ্ৰুত অনুমান কৰিব পৰা সামৰ্থ (Perceptual Speed) :** আকাৰ-আকৃতিসমূহ দ্ৰুতভাৱে পৃথক পৃথককৈ চিনাক্ত কৰিব পৰা সামৰ্থ।
- **শব্দ ব্যৱহাৰত সাৱলীলতা (Word fluency) :** সহজে উপযুক্ত শব্দ উচ্চাৰণ কৰিব পৰা সামৰ্থ।

মৌখিক যুক্তি প্রয়োগ ক্ষমতা, সংখ্যা-সম্পর্কীয় জ্ঞান আৰু স্থানিক সম্পর্ক বুজাৰ সামর্থ জোখা পৰীক্ষাসমূহ ডাঙৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে প্রযোজ্য। এই পৰীক্ষাসমূহৰ জৰিয়তে তেওঁলোকৰ সামগ্রিকভাৱে আৰু বিশেষ পাঠ্যক্রম শিকাৰ বাবে থকা প্রস্তুতি কিমান, সেইটো মূল্যায়ন কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা মানে কি?

প্রশ্ন ৬. একাধিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা বুলিলে কি বুজে?

প্রশ্ন ৭. যিকোনো তিনিটা শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা সন্নিৱেশৰ নাম লিখক।

প্রশ্ন ৮. GATB-ত অন্তর্ভুক্ত তিনিটা উপ-পৰীক্ষাৰ নাম উল্লেখ কৰক।

প্রশ্ন ৯. DAT-ত কিমানটা উপ-পৰীক্ষা অন্তর্ভুক্ত কৰা হৈছে?

প্রশ্ন ১০. DAT-ত অন্তর্ভুক্ত একমাত্র দ্রুততা জোখা পৰীক্ষাটোৰ নাম কি?

প্রশ্ন ১১. PMA পৰীক্ষাসমূহ কোনে বিকশাই তুলিছিল?

১০.৭.২ সুনির্দিষ্ট শিক্ষা গ্রহণ ক্ষমতাৰ পৰিমাপণ

একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশসমূহৰ জৰিয়তে একক আৰু সংহত পৰীক্ষা-প্রণালীৰ আওতাত বিভিন্ন ধৰণৰ সামর্থ একেলগে মূল্যায়ন কৰা হয়। কিন্তু সুনির্দিষ্ট শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহৰ দ্বাৰা নির্দিষ্ট কার্যকলাপ-ক্ষেত্রসমূহত ব্যক্তিৰ শিক্ষা গ্রহণৰ ক্ষমতা পৃথকে পৃথকে জোখা হয়। এইধৰণৰ পৰীক্ষা বিকশিত কৰা বিশেষজ্ঞসকলে সামর্থৰ বহল সামগ্রিক ছবি দাঙি ধৰাৰ সলনি ব্যক্তিৰ কোনো নির্দিষ্ট শিক্ষা গ্রহণৰ ক্ষমতা জোখাত অধিক গুৰুত্ব আৰোপ কৰিছিল। এই একক-প্রকৃতিৰ পৰীক্ষাসমূহৰ জৰিয়তে ব্যক্তিৰ যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতা, কেৰাণী-সম্পর্কীয় কাম-কাজ শিকাৰ সামর্থ, শিক্ষকতা কৰাৰ সামর্থ, সংগীতজ্ঞ বা গায়ক হোৱাৰ সামর্থ আদি পৃথকে পৃথকে মূল্যায়ন কৰা হয়। এই পৰীক্ষাসমূহে যন্ত্র-পাতি মেৰামতি কৰোঁতা, কেৰাণী, শিক্ষক বা সংগীতজ্ঞ আদি বৃত্তিত নিয়োজিত হ'বলৈ প্রয়োজন হোৱা আনুষংগিক সামর্থসমূহৰ গোটকো সামৰি লয়। এই পৰীক্ষাসমূহে জুখি চোৱা বিশেষ শিক্ষা গ্রহণৰ ক্ষমতাৰ প্রকৃতি অনুসৰি সাধাৰণতে তিনিটা উপ-প্রকাৰত বিভক্ত কৰা হয়। তলত উল্লেখ কৰা শিৰোনামসমূহৰ অধীনত এই তিনিটা ভাগ আলোচনা কৰা হ'ব—

- যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা।
- সংগীতিক আৰু শিল্পীসুলভ সামর্থ-পৰীক্ষা।

- বৃত্তিমুখী শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা (শিক্ষকতা, কেৰাণীৰ চাকৰি, ব্যৱসায়, আইন, অভিযান্ত্রিক বৃত্তি, বিক্রয়, গৱেষণা আদি ক্ষেত্রত নিয়োজিত হ'বলৈ প্রয়োজনীয় শিক্ষা গ্রহণৰ ক্ষমতা জোখা পৰীক্ষা)।
- জ্ঞান অর্জন-সম্পর্কীয় শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা (নির্দেশনাৰ বিভিন্ন ধাৰা অনুসৰণ কৰিব পৰা সামর্থ মূল্যায়ন কৰা পৰীক্ষা) আদি।

তলত ইয়াৰ দুটামান ভাগৰ বিষয়ে আলোচনা কৰা হ'ল—

১০.৭.২ (ক) যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (Mechanical Aptitude Test)

বিভিন্ন ধৰণৰ যন্ত্র-পাতিৰ দৰে মূর্ত্ত বস্তু খোলা-মেলা কৰা আৰু মেৰামতি কৰাৰ সামর্থক সাধাৰণতে যান্ত্রিক সামর্থ বুলি কোৱা হয়। এনে বস্তুসমূহৰ সৈতে কাম কৰাৰ সময়ত ব্যক্তিয়ে যান্ত্রিক গতি-বিধিৰ লগতে মানসিক প্রতিক্রিয়াও প্রদর্শন কৰে। ই কোনো একক কার্যকলাপ নহয়; বৰং ব্যক্তিৰ মনোদৈহিক সামর্থৰ বিস্তৃত প্রকাশ। এই সামর্থ হৈছে সংবেদী আৰু অংগ-সঞ্চালন ক্ষমতাৰ সংযুক্ত প্রকাশ। ইয়াৰ সৈতে হস্ত-সঞ্চালন দক্ষতা, স্থানিক সম্পর্কৰ সঠিক অনুধাৱন, যান্ত্রিক জ্ঞান আয়ত্ত কৰাৰ সামর্থ, যান্ত্রিক সম্পর্কৰ স্পষ্ট বোধ, যান্ত্রিক কার্যকলাপত যুক্তি প্রয়োগ কৰাৰ ক্ষমতা আৰু সমস্যা সমাধানৰ দক্ষতা জড়িত থাকে। যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহৰ আৰ্হি সাধাৰণতে এনে ধৰণে প্রস্তুত কৰা হয় যাতে ব্যক্তিয়ে উচ্চ স্তৰত প্রদর্শন কৰা সামর্থ আৰু পাৰদর্শিতা মূল্যায়ন কৰিব পৰা যায়। অৱশ্যে, এই পৰীক্ষাসমূহৰ দ্বাৰা সংবেদী-অংগ সঞ্চালন ক্ষমতা বা অংগ-সঞ্চালনৰ সূক্ষ্ম দক্ষতা পোনপটীয়াকৈ জোখা নহয় (Frank N. Freeman)।

যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা কৰাৰ বহুতো উপায় উপলব্ধ। ইয়াৰে ভিতৰৰ দুটামান জনপ্রিয় পৰীক্ষাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

(i) **ষ্টেনকুইষ্ট্ যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা :** ১৯২৩ চনত এছ. এল. ষ্টেনকুইষ্ট (S.L. Stenquist)এ এই পৰীক্ষাটো বিকশিত কৰিছিল। বাইচাইকেলৰ বেল, দুৱাৰৰ তলা, নিগনি ধৰাৰ ফান্দ আদি যন্ত্র-পাতি সংযোজন কৰিব পৰা ব্যক্তিৰ সামর্থ আছে নে নাই, সেইটো মূল্যায়ন কৰাৰ উদ্দেশ্যে এই পৰীক্ষাটো প্রস্তুত কৰা হৈছিল। বিদ্যালয়ৰ নিম্ন শ্রেণীৰ শিক্ষার্থীৰ পৰা আৰম্ভ কৰি প্রাপ্তবয়স্ক লোকলৈকে বিস্তৃত বয়স-গোটৰ ওপৰত এই পৰীক্ষা প্রয়োগ কৰা হৈছিল। পৰীক্ষাটোত আহিলা/সঁজুলিৰ তিনিটা শৃংখলা ব্যৱহাৰ কৰা হয়, আৰু প্রতিটো শৃংখলাত মুঠ দহবিধকৈ সঁজুলি থাকে। এই পৰীক্ষাৰ বাবে নির্ধাৰিত সময়সীমা হৈছে ৩০ মিনিট।

(ii) মিনেচ'টা যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (Minnesota Mechanical Aptitude Test) : ১৯৩০ চনত মিনেচ'টা বিশ্ববিদ্যালয়ৰ জি.ডি. পেটাৰচন (S.L. Peterson)এ ষ্টেনকুইষ্টৰ পৰীক্ষাটোক সংশোধন কৰি উন্নত ৰূপ প্রদান কৰিছিল। এই নতুন সংস্কৰণটো মিনেচ'টা যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা নামেৰে নামেৰে জনাজাত হয়। চাৰিটা উপ-পৰীক্ষা অন্তর্ভুক্ত কৰি ইয়াক এক সংহত পৰীক্ষা-সন্নিৱেশ হিচাপে বিকশিত কৰা হৈছিল। এই চাৰিটা উপ-পৰীক্ষা তলত আলোচনা কৰা হ'ল—

- **মিনেচ'টা যান্ত্রিক অংশ জোৰা লগোৱা ক্ষমতা পৰীক্ষা (Minnesota Mechanical Assembly Test) :** এই পৰীক্ষাটো মূলগতভাৱে ষ্টেনকুইষ্টৰ পৰীক্ষাৰ সৈতে সাদৃশ্যপূর্ণ; অৱশ্যে, ইয়াত কিছুমান নতুন উপাদান সংযোজন কৰা হৈছে। পৰীক্ষাটোত ৩৩বিধ যান্ত্রিক অংশ খুলি ৰাখি পৰীক্ষার্থীক সেইবোৰ সংযোজন কৰিবলৈ কোৱা হয়, আৰু কামৰ দ্রুততা (গতি) আৰু নির্ভুলতাৰ আধাৰত নম্বৰ নির্ধাৰণ কৰা হয়। দোকান-সম্পর্কীয় পাঠ্যক্রম অধ্যয়ন কৰা মাধ্যমিক স্তৰৰ শিক্ষার্থীৰ বৃত্তিমূলক সফলতাৰ আগতীয়া অনুমান কৰাত এই পৰীক্ষাটো সহায়ক বুলি প্রতিপন্ন হৈছিল। এই পৰীক্ষাৰ জৰিয়তে শিক্ষার্থীসকলে মেকানিক, অটো-মেকানিক, কাঠমিস্ত্রী, আচবাব নির্মাতা বা ধাতু-সম্পর্কীয় কাৰখানাত কাম কৰা আদি বৃত্তিত নিয়োজিত হ'ব পৰা সম্ভাৱনাৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰে।
- **মিনেচ'টা কাগজৰ আকাৰ সজোৱা বোর্ড (Minnesota Paper Form Board) :** এই পৰীক্ষাত ছপা কৰা কাগজৰ জ্যামিতিক আকৃতি ব্যৱহাৰ কৰা হয়। প্রতিটো প্রশ্নত দুটা বা ততোধিক অংশত বিভক্ত কিছুমান জ্যামিতিক আকৃতি দিয়া থাকে। এই অংশসমূহ সঠিকভাৱে সজালে সম্পূর্ণ আকৃতিখন স্পষ্টভাৱে দেখা যায়। পৰীক্ষার্থীয়ে পৃথকে থকা অংশসমূহ ক'ত আৰু কেনেকৈ স্থাপন কৰিব লাগে, সেইটো অনুমান কৰি শুদ্ধ আকৃতি গঠন কৰিব লাগে। এই পৰীক্ষাত মুঠ ৬৪টা প্রশ্ন থাকে। এই পৰীক্ষাৰ জৰিয়তে ব্যক্তিৰ মনঃচক্ষুৰে বস্তু অনুধাৱন কৰাৰ ক্ষমতা, কাল্পনিকভাৱে বস্তু বা জ্যামিতিক আকৃতি স্থানান্তৰ বা পৰিৱর্তন কৰিব পৰা সামর্থ, আৰু জ্যামিতিক নক্সাসমূহক বিভিন্ন খণ্ডত বিভক্ত কৰিব পৰা ক্ষমতা মূল্যায়ন কৰা হয়।
- **মিনেচ'টা স্থানিক সম্পর্ক জ্ঞান পৰীক্ষা (Minnesota Spatial Relations Test) :** ১৯৩০ চনত এই পৰীক্ষাটোৰ প্রথম আৰ্হি বিকশিত কৰা হৈছিল। এই পৰীক্ষাত চাৰিখন মানদণ্ডযুক্ত বোর্ড ব্যৱহাৰ কৰা হয়, যিবোৰত বিভিন্ন আকৃতিৰ উপাদান অন্তর্ভুক্ত থাকে। প্রতিখন বোর্ড ৫৮টা বিভিন্ন আকাৰ-আকৃতিৰ খণ্ডেৰে গঠিত। পৰীক্ষার্থীয়ে এই খণ্ডসমূহ চিনাক্ত কৰি সঠিকভাৱে বোর্ডত সজাই সম্পূর্ণ আকৃতি গঠন কৰিব লাগে।
- **মিনেচ'টা আগ্রহ বিশ্লেষণ পৰীক্ষা (Minnesota Interest Analysis Test) :** বৃত্তিমুখী শিক্ষাৰ ক্ষেত্রতো শিক্ষার্থীৰ আগ্রহ অতি গুৰুত্বপূর্ণ। এই আগ্রহে ব্যক্তিক কর্মসন্তুষ্টি আৰু সফলতা লাভ কৰাত সহায় কৰে। বৃত্তিজীৱন বা বিশেষ দক্ষতা প্রয়োজন হোৱা কামত

নিয়োজিত হ'ব বিচৰা ব্যক্তিসকলৰ ক্ষেত্ৰত আগ্ৰহৰ পৰিমাপ বিশেষভাৱে প্ৰাসংগিক। যান্ত্ৰিক কাম-কাজৰ প্ৰতি থকা আগ্ৰহ মূল্যায়ন কৰিব পৰাকৈ এই পৰীক্ষাটো সন্নিৱেশত অন্তৰ্ভুক্ত কৰা হৈছে।

এই পৰীক্ষাত সমান আকাৰ-আকৃতি চিনাক্ত কৰাৰ ক্ষেত্ৰত ব্যক্তিয়ে দেখুওৱা দ্ৰুততা আৰু নিৰ্ভুলতা জোখা হয়। উচ্চ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক শ্ৰেণীৰ শিক্ষাৰ্থীৰ লগতে প্ৰাপ্তবয়স্কসকলৰ বাবেও এই পৰীক্ষাটো উপযোগী। অৱশ্যে, এই পৰীক্ষাই ব্যক্তিৰ সমস্যা সমাধানৰ যান্ত্ৰিক দক্ষতা বা সৰু বস্তুসমূহ নিখুঁতভাৱে স্থানান্তৰ আৰু খাপ খুৱাব পৰা সূক্ষ্ম সামৰ্থ পোনপটীয়াকৈ জুখিব নোৱাৰে।

(iii) বেনেট্ যান্ত্ৰিক বিষয় বুজি পোৱাৰ মাত্ৰা পৰীক্ষা : এই পৰীক্ষাত ছবিৰ সহায়ত উপস্থাপন কৰা পৰিস্থিতিসমূহত বিভিন্ন যান্ত্ৰিক সমস্যা দৰ্শোৱা হয়। দৈনন্দিন জীৱনৰ সৈতে জড়িত বিভিন্ন কাৰ্যকলাপত প্ৰয়োগ হোৱা যান্ত্ৰিক নীতি-নিয়মসমূহ ব্যক্তি কিমানখিনি বুজে, সেইটো মূল্যায়ন কৰিবলৈ এই পৰীক্ষা ব্যৱহাৰ কৰা হয়। পৰীক্ষাৰ্থীসকলক বিভিন্ন ছবি আৰু ৰেখাচিত্ৰ প্ৰদান কৰা হয়। প্ৰতিখন ছবি বা ৰেখাচিত্ৰে একো একোটা যান্ত্ৰিক সমস্যা উপস্থাপন কৰে। পৰীক্ষাৰ্থীয়ে ছবি চিনি সমস্যাটো বুজি ল'ব লাগে আৰু সেই পৰিস্থিতিৰ ভিত্তিত সোধা প্ৰশ্নসমূহৰ উত্তৰ দিব লাগে।

এই পৰীক্ষাটোত জটিলতাৰ তিনিটা স্তৰ থাকে।

১) এই পৰীক্ষাত সমস্যাসমূহ তিনিটা পৃথক গোটৰ বাবে প্ৰস্তুত কৰা হয়— উচ্চ মাধ্যমিক পৰ্যায়ৰ অভিযান্ত্ৰিক শিক্ষা গ্ৰহণত আগ্ৰহী শিক্ষাৰ্থী, আপেক্ষিকভাৱে অপ্ৰশিক্ষিত ব্যক্তি আৰু সম্পূৰ্ণ অনভিজ্ঞ ব্যক্তি।

২) দ্বিতীয় স্তৰৰ সমস্যাসমূহ অভিযান্ত্ৰিক শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ বাবে প্ৰস্তুত কৰা হয়।

৩) তৃতীয় স্তৰৰ সমস্যাৰ আৰ্হি উচ্চ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থী আৰু প্ৰাপ্তবয়স্ক মহিলাসকলৰ বাবে বিকশিত কৰা হৈছে।

সামগ্ৰিকভাৱে, যান্ত্ৰিক শিক্ষা গ্ৰহণৰ ক্ষমতা-পৰীক্ষাসমূহে তলত দিয়া প্ৰধান কাৰ্যসমূহ মূল্যায়ন কৰে— দৰ্শনযোগ্য গতি-বিধিৰ বোধ, চিন্তা আৰু কৰ্মৰ সমন্বয়, স্থানিক সম্পৰ্ক কল্পনা কৰাৰ সামৰ্থ, অনুমানৰ দ্ৰুততা, হস্ত-সঞ্চালন দক্ষতা আৰু অন্তদৃষ্টি আদি। এই পৰীক্ষাসমূহৰ কিছুমানে ব্যক্তিয়ে আয়ত্ত কৰা বিশেষীকৃত তথ্য, নিৰ্দিষ্ট কাৰিকৰী কৌশলৰ জ্ঞান, পাটীগণিতীয় সমস্যা সমাধানৰ সামৰ্থ আৰু কাৰিকৰী শব্দভাণ্ডাৰো মূল্যায়ন কৰে। এই পৰীক্ষাসমূহত কেতিয়াবা বিভিন্ন ধৰণৰ আহিলা ব্যৱহাৰ কৰা হয়, কিছুমানত কাৰ্যদক্ষতা প্ৰদৰ্শনৰ বাবে উপযোগী সামগ্ৰী ব্যৱহাৰ কৰা হয়, আৰু আন কিছুমানত কাগজ-পেঞ্চিলৰ সহায় লোৱা হয়।

১০.৭.২ (খ) কেৰাণী সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতা

যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতাৰ দৰে কেৰাণী-সম্পৰ্কীয় শিক্ষা গ্রহণৰ ক্ষমতাও কোনো একক বা অখণ্ড প্রকাৰ্য নহয়। এই ক্ষমতাই কেৰাণী বা কাৰ্যালয় সহায়ক এগৰাকীয়ে সম্পাদন কৰিবলগীয়া দৈনন্দিন কামসমূহ দক্ষতাৰে সম্পন্ন কৰাৰ সামৰ্থ বুজায়। 'কেৰাণী-সম্পৰ্কীয় শিক্ষা গ্রহণৰ ক্ষমতা' বিষয়টো বিভিন্ন দৃষ্টিভংগীৰে ব্যাখ্যা কৰা হৈছে। ডোনাল্ড চুপাৰৰ মতে, ই হৈছে কাৰ্যালয় সহায়কে কৰিবলগীয়া নিয়মিত কামসমূহ দক্ষতাৰে সম্পাদন কৰাৰ সামৰ্থ। কেৰাণীৰ কৰ্তব্যসমূহৰ বিষয়ে বিলৰ মতে— "কেৰাণীৰ কাম হ'ল বিভিন্ন ধৰণৰ তথ্য সংগ্রহ কৰা, শ্রেণীবিভাজন আৰু উপস্থাপন কৰা; পৰিকল্পনাৰ সময়ত এই তথ্যসমূহ বিশ্লেষণ আৰু ব্যৱহাৰ কৰা; আৰু সেইবোৰ বাস্তৱ কাৰ্যত প্রয়োগ কৰি ফলাফল নির্ধাৰণ কৰা।" আকৌ, ৱাল্টাৰ ভ্যান ডাইক বিংহামৰ মতে, কেৰাণী-সম্পৰ্কীয় শিক্ষা গ্রহণৰ ক্ষমতাই অন্ততঃ চাৰিটা ভিন্ন ধৰণৰ সামৰ্থ আৰু তাৰ সৈতে জড়িত আন কিছুমান উপাদান অন্তর্ভুক্ত কৰে। এই চাৰিটা সামৰ্থ হ'ল—

১) **অনুমান কৰিব পৰা সামৰ্থ :** দ্রুত আৰু নির্ভুলভাৱে শব্দ আৰু সংখ্যা নিৰীক্ষণ কৰিব পৰা দক্ষতা।

২) **বৌদ্ধিক সামৰ্থ :** শব্দ আৰু প্রতীকৰ অর্থ তৎক্ষণাত বুজি পোৱাৰ দক্ষতা, আৰু সেই শব্দ বা প্রতীকে উপস্থাপন কৰা প্রশ্নসমূহৰ উত্তৰত উপযুক্ত সিদ্ধান্ত গ্রহণ কৰিব পৰা সামৰ্থ। কেৰাণী-সম্পৰ্কীয় কামৰ জটিলতা বৃদ্ধি হোৱাৰ লগে লগে এই বৌদ্ধিক দক্ষতাৰ প্রয়োজনীয়তা আৰু গুৰুত্বও বৃদ্ধি পায়।

৩) **বিভিন্ন মানসিক দক্ষতা :** যোগ আৰু পূৰণ কৰাৰ দক্ষতা, শুদ্ধ বানান লিখাৰ সামৰ্থ, যতি-চিহ্নসমূহৰ সঠিক ব্যৱহাৰৰ জ্ঞান, আৰু বিভিন্ন ধৰণৰ শব্দ আৰু অভিব্যক্তি যথাযথভাৱে প্রকাশ আৰু প্রয়োগ কৰাৰ দক্ষতা আদি।

৪) **যন্ত্র ব্যৱহাৰৰ দক্ষতা :** টাইপ ৰাইটাৰ, ডুপ্লিকেটৰ, চাইক্লষ্টাইল মেছিন আদিৰ দৰে বিভিন্ন যন্ত্র আৰু সঁজুলি ব্যৱহাৰ কৰাৰ সামৰ্থ।

এই সামৰ্থসমূহ জোখিবলৈ ব্যৱহৃত পৰীক্ষা-সামগ্রী আৰু তাত অন্তর্ভুক্ত কার্যকলাপসমূহৰ ভিতৰত আছে— প্রতীকৰ শুদ্ধ আৰু প্রণালীৱদ্ধ সজ্জা, সংখ্যাৰ সঠিক ক্রম নির্ধাৰণ, শব্দ আৰু চিঠি-পত্র পৰিচালনা, শিৰোনাম চিনাক্তকৰণ, আৰু সৰল গণিত-সম্পৰ্কীয় পৰীক্ষা আদি। কেৰাণী-সম্পৰ্কীয় শিক্ষা গ্রহণৰ ক্ষমতা সঠিকভাৱে চিনাক্ত আৰু মূল্যায়ন কৰাৰ বাবে এই সামগ্রীসমূহ কার্যালয় সহায়কৰ কামৰ প্রকৃতি অনুসৰি ভাগ কৰা হয়। উদাহৰণস্বৰূপে— পঠন, লিখন, শ্রেণীবিভাজন, নথি-সজোৱা, ফাইলত সংৰক্ষণ, ডাক-মোহৰ বা চীল-মোহৰ দিয়া, কোডিং কৰা আদি কাম পৰীক্ষার্থীক কৰিবলৈ দিয়া হয়। কার্যালয় সহায়কৰ দক্ষতা মূল্যায়ন কৰিবলৈ বিভিন্ন ধৰণৰ পৰীক্ষা উপলব্ধ আছে।

এনে দুটা জনপ্রিয় পৰীক্ষাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

ক) **মিনেচ'টা কেৰাণী সম্বন্ধীয় পৰীক্ষা (Minnesota Clerical Test) :** এই পৰীক্ষাৰ জৰিয়তে কার্যালয় সহায়কৰ কামত প্রয়োজন হোৱা দ্রুততা আৰু নির্ভুলতা মূল্যায়ন কৰা হয়। এম. এণ্ড্রিউৰে এই পৰীক্ষাটো বিকশিত কৰিছিল। এই পৰীক্ষাত অন্তর্ভুক্ত দুটা উপ-পৰীক্ষা হ'ল—

(i) সংখ্যাৰ তুলনা আৰু

(ii) নামৰ তুলনা।

সংখ্যা-তুলনা পৰীক্ষাত ২০০টা সংখ্যাৰ যুটী দিয়া হয়। প্রতিটো যুটীত ৩ৰ পৰা ১২টা সংখ্যা থাকে। কিছুমান যুটীৰ সংখ্যাবোৰ সম্পূর্ণ একে থাকে আৰু আন কিছুমানত এক-দুটা সংখ্যা পৃথক হয়। পৰীক্ষার্থীয়ে সম্পূর্ণ একে সংখ্যা থকা যুটীবোৰ চিনাক্ত কৰিব লাগে। দ্বিতীয় পৰীক্ষাটোত সংখ্যাৰ সলনি নাম ব্যৱহাৰ কৰা হয়। ইয়াতো পৰীক্ষার্থীয়ে সম্পূর্ণ সদৃশ নামৰ যুটীবোৰ চিনাক্ত কৰিব লাগে।

এই পৰীক্ষাটোৱে পৰীক্ষার্থীৰ অনুমান কৰাৰ দ্রুততা আৰু নির্ভুলতা জোখাত সহায় কৰে। কার্যালয় সহায়কৰ পদত ভালদৰে কাম কৰিব পৰা সম্ভাৱনীয়তা থকা ব্যক্তিসকলক চিনাক্ত কৰাতো ই সহায়ক। এই পৰীক্ষাত কম নম্বৰ লাভ কৰা ব্যক্তিসকলৰ কেৰাণী কাম শিকাৰ ক্ষমতা তুলনামূলকভাৱে কম বুলি ধৰা হয়। তথাপি এইটো মনত ৰাখিব লাগিব যে পৰীক্ষাত অধিক নম্বৰ লাভ কৰিলেই কেৰাণী-সম্পর্কীয় কামৰ বাবে প্রয়োজনীয় ইতিবাচক শিক্ষা গ্রহণৰ ক্ষমতা সম্পূর্ণৰূপে আছে বুলি নিশ্চিতকৈ ক'ব নোৱাৰি। বিশেষকৈ যি পদসমূহত অধিক দায়িত্ব আৰু বিভিন্ন ধৰণৰ কাম সম্পাদন কৰিব লাগে, তাত এই কথা অধিক প্রযোজ্য। সেয়ে, এনে ক্ষেত্রত পৰীক্ষাৰ ফলাফলসমূহ অন্য উৎসৰ পৰা সংগৃহীত তথ্য আৰু প্রমাণৰ সৈতে মিলাই বিবেচনা কৰি ব্যাখ্যা কৰা উচিত।

খ) **সাধাৰণ কেৰাণী সম্বন্ধীয় পৰীক্ষা (General Clerial Test) :** সকলো ধৰণৰ কার্যালয় সহায়কৰ দক্ষতা মূল্যায়ন কৰিবলৈ এই সাধাৰণ পার্থক্য নির্ণায়ক পৰীক্ষাটোৰ আৰ্হি প্রস্তুত কৰা হৈছিল। ইয়াৰ জৰিয়তে কার্যালয় সহায়কৰ কাম সম্পাদনৰ বাবে প্রয়োজনীয় বুলি গণ্য কৰা তিনিটা মূল সামর্থ জোখা হয়। এই তিনিটা সামর্থ হ'ল— ১) কাম সম্পাদনৰ দ্রুততা আৰু নির্ভুলতা ২) সাংখ্যিক সামর্থ আৰু ৩) মৌখিক দক্ষতা।

এই পৰীক্ষাটো মিনেছ'টা কেৰাণী-সম্পর্কীয় পৰীক্ষা (MCT)-তকৈ কিছু বিস্তৃত পৰিসৰৰ। ইয়াত ছয়টা উপ-পৰীক্ষা অন্তর্ভুক্ত আছে। সমগ্র পৰীক্ষাটো সম্পূর্ণ কৰিবলৈ প্রায় ৪০ মিনিট সময় লাগে। উপ-পৰীক্ষাসমূহ হ'ল— ১) প্রতিলিপি শুধৰণি, ২) বর্ণাশুদ্ধি, ৩) নির্ভুল গণনা, ৪) সৰল যোগ অংকত থাকিব পৰা ভুল পৰীক্ষা, ৫) গাণিতিক যুক্তি প্রয়োগ দক্ষতা, ৬) বানান, ৭) পঠন, ৮) শব্দভাণ্ডাৰ আৰু ৯) ব্যাকৰণ।

এই পৰীক্ষাত সাংখ্যিক আৰু মৌলিক সামৰ্থ-সম্পৰ্কীয় উপ-পৰীক্ষাসমূহত পোৱা নম্বৰৰ ভিত্তিত এটা সামগ্ৰিক মুঠ নম্বৰ নিৰ্ধাৰণ কৰা হয়। এই পৰীক্ষাটো বিশেষকৈ গতানুগতিক ধৰণৰ কাৰ্যালয় সহায়ক আৰু পৰিদৰ্শক স্তৰৰ চাকৰিত ব্যক্তিয়ে সফলতা লাভ কৰিব নে নোৱাৰিব, তাৰ আগতীয়া অনুমান কৰিবলৈ সহায়ক। এই পৰীক্ষাটোক 'অনুমানৰ দ্ৰুততা আৰু নিৰ্ভুলতা-পৰীক্ষা' বুলিও ক'ব পাৰি, কিয়নো ইয়াৰ জৰিয়তে ব্যক্তিয়ে কিমান দ্ৰুত আৰু নিৰ্ভুলভাৱে বিভিন্ন তথ্য বা পৰিস্থিতি পৰ্যবেক্ষণ কৰিব পাৰে, সেই সামৰ্থ মূল্যায়ন কৰা হয়।

১০.৭.২ (গ) সাংগীতিক আৰু শিল্পীসূলভ সামৰ্থ

ব্যক্তিৰ সাংগীতিক আৰু শিল্পীসুলভ প্ৰতিভা আৰিষ্কাৰ কৰাৰ উদ্দেশ্যে এই পৰীক্ষাসমূহ বিকশিত কৰা হৈছে। সংগীত আৰু গ্ৰাফিক কলা শিকাৰ সামৰ্থ মূল্যায়ন কৰিব পৰা পৰীক্ষাৰ সংখ্যা তুলনামূলকভাৱে কম। স্বীকৃত মানদণ্ড হিচাপে ব্যৱহৃত সাংগীতিক আৰু শিল্পীসুলভ সামৰ্থ-পৰীক্ষাসমূহে সাধাৰণতে জটিল পাৰদৰ্শিতা জোখাৰ পৰিৱৰ্তে মৌলিক বা উপাদানগত দক্ষতাসমূহ মূল্যায়ন কৰাত অধিক গুৰুত্ব দিয়ে। তলত দুটা গুৰুত্বপূৰ্ণ সাংগীতিক শিক্ষা গ্ৰহণৰ ক্ষমতা-পৰীক্ষাৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

(i) **সাংগীতিক প্ৰতিভা নিৰূপণৰ চীশ্বোৰ জোখ (Seashore Measures of Musical Talent) :** সাংগীতিক শ্ৰৱণ অভিমূল্যায়ন (musical hearing appreciation) আৰু পাৰদৰ্শিতা (performance)-ৰ এক বিজ্ঞানসন্মত বিশ্লেষণৰ আধাৰত এই জোখসমূহক মান্যতা প্ৰদান কৰা হৈছে। চতুৰ্থ শ্ৰেণীৰ পৰা মহাবিদ্যালয় পৰ্যায়ত অধ্যয়ন কৰা শিক্ষাৰ্থীৰ বাবে এই পৰীক্ষাটো প্ৰযোজ্য। এই জোখসমূহৰ জৰিয়তে স্বৰৰ উঠা-নমাৰ পাৰ্থক্য (pitch), তাল (rhythm), ধ্বনিৰ গুণগত স্বৰূপ (timbre), উচ্চতাৰ পাৰ্থক্য (loudness) আৰু তান-স্মৃতি (tonal memory) আদি দক্ষতাসমূহ মূল্যায়ন কৰা হয়।

১) **ছন্দৰ বিচাৰ (Judgement of Rhythm) :** পৰীক্ষাৰ্থীয়ে দুটা ছন্দৰ আৰ্হিৰ মাজত তুলনা কৰি তাল দুটা সদৃশ নে বিসদৃশ, সেইটো নিৰ্ণয় কৰিব লাগে।

২) **প্ৰগাঢ়তা অথবা উচ্ছগ্ৰামৰ মাজত প্ৰভেদকৰণ (Intensity or loudness discrimination) :** পৰীক্ষাৰ্থীয়ে সাংগীতিক 'নোট'ৰ যুটিসমূহৰ মাজত থকা গ্ৰেডেশ্যন (মাত্ৰাগত) পাৰ্থক্যৰ সৈতে 'নোট'বোৰৰ উচ্চতাৰ তাৰতম্য (loudness) নিৰূপণ কৰিব লাগে।

৩) **সময়ৰ প্ৰভেদ চিনাক্তকৰণ (Time discrimination) :** একোটা সাংগীতিক 'নোট' দুবাৰ ধ্বনিত হোৱাৰ পাছত দুয়োটাৰে সময়সীমা তুলনা কৰি নিৰ্ণয় কৰিব লাগে।

৪) **তানৰ স্মৃতি (Tonal Memory) :** এই পৰীক্ষাত পৰীক্ষাৰ্থীক দুটা তান-আৰ্হিৰ এক যুটী বজাই শুনোৱা হয়। পৰীক্ষাৰ্থীয়ে এই দুয়োটা তানৰ মাজত থকা পাৰ্থক্য চিনাক্ত কৰিব পাৰে নে নোৱাৰে, সেইটো মূল্যায়ন কৰা হয়।

এই পৰীক্ষা-সন্নিৱেশত অন্তর্ভুক্ত পৰীক্ষা-সামগ্রীসমূহ ফোন'গ্রাফ ৰেক'র্ডৰ জৰিয়তে বজাই শুনোৱা হয়। পৰীক্ষার্থীয়ে সংগীতৰ টুকুৰাসমূহ শুনি তাৰ মাজৰ পার্থক্য নিৰূপণ কৰিবলৈ চেষ্টা কৰে। উত্তৰ লিখাৰ বাবে পৰীক্ষার্থীক পৃথক উত্তৰ-বহী (পৃষ্ঠা) প্রদান কৰা হয়। অতি সৰু বয়সৰ ল'ৰা-ছোৱালীৰ সাংগীতিক প্রতিভা এই পৰীক্ষাৰ দ্বাৰা সঠিকভাৱে জোখা নাযায়। লগতে, এই পৰীক্ষাই সাংগীতিক শিক্ষা গ্রহণৰ ক্ষমতাৰ সকলো দিশ সম্পূর্ণৰূপে মূল্যায়ন কৰিব নোৱাৰে; ই মূলতঃ পৰীক্ষার্থীৰ শ্রৱণ-সম্পর্কীয় ক্ষমতাহে মূল্যায়ন কৰাত সহায় কৰে।

(ii) সাংগীতিক প্রতিভা নিৰূপণৰ ৱিং ষ্টেণ্ডাৰডাইজড্ পৰীক্ষা (The Wing Standardized Tests of Musical Talent) : ৮ বছৰীয়া আৰু তাতোকৈ ডাঙৰ বয়সৰ ব্যক্তিৰ বাবে এই পৰীক্ষাটো প্রযোজ্য। সাংগীতিক সম্পর্ক বুজা আৰু নান্দনিক পছন্দ অনুমান কৰাৰ সামর্থ জোখিবলৈ এই পৰীক্ষাৰ সহায় লোৱা হয়। এই পৰীক্ষাত সাতটা দিশ সামৰি লোৱা হৈছে—বাদ্যযন্ত্রৰ তন্ত্রী বিশ্লেষণ (chord analysis), কণ্ঠস্বৰৰ উঠা-নমা পৰিৱর্তন মনত ৰখাৰ সামর্থ (pitch change memory), তালৰ জোৰ (rhythmic accent), স্বৰ-সংগতি (harmony), স্বৰৰ প্রগাঢ়তা (intensity) আৰু চৰণ-বিন্যাস (phasing)। ব্যক্তিক সংগীতৰ প্রশিক্ষণৰ বাবে বাছনি কৰা আৰু প্রশিক্ষণ প্রদানৰ ক্ষেত্রত ৱিং পৰীক্ষাক চীশ্বোৰ পৰীক্ষাতকৈ অধিক প্রাসংগিক বুলি বিবেচনা কৰা হয়।

১০.৭.২ (ঘ) কলা শিকাৰ বাবে প্রয়োজনীয় সামর্থক পৰিমাপণ

কলা শিকাৰ ক্ষমতা হৈছে আগ্রহ, সামর্থ, সৃষ্টিশীল শক্তি, অধ্যাৱসায় আৰু আন কেইবাটাও সহায়ক কাৰকৰ এক জটিল সংমিশ্রণ। এই ক্ষমতা জোখাৰ দুটা গুৰুত্বপূর্ণ পৰীক্ষাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

(i) দ্যমায়াৰ কলা বিচাৰ পৰীক্ষা (The Meier Art Judgement Test) : এই পৰীক্ষাৰ জৰিয়তে 'বিশ্বজনীন'ভাৱে কলাৰ নান্দনিক বিচাৰ কৰাৰ সামর্থ মূল্যায়ন কৰা হয়। ইয়াৰ বাবে ১০০টা যুটীৰ ক'লা-বগা প্রতিনিধিত্বমূলক ছবিৰ সমষ্টি ব্যৱহাৰ কৰা হয়। প্রতিটো যুটীৰ ভিতৰত এখন ছবি কোনো প্রখ্যাত ছবিৰ নকল, আৰু আনখন মূল ছবিখনৰ সৈতে বহুাংশে সাদৃশ্যপূর্ণ যদিও তাত এটা সূক্ষ্ম অমিল থাকে। এই অমিলটো চিনাক্ত কৰিবলৈ ব্যক্তিৰ গ্রাফিক কলাৰ ক্ষেত্রত প্রযোজ্য নান্দনিক নীতিসমূহৰ জ্ঞান বা নান্দনিক বোধ থকাটো প্রয়োজন। পৰীক্ষার্থীয়ে প্রতিটো ছবিৰ যুটীৰ পৰা নিজৰ পছন্দৰ ছবিখন নির্বাচন কৰি চিহ্নিত কৰিব লাগে। এই পৰীক্ষাটো নিম্ন মাধ্যমিক, উচ্চ মাধ্যমিক, মহাবিদ্যালয় পর্যায় আৰু প্রাপ্তবয়স্কসকলৰ বাবে মান্যতাপ্রাপ্ত ৰূপত ব্যৱহাৰ কৰা হয়।

- **গ্রেভচ্ ডিজাইন বিচাৰ পৰীক্ষা (Graves Design Judgement Test) :** এই পৰীক্ষাত বিশেষভাৱে প্রস্তুত কৰা কিছুমান বিমূর্ত আর্হি ব্যৱহাৰ কৰা হয়। পৰীক্ষাটোত সর্বমুঠ ৯০টা

আহিলা থাকে। ইয়াৰ ভিতৰত ৮টা আহিলাত তিনিটাকৈ আৰ্হি আৰু বাকীবোৰত দুটাকৈ আৰ্হি অন্তর্ভুক্ত থাকে। এই আৰ্হিসমূহ ক'লা, বগা আৰু ধূসৰ ৰঙেৰে অংকন কৰা হয়। আৰ্হিসমূহৰ কিছুমান কেৱল ৰেখাচিত্ৰ, কিছুমান বর্গক্ষেত্ৰ, কিছুমান ত্ৰিভূজ, কিছুমান দ্বিমাত্ৰিক আকাৰৰ সদৃশ আৰু আন কিছুমান ত্ৰিমাত্ৰিক বিমূর্ত ভাস্কর্যৰ পুনৰঅংকনৰ দৰে দেখা যায়। এই পৰীক্ষাৰ জৰিয়তে ব্যক্তিৰ অনুমান কৰিব পৰা সামর্থহে মূল্যায়ন কৰা হয়। নান্দনিক বিচাৰত অন্তর্ভুক্ত বিভিন্ন উপাদানৰ পৃথক বিশ্লেষণৰ বাবে এই পৰীক্ষাটো ব্যৱহাৰ কৰা নহয়।

১০.৭.২ (ঙ) জ্ঞান অর্জন সম্বন্ধীয় আৰু বৃত্তিজীৰি শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

জ্ঞান অর্জন-সম্পর্কীয় (scholastic) শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহ বিশেষ পাঠ্যক্রম বা বৃত্তিৰ বাবে শিক্ষার্থী বাছনি কৰিবলৈ বিকশিত কৰা হৈছে। এনে পাঠ্যক্রম বা বৃত্তিৰ ভিতৰত অভিযান্ত্রিক, চিকিৎসা বিজ্ঞান, আইন, শিক্ষণ আদি অন্তর্ভুক্ত। এইধৰণৰ পৰীক্ষাৰ কিছুমান বহুল ব্যৱহৃত ৰূপ হ'ল—

১) দ্য আমেৰিকান কাউন্সিল অফ্ এডুকেশ্যনেল স্ক'লাষ্টিক এপ্‌টিটিউড টেষ্ট,

২) স্ক'লাষ্টিক এপ্‌টিটিউড টেষ্টচ্ ইন ইউ.এছ.এ.,

৩) চিকিৎসা বিজ্ঞানৰ শিক্ষার্থীৰ বাবে ম'চ স্ক'লাষ্টিক এপ্‌টিটিউড টেষ্ট,

৪) ল স্কুল এডমিছন টেষ্ট,

৫) প্রী-ইঞ্জিনিয়াৰিং এবিলিটি টেষ্ট,

৬) মিনেচ'টা ইঞ্জিনিয়াৰিং এনাল'জিচ্ টেষ্ট,

৭) টিচ্ছিং এপ্‌টিটিউড টেষ্ট বাই ম'চ ইত্যাদি।

এনেধৰণৰ সুনির্দিষ্ট শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা প্রস্তুত কৰাৰ মুখ্য সুবিধা হ'ল— ইয়াৰ সহায়ত আৱশ্যকীয় সামর্থ অধিক নিখুঁতভাৱে জোখা যায়। যিহেতু এই পৰীক্ষাসমূহে সাধাৰণতে এটা নির্দিষ্ট সামর্থৰ ওপৰত কেন্দ্রিত থাকে, সেয়ে সেই সামর্থৰ সৈতে জড়িত বিভিন্ন দিশো অধিক বিশদভাৱে অনুধাৱন কৰাৰ সুযোগ মেলে। এই পৰীক্ষাসমূহ কোনো বিশেষ উদ্দেশ্য বা নির্দিষ্ট পৰিস্থিতিত ব্যৱহাৰৰ বাবে বিকশিত কৰা হয়। সেইকাৰণে বিশেষ পৰিস্থিতিত ব্যক্তিৰ নির্দিষ্ট শিক্ষা গ্রহণৰ দক্ষতা সম্পর্কে এই পৰীক্ষাসমূহে প্রদান কৰা ফলাফল অধিক ভৰসাযোগ্য সূচক হিচাপে বিবেচিত হয়।

এই পৰীক্ষাসমূহৰ কিছুমান সীমাৱদ্ধতাও আছে। কেতিয়াবা ই অতিৰিক্তভাৱে বিশেষ বিষয়কেন্দ্রিক হৈ পৰে, ফলত সাধাৰণীকৃত দিশৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে একাধিক শিক্ষা

গ্রহণৰ ক্ষমতা জুখিবলৈ বিচৰা পৰীক্ষকে নিজ প্রয়োজন অনুসৰি নিজাকৈ পৰীক্ষা-সন্নিৱেশ বিকশিত কৰিব লাগে। বহু ক্ষেত্রত প্রতিগৰাকী পৰীক্ষার্থী বা প্রতিটো পৰিস্থিতিৰ সৈতে খাপ খুৱাই এই সন্নিৱেশসমূহ প্রস্তুত কৰাৰো প্রয়োজন হয়। বিভিন্ন ধৰণৰ জনসংখ্যা (পৰীক্ষার্থী গোট)ৰ বাবে ভিন্ন ভিন্ন পৰীক্ষা বিকশিত কৰাৰ ফলত মানদণ্ড হিচাপে ব্যৱহাৰ কৰিব পৰা প্রতিদর্শ তথ্যসমূহৰ মাজত তুলনা কৰাটো কঠিন হৈ পৰে। ইয়াৰ ফলত বিভিন্ন পৰীক্ষাৰ জোখৰ বিপৰীতে পৰীক্ষার্থীয়ে লাভ কৰা নম্বৰসমূহ তুলনা কৰি সঠিক ব্যাখ্যা আগবঢ়োৱাত সমস্যাৰ সৃষ্টি হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২. তলৰ পৰীক্ষাবোৰৰ যিকোনো দুটা জনপ্রিয় ৰূপ উল্লেখ কৰক—

(ক) যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

(খ) সাংগীতিক সামর্থ পৰীক্ষা

(গ) কেৰাণী সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

(ঘ) জ্ঞান অর্জন সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

প্রশ্ন ১৩. মিনেচ'টা যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ অন্তর্গত যিকোনো এটা উপ-পৰীক্ষাৰ নাম লিখক।

১০.৮ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ গুৰুত্ব

আধুনিক বিশ্বৰ শিক্ষা ক্ষেত্রত শিক্ষা গ্রহণৰ ক্ষমতাৰ প্রয়োগসাধ্যতা আৰু এই ক্ষমতা মূল্যায়নৰ গুৰুত্ব অত্যন্ত বৃদ্ধি পাইছে। শৈক্ষিক আৰু বৃত্তিমুখী শিক্ষা-দিশা নির্ধাৰণৰ ক্ষেত্রত প্রতিদিনে আগবঢ়োৱা দিহা-পৰামর্শত সহায়ক হোৱাকৈ এইধৰণৰ পৰিমাপণ পদ্ধতিসমূহৰ প্রয়োজনীয়তা আৰু তাৎপর্য্য দিনক দিনে বাঢ়ি গৈছে। তলত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ কেইটামান গুৰুত্বপূর্ণ দিশ উল্লেখ কৰা হ'ল—

- প্রতিগৰাকী ব্যক্তি সকলো ধৰণৰ কামৰ বাবে উপযুক্ত নহয়। প্রতিজনৰেই কিছুমান জন্মগত আৰু অন্তর্নিহিত গুণ আৰু সামর্থ থাকে। এই শিক্ষা গ্রহণৰ সামর্থসমূহ সঠিকভাৱে চিনাক্ত কৰি উপযুক্ত প্রশিক্ষণ প্রদান কৰিব পাৰিলে, বর্তমানৰ ঔদ্যোগিকীকৰণ আৰু বিশেষীকৃত কর্মক্ষেত্রৰে ভৰা বিশ্বত প্রয়োজনীয় মানৱ-সম্পদ সৃষ্টি আৰু সদ্ব্যৱহাৰ কৰা সম্ভৱ হয়। শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহে ব্যক্তিৰ এই ভিন্ন ভিন্ন সামর্থসমূহ চিনাক্ত কৰাত সহায় কৰে।
- শিক্ষার্থীসকলে কম বয়সতেই বিভিন্ন পাঠ্যবিষয়ৰ মাজৰ পৰা পছন্দৰ বিষয় বাছনি কৰিব লাগে বা সেই বিষয়ে সিদ্ধান্ত ল'বলগীয়া হয়। ভিন্ন ভিন্ন পাঠ্যক্রমৰ বাবে শিক্ষার্থীয়ে ভিন্ন ধৰণৰ শৈক্ষিক সামর্থৰ অধিকাৰী হ'ব লাগে। কম বয়সীয়া ছাত্র-ছাত্রীৰ শক্তিশালী আৰু দুর্বল শৈক্ষিক বৈশিষ্ট্যসমূহ চিনাক্ত কৰিবলৈ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ সন্নিৱেশসমূহ ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ সহায়ত

ছাত্র-ছাত্রীসকলক উপযুক্ত পাঠ্যক্রম, পাঠ্যবিষয় আৰু বৃত্তি বাছনি কৰাৰ ক্ষেত্রত সঠিক দিশ-নির্দেশনা প্রদান কৰিব পৰা যায়।

- বৃত্তিমুখী শিক্ষা গ্রহণৰ ক্ষেত্রত দিহা-পৰামর্শ প্রদান কৰাৰ কাম বহু পৰিমাণে বিভিন্ন ধৰণৰ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ ফলাফলৰ ওপৰত নির্ভৰশীল। ভিন্ন ভিন্ন বৃত্তিৰ বাবে শিক্ষার্থীৰ বিশেষ ধৰণৰ শিক্ষা গ্রহণৰ ক্ষমতা প্রয়োজন হয়। এই ক্ষমতাৰ ভিত্তিত তেওঁলোকৰ বাবে উপযুক্ত বৃত্তি চিনাক্ত কৰি দিব পৰা যায়।
- বৃত্তিমুখী কামত নিযুক্তিৰ বাবে প্রার্থী বাছনি কৰাৰ সময়তো শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা ব্যৱহাৰ কৰা হয়। ইয়াৰ সহায়ত কোনো নির্দিষ্ট কামৰ বাবে আবেদন কৰা ব্যক্তিসকলৰ মাজত অসফল হোৱাৰ সম্ভাৱনা থকা প্রার্থীসকলক আগতে চিনাক্ত কৰি বাছনিৰ পৰা বাদ দিব পাৰি। তদুপৰি, জীৱিকা অর্জনৰ বাবে নির্বাচিত কামত ব্যক্তি সফল হ'ব নে নহয়, তাৰ আগতীয়া অনুমান কৰাৰ ক্ষেত্রতো এই পৰীক্ষাসমূহ উপযোগী।
- আইন, চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্রিক শিক্ষাৰ দৰে বিশেষীকৃত পাঠ্যক্রমত শিক্ষার্থী বাছনি কৰাৰ সময়ত সেই বিষয়সমূহ শিকিবলৈ প্রয়োজনীয় সামর্থ আছে নে নাই, সেইটো মূল্যায়ন কৰাটো অতি আৱশ্যক। যথাযথ সামর্থ থকা শিক্ষার্থীসকলকহে এনে বিষয়সমূহত প্রশিক্ষণ দি দক্ষ কৰি তোলা সম্ভৱ। সেইকাৰণে, শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ ফলাফলৰ আধাৰতেই এই বৃত্তিমুখী পাঠ্যক্রমসমূহত শিক্ষার্থীক নামভর্তিৰ সুযোগ প্রদান কৰা হয়।
- শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহে শিক্ষার্থীৰ কিছুমান নির্দিষ্ট শিকন-সম্পর্কীয় বৈশিষ্ট্য উন্নত কৰাত সহায় কৰে। শিক্ষার্থীৰ শিক্ষা গ্রহণৰ ক্ষমতাৰ স্তৰ জনা থাকিলে শিক্ষকসকলে সম্ভাৱনা অনুসৰি শিকন প্রক্রিয়াত পিছপৰি ৰোৱা শিক্ষার্থীসকলক চিনাক্ত কৰি উপযুক্ত সহায়মূলক ব্যৱস্থা গ্রহণ কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হয় যে শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহে উদ্দেশ্যপূর্ণ শৈক্ষিক দিহা-পৰামর্শ প্রদানৰ ব্যক্তিগত প্রচেষ্টা বা কার্যসূচীৰ লগতে বিভিন্ন বিশেষীকৃত শৈক্ষিক আৰু বৃত্তিমুখী পাঠ্যক্রমত নামভর্তিৰ বাবে লোৱা প্রৱেশ-পৰীক্ষাসমূহত আৰু বিভিন্ন বিশেষ বৃত্তিত নিযুক্তিৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই পৰীক্ষাসমূহ কেতিয়াবা আই.কিউ (IQ) পৰীক্ষা, আগ্রহ-পৰীক্ষা, প্রত্যাশা-পৰীক্ষা আৰু ব্যক্তিত্ব-পৰীক্ষাৰ সৈতে সংযুক্ত কৰি ব্যৱহাৰ কৰা হয়। ইয়াৰ ফলত অনুপযুক্ত ব্যক্তিক কোনো কামত নিয়োগ কৰাৰ ফলত হ'ব পৰা মানৱ-সম্পদ আৰু আন সম্পদৰ অপচয় যথেষ্ট হ্রাস কৰিব পৰা যায়। এইখিনিতে মনত ৰখা উচিত যে শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ পৰা লাভ কৰা তথ্যসমূহ পৰীক্ষার্থীৰ পূর্বৱর্তী সফলতাৰ তথ্য, বর্তমান আগ্রহ, অৱসৰৰ সময়ত কৰা কার্যকলাপ আৰু কর্ম-অভ্যাস আদি তথ্যৰ সৈতে মিলাই ব্যৱহাৰ কৰা উচিত। ব্যক্তিৰ ভৱিষ্যৎ সফলতা কেৱল সম্ভাৱনাৰ ভিত্তিতহে অনুমান কৰা যায়। শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাত পোৱা নম্বৰসমূহে ব্যক্তিৰ জীৱিকা-নির্বাচনৰ ক্ষেত্রত কোনো নির্দিষ্ট দিশলৈ ইঙ্গিত আগবঢ়াব পাৰে বা দিহা-পৰামর্শ দিয়াত সহায়

কৰে; কিন্তু ই ব্যক্তিক স্বয়ংক্রিয়ভাৱে কোনো নির্দিষ্ট পাঠ্যক্রম, অধ্যয়নক্ষেত্র বা বৃত্তিৰ সৈতে সংযুক্ত নকৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১৪. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ গুৰুত্ব প্রকাশক তিনিটা দিশ উল্লেখ কৰক।

প্রশ্ন ১৫. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাৰ এটা সীমাৱদ্ধতাৰ বিষয়ে লিখক।

১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিত পঢ়া কথাবোৰৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল–

- শিক্ষা গ্রহণৰ সামর্থ হৈছে এগৰাকী ব্যক্তিৰ অন্তর্নিহিত সম্ভাৱনীয়তাৰ চৰম সীমাৰ ভিতৰত অৱস্থিত এক পৰিস্থিতি, গুণ বা গুণসমষ্টি। এই সীমাৰ ভিতৰত ব্যক্তিয়ে নির্দিষ্ট জ্ঞান আহৰণ কৰে, বিশেষ বিষয় বুজি পায় আৰু বিভিন্ন ধৰণৰ কার্যকলাপ সম্পাদনৰ দক্ষতা আয়ত্ত কৰে। এই প্রক্রিয়াৰ বাবে উপযুক্ত প্রশিক্ষণ অতি আৱশ্যক।
- শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহ ব্যক্তিৰ বৃত্তিজীৱন আৰু বৃত্তিমুখী কর্মত সফলতা নিৰূপণৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। এই পৰীক্ষাসমূহ মূলতঃ তিনিটা প্রকাৰৰ। মনোবৈজ্ঞানিক মূল্যায়নৰ ক্ষেত্রত সাধাৰণতে দুটা প্রধান পৰীক্ষা-সন্নিৱেশ ব্যৱহাৰ কৰা হয়— (ক) একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ বা সাধাৰণ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা আৰু (খ) বিশেষীকৃত শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ।
- সন্নিৱেশত অন্তর্ভুক্ত পৰীক্ষাসমূহে একেটা ঐকিক আৰু সংহত পৃষ্ঠভূমিত অৱস্থিত বিভিন্ন সামর্থ জুখি চায়। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে উপ-পৰীক্ষাসমূহৰ জৰিয়তে পৃথক পৃথক নম্বৰ সংগ্রহ কৰি ব্যক্তিৰ একাধিক সামর্থৰ মাজত থকা পার্থক্য নিৰূপণ কৰা।
- সাধাৰণ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ, পার্থক্যসূচক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশ আৰু প্রাথমিক মানসিক সামর্থ-পৰীক্ষা সন্নিৱেশ—এইবোৰ একাধিক পৰীক্ষাৰ একো একোটা সমষ্টি। এই সন্নিৱেশসমূহে শিক্ষার্থীৰ বিভিন্ন বিশেষ শিকন-সামর্থৰ আপেক্ষিক ছবি এখনৰ বিষয়ে বিস্তৃত তথ্য প্রদান কৰে।
- কার্যকলাপৰ বিভিন্ন সুনির্দিষ্ট ক্ষেত্রৰ বাবে ব্যক্তিৰ শিকন-সামর্থ জুখিবলৈ কিছুমান বিশেষ পৰীক্ষা বিকশিত কৰা হৈছে। এনে পৰীক্ষাসমূহৰ ভিতৰত যান্ত্রিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা, সাংগীতিক আৰু শিল্পীসুলভ সামর্থ-পৰীক্ষা, বৃত্তিমুখী শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা আৰু জ্ঞান অর্জন-সম্পর্কীয় শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা উল্লেখযোগ্য।

১০.১০ অধিক জানিবলৈ

1) Anastasi Anne (1976): Psychological Testing 4th Edition, New York: Macmillan Publishing Co. Inc.
2) Anderson, Scarvia B. Samuel Ball, Murphy, R.T. and et.al (1976): Encyclopedia of Educational Evaluation, Jessey-Bass Publishers.
3) Asthana B (2015): Measurement and Evaluation in in Psychology and Education, Binod Pustak Mandir, Agra.
4) Brown Frederick G. (1097): Principles of Educational and Psychological Testing, Holt: Rineheart and Winston, 1976.
5) Boehm, Ann E. and White, Mary Alice (1982): The Parent's Handbook on School Testing. New York: Teacher's College Press.
6) Freeman, F.S: Theory and Practice of Psychological Testing, Oxford and IBH.
7) Gronlund, Norman, E (1968): Readings in Measurement and Evaluation, Education, and Psychology, The Macmillan Company.
8) Goswami M (2010): Measurement and Evaluation in Education and Psychology, Nilkamal Publishing House, Hyderabad, 2010
9) Jensen, Arthur R.(1981): Straight Talk About Mental Tests Their Uses and Abuses Explained in No-nonsense Terms by the World's Foremost Authority, New York: The Free Press.
10) Mehrens, William A. and Lehmann, Irvin J. (1987): Using Standardized Tests in Education, Fourth Edition. New York: Longman, Inc.
11) Mehrens, William, A. and Lehmann, Irvin, J (1978): Measurement and Evaluation in Education and Psychology, Holt, Rinehard and Winston.
12) Sattler, Jerome M. (1988): Assessment of Children, Third edition. San Diego: Jerome M. Sattler, Publisher.

১০.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বিংহামে উল্লেখ কৰা দুটা ধাৰণা হ'ল— (i) ব্যক্তিৰ অন্তর্নিহিত সম্ভাৱনীয়তাবোৰ সমানে শক্তিশালী নহয় (ii) সম্ভাৱনীয়তাৰ দিশেৰে প্রতিগৰাকী ব্যক্তি আনৰ পৰা পৃথক

২ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণৰ ক্ষমতা হ'ল এটা জন্মগত আৰু অন্তর্নিহিত গুণ। কোনো এক নির্দিষ্ট ক্ষেত্রত উপযুক্ত প্রশিক্ষণৰ সহায়ত ই প্রকট হয়।

৩ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণৰ ক্ষমতা সাধাৰণ সামর্থ নহয়। ই ব্যক্তিৰ গাত নিহিত থকা বিশেষ প্রতিভা। শিক্ষা গ্রহণৰ ক্ষমতাক সৰলতাৰ সামর্থৰূপেও বিশ্লেষণ কৰিব নোৱাৰি। এই ক্ষমতাৰ প্রকৃতি অখণ্ড।

৪ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণ ক্ষমতা = সামর্থ + সফলতাৰ সম্ভাৱনীয়তা

৫ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাৰ একেবাৰে সাধাৰণ সংজ্ঞা হৈছে— কোনো ধৰণৰ আগতীয়া জ্ঞান বা প্রশিক্ষণ অবিহনে কোনো নির্দিষ্ট কাম সম্পাদন কৰিবলৈ ব্যক্তিৰ প্রতিভা, সামর্থ বা সম্ভাৱনীয়তা আছে নে নাই, সেইটো মূল্যায়ন কৰাৰ এক উপায়। এইধৰণৰ পৰীক্ষাসমূহত ধৰি লোৱা হয় যে প্রতিজন ব্যক্তিৰ কিছুমান অন্তর্নিহিত শক্তি আৰু দুর্বলতা থাকে। এই অন্তর্নিহিত বৈশিষ্ট্যসমূহৰ আধাৰত ব্যক্তিয়ে কোনো নির্দিষ্ট ক্ষেত্রত সফলতা বা বিফলতাৰ দিশে স্বাভাৰিক প্রৱণতা প্রদর্শন কৰে।

৬ নং প্রশ্নৰ উত্তৰঃ বিভিন্ন ধৰণৰ মানসিক কার্যকলাপৰ প্রতিটোৰ স্বতন্ত্র পৰিমাপণ কৰাৰ বাবে একাধিক শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষা সন্নিৱেশসমূহ ব্যৱহাৰ কৰা হয়। এই পৰীক্ষাসমূহৰ জৰিয়তে বিভিন্ন মানসিক কার্যকলাপৰ বাবে পৃথক পৃথক জোখ (স্ক'ৰ) লাভ কৰা যায়। তাত্ত্বিক দৃষ্টিকোণৰ পৰা, এই পৰীক্ষাসমূহৰ ফলাফলসমূহে ব্যক্তিৰ সামর্থৰ বিভিন্ন গোটীয় কাৰকসমূহ পৰিস্থিতি অনুসৰি খাপ খুৱাই ল'ব পৰা দক্ষতাৰ প্রতিফলন কৰে।

৭ নং প্রশ্নৰ উত্তৰঃ সাধাৰণ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা সন্নিৱেশ (GATB), পার্থক্যসূচক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা (DAT), প্রাথমিক মানসিক সামর্থ পৰীক্ষা (PMA)।

৮ নং প্রশ্নৰ উত্তৰঃ (ক) বুদ্ধি, (খ) মৌখিক শিক্ষা গ্রহণ ক্ষমতা, (গ) সাংখ্যিক শিক্ষা গ্রহণ ক্ষমতা।

৯ নং প্রশ্নৰ উত্তৰঃ ৮ টা।

১০ নং প্রশ্নৰ উত্তৰঃ কেৰাণী বিষয়ক কাম-কাজ কৰাৰ দ্রুততা আৰু নির্ভুলতা।

১১ নং প্রশ্নৰ উত্তৰঃ থাষ্টৰ্'নে।

১২ নং প্রশ্নৰ উত্তৰঃ (ক) মিনেচ'টা যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা আৰু বেনেট্ যান্ত্রিক বিষয় বুজি পোৱাৰ মাত্রা পৰীক্ষা।

(খ) সাংগীতিক প্রতিভা নিৰূপণৰ চীশ্বোৰ জোখ আৰু সাংগীতিক প্রতিভা নিৰূপণৰ ৰিং ষ্টেণ্ডাৰডাইজড্ পৰীক্ষা।

(গ) মিনেচ'টা কেৰাণী সম্বন্ধীয় পৰীক্ষা আৰু সাধাৰণ কেৰাণী সম্বন্ধীয় পৰীক্ষা।

(ঘ) স্ক'লাষ্টিত এপ্টিটিউড টেষ্টচ্ ইন ইউ.এছ.এ. আৰু চিকিৎসা বিজ্ঞানৰ শিক্ষার্থীৰ বাবে ম'চ স্ক'লাষ্টিক এপ্টিটিউড টেষ্ট।

১৩ নং প্রশ্নৰ উত্তৰঃ মিনেচ'টা কাগজৰ আকাৰ সজোৱা বোর্ড গঠন পৰীক্ষা।

১৪ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণৰ ক্ষমতা-পৰীক্ষাসমূহে শিক্ষার্থীৰ শিকন-সামর্থ চিনাক্ত কৰাত সহায় কৰে। ইয়াৰ জৰিয়তে শিক্ষার্থীয়ে উপযুক্ত পাঠ্যক্রম, পাঠ্যবিষয় আৰু জীৱিকা-নির্বাচনৰ ক্ষেত্রত সঠিক সিদ্ধান্ত ল'ব পাৰে। তদুপৰি, এই পৰীক্ষাসমূহৰ সহায়ত শিক্ষার্থীয়ে কোনো নির্দিষ্ট বৃত্তিত কিমানখিনি সফল হ'ব পাৰে, তাৰ আগতীয়া অনুমানো কৰা হয়।

১৫ নং প্রশ্নৰ উত্তৰঃ শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাই ব্যক্তিক স্বয়ংক্রিয়ভাৱে উপযুক্ত পাঠ্যক্রম অথবা অধ্যয়ন ক্ষেত্র অথবা বৃত্তিৰ সৈতে সংযুক্ত নকৰে।

? ১০.১২ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. শিক্ষা গ্রহণ ক্ষমতা বুলিলে কি বুজে?

প্রশ্ন ২. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষাসমূহ কি কামত ব্যৱহাৰ কৰা হয়? যিকোনো এটা পৰীক্ষাৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ৩. বিশেষ সামর্থ বুলিলে কি বুজে। শিক্ষার্থীৰ যান্ত্রিক শিক্ষা গ্রহণ ক্ষমতা মূল্যায়নকাৰী যিকোনো এটা পৰীক্ষাৰ বিষয়ে চমুকৈ লিখক।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা মানে কি? শিক্ষা ক্ষেত্রত এই পৰীক্ষাসমূহৰ গুৰুত্ব আলোচনা কৰক।

প্রশ্ন ২. শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা মানে কি? একাধিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা সন্নিৱেশ এটাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ৩. চমুটোকা লিখক–

(ক) DAT,

(খ) SRA; PMA

(গ) সাংগীতিক শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

(ঘ) কেৰাণী সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতা পৰীক্ষা

প্রশ্ন ৪. কেৰাণী সম্বন্ধীয় শিক্ষা গ্রহণ ক্ষমতাৰ সৈতে কি কি কাৰক জড়িত হৈ থাকে। এই ক্ষমতা জুখিবলৈ কি কি পৰীক্ষা ব্যৱহাৰ কৰা হয়?

প্রশ্ন ৫. কলা শিকাৰ বাবে প্রয়োজনীয় সামর্থ জুখিবলৈ কি কি পৰীক্ষা পতা হয়? আলোচনা কৰক।

*****

অধ্যায় ১১ : মনোভাৱ পৰিমাপণ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ মনোভাৱৰ অর্থ
১১.৪ মনোভাৱৰ সংজ্ঞা
১১.৫ মনোভাৱৰ প্রকৃতি আৰু বৈশিষ্ট্য
১১.৬ মনোভাৱ পৰীক্ষাৰ গুৰুত্ব
১১.৭ মনোভাৱ পৰিমাপণ
১১.৮ মনোভাৱ পৰীক্ষাৰ প্রকাৰ
১১.৮.১ মনোভাৱ মাপনী
১১.৮.১ (ক) থাষ্টৰ্'নৰ মাপনী
১১.৮.১ (খ) লিকার্ট টাইপ মাপনী
১১.৮.১ (গ) চেমাণ্টিক প্রভেদ নিৰূপক মাপনী
১১.৮.১ (ঘ) গাট্‌মেন মাপনী
১১.৮.১ (ঙ) ৰেমার্চ আৰু চাইলেন্সৰ মাষ্টাৰ স্কেল পদ্ধতি
১১.৮.২ স্থান প্রদানৰ মাপনী
১১.৮.২ (ক) ক্রমিক স্থান মাপনী
১১.৮.২ (খ) জনসংখ্যাৰ শতকৰা হাৰ মাপনী
১১.৮.৩ পৰোক্ষ মাপনী
১১.৮.৩ (ক) প্রক্ষেপাত্মক কৌশল
১১.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১১.১০ অধিক জানিবলৈ
১১.১১ অগ্রগতিৰ খতিয়ান
১১.১২ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- মনোভাৱৰ অর্থ আৰু বৈশিষ্ট্য বর্ণনা কৰিব পাৰিব।
- মনোভাৱ জোখাৰ কৌশলবোৰ ব্যাখ্যা কৰিব পাৰিব।
- থাষ্টৰ্'নৰ মাপনীৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

- লিকার্ট টাইপ মাপনীৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- পৰোক্ষ মাপনীৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- মনোভাৱ পৰিমাপণ পদ্ধতিবোৰৰ ব্যৱহাৰ বর্ণনা কৰিব পাৰিব।
- মনোভাৱ মাপনী পদ্ধতিবোৰৰ সীমাৱদ্ধতা ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

প্রিয় শিক্ষার্থী, আমি সকলোৱে জানো যে যিবোৰ বস্তু বা বিষয় আমাৰ ভাল লাগে, সেইবোৰৰ প্রতি আমি স্বাভাৱিকভাৱে আকর্ষিত হও আৰু সেইবোৰৰ সৈতে সম্পর্ক স্থাপনৰ চেষ্টা কৰো। আনহাতে, যিবোৰ বস্তু বা বিষয় আমাৰ অপছন্দ, সেইবোৰ আমি এৰাই চলো, আওকাণ কৰো বা প্রত্যাখ্যান কৰো। আমি কোনো বিষয় বা বস্তুৰ প্রতি কিমান ভাল বা বেয়া পাওঁ, সেই অনুভূতিটোকেই 'মনোভাৱ' (Attitude) বুলি কোৱা হয়। মনোবিজ্ঞানত আলোচনা কৰা মনোভাৱৰ সৈতে ব্যক্তিৰ আচৰণ সম্পর্কে ভৱিষ্যৎবাণী কৰিব পৰা বহুতো গুৰুত্বপূর্ণ উপাদান জড়িত হৈ থাকে। এই উপাদানসমূহ আগতীয়া ধাৰণাৰ ভিত্তিত গঢ় লৈ উঠে আৰু ধীৰে ধীৰে ব্যক্তিৰ স্বভাৱৰ অংশ হৈ পৰে। মনোভাৱে ব্যক্তিৰ কর্ম-পছন্দ আৰু প্রত্যাখ্যানৰ প্রতি সঁহাৰি জনোৱাৰ ধৰণত গুৰুত্বপূর্ণ প্রভাৱ পেলায়। সেয়ে মনোভাৱ সম্পর্কে ভালদৰে বুজাটো অত্যন্ত আৱশ্যক। কাৰণ, মনোভাৱে আমাক আমাৰ পৰিৱেশৰ সৈতে খাপ খুৱাবলৈ সহায় কৰে। এই অধ্যায়ত মনোভাৱ পৰিমাপ কৰাৰ বিভিন্ন পদ্ধতিৰ বিষয়ে আলোচনা কৰা হ'ব।

১১.৩ মনোভাৱৰ অর্থ

প্রিয় শিক্ষার্থী, এই শিতানটোত আমি মনোভাৱ (Attitude)-ৰ অর্থ আলোচনা কৰিম। মনোভাৱ হৈছে ব্যক্তিৰ এক স্বেচ্ছাসঞ্জাত মানসিক স্থিতি। ইয়াক এক মানসিক প্রস্তুতি বুলিও বর্ণনা কৰিব পাৰি। এই প্রস্তুতিয়ে ব্যক্তিক নির্দিষ্ট দিশসমূহৰ প্রতি প্রতিক্রিয়া প্রকাশ কৰিবলৈ আভ্যন্তৰীণ উদ্দীপনা প্রদান কৰে। সামাজিক অৱস্থা বা বুদ্ধিৰ স্তৰ যিয়েই নহওক, প্রতিজন ব্যক্তিৰেই কিছুমান নির্দিষ্ট মনোভাৱ থাকে। কোনো বিশেষ ধাৰণা, বস্তু, ব্যক্তি বা পৰিস্থিতিৰ প্রতি ব্যক্তিয়ে অহৰহ ইতিবাচক বা নেতিবাচক সঁহাৰি প্রকাশ কৰাৰ যি মনোবৈজ্ঞানিক প্রৱণতা দেখা যায়, তাকেই মনোভাৱ বুলি কোৱা হয়। ইতিবাচক মনোভাৱ হৈছে কঠিন বা প্রতিকূল পৰিস্থিতিতো দৃঢ়তা আৰু আশাবাদী দৃষ্টিভংগীৰে সঁহাৰি জনোৱা মনোভাৱ। আনহাতে, নেতিবাচক মনোভাৱ হৈছে প্রতিকূল পৰিস্থিতিত নিৰুৎসাহ, অসন্তুষ্টি বা আগ্রাসী সঁহাৰি প্রকাশ কৰা ধৰণৰ মনোভাৱ।

জীৱনত ঘটা বিভিন্ন ধৰণৰ ঘটনাৰ প্রতি ব্যক্তিয়ে প্রদর্শন কৰা মানসিক আৰু আৱেগিক সঁহাৰিয়েই মনোভাৱ। এই দৃষ্টিভংগী অনুসৰি, মনোভাৱ হৈছে এগৰাকী ব্যক্তিয়ে আন ব্যক্তি, বস্তু, কার্য, ঘটনা বা ধাৰণাৰ প্রতি পোষণ কৰা আৱেগ আৰু বিশ্বাসৰ লগতে প্রদর্শন কৰা আচৰণৰ সমষ্টি। মনোভাৱ হৈছে প্রজ্ঞাত্মক (cognitive), আৱেগিক (affective) আৰু আচৰণগত (behavioral)

প্ৰক্ৰিয়াৰ এক সমন্বিত ফল। আচৰণ প্ৰদৰ্শনৰ সাধাৰণ ধৰণ আৰু ব্যক্তিৰ মৌখিক আৰু অ-মৌখিক আচৰণৰ পৰা উদ্ভৱ হোৱা ফলাফলেই মনোভাৱৰ বহিঃপ্ৰকাশ। মনোভাৱ বিভিন্ন উপায়ে প্ৰকাশ পায়— অংগ-ভংগী, গতিবিধি, শব্দ, কান্দোন, হাঁহি, চকুপানী, কেতিয়াবা নীৰৱতা বা উদাসীনতা আদিৰ জৰিয়তে। ই ব্যক্তিৰ আভ্যন্তৰীণ প্ৰজ্ঞাত্মক আৰু আৱেগিক উদ্দীপনাৰ প্ৰতি সঁহাৰি প্ৰকাশ কৰে। মনোভাৱক কেৱল জৈৱিক উদ্বুদ্ধ আচৰণ বুলি নকৈ, সামাজিকভাৱে গঢ়ি উঠা এক উদ্বুদ্ধ প্ৰৱণতা বুলি কোৱা অধিক যুক্তিসংগত। ব্যক্তিৰ জীৱনভৰ গঢ়ি উঠা মূল্যবোধসমূহেও মনোভাৱৰ গঠন আৰু প্ৰকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি যি বিষয় বা বস্তুৰ বিষয়ে কোনো ধাৰণা নথকা বা যাক ভাল-বেয়া বুলি মূল্যায়ন কৰা হোৱা নাই, সেইবোৰৰ প্ৰতি সাধাৰণতে কোনো স্পষ্ট মনোভাৱ প্ৰকাশ কৰিব নোৱাৰো।

মনোভাৱৰ ম্যাদ সাধাৰণতে দীঘলীয়া হলেও ই পৰিৱৰ্তনযোগ্য। বিভিন্ন উপায়ে মনোভাৱ বিকশিত আৰু সলনি হ'ব পাৰে। মনোবিজ্ঞানীসকলে মনোভাৱক এক শিকি আয়ত্ত কৰা (learned) আৰু গ্ৰহণ কৰা প্ৰৱণতা বুলি বৰ্ণনা কৰিছে। ব্যক্তিয়ে অভিজ্ঞতাৰ জৰিয়তে কিছুমান পূৰ্ব-নিধাৰিত ধাৰণাৰ অধিকাৰী হয়, আৰু এই ধাৰণাসমূহেই তেওঁ কোনো উদ্দীপকৰ প্ৰতি কেনেধৰণৰ সঁহাৰি প্ৰদৰ্শন কৰিব, সেইটো নিৰ্ধাৰণ কৰে। সেয়ে, মনোভাৱক উদ্দীপক আৰু সঁহাৰিৰ মাজৰ সম্পৰ্কৰ ফলাফল বুলি ক'ব পাৰি। ব্যক্তিৰ স্নায়ু-পেশী প্ৰণালীয়ে সৃষ্ট কৰা প্ৰস্তুতিৰ জৰিয়তে এই সঁহাৰিসমূহ প্ৰকাশ পায়। অৰ্থাৎ, মনোভাৱ হৈছে স্নায়ৱিক আৰু মানসিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা এক বিশেষ অৱস্থা। অভিজ্ঞতাই মনোভাৱ গঠন কৰে আৰু কোনো নিৰ্দিষ্ট পৰিস্থিতিত ব্যক্তিয়ে কেনে সঁহাৰি প্ৰদৰ্শন কৰিব, সেইটো দিশ-নিৰ্দেশ কৰে বা সেই দিশে পৰিচালিত কৰে। ইংৰাজী ভাষাৰ বহু বিমূৰ্ত শব্দৰ দৰে 'মনোভাৱ' শব্দটোৰো বিভিন্ন অৰ্থ আৰু ব্যৱহাৰ দেখা যায়।

- বস্তু (অথবা মূল্যবোধ)-ৰ জগতখনৰ প্ৰতি থকা সুনিৰ্দিষ্ট অভিমুখীকৰণেই মনোভাৱ। সেয়ে, মনোভাৱক সৰল আৰু চৰ্তসাপেক্ষ পেশী-প্ৰতিক্ৰিয়া (reflexes)-ৰ পৰা পৃথক বুলি গণ্য কৰা হয়।
- মনোভাৱ স্বয়ংক্ৰিয় আৰু গতানুগতিক ধৰণৰ আচৰণৰ সৈতে সম্পৰ্কিত হ'ব লাগে। তথাপি, সুপ্ত অৱস্থাতো মনোভাৱে কিছু পৰিমাণে মানসিক সংকোচন (tension) ধাৰণ কৰি থাকে।
- মনোভাৱৰ প্ৰগাঢ়তা ব্যক্তি ভেদে ভিন্ন হ'ব পাৰে; কেতিয়াবা ই অতি শক্তিশালী আৰু আধিপত্য বিস্তাৰকাৰী হয়, আনহাতে কেতিয়াবা আপেক্ষিকভাৱে দুৰ্বল আৰু কম প্ৰভাৱশালী হয়।
- মনোভাৱৰ মূল উৎস হৈছে অভিজ্ঞতা। সেয়ে, ইয়াক কেৱল সামাজিকভাৱে প্ৰৰোচিত প্ৰদৰ্শন বুলি একেবাৰে সৰলীকৃতভাৱে বৰ্ণনা কৰিব নোৱাৰি।

১১.৪ মনোভাৱৰ সংজ্ঞা

বিভিন্ন মনোবিজ্ঞানীয়ে বিভিন্ন ধৰণে মনোভাৱৰ সংজ্ঞা আগবঢ়াইছে। তলত ইয়াৰে দুটামান আলোচনা কৰা হ'ল। সংজ্ঞাবোৰ বুজি পালে মনোভাৱৰ ধাৰণাটোও স্পষ্ট হ'ব।

- থাষ্টৰ্'নৰ মতে, "এক মনোভাৱ' বুলিলে ব্যক্তিৰ প্ৰৱণতা আৰু অনুভূতি, পক্ষপাতমূলক চিন্তা-ভাবনা, পূৰ্বধাৰণা, ভয়-শংকা, ভাবুকতা আৰু আন কিছুমান সুনিৰ্দিষ্ট মানসিক উপাদানৰ সমষ্টিগত ৰূপক বুজায়।"
- ফ্ৰীমেনৰ ভাষাত, "এক মনোভাৱ হৈছে ব্যক্তিয়ে কিছুমান নিৰ্দিষ্ট পৰিস্থিতি, ব্যক্তি বা বস্তুৰ প্ৰতি প্ৰদৰ্শন কৰিবলৈ সদায় প্ৰস্তুত হৈ থকা সঁহাৰিসমূহ। এই সঁহাৰিসমূহ ব্যক্তিয়ে অভিজ্ঞতাৰ জৰিয়তে শিকে আৰু সময়ৰ সৈতে সিহঁত ব্যক্তিৰ সঁহাৰি প্ৰকাশৰ স্থায়ী ধৰণত পৰিণত হয়। উদাহৰণস্বৰূপে, কোনো বিশেষ ধৰণৰ খাদ্যবস্তু (যেনে মাছ বা মাদক দ্ৰব্য), ক্ৰীড়া, গণিত বা কোনো ৰাজনৈতিক দলৰ প্ৰতি ব্যক্তিয়ে পোষণ কৰা দৃষ্টিভংগীৰ বহিঃপ্ৰকাশকেই মনোভাৱ বুলি কোৱা হয়।"
- এনাষ্টেচিৰ সংজ্ঞা অনুসৰি, "উদ্দীপকৰ কোনো নিৰ্দিষ্ট শ্ৰেণী—যেনে জাতীয় বা ৰাষ্ট্ৰীয় দল, কোনো প্ৰথা বা অনুষ্ঠান—ৰ প্ৰতি ব্যক্তিয়ে অনুকূল বা প্ৰতিকূল সঁহাৰি প্ৰকাশ কৰাৰ যি স্থায়ী প্ৰৱণতা দেখুৱায়, তাকেই মনোভাৱ বুলি কোৱা হয়।"
- এলপ'ৰ্টৰ ভাষাত, "মনোভাৱ হৈছে ব্যক্তিৰ মানসিক আৰু স্নায়ৱিক প্ৰস্তুতিৰ এক সংহত অৱস্থা। ই যিবোৰ বস্তু, বিষয় বা পৰিস্থিতিৰ সৈতে জড়িত, সেইবোৰৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা সঁহাৰিত নিৰ্দেশনামূলক আৰু গতিশীল প্ৰভাৱ পেলায়।"
- কিম্বল য়ং-ৰ সংজ্ঞা মতে মনোভাৱ হ'ল– "মনোভাৱ হৈছে এক শিকি আয়ত্ত কৰা, কম-বেছি পৰিমাণে সাধাৰণীকৃত আৰু প্ৰভাৱকাৰী প্ৰৱণতা—যাক সঁহাৰি জনোৱাৰ এক পূৰ্বনিৰ্ধাৰিত ধৰণ বুলিও ক'ব পাৰি। এই প্ৰৱণতা তুলনামূলকভাৱে স্থিৰ প্ৰকৃতিৰ আৰু ব্যক্তিৰ আচৰণত অন্তৰ্নিহিত বৈশিষ্ট্যৰূপে প্ৰকাশ পায়। কিছুমান পৰিস্থিতি, চিন্তা-ধাৰণা, মূল্যবোধ, ভৌতিক বস্তু অথবা তেনে বস্তু, ব্যক্তি বা গোটসমূহৰ সৈতে গঠিত কোনো বিশেষ শ্ৰেণীৰ প্ৰতি ব্যক্তিয়ে সাধাৰণতে যি ইতিবাচক বা নেতিবাচক (সপক্ষে বা বিপক্ষে) সঁহাৰি প্ৰকাশ কৰে, তাকেই মনোভাৱ বুলি কোৱা হয়।"
- হুইটেকাৰৰ ভাষাত, "প্ৰাসংগিক উদ্দীপকৰ প্ৰতি পূৰ্বনিৰ্ধাৰিত আচৰণ প্ৰদৰ্শন কৰি সঁহাৰি জনাবলৈ সদায় প্ৰস্তুত হৈ থকাৰ অৱস্থাই মনোভাৱ।"
- এন. এল. মুন্ৰ মতে, "আমাৰ পৰিৱেশত থকা কিছুমান দিশৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা শিকি আয়ত্ত কৰা পূৰ্বনিৰ্ধাৰিত আচৰণেই মনোভাৱ। কিছুমান বিশেষ ব্যক্তি, সেৱা বা অনুষ্ঠানৰ প্ৰতি ব্যক্তিয়ে ইতিবাচক বা নেতিবাচক মনোভাৱ প্ৰকাশ কৰে।"
- বাৰ্, ডেভিদ আৰু জ'ন্সন্ৰ মনোভাৱৰ সংজ্ঞা অনুসৰি "ই হৈছে কোনো বিষয়ৰ পক্ষে বা বিপক্ষে ব্যক্তিয়ে প্ৰদৰ্শন কৰা শিকি আয়ত্ত কৰা আৱেগিক সঁহাৰি।"
- এল. এল. বাৰ্ণাৰ্ডৰ মতে, "আমি 'মনোভাৱ' বুলিও যাক কওঁ, সেইটো হৈছে নিৰ্দিষ্ট উদ্দীপকৰ প্ৰতি প্ৰদৰ্শিত এক সংগঠিত প্ৰৱণতা বা আচৰণৰ সমষ্টি। ই এক সম্পূৰ্ণ প্ৰকৃতিৰ সমাযোজন (adjustment)-ৰ সৈতে সম্পৰ্কিত পূৰ্ব-প্ৰস্তুত অৱস্থা যি সূচক আচৰণৰূপে প্ৰকাশ পায়।"

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে মনোভাৱ হৈছে এক ধৰণৰ স্থায়ী মানসিক অৱস্থা, যাৰ আধাৰত ব্যক্তিয়ে চৌপাশৰ পৰিৱেশত থকা কোনো নির্দিষ্ট পৰিস্থিতি বা বস্তুৰ প্ৰতি নিজৰ আচৰণ নির্ধাৰণ কৰে। ব্যক্তি নিজৰ মনোভাৱ অনুসৰিয়েই কোনো কাম সম্পাদন কৰে বা বিশেষ ধৰণৰ সঁহাৰি প্ৰকাশ কৰে। মনোভাৱৰ বিভিন্ন সংজ্ঞা অধ্যয়ন কৰাৰ অন্তত ক'ব পাৰি যে মনোভাৱ হৈছে কোনো নির্দিষ্ট বস্তুৰ সপক্ষে বা বিপক্ষে ব্যক্তিয়ে পোষণ কৰা দীৰ্ঘদিনীয়া বিশ্বাস আৰু সাধাৰণভাৱে গঠিত প্ৰজ্ঞাত্মক বোধ। ইয়াৰ সৈতে ইতিবাচক বা নেতিবাচক আৱেগিক অনুভূতিৰ প্ৰবাহো জড়িত থাকে। বস্তুটোৰ সৈতে সম্পৰ্কিত এই প্ৰজ্ঞাত্মক বোধ আৰু আৱেগৰ সৈতে খাপ খুৱাই ব্যক্তিয়ে পূৰ্বতে গঢ়ি তোলা এক সুসংগত ধৰণৰ সঁহাৰি প্ৰদৰ্শন কৰে।

১১.৫ মনোভাৱৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

মনোভাৰ প্ৰকৃতি আৰু বৈশিষ্ট্যসমূহ তলত চমুকৈ আলোচনা কৰা হ'ল—

- মনোভাৱ হৈছে ব্যক্তিত্ব, বিশ্বাস, মূল্যবোধ, আচৰণ আৰু অনুপ্ৰেৰণা আদি ধাৰণাসমূহৰ এক জটিল সংমিশ্ৰণ। ই ব্যক্তিৰ প্ৰৱণতা আৰু অনুভূতিৰ সামগ্ৰিক ৰূপ প্ৰকাশ কৰে।
- কোনো ব্যক্তি, স্থান, বস্তু বা ঘটনা (মনোভাৱৰ উদ্দেশ্য)ৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা অনুকূল বা প্ৰতিকূল আচৰণকেই মনোভাৱ বুলি কোৱা হয়। অত্যন্ত প্ৰিয়তাৰ পৰা একেবাৰে অপ্ৰিয়তা পৰ্যন্ত— এই দুয়োটা চৰম সীমাৰ ভিতৰত মনোভাৱৰ মাত্ৰা উঠা-নমা কৰিব পাৰে।
- মনোভাৱ প্ৰতিজন মানুহৰ মনত অন্তর্নিহিত থাকে। ই ব্যক্তিৰ আচৰণক কোনো নির্দিষ্ট দিশত পৰিচালিত কৰাৰ বাবে দিশ-নির্দেশনা দিয়ে আৰু সেই দিশে আগবঢ়িবলৈ উদ্বুদ্ধ কৰে। মনোভাৱে আমাৰ পৰিচয় গঠন কৰে, আমাৰ কার্যকলাপক দিশ-নির্দেশনা দিয়ে আৰু আমি কেনেদৰে আন ব্যক্তিসকলক মূল্যায়ন কৰোঁ, তাত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।
- ব্যক্তিয়ে মনোভাৱ শিকে আৰু অভিজ্ঞতাৰ জৰিয়তে আয়ত্ত কৰে।
- মনোভাৱ হৈছে প্ৰস্তুত অৱস্থাত থকা মানসিক আৰু স্নায়ৱিক স্থিতি, যি ব্যক্তিৰ অভিজ্ঞতাৰ ফলস্বৰূপে সংগঠিত হয়।
- মনোভাৱক 'একে ধৰণৰ সঁহাৰি' বুলিও ক'ব পাৰি। অর্থাৎ, মনোভাৱৰ প্ৰকৃতি আপেক্ষিকভাৱে স্থায়ী; তথাপি উপযুক্ত আৰু প্ৰাসংগিক পৰিস্থিতিৰ প্ৰভাৱত ই সলনি হ'ব পাৰে। এইদৰে মনোভাৱ একে সময়তে স্থায়ী আৰু গতিশীল দুয়ো প্ৰকৃতিৰ।
- মনোভাৱে ব্যক্তিত্বৰ এক গুৰুত্বপূৰ্ণ দিশ গঠন কৰে। আগ্ৰহ, সমর্থনমূলক দৃষ্টিভংগী আৰু সামাজিক আচৰণ আদি ব্যক্তিত্ব-সম্পৰ্কীয় কিছুমান দিশ মনোভাৱৰ অন্তর্গত।
- মনোভাৱ গঠনত অৱচেতন অভিপ্ৰায়ে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কেতিয়াবা ব্যক্তি নিজৰ মনোভাৱৰ মূল কাৰণসমূহ সম্পৰ্কে সম্পূৰ্ণ অসচেতন হৈ থাকিব পাৰে।

- মূল্যাংকনকেন্দ্রিক দৃষ্টিভংগীৰে মনোভাৱৰ আধাৰ হৈছে প্রজ্ঞাত্মক জ্ঞান, আৱেগিক প্রতিক্রিয়া, আচৰণগত অভিপ্রায় আৰু অতীত আচৰণ।
- মনোভাৱ গঠন কৰা অনুভৱ আৰু বিশ্বাস—এই দুটা উপাদান ব্যক্তিৰ মনৰ অন্তর্নিহিত অংশ হলেও, ব্যক্তি নিজৰ আচৰণৰ জৰিয়তে এই মনোভাৱ প্রকাশ কৰে। মনোভাৱৰ সৈতে বিভিন্ন ধৰণৰ প্রভাৱকাৰী অভিজ্ঞতাৰ ঘনিষ্ঠ সম্পর্ক থাকে।
- মনোভাৱৰ বিভিন্ন দিশ থাকে—যেনে দিশ-নির্দেশনা (direction), প্রগাঢ়তা (intensity), সাধাৰণীকৰণ (generalization) আৰু বিশেষীকৰণ (specificity) আদি।
- মনোভাৱক এক অন্তৰ-প্রৱাহিত চলক হিচাপে বিবেচনা কৰা হয়। ইয়াক প্রত্যক্ষভাৱে পর্যবেক্ষণ কৰিব নোৱাৰি; ৰৰং পর্যবেক্ষণযোগ্য আচৰণৰ আধাৰত অনুমান কৰি বুজা যায়।

ওপৰৰ আলোচনাৰ ভিত্তিত ক'ব পাৰি যে মনোভাৱ হৈছে কোনো বস্তু (যিকোনো বস্তু হ'ব পাৰে)ৰ প্রতি ব্যক্তিয়ে অনুভৱ কৰা ভাললগা বা বেয়ালগাৰ প্রভাৱসম্পন্ন অনুভূতিৰ বহিঃপ্রকাশ। মনোভাৱে ব্যক্তিৰ আচৰণক উল্লেখযোগ্যভাৱে প্রভাৱিত কৰে।

জানি থোৱা ভাল

মনোভাৱ বহুতো উপাদানেৰে গঠিত। এই উপাদানসমূহক কেতিয়াবা CAB বা মনোভাৱৰ ABC মডেল বুলিও কোৱা হয়।

- **প্রজ্ঞাত্মক উপাদান :** কোনো বিষয় সম্পর্কে ব্যক্তিৰ চিন্তা আৰু বিশ্বাস। এই চিন্তা আৰু বিশ্বাসসমূহ সচেতনভাৱে গঢ়ি উঠা আৰু বর্তাই ৰখা হয়।
- **প্রভাৱকাৰী উপাদান :** কোনো বস্তু, ব্যক্তি, বিষয় বা ঘটনাই ব্যক্তিৰ আৱেগ-অনুভূতিত কেনে ধৰণে প্রভাৱ পেলায়, তাৰ প্রকৃতি।
- **আচৰণগত উপাদান :** মনোভাৱে ব্যক্তিৰ আচৰণগত প্রৱণতা বা কাম কৰাৰ ধৰণক প্রভাৱিত কৰে।
- **মূল্যায়নকাৰী উপাদান :** কোনো উদ্দীপকৰ প্রতি ব্যক্তিয়ে জনোৱা ইতিবাচক বা নেতিবাচক সঁহাৰি।
- **ব্যক্ত মনোভাৱ (Explicit attitude)** অর্থাৎ, ব্যক্তি সচেতনভাৱে আৰু ধাৰাবাহিকভাৱে প্রকাশ কৰা মনোভাৱ। এইধৰণৰ মনোভাৱে ব্যক্তিৰ আচৰণ আৰু বিশ্বাসত স্পষ্ট প্রভাৱ পেলায়।
- **অব্যক্ত মনোভাৱ (Implicit attitude)** এইবোৰ মনৰ অচেতন স্তৰত সক্রিয় হৈ থাকে। এনে মনোভাৱেও ব্যক্তিৰ আচৰণ আৰু বিশ্বাসত প্রভাৱ পেলায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. মনোভাৱ বুলিলে কি বুজে?

প্রশ্ন ২. মনোভাৱ প্রকৃতি বুজোৱা দুটা দিশ উল্লেখ কৰক।

১১.৬ মনোভাৱ পৰীক্ষাৰ গুৰুত্ব

মনোভাৱ হৈছে ব্যক্তিত্বৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য। শিক্ষাৰ অন্যতম মুখ্য উদ্দেশ্য হ'ল ব্যক্তিৰ কাম্য আৰু ইতিবাচক মনোভাৱৰ বিকাশ সাধন কৰা। মনোভাৱে ব্যক্তিৰ পৰিৱেশ-পৰিস্থিতিৰ সৈতে খাপ খুৱাব পৰা ক্ষমতা আৰু ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহ বুজিবলৈ আন লোকক সহায় কৰে। বিভিন্ন পৰিস্থিতিত আমি যি মনোভাৱ প্রদর্শন কৰোঁ সেয়াই সেই পৰিস্থিতিসমূহৰ প্রতি আমাৰ সঁহাৰিৰ ধৰণ আৰু সেইবোৰৰ সৈতে খাপ খুৱাই চলাৰ সামর্থ নির্ধাৰণ কৰে। সেইকাৰণে, মনোভাৱ-পৰীক্ষা (Attitude Testing)-ক শৈক্ষিক মূল্যায়নৰ বিস্তৃত প্রক্রিয়াৰ এক গুৰুত্বপূর্ণ অংশ বুলি গণ্য কৰা হয়। ব্যক্তিৰ মনোভাৱ মূল্যায়ন কৰি প্রয়োজনীয় কার্যপন্থা নির্ধাৰণ কৰিব পৰা যায়। মনোবিজ্ঞানে মনোভাৱ চিনাক্তকৰণ আৰু মনোভাৱ নিয়ন্ত্রণৰ সম্ভাব্য দিশসমূহত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। শিক্ষাৰ বিভিন্ন ক্ষেত্রত মনোভাৱ পৰিমাপ এক অত্যন্ত গুৰুত্বপূর্ণ বিষয়। মনোবিজ্ঞানৰ বিভিন্ন স্তৰত কর্মৰত বিশেষজ্ঞসকলে নিয়মিতভাৱে মনোভাৱ মূল্যায়নৰ কাম কৰি আহিছে। তেওঁলোকৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিক কাম্য মনোভাৱ গঢ়ি তুলিবলৈ উপযুক্ত দিশ-নির্দেশনা প্রদান কৰা আৰু এই ক্ষেত্রত সহায় আগবঢ়োৱা।

শিক্ষাৰ এক গুৰুত্বপূর্ণ উদ্দেশ্য হৈছে ব্যক্তিক উপযুক্ত মনোভাৱৰ অধিকাৰী কৰি তোলা। কোনো শিক্ষা-প্রক্রিয়াৰ জৰিয়তে ব্যক্তিৰ মনোভাৱ কেনেদৰে পৰিৱর্তিত হৈছে সেইটো অধ্যয়ন কৰাটো শৈক্ষিক পৰিৱেশৰ এক আৱশ্যকীয় কার্য। বর্তমান শিক্ষার্থীৰ মনত প্রয়োজনীয় মনোভাৱ কিমানখিনি গঢ় লৈ উঠিছে, সেইটো জানিবলৈও বিভিন্ন উপায় উপলব্ধ। শৈক্ষিক আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্রত সন্তুষ্টি আৰু সফলতা লাভ কৰিবলৈ সঠিক মনোভাৱৰ গৰাকী হোৱাটো অত্যন্ত বাঞ্ছনীয়। বিভিন্ন বৃত্তিত সফলতা অর্জনত মনোভাৱে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ভিন্ন ভিন্ন বৃত্তিৰ বাবে ব্যক্তিৰ ভিন্ন ধৰণৰ মনোভাৱৰ প্রয়োজন হয়। উদাহৰণস্বৰূপে, সামৰিক বাহিনীত কর্মৰত ব্যক্তিৰ মনোভাৱ শিক্ষকৰ মনোভাৱৰ পৰা পৃথক হয়। শিশুৰ সামর্থ আৰু শিক্ষা গ্রহণৰ ক্ষমতাৰ আধাৰত প্রস্তুত কৰা শৈক্ষিক বা বৃত্তিমুখী পৰিকল্পনাও কেতিয়াবা অসফল হ'ব পাৰে যদি সেই পৰিকল্পনা শিশুৰ মনোভাৱৰ সৈতে সংগতি ৰাখি প্রস্তুত কৰা নহয়। কাৰণ মনোভাৱে ব্যক্তিৰ জীৱিকামুখী পছন্দ আৰু পৰিকল্পনা নির্ধাৰণ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেইবাবে, বিভিন্ন কৌশল আৰু পদ্ধতিৰ সহায়ত মনোভাৱ পৰীক্ষা আৰু মূল্যায়ন কৰা হয়।

১১.৭ মনোভাৱ পৰিমাপন

মনোভাৱ জোখা বা পৰিমাপ কৰা সম্ভৱ। ইয়াৰ জৰিয়তে মনোভাৱে ব্যক্তিৰ আচৰণত কেনে ধৰণৰ প্ৰভাৱ পেলায় সেইটো মূল্যায়ন কৰা হয়। মনোভাৱ পৰিমাপন হৈছে এক সংগঠিত কাৰ্য-প্ৰক্ৰিয়া। মনোভাৱ-পৰীক্ষাৰ সহায়ত ব্যক্তিৰ মনোভাৱ আৰু সঁহাৰিসমূহক পৰিমাণগত নম্বৰ প্ৰদান কৰি মূল্যায়ন কৰা হয়। অৰ্থাৎ, কোনো নিৰ্দিষ্ট বস্তু বা বিষয়ৰ প্ৰতি ব্যক্তিৰ মনোভাৱৰ সাংখ্যিক জোখকেই মনোভাৱ পৰিমাপন বুলি কোৱা হয়। মনোভাৱ এক বিমূৰ্ত, জটিল আৰু প্ৰকৃত অৰ্থত কাল্পনিক মানসিক গঠন। ইয়াক পোনপটীয়াভাৱে পৰ্যবেক্ষণ কৰিব নোৱাৰি। এই কাৰণেই মনোভাৱ পৰিমাপনক জটিল আৰু কেতিয়াবা বিতৰ্কিত কাৰ্য বুলি গণ্য কৰা হয়। অনেকৰ মতে, সাধাৰণভাৱে মনোবৈজ্ঞানিক পৰিমাপন আৰু বিশেষকৈ মনোভাৱ পৰিমাপন প্ৰকৃত অৰ্থত বস্তুগত জোখ-মাখ নহয়; বৰং ই ব্যক্তিৰ আচৰণ আৰু সঁহাৰিৰ আধাৰত কৰা এক অনুমানমূলক মূল্যায়ন।

ইয়াৰ মাজতেই শিক্ষকসকলে বিভিন্ন অনানুষ্ঠানিক নিৰ্দেশনা, পৰ্যবেক্ষণ আদি পদ্ধতিৰ জৰিয়তে শিক্ষাৰ্থীৰ মনোভাৱ বুজি পোৱাৰ সুযোগ লাভ কৰে। বহু ক্ষেত্ৰত এই পদ্ধতিসমূহ স্বীকৃত মানসম্পন্ন মনোভাৱ-পৰীক্ষাতকৈও অধিক ফলপ্ৰসূ বুলি বিবেচিত হয়। অৱশ্যে মনোভাৱ পৰিমাপন কোনো নতুন বিষয় নহয়। এইচ. এইচ. ৰেমাৰ্ছ আৰু এল. এল. থাষ্টন'ৰ দৰে মনোবিজ্ঞানীসকলে বহু আগতেই এই ক্ষেত্ৰত পথপ্ৰদৰ্শক কাম কৰি গৈছে। ব্যক্তিৰ প্ৰকৃত মনোভাৱ পৰিমাপ কৰাৰ ক্ষেত্ৰত তেওঁৰ মৌখিক আৰু অ-মৌখিক আচৰণ বিশেষ গুৰুত্বপূৰ্ণ। হয়তো মনোভাৱ জানিবৰ আটাইতকৈ পোনপটীয়া উপায় হৈছে ব্যক্তিক সেই বিষয়ে সোধা। কিন্তু মনোভাৱৰ সৈতে ব্যক্তিৰ স্ব-ভাৱমূৰ্তি (self-image), সামাজিক গ্ৰহণযোগ্যতা (social acceptance) আৰু মনোভাৱ-প্ৰকাৰ্য (attitude functions)-ৰ গভীৰ সম্পৰ্ক থাকে। ইতিবাচক স্ব-ভাৱমূৰ্তি বজাই ৰাখিবলৈ ব্যক্তিয়ে কেতিয়াবা সামাজিকভাৱে গ্ৰহণযোগ্য বুলি ধৰা সঁহাৰিহে প্ৰদৰ্শন কৰে। সেইকাৰণে মনোভাৱ জোখাৰ বাবে এনে আহিলাৰ প্ৰয়োজন হয় যিবোৰে ব্যক্তিৰ স্বাভাৱিক মনোভাৱ বিকৃত নকৰাকৈ ধৰা পেলাব পাৰে। মনো-পৰিমাপন পদ্ধতিবিদ (Psychometricians)-সকলে মনোভাৱ পৰিমাণগতভাৱে জোখাৰ বাবে বিভিন্ন উপযুক্ত পদ্ধতি বিকশিত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উদ্ভৱ হয়— ব্যক্তিক তেওঁ কোৱা কথাৰ আধাৰত বিচাৰ কৰা উচিত নে তেওঁ বাস্তৱত কৰি দেখুওৱা কামৰ আধাৰত নে মনোভাৱ-মাপনী (attitude scale)-ত লাভ কৰা নম্বৰৰ আধাৰত? এইখিনিতে মনত ৰখা প্ৰয়োজন যে মনোভাৱ এক জটিল মানসিক প্ৰক্ৰিয়া; সেয়ে ইয়াক কোনো একক সাংখ্যিক সূচকৰে সম্পূৰ্ণভাৱে ব্যাখ্যা কৰিব নোৱাৰি।"

১১.৮ মনোভাৱ পৰীক্ষাৰ প্ৰকাৰ

নিজৰ, আন ব্যক্তিৰ, বিভিন্ন ধৰণৰ কাৰ্যকলাপ, অনুষ্ঠান আৰু পৰিস্থিতিৰ প্ৰতি ব্যক্তিৰ মনোভাৱ জোখাৰ বাবে কেইবাটাও পদ্ধতি ব্যৱহাৰ কৰা হয়। মনোভাৱ-পৰীক্ষাৰ প্ৰধান প্ৰকাৰসমূহ হ'ল—

- মনোভাৱ মাপনীৰ ব্যৱহাৰ (Attitude Scale)
- ক্ৰমিক স্থান মাপনীৰ ব্যৱহাৰ (Rating Scale)
- পৰোক্ষ মাপনীৰ ব্যৱহাৰ (Indirect Scale)

১১.৮.১ মনোভাৱ মাপনী

মনোভাৱ জোখাৰ বাবে বহুলভাৱে ব্যৱহৃত আহিলাসমূহৰ ভিতৰত মনোভাৱ-মাপনী (attitude scale) অন্যতম। মনোভাৱক পৰিমাণগতভাৱে মূল্যায়ন কৰাৰ উদ্দেশ্যে এই মাপনীসমূহ বিকশিত কৰা হৈছিল। ১৯৫৯ চনত প্ৰকাশিত 'শিক্ষাৰ অভিধান'-ত দিয়া সংজ্ঞা অনুসৰি, মনোভাৱ-মাপনী হৈছে—"এবিধ মনোভাৱ জোখাৰ আহিলা যাৰ এককসমূহ সম্পৰীক্ষামূলকভাৱে নিৰ্ধাৰণ আৰু সমতুল কৰা হয়। এই আহিলাৰ আৰ্হি মনোভাৱ-নিৰ্ণায়ক প্ৰশ্নাৱলীত অন্তৰ্ভুক্ত মনোভাৱসমূহক পৰিমাণগতভাৱে মূল্যায়ন কৰিব পৰাকৈ প্ৰস্তুত কৰা হয়। নিৰ্ণায়ক প্ৰশ্নাৱলীৰ প্ৰশ্নসমূহৰ মাজত এককৰ কোনো যৌক্তিক সমতা নাথাকে।" ১৯২৯ চনত এল. এল. থাষ্টৰ্নে প্ৰথম মনোভাৱ-মাপনী বিকশিত কৰিছিল। মনোভাৱ-মাপনীৰ জৰিয়তে কোনো বিশেষ বস্তু বা বিষয়ৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা সঁহাৰি জোখা হয়। এই সঁহাৰিসমূহৰ বিশ্লেষণৰ ভিত্তিত ব্যক্তিৰ মনোভাৱ সম্পৰ্কে ফলাফল নিৰ্ধাৰণ কৰা হয়।

মনোভাৱ-মাপনীয়ে ব্যক্তিৰ বিশ্বাস, অনুমান বা অনুভূতি নিৰ্ণয় কৰাৰ চেষ্টা কৰে। এই মাপনীসমূহে এক 'একমাত্ৰিক নিৰন্তৰ মনোভাৱ-ক্ৰম' (unidimensional attitude continuum)-ত ব্যক্তিৰ আপেক্ষিক স্থান পৰিমাণগতভাৱে নিৰ্ধাৰণ কৰাত সহায় কৰে। এই মাপনীৰ মূল লক্ষ্য হৈছে গ্ৰহণযোগ্যতাৰ এক সীমাৰ পৰা প্ৰত্যাখ্যানৰ আন সীমালৈ বিস্তৃত মনোভাৱৰ পৰিসৰৰ ভিতৰত ব্যক্তিৰ মনোভাৱৰ এক নিৰ্দিষ্ট মাপ-বিন্দু চিনাক্ত কৰা। ব্যক্তিৰ মনোভাৱৰ স্থিতি এই দুটা চৰম সীমাৰ মাজত নিৰ্ধাৰণ কৰা হয়। এই জোখৰ পৰা লাভ কৰা নম্বৰসমূহৰ আধাৰ হৈছে বিচাৰৰ বাবে উপস্থাপন কৰা বিষয়-সম্পৰ্কীয় উক্তি বা বিবৃতিসমূহৰ প্ৰতি ব্যক্তিয়ে প্ৰদৰ্শন কৰা সঁহাৰি। সেই অৰ্থত মনোভাৱ-মাপনীসমূহক 'স্ব-প্ৰতিবেদনমূলক আহিলা' (self-report inventories) বুলিও কোৱা হয়। এই আহিলাসমূহ এনেদৰে প্ৰস্তুত কৰা হয় যাতে কোনো ব্যক্তি আন ব্যক্তি, বস্তু, অনুষ্ঠান বা চিন্তা-ধাৰণাৰ প্ৰতি কিমানখিনি অনুকূল বা প্ৰতিকূল অনুভূতি পোষণ কৰে, সেইটো মূল্যায়ন কৰিব পৰা যায়।

মনোভাৱ-মাপনী প্ৰস্তুত কৰাৰ কাৰ্য অন্য পৰিমাপণ-আহিলা প্ৰস্তুত কৰাৰ পৰা কিছু পৃথক। ই কোনো সামৰ্থ (ability) পৰীক্ষাৰ দৰে নহয়। সামৰ্থ-পৰীক্ষাত পৰীক্ষাৰ্থী কোনো বিষয় বা আহিলাত উত্তীৰ্ণ বা অনুত্তীৰ্ণ হয় আৰু পৰীক্ষাৰ বিষয়বস্তু তেওঁৰ বাবে সহজ বা জটিল হ'ব পাৰে। কিন্তু মনোভাৱ-মাপনী (Attitude Scale)-সমূহে কিছুমান বিশেষ ধৰণৰ সমস্যা বা বিষয়ক উদ্ধৃতি বা বিবৃতিৰ ৰূপত উপস্থাপন কৰে। সামগ্ৰিকভাৱে এই মাপনীসমূহৰ জৰিয়তে

কোনো নির্দিষ্ট পটভূমিত পৰীক্ষার্থীয়ে পোষণ কৰা মনোভাৱ বুজিবলৈ চেষ্টা কৰা হয়। প্রদত্ত উদ্ধৃতি বা উক্তিৰ প্রসংগত পৰীক্ষার্থীয়ে নিজৰ মতামত প্রকাশ কৰে, আৰু সেই মতামতৰ মাজতেই তেওঁৰ মনোভাৱ প্রতিফলিত হয়। এই মাপনীসমূহ তেতিয়াহে সফল বুলি গণ্য কৰা হয়, যেতিয়া ইয়াত অন্তর্ভুক্ত উদ্ধৃতি বা উক্তিসমূহৰ প্রতি পৰীক্ষার্থীয়ে দিয়া সঁহাৰিৰ সৈতে জুখিব বিচৰা মনোভাৱৰ এক স্পষ্ট মনোবৈজ্ঞানিক সম্পর্ক থাকে। ফ্রীমেনৰ মতে, মনোভাৱ-মাপনীসমূহ কেইবাটাও মৌলিক অনুমানৰ ভিত্তিত প্রতিষ্ঠিত। এই অনুমানসমূহ হ'ল—

- মাপনীয়ে কোনো এক বিতর্কিত বা মতভেদ সৃষ্টি কৰিব পৰা বিষয় উত্থাপন কৰিব লাগিব।
- প্রশ্নটোৰ প্রতি ব্যক্তিয়ে পোষণ কৰা অনুভৱ আৰু অন্তর্দৃষ্টিয়েই সেই বিষয়ৰ সপক্ষে বা বিপক্ষে প্রস্তুত কৰা বিভিন্ন উক্তিৰ প্রতি তেওঁৰ সঁহাৰি নির্ধাৰণ কৰিব।
- প্রদত্ত বিষয়ৰ সৈতে সম্পর্কিত উদ্ধৃতি বা উক্তিসমূহৰ সপক্ষে বা বিপক্ষে ব্যক্তিয়ে প্রদর্শন কৰা সঁহাৰিৰ মাত্রাৰ ভিত্তিত তেওঁৰ মনোভাৱৰ জোখ নির্ধাৰণ কৰা হয়।

মনোবিজ্ঞানত মনোভাৱ জোখাৰ বাবে বিভিন্ন ধৰণৰ মনোভাৱ-মাপনী বিকশিত কৰা হয়। এনে মাপনী প্রস্তুত কৰাৰ সময়ত ইয়াৰ বৈধতা (validity) বজাই ৰখাটো অত্যন্ত গুৰুত্বপূর্ণ। অর্থাৎ যি উদ্দেশ্যে মাপনীটো প্রস্তুত কৰা হয়, সেই উদ্দেশ্য পূৰণ কৰিব পৰাকৈ ই উপযুক্তভাৱে কাম কৰিব লাগিব। প্রস্তুত প্রণালী আৰু গঠনগত বৈশিষ্ট্য অনুসৰি মনোভাৱ-মাপনীসমূহৰ মাজত ভিন্নতা দেখা যায়। মনোভাৱ-মাপনী প্রস্তুত কৰাৰ বিভিন্ন পদ্ধতি আছে। তলত সেই পদ্ধতিসমূহৰ আধাৰত বিকশিত দুবিধ বহুল ব্যৱহৃত মাপনীৰ বিষয়ে আলোচনা কৰা হ'ল।

১১.৮.১(ক) থাষ্টৰ্'নৰ মাপনী (Thurstone's Scale)

থাষ্ট'র্ন আৰু তেওঁৰ সহযোগীসকলে এই মাপনীবিধ বিকশিত কৰিছিল। ১৯২৮ চনত লুইচ লিয়ন থাষ্ট'র্নে "Attitudes Can Be Measured" শীর্ষক এটা প্রবন্ধ প্রকাশ কৰিছিল। এই প্রবন্ধত তেওঁ সামাজিক সমস্যা বা বিষয়সমূহৰ প্রতি ব্যক্তিয়ে প্রদর্শন কৰা দৃষ্টিভংগী মূল্যায়নৰ এক বিস্তৃত পদ্ধতি প্রচলনৰ প্রস্তাৱ আগবঢ়াইছিল। থাষ্ট'র্ন আৰু তেওঁৰ সহযোগীসকলে যুদ্ধ, গীর্জাৰ গুৰুত্ব, নিগ্রো (আফ্রিকাৰ দেশসমূহৰ পৰা অনা দাস-শ্রেণী), চৰম শাস্তি, জন্ম-নিয়ন্ত্রণ আদি বিভিন্ন বিষয়ত মানৱ-গোটসমূহে প্রকাশ কৰা মতামত আৰু মনোভাৱ জোখাৰ বাবে কিছুমান মাপনী প্রস্তুত কৰিছিল। এই মাপনীসমূহৰ জৰিয়তে সম-সদৃশ এককবিশিষ্ট এক নিৰন্তৰ মাপনী-ধাৰাত ব্যক্তিৰ মনোভাৱ বিশ্লেষণ কৰা হয়। এই কাৰণেই এই মাপনী-কৌশলক 'সম-সদৃশ অন্তৰাল' (Equal-appearing intervals) পদ্ধতি বুলিও কোৱা হয়। এনেধৰণৰ মাপনীত সংলগ্ন মাপন-মান (scale value) আৰু আন বৈশিষ্ট্যসমূহ সাধাৰণতে বিচাৰকৰ এক গোটে নির্ধাৰণ

কৰে। তলত আলোচনা কৰা বিভিন্ন কার্যধাপ অনুসৰণ কৰি থাষ্ট'ৰ্ন মাপনী গঠন-পদ্ধতি সম্পন্ন কৰা হয়।

১) **উদ্ধৃতি/উক্তি প্রস্তুতকৰণ :** আৰম্ভণিতে যথেষ্ট সংখ্যক সৰল উদ্ধৃতি বা উক্তি সংগ্রহ কৰা হয়। এই উদ্ধৃতি বা উক্তিসমূহে কিছুমান মতামত (সন্মত বা অসন্মতধর্মী) প্রকাশ কৰে। এই মতামতসমূহ অধ্যয়নৰ বাবে নির্বাচিত মনোভাৱ-সম্পর্কীয় বিষয় বা বস্তুৰ সৈতে জড়িত থাকে। ধৰা হ'ল, আমি প্রৱাসী নাগৰিকসম্পর্কে মানুহৰ মনোভাৱ জানিব বিচাৰিছোঁ। তেন্তে ইয়াৰ বাবে প্রস্তুত কৰা উদ্ধৃতি বা উক্তিসমূহ তলত দিয়া ধৰণৰ হ'ব পাৰে—

- প্রৱাসী নাগৰিকে সামাজিক সেৱাসমূহৰ ওপৰত চাপ সৃষ্টি কৰিছে।
- প্রৱাসী নাগৰিকে সাধাৰণ লোকৰ চাকৰি কাঢ়ি লৈছে।
- প্রৱাসী নাগৰিকে কম মজুৰিত সাধাৰণ নাগৰিকৰ মাজত জনপ্রিয় নোহোৱা কামসমূহ সম্পাদন কৰে।

নির্বাচিত লেখক, অন্যান্য বিশেষজ্ঞ আৰু সাধাৰণ লোকৰ গোটৰ পৰা এই সম্ভাব্য উদ্ধৃতি বা উক্তিসমূহ (কোনো নির্দিষ্ট বিষয়, বস্তু, প্রশ্ন বা অনুষ্ঠান সম্পর্কীয়) সংগ্রহ কৰা হয়। প্রশ্ন হিচাপে নির্বাচিত বিষয় বা বস্তুটোৰ প্রতি থকা নিৰন্তৰ মনোভাৱসমূহ এই উক্তিসমূহে সামৰি ল'ব লাগে। এই মতামতসমূহ চৰম প্রতিকূলতাৰ পৰা চৰম অনুকূলতাৰ সীমালৈ বিস্তৃত হয়। এনে প্রতিটো উক্তি পৃথক পৃথক কাগজত একোটাকৈ উপস্থাপন কৰা হয়।

২) **উদ্ধৃতি/উক্তিবোৰৰ সম্পাদনা :** সংগ্রহ কৰাৰ পাছত এই উদ্ধৃতি/উক্তিবোৰ সম্পাদনা কৰা হয়।

৩) **উদ্ধৃতি/উক্তিৰ বিচাৰ :** এক ১১-পইণ্টবিশিষ্ট মাপনীত বিচাৰকৰ এটা বৃহৎ গোটে এই উদ্ধৃতি বা উক্তিসমূহ শ্রেণীবদ্ধ কৰে। মনোভাৱ উন্মোচনৰ ক্ষেত্রত কোন উক্তিয়ে কিমান ফলপ্রসূতা দেখুৱাব পাৰে, সেইটো বিবেচনা কৰি বিচাৰকসকলে উক্তিসমূহ ক্রমিকভাৱে সজাই লয়। এই উদ্দেশ্যে প্রতিটো উদ্ধৃতি বা উক্তিক ১১-পইণ্টবিশিষ্ট মাপনীৰ একোটা পইণ্টত স্থান দিয়া হয়। ইয়াৰ ফলত এক নিৰন্তৰ মাপনী (continuum) সৃষ্টি হোৱা বুলি ধৰি লোৱা হয়। প্রতিটো উদ্ধৃতি বা উক্তিৰ অনুকূলতা বা প্রতিকূলতাৰ মাত্রা অনুসৰি এই নিৰন্তৰ মাপনী নির্ধাৰণ কৰা হয়। মাপনীত অন্তর্ভুক্ত উক্তিসমূহ যেন এক নির্দিষ্ট ক্রম অনুসৰণ কৰে, তাৰ প্রতি বিশেষ লক্ষ্য ৰখা হয়। উক্তিসমূহ আনুমানিক সমান অন্তৰাল বজাই ৰাখি উচ্চৰ পৰা নিম্ন গ্রহণযোগ্যতাৰ ক্রমত সজোৱা হয়। এই সমান অন্তৰালসমূহে বিচাৰকৰ দৃষ্টিত সদৃশ মনোভাৱসমূহৰ মাজত থকা সমমাত্রিক পার্থক্য সূচায়। সর্বনিম্ন নম্বৰ (১)-এ কোনো উক্তিৰ প্রতি সর্বাধিক প্রতিকূল মনোভাৱ সূচায়। আনহাতে সর্বোচ্চ নম্বৰ (১১)-এ কোনো উক্তিৰ প্রতি সর্বাধিক অনুকূল মনোভাৱ প্রকাশ কৰে। স্বাভাৱিক আৰু উপযুক্ত উদ্ধৃতি বা উক্তিসমূহক

মাপনীত স্থান দিয়া হয়। কিন্তু বিচাৰৰ সময়ত অস্পষ্ট বা অপ্রাসংগিক বুলি বিবেচিত হোৱা উদ্ধৃতি বা উক্তিসমূহ নিৰন্তৰ মাপনীৰ পৰা বাদ দিয়া হয়।


১	২	৩	৪	৫	৬	৭	৮	৯	১০	১১

নেতিবাচক ইতিবাচক

৪) **মাপনী মান নির্ণয় :** ইয়াৰ পিছৰ ধাপটো হ'ল উদ্ধৃতি বা উক্তিসমূহৰ মাপনী-মান (scale value) নির্ধাৰণ কৰা। মাপনীত অন্তর্ভুক্ত প্রতিটো উদ্ধৃতি বা উক্তিৰ মাপনী-মান হিচাপে বিচাৰকসকলে নির্ধাৰণ কৰা মাধ্য স্থান (median position) গ্রহণ কৰা হয়। প্রতিটো উদ্ধৃতি বা উক্তিৰ মাপনী-মান ৰেখাচিত্রৰ সহায়ত নির্ণয় কৰা হয়। এই ৰেখাচিত্রসমূহ বক্র শতকৰা ৰেখা (Ogive percentage curve) অথবা সঞ্চয়ী শতকৰা ৰেখা (cumulative percentage curve)-ত অংকন কৰা হয়। ১১-পইণ্ট মাপনীৰ বিভিন্ন শিতানত কোনো এক উদ্ধৃতি বা উক্তিক কিমানজন বিচাৰকে স্থান দিছে সেই সংখ্যাৰ আধাৰত এই শতকৰা ৰেখাসমূহ গঠন কৰা হয়। কোনো উদ্ধৃতি বা উক্তিৰ ক্ষেত্রত বিচাৰকসকলে প্রদান কৰা স্থানসমূহৰ মাধ্যমানেই (median) সেই উক্তিৰ মাপনী-মান হিচাপে গণ্য কৰা হয়। তলত দর্শোৱা ৰেখাচিত্রত P_{50} বা ৫০% স্তৰটোক উক্তি বা উদ্ধৃতি এটাৰ মাপনী-মান হিচাপে ধৰা হয়। প্রতিটো উক্তি বা উদ্ধৃতিৰ মান নির্ধাৰণৰ এই প্রক্রিয়াটো বুজাবলৈ ১১-পইণ্ট মাপনীৰ বিভিন্ন পইণ্টত কোনো নির্দিষ্ট উদ্ধৃতি বা উক্তিক স্থান দিয়া বিচাৰকসকলৰ সঞ্চয়ী শতকৰা হাৰ প্রদর্শন কৰা হয় (ধৰি লোৱা হৈছে যে বিচাৰকৰ সংখ্যা ৩০ জন)।

মাপনী পইণ্ট	F (বিচাৰকৰ সংখ্যা)	Cumf	Cumf %
১	৫	৫	১৬.৭
২	১১	১৬	৫৩.৩
৩	৯	২৫	৮৩.৩
৪	৪	২৯	৯৬.৭
৫	১	৩০	১০০
৬	০	--	--
৭	০	--	--
৮	০	--	--
৯	০	--	--
১০	০	--	--
১১	০	--	--

ইয়াৰ পৰা বক্রৰেখা সাৰণী এখন প্রস্তুত কৰিব পাৰি। তলৰ গ্রাফচিত্রখনত P_{50} অথবা ৫০% স্তৰটোৱে প্রদত্ত প্রশ্নৰ উত্তৰ হিচাপে পোৱা উদ্ধৃতি/উক্তিবোৰৰ মাপনী মান প্রদর্শন কৰে



চিত্ৰ ১১.ৰ মাপনী মানৰ বক্ৰৰেখা উপস্থাপন

৫) চূড়ান্ত মাপনীত অন্তৰ্ভুক্ত কৰাৰ আগতে প্ৰতিটো উদ্ধৃতি বা উক্তিৰ সৰ্বমুঠ মাপনীৰ সহায়ত লাভ কৰা সাধাৰণ মনোভাৱৰ জোখৰ সৈতে অবিৰোধ সংগতি (consistency) আছে নে নাই, সেইটো বিশ্লেষণ কৰি চোৱা হয়। বাছনিত উত্তীৰ্ণ হোৱা উদ্ধৃতি বা উক্তিসমূহক ইয়াৰ পিছত এখন প্ৰাক্-প্ৰাথমিক পৰীক্ষা-সূচীত অন্তৰ্ভুক্ত কৰা হয়। তাৰ পিছত পৰীক্ষাৰ্থীসকলক এই সূচীখন পৰীক্ষা কৰিবলৈ দি অন্তৰ্ভুক্ত বিষয়বস্তুসমূহৰ প্ৰাসংগিকতা মূল্যায়ন কৰা হয়। ধৰা হ'ল, কোনো মাপনীৰ উদ্দেশ্য হৈছে উপাসনা-গৃহসমূহৰ প্ৰভাৱ সম্পৰ্কীয় মনোভাৱ নিৰ্ধাৰণ কৰা। তেন্তে দেখা যাব যে যিসকল ব্যক্তিৰ এই বিষয়ত প্ৰতিকূল মনোভাৱ আছে, তেওঁলোকে মাপনীত অন্তৰ্ভুক্ত কিছুমান উদ্ধৃতি বা উক্তিক অপ্ৰাসংগিক বুলি গণ্য কৰিব পাৰে বা বাদ দিয়া উক্তিতকৈ কম অনুকূল বুলি বিবেচনা কৰিব পাৰে। প্ৰায় সমমানবিশিষ্ট উদ্ধৃতি বা উক্তিসমূহে সহমত লাভৰ ক্ষেত্ৰত সমধৰ্মী আৰু উচ্চ অবিৰোধ সংগতি প্ৰদৰ্শন কৰে। অৱশেষত চূড়ান্ত মাপনীত বাছনিত উত্তীৰ্ণ বিষয়বস্তুসমূহ অন্তৰ্ভুক্ত কৰা হয়। এই প্ৰক্ৰিয়াই মাপনীৰ পৰা অস্পষ্টতা আৰু অপ্ৰাসংগিকতা দূৰ কৰাত সহায় কৰে। চূড়ান্তভাৱে নিৰ্বাচিত বিষয়বস্তুসমূহ মনোভাৱৰ সমগ্ৰ দিশ যথাযথভাৱে প্ৰতিনিধিত্ব কৰিব পৰাকৈ বাছনি কৰা হয়।

এটা উদাহৰণলৈ লক্ষ্য কৰক। তলত গীৰ্জাঘৰৰ প্ৰভাৱ-সম্পৰ্কীয় মনোভাৱ-মাপনীৰ বাবে ব্যৱহৃত কেইটামান উক্তি দিয়া হৈছে। প্ৰতিটো উক্তিৰ সৈতে সংশ্লিষ্ট মাপনী-মানো সংলগ্ন কৰা হৈছে। (ফ্ৰীমেনৰ উদাহৰণ)

- মই গীৰ্জাঘৰক সমাজক শুহি খোৱা পৰজীৱি বুলি গণ্য কৰোঁ। (১১)
- মই গীৰ্জাই শিকোৱা কথাবোৰ বিশ্বাস কৰোঁ, কিন্তু মোৰ কিছুমান মানসিক সন্দেহ আছে। (৪.৫)
- মই ভাবোঁ গীৰ্জাৰ শিকনিবোৰ সামাজিক তাৎপৰ্যবিহীন আৰু অত্যন্ত উপৰুৱা। (৮.৩)
- মই ধৰ্ম বিশ্বাস কৰোঁ, কিন্তু গীৰ্জালৈ কেতিয়াবাহে যাওঁ। (৫.৪)
- মই বিশ্বাস কৰোঁ যে বৰ্তমান আমেৰিকাত গীৰ্জাই সবাতোকৈ মহান অনুষ্ঠান। (১.৭)

মই মান (s)ৰ বিতjণৰ ব্যাপ্তি সম্পৰ্কে ধাৰণা কৰাৰ সুযোগ দিবলৈ এনে মাপনীত 'অন্তৰ-চতুৰ্থক সীমা' (inter quartile range/ IQR) ও গণনা কৰা হয়। ইয়াক অস্পষ্টতাৰ জোখ বুলিও ধৰি ল'ব পৰা যায়। নিৰন্তৰতাত অস্পষ্ট নাইবা অপ্রাসংগিক বুলি বিচাৰ কৰা উদ্ধৃতি/উক্তিবোৰ পাছত বাদ দিয়া হয়।

থাষ্ট'ৰ্ন মনোভাৱ-মাপনীত সঁহাৰি প্রদানকাৰীসকলে ব্যক্তিগতভাৱে সন্মত উদ্ধৃতি বা উক্তিসমূহ নিৰ্বাচন কৰে। পৰীক্ষার্থীয়ে লাভ কৰা নম্বৰ হৈছে তেওঁ বাছনি কৰা উদ্ধৃতি বা উক্তিসমূহৰ মাপনী-মানৰ মাধ্যমান। এই পদ্ধতিৰে নিৰ্ধাৰণ কৰা ব্যক্তিৰ মনোভাৱ-নম্বৰক মাপনী গঠনকাৰী উদ্ধৃতি বা উক্তিসমূহৰ মনোবৈজ্ঞানিক নিৰন্তৰতাৰ এক চূড়ান্ত ব্যাখ্যা বুলি ধৰা হয়। যদি কোনো ব্যক্তিয়ে এই নিৰন্তৰতাৰ মধ্যম পৰিসৰৰ ভিতৰত নম্বৰ লাভ কৰে, তেন্তে তেওঁৰ মনোভাৱ 'নিৰপেক্ষ' বুলি গণ্য কৰা হয়। আনহাতে নিৰন্তৰতাৰ অনুকূল অংশত লাভ কৰা নম্বৰসমূহ 'অনুকূল' মনোভাৱৰ সূচক আৰু বিপৰীত দিশত লাভ কৰা নম্বৰসমূহ 'প্রতিকূল' মনোভাৱৰ সূচক বুলি বিবেচিত হয়। এই পদ্ধতিৰে জোখা বিভিন্ন মনোভাৱৰ নম্বৰসমূহৰ মাজত তুলনা কৰিব পৰা যায়। তথাপি এনে তুলনাৰ বৈধতা সম্পৰ্কে কিছু প্রশ্ন উত্থাপিত হয়। কাৰণ ভিন্ন ভিন্ন মনোভাৱৰ ক্ষেত্রত 'নিৰপেক্ষ পইণ্ট' হিচাপে গণ্য কৰা নম্বৰ সদায় একে নোহোৱাও সম্ভৱ। তদুপৰি মাপনীৰ অন্তৰালসমূহ সমান যেন দেখা গেলেও বাস্তৱত সিহঁত সম্পূৰ্ণ সমান নহয়।

১১.৮.১(খ) লিকার্ট টাইপ মাপনী

মিছিগান বিশ্ববিদ্যালয়ৰ সমাজবিজ্ঞানী ৰেনচিছ্ লিকার্ট (Rensis Likert)-ক এই পদ্ধতিটোৰ জনক বুলি গণ্য কৰা হয়। লিকার্টৰ পদ্ধতিটো থাষ্ট'ৰ্নৰ পদ্ধতিতকৈ তুলনামূলকভাৱে অধিক সৰল। ১৯৩২ চনত 'Archives of Psychology' নামৰ প্রবন্ধ-পুথিত প্রকাশিত "A Technique for the Measurement of Attitudes" শীৰ্ষক প্রবন্ধত তেওঁ প্রথমবাৰৰ বাবে এই পদ্ধতিৰ বিষয়ে উল্লেখ কৰিছিল। তেওঁৰ মূল উদ্দেশ্য আছিল এক 'বিজ্ঞানসন্মত' পদ্ধতিৰে মনোভাৱ জোখাৰ উপায় বিকশিত কৰা। বিশেষকৈ, তেওঁ এনে এক পদ্ধতি গঢ়ি তুলিব বিচাৰিছিল যাৰ সহায়ত মনোভাৱৰ জোখ-মাখসমূহক এক উপযুক্ত মেট্রিক মাপনীৰ জোখ হিচাপে যুক্তিসংগতভাৱে ব্যাখ্যা কৰিব পৰা যায়।

এটা লিকার্ট মাপনীয়ে সঁহাৰি প্রদানকাৰীৰ সন্মতি বা অসন্মতিসমূহক এক শৃংখলাবদ্ধ বিশ্বাস-উক্তি (belief statement)-ৰ সহায়ত জোখাৰ চেষ্টা কৰে। ই মূলতঃ বিষয়বস্তু বিশ্লেষণ (content analysis)-ভিত্তিক এক ব্যৱহাৰিক পদ্ধতি। এই পদ্ধতিৰ কৌশলসমূহ পৰীক্ষা-গঠন কৌশল (test-construction techniques)-ৰ পৰা গ্রহণ কৰা হৈছে। প্রথমে, সম-সদৃশ অন্তৰাল পদ্ধতিৰ দৰে ইয়াতো কোনো নিৰ্দিষ্ট বিষয় বা প্রশ্নৰ সৈতে সম্পৰ্কিত যথেষ্ট সংখ্যক

উদ্ধৃতি বা উক্তি সংগ্রহ কৰা হয়। ইয়াৰ পিছত দ্ব্যর্থক, অস্পষ্ট, অপ্রাসংগিক বা অন্য কোনো ধৰণে ত্রুটিপূর্ণ উক্তিসমূহ সাৱধানতাৰে বাদ দিয়া হয়। বাছনি কৰা উক্তিসমূহৰ সহায়ত তাৰ পিছত প্রশ্নাৱলী বা মনোভাৱ-পৰীক্ষা প্রস্তুত কৰা হয়। প্রতিটো বিষয় বা প্রশ্নৰ বিপৰীতে 'দৃঢ়ভাৱে সন্মত', 'সন্মত', 'সিদ্ধান্ত ল'ব পৰা নাই', 'অসন্মত' আৰু 'দৃঢ়ভাৱে অসন্মত'— এই ধৰণৰ একাধিক বিকল্প দিয়া হয়। উক্তিসমূহ এনেদৰে গঠন কৰা হয় যাতে ইয়াৰ অর্ধেক উক্তিৰ ক্ষেত্রত 'সন্মত' সঁহাৰিয়ে সঁহাৰিদাতাৰ অনুকূল মনোভাৱ প্রকাশ কৰে, আৰু আন অর্ধেক উক্তিৰ ক্ষেত্রত 'অসন্মত' সঁহাৰিয়েও অনুকূল মনোভাৱ সূচায়। তাৰ পিছত এই প্রশ্নাৱলী বা পৰীক্ষা সঁহাৰিদাতাৰ বৃহৎ গোট এটাৰ মাজত প্রয়োগ কৰা হয়। প্রতিটো বিষয় বা প্রশ্নৰ বিপৰীতে উপস্থাপিত উক্তিসমূহৰ মাজৰ পৰা সঁহাৰিদাতাক নিজৰ মনোভাৱৰ সৈতে অধিক সামঞ্জস্য থকা উক্তিটো নির্বাচন কৰিবলৈ দিয়া হয়। সাধাৱণতে সঁহাৰিদাতাই ৫-পইণ্টৰ মাপনীৰ সহায়ত নিজৰ প্রতিক্রিয়া প্রকাশ কৰে। এই ৫, ৪, ৩, ২ আৰু ১ পইণ্ট ক্রমে 'দৃঢ়ভাৱে সন্মত', 'সন্মত', 'সিদ্ধান্ত ল'ব পৰা নাই', 'অসন্মত' আৰু 'দৃঢ়ভাৱে অসন্মত' সূচায়। আনহাতে যিবোৰ উক্তিয়ে ব্যক্তিৰ দৃষ্টিভংগীৰ বিপৰীত মনোভাৱ প্রকাশ কৰে, সেইবোৰৰ ক্ষেত্রত নম্বৰ প্রদান উল্টা ক্রমত কৰা হয় অর্থাৎ ১, ২, ৩, ৪ আৰু ৫। সেই অনুসৰি, কোনো বিৰোধী উক্তিৰ প্রতি 'দৃঢ়ভাৱে সন্মত' সঁহাৰিক ১ নম্বৰ আৰু 'দৃঢ়ভাৱে অসন্মত' সঁহাৰিক ৫ নম্বৰ দিয়া হয়।

ইয়াৰ পিছত বিষয়বস্তু বিশ্লেষণ (content analysis) প্রক্রিয়াৰ সহায়ত প্রদত্ত প্রশ্নসমূহৰ সঁহাৰিয়ে প্রকাশ কৰা মনোভাৱৰ সৈতে সংগতি ৰাখি সেই প্রশ্নসমূহৰ বিভেদক ক্ষমতা (discriminatory power) বিশ্লেষণ কৰা হয়। এই উদ্দেশ্যে ব্যৱহৃত সৰল সূচ্যাংক দুটা হ'ল মুঠ নম্বৰৰ বিতৰণ তালিকাৰ একেবাৰে শীর্ষত আৰু একেবাৰে নিম্নত থকা সঁহাৰিদাতাসকলৰ নম্বৰ। এই দুটা গোটৰ পৰা লাভ কৰা প্রতিটো বিষয়ৰ সঁহাৰি পৃথকভাৱে গণনা কৰি মাধ্যমান নির্ধাৰণ কৰা হয়। উচ্চতম আৰু নিম্নতম সঁহাৰি-গোটৰ মাজত মাধ্য সঁহাৰিত যিবোৰ বিষয়বস্তুত সর্বাধিক বিসংগতি (the greatest discrepancy) দেখা যায়, সেই বিষয়বস্তুসমূহকেই আটাইতকৈ অধিক বিভেদ সৃষ্টিকাৰী বুলি ধৰা হয়। অৱশেষত, এই সর্বাধিক বিভেদ প্রদর্শন কৰা বিষয়বস্তুসমূহৰ তালিকাৰ পৰা উপযুক্ত বিষয় নির্বাচন কৰি চূড়ান্ত মনোভাৱ-মাপনী প্রস্তুত কৰা হয়।

উদ্ধৃতি বা উক্তিসমূহৰ বিপৰীতে দিয়া সঁহাৰিসমূহৰ বাবে নির্ধাৰিত নম্বৰসমূহৰ যোগফলেই ব্যক্তিৰ মুঠ নম্বৰ হিচাপে গণ্য কৰা হয়। এই মুঠ নম্বৰে সংশ্লিষ্ট বিষয়টোৰ প্রতি ব্যক্তিয়ে পোষণ কৰা মনোভাৱৰ প্রতিনিধিত্ব কৰে। এই কাৰণেই আলোচিত মাপনীবিধক 'যোগাত্মক ৰেটিং পদ্ধতি' (Method of Summated Ratings) বুলিও কোৱা হয়। সাধাৱণতে এনে মাপনীত লাভ কৰা সর্বাধিক নম্বৰটোক ব্যক্তিৰ পছন্দনীয় বা অধিক অনুকূল মনোভাৱ (attitude preferred) হিচাপে ধৰা হয়। আনহাতে, একেবাৰে কম নম্বৰটোক সংশ্লিষ্ট মনোভাৱৰ 'অসন্মত' বা প্রতিকূল অৱস্থা (disapproval) হিচাপে গণ্য কৰা হয়, বিশেষকৈ

ইতিবাচক উদ্ধৃতি বা উক্তিৰ ক্ষেত্ৰত। কেতিয়াবা এনে পৰীক্ষাৰ দ্বাৰা লাভ কৰা মুঠ নম্বৰসমূহ পৰীক্ষালব্ধভাৱে প্ৰতিষ্ঠিত নিয়ম অনুসৰি ব্যাখ্যা কৰা হয়। এই পদ্ধতিত মূলতঃ মনোভাৱৰ প্ৰগাঢ়তা অনুসৰি ব্যক্তিক যি স্থানত ৰখা হয়, সেই স্থানক্ৰমৰ আধাৰত মনোভাৱ মূল্যায়ন কৰা হয়।

লিকার্ট পদ্ধতিৰ মুখ্য সুবিধা হৈছে— উদ্ধৃতি বা উক্তিসমূহ বিভিন্ন শিতানত শ্ৰেণীবদ্ধ কৰিবলৈ ইয়াত বিচাৰক-মণ্ডলীৰ সহায় লোৱাৰ প্ৰয়োজন নহয়। পৰীক্ষাটো বিকশিত কৰাৰ সময়ত অংশগ্ৰহণ কৰা পৰীক্ষাৰ্থীসকলৰ সঁহাৰিৰ আধাৰতে ইয়াৰ বিষয় বা প্ৰশ্নসমূহ বাছনি কৰা হয়।

থাষ্টৰ্ন আৰু লিকার্টৰ কৌশল দুটাৰ তুলনা

বহু পৰীক্ষকে থাষ্ট'ৰ্ন আৰু লিকার্ট— এই দুয়োটা কৌশলৰ সুবিধাসমূহ তুলনামূলকভাৱে বিশ্লেষণ কৰাৰ চেষ্টা কৰিছে। দুয়ো প্ৰকাৰৰ মাপনীৰ মাজত কিছু সামান্য পাৰ্থক্য দেখা যায়। আত্ম-প্ৰতিবেদনভিত্তিক (self-report) পদ্ধতিৰ ক্ষেত্ৰত যিবোৰ কাৰকে বৈধতাক প্ৰভাৱিত কৰিব পাৰে, সেই কাৰকসমূহ দুয়োটা কৌশলতেই কম-বেছি পৰিমাণে উপস্থিত থাকে। লিকার্ট-ধৰণৰ মাপনী প্ৰস্তুত কৰিবলৈ থাষ্ট'ৰ্ন মাপনীতকৈ কম সময়ৰ প্ৰয়োজন হয়। কিন্তু লিকার্ট মাপনীত সঁহাৰিৰ সমষ্টি (response set) গঠন কৰাৰ সুযোগ থাকি যায় যাৰ ফলত লাভ কৰা নম্বৰসমূহ কিছু পৰিমাণে প্ৰভাৱিত হ'ব পাৰে। সেইকাৰণে ইয়াৰ বৈধতাৰ মাত্ৰা তুলনামূলকভাৱে কিছু কম বুলি ধৰা হয়। আনহাতে থাষ্ট'ৰ্ন মাপনীত লাভ কৰা নম্বৰসমূহ সঁহাৰিৰ সমষ্টিৰ দ্বাৰা তেনেদৰে প্ৰভাৱিত নহয় আৰু এই মাপনীৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়াও তুলনামূলকভাৱে সহজ। থাষ্ট'ৰ্ন মাপনীত কোনো পৰীক্ষাৰ্থীয়ে লাভ কৰা মনোভাৱ-নম্বৰৰ এক নিৰ্দিষ্ট ব্যাখ্যা থাকে। অৰ্থাৎ এই মাপনীত কোনো ব্যক্তিৰ নম্বৰক কোনো নিৰ্দিষ্ট পৰীক্ষাৰ্থী-গোটৰ নম্বৰ-বিতৰণৰ ওপৰত নিৰ্ভৰ নকৰাকৈ স্বতন্ত্ৰভাৱে ব্যাখ্যা কৰিব পৰা যায়। কিন্তু লিকার্ট মাপনীৰ ক্ষেত্ৰত কেৱল একক নম্বৰৰ আধাৰত কোনো ব্যক্তিৰ মনোভাৱ সম্পৰ্কে স্পষ্ট ব্যাখ্যা আগবঢ়োৱাটো তুলনামূলকভাৱে কঠিন।

১১.৮.১(গ) চেমাণ্টিক প্ৰভেদ নিৰূপক মাপনী (Semantic Differential Scale)

মনোভাৱ জোখাৰ ক্ষেত্ৰত বিষয়বস্তু হিচাপে নিৰ্বাচিত বস্তু বা বিষয়ৰ সৈতে সম্পৰ্কিত অৰ্থসমূহৰ জোখ-মাখ কৰিবলৈ চেমাণ্টিক প্ৰভেদ নিৰূপক মাপনীত (Semantic Differential Scale) বিপৰীত অৰ্থবাহী দ্বিধ্ৰুবীয় বিশেষণ (bipolar adjectives) ব্যৱহাৰ কৰা হয়। অৰ্থাৎ এনে মাপনী প্ৰস্তুত কৰাৰ সময়ত প্ৰশ্ন হিচাপে লোৱা বিষয়টোক বৰ্ণনা কৰিব পৰা বিপৰীত অৰ্থবাহী শব্দযুগলসমূহ প্ৰথমে নিৰ্বাচন কৰা হয়। এই পৰীক্ষাত অংশগ্ৰহণ কৰা ব্যক্তিসকলে

'ভাল-বেয়া', 'অনুকূল-প্রতিকূল', 'ইতিবাচক-নেতিবাচক' আদি বিভিন্ন দ্বিধ্রুবীয় বিশেষণৰ মাজৰ পৰা নিজৰ মনোভাৱৰ সৈতে অধিক সামঞ্জস্য থকা বিকল্প বাছনি কৰি বিষয়বস্তুসমূহক পৰিমাণগতভাৱে ক্রমিক স্থান দিয়ে। সঁহাৰিদাতাই এক নিৰন্তৰ মাপনীৰ দুটা চৰম সীমাৰ মাজৰ কোনো এক বিন্দুত নিজৰ মনোভাৱ প্রকাশ কৰে। তেওঁ জুখি থকা বিষয়টোৰ প্রতি নিজৰ অনুভূতি প্রকাশ কৰিবলৈ নির্বাচিত উত্তৰত চিহ্ন অংকন কৰে। এটা একক মনোভাৱ মূল্যায়নৰ ক্ষেত্রতো বিভিন্ন অর্থ বা গুণ জড়িত থাকিব পাৰে। উদাহৰণস্বৰূপে চিগাৰেটৰ বিজ্ঞাপনৰ প্রতি কোনো ব্যক্তিৰ নেতিবাচক মনোভাৱ একাধিক বিশ্বাস বা মূল্যবোধৰ আধাৰত গঢ় লৈ উঠিব পাৰে। এই বিষয়টো তলত অধিক বিশদভাৱে আলোচনা কৰা হ'ল।

মাপনীৰ এক শৃংখলাৰে সৈতে এটা উক্তি তুলি দিয়া হৈছে–

চিগাৰেটৰ বিজ্ঞাপন–

- ভাল ১ ২ ৩ ৪ ৫ বেয়া
- সৃষ্টিশীল ১ ২ ৩ ৪ ৫ দেখিবলৈ অশুৱনি
- সৎ ১ ২ ৩ ৪ ৫ সততা নাই
- স্বাস্থ্যকৰ ১ ২ ৩ ৪ ৫ অস্বাস্থ্যকৰ

চেমাণ্টিক প্রভেদ নিৰূপক কৌশলে মনোভাৱৰ তিনিটা মৌলিক মাত্রা—মূল্যায়ন (Evaluation), প্রভাৱশালীতা (Potency) আৰু কার্যকলাপ (Activity)—ৰ আধাৰত পৰীক্ষার্থীৰ মনোভাৱ সম্পর্কীয় তথ্য সংগ্রহ কৰে।

- মূল্যায়ন (Evaluation)এ মনোভাৱ জুখিবৰ বাবে উপস্থাপন কৰা বিষয়টো পৰীক্ষার্থীয়ে ইতিবাচকনে নেতিবাচকভাৱে চিন্তা কৰিছে সেয়া জোখে (যেনে, লেতেৰা-পৰিষ্কাৰ, কুৎসিত-সুন্দৰ ইত্যাদি)।
- প্রভাৱশালীতা (Potency) ই পৰীক্ষার্থীৰ বাবে প্রদত্ত বিষয়টো কিমান শক্তিশালী সেয়া জোখাত সহায় কৰে (যেনে, নিষ্ঠুৰ-দয়ালু, সবল-দুর্বল ইত্যাদি)।
- কার্যকলাপ (Activity)এ প্রদত্ত বিষয়টোক পৰীক্ষার্থীয়ে সক্রিয়নে নিষ্ক্রিয় ৰূপত ধৰে সেয়া উন্মোচন কৰে (যেনে, সক্রিয়-নিষ্ক্রিয়)।

১১.৮.১(ঘ) গাট্‌মেন মাপনী (Guttman Scales)

লুইচ গাট্‌মেন (Louis Guttman) আৰু তেওঁৰ সহযোগীসকলে বিকশিত কৰা 'মাপনী বিশ্লেষণ' (scale analysis) পদ্ধতিৰ আধাৰত গঠন কৰা মাপনীক 'গাট্‌মেন মাপনী' বুলি কোৱা হয়। এই মাপনীৰ সহায়ত কোনো মনোভাৱ একমাত্রিক (unidimensional) নে নহয় সেইটো নির্ধাৰণ কৰাৰ চেষ্টা কৰা হয়। যদি কোনো মনোভাৱে এক সঞ্চয়ী মাপনী (cumulative scale) সৃষ্টি কৰে, তেন্তে তাক একমাত্রিক বুলি গণ্য কৰা হয়। এক সঞ্চয়ী মাপনীত এগৰাকী ব্যক্তিয়ে

কোনো প্রদত্ত উদ্ধৃতি বা উক্তিৰ সৈতে সম্পর্কিত সকলো নিম্নস্তৰৰ বিকল্প উত্তৰৰ সৈতেও সহমত প্রকাশ কৰে। অর্থাৎ যদি কোনো ব্যক্তিয়ে ৩ নম্বৰ উক্তিৰ সৈতে সহমত প্রকাশ কৰে, তেন্তে তেওঁ ২ আৰু ১ নম্বৰ উক্তিৰ সৈতেও সহমত হ'ব। গাট্‌মেন মাপনীয়ে বিশেষকৈ মনোবৈজ্ঞানিক দিশেৰে জটিলতাৰ স্তৰ ভিন্ন হোৱা বিষয়সমূহৰ ক্ষেত্রত মনোভাৱ জোখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গাট্‌মেনৰ মতে, "এটা বৈধ জোখ ল'বলৈ সক্ষম নিখুঁত মাপনী তেতিয়াহে লাভ কৰা সম্ভৱ যেতিয়া বিষয় বা বস্তুসমূহৰ সমৰূপতা (homogeneity) সম্পূর্ণ হয়।

১১.৮.১(ঙ) ৰেমার্চ আৰু চাইলেন্সৰ মাষ্টাৰ স্কেল পদ্ধতি (Master Scale Method of Remmers and Silence)

ৰেমার্চ আৰু তেওঁৰ সহযোগীসকলে মনোভাৱ-মাপনীৰ এক শৃংখলা বিকশিত কৰিছিল। এই শৃংখলাটোৰ বহু দিশ থাষ্টৰ্নৰ পদ্ধতিৰ সৈতে সাদৃশ্যপূর্ণ। ৰেমার্চৰ মাপনীৰ বিশেষ বৈশিষ্ট্য হৈছে— ই কোনো বস্তু বা বিষয়ৰ বৃহৎ গোট, বহু লোক অথবা বিভিন্ন অনুষ্ঠানৰ প্রতি থকা মনোভাৱ একেলগে জোখিব পাৰে। অর্থাৎ, এই পদ্ধতিৰ সহায়ত এটা মাত্র মাপনীৰ জৰিয়তে বিভিন্ন বস্তু বা বিষয়ৰ প্রতি ব্যক্তিৰ মনোভাৱ মূল্যায়ন কৰা সম্ভব হয়। এই পদ্ধতিত তথ্যসমূহ অধিক সৰলভাৱে উপস্থাপন কৰাৰ চেষ্টা কৰা হয়। অৱশ্যে, বহু মনোবিজ্ঞানীৰ মতে এই পদ্ধতিটো অন্য বিশেষীকৃত মনোভাৱ-পৰীক্ষাৰ দৰে সমান ফলপ্রসূ নহয়। এই মাপনীত অন্যান্য বিষয়ৰ লগতে ৰাষ্ট্রীয় আৰু জাতীয় গোট, বিভিন্ন বৃত্তি, শিক্ষক-গোট, সামাজিক কার্য, বিদ্যালয়-সম্পর্কীয় বিষয় আদি সামৰি লোৱা হয়।

মনোভাৱ মাপনীৰ মূল্যায়ন

কোনো শ্লোগান, ব্যক্তি, অনুষ্ঠান, ধর্ম, ৰাজনৈতিক দল আদি বিষয়ৰ সৈতে জড়িত ইতিবাচক বা নেতিবাচক মনোভাৱৰ মাত্রা জোখাৰ বাবে মনোভাৱ-মাপনীসমূহ ব্যৱহাৰ কৰা হয়। কিছুমান জৰুৰী আৰু গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত ৰাজহুৱা মতামত সমীক্ষা চলোৱাৰ সময়তো এই মনোভাৱ-মাপনীসমূহৰ সহায় লোৱা হয়। শিক্ষাবিদসকলে বিভিন্ন শৈক্ষিক সমস্যা সম্পর্কে মানুহৰ অনুভৱ আৰু দৃষ্টিভংগী জানিবলৈও বিভিন্ন ধৰণৰ মতামত-সমীক্ষা সংগ্রহ কৰে।

বিভিন্ন ধৰণৰ বস্তু বা বিষয়ৰ প্রতি ব্যক্তিয়ে পোষণ কৰা মনোভাৱৰ বৈধ, নির্ভুল আৰু পৰিমাণগত জোখ নির্ধাৰণ কৰাৰ উদ্দেশ্যে মনোভাৱ-মাপনীসমূহ প্রস্তুত কৰা হয়। এনে সিদ্ধান্তসমূহৰ বৈধতা ব্যক্তিয়ে দিয়া সঁহাৰিৰ সত্যতাৰ সৈতে প্রত্যক্ষভাৱে সম্পর্কিত। অৱশ্যে মনোভাৱ-পৰীক্ষাত ব্যৱহৃত এই আত্ম-প্রতিবেদনভিত্তিক (self-report) মাপনীসমূহৰ কিছুমান সীমাবদ্ধতাও আছে। ইয়াৰ ভিতৰত এক সাধাৰণ সমস্যা হৈছে 'সামাজিক বাঞ্ছনীয়তা' (social desirability)। ব্যক্তিয়ে নিজৰ প্রকৃত মনোভাৱ প্রকাশ কৰিছে বুলি সদায় নিশ্চিতভাৱে ধৰি ল'ব নোৱাৰি। বহু সময়ত তেওঁলোকৰ সঁহাৰিয়ে সমাজে গ্রহণযোগ্য বুলি ধৰা মনোভাৱহে প্রতিফলিত

কৰে। ব্যক্তিসকলে উত্তৰ দিয়াৰ সময়ত নিজকে সমাজৰ সৈতে ভালদৰে খাপ খোৱা, পক্ষপাতহীন আৰু মুক্তমনা ব্যক্তি হিচাপে উপস্থাপন কৰাৰ চেষ্টা কৰে। আকৌ, কোনো নিৰ্দিষ্ট বিষয় বা বিষয়সমষ্টিৰ প্ৰতি নেতিবাচক মনোভাৱ পোষণ কৰা সঁহাৰিদাতাসকলে এনে পৰীক্ষাৰ ক্ষেত্ৰত অথবা নিজৰ মনতো প্ৰকৃত মনোভাৱ স্পষ্টভাৱে প্ৰকাশ নকৰিবও পাৰে। অৰ্থাৎ মনোভাৱ-মাপনীৰ জৰিয়তে সংগৃহীত সঁহাৰিসমূহ সদায় শতভাগ বৈধ হয় বুলি ক'ব নোৱাৰি। সেইবাবে মনোভাৱ-মাপনী ব্যৱহাৰ কৰাৰ আগতে পৰীক্ষাত অংশগ্ৰহণকাৰীসকলক উপযুক্ত দিশ-নিৰ্দেশনা প্ৰদান কৰি সম্ভাব্য সমস্যাসমূহ কমাবলৈ চেষ্টা কৰা উচিত।

১১.৮.২ স্থান প্ৰদানৰ মাপনী (Rating Scales)

এনেধৰণৰ মাপনীত পৰীক্ষকে পৰীক্ষাৰ্থীৰ মনোভাৱসমূহক উচ্চৰ পৰা নিম্ন গুণমান সূচোৱা এখন মাপনী-তালিকাত ক্ৰম অনুসৰি স্থান দিয়ে। এই পদ্ধতিত ব্যক্তিক এক মাপনীত আন ব্যক্তিসকলৰ সৈতে তুলনা কৰি আপেক্ষিক স্থানত স্থাপন কৰা হয়। অৰ্থাৎ এনে মাপনীত পৰীক্ষকৰ বিচাৰ-বিবেচনা বা সিদ্ধান্তৰ আধাৰত মনোভাৱ মূল্যায়ন কৰা হয়। নিজৰ সিদ্ধান্তত উপনীত হ'বলৈ পৰীক্ষকে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰে। এনে উৎসসমূহৰ ভিতৰত কেইটামান হ'ল—

- কোনো নিৰ্দিষ্ট বস্তু বা বিষয়ৰ প্ৰতি পৰীক্ষাৰ্থীৰ অ-মৌখিক আচৰণ। উদাহৰণস্বৰূপে, কোনো প্ৰথা গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ মনোভাৱ। অৱশ্যে, বহু সময়ত ব্যক্তি নিজৰ মনোভাৱ অনুসৰি আচৰণ স্পষ্টভাৱে প্ৰকাশ কৰিবলৈ সক্ষম নহ'বও পাৰে।
- মনোভাৱ বুজাৰ এক উত্তম উৎস হৈছে মৌখিক উক্তি। অৱশ্যে, ইয়াৰ বাবে ব্যক্তিয়ে নিজৰ মনোভাৱ সততাৰে প্ৰকাশ কৰাটো আৱশ্যক। বহু ক্ষেত্ৰত মৌখিক উক্তিসমূহে ব্যক্তিৰ মনোভাৱ স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰে।
- ব্যক্তিগত নথিৰ পৰা সংগৃহীত তথ্যও মনোভাৱ বুজাৰ এক গুৰুত্বপূৰ্ণ উৎস। ব্যক্তিগত দিনলিপি, চিঠি-পত্ৰ, আত্মজীৱনী আদি নথিপত্ৰে ব্যক্তিৰ মনোভাৱ প্ৰকাশ কৰিব পাৰে। অৱশ্যে, এনে নথি সকলো সময়তে সহজলভ্য নহ'বও পাৰে।
- গৌণ অভিব্যক্তি প্ৰকাশক ইংগিতসমূহৰ জৰিয়তেও ব্যক্তিৰ মনোভাৱ বুজিব পাৰি। উদাহৰণস্বৰূপে, মুখাবয়ৱৰ অভিব্যক্তি, কণ্ঠস্বৰ আদি। সেইকাৰণেই কোৱা হয়—'মানুহে কি কয় তাতকৈ কেনেদৰে কয়, তাৰ দ্বাৰাই অধিক কথা জানিব পাৰি।
- চিকিৎসামূলক সাক্ষাৎকাৰ : এই পদ্ধতিত পৰীক্ষক বা মনোবিজ্ঞানীয়ে কথা-বাৰ্তাৰ জৰিয়তে ব্যক্তিৰ মনোভাৱ জানিবলৈ চেষ্টা কৰে।
- প্ৰক্ষেপাত্মক কৌশল : এই পদ্ধতিৰ সহায়ত ব্যক্তিৰ অচেতন মনত সুপ্ত হৈ থকা মনোভাৱসমূহ উন্মোচন কৰাৰ চেষ্টা কৰা হয়।

এনে বিভিন্ন উৎসৰ পৰা পৰীক্ষকে কোনো ব্যক্তিৰ মনোভাৱ সম্পৰ্কে পৰ্যাপ্ত তথ্য সংগ্ৰহ কৰিব পাৰে। স্থান-প্ৰদানমূলক মাপনী (Rating Scale) সাধাৰণতে দুই প্ৰকাৰৰ— ১) আপেক্ষিক মাপনী (Relative Scale) আৰু ২) চৰম মাপনী (Absolute Scale)।

১১.৮.২(ক) ক্ৰমিক স্থান মাপনী (Rank Order Scales)

এই মাপনীত পৰীক্ষকে ব্যক্তিৰ মনোভাৱক উচ্চৰ পৰা নিম্ন গুণমান সূচোৱা এখন মাপনীত স্থান প্ৰদান কৰে। এই পদ্ধতিত ব্যক্তিক আন ব্যক্তিসকলৰ সৈতে তুলনা কৰি মাপনীত এক আপেক্ষিক স্থানত ৰখা হয়।

১১.৮.২(খ) জনসংখ্যাৰ শতকৰা হাৰ মাপনী (Percentage of Population Scales)

এই মাপনীত এজন বা একাধিক ব্যক্তিক কোনো এক জনসংখ্যাৰ ভিতৰত এক নিৰ্দিষ্ট স্থান দিয়া হয়। এই পদ্ধতিত কোনো নিৰ্দিষ্ট জনসংখ্যাক পৰীক্ষাৰ বাবে নিৰ্বাচন কৰা হয় আৰু স্থানপ্ৰাপ্ত ব্যক্তিসকলৰ মতামত মূল্যায়ন কৰা হয়। পৰীক্ষকে এই মতামতসমূহক এখন মাপনীত স্থান দিয়ে। এই স্থানায়নে ব্যক্তিগৰাকীৰ সৈতে একেধৰণৰ মতামত পোষণ কৰা জনসংখ্যাৰ শতকৰা হাৰ সূচিত কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩. মনোভাৱ মাপনী বুলিলে কি বুজে?

প্ৰশ্ন ৪. দুটা সাধাৰণভাৱে ব্যৱহৃত মনোভাৱ মাপনীৰ নাম লিখক।

প্ৰশ্ন ৫. প্ৰথম মনোভাৱ মাপনীটোৰ নাম কি?

প্ৰশ্ন ৬. থাষ্টৰ্'ন মাপনীক কিয় 'সম সদৃশ অন্তৰাল' বুলিও কোৱা হয়?

প্ৰশ্ন ৭. লিকাৰ্ট টাইপ মাপনীত নম্বৰ দিয়াৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৮. মনোভাৱ মাপনী কেনেধৰণৰ কামত ব্যৱহাৰ কৰা হয়?

প্ৰশ্ন ৯. মনোভাৱ মাপনীৰ এটা সীমাৱদ্ধতা উল্লেখ কৰক।

১১.৮.৩ পৰোক্ষ মাপনী (Indirect Scales)

মনোভাৱ-পৰীক্ষাৰ প্ৰত্যক্ষ পদ্ধতিৰ সৈতে জড়িত সামাজিক বাঞ্ছনীয়তা (social desirability)-ৰ সমস্যাটো এৰাই চলিবলৈ মনোভাৱ জোখাৰ বিভিন্ন পৰোক্ষ পদ্ধতি বিকশিত কৰা হৈছে। মানুহে সচেতন বা অচেতনভাৱে নিজৰ প্ৰকৃত মনোভাৱ লুকুৱাবলৈ চেষ্টা কৰিব পাৰে। সেইকাৰণে মনোবিজ্ঞানীসকলে মনোভাৱ-পৰীক্ষাৰ পৰোক্ষ পদ্ধতিসমূহ ব্যৱহাৰৰ পক্ষে

মত প্ৰকাশ কৰে। এই ধৰণৰ পৰীক্ষাত ব্যক্তিয়ে কোন ধৰণৰ প্ৰৱণতা বা মনোভাৱ জোখা হৈছে সেইটো সহজে অনুমান কৰিব নোৱাৰে। ফলত তেওঁক যি সোধা হয়, তাৰ উত্তৰ তুলনামূলকভাৱে নিঃসংকোচে দিয়ে। এই পদ্ধতিৰ সহায়ত কিছুমান বিশেষ মনোভাৱৰ উপস্থিতি বা অনুপস্থিতি চিনাক্ত কৰিব পৰা যায়। অৱশ্যে ইয়াৰ জৰিয়তে মনোভাৱৰ প্ৰগাঢ়তা বা তীব্ৰতা সঠিকভাৱে জানিব পৰা নাযায়। সেইবাবে সম্পৰীক্ষাৰ আধাৰত অত্যন্ত সাৱধানতাৰে এই ধৰণৰ পৰীক্ষাসমূহৰ পৰিকল্পনা আৰু প্ৰস্তুতি সম্পন্ন কৰিব লাগে।

১১.৮.৩(ক) প্ৰক্ষেপাত্মক কৌশল (Projective Technique)

পৰোক্ষ মনোভাৱ-পৰীক্ষা পদ্ধতিসমূহত সাধাৰণতে প্ৰক্ষেপাত্মক পৰীক্ষা (projective test) ব্যৱহাৰ কৰা হয়। ফ্ৰয়েডীয় মনো-বিশ্লেষণমূলক ধাৰণাৰ মতে— 'ব্যক্তিয়ে নিজৰ দৃষ্টিভংগী, মতামত বা দোদুল্যমান মানসিক অৱস্থাত নিজৰ অন্তর্নিহিত মনোভাৱ প্ৰক্ষেপ কৰে; আৰু সেই প্ৰক্ষেপণৰ জৰিয়তেই তেওঁৰ প্ৰকৃত মনোভাৱ প্ৰকাশ পায়।' এই ধাৰণাই প্ৰক্ষেপাত্মক কৌশলৰ ভিত্তি গঠন কৰে। অৰ্থাৎ এই পৰীক্ষাসমূহত ব্যক্তিক কিছুমান অস্পষ্ট বা অসম্পূৰ্ণ উদ্দীপক যেনে— ছবি বা শব্দ উপস্থাপন কৰা হয়। পৰীক্ষার্থীয়ে এই উদ্দীপকসমূহৰ ব্যাখ্যা আগবঢ়াব লাগে। এই ব্যাখ্যাসমূহৰ আধাৰত ব্যক্তিৰ মনোভাৱ-সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হয়। পৰীক্ষকসকলৰ মতে, এই পৰীক্ষাসমূহে অধিক নিৰ্ভুল আৰু বাস্তৱধৰ্মী তথ্য সংগ্ৰহ কৰাত সহায় কৰে। ইয়াৰ মূল কাৰণ হৈছে— পৰীক্ষার্থীয়ে জোখ-মাখৰ প্ৰকৃত উদ্দেশ্য অনুমান কৰিব নোৱাৰাৰ ফলত তুলনামূলকভাৱে পক্ষপাতহীন সঁহাৰি প্ৰদান কৰে। এনে পৰীক্ষাৰ জৰিয়তে ব্যক্তিৰ আচৰণক প্ৰভাৱিত কৰা আৰু সাধাৰণতে গোপন হৈ থকা মনোভাৱৰ বিভিন্ন অন্তর্নিহিত উপাদানো উন্মোচন কৰিব পৰা যায় বুলি বহু বিশেষজ্ঞই মত প্ৰকাশ কৰিছে।

পৰোক্ষ পদ্ধতিৰ মূল্যায়ন

মনোভাৱ জোখাৰ পৰোক্ষ পদ্ধতিসমূহৰ মুখ্য সুবিধা হৈছে— এইবোৰে সামাজিকভাৱে বাঞ্ছনীয় বা গ্ৰহণযোগ্য সঁহাৰি প্ৰদৰ্শনৰ সম্ভাৱনা কমাই তোলে। পৰীক্ষাত অংশগ্ৰহণকাৰীসকলে কি জোখা হৈছে সেই বিষয়ে স্পষ্টভাৱে অনুমান কৰিব নোৱাৰাৰ ফলত তেওঁলোকৰ আচৰণ অধিক স্বাভাৱিক আৰু ভৰসাযোগ্য হয়।

অৱশ্যে, পৰোক্ষ পদ্ধতিসমূহে মূলতঃ সাধাৰণ তথ্য সংগ্ৰহতহে সহায় কৰে। এই পদ্ধতিসমূহে মনোভাৱৰ সঠিক পৰিমাণগত জোখ নিৰ্ধাৰণ কৰিব নোৱাৰে কাৰণ ই মূলতঃ গুণগত মূল্যায়নভিত্তিক পৰীক্ষা। পৰোক্ষ পদ্ধতিসমূহৰ বিৰুদ্ধে উত্থাপিত এক সাধাৰণ সমালোচনা হৈছে— ইয়াত বস্তুনিষ্ঠতাৰ অভাৱ দেখা যায়। বহু বিশেষজ্ঞৰ মতে, এই পদ্ধতিসমূহ সম্পূৰ্ণ বিজ্ঞানসম্মত নহয় আৰু লিকার্ট মাপনীৰ দৰে মনোভাৱক বস্তুনিষ্ঠভাৱে জোখিব নোৱাৰে।

ইয়াৰ সৈতে প্ৰতাৰণা বিষয়ক এটা নৈতিক সমস্যাও জড়িত হৈ থাকে। কাৰণ পৰীক্ষাত অংশগ্ৰহণকাৰীসকলে বহু সময়ত এই কথা গম নাপায় যে তেওঁলোকৰ মনোভাৱহে পৰীক্ষা কৰা হৈছে।

ওপৰত আলোচনা কৰা মনোভাৱ-মাপনী আৰু পৰীক্ষাসমূহৰ উপৰিও মনোভাৱ জোখাৰ আন কিছুমান কৌশলো প্ৰচলিত আছে। ভুল পছন্দ কৌশল (Error Choice Techniques), মুক্ত সঁহাৰি (Free Response) কৌশল, যুটীৰ তুলনা (Paired Comparisons), মতামত সংগ্ৰহ (opinion poll), সমীক্ষা (surveying), দিনলিপি (diaries), আত্মজীৱনী (autobiography) আদি ইয়াৰ উল্লেখযোগ্য উদাহৰণ। অৰ্থাৎ মনোভাৱ পৰীক্ষা কৰাৰ বহুতো উপায় আছে বুলি আমি গম পালোঁ। ব্যক্তিৰ মনোভাৱ সম্পৰ্কে স্পষ্ট আৰু ভৰসাযোগ্য ছবি এখন লাভ কৰিবলৈ কেৱল এটা মাত্ৰ পদ্ধতিৰে কৰা পৰীক্ষা পৰ্যাপ্ত নহয়। মনোভাৱ হৈছে মানৱ মনত ক্ৰিয়াশীল এক জটিল প্ৰক্ৰিয়া। ইয়াক কেৱল এখন সাংখ্যিক সূচীৰ ভিতৰত সীমাবদ্ধ কৰি ব্যাখ্যা কৰিব নোৱাৰি। তদুপৰি, মানুহৰ মনোভাৱ পৰিৱৰ্তনশীল। সেইবাবে, যুক্তিসংগত সময়ৰ অন্তৰালত মনোভাৱ পুনৰ পৰীক্ষা বা মূল্যায়ন কৰা উচিত।

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিত আলোচনা কৰা মূল কথাবোৰ হ'ল—

- মনোভাৱ-পৰীক্ষাৰ সহায়ত শিক্ষাৰ্থীৰ কৰ্ম-পছন্দ আৰু বিভিন্ন কাৰ্যকলাপৰ প্ৰতি থকা দৃষ্টিভংগী সম্পৰ্কে তথ্য সংগ্ৰহ কৰিব পাৰি।
- মনোভাৱ হৈছে কোনো বস্তু, সমস্যা, ব্যক্তি বা ঘটনাৰ বিষয়ে নিৰ্দিষ্ট ধৰণে মূল্যায়ন কৰাৰ এক শিকি আয়ত্ত কৰা প্ৰৱণতা।
- মনোভাৱ হৈছে ব্যক্তিৰ এক স্বেচ্ছাসঞ্জাত মানসিক স্থিতি। শৈক্ষিক আৰু বৃত্তিমুখী ক্ষেত্ৰত সফলতা লাভৰ ক্ষেত্ৰত এই স্থিতিসমূহে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। সেইকাৰণে মনোভাৱ-পৰীক্ষাক শৈক্ষিক মূল্যায়নৰ বিস্তৃত প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি গণ্য কৰা হয়।
- মনোভাৱ সাধাৰণতে তিনিটা পদ্ধতিৰে জোখা হয়। পদ্ধতিকেইটা হ'ল– (১) মনোভাৱ মাপনী, (২) স্থান প্ৰদানৰ মাপনী আৰু (৩) পৰোক্ষ মাপনী।
- মনোভাৱ পৰীক্ষাৰ বাবে ব্যৱহৃত মাপনীসমূহ বিভিন্ন ধৰণৰ হ'ব পাৰে। গঠন-পদ্ধতি আৰু প্ৰকাৰ অনুসৰি এই মাপনীসমূহৰ মাজত কিছু পাৰ্থক্য দেখা যায়। প্ৰধান দুবিধ মনোভাৱ-মাপনী হ'ল— থাষ্ট'ৰ্ন মাপনী আৰু লিকাৰ্ট মাপনী।

১১.১০ অধিক জানিবলৈ

1) Aggarwal, J.C. (1993) : Educational Vocational Guidance and Counselling, Doaba House New Delhi
2) Anastasi Anne (1982): Psychological Testing 4th Edition, New York: Macmillan Publishing Co. Inc.
3) Anderson, Scarvia B. Samuel Ball, Murphy, R.T. and et.al (1976): Encyclopedia of Educational Evaluation, Jessey-Bass Publishers.
4) Asthana Bipin (2015): Measurement and Evaluation in in Psychology and Education, Binod Pustak Mandir, Agra.
5) Brown Frederick, G. (1976): Principles of Educational and Psychological Testing, Holt: Rineheart and Winston.
6) Freeman, F.S.(1965): Theory and Practice of Psychological Testing, Oxford and IBH.
7) Goswami Marami (2010): Measurement and Evaluation in Education and Psychology, Nilkamal Publishing House, Hyderabad.
8) Gronlund, Norman, E. (1968): Readings in Measurement and Evaluation, Education, and Psychology, The Macmillan Company.
9) Mehrens, William, A. and Lehmann, Irvin, J. (1978): Measurement and Evaluation in Education and Psychology, Holt, Rinehard and Winston.

১১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কিছুমান নির্দিষ্ট ধাৰণা, বস্তু, ব্যক্তি বা পৰিস্থিতিৰ প্রতি এগৰাকী ব্যক্তিয়ে ধাৰাবাহিকভাৱে ইতিবাচক বা নেতিবাচক সঁহাৰি প্রকাশ কৰাৰ যি মনোবৈজ্ঞানিক প্রৱণতা দেখা যায়, তাকেই মনোভাৱ বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰঃ ব্যক্তিয়ে মনোভাৱ শিকে আৰু অভিজ্ঞতাৰ জৰিয়তে আয়ত্ত কৰে। মনোভাৱ হৈছে প্রস্তুত অৱস্থাত থকা মানসিক আৰু স্নায়ৱিক স্থিতি, যি ব্যক্তিৰ অভিজ্ঞতাৰ ফলস্বৰূপে সংগঠিত হয়।

৩ নং প্রশ্নৰ উত্তৰঃ মনোভাৱ-মাপনীসমূহক 'স্ব-প্রতিবেদন উপস্থাপন কৰা আহিলা' (self-report inventories) বুলিও কোৱা হয়। এই আহিলাসমূহ এনেদৰে প্রস্তুত কৰা হয় যাতে কোনো ব্যক্তি আন ব্যক্তি, বস্তু, অনুষ্ঠান বা চিন্তা-ধাৰণাৰ প্রতি কিমানখিনি অনুকূল বা প্রতিকূল অনুভূতি পোষণ কৰে, সেইটো জুখিব পৰা যায়।

৪ নং প্রশ্নৰ উত্তৰঃ থাষ্টৰ্'ন মাপনী আৰু লিকার্ট মাপনী।

৫ নং প্ৰশ্নৰ উত্তৰঃ থাষ্টৰ্'নৰ মাপনী।

৬ নং প্ৰশ্নৰ উত্তৰঃ থাষ্ট'র্ন আৰু তেওঁৰ সহযোগীসকলে যুদ্ধ, গীৰ্জাঘৰৰ গুৰুত্ব, নিগ্ৰো (আফ্ৰিকাৰ দেশসমূহৰ পৰা অনা দাস-শ্ৰেণী), চৰম শাস্তি, জন্ম-নিয়ন্ত্ৰণ আদি বিভিন্ন বিষয়ত মানৱ-গোটসমূহে প্ৰকাশ কৰা মতামত আৰু মনোভাৱ জোখাৰ বাবে কিছুমান মাপনী প্ৰস্তুত কৰিছিল। এই মাপনীসমূহৰ জৰিয়তে সম-সদৃশ এককবিশিষ্ট এক নিৰন্তৰ মাপনীত ব্যক্তিৰ মনোভাৱ বিশ্লেষণ কৰা হয়। এই কাৰণেই এই মাপনী-কৌশলক 'সম-সদৃশ অন্তৰাল' (Equal-appearing intervals) পদ্ধতি বুলিও কোৱা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ এটা লিকার্ট মাপনীয়ে সঁহাৰি প্ৰদানকাৰীৰ সন্মতি বা অসন্মতিসমূহক এক শৃংখলাবদ্ধ বিশ্বাস-উক্তি (belief statement)-ৰ সহায়ত জোখাৰ চেষ্টা কৰে। প্ৰতিটো বিষয় বা প্ৰশ্নৰ বিপৰীতে উপস্থাপন কৰা মনোভাৱসমূহৰ মাজৰ পৰা সঁহাৰিদাতাক নিজৰ মনোভাৱৰ সৈতে অধিক সামঞ্জস্য থকা উক্তিটো নিৰ্বাচন কৰিবলৈ দিয়া হয়। সাধাৰণতে সঁহাৰিদাতাই ৫-পইণ্টৰ মাপনীৰ সহায়ত এনে উক্তিসমূহৰ প্ৰতি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। প্ৰতিটো বিষয় বা প্ৰশ্নৰ বিপৰীতে দিয়া ৫, ৪, ৩, ২ আৰু ১ পইণ্টৰ ভিত্তিত সঁহাৰিদাতাৰ মনোভাৱ-নম্বৰ সংগ্ৰহ কৰা হয়। এই পইণ্টসমূহে ক্ৰমে 'দৃঢ়ভাৱে সন্মত', 'সন্মত', 'সিদ্ধান্ত ল'ব পৰা নাই', 'অসন্মত' আৰু 'দৃঢ়ভাৱে অসন্মত' সূচায়। আনহাতে, যিবোৰ উক্তিয়ে ব্যক্তিৰ দৃষ্টিভংগীৰ বিপৰীত মনোভাৱ প্ৰকাশ কৰে, সেইবোৰৰ ক্ষেত্ৰত নম্বৰ প্ৰদান উল্টা ক্ৰমত অৰ্থাৎ ১, ২, ৩, ৪ আৰু ৫ পইণ্টৰ আধাৰত কৰা হয়।

৮ নং প্ৰশ্নৰ উত্তৰঃ কোনো শ্লোগান, ব্যক্তি, অনুষ্ঠান, ধৰ্ম, ৰাজনৈতিক দল আদি বিষয়ৰ সৈতে জড়িত ইতিবাচক বা নেতিবাচক মনোভাৱৰ মাত্ৰা জোখাৰ বাবে মনোভাৱ-মাপনীসমূহ ব্যৱহাৰ কৰা হয়। কিছুমান জৰুৰী আৰু গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ৰাজহুৱা মতামত-সমীক্ষা চলোৱাৰ সময়তো এই মনোভাৱ-মাপনীসমূহৰ সহায় লোৱা হয়।

৯ নং প্ৰশ্নৰ উত্তৰঃ মনোভাৱ পৰীক্ষাৰ মাপনীবোৰৰ কিছুমান দুৰ্বলতাও আছে। এনে এটা সাধাৰণ সমস্যা হ'ল সামাজিক বাঞ্ছনীয়তা (social desirability)।

⑦ ১১.১২ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. মনোভাৱ বুলিলে কি বুজে?

প্ৰশ্ন ২. মনোভাৱ কেনেদৰে জোখা হয়?

প্ৰশ্ন ৩. মনোভাৱ পৰীক্ষা মানে কি?

প্ৰশ্ন ৪. মনোভাৱ পৰীক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫. চমুটোকা লিখক–

(ক) থাষ্টৰ্'ন মনোভাৱ মাপনী

(খ) লিকার্ট মনোভাৱ পৰীক্ষা

(গ) পৰোক্ষ মাপনী

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১. মনোভাৱ কি? মনোভাৱ জোখা যিকোনো এটা স্বীকৃত মানৰ পৰীক্ষাৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২. মনোভাৱ মাপনীৰ বিভিন্ন কৌশলৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩. থাষ্টৰ্'নৰ মনোভাৱ মাপনীৰ গঠন প্রক্রিয়াটো বর্ণনা কৰক।

প্রশ্ন ৪. মনোভাৱ মাপনী যিকোনো এটা গঠন পদ্ধতি বর্ণনা কৰক।

*****

অধ্যায় ১২ : আগ্রহৰ পৰিমাপণ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ আগ্রহৰ অর্থ
১২.৪ আগ্রহৰ সংজ্ঞা
১২.৫ আগ্রহৰ প্রকাৰ
১২.৬ আগ্রহৰ প্রকৃতি
১২.৭ আগ্রহৰ পৰিমাপণ
১২.৮ আগ্রহ পৰিমাপণৰ পদ্ধতিসমূহ
১২.৮.১ আনুষ্ঠানিক মূল্যায়নৰ কৌশলসমূহ
১২.৮.১ (ক) শক্তিশালী বিত্তীয় আগ্রহ ব্লেক (SVIB)
১২.৮.১ (খ) কুদাৰ প্রিফাৰেঞ্চ ৰেকর্ড (KPR)
১২.৮.১ (গ) থাষ্টর্ষ্টোনৰ বিত্তীয় আগ্রহ অনুসূচী
১২.৮.২ অনানুষ্ঠানিক মূল্যায়নৰ কৌশলপ্পমূহ
১২.৯ আগ্রহৰ তথ্যৰ মূল্যায়ন
১২.১০ আগ্রহ পৰীক্ষাৰ গুৰুত্ব
১২.১১ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১২.১২ অধিক জানিবলৈ
১২.১৩ অগ্রগতিৰ খতিয়ান
১২.১৪ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- আগ্রহৰ অর্থ আৰু ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- আগ্রহ পৰীক্ষা সম্পর্কে আলোচনা কৰিব পাৰিব।
- বিভিন্ন প্রকাৰৰ আগ্রহ উদ্ভাৱনকাৰীৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- আগ্রহ উদ্ভাৱনকাৰী ব্যৱহাৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- আগ্রহ পৰীক্ষাৰ গুৰুত্বৰ বিৱৰণ দিব পাৰিব।
- আগ্রহ উদ্ভাৱনকাৰীৰ ব্যৱহাৰ কৰাৰ ক্ষেত্রত ল'বলগীয়া সতর্কতাবোৰ দেখুৱাব পাৰিব।

১২.২ পৰিচয়

শিক্ষার্থীসকল, আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে আপোনালোকৰ কিছুমানৰ গণিতৰ প্রতি অধিক আগ্রহ আছে, আন কিছুমানৰ কম্পিউটাৰৰ প্রতি, আৰু কিছুমানৰ সাহিত্য, ছবি আঁকা আদি বিষয়ৰ প্রতি বিশেষ আকর্ষণ আছে। আগ্রহ হৈছে আমাৰ ভাললগা আৰু বেয়ালগা, অথবা আকর্ষণ আৰু অনীহাৰ প্রকাশ। আমি যেতিয়া কোনো কাম বাছনি কৰাৰ স্বাধীনতা পাওঁ, তেতিয়া সাধাৰণতে আগ্রহ থকা বিষয়সমূহহে বাছি লওঁ। এজন ব্যক্তিয়ে বহু বিকল্পৰ মাজৰ পৰা নিজৰ বাবে আটাইতকৈ গ্রহণযোগ্য আৰু ভাললগা বিকল্পটো নির্বাচন কৰে। তেওঁ নিজৰ পছন্দৰ উদ্দেশ্য, কার্যকলাপ আদিৰ পিছত আগবাঢ়ে আৰু পৰৱর্তী সময়ত সেই কার্যকলাপসমূহৰ পৰা সন্তুষ্টি, সফলতা আৰু আনন্দ লাভ কৰে। এইটো সেই কার্যকলাপৰ প্রতি থকা ভালপোৱাৰ ফলতেই সম্ভৱ হয়। আগ্রহে ব্যক্তিয়ে কোনবোৰ কার্যকলাপত জড়িত হ'ব আৰু কোনবোৰ কাম উপভোগ কৰিব বিচাৰে, সেইটো নির্ধাৰণ কৰে। শৈক্ষিক আৰু বৃত্তিমুখী সফলতাৰ ক্ষেত্রতো আগ্রহ এক গুৰুত্বপূর্ণ উপাদান। আগ্রহৰ আধাৰত ব্যক্তিৰ সন্তুষ্টি বা অসন্তুষ্টিৰো ভৱিষ্যৎবাণী কৰিব পৰা যায়। এইবোৰ আমাৰ আচৰণৰ গুৰুত্বপূর্ণ অভিৰোচক। ছাত্র-ছাত্রীৰ ভাললগা আৰু বেয়ালগা বিষয়সমূহ ভালদৰে বুজিবলৈ আগ্রহৰ অধ্যয়ন শিক্ষকসকলৰ বাবে বিশেষ সহায়ক। সেইবাবে, শিক্ষার্থীসকল, এই অধ্যায়ৰ জৰিয়তে আপোনালোকে আগ্রহ-পৰীক্ষা সম্পর্কে বিস্তৃত জ্ঞান লাভ কৰিব পাৰিব।

১২.৩ আগ্রহৰ অর্থ

আগ্রহ হৈছে এক আর্জিত অভিৰোচন। বুৎপত্তিগত দিশৰ পৰা লেটিন ভাষাত 'আগ্রহ' শব্দৰ অর্থ হৈছে—'ই গুৰুত্বপূর্ণ'। পৰীক্ষাৰ ফলাফলৰ প্রতি ছাত্র-ছাত্রীসকল আগ্রহী হয় কাৰণ তেওঁলোকে ইয়াক অত্যন্ত গুৰুত্ব দিয়ে আৰু ইয়াৰ বিষয়ে চিন্তিত হৈ থাকে। আগ্রহ হৈছে ব্যক্তিৰ অভিৰোচনৰ এক মুখ্য উৎস যিয়ে ব্যক্তিক কোনো ব্যক্তি, বস্তু বা কার্যৰ প্রতি প্রেৰণা যোগায়। ই হৈছে এক বিষয়ভিত্তিক মনোভাৱ, যিয়ে ব্যক্তিক বিশেষ কিছুমান কাম কৰিবলৈ অভিৰোচিত কৰে। আগ্রহৰ অর্থ হৈছে কোন বিষয়ৰ প্রতি আমি ক্রিয়াশীল বা মানসিকভাৱে জড়িত। আমি যেতিয়া কোনো বস্তু বা বিষয়ৰ প্রতি আগ্রহী হওঁ, তেতিয়াহে সেই বিষয়ক কেন্দ্র কৰি ইচ্ছাকৃত কার্য সংঘটিত হয়। যদি কোনো ব্যক্তি 'ফুটবল'-ৰ প্রতি আগ্রহী হয়, তেন্তে ইয়াৰ অর্থ হৈছে ফুটবল বিষয়টোৰ প্রতি তেওঁ সক্রিয় আৰু মানসিকভাৱে জড়িত। কিছু ক্ষেত্রত আগ্রহ মানসিক জীৱনৰ এক স্থায়ী দিশ হিচাপেও বিবেচিত হয়। কোনো বস্তু বা কার্যৰ প্রতি আগ্রহী হোৱা মানে সেই বিষয়টোৰ ক্ষেত্রত মানসিকভাৱে বিশেষ প্রৱণতা বা স্বভাৱৰ অধিকাৰী হোৱা। আগ্রহক সংগতি বা সামঞ্জস্যৰ অনুভৱ বুলিও বর্ণনা কৰিব পাৰি। ই ব্যক্তিক আনন্দ আৰু সন্তুষ্টি প্রদান কৰে। আগ্রহ থকা বিষয়ৰ প্রতি কৌতূহল জন্মে আৰু সেই বিষয়ত জড়িত হ'বলৈ

ব্যক্তি কঠিনতাৰ সন্মুখীন হ'বলৈও আগ্রহী হয়। আগ্রহে মনোযোগ আৰু একাগ্রতাৰ সহায়ত আচৰণত এক বিশেষ ধৰণৰ পৰিৱর্তন আনে।

আমি আগ্রহক এক মানসিক মনোভাৱ হিচাপে ব্যাখ্যা কৰিব পাৰোঁ। মনোভাৱ আৰু আগ্রহৰ মাজত সূক্ষ্ম পার্থক্য আছে। আগ্রহে ব্যক্তিজনে কোনো বস্তু বা বিষয়ৰ প্রতি অনুমোদনমূলক বা অসন্মতিসূচকভাৱে আচৰণ কৰক, সেই বিষয়টোক নিজৰ চেতনাৰ আগত ধৰি ৰাখিবলৈ কিমান পছন্দ কৰে, সেই মাত্রাক সূচায়। আনহাতে মনোভাৱে কোনো নির্দিষ্ট দিশত ব্যক্তিৰ প্রতিক্রিয়া প্রকাশ কৰে। আগ্রহে সমাযোজন (adjustment) আৰু ব্যক্তিত্বৰ বিকাশক নির্দেশ কৰে। আগ্রহ-পৰীক্ষাৰ বেটাৰী উদ্ভাৱন কৰা ষ্ট্রঙৰ মতে, কার্যকলাপসমূহক কেন্দ্র কৰি গঢ় লৈ উঠা আগ্রহ এক বিশেষ ধৰণৰ আচৰণ। আগ্রহ মনোভাৱৰ সৈতে বহু পৰিমাণে সাদৃশ্যপূর্ণ কাৰণ মনোভাৱ সাধাৰণতে ধাৰণা বা চিন্তাক কেন্দ্র কৰি গঢ়ি উঠে, কেৱল কার্যকলাপক নহয়।

১২.৪ আগ্রহৰ সংজ্ঞা

আমি এতিয়া আগ্রহৰ সংজ্ঞাৰ বিষয়ে অধ্যয়ন কৰো আহক।

- জ'নচ মতে, "আগ্রহ হৈছে কোনো নির্দিষ্ট বস্তু বা পৰিস্থিতিৰ সৈতে বাস্তৱ বা কল্পিত প্রতিক্রিয়াৰ সম্পর্কত জড়িত তুলনামূলক অনুভূতি।"
- বিংহামৰ মতে, "আগ্রহ হৈছে এক প্রৱণতা, যিয়ে কোনো অভিজ্ঞতাত অংশগ্রহণ কৰিবলৈ আৰু সেই অভিজ্ঞতাক অব্যাহত ৰাখিবলৈ প্রেৰণা বা ইন্ধন যোগায়।"
- ষ্ট্রং ৰ মতে, "আগ্রহ হৈছে মূলতঃ কাম বা কার্যকলাপক কেন্দ্র কৰি গঢ় লৈ উঠা আচৰণ।"
- মাৰফিয়ে কৈছিল, "আগ্রহ হৈছে লক্ষ্য-বস্তুৰ সৈতে জড়িত চর্তযুক্ত উদ্দীপক। ই পৰিৱেশৰ কার্যকলাপ, বস্তু, বৈশিষ্ট্য বা ব্যক্তিৰ প্রতি থকা পছন্দ আৰু অপছন্দৰ ৰূপত প্রকাশ পায়।"
- ক্র' আৰু ক্র'ৰ মতে, "আগ্রহ হৈছে এক অভিপ্রায়মূলক শক্তি, যিয়ে আমাক কোনো ব্যক্তি, বস্তু বা কার্যৰ প্রতি মনোযোগ দিবলৈ উদ্বুদ্ধ কৰে।"
- এল এল ৰাচেলে বর্ণনা কৰে যে, "আগ্রহ হৈছে এনে এক জৈৱিক অৱস্থা, যিয়ে মানুহক কোনো বিশেষ বস্তু, ব্যক্তি বা কার্যৰ প্রতি অবিৰতভাৱে উদ্দীপিত কৰি ৰাখে।"
- চ'উৰে আৰু টেলফ'র্ডৰ মতে, "যিবিলাক বস্তু আৰু অভিজ্ঞতাই আমাৰ চাহিদা পূৰণ কৰিব পাৰে বা পূৰণ কৰাৰ সম্ভাৱনা থাকে, সেইবোৰৰ প্রতিয়েই আমি আগ্রহ অনুভৱ কৰোঁ।"
- দ্রেভাৰে কৈছিল, "আগ্রহ মানসিক প্রৱণতাৰ গতিশীল দিশ।"
- জে. এচ. ৰ'চৰ মতে, "যি বস্তুৱে আমাৰ মনত আগ্রহৰ সৃষ্টি কৰে, সেই বস্তুটো আমাৰ সৈতে কোনো না কোনো দিশেৰে জড়িত বা সম্বন্ধযুক্ত হৈ থাকে।"

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে মনোবৈজ্ঞানিক শব্দ 'আগ্রহ' কিছুমান গুৰুত্বপূর্ণ সত্যৰ সৈতে জড়িত। প্রথমতে, আগ্রহ হৈছে ব্যক্তিৰ অভিজ্ঞতাৰ এক বিশেষ ধৰণ।

ষ্টাউটে স্পষ্টভাৱে কৈছে যে আগ্রহ হৈছে অভিজ্ঞতাৰ আবেগিক আৰু মানসিক দিশ। উদাহৰণস্বৰূপে, খেলৰ প্রতি আগ্রহ থকা ব্যক্তিৰ খেলটোৰ প্রতি এক বিশেষ অনুভূতি (আবেগিক দিশ) থাকে আৰু তেওঁ সেই বিষয়টোৰ প্রতি মনোযোগ দিবলৈ চেষ্টা কৰে (মানসিক দিশ)। দ্বিতীয়তে, এনে অভিজ্ঞতা ক্ষণস্থায়ী নহয়; বস্তু বা বিষয়টোৰ প্রতি আগ্রহ থাকিলৈকে ই স্থায়ী হৈ থাকে। উদাহৰণস্বৰূপে, খেলপথাৰত উপস্থিত নাথাকিলেও খেলুৱৈসকল খেলৰ প্রতি আগ্রহী হৈ থাকে। অর্থাৎ, ব্যক্তিৰ মানসিক গঠনত আগ্রহৰ বিষয়টোক কেন্দ্র কৰি এক স্থায়ী স্বভাৱ গঢ় লৈ উঠে। তৃতীয়তে, আগ্রহ হৈছে মনোযোগৰ ৰূপত প্রকাশ পোৱা আবেগিক কার্যৰ ভিত্তি। আমি যিবোৰ কার্যকলাপত অংশগ্রহণ কৰোঁ, সাধাৰণতে সেইবোৰৰ প্রতি আমাৰ আগ্রহ থাকে। এই প্রসংগত কোৱা হয়— 'আগ্রহ হৈছে মনোযোগৰ সুপ্ত অৱস্থা আৰু মনোযোগ হৈছে আগ্রহৰ সক্রিয় অৱস্থা।' অর্থাৎ আগ্রহ হৈছে এক স্থায়ী মানসিক প্রৱণতা, আৰু মনোযোগ হৈছে সেই আগ্রহৰ সক্রিয় প্রকাশ।

১২.৫ আগ্রহৰ প্রকাৰ

চুপাৰে আগ্রহক মূলতঃ তিনি ভাগত বিভক্ত কৰিছে— (১) প্রকাশিত আগ্রহ (Expressed Interest), (২) উদ্ভাষিত আগ্রহ (Manifest Interest) আৰু (৩) পৰিমাপনমূলক বা পৰীক্ষণীয় আগ্রহ (Measured/Tested Interest)।

- **প্রকাশিত আগ্রহ :** প্রকাশিত আগ্রহ বুলিলে কোনো ব্যক্তিয়ে মৌখিকভাৱে প্রকাশ কৰা কোনো বস্তু, কার্যকলাপ, অধ্যয়ন-বিষয় বা বৃত্তিৰ প্রতি থকা আগ্রহক বুজায়। এই ধৰণৰ আগ্রহত ব্যক্তিয়ে নিজৰ ব্যক্তিগত ভাললগা বা পছন্দ মৌখিক যোগাযোগৰ জৰিয়তে প্রকাশ কৰে। উদাহৰণস্বৰূপে— 'মই সংগীত ভাল পাওঁ।' এজন ব্যক্তিৰ আগ্রহৰ বিষয়ে জানিবলৈ এইটো এক প্রাথমিক উৎস। অৱশ্যে, ইয়াৰ ওপৰত সম্পূর্ণভাৱে নির্ভৰ কৰিব নোৱাৰি। কাৰণ, এনে পছন্দ বা আগ্রহৰ প্রকাশৰ স্থায়িত্ব ব্যক্তিৰ পৰিপক্কতাৰ ওপৰত নির্ভৰ কৰি সময় অনুযায়ী সলনি হ'ব পাৰে।
- **উদ্ভাষিত আগ্রহ :** কোনো বিশেষ কার্য বা বৃত্তিত ব্যক্তিয়ে কৰা বাস্তৱ অংশগ্রহণক উদ্ভাষিত আগ্রহ বোলা হয়। আগ্রহসমূহ ব্যক্তিৰ ব্যক্তিত্বৰ এক বিশেষ সংলক্ষণ। এই সংলক্ষণসমূহ ভাললগা, বেয়ালগা, অগ্রাধিকাৰ আৰু উদাসীনতা আদিৰ জৰিয়তে প্রকাশ পায়। সেইকাৰণেই আমি প্রায়ে কওঁ— 'মই সাহিত্যৰ প্রতি আগ্রহী', 'মই ফ'ট'গ্রাফীৰ প্রতি আগ্রহী' অথবা 'মই খেলৰ প্রতি আগ্রহী' ইত্যাদি। যি আগ্রহ ব্যক্তি নিজে স্পষ্টভাৱে প্রকাশ নকৰে, কিন্তু কোনো কামত নিয়োজিত আৰু সম্পূর্ণ মনোনিবেশ কৰা অৱস্থাত আনৰ দ্বাৰা পর্যবেক্ষণ কৰিব পৰা যায়, তাক উদ্ভাষিত আগ্রহ বোলা হয়। উদাহৰণস্বৰূপে, বৈজ্ঞানিক পৰীক্ষাত গভীৰভাৱে নিমগ্ন থাকোঁতে নিউটনে খোৱাৰ কথাও পাহৰি গৈছিল। এই ঘটনাই তেওঁৰ বিজ্ঞানৰ প্রতি থকা উদ্ভাষিত আগ্রহক সূচিত কৰে।

- **পৰিক্ষণীয়/পৰিমাপনমূলক আগ্রহ :** ই আগ্রহ-উদ্ভাৱনকাৰী আহিলা বা পৰীক্ষাৰ সহায়ত জুখিব পৰা ব্যক্তিৰ আগ্রহক বুজায়।

১২.৬ আগ্রহৰ প্রকৃতি

ওপৰৰ আলোচনাৰ পৰা আগ্রহ সম্পর্কে তলত উল্লেখ কৰা গুৰুত্বপূর্ণ দিশসমূহ জানিব পাৰি—

- আগ্রহসমূহ কার্যকলাপ, বস্তু, বৈশিষ্ট্য বা পৰিৱেশত থকা ব্যক্তিসকলৰ প্রতি ভাললগা বা বেয়ালগাৰ ৰূপত প্রকাশ পায়।
- আগ্রহ জন্মগত গুণ নহয়। জীৱনৰ বিভিন্ন পৰিৱেশ আৰু অভিজ্ঞতাৰ মাজেৰে আমি আগ্রহ অর্জন কৰোঁ। অৱশ্যে, কিছুমান আগ্রহৰ বৈশিষ্ট্য জন্মগতভাৱেও থাকিব পাৰে।
- আগ্রহ সন্তুষ্টিদায়ক। অর্থাৎ নিজৰ আগ্রহৰ বিষয়ত জড়িত থাকিলে ব্যক্তি সাধাৰণতে সন্তুষ্টি অনুভৱ কৰে।
- আগ্রহ হৈছে লক্ষ্য-বস্তুৰ সৈতে জড়িত এক চর্তযুক্ত উদ্দীপক।
- আগ্রহ হৈছে ব্যক্তিত্ব-বিকাশৰ এক দিশ, যি বংশগত আৰু পৰিৱেশগত— উভয় কাৰকৰ দ্বাৰা গঢ় লৈ উঠে।
- আগ্রহসমূহ স্থায়ীভাৱে একে ৰূপত নাথাকে। বৃদ্ধি আৰু বিকাশ, শিকন, আন্তঃব্যক্তিক আৰু পৰিৱেশগত কাৰকৰ প্রভাৱত এইবোৰ সময়ৰ সৈতে পৰিৱর্তিত হয়।
- আগ্রহ হৈছে অভিৰোচনৰ এক ডাঙৰ উৎস। ই হৈছে অভিৰোচনৰ কাৰণ আৰু ফলাফল।
- আগ্রহসমূহ প্রতিজন ব্যক্তিৰ বাবে স্বতন্ত্র আৰু অনন্য। ব্যক্তিগত আগ্রহৰ পার্থক্য প্রাক্-বিদ্যালয় পর্যায়ৰ পৰাই স্পষ্টভাৱে লক্ষ্য কৰিব পাৰি।
- আগ্রহসমূহৰ সামর্থ্যৰ সৈতে ঘনিষ্ঠ সম্পর্ক থাকে। যদি কোনো ব্যক্তিৰ সামর্থ্যৰ সৈতে আগ্রহো জড়িত থাকে, তেন্তে তেওঁ অধিক অগ্রগতি লাভ কৰিব পাৰে।
- এটা শিশুৰ আগ্রহ বহু পৰিমাণে তাৰ সামাজিক পৰিৱেশৰ দ্বাৰা নির্ধাৰিত হয়।
- আগ্রহ হৈছে মনোযোগৰ সুপ্ত অৱস্থা, আৰু মনোযোগ হৈছে আগ্রহৰ সক্রিয় অৱস্থা।
- বিভিন্ন ধৰণৰ আগ্রহ-পৰীক্ষাৰ সহায়ত ব্যক্তিৰ আগ্রহ পৰিমাপন কৰিব পাৰি।
- আগ্রহ হৈছে অভিজ্ঞতাৰ আৱেগিক-সংজ্ঞানাত্মক দিশ। এনে অভিজ্ঞতাসমূহ ক্ষণস্থায়ী নহয়; ববং তুলনামূলকভাৱে স্থায়ী।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১. আগ্রহৰ প্রকৃতি সম্পর্কে দুটা দিশ লিখক।

প্রশ্ন ২. আগ্রহ আৰু মনোভাৱৰ পার্থক্য লিখক।

প্রশ্ন ৩. প্রকাশিত আৰু উদ্ভাষিত আগ্রহ কি?

১২.৭ আগ্রহৰ পৰিমাপন

আগ্রহক সাধাৰণতে তিনিটা ভাগত বিভক্ত কৰা হয়— প্রকাশিত আগ্রহ, উদ্ভাষিত আগ্রহ আৰু পৰিমাপনমূলক আগ্রহ। ব্যক্তিৰ আগ্রহ জানিবলৈ উদ্ভাষিত আগ্রহতকৈ প্রকাশিত আৰু পৰিমাপ কৰা আগ্রহৰ ওপৰত অধিক নির্ভৰ কৰিব পাৰি। সেইকাৰণে, পৰিমাপনমূলক আগ্রহক আগ্রহ-পৰীক্ষাৰ মুখ্য উৎস বুলি ধৰা হয়। আগ্রহৰ পৰিমাপন বুলিলে বিভিন্ন মানসিক পৰীক্ষা বা আগ্রহ-উদ্ভাৱনকাৰী আহিলাৰ সহায়ত ব্যক্তিৰ আগ্রহৰ মূল্যায়ন আৰু অনুমান কৰাক বুজায়। আগ্রহ পৰিমাপনৰ বিভিন্ন পদ্ধতি আছে, যেনে— সাক্ষাৎকাৰ, নিৰ্দ্দপক কাঠী (rating scale), প্রত্যক্ষ নিৰীক্ষণ, প্রশ্নাৱলী আৰু উদ্ভাৱনকাৰী (inventory)। ইয়াৰ ভিতৰত প্রশ্নাৱলী আৰু উদ্ভাৱনকাৰী পদ্ধতিক আগ্রহ পৰিমাপনৰ আটাইতকৈ গুৰুত্বপূর্ণ পদ্ধতি বুলি গণ্য কৰা হয়।

১২.৮ আগ্রহ পৰিমাপনৰ পদ্ধতিসমূহ

সাধাৰণতে ছাত্র-ছাত্রীসকলে ভাবে যে ব্যক্তিক প্রশ্ন সুধিলেই তেওঁৰ আগ্রহৰ বিষয়ে জানিব পাৰি। কিন্তু মনোবিজ্ঞানীসকলে ব্যক্তিৰ আগ্রহ পৰিমাপনৰ বাবে বিভিন্ন বৈজ্ঞানিক পৰীক্ষা বিকশিত কৰিছে। আগ্রহ পৰিমাপনৰ বিভিন্ন পদ্ধতি আছে, যেনে— সাক্ষাৎকাৰ, নিৰ্দ্দপক-কাঠী (rating scale), প্রত্যক্ষ নিৰীক্ষণ, প্রশ্নাৱলী আৰু উদ্ভাৱনকাৰী (inventory)। মনোভাৱৰ দৰে আগ্রহো শ্রেণীকোঠাৰ পৰিৱেশত পৰিমাপন কৰিব পাৰি। আগ্রহ পৰিমাপনৰ মুখ্য আহিলা দুবিধ হ'ল—

- আনুষ্ঠানিক মূল্যায়ণৰ কৌশলসমূহ আৰু
- অনানুষ্ঠানিক মূল্যায়ণৰ কৌশলসমূহ

আনুষ্ঠানিক পদ্ধতিসমূহ হৈছে বিশেষীকৃত আৰু প্রতিমানীকৃত পৰিমাপনৰ আহিলা, যেনে— আগ্রহ-উদ্ভাৱনকাৰী, আগ্রহ-পৰীক্ষা বেটাৰী আদি। আনহাতে অনানুষ্ঠানিক পদ্ধতিসমূহে ব্যক্তিৰ নিজা অভিব্যক্তি, তেওঁৰ কার্যকলাপৰ তালিকা আৰু শিক্ষক তথা অভিভাৱকৰ নিৰীক্ষণ আদিক সামৰি লয়। সাধাৰণতে আগ্রহ-পৰীক্ষাৰ ক্ষেত্রত আনুষ্ঠানিক পদ্ধতিসমূহ অনানুষ্ঠানিক পদ্ধতিসমূহৰ পৰিপূৰক হিচাপে ব্যৱহাৰ কৰা হয়।

১২.৮.১ আনুষ্ঠানিক মূল্যায়নৰ কৌশলসমূহঃ আগ্রহ উদ্ভাৱণকাৰী

আগ্রহ পৰিমাপনৰ ক্ষেত্রত আগ্রহ-উদ্ভাৱনকাৰী (interest inventory) হৈছে এক আনুষ্ঠানিক কৌশল। উদ্ভাৱনকাৰীসমূহ আগ্রহ পৰিমাপনৰ গুৰুত্বপূর্ণ পদ্ধতি হিচাপে বিবেচিত হয়। এটা প্রতিমানীকৃত আগ্রহ-উদ্ভাৱনকাৰীয়ে ব্যক্তিক নিজৰ ভাললগা আৰু বেয়ালগাসমূহ প্রকাশ কৰাৰ সুযোগ দিয়ে। উদাহৰণস্বৰূপে, তেওঁ কোন ধৰণৰ কামত জড়িত থাকিবলৈ বা অগ্রাধিকাৰ দিবলৈ পছন্দ কৰে, সেই বিষয়সমূহ ইয়াৰ জৰিয়তে জানিব পাৰি। ব্যক্তিৰ আগ্রহ

চিনাক্ত কৰাৰ ক্ষেত্ৰত এই পদ্ধতিসমূহ অধিক নিৰ্ভৰযোগ্য বুলি ধৰা হয়। উদ্ভাৱনকাৰীসমূহত সাধাৰণতে বিভিন্ন পেশা আৰু কাৰ্যক্ষেত্ৰৰ বিস্তৃত পৰিসৰক প্ৰতিনিধিত্ব কৰা বহু প্ৰশ্ন অন্তৰ্ভুক্ত থাকে। আগ্ৰহ পৰিমাপন আৰু চিনাক্তকৰণত প্ৰতিমানীকৃত আগ্ৰহ-উদ্ভাৱনকাৰীসমূহৰ বিশেষ ভূমিকা আছে। ব্যক্তিৰ সঁহাৰিসমূহক সাধাৰণতে আগতেই নিৰ্ধাৰিত আগ্ৰহৰ ধৰণসমূহৰ সৈতে তুলনা কৰা হয়। আগ্ৰহে সাধাৰণভাৱে এই কথা সূচায় যে এজন ব্যক্তিয়ে কি কাম ভাল পায় আৰু কোন বিষয় উপভোগ কৰে। অৱশ্যে এইটো মনত ৰখা উচিত যে আগ্ৰহ-উদ্ভাৱনকাৰীয়ে মূলতঃ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহহে সূচিত কৰে, তেওঁলোকৰ সামৰ্থ্য বা সবলতা নহয়। বৰ্তমান বহু ধৰণৰ উদ্ভাৱনকাৰী ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ অধিকাংশই বৃত্তিগত আগ্ৰহৰ সৈতে জড়িত। এই উদ্ভাৱনকাৰীসমূহে আত্ম-অন্বেষণৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। ব্যক্তিয়ে নিজৰ বিষয়ে জনা আৰু নিজৰ কৰ্মৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ শিকাটো ইয়াৰ এক মুখ্য উদ্দেশ্য। আগ্ৰহ-উদ্ভাৱনকাৰীৰ ফলাফলসমূহক এককভাৱে বিচাৰ কৰা উচিত নহয়। ইয়াক নিৰীক্ষণ, সাক্ষাৎকাৰ, অনানুষ্ঠানিক কথা-বতৰা আদি অন্য পদ্ধতিৰ পৰা সংগৃহীত তথ্যৰ পৰিপূৰক হিচাপে বিবেচনা কৰা উচিত।

সঘনে ব্যৱহাৰ কৰা দুবিধ আগ্ৰহ-উদ্ভাৱনকাৰী হৈছে— ষ্ট্ৰং বৃত্তিমূলক আগ্ৰহ ব্লেংক আৰু কুদাৰ প্ৰিফাৰেঞ্চ ৰেকৰ্ড। আগ্ৰহ পৰিমাপনৰ ক্ষেত্ৰত এই দুয়োটা পদ্ধতিক এক মাইলৰ খুঁটি সদৃশ বুলি গণ্য কৰা হয়। সময়ৰ সৈতে এইবোৰৰ মূল আৰ্হিৰ কেইবাবাৰো পুনৰীক্ষণ আৰু সংস্কাৰ সাধন কৰা হৈছে—

- শক্তিশালী বিত্তীয় আগ্ৰহ ব্লেক (SVIB)
- কুদাৰ প্ৰিফাৰেঞ্চ ৰেকৰ্ড (KPR) আৰু
- থাষ্টষ্টোনৰ বিত্তীয় আগ্ৰহ অনুসূচী

এই তিনিটা প্ৰকাৰৰ বিষয়ে তলত বহলভাৱে আলোচনা কৰা হ'ল।

১২.৮.১(ক) শক্তিশালী বিত্তীয় আগ্ৰহ ব্লেক (SVIB)

ষ্ট্ৰং আগ্ৰহ-উদ্ভাৱনকাৰী (Strong Interest Inventory) হৈছে এক মনোবৈজ্ঞানিক আহিলা, যাৰ আৰম্ভণি প্ৰথম বিশ্বযুদ্ধৰ পিছত হৈছিল। এই উদ্ভাৱনকাৰীৰ বিকাশ কেলিফোৰ্ণিয়াৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ ই. কে. ষ্ট্ৰঙৰ কাৰ্যৰ জৰিয়তে আৰম্ভ হৈছিল। ১৯২৭ চনত ষ্ট্ৰঙে ইয়াৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰে। ষ্ট্ৰং আগ্ৰহ-উদ্ভাৱনকাৰী পৰীক্ষা হৈছে এনে এক মূল্যায়ন-পদ্ধতি যিয়ে ব্যক্তিৰ পছন্দসমূহ বিশ্লেষণ কৰি সম্ভাব্য শৈক্ষিক ক্ষেত্ৰ, পেশা আৰু অৱসৰৰ কাৰ্যকলাপৰ সৈতে তেওঁৰ আগ্ৰহৰ সামঞ্জস্য স্থাপন কৰাত সহায় কৰে। ইয়াৰ জৰিয়তে ব্যক্তি কোন ধৰণৰ কাম আৰু আজৰি সময়ৰ কাৰ্যকলাপ অধিক উপভোগ কৰিব, সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰে। এই উদ্ভাৱনকাৰীৰ মুখ্য উদ্দেশ্য হৈছে পুৰুষ আৰু মহিলাৰ বৃত্তিগত আগ্ৰহসমূহৰ অধ্যয়ন

কৰা। SVIB-ৰ মূল ধাৰণা হৈছে— যদি কোনো ব্যক্তিৰ আগ্রহ কোনো বিশেষ বৃত্তিত সফল ব্যক্তিসকলৰ আগ্রহৰ সৈতে মিল থাকে, তেন্তে তেওঁ সেই বৃত্তিত অধিক সন্তুষ্টি আৰু সফলতা লাভ কৰাৰ সম্ভাৱনা থাকে। এই পৰীক্ষা সাধাৰণতে ১৭ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ বাবে উপযোগী। ইয়াৰ দুটা পৃথক ৰূপ আছে— এটা পুৰুষৰ বাবে আৰু আনটো মহিলাৰ বাবে। ষ্টেনফোর্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ষ্ট্ৰঙে ইয়াক এক মূল্যায়ন-তালিকাৰ আকাৰত প্রস্তুত কৰিছিল। এই চেকলিষ্টত প্রায় ৪০০ ধৰণৰ বিষয়বস্তু অন্তর্ভুক্ত থাকে। ইয়াৰ ভিতৰত বৃত্তিমূলক আৰু বিনোদনমূলক কার্যকলাপ, বিদ্যালয়ৰ বিষয়, ব্যক্তিগত বৈশিষ্ট্য আদি অন্তর্ভুক্ত হয়। এই বিষয়বস্তুসমূহ ব্যক্তিৰ আগত উপস্থাপন কৰা হয় আৰু তেওঁক 'ভাল লাগে', 'ভাল নালাগে' অথবা 'নিশ্চিত নহয়'— এই তিনিটা বিকল্পৰ যিকোনো এটাত সংকেত দিবলৈ কোৱা হয়।

এনেদৰে SVIB-এ বৃত্তিগত আৰু বাণিজ্যিক ক্ষেত্রত আগ্রহৰ পৰিমাপন কৰে আৰু ই শৈক্ষিক তথা বৃত্তিমুখী নির্দেশনা—উভয় ক্ষেত্রতে উপযোগী। এই উদ্ভাৱনকাৰীত অন্তর্ভুক্ত ৪০০ বিষয়বস্তুৰ ভিতৰত প্রায় ১০০টা পেশাগত, ৪৯টা বিনোদনমূলক, ৩৬টা স্কুলীয়া বিষয়, ৪৮টা কার্যকলাপ আৰু ৪৭টা বিশেষ আগ্রহ-সম্পর্কীয় বিষয় অন্তর্ভুক্ত থাকে। এনে পৰীক্ষাসমূহে ব্যক্তিৰ আগ্রহৰ পৰিপক্কতা, তেওঁৰ পুৰুষত্ব বা নাৰীত্ব, আৰু পেশাগত স্তৰ সম্পর্কেও ধাৰণা দিয়ে। ই বিভিন্ন ধৰণৰ কার্যকলাপক প্রতিনিধিত্ব কৰে, আৰু সঁহাৰিদাতাই নিজৰ 'ভাললগা', 'বেয়ালগা' বা 'কোনো বিশেষ প্রতিক্রিয়া নাই'— এই ধৰণৰ সঁহাৰি প্রকাশ কৰিব পাৰে। সেইকাৰণে ইয়াক 'শ্রেণী-প্রতিক্রিয়া' (category-response) পদ্ধতি বুলিও কোৱা হয়। পিছত এই সঁহাৰিসমূহ বিভিন্ন পেশা আৰু ব্যৱসায়ত নিয়োজিত লোকসকলৰ আগ্রহৰ সৈতে তুলনা কৰা হয়। এই উদ্ভাৱনকাৰী প্রায় ৪০টা ভিন্ন বৃত্তিৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়। ইয়াৰ গুৰুত্বপূর্ণ সংশোধন ১৯৮১, ১৯৮৫ আৰু ১৯৯৪ চনত কৰা হৈছিল। এই পুনৰ সংশোধনসমূহৰ ফলত ইয়াৰ মুখ্য বিভাগসমূহ অধিক উন্নত আৰু বিস্তৃত ৰূপ লাভ কৰে। ষ্ট্ৰঙৰ এই উদ্ভাৱনকাৰী পুনৰ চাৰিটা ভাগত বিভক্ত কৰা হৈছিল—

- **সাধাৰণ বৃত্তিমূলক বিষয় :** ষ্ট্ৰংৰ আগ্রহ-উদ্ভাৱনকাৰীত 'সাধাৰণ বৃত্তিগত বিষয়' (General Occupational Themes) অংশটো অর্থনৈতিক আৰু বৃত্তিগত সংগঠনৰ আধাৰত গঠন কৰা হয়। ই কোনো ব্যক্তিৰ বিস্তৃত কার্যক্ষেত্রসমূহৰ প্রতি থকা সাধাৰণ আগ্রহ আৰু মনোভাৱৰ সৈতে সম্পর্কিত।
- **মৌলিক আগ্রহ কাঠী :** সাধাৰণ বৃত্তিমূলক বিষয়ৰ কাঠী (General Occupational Themes Scale) ব্যক্তিৰ কোনো কোনো ক্ষেত্র আৰু কার্যকলাপৰ প্রতি থকা অধিক বা কম অনুৰাগ নির্ণয় কৰাৰ উদ্দেশ্যে প্রস্তুত কৰা হৈছে। ইয়াৰ জৰিয়তে ব্যক্তিৰ আগ্রহৰ উচ্চ আৰু নিম্ন স্তৰসমূহ পৰিমাপন কৰিব পাৰি।

- **বৃত্তিমূলক কাঠী :** ষ্ট্রংৰ আগ্রহ-উদ্ভাৱনকাৰী কাঠী মূল ই. কে. ষ্ট্রঙৰ উদ্ভাৱিত কাঠীৰ পৰা বিকশিত কৰা হৈছে। এই কাঠীয়ে বিভিন্ন আগ্রহ আৰু ব্যক্তিগত গুণাৱলীৰ সৈতে বিশেষ বিশেষ বৃত্তিসমূহৰ সম্পৰ্ক স্থাপন কৰে আৰু প্রতিটো বৃত্তিক পৃথকভাৱে চিনাক্ত কৰে।
- **ব্যক্তিগত শৈলীৰ কাঠী :** উদ্ভাৱনকাৰীৰ নতুন সংযোজন ১৯৯৪ চনৰ সংস্কৰণত কৰা হৈছিল। এই সংস্কৰণত ব্যক্তিৰ সুবিধা, জীৱন-যাপনৰ বহল শৈলী আৰু কার্য-সম্পাদনৰ ধৰণ পৰিমাপৰ ব্যৱস্থাও অন্তর্ভুক্ত কৰা হয়। ইয়াত কিছুমান বিশেষ ক্ষেত্র সামৰি লোৱা হৈছিল, যেনে— ব্যক্তিয়ে কেনেদৰে শিকিবলৈ পছন্দ কৰে, কর্মৰ সৈতে সংযোগ থকা কেনে ধৰণৰ কার্যকলাপ তেওঁ ভাল পায়, তেওঁ অকলে নে আনৰ সৈতে মিলি কাম কৰিবলৈ অধিক আগ্রহী, ব্যৱস্থাপনামূলক ভূমিকা গ্রহণৰ ক্ষেত্রত তেওঁৰ অনুভূতি কেনে আৰু ঝুঁকি বা আশংকা গ্রহণ কৰাৰ ক্ষেত্রত তেওঁ কেনে অনুভৱ কৰে ইত্যাদি।

ষ্ট্রঙৰ আগ্রহ-উদ্ভাৱনকাৰীৰ শেষ উপাদানসমূহ হৈছে একেধৰণৰ সূচকসমূহ, যিবোৰে ব্যক্তিক অধিক ভালদৰে বুজিবলৈ সহায় কৰে আৰু ষ্ট্রঙৰ কাঠীৰ সৈতে প্রত্যক্ষভাৱে সম্পৰ্ক স্থাপন কৰে। এই কাঠীসমূহৰ পৰা সংগৃহীত তথ্যই ব্যক্তিৰ আগ্রহৰ এক স্পষ্ট আৰু যথাযথ ছবি দাঙি ধৰে। ইয়াৰ সহায়ত ব্যক্তি কোন ধৰণৰ বৃত্তি বা শিক্ষাক্ষেত্রৰ সৈতে অধিক সামঞ্জস্যপূর্ণ সেই বিষয়েও ধাৰণা লাভ কৰিব পাৰি। প্রত্যেক কাঠীৰ পৃথক নম্বৰ বা সূচক থাকে। সমগ্র কাঠীৰ বাবে একেলগে এক সামগ্রিক নম্বৰ গণনা কৰাৰ ব্যৱস্থা নাথাকে। এনে কাঠীসমূহে ব্যক্তিৰ আগ্রহ সম্পর্কে এক বিস্তৃত আৰু সম্যক ধাৰণা প্রদান কৰে।

১২.৮.১ (খ) কুদাৰ প্রিফাৰেঞ্চ ৰেকর্ড (KPR)

KPR বা কুদাৰ প্রিফাৰেঞ্চ ৰেকর্ড (Kuder Preference Record) জি. ফ্রেডৰিক কুদাৰে প্রস্তুত কৰিছিল। কুদাৰৰ উদ্ভাৱনকাৰীসমূহ নৱম শ্রেণীৰ শিক্ষার্থীৰ পৰা প্রাপ্তবয়স্ক ব্যক্তিসকললৈ ব্যৱহাৰৰ উপযোগী কৰি প্রস্তুত কৰা হৈছিল। এই উদ্ভাৱনকাৰীসমূহ তিনিটা পছন্দভিত্তিক সঁহাৰি-পদ্ধতি অনুসৰি গঠন কৰা হৈছিল। ১৯৩৪ চনত কুদাৰে KPR সম্পূর্ণ ৰূপে প্রস্তুত কৰে আৰু ১৯৫১ চনত ইয়াৰ সংশোধন কৰা হয়। তেতিয়াৰ পৰাই ইয়াক উপযোগিতামূলক আগ্রহ-উদ্ভাৱনকাৰী হিচাপে ব্যৱহাৰ কৰা হৈছে যাৰ সহায়ত বিশেষ বিশেষ কার্যকলাপৰ প্রতি থকা পছন্দ বা আগ্রহ পৰিমাপন কৰা হয়। এই উদ্ভাৱনকাৰীয়ে বিস্তৃত বৃত্তিমূলক ক্ষেত্রসমূহৰ প্রতি থকা পছন্দ আৰু আগ্রহ পৰিমাপন কৰে। ইয়াত ৯টা পৃথক বৃত্তিমূলক ক্ষেত্র অন্তর্ভুক্ত কৰা হৈছে, যেনে— যান্ত্রিক, গাণনিক, বৈজ্ঞানিক, বুজা-সম্বন্ধীয়, কলা-সম্বন্ধীয়, সাহিত্য, সংগীত, সামাজিক আৰু কেৰণীজাতীয় ক্ষেত্র। কুদাৰে আগতেই তিনিটা বহল আগ্রহৰ ক্ষেত্রৰ কথা উল্লেখ কৰিছিল—যান্ত্রিক, সাহিত্য আৰু কলা। এই তিনিটা ক্ষেত্রৰ সৈতে সম্পর্কিত একেধৰণৰ কার্যকলাপ ব্যক্তিৰ আগত উপস্থাপন কৰা হলে, ব্যক্তি যিটো ক্ষেত্রৰ প্রতি অধিক আগ্রহী, সেই

কার্যকলাপটো নির্বাচন কৰে। এই উদ্ভাৱনকাৰীত মুঠ ৫০৪টা বিষয়বস্তু অন্তর্ভুক্ত থাকে। প্রতিটো বিষয়ত তিনিটা ভিন্ন কার্যকলাপ থাকে আৰু প্রতিক্রিয়াকাৰীয়ে তেওঁলোক জড়িত হ'ব বিচৰা কার্যকলাপসমূহ নির্বাচন কৰে। প্রতিটো বিষয়ত তিনিটা পছন্দ থাকে আৰু প্রতিক্রিয়াকাৰীয়ে নিজৰ পছন্দ অনুসৰি সিহঁতক প্রথম, দ্বিতীয় আৰু তৃতীয় স্থানত নির্বাচন কৰিব পাৰে। বিষয়বস্তু নির্বাচনৰ এটা উদাহৰণ হৈছে—

- চৰাইৰ ঘৰ নির্মাণ
- চৰাইৰ বিষয়ে প্রৱন্ধ লিখা
- চৰাইৰ ছৰি আঁকা

এই নির্দিষ্ট বিষয়টোৱে তিনি ধৰণৰ আগ্রহ পৰীক্ষা কৰে—যান্ত্রিক, সাহিত্যিক আৰু কলাসুলভ আগ্রহ। যদি কোনো ব্যক্তিয়ে ওপৰত উল্লেখ কৰা প্রথম পছন্দটো নির্বাচন কৰে, তেন্তে তেওঁৰ আগ্রহ যান্ত্রিক ক্ষেত্রৰ বুলি ধৰা হয়। আন এটা উদাহৰণত ব্যক্তিক তিনিটা কার্যকলাপৰ মাজৰ পৰা তেওঁ আটাইতকৈ ভালপোৱা কার্যটো নির্বাচন কৰিবলৈ দিয়া হয়। তাৰ পিছত, সেই তিনিটাৰ ভিতৰত কম পছন্দৰ কার্যটোকো বাছনি কৰিবলৈ কোৱা হয়।

- আর্ট গেলাৰী চাব যোৱা
- পুঁথিভৰালত যোৱা
- সংগ্রাহালয়ত যোৱা

সংগৃহীত তিনিটা কার্য হ'ল—

- অট'গ্রাফ সংগ্রহ
- মুদ্রা সংগ্রহ
- পখিলা সংগ্রহ

ফলাফলসমূহৰ ব্যাখ্যা আৰু বিশ্লেষণৰ বাবে এক বিশদ পদ্ধতি গ্রহণ কৰা হয়। কোনো ক্ষেত্রত ৭৫ পাৰচেণ্টাইল (P75) বা তাতকৈ অধিক নম্বৰ লাভ কৰিলে সেই আগ্রহক উচ্চ স্তৰৰ বুলি ধৰা হয়। যদি কোনো ব্যক্তিয়ে কোনো বিশেষ ক্ষেত্রত P75-তকৈ অধিক নম্বৰ লাভ কৰে, তেন্তে সেই ক্ষেত্রৰ সৈতে জড়িত বৃত্তিসমূহ তেওঁৰ বাবে অধিক আকর্ষণীয় বুলি বিবেচিত হয়।

KPR আৰু SVIB— এই দুবিধ আগ্রহ-উদ্ভাৱনকাৰীৰ মাজত থকা মুখ্য পার্থক্য হৈছে যে KPR-ত ব্যক্তিক তিনিটা কার্যকলাপৰ মাজৰ পৰা আটাইতকৈ ভালপোৱা আৰু কম পছন্দ কৰা কার্য নির্বাচন কৰিবলৈ দিয়া হয়। কেতিয়াবা ব্যক্তিৰ তিনিওটা কার্যই হয়তো ভাল নালাগিব পাৰে, তথাপিও তেওঁক এটা নির্বাচন কৰিবলগীয়া হয়। সেইকাৰণে এই পদ্ধতিক 'বলপূর্বক পছন্দৰ আর্হি' (forced-choice method) বুলি কোৱা হয়। আনহাতে, SVIB-ত ব্যক্তিক 'ভাল লাগে' (Like), 'উদাসীন' (Indifferent) অথবা 'ভাল নালাগে' (Dislike)— এই বিকল্পসমূহৰ মাজত

পার্থক্য কৰি সঁহাৰি দিবলৈ দিয়া হয়। সেইকাৰণে ইয়াক 'শ্রেণী-প্রতিক্রিয়া পদ্ধতি' (category-response method) বুলি কোৱা হয়। এই দুয়োটা আগ্রহ-উদ্ভাৱনকাৰী নিজ নিজ ক্ষেত্রত উপযোগী। যদি কোনো ব্যক্তিয়ে কোনো বিশেষ চাকৰিৰ বাবে উপযুক্ত নে নহয় সেই বিষয়ে জানিব বিচৰা হয়, তেন্তে KPR অধিক গ্রহণযোগ্য আহিলা। আনহাতে যদি বিশেষ কিছুমান সীমিত বৃত্তি বা চাকৰিৰ ক্ষেত্রত ব্যক্তিৰ আগ্রহৰ বিষয়ে বিশদ তথ্য জানিব লাগে, তেন্তে SVIB অধিক উপযোগী। এইটো মনত ৰখা উচিত যে SVIB আৰু KPR-এ ব্যক্তিৰ সামর্থ্য বা অভিৰুচি সম্পর্কে সম্পূর্ণ তথ্য নিদিয়ে। এই দিশসমূহ অন্য পদ্ধতিৰ সহায়ত পৃথকভাৱে পৰিমাপন কৰিব লাগে।

ভাৰতবর্ষত ১৯৫৬ চনত KPR-ৰ আর্হিত এলাহাবাদ ব্যুৰোৱে 'Vocational Interest Preference Reckoner' প্রস্তুত কৰিছিল। ইয়াৰ উপৰিও KPR-ৰ আর্হিৰ আধাৰত বিহাৰৰ শৈক্ষিক আৰু বৃত্তিমুখী ব্যুৰোৱেও এক 'Interest Preference Reckoner' প্রস্তুত কৰি উলিয়াইছিল।

১২.৮.১ (গ) থাষ্টৰ্ষ্টোনৰ বিত্তীয় আগ্রহ অনুসূচী

এই পৰীক্ষাটো থার্চষ্ট'নে প্রস্তুত কৰিছিল। তেওঁ ৩৪০০ গৰাকী কলেজীয়া ছাত্র-ছাত্রীৰ ওপৰত এই পৰীক্ষা প্রয়োগ কৰিছিল। পৰীক্ষার্থীসকলে প্রতিটো বিষয়ৰ প্রতি নিজৰ 'ভাললগা' (L), 'উদাসীন' (I) অথবা 'বেয়ালগা' (D) সঁহাৰি প্রকাশ কৰিছিল। থার্চষ্ট'নে এই সঁহাৰিসমূহ বিশ্লেষণ কৰি উৎপাদক-বিশ্লেষণ (factor analysis)-ৰ সহায়ত আগ্রহৰ ৮টা মুখ্য কাৰক চিনাক্ত কৰিছিল। এই কাৰকসমূহ হ'ল— (১) বাণিজ্যিক আগ্রহ, (২) আইনগত আগ্রহ, (৩) খেল-সম্পর্কীয় আগ্রহ, (৪) বিদ্যায়তনিক আগ্রহ, (৫) বর্ণনামূলক আগ্রহ, (৬) জৈৰিক আগ্রহ, (৭) ভৌতিক বিজ্ঞান-সম্পর্কীয় আগ্রহ আৰু (৮) কলা-সম্পর্কীয় আগ্রহ। এই আগ্রহ-অনুসূচী ছাত্র-ছাত্রীৰ আত্ম-মূল্যায়নৰ ক্ষেত্রত অতি ফলপ্রসূ বুলি গণ্য কৰা হয়। ই ব্যৱহাৰত সহজ, তথ্যসমৃদ্ধ, সময়-আশ্রয়ী আৰু ব্যয়-সুলভ।

কম ব্যৱহৃত কিছুমান আগ্রহ-অভীক্ষাৰ ভিতৰত হেপনাৰৰ বৃত্তিমূলক আগ্রহ-কোষ্টক (Hepner's Vocational Interest Quotient) আৰু লুফবাৰো আগ্রহ ব্লেংক (Loughborough Interest Blank) উল্লেখযোগ্য। লুফবাৰো আগ্রহ ব্লেংকটো ষ্ট্রঙৰ ব্লেংকৰ দৰে প্রস্তুত কৰা হৈছিল। ইয়াত আগ্রহসমূহক ৯টা পৰিয়াল বা গোটত বিভক্ত কৰা হৈছিল, যেনে— কলাসুলভ, বাণিজ্যিক, গঠনমূলক, ঔদ্যোগিক, বৈজ্ঞানিক, মানৱতাবাদী, সাহিত্যিক, স্থানান্তৰ-সম্পর্কীয়, যান্ত্রিক আৰু প্রযুক্তিগত। ক্লিকটনৰ বৃত্তিমূলক আগ্রহ-উদ্ভাৱনকাৰী ৯টা বৃত্তিগত গোটৰ সৈতে সম্পর্কিত আৰু ইয়াত ৬৩০টা বিষয় অন্তর্ভুক্ত থাকে। ইয়াৰ উপৰিও মহিলাসকলৰ বাবে বিশেষভাৱে প্রস্তুত কৰা দুবিধ আগ্রহ-উদ্ভাৱনকাৰীও আছে। মানচনৰ

বৃত্তিমূলক আগ্রহ ব্লেংক মহিলাসকলৰ বৃত্তিগত নির্দেশনাৰ বাবে প্ৰস্তুত কৰা হৈছিল। ষ্টেৰার্ট আৰু ব্রাইনার্ডে বিভিন্ন বিশেষ আগ্রহ-উদ্ভাৱনকাৰী প্ৰস্তুত কৰিছিল। ইয়াৰ ভিতৰত ছোৱালী, মহিলা, ল'ৰা আৰু পুৰুষৰ বাবে পৃথক উদ্ভাৱনকাৰী অন্তর্ভুক্ত আছিল। উদাহৰণস্বৰূপে, ছোৱালীৰ বাবে প্ৰস্তুত কৰা উদ্ভাৱনকাৰীত ২০টা গোটত বিভক্ত ৫টা প্ৰশ্নযুক্ত বিভিন্ন আগ্রহৰ বিষয় অন্তর্ভুক্ত কৰা হৈছিল। ভাৰতবর্ষত বিকশিত কিছুমান আগ্রহ-উদ্ভাৱনকাৰী হৈছে—

- **P.S.M. উদ্ভাৱনকাৰী :** এই উদ্ভাৱনকাৰীটো P.S.M. (প্রান্তীয় শিক্ষণ মহাবিদ্যালয়)-ৰ বৃত্তিমূলক নির্দেশনা ব্যুৰোৱে প্ৰস্তুত কৰিছিল। ই এক মৌখিক আগ্রহ-উদ্ভাৱনকাৰী। ইয়াক ১৩ৰ পৰা ১৮ বছৰ বয়সীয়া ব্যক্তি বা দলৰ ওপৰত প্রয়োগ কৰিব পাৰি।
- **চেটার্জীৰ অ-ভাষিক প্রিফাৰেন্স ৰেকর্ড ফর্ম ৯৬২ :** এইটো এক অমৌখিক আগ্রহ-ৰেকর্ড, যি সাধাৰণতে দলগতভাৱে প্রয়োগ কৰা হয়। ইয়াৰ সহায়ত ২০টা আগ্রহৰ ক্ষেত্র পৰিমাপন কৰা হয়, যেনে— সুকুমাৰ কলা, সাহিত্য, বিজ্ঞানভিত্তিক বিষয়, কৃষি, প্রযুক্তিগত ক্ষেত্র, বর্হিমুখীতা, শিল্প, খেল-ধূলা, চিকিৎসা আৰু ঘৰুৱা কার্য আদি।
- **আৰ. আৰ. সিঙৰ আগ্রহ ৰেকর্ড কার্ড :** এই আত্ম-প্রশাসনমূলক আগ্রহ-ৰেকর্ডে সাতটা ক্ষেত্রত আগ্রহ পৰিমাপন কৰে। এই ক্ষেত্রসমূহ হ'ল— যান্ত্রিক, বেহা-বেপাৰ, বৈজ্ঞানিক, সামাজিক, কেৰাণীজাতীয়, সৌন্দর্যবোধক আৰু বহিঃক্ষেত্রীয় আগ্রহ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪. আগ্রহ অভীক্ষাৰ আগ্রহৰ উৎস কেনে প্রকাৰৰ ?

প্রশ্ন ৫. আগ্রহ অভীক্ষাৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পদ্ধতিৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৬. দুটা আগ্রহ উদ্ভাৱণকাৰীৰ নাম লিখক।

প্রশ্ন ৭. KPR ৰে অন্তর্ভূক্ত কৰা কাঠীৰ নাম লিখক।

প্রশ্ন ৮. TVIS ত কি কি কাৰক অন্তর্ভূক্ত কৰা হৈছে ?

প্রশ্ন ৯. দুটা ভাৰতীয় আগ্রহ উদ্ভাৱণকাৰীৰ নাম উল্লেখ কৰক।

প্রশ্ন ১০. KPR ৰ আর্হিত আগ্রহ উদ্ভাৱণকাৰীৰ বিকাশ কৰা দুটা ভাৰতীয় সংস্থাৰ নাম লিখক।

১২.৮.২ অনানুষ্ঠানিক মূল্যায়নৰ কৌশলসমূহ

আপোনালোকে আগ্রহ-উদ্ভাৱনকাৰীৰ বিভিন্ন প্রকাৰৰ বিষয়ে পঢ়িলে আৰু ব্যক্তিৰ আগ্রহ পৰিমাপনৰ বিভিন্ন আহিলাৰ বিষয়েও জ্ঞান লাভ কৰিলে। এই আহিলাসমূহত ব্যক্তিৰ আত্ম-প্রকাশ আৰু নিৰীক্ষণ উভয় দিশ অন্তর্ভুক্ত থাকে। এগৰাকী ব্যক্তিৰ আগ্রহ সম্পর্কে সাক্ষাৎকাৰ গ্রহণ কৰিলে তেওঁক বুজিবলৈ সুবিধা হয়। উদাহৰণস্বৰূপে, তেওঁ কি ধৰণৰ কিতাপ পঢ়ে বা পঢ়াত কিমান সময় ব্যয় কৰে— এই তথ্যসমূহে তেওঁৰ আগ্রহৰ দিশ নির্দেশ কৰে। শিক্ষার্থীসকল,

আপোনালোকে আগ্রহ পৰিমাপনৰ আন পদ্ধতিসমূহো ব্যৱহাৰ কৰিব পাৰে। যেনে— কোনো ব্যক্তিৰ কার্যকলাপ নিৰীক্ষণ কৰা অথবা তেওঁৰ অনানুষ্ঠানিক আগ্রহৰ উৎসসমূহৰ বিষয়ে তথ্য সংগ্রহ কৰা। এই তথ্যসমূহ ঘটনা-ৰেকর্ড, লিখিত কার্য বা দৈনন্দিন আচৰণৰ পৰাও লাভ কৰিব পাৰি।

এইটো মনত ৰখা অতি গুৰুত্বপূর্ণ যে আগ্রহে ব্যক্তিৰ পছন্দ আৰু প্রৱণতাৰ বিষয়ে ধাৰণা দিয়ে, কিন্তু তেওঁৰ সামর্থ্য বা শক্তিৰ বিষয়ে সম্পূর্ণ তথ্য নিদিয়ে। আগ্রহ-উদ্ভাৱনকাৰীসমূহে আত্ম-অন্বেষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এজন ব্যক্তিয়ে নিজৰ স্বত্বা আৰু আগ্রহসমূহৰ বিষয়ে জ্ঞান লাভ কৰি সেই তথ্যসমূহ নিজৰ কার্যকলাপ আৰু জীৱন-নির্বাচনৰ সৈতে সম্পর্কিত কৰিব লাগে। সেইকাৰণে আগ্রহ-উদ্ভাৱনকাৰীৰ ফলাফলসমূহক একপক্ষীয়ভাৱে বিচাৰ কৰা উচিত নহয়। ইয়াক নিৰীক্ষণ, সাক্ষাৎকাৰ, অনানুষ্ঠানিক কথা-বতৰা আদি অন্যান্য পদ্ধতিৰ পৰা লাভ কৰা তথ্যৰ পৰিপূৰক হিচাপে বিবেচনা কৰিব লাগে। তদুপৰি, ব্যক্তিৰ শৈক্ষিক আৰু বৃত্তিগত পছন্দ মূল্যায়নৰ ক্ষেত্রত তেওঁৰ কৃতিত্ব আৰু যোগ্যতাৰ অভীক্ষাংকসমূহো বিবেচনা কৰা আৱশ্যক।

১২.৯ আগ্রহৰ তথ্যৰ মূল্যায়ন

আগ্রহ উদ্ভাৱনকাৰীৰ ব্যৱহাৰসমূহ :

আগ্রহ উদ্ভাৱণকাৰীৰ বা অভিক্ষাবোৰ বিশেষভাৱে নির্দেশকৰ বাবে উপযোগী—

- আগ্রহ-উদ্ভাৱনকাৰীসমূহ ছাত্র-ছাত্রীৰ বাবে বিশেষ উপযোগী, কাৰণ এইবোৰে বিষয়-বাছনি, পাঠ্যক্রম, পেশা বা বিনোদনমূলক কার্যসূচী নির্বাচনৰ ক্ষেত্রত সহায় কৰে।
- এই উদ্ভাৱনকাৰীসমূহ নিয়োগকর্তাসকলৰ বাবেও উপযোগী, কাৰণ ইয়াৰ সহায়ত তেওঁলোকে পেশাগত ক্ষেত্রৰ বাবে উপযুক্ত ছাত্র-ছাত্রী বা ব্যক্তিক নির্বাচন কৰিব পাৰে।
- এই উদ্ভাৱনকাৰীসমূহ শিক্ষক আৰু নির্দেশনা-প্রদানকাৰী কর্মীসকলৰ বাবেও অতি উপযোগী, কাৰণ ইয়াৰ জৰিয়তে তেওঁলোকে ছাত্র-ছাত্রীৰ আগ্রহৰ ক্ষেত্রসমূহ আৰু সেই ক্ষেত্রত থকা পাৰদর্শিতা সম্পর্কে জানিব পাৰে।
- এই উদ্ভাৱনকাৰীসমূহ অভিভাৱকসকলৰ বাবেও উপযোগী, কাৰণ ইয়াৰ সহায়ত তেওঁলোকে ল'ৰা-ছোৱালীৰ আগ্রহ থকা ক্ষেত্রসমূহ চিনাক্ত কৰি সেই দিশত কাম কৰিবলৈ উৎসাহিত কৰিব পাৰে।
- এই উদ্ভাৱনকাৰীসমূহে পৰামর্শদাতা, শিক্ষক আৰু নির্দেশনা-প্রদানকাৰী কর্মীসকলক সমস্যা-জড়িত শিশুসকলৰ সৈতে কার্যকৰভাৱে কাম কৰাত সহায় কৰে।
- অন্য মনোবৈজ্ঞানিক আহিলাৰ তুলনাত এইবোৰ অর্থনৈতিকভাৱে ৰাহিকাৰক।

- আগ্রহ-উদ্ভাৱনকাৰীৰ বিষয়বস্তুসমূহ সাধাৰণতে হানিকাৰক নহয়, সেইকাৰণে ছাত্ৰ-ছাত্ৰীসকলে সাধুতাৰে আৰু স্বাভাৱিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।
- ছাত্ৰ-ছাত্ৰীসকলে পৰামৰ্শদাতাৰ সহায়ত নিজৰ মতামত আৰু আনৰ আগ্রহৰ মাজত কোনো অসংগতি আছে নে নাই সেইটো বুজি পাব পাৰে।
- তাৰোপৰি, ই পৰামৰ্শদাতাক ব্যক্তিয়ে প্ৰকাশ কৰা আগ্রহ অন্য কোনো দিশলৈ পৰিৱৰ্তিত হৈছে নে নাই সেইটো বুজিবলৈ সহায় কৰে।

আগ্রহ উদ্ভাৱনকাৰীৰ সীমাৱদ্ধতাসমূহ—

- আগ্রহৰ অভীক্ষাংকসমূহ সদায় স্থায়ী বা চূড়ান্তভাৱে গ্রহণযোগ্য নহয়, কাৰণ মানুহৰ ভাললগা, আগ্রহৰ গভীৰতা আৰু পছন্দ সময়ৰ সৈতে পৰিৱৰ্তিত হ'ব পাৰে। অভীক্ষাসমূহে সাধাৰণতে এই ধাৰণাৰ ওপৰত ভিত্তি কৰে যে ব্যক্তিৰ এক নিৰ্দিষ্ট আগ্রহ আছে। কিন্তু কোনো আগ্রহ অভীক্ষাৰ সময়ত প্ৰকাশ পাবও পাৰে অথবা পিছত বিকশিত হ'বও পাৰে। প্ৰকাশ পোৱা আগ্রহসমূহ সদায় স্থায়ী নহ'বও পাৰে। তাৰোপৰি আগ্রহসমূহ বিকাশযোগ্য। অভীক্ষাৰ সময়ত কোনো বিশেষ আগ্রহ সম্পূৰ্ণৰূপে প্ৰকাশ নাপালেও পৰৱৰ্তী সময়ত তাৰ বিকাশ ঘটিব পাৰে। বহু ক্ষেত্ৰত দেখা যায় যে বৃত্তিগত জীৱনত প্ৰৱেশ কৰাৰ পিছতো নতুন আগ্রহৰ বিকাশ ঘটে।
- কিছুমান অভীক্ষাই আগ্রহতকৈ অধিকভাৱে সামৰ্থ্যক প্ৰতিফলিত কৰে। কিন্তু সামৰ্থ্য আৰু আগ্রহ একে বিষয় নহয়। সেইকাৰণে এনে কিছুমান অভীক্ষা সম্পূৰ্ণৰূপে বৈধ বা বিশ্বাসযোগ্য বুলি গণ্য কৰিব নোৱাৰি।
- আগ্রহ-উদ্ভাৱনকাৰীসমূহে পেশাগত সফলতা, চাকৰিৰ সন্তুষ্টি, ব্যক্তিত্ব, সমাযোজন বা বিদ্যায়তনিক সফলতাৰ বিষয়ে নিশ্চিতভাৱে ভৱিষ্যৎবাণী কৰিব নোৱাৰে।
- উদ্ভাৱণকাৰীৰ প্ৰশ্নসমূহ বিভিন্ন কাৰ্যকলাপৰ সৈতে জড়িত হয়, কিন্তু এই সকলো কাৰ্যই কোনো বৃত্তিক স্পষ্টভাৱে প্ৰতিনিধিত্ব নকৰিবও পাৰে। আকৌ, বহু সময়ত কাৰ্যকলাপসমূহৰ মাজত পুনৰাবৃত্তিও দেখা যায়। এটা মাত্ৰ আগ্রহই কোনো নিৰ্দিষ্ট বৃত্তি নিৰ্ধাৰণ নকৰে; বৰং বিভিন্ন কাৰ্যকলাপ আৰু আগ্রহৰ সংমিশ্রণেই বৃত্তিগত দিশ নিৰ্ণয় কৰে।
- আগ্রহ-উদ্ভাৱনকাৰীসমূহে ব্যক্তিয়ে নিজে প্ৰদান কৰা তথ্য বা ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি ফলাফল দেখুৱায়। সেইকাৰণে এই ৰিপোৰ্টসমূহৰ সঠিকতা সম্পৰ্কে সমস্যা থাকিব পাৰে। কিছুমান ব্যক্তিয়ে নিজৰ প্ৰকৃত অনুভূতি বা আগ্রহ সত্যতাৰে প্ৰকাশ নকৰিবও পাৰে।
- সোধা প্ৰশ্নসমূহৰ অস্পষ্টতাৰ ফলতো আগ্রহ-অনুসূচীসমূহ প্ৰভাৱিত হ'ব পাৰে।

আগ্রহ উদ্ভাৱণকাৰী ব্যৱহাৰৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতাসমূহ :

শিক্ষাৰ্থীসকল আপোনালোকে আগ্রহ উদ্ভাৱনকাৰীৰ ফলাফলবোৰ ব্যৱহাৰ কৰাৰ সময়ত কিছুমান কথা মনত ৰাখিব।

- ব্যক্তিৰ আগ্রহ-সম্পৰ্কীয় তথ্যই মূলতঃ তেওঁলোকে কি কৰিব ভাল পায় তাৰ এক ধাৰণা বা তালিকা দাঙি ধৰে; ইয়াক ব্যক্তিৰ সামৰ্থ্য বা সবলতা বুলি গণ্য কৰা উচিত নহয়।
- আগ্রহ-উদ্ভাৱনকাৰীৰ ফলাফলত ব্যক্তিয়ে কোন বিশেষ কার্য বা বৃত্তি কৰি আনন্দ লাভ কৰে, সেই বিষয়টো প্রতিফলিত হয়; তেওঁৰ সামৰ্থ্য বা দক্ষতা নহয়।
- আগ্রহ-উদ্ভাৱনকাৰীত উচ্চ অভীক্ষাংক লাভ কৰিলেই পেশাগত সফলতা নিশ্চিত হয় বুলি ক'ব নোৱাৰি।

১২.১০ আগ্রহ পৰীক্ষাৰ গুৰুত্ব

আগ্রহে ব্যক্তিৰ সমাযোজন আৰু ব্যক্তিত্বৰ বিষয়ে গুৰুত্বপূর্ণ সূত্র প্রদান কৰে। শিশুৰ আগ্রহ সম্পর্কে জ্ঞান আৰু বুজাপৰা শৈক্ষিক আৰু বৃত্তিমুখী নির্দেশনাৰ এক গুৰুত্বপূর্ণ দিশ। সেইকাৰণে শৈক্ষিক আৰু বৃত্তিগত ক্ষেত্রত আগ্রহ-অভীক্ষাৰ বিশেষ গুৰুত্ব আছে। ছাত্র-ছাত্রীক অভিৰোচিত কৰাৰ ক্ষেত্রত তেওঁলোকৰ আগ্রহ জানাটো শিক্ষকৰ বাবে অতি মূল্যৱান। ইয়াৰ সহায়ত শিক্ষণ-কার্য ছাত্র-ছাত্রীৰ বাবে অধিক উপযোগী আৰু ফলপ্রসূ কৰি তুলিব পাৰি। ছাত্র-ছাত্রীৰ ভাললগা আৰু বেয়ালগা বিষয়সমূহ জানিবলৈও আগ্রহৰ অধ্যয়ন গুৰুত্বপূর্ণ। আগ্রহ-পৰিমাপন বিভিন্ন ক্ষেত্রত ব্যৱহাৰ কৰা হয়। পেশা-অন্বেষণৰ ক্ষেত্রত ই পেশা নির্বাচন, পেশাগত ভৰিষ্যৎবাণী বা পেশা-পৰিৱর্তন আদি সিদ্ধান্ত গ্রহণত সহায় কৰে। এই দিশত কলেজ আৰু উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ পৰামর্শ-সেৱাই আগ্রহ-পৰিমাপন আৰু পেশাগত পৰামর্শ প্রদানত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ইয়াৰ উপৰিও নিয়োগ সংস্থা, বৃত্তিমুখী পুনর্বাসন-সেৱা, সমাজসেৱামূলক সংস্থা, নিগম, পৰামর্শ-প্রদানকাৰী প্রতিষ্ঠান আৰু সাম্প্রদায়িক সংস্থাসমূহেও আগ্রহ-পৰিমাপন কার্যত সহযোগিতা আগবঢ়ায়। আগ্রহ-পৰীক্ষাৰ মুখ্য উদ্দেশ্যসমূহ হ'ল—

- শিক্ষক, পৰামর্শদাতা আৰু অভিভাৱকসকলক সহায় কৰা, যাতে তেওঁলোকে ছাত্র-ছাত্রীসকলক নিজৰ আগ্রহ অনুসৰি শৈক্ষিক দিশত প্রস্তুত হোৱাত সহযোগিতা কৰিব পাৰে।
- উপযুক্ত কামৰ বাবে উপযুক্ত ব্যক্তিক নির্বাচন কৰাত সহায় কৰা যাতে ব্যক্তিসকলৰ হতাশা, অসন্তুষ্টি আৰু অশান্তিকৰ অৱস্থা হ্রাস পায় আৰু তেওঁলোকৰ উৎপাদনশীলতা বৃদ্ধি পায়।
- ছাত্র-ছাত্রীসকলক বিষয়, পাঠ্যক্রম, বৃত্তি আৰু বিনোদনমূলক কার্যকলাপ বাছনি কৰাৰ ক্ষেত্রত সহায় কৰা।
- শিশুসকলৰ সমস্যা সমাধানৰ ক্ষেত্রত শিক্ষক, পৰামর্শদাতা আৰু নির্দেশনা-প্রদানকাৰী ব্যক্তিসকলক সহযোগিতা কৰা।
- এইবোৰ পিতৃ-মাতৃসকলৰ বাবেও প্রয়োজনীয়, কাৰণ ইয়াৰ সহায়ত তেওঁলোকে নিজৰ সন্তানক তেওঁলোকৰ ভাললগা ক্ষেত্রসমূহত আগবাঢ়িবলৈ সহায় কৰিব পাৰে।

১২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

শিক্ষার্থীসকল, আমি তলত দিয়া ধৰণে অধ্যায়টি চমুকৈ দাঙি ধৰিব পাৰো—

- আগ্রহৰ পৰিমাপনে ব্যক্তিয়ে ভালপোৱা বা উপভোগ কৰা বিষয়সমূহৰ এক সাধাৰণ স্তৰক সূচিত কৰে।
- শৈক্ষিক আৰু বৃত্তিগত ক্ষেত্রত আগ্রহ-পৰীক্ষাসমূহ অতি গুৰুত্বপূর্ণ, কাৰণ এইবোৰে শিক্ষকক ছাত্র-ছাত্রীৰ অভিৰোচন বুজিবলৈ সহায় কৰে আৰু শিক্ষণ-কার্য তেওঁলোকৰ বাবে অধিক উপযোগী কৰি তোলে।
- ছাত্র-ছাত্রীৰ আগ্রহ আৱিষ্কাৰ কৰাৰ বাবে আমি দুটা পদ্ধতি ব্যৱহাৰ কৰিব পাৰো– (১) আনুষ্ঠানিক পৰিমাপণ আৰু (২) অনানুষ্ঠানিক পৰিমাপণ।
- আগ্রহ-উদ্ভাৱনকাৰীসমূহ আগ্রহ পৰিমাপণৰ আনুষ্ঠানিক পদ্ধতি। সঘনে ব্যৱহৃত হোৱা তিনিটা আগ্রহ-উদ্ভাৱনকাৰী হ'ল—SVIB, KPR আৰু TVIS।
- আগ্রহ উদ্ভাৱণকাৰীয়ে আত্ম অন্বেষণত গুৰুত্ব দিয়ে।
- আগ্রহ-উদ্ভাৱনকাৰীসমূহ গুৰুত্বপূর্ণ, কাৰণ এইবোৰে ছাত্র-ছাত্রীসকলক বিষয়, পাঠ্যক্রম, বৃত্তি আৰু বিনোদনমূলক কার্যকলাপ নির্বাচন কৰাত সহায় কৰে।
- আগ্রহ বা মনোভাৱ-পৰীক্ষাৰ অভীক্ষাংকসমূহ সদায় সম্পূর্ণভাৱে বিশ্বাসযোগ্য নহ'বও পাৰে, কাৰণ ব্যক্তিৰ ভাললগা, বেয়ালগা আৰু অগ্রাধিকাৰসমূহ সময়ৰ সৈতে পৰিৱর্তিত হৈ থাকে।
- ব্যক্তিৰ আগ্রহ-সম্পর্কীয় তথ্যই মূলতঃ তেওঁলোকে কি কৰিব ভাল পায় সেই আগ্রহৰ ধৰণকহে দাঙি ধৰে; ইয়াক ব্যক্তিৰ সামর্থ্য বা সবলতা বুলি গণ্য কৰা নহয়।

১২.১২ অধিক জানিবলৈ

1) Aggarwal, J.C. (1993) : Educational Vocational Guidance and Counselling, Doaba House New Delhi
2) Anastasi Anne (1982): Psychological Testing, 4th Edition, New York: Macmillan Publishing Co. Inc.
3) Anderson, Scarvia B. Samuel Ball, Murphy, R.T. and et.al (1976): Encyclopedia of Educational Evaluation, Jessey-Bass Publishers.
4) Asthana B (2015): Measurement and Evaluation in in Psychology and Education, Binod Pustak Mandir , Agra.
5) Brown F. G. (1976): Principles of Educational and Psychological Testing, Holt: Rineheart and Winston.

6) Goswami M (2010): Measurement and Evaluation in Education and Psychology, Nilkamal Publishing House, Hyderabad.
7) Gronlund, Norman, E. (1968): Readings in Measurement and Evaluation, Education, and Psychology,The Macmillan Company.
8) Mehrens, William, A. and Lehmann, Irvin, J (1978): Measurement and Evaluation in Education and Psychology, Holt, Rinehard and Winston

১২.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ i) বংশগত আৰু পৰিৱেশীয় কাৰকে আগ্রহ নির্ণয় কৰে, ii) ই সামর্থ্যৰ সৈতে জড়িত।

২ নং প্রশ্নৰ উত্তৰঃ আগ্রহে কোনো বস্তুৰ প্রতি ব্যক্তিৰ সচেতন অভিমুখ বা আকর্ষণৰ মাত্রাক সূচিত কৰে। ব্যক্তিৰ কার্যকলাপে সেই বস্তুটোক অনুমোদন কৰে নে নকৰে, সেই দিশ আগ্রহে প্রকাশ কৰে। আনহাতে মনোভাৱে সেই বিষয়টোৰ প্রতি ব্যক্তিৰ প্রতিক্রিয়াৰ দিশ নির্দেশ কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ প্রকাশিত আগ্রহে কোনো বস্তু, কার্যকলাপ, অধ্যয়ন-বিষয় বা বৃত্তিৰ প্রতি ব্যক্তিয়ে মৌখিকভাৱে প্রকাশ কৰা আগ্রহক সূচিত কৰে। আনহাতে, কোনো বিশেষ কার্যকলাপত ব্যক্তিয়ে বাস্তৱভাৱে অংশগ্রহণ কৰাক উদ্ভাষিত আগ্রহ বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ পৰিমাপণমূলক আগ্রহ হৈছে আগ্রহ পৰীক্ষাৰ সাধাৰণ উৎস।

৫ নং প্রশ্নৰ উত্তৰঃ আনুষ্ঠানিক পদ্ধতিসমূহ হৈছে বিশেষধৰণৰ আৰু প্রতিমানীকৃত পৰিমাপনৰ আহিলা, যেনে— আগ্রহ-উদ্ভাৱনকাৰী, আগ্রহ-পৰীক্ষা, বেটাৰী আদি। আনহাতে, অনানুষ্ঠানিক পদ্ধতিসমূহত ব্যক্তিৰ নিজা উক্তি, কার্যকলাপৰ ৰেকর্ড আৰু শিক্ষক তথা পিতৃ-মাতৃৰ নিৰীক্ষণ অন্তর্ভুক্ত থাকে।

৬ নং প্রশ্নৰ উত্তৰঃ SVIB আৰু KPR

৭ নং প্রশ্নৰ উত্তৰঃ বৃত্তিৰ ৯টা পৃথক কাঠী আছে, যেনে– যান্ত্রিক, গাণনিক, বিজ্ঞানসম্মত, বুজাব পৰা, কলাসুলভ, সাহিত্য, সংগীত, সামাজিক আৰু কেৰাণী জাতীয়।

৮ নং প্রশ্নৰ উত্তৰঃ আঠটা কাৰক হৈছে– (i) বাণিজ্যিক আগ্রহ, (ii) আইনী, (iii) সৌন্দর্যমূলক, (iv) বিদ্যায়তনিক, (v) বর্ণনামূলক, (vi) জৈৱিক, (vii) ভৌতিক বিজ্ঞান, (viii) কলা।

৯ নং প্রশ্নৰ উত্তৰঃ P.S.M. উদ্ভাৱণকাৰী আৰু চেটার্জীৰ অ-ভাষিক প্রিফাৰেন্স ৰেকর্ড ৯৬২।

১০ নং প্রশ্নৰ উত্তৰঃ এলাহবাদ ব্যুৰু বিহাৰৰ শৈক্ষিক আৰু বৃত্তীয় ব্যুৰু।

? ১২.১৪ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. আগ্রহ পৰিমাপন কিয় গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ২. আগ্রহ উদ্ভাৱনৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ৩. চমুটোকা লিখক :

(ক) SVIS

(খ) KPR

প্ৰশ্ন ৪. আগ্রহ পৰিমাপনৰ এটা পৰীক্ষাৰ বিষয়ে লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. আগ্রহ উদ্ভাৱনকাৰীসমূহ কি। এইবোৰৰ ব্যৱহাৰ আৰু সীমাবদ্ধতা লিখক।

প্ৰশ্ন ২. শৈক্ষিক পৰিমাপনৰ যিকোনো এটা আগ্রহ পৰীক্ষাৰ উদ্ভাৱণকাৰী বৰ্ণনা কৰক।

*****

অধ্যায় ১৩: ব্যক্তিত্বৰ পৰিমাপন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতিসমূহ
১৩.৩.১ ব্যক্তিনিষ্ঠ পদ্ধতিসমূহ
১৩.৩.২ বস্তুনিষ্ঠ পদ্ধতিসমূহ
১৩.৩.৩ প্ৰক্ষিপ্ত পদ্ধতিসমূহ
১৩.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্ৰগতিৰ খতিয়ান
১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- ব্যক্তিত্ব পৰিমাপনৰ বিভিন্ন পদ্ধতিবোৰ চিনাক্ত কৰিব পাৰিব,
- ব্যক্তিত্ব পৰিমাপনৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিভিন্ন কৌশলবোৰ আলোচনা কৰিব পাৰিব,
- ব্যক্তিত্ব পৰিমাপনৰ ব্যক্তিনিষ্ঠ, বস্তুনিষ্ঠ আৰু প্ৰক্ষিপ্ত পদ্ধতিসমূহ চিনাক্ত কৰিব পাৰিব।

১৩.২ পৰিচয়

আমি সদায় নিজৰ বা আনৰ ব্যক্তিত্ব সম্পৰ্কে জনাৰ বাবে কৌতুহল অনুভৱ কৰো। আমি প্ৰকৃতিগতভাৱে নিজৰ ব্যক্তিত্বৰ ধৰণ বা সংলক্ষণ তথা আনৰ ব্যক্তিত্ব সম্পৰ্কে জানিহ বিচাৰো। ইয়াৰ বাবে আপোনাৰ ব্যক্তিত্ব পৰিমাপনৰ জ্ঞান আৰু দক্ষতা থাকিব লাগিব। এজন ব্যক্তিৰ ব্যক্তিত্বৰ কিছুমান সংলক্ষণ বুজাটো সহজ কিন্তু সি/তাইৰ ব্যক্তিত্ব পৰিমাপন কৰাটো এক কঠিন কাম। আপোনাৰ আগৰ ষান্মাসিকত, আপোনালোকে ব্যক্তিত্বৰ ধাৰণা আৰু ইয়াৰ তত্ত্বসমূহৰ বিষয়ে পাই আহিছে।

আপোনালোকে জানে যে ব্যক্তিত্ব হৈছে এক গতিশীল সত্বা আৰু ই সদায় পৰিবর্তন আৰু সংশোধন প্রক্রিয়াত থাকে। তথাপিও ব্যক্তিত্ব পৰিমাপনৰ বাবে বহুতো পদ্ধতি আৰু কৌশল আছে যিবোৰে আমাক এই কঠিন কামটোত সহায় কৰে। এই অধ্যায়টোত আমি ব্যক্তিত্ব পৰিমাপনৰ বস্তুনিষ্ঠ, ব্যক্তিনিষ্ঠ আৰু প্রক্ষিপ্ত পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰিম।

১৩.৩ ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতিসমূহ

ওপৰত উল্লেখ কৰা হৈছে যে ব্যক্তিত্বৰ পৰিমাপন হৈছে এক কঠিন কার্য্য। তথাপিও মনোবিদসকলে ব্যক্তিত্ব পৰিমাপনৰ বাবে বিভিন্ন পদ্ধতিবোৰৰ বিকাশ কৰিবলৈ চেষ্টা কৰিছে। এনে পদ্ধতিসমূহক তলৰ ভাগসমূহত বহলভাৱে ভাগ কৰা হৈছে।

i) বস্তুনিষ্ঠ পদ্ধতি

ii) ব্যক্তিনিষ্ঠ পদ্ধতি

iii) প্রক্ষিপ্ত পদ্ধতি

ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতি আৰু কৌশলবোৰক প্রতিমানীকৃত আৰু অপ্রতিমানীকৃত স্বৰূপেও ভাগ কৰিব পাৰি। কিছুমান বিশেষজ্ঞই ব্যক্তিত্ব পৰিমাপনৰ ক্ষেত্রত পৰীক্ষণ আৰু অপৰীক্ষণ শব্দবোৰ ব্যৱহাৰ কৰে। আত্মনিৰূপক পদ্ধতিবোৰ যেনে আত্মজীৱনী, সাক্ষাৎকাৰ, প্রশ্নৱলী আৰু ব্যক্তিগত উদ্ভাৱনকাৰী আদিবোৰৰ ব্যৱহাৰৰ দ্বাৰা ব্যক্তিৰ নিজৰ বিষয়ে পৰিমাপন আৰু নিৰূপন কৰা হয়। আনহাতে, আন কিছুমান পদ্ধতি যেনে মান নিৰূপক কাঠী, জীৱনী, ঘটনা বিৱৰণ ইত্যাদি পদ্ধতি অন্যলোকে ব্যক্তিগৰাকীৰ বিষয়ে কি অনুভৱ কৰে তাৰ ওপৰত ভিত্তি কৰি ব্যক্তিত্ব নির্ণয় কৰা হয়। কিছুমান ক্ষেত্রত, আমি ব্যক্তিত্ব পৰিমাপনৰ বাবে আচৰণগত পৰিমাপকৰ ব্যৱহাৰ কৰো য'ত ব্যক্তিৰ প্রকৃত আচৰণক তেওঁৰ বাস্তৱ জীৱনত নিৰীক্ষণ কৰা হয়। আমি প্রক্ষিপ্ত পদ্ধতিৰো ব্যৱহাৰ কৰো, যাৰ দ্বাৰা আমি ব্যক্তিগৰাকীয়ে কল্পনাৰ পৰিৱেশত কি ধৰণৰ প্রতিক্রিয়া দেখুৱায় তাক চাব পাৰো য'ত কল্পনা অন্তর্ভুক্ত থাকে। শেষত, আমি কিছুমান পদ্ধতিৰে ব্যক্তিৰ শাৰীৰিক প্রতিক্রিয়া যান্ত্রিক আৰু প্রযুক্তিৰ আহিলাৰে চাই ব্যক্তিত্বৰ সংলক্ষণ পৰিমাপন কৰিব পাৰো। আমি তলৰ ১৩.১ তালিকাত দেখুওৱা ধৰণে ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতি সমূহৰ ভাগ কৰিব পাৰো।

টেবুল ১৩.১ ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতিবোৰৰ তালিকা

প্রতিমানিকৃত অভীক্ষা (বস্তুনিষ্ঠ পদ্ধতি)	অপ্রতিমানীকৃত অভীক্ষা (ব্যক্তিনিষ্ঠ পদ্ধতি)	প্রক্ষিপ্ত অক্ষীক্ষা
১. কৃতিত্ব অভীক্ষা	১. অখ্যানমূলক ৰেকর্ড	১. বিজি অভীক্ষা
২. যোগ্যতা অভীক্ষা	২. আত্মজীৱনী	২. ব্লকী ছবি অভীক্ষা
৩. বুদ্ধি অভীক্ষা	৩. ঘটনা বিৱৰণ	৩. শিশুৰ সংপ্রত্যক্ষ অভীক্ষা

৪. আগ্রহ অভীক্ষা ৫. ব্যক্তিগত সাক্ষাৎকাৰ	৪. ক্রমবর্ধমান ৰেকর্ড কার্ড ৫. সাক্ষাৎকাৰ ৬. নিৰীক্ষণ ৭. পিতৃ-মাতৃৰ মতামত ৮. ব্যক্তিগত তথ্য ব্লেক ৯. প্রশ্নাৱলী ১০. মান নিৰূপক কাঠা বা মনোভাৱ কাঠী ১১. অনুসূচী ১২. ক'ৰ কার্ড ১৩. সমাজ আলেক্ষ	৪. মাটিৰে বস্তু সজা ৫. ক্লাউড ছৰি অভীক্ষা ৬. এটা মানুহৰ ছৰি আঁকা অভীক্ষা ৭. গ্রাফ'লজী অভীক্ষা ৮. মোজাইক অভীক্ষা ৯. মনোনাটক ১০. ৰৰ'চাক চিয়াহী দাগ অভীক্ষা ১১. বাক্য সম্পূৰণ অভীক্ষা ১২. সমাজ নাটক ১৩. স্নজডী অভীক্ষা ১৪. কাহিনী সংবোধন অভীক্ষা ১৫. খেলনা আৰু পুতলা খেলা অভীক্ষা (শব্দ খেলা) ১৬. শব্দ অনুষংগ অভীক্ষা (মুক্ত আৰু নিয়ন্ত্রিত)

উৎস Aggarwal J.C. (2015) Essentials of Educational Psychology

টেবুল ১৩.১ পৰা পোৱা গৈছে যে ব্যক্তিত্ব পৰিমাপনৰ ক্ষেত্রত বহুতো পদ্ধতি আৰু কৌশল আছে। কিন্তু ইয়াত সকলোবোৰ পদ্ধতি বা কৌশল বর্ণনা কৰাতো সম্ভৰ নহয়। সেইবাবে এই অধ্যায়টোৰ পৰবর্তী অংশত আমি নির্বাচিত কেইটামান পদ্ধতিহে আলোচনা কৰিম। প্রথমতে আমি ব্যক্তিনিষ্ঠ পদ্ধতিবোৰৰ বিষয়ে আলোচনা কৰিম।

১৩.৩.১ ব্যক্তিনিষ্ঠ পদ্ধতিসমূহ

ব্যক্তিনিষ্ঠ পদ্ধতিবোৰ হৈছে সেইবোৰ পদ্ধতি য'ত ব্যক্তিজনে নিজৰ বিষয়ে যি জানে তাক পর্য্যবেক্ষণৰ বস্তু হিচাবে প্রকাশ কৰিবলৈ দিয়া হয়। ব্যক্তিয়ে নিজৰ সংলক্ষণ, মনোভাৱ, ব্যক্তিগত অভিজ্ঞতা, লক্ষ্য, প্রয়োজন আৰু আগ্রহৰ বিষয়ে কোৱা কতাবোৰৰ ওপৰত এই পদ্ধতিবোৰ নির্ভৰশীল হয়।

(ক) ঘটনা বিৱৰণ পদ্ধতি : ঘটনা বিৱৰণ পদ্ধতিত পৰিয়ালৰ বিষয়ে, ৰোগৰ বিষয়ে, সামাজিক পৰিৱেশ আৰু অন্য আনুসংগিক দিশবোৰৰ বিষয়ে বিশদভাৱে অনুসন্ধান কৰা হয়। এই

পদ্ধতিয়ে অপসমাযোজনৰ কাৰণবোৰ চিনাক্তকৰণত সহায় কৰে। ই হৈছে প্রধানকৈ এক নৈদানিক পদ্ধতি, যিয়ে মনোৰোগ বিশেষজ্ঞ, সমাজকর্মী আদিক ৰোগীৰ সৈতে আদান প্রদানত সহায় কৰে। ঘটনা বিৱৰণ পদ্ধতিৰ বাবে তথ্য সংগ্রহৰ কেইটামান গুৰুত্বপূর্ণ স্তৰ তলত দাঙি ধৰা হ'ল—

- **সাধাৰণ তথ্য :** নাম, বয়স, লিংগ, ঠিকনা
- **বর্তমানৰ সমস্যা :** লক্ষণ আৰু ৰোগ
- **স্বাস্থ্যৰ বর্ণনা :** আগতে তেওঁ/সি ভোগা ৰোগ
- **স্কুল আৰু কলেজৰ শিক্ষাৰ ইতিহাস**
- **মনো-যৌন সম্পর্ক :** যৌন অভ্যাস, যৌন সম্পর্ক ৰোগ, যদিহে থাকে
- **ব্যক্তিত্ব :** সংলক্ষণ, মুড, আবেগ, ব্যক্তিৰ প্রতিক্রিয়া

(খ) সাক্ষাৎকাৰ : সাক্ষাৎকাৰ হৈছে ব্যক্তিৰ পৰা তথ্য সংগ্রহৰ সাধাৰণভাৱে ব্যৱহাৰ হোৱা পদ্ধতি। ই হৈছে এক মুখামুখি গতিশীল সম্পর্ক। সাক্ষাৎকাৰৰ যোগেদি এজন ছাত্র বা শিশুৰ ব্যক্তিত্বৰ পৰিমাপনৰ দ্বাৰা তেওঁৰ/তাৰ বিকাশৰ বিষয়ে জানিব পাৰি। ইয়াক এজন ব্যক্তিৰ বিষয়ে তথ্য সংগ্রহৰ বাবে ফলপ্রসুভাৱে ব্যৱহাৰ কৰিব পাৰি। সেইবাবে আদান-প্রদানৰ ক্ষেত্রত সাক্ষাৎকাৰৰ ভাৰসাম্যতা থাকিব লাগে আৰু এটা ভাল পৰিকল্পনা থাকিব লাগে। সাক্ষাৎকাৰ লোৱা গৰাকীয়ে যাৰ সাক্ষাৎকাৰ ল'ব তেওঁৰ তথ্য সংগ্রহৰ ক্ষেত্রত এক পৰিকল্পনা প্রস্তুত কৰি ল'ব লাগে। তেওঁ/সি সাক্ষাৎকাৰৰ বাবে স্পষ্ট উদ্দেশ্য নির্ধাৰণ কৰি ল'ব লাগে। সাক্ষাৎকাৰ গ্রহণৰ আৰম্ভণিতে সাক্ষাৎকাৰীগৰাকীৰ সৈতে এক ভাল সম্পর্ক গঢ়ি তুলিব লাগে যাতে তেওঁৰ পৰা সঠিক তথ্য সংগ্রহ কৰিব পৰা যায়। ইয়াত সম্পর্কৰ অর্থ হৈছে সাক্ষাৎ গ্রহণকাৰী আৰু প্রদানকাৰীৰ মাজৰ বন্ধুত্ব সুলভ ভাৱ, সুৰক্ষা আৰু পৰাস্পৰিক বিশ্বাস। সাক্ষাৎ গ্রহণকাৰীয়ে উপযুক্তভাৱে আৰু একাদিক্রমে প্রশ্নবোৰ উপস্থাপন কৰিব লাগে। প্রয়োজন অনুসৰি সাক্ষাতৰ সময়ত উপযুক্ত মতামত আৰু বিৱৰণ দিব লাগে। সাক্ষাতৰ পৰিৱেশ অতি ভাল, পাৰস্পৰিক সৌহার্য্যপূর্ণ হ'ব লাগে। সাক্ষাতকাৰ গ্রহণৰ সময়ত অনুশাসনৰ প্রবর্তনে আদান-প্রদান যান্ত্রিক কৰি তোলে। সেইবাবে সাক্ষাৎপ্রদানকাৰীৰ ওপৰত কোনোধৰণৰ অনুশাসন জাপি দিব নেলাগে। সফলভাৱে সাক্ষাৎকাৰ গ্রহণ কৰিবলৈ সাক্ষাতগ্রহণকাৰীৰ উপযুক্ত প্রশিক্ষণ আৰু অনুশীলনৰ প্রয়োজন।

সাক্ষাৎকাৰৰ প্রকাৰসমূহ—

সাক্ষাৎকাৰ বিভিন্ন প্রকাৰৰ হ'ব পাৰে, ব্যক্তিত্ব পৰিমাপনৰ পৰিপ্রেক্ষিতত ইয়াক তলত দিয়া ধৰণে ভাগ কৰা হৈছে।

i) **পৰিচয়মূলক সাক্ষাৎকাৰ :** ই হৈছে এক বৰফ ভাঙি পেলোৱা দৰে দিশ য'ত সাক্ষাতকাৰ লোৱা আৰু গ্ৰহণ কৰা দুয়োগৰাকীৰ মাজত এক সুসম্পৰ্ক গঢ়ি উঠে। ই হৈছে প্ৰকৃততে প্ৰাক্-সাক্ষাৎকাৰ য'ত ইজনে সিজনক জানিব পাৰে, বন্ধুত্ব সুলভ পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু ভৱিষ্যতৰ াদান-প্ৰদানৰ বাবে আবেগিক প্ৰতিৰোধবোৰ আঁতৰাব পাৰে।

ii) **তথ্য বিচাৰি উলিওৱা সাক্ষাৎকাৰ :** এই পদ্ধতিটোৰ প্ৰধান উদ্দেশ্য হৈছে অন্য পদ্ধতিৰ দ্বাৰা লাভ নকৰা তথ্য ইয়াৰ দ্বাৰা উলিওৱা। এই ধৰণৰ আদান-প্ৰদানৰ দ্বাৰা আন কিছুমান গুৰুত্বপূৰ্ণ তথ্য যেনে সাক্ষাৎ দিয়াজনৰ মনোভাৱ, আগ্ৰহ আৰু অনুভৱ আদি জানিব পাৰি।

iii) **তথ্য সমৃদ্ধ সাক্ষাৎকাৰ :** সাক্ষাত গ্ৰহণকাৰীজনে বিভিন্ন উপায়ে সাক্ষাৎ দিয়া গৰাকীৰ তথ্য সংগ্ৰহ কৰে। এই সাক্ষাৎকাৰ উদ্দেশ্য হৈছে সাক্ষাৎ গ্ৰহণকাৰীয়ে তথ্যবোৰ সাক্ষাৎ দিয়া জনক জনোৱা। উদাহৰণস্বৰূপে, সাক্ষাৎ দিয়াজনক তেওঁৰ সামৰ্থ আৰু আগ্ৰহ সম্পৰ্কে জনোৱা।

iv) **চিকিৎসাৰমূলক সাক্ষাৎকাৰ :** এই প্ৰকাৰৰ সাক্ষাৎকাৰ চিকিৎসাৰ উদ্দেশ্যত ব্যৱহাৰ হয়। ইয়াৰ তিনিটা প্ৰকাৰ আছে।

- **অ-নিৰ্দিষ্ট সাক্ষাতকাৰঃ** ইয়াত সাক্ষাতকাৰ গ্ৰহণ কৰা ব্যক্তি নিজে নেতৃত্ব লয় আৰু সাক্ষাতকাৰৰ সময়ত নিজৰ ইচ্ছা চিনাক্ত কৰে।
- **বৈদ্যুতিক সাক্ষাৎকাৰঃ** এই প্ৰকাৰৰ সাক্ষাৎকাৰত সাক্ষাৎ গ্ৰহণকাৰীৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা দুয়োপ্ৰকাৰৰ অভিগমন ব্যৱহাৰ কৰা হয়।

(গ) নিৰীক্ষণ বা পৰ্য্যবেক্ষণ : ব্যক্তিত্ব পৰিমাপনৰ বাবে নিৰীক্ষণ পদ্ধতি বহলভাৱে প্ৰয়োগ কৰা হয়। ই এজন ব্যক্তিৰ জীৱনৰ আচৰণৰ ধৰণ অধ্যয়নত সহায় কৰে। সাধাৰণতে, নিৰীক্ষণকাৰীজনে প্ৰথমে কোনো ব্যক্তি বা দলৰ ব্যক্তিত্বৰ কি সংলক্ষণ বা বৈশিষ্ট্য চাব তাৰ সিদ্ধান্ত লব লাগে আৰু সেই অনুসৰি বাস্তৱ জীৱনত তেওঁৰ কাৰ্য্যাৱলী নিৰীক্ষণ কৰিব লাগে। এই নিৰিক্ষণ দুই ধৰণে কৰিব পাৰি— অংশগ্ৰহণকাৰী নিৰিক্ষণ আৰু অ-অংশগ্ৰহণ নিৰীক্ষণ। অংশগ্ৰহণকাৰী নিৰীক্ষণত, সাক্ষাত লোৱা ব্যক্তিজন কম বেছি পৰিমানে নিৰীক্ষণীয় দলৰ অংশ হ'ব লাগে। অন্যহাতে, অ-অংশগ্ৰহণকাৰী নিৰীক্ষণত, নিৰীক্ষক গৰাকীয়ে এনেকুৱো ঠাইত থাকিব লাগে য'ত তেওঁৰ উপস্থিতিয়ে কাকো বিৰক্তি নিদিয়ে বা নিৰীক্ষণৰ সময়ত কাৰো ব্যৱহাৰক প্ৰভাৱিত কৰিব নোৱাৰে। নিৰীক্ষকে টেপ-ৰেকৰ্ডাৰ, কেমেৰা, ভিডিঅ' কেমেৰা টেলিস্ক'প আদি নিৰীক্ষণৰ স্পষ্ট ধাৰণাৰ বাবে ব্যৱহাৰ কৰিব পাৰে। একে পৰিবেশত ৰাখি ব্যক্তি বা দলক পুনঃ পুনঃ নিৰীক্ষণৰ দ্বাৰা ইয়াৰ নিৰ্ভৰযোগ্যতা পাব পাৰি। ব্যক্তিগৰাকীক কিছুসংখ্যক নিৰীক্ষকে নিৰীক্ষণ কৰিব লাগে আৰু ফলাফল একেলগে ৰাখিব লাগে। পৰ্য্যবেক্ষণ বা নিৰীক্ষণৰ সময়ত তলত উল্লেখ কৰা নীতিবোৰ মনত ৰাখিব লাগে।

- সমগ্ৰ পৰিবেশটো পৰ্যবেক্ষণ কৰিব লাগে।
- এটা সময়ত এজন ছাত্ৰকে পৰ্য্যবেক্ষণ কৰিব লাগে।
- ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন পৰিবেশত পৰ্যবেক্ষণ কৰিব লাগে, যেনে শ্ৰেণীকোঠাত, খেল পথাৰত বা সমনীয়াৰ সৈতে মত বিনিময় কৰাৰ সময়ত ইত্যাদি।
- এটা নিৰ্দিষ্ট সময়ত ভিতৰত পৰ্য্যবেক্ষণ কৰিব লাগে।
- পৰ্য্যবেক্ষণ কেনেকৈ পৰিকল্পনা আৰু প্ৰয়োগ কৰা হ'ব?

i) **পৰিকল্পনাৰ স্তৰ :** উপযুক্ত পৰিকল্পনাৰ দ্বাৰা নিৰীক্ষণৰ সফল ফলাফল পাব পাৰি। কোনোবা এজনক নিৰীক্ষণ কৰাৰ পূৰ্বে এক ভাল পৰিকল্পনা কৰি লোৱাতো প্ৰয়োজন। ব্যক্তিৰ পৰিমাপন পৰ্য্যবেক্ষণৰ দ্বাৰা কৰিবলৈ হ'লে তলত উল্লেখ কৰা দিশবোৰ মনত ৰাখিব লাগিব।

- পৰ্য্যবেক্ষণৰ সময়ত লক্ষ্য কৰা বিশেষ কাৰ্য্য বা আচৰণ চিনাক্ত কৰি তাৰ সংজ্ঞা আগতেই নিৰ্ধাৰণ কৰিব লাগিব।
- পৰ্যবেক্ষণৰ বাবে উপযুক্ত ব্যক্তি বা দল নিৰ্বাচন কৰিব লাগিব।
- ব্যক্তিগত নিৰীক্ষণ বা দলীয় নিৰীক্ষণ কোনটো কৰা হ'ব তাৰ সিদ্ধান্ত লব লাগে।
- পৰ্য্যবেক্ষণৰ সময়ৰ দৈৰ্ঘ্য, সময়ৰ সংখ্যা আৰু সময়ৰ মাজত থকা ব্যৱধান স্থিৰ কৰি লব লাগে।
- ৰেকৰ্ডিৰ ধৰণৰ সিদ্ধান্ত ল'ব লাগে।
- পৰ্য্যবেক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা আহিলাবোৰ স্থিৰ কৰিব লাগে।
- নিৰীক্ষকে নিৰীক্ষণ কৰিবলগীয়া ব্যক্তি বা দলৰ শাৰীৰিক অৱস্থান স্থিৰ কৰিব লাগে য'ত তেওঁলোকে উপযুক্তভাৱে নিৰীক্ষণ কৰিব পাৰে।
- ৰেকৰ্ডিংৰ বাবে ব্যৱহাৰ কৰিবলগীয়া আহিলা হাতত ৰাখিব লাগে।

ii) **নিৰীক্ষণ কাৰ্য্যান্বিত কৰা :** নিৰীক্ষণৰ পৰিকল্পনাক উপযুক্তভাৱে প্ৰয়োগ কৰিবলৈ, নিৰীক্ষকৰ উপযুক্ত কৌশল আৰু সম্পদ থাকিব লাগিব, যিবোৰ তলত উল্লেখ কৰা দিশৰ ওপৰত নিৰ্ভৰশীল।

- বিশেষ চৰ্তবোৰ উপযুক্তভাৱে সজাই ল'ব লাগে য'ত ব্যক্তিক নিৰীক্ষণ কৰা হ'ব।
- নিৰীক্ষণৰ বাবে নিৰীক্ষকে উপযুক্ত স্থান বাচি ল'ব লাগে যাতে নিৰীক্ষণৰ সময়ত তেওঁৰ উপস্থিতিয়ে ব্যক্তিৰ আচৰণত প্ৰভাৱ পেলাব নোৱাৰে বা তেওঁ যাতে নিৰীক্ষণৰ সময়ত কোনো ধৰণৰ জটিলতাৰ সন্মুখীন হ'বলগীয়া নহয়।
- নিৰীক্ষণৰ সময়ছোৱাত ব্যক্তিয়ে দেখুওৱা প্ৰত্যেকটো বিশেষ কাৰ্য সুক্ষ্মভাৱে নিৰীক্ষণ কৰিব লাগে।
- নিৰীক্ষণৰ সময়ৰ দৈৰ্ঘ আৰু সময়ৰ পৰিমাপনৰ মাজৰ ব্যৱধানৰ সিদ্ধান্ত ল'ব লাগে।

- নিৰীক্ষণৰ ৰেকর্ডিংৰ বাবে থকা আহিলাবোৰ উপযুক্তভাৱে ব্যৱহাৰ কৰিব লাগে।
- প্ৰয়োজন হ'লে নিৰীক্ষণৰ মাজতে সিদ্ধান্ত লব লাগে আৰু নিৰীক্ষণত ব্যৱহৃত নোহোৱাকৈ সিদ্ধান্ত কার্য্যকৰীকৰণ কৰিব লাগে, উদাহৰণ স্বৰূপে, নিৰীক্ষকৰ শাৰীৰিক উপস্থিতি সলনি কৰা বা নিৰীক্ষণৰ চৰ্তত নতুন উদ্দীপকৰ ব্যৱহাৰ কৰা ইত্যাদি।

iii) **নিৰীক্ষণৰ ৰেকর্ডিং :** ব্যক্তি বা দলৰ কার্য্য বা আচৰণৰ প্ৰকৃতি অনুযায়ী ৰেকর্ডিংৰ পদ্ধতি প্ৰয়োগ কৰা হয়। সাধাৰণতে ৰেকর্ডিংৰ বাবে দুটা পদ্ধতি ব্যৱহাৰ কৰা হয়। এই পদ্ধতিৰ সিদ্ধান্ত লওঁতে নিৰীক্ষকৰ কৌশলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰথম পদ্ধতিত নিৰীক্ষণৰ ঠাইতে ৰেকর্ডিং কৰা হয়। কিন্তু যদি কার্য্য অতি সোনকালে কৰা হয় তেতিয়া ই সম্ভৱ নহবও পাৰে। তেতিয়া ই বিষয়বস্তু বা ব্যক্তিক অসুবিধাহে দিয়ে।

দ্বিতীয় পদ্ধতিত, নিৰীক্ষণ কৰা শেষ হোৱাৰ পিছত ৰেকর্ডিং কৰা হয়। এই পদ্ধতিটো বেছি উপযোগী কাৰণ ই বিষয়বস্তু বা ব্যক্তিক বিৰক্তি নিদিয়ে। কিন্তু এই পদ্ধতিত এটা অসুবিধা আছে, সেইটো হৈছে নিৰীক্ষণ শেষ হৈ যোৱাৰ কিছু সময় পিছত নিৰীক্ষকে সকলো দিশ সঠিক ভাৱে মনত পেলাব নোৱাৰিবও পাৰে।

iv) **নিৰীক্ষণত ব্যৱহাৰ হোৱা সামগ্ৰীসমূহ :** চিহ্নাংকন সূচী, মান নিৰূপক কাঠী, ক্লু'ৰ কার্ড, বাৰং বাৰতা গণণাৰ ৰেক ফর্ম।

v) **ব্যাখ্যা :** পৰিকল্পনাৰ সীমাবদ্ধতা, নমুনা সংগ্ৰহ বা প্ৰক্ৰিয়া আদিক বিবেচনা কৰি নিৰীক্ষণৰ ফলাফল সাৱধানে ব্যাখ্যা কৰিব লাগে।

ঘ) মান নিৰূপক কাঠী : মান নিৰূপক কাঠীত ব্যক্তিৰ ব্যক্তিত্বৰ সংলক্ষণ জানিবৰ বাবে অন্যক সোধা হয়। মান নিৰূপকবোৰ পিতৃ-মাতৃ, শিক্ষক, সাক্ষাৎগ্ৰহণকাৰীৰ বর্ড আৰু বিচাৰক আৰু নিজৰ দ্বাৰা প্ৰদান কৰা হয়। ই সি/তাইক মান নিৰূপন কৰা ব্যক্তিজনৰ ওপৰত বিষয়বস্তুৱে যি ছাপ পেলাইছে, তাক প্ৰতিফলিত কৰে। এই পদ্ধতিটোত তিনিটা মেটলিক দিশ জড়িত হৈ থাকে—

- নিৰূপন কৰিব লগা বিশেষ সংলক্ষণ বা সংলক্ষণসমূহ
- দখলৰ মাত্ৰা বা সংলক্ষণৰ অভাৱ দেখুওৱা কাঠী
- মান নিৰূপন কৰিবলৈ থকা উপযুক্ত ব্যক্তি বা বিচাৰক।

প্ৰথম পদক্ষেপটো সংলক্ষণ বা বৈশিষ্ট্য নির্বাচনৰ বাবে প্ৰয়োজন, যিবোৰ বিচাৰকে মূল্যায়ণ কৰে আৰু স্পষ্টভাৱে সংজ্ঞা প্ৰদান কৰে। সেই অনুসৰি, মান নিৰূপক কাঠী প্ৰস্তুত কৰা হয়। ধৰা হ'ল আপুনি, "কৃতিত্বৰ প্ৰয়োজনীয়তাৰ স্তৰ" শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নিৰূপন কৰিব বিচাৰিছে। আপুনি গুণাৱলীক মাত্ৰা অনুযায়ী ভাগ কৰিব পাৰে যেনে অতি উচ্চ, উচ্চ, মধ্যম, নিম্ন, অতি নিম্ন আদি। এতিয়া, এইবোৰ ভাগক এটা শাৰীত উচ্চৰ পৰা নিম্নলৈ এটা সমান পার্থক্য ৰাখি সজাই

লব লাগে আৰু ইয়াক কৃতিত্বৰ প্ৰয়োজনীয়তাৰ স্তৰৰ মান নিৰ্ণপক কাঠী হিচাবে নামাকৰণ কৰিব লাগে। সাধাৰণতে মাত্ৰাবোৰ সংখ্যাৰে দেখুওৱা হয়, ১ ৰ পৰা ৩ — ৫ — ৭, য'ত তিনিটা বিন্দু, পাঁচটা বিন্দু বা ৭ টা বিন্দু থাকে। উদাহৰণ স্বৰূপে ৭ টা বিন্দুৰ কাঠী হৈছে তলত দিয়া ধৰণৰ

অতি উত্তম	অতি উচ্চ	উচ্চ	মধ্যম	মধ্যমৰ তলত	নিম্ন	অতি নিম্ন

এতিয়া নিৰ্ণপণকাৰী (ধৰা হ'ল শিক্ষক), যিয়ে ব্যক্তিক উপযুক্তভাৱে নিৰ্ণপন কৰাৰ বাবে প্ৰস্তুত থাকে, তেওঁলোকক মান নিৰ্ণপনৰ বাবে আৰু নম্বৰ প্ৰদানৰ বাবে কব পাৰি, ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্বৰ মাত্ৰা অনুযায়ী ১ৰ পৰা ৭ৰ ভিতৰত তেওঁলোকক নম্বৰ প্ৰদান কৰিব লাগে।

মান নিৰ্ণপক কাঠীক নিয়ন্ত্ৰণ কৰা নীতিসমূহঃ—

- বিশেষ সংলক্ষণ বা আচৰণৰ ধৰণ নিৰ্ণপন কৰি তাক উপযুক্তভাৱে সংজ্ঞায়িত কৰিব লাগে।
- কাঠী উপযুক্তভাৱে সংজ্ঞায়িত কৰিব লাগে অৰ্থাৎ ৩, ৪, ৫ বা ৭ পইণ্টৰ নিৰ্ণপন হয় নে নহয়।
- মূল্যায়ণ কৰা সংলক্ষণবোৰ নিৰীক্ষণৰ বাবে প্ৰস্তুত থাকিব লাগে।
- মান নিৰ্ণপক কাঠীৰ একে ধৰণৰ মানদণ্ড বজাই ৰাখিব লাগে।
- নিৰীক্ষৰে নিৰ্ণপন কৰিবলগীয়া বৈশিষ্ট্যসমূহৰ বাবে বিভিন্ন পৰিস্থিতিত নিৰ্ণপন পৰ্য্যবেক্ষণ কৰিব লাগে।
- মান নিৰ্ণপন কৰিবলগীয়া বৈশিষ্ট্যবোৰৰ সীমাবদ্ধতা থাকিব লাগে।
- মান নিৰ্ণপক কাঠীৰ কাৰ্ডত, কিছু ঠাই ৰাখিব লাগে যাতে নিৰীক্ষকে পৰিপূৰক সামগ্ৰী লিখিব পাৰে।
- মান নিৰ্ণপক কাঠীৰ ব্যৱহাৰৰ নিৰ্দেশনা স্পষ্ট আৰু বোধগম্য হ'ব লাগে।
- যিকোনো মান নিৰ্ণপক কাঠীৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰিবলৈ বহুতো বিচাৰকক নিয়োগ কৰিব পাৰি।
- মান নিৰ্ণপনৰ বাবে জ্ঞান থকা আৰু অভিজ্ঞতা থকা ব্যক্তিক নিৰ্বাচন কৰিব লাগে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ : চিকিৎসামূলক সাক্ষাৎকাৰ ব্যৱহাৰ কৰাৰ উদ্দেশ্য কি ?

প্ৰশ্ন ২ : আপুনি কিদৰে নিৰীক্ষণৰ ৰেকৰ্ডিং কৰিব চমুকৈ লিখক।

ব্যক্তিত্ব কেতিয়াবা উদ্ভাৱনকাৰীৰ দ্বাৰা পৰিমাপন কৰা হয়। ব্যক্তিত্ব উদ্ভাৱনকাৰী হৈছে প্ৰধানকৈ ব্যক্তিৰ জীৱনৰ ইতিহাস, অনুভৱ, পছন্দ বা ক্ষমতাৰ আদি কিছুমান দিশৰ বিষয়ে সজোৱা এক মানদণ্ডৰ প্ৰশ্ন, যাক উপযুক্তভাৱে উপস্থাপন কৰা হয় আৰু উপযুক্ত মানদণ্ডৰ দ্বাৰা নম্বৰ প্ৰদান কৰা হয়। ই হৈছে বিভিন্ন দিশৰ প্ৰশ্নৱলী সদৃশ কেৱল দুটা দিশৰ বাহিৰে— প্ৰথমতে প্ৰশ্নাৱলী হৈছে এক সাধাৰণ আহিলা আৰু সকলো ধৰণৰ তথ্য আহৰণৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পাৰি। অন্যহাতে, ব্যক্তিত্ব উদভাবনকাৰী হৈছে ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কে বিশেষভাৱে সংগ্ৰহ কৰা তথ্য। দ্বিতীয়তে, প্ৰশ্নাৱলীবোৰ সাধাৰণতে দ্বিতীয় ব্যক্তিক সুধিব পৰা ধৰণৰ, যেনে—

আপুনি প্ৰায়ে উদ্বেগ অনুভৱ কৰে নেকি ? হয়/নহয়

ব্যক্তিত্ব উদভাৱণকাৰীৰ ক্ষেত্ৰত, প্ৰশ্নবোৰ সাধাৰণতে প্ৰথম সোধা হয়, যেনে—

মই প্ৰায়েই উদ্বেগ অনুভৱ কৰো। হয়/নহয়

কিছুমান বিখ্যাত ব্যক্তিত্ব উদ্ভাৱনকাৰীৰ বৰ্ণনা—

১৯১৮ চনৰ পৰা এক বৃহৎ সংখ্যক ব্যক্তিত্ব উদ্ভাৱনকাৰী বিকাশ ঘটিছে। প্ৰথমবাৰৰ বাবে আৰ. এচ, উদৱৰ্থে ব্যক্তিত্ব উদ্ভাৱনকাৰী প্ৰস্তুত কৰিছিল, সেইটো হৈছে, "ব্যক্তিগত তথ্যচিট" য'ত ১১৬টা প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছিল, ১৯১৮ চনত সৈনিক সকলৰ মাজত স্নায়ৱিক প্ৰৱণতা উলিয়াবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। আৰ. জি. বাৰেণটিউৰে ১২৫ টা বিষয়বস্তু সন্নিবিষ্ট থকা উদ্ভাৱনকাৰী প্ৰস্তুত কৰিছিল, ইয়াৰ দ্বাৰা স্নায়ৱিক প্ৰৱণতা, আত্মনিৰ্ভৰশীলতা, অন্তৰ্মুখীতা, বহিৰ্মুখীতা, আধিপত্য আৰু বশৱৰ্তীতাৰ পৰিমাপন কৰা হৈছিল। সেইদৰে, ফ্লাবগান, গিলফোৰ্ড আৰু অন্য কিছুমানে উদ্ভাৱনকাৰী প্ৰস্তুত কৰি উলিয়াইছিল। এনেবোৰ উদ্ভাৱনকাৰী প্ৰধানকৈ আমেৰিকা আৰু পশ্চিমীয়া দেশবোৰত বিকাশ হৈছিল, ব্ৰিটেইন আদি নাম উল্লেখযোগ্য। ব্যক্তিত্ব উদ্ভাৱনকাৰী ভাৰতবৰ্ষতো বিকাশ আৰু ব্যৱহাৰ হৈছে, উদাহৰণ স্বৰূপে, আলিগড় বিশ্ববিদ্যালয়ৰ বৃত্তীয় পৰামৰ্শদান কেন্দ্ৰই সমাযোজন উদ্ভাৱনকাৰী ব্যৱহাৰ কৰিছিল। এতিয়া আমি কেইটামান গুৰুত্বপূৰ্ণ উদ্ভাৱনকাৰীৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

i) **বেলৰ সমাযোজন উদ্ভাৱনকাৰী :** এই উদ্ভাৱনকাৰীৰ দুটা প্ৰকাৰ আছে, এটা হাইস্কুল আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰু আনটো প্ৰাপ্তবয়স্কসকলৰ বাবে। এই উদ্ভাৱনকাৰীৰ প্ৰস্তুতি স্তৰত, ষ্টাৰ্চষ্ট'ন ব্যক্তিত্বসূচীৰ ২২৩ টা বিষয়বস্তু ব্যৱহাৰ কৰা হৈছিল আৰু তাত অতিৰিক্তভাৱে ১৮৮ বিষয়বস্তু সংযোগ কৰা হৈছিল। অনুপযুক্ত বিষয়বস্তুবোৰ আঁতৰাই ১৪০টা বিষয়বস্তুৰে প্ৰকৃত উদ্ভাৱনকাৰী প্ৰস্তুত হৈছিল এই উদ্ধাৱনকাৰীটো ছাত্ৰ-ছাত্ৰীসকলৰ চাৰিটা ক্ষেত্ৰৰ সমাযোজন পৰিমাপনৰ বাবে প্ৰস্তুত কৰা হৈছিল— i) গৃহ সমাযোজন, ii) স্বাস্থ্য সমাযোজন, iii) সামাজিক সমাযোজন আৰু iv) আবেগিক সমাযোজন প্ৰত্যেকটো

ক্ষেত্রতে ৩৫ টাকৈ বিষয়বস্তু আছে। ত্রি ফক্তাৱনকাৰীটোৰ নির্ভৰযোগ্যতা অতি উচ্চ। এই উক্তাৱনকাৰীত সন্নিৱিষ্ট হোৱা বিষয়ৰ উদাহৰণ— আপুনি সঘনাই দিবা-স্বপ্ন দেখে নেকি ?

ii) **আলপোর্ট আৰু আলপোর্টৰ এ-এচ উক্তাৱনকাৰী :** জি. ডব্লিউ আলপোর্ট আৰু আলপোর্টে এটা অধ্যয়ণ কৰিছিল, ইয়াৰ উদ্দেশ্য আছিল "এজন ব্যক্তিৰ নিজৰ সতীর্থৰ ওপৰত (বা তেওঁলোকৰ দ্বাৰা আধিপত্য বিস্তাৰ কৰা) দৈনন্দিন জীৱনৰ পৰিস্থিতিত আধিপত্য বিস্তাৰ কৰাৰ স্বভাৱ আৱিস্কাৰ কৰা।" এই অধ্যয়নৰ দুটা ধৰণ আছিল— পুৰুষ আৰু মহিলাৰ বাবে। পুৰুষৰ বাবে ৩৩ টা বিষয়বস্তু আৰু মহিলাৰ বাবে ৩৪ টা বিষয়বস্তু আছিল। প্রতিটো বিষয়বস্তুৰ আৰম্ভণিতে আমি সাধাৰণতে সভাত, স্কুলত, বাছক বা অন্য একে ধৰণৰ পৰিবেশত সন্মুখীন হোৱা পৰিস্থিতিৰ চমু বর্ণনাৰে বর্ণনা কৰা হয়। এই বিষয়বস্তুবোৰত, কিছুমান পৰিবেশ মৌখিকভাৱে উপস্থাপন কৰা হয়। এই বিষয়বস্তুসমূহৰ প্রতিক্রিয়া দিয়া হয়। ইয়াত অভীক্ষার্থীগৰাকীক প্রতিটো বস্তুৰ বাবে পৰিস্থিতি পূৰণৰ ক্ষেত্রত তালিকাভূক্ত কৰা দুটা বা চাৰিটা বিকল্প উপায়ৰ ভিতৰত এটা উপায় দেখুৱাবলৈ কোৱা হয়। মুঠ নম্বৰে অভিক্ষার্থীজন উর্ধগামী নে বশবর্তী ভাৰ এক ধাৰণা দিয়ে। এই অধ্যয়নটো হৈছে স্ব-প্রশাসিত আৰু ইয়াত সময়ৰ সীমাবদ্ধতা নেথাকে। প্রশাসন সম্পূর্ণ হোৱাৰ আগতে অভীক্ষার্থীজনক অধ্যয়নৰ উদ্দেশ্যসম্পর্কে জনোৱা নহয়, অন্যথা প্রতিক্রিয়া প্রভাৱিত হব পাৰে।

উক্তাৱনকাৰীৰ হাতপুথিত নির্ভৰযোগ্যতা আৰু বৈধতাৰ সহ-সম্বন্ধ দিয়া থাকে। পুৰুষৰ বাবে দ্বিখণ্ডিত নির্ভৰযোগ্যতা .৮৫ আৰু মহিলাৰ বাবে .৯০। অভীক্ষা-পুন অভীক্ষাৰ নির্ভৰযোগ্যতাও উচ্চ। মধ্যমীয়া বৈধতাৰ সহ-সম্বন্ধ পোৱা গৈছিল। নিৰূপকক মাপকাঠী হিচাবে ব্যৱহাৰ কৰা হয়। এই অধ্যয়নটো আত্ম জ্ঞান আৰু বৃত্তীয় নির্বাচন আৰু নম্বৰৰ পৰামর্শৰ ক্ষেত্রত সহায়ক বুলি প্রমাণিত হৈছে।

iii) **মিন্নাচোটা মাল্টিফিজিক ব্যক্তিত্ব উক্তাৱনকাৰী :** এ

iv) ই উক্তাৱনকাৰীটো ১৯৪৩ চনত প্রকাশিত হৈছিল। ই হৈছে আমেৰিকাত বহুল ব্যৱহৃত হোৱা উক্তাৱনকাৰীৰ এটা। ইয়াত ৫৫০টা বিষয়বস্তু আছে আৰু এইবোৰক ১৬ বছৰ বা তাতকৈ ডাঙৰ মানুহৰ ক্ষেত্রত প্রয়োগ কৰিব পাৰি। প্রত্যেকটো বিষয় পৃথক কার্ডত চপা কৰা হয় আৰু অভীক্ষার্থীয়ে তাক তিনিটা দলত সজাই লয়— 'সচাঁ', 'মিছা' আৰু 'কব নোৱাৰো'। বিষয়বস্তুপসমূহ ২৬ টা শিতানত ভাগ কৰা হয়, যেনে পৰিয়াল, সাধাৰণ স্বাস্থ্য, ধর্মীয় মনোভাৰ, ভয়, মোহ ইত্যাদি। ৯টা ব্যক্তিত্ব সংলক্ষণ পৰিমাপন কৰিবলৈ বিষয়বস্তুবোৰক পৃথক কাঠীত দলীয়কৰণ কৰিব পাৰি হাইপোকণ্ড্রিয়াছিছ (Hs), হতাশা (D), হিষ্টেৰিয়া (D), চাইকোপেথিক বিচ্যুতি (Pd), পুৰুষত্ব-নাৰীত্ব (Mf), পেৰানোইয়া (Pa), চাইকেষ্টেনিয়া (Pt), চিজোপেনিয়া (Sc) আৰু হাইপোমেনিয়া (Ma)। এইবোৰৰ স্পষ্ট বর্ণনা দিয়া হৈছে— ১. Hs—

শাৰীৰিক অভিযোগ, নির্জন, উদাসীন নহয় শৃংখলাবদ্ধ, ২. D— লাজ লগা নহয় শক্তিশালী মুডী শিথিল নহয়, ৩. Hy— শাৰীৰিক অভিযোগ, চতুৰ, বন্ধুত্ব সুলাভ, বিশ্বাসী, ৪. Pd— সামাজিক, তুচ্ছ, সুসংহত, বুদ্ধিয়ক, অসৎ, ব্যৱহাৰিক নহয়, বন্ধুত্ব সুলভ নহয়, ৫. Mf— অবাস্তৱিক, জনপ্রিয় নহয়, আবেগিক নহয় ইত্যাদিবোৰ হৈছে পুৰুষ সুলভ লক্ষণ, আনহাতে লৌকিক, সংবেদনশীল লাজকুৰীয়া ইত্যাদিবোৰ নাৰীত্বৰ লক্ষণ, ৬. Pt— দয়ালু শান্ত, কোমল হৃদয়, নির্ভৰশীল, খিংখিঙীয়া, ৭. Sc- হতাশা, একে মুডত একেধৰণে থকা, পলায়নবাদী, ৮. Pa— অহংকাৰী, কঠিন হৃদয়ৰ, সামাজিক, চতুৰ, ৯. Ma— গৌৰৱ কৰা, উদ্যমী, হিংসা, জনপ্রিয়, শক্তিশালী আত্ম বিশ্বাসী।

উদ্ভাৱনকাৰী কিছুমান বিষয়বস্তু হৈছে— মই আনৰ দৰে সুখী হ'ব বিচাৰো। বিষয়বস্তুবোৰ 'স', 'মি' বা 'কব নোৱাৰো' বুলি উত্তৰ দিয়া হয়। বিভিন্ন ধৰণৰ সমাধান দিয়া হৈছিল যেনে বিভিন্ন কাঠীৰ বাবে মানসিক বৈষম্যমূলক সমাধান, নিয়ন্ত্রণ আৰু পৰিপূৰক সমাধান।

MMPI প্রধানকৈ নৈদানিক আৰু চিনাক্তকৰণৰ উদ্দেশ্যত ব্যৱহৃত হয়। ই ৰোগী আৰু সাধাৰণ ব্যক্তিৰ মাজত পার্থক্য নির্ণয়ৰ বাবেও উপযোগী। ইয়াৰ উচ্চ পর্য্যায়ৰ ভৱিষ্য বৈধতা আছে। প্রশাসন আৰু নম্বৰ প্রদান বিশদ বিৱৰণ ব্যক্তিগত (কার্ড) ধৰম আৰু দলীয় পুস্তিকা (বুকলেট) দুয়ো ধৰণত পৃথক ভাৱে দিয়া হয়। পুস্তিকাৰ নম্বৰ হাতেৰে লগতে যন্ত্রৰে কৰিব পাৰি। যন্ত্রৰ নম্বৰত, ১৭ টা চাবি ব্যৱহাৰ কৰা হয়। সকলোবোৰ বিষয়ৰ উত্তৰ কৰিব লাগে। ইয়াৰ চুটি সংস্কৰণত ৩৩৬ টা বিষয়বস্তু থাকে যিবোৰ জৰুৰীকালীনভাৱে ব্যৱহাৰ কৰিব পাৰি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ : ব্যক্তিত্ব উদ্ভাৱনকাৰী বুলিলে কি বুজে ?

প্রশ্ন ৪ : বেলৰ সমাযোজন উদ্ভাৱনকাৰীৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

১৩.৩.২ বস্তুনিষ্ঠ পদ্ধতিসমূহ

ব্যক্তিত্ব কেতিয়াবা ইনভেণ্টৰীৰ সহায়ত পৰিমাপ কৰা হয়। ব্যক্তিত্ব ইনভেণ্টৰী মূলতঃ ব্যক্তিৰ জীৱন ইতিহাস, অনুভূতি, পছন্দ অথবা কার্যকলাপৰ কিছুমান দিশ সম্পর্কীয় প্রশ্নৰ এক মানক সমষ্টি, যি এক মানক পদ্ধতিত উপস্থাপন কৰা হয় আৰু এক মানক স্ক'ৰিং কী (scoring key) ৰ সহায়ত স্ক'ৰ কৰা হয়। ই বহু দিশত এখন প্রশ্নাৱলীৰ দৰে, কিন্তু দুটা দিশত পার্থক্য আছে। প্রথমতে, প্রশ্নাৱলী হৈছে এক সাধাৰণ উপায় আৰু ইয়াক সকলো ধৰণৰ তথ্য সংগ্রহৰ বাবে ব্যৱহাৰ কৰিব পাৰি। আনহাতে, ব্যক্তিত্ব ইনভেণ্টৰী বিশেষভাৱে এজন ব্যক্তিৰ ব্যক্তিত্ব

সম্পৰ্কীয় তথ্য সংগ্ৰহৰ বাবে প্ৰস্তুত কৰা হয়। দ্বিতীয়তে, প্ৰশ্নাৱলীত থকা প্ৰশ্নসমূহ সাধাৰণতে দ্বিতীয় পুৰুষলৈ সম্বোধন কৰি দিয়া হয়, যেনে—

তুমি সঘনাই উদ্বিগ্নতা অনুভৱ কৰা নেকি? হয়/নহয়?

ব্যক্তিত্ব ইনভেণ্টৰীৰ ক্ষেত্ৰত, প্ৰশ্নসমূহ সাধাৰণতে প্ৰথম পুৰুষলৈ সম্বোধন কৰি দিয়া হয়, যেনে—

মই সঘনাই উদ্বিগ্নতা অনুভৱ কৰোঁ। হয়/নহয়।

বিখ্যাত কিছুমান ব্যক্তিত্ব ইনভেণ্টৰীৰ বৰ্ণনা

১৯১৮ চনৰ পৰা বহু সংখ্যক ব্যক্তিত্ব ইনভেণ্টৰী বিকাশ কৰা হৈছে। আৰ. এছ. উডৱৰ্থে (R.S. Woodworth) প্ৰথমবাৰৰ বাবে ১৯১৮ চনত 'Personal Data Sheet' নামৰ এখন ইনভেণ্টৰী প্ৰস্তুত কৰিছিল, য'ত ১১৬টা প্ৰশ্ন আছিল আৰু ইয়াৰ উদ্দেশ্য আছিল সৈনিকসকলৰ মাজত স্নায়ৱিক প্ৰৱণতা (neurotic tendency) বিচাৰি উলিওৱা। আৰ. জি. বাৰ্নৰয়টাৰে (R. G. Bernreuter) ১২৫টা উপাদান (items) থকা এখন ইনভেণ্টৰী প্ৰস্তুত কৰিছিল, যাৰ দ্বাৰা স্নায়ৱিক প্ৰৱণতা, আত্মনিৰ্ভৰশীলতা, অন্তৰ্মুখিতা, বহিৰ্মুখিতা, আধিপত্য আৰু বশ্যতা পৰিমাপ কৰা হৈছিল। একেদৰে, ফ্লাবাগান (Flabagan), গিলফৰ্ড (Guilford) আৰু আন বহুতে ইনভেণ্টৰী প্ৰস্তুত কৰিছে। এই ইনভেণ্টৰীসমূহ মূলতঃ আমেৰিকা আৰু পাশ্চাত্য দেশসমূহত, বিশেষকৈ ব্ৰিটেইন আদিত বিকাশ কৰা হৈছিল। ভাৰততো ব্যক্তিত্ব ইনভেণ্টৰীৰ বিকাশ আৰু ব্যৱহাৰ কৰা হৈছে; উদাহৰণস্বৰূপে, আলিগড় বিশ্ববিদ্যালয়ৰ বৃত্তিমূলক নিৰ্দেশনা কেন্দ্ৰই (Vocational Guidance Centre) সমন্বয় ইনভেণ্টৰীসমূহ ব্যৱহাৰ কৰিছে। এতিয়া আমি কিছুমান অতি গুৰুত্বপূৰ্ণ ইনভেণ্টৰীৰ সংক্ষিপ্ত বৰ্ণনা আগবঢ়াম।

(i) বেল সমন্বয় ইনভেণ্টৰী (Bell Adjustment Inventory): এই ইনভেণ্টৰীৰ দুটা ৰূপ উপলব্ধ আছে—এটা উচ্চ মাধ্যমিক আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে, আৰু আনটো প্ৰাপ্তবয়স্কসকলৰ বাবে। এই ইনভেণ্টৰীৰ প্ৰস্তুতি পৰ্যায়ত থাৰষ্টোন ব্যক্তিত্ব সূচী (Thurston Personality Schedule) ৰ ২২৩টা উপাদান (items) ব্যৱহাৰ কৰা হৈছিল আৰু অতিৰিক্তভাৱে ১৮৮টা উপাদান সংযোজন কৰা হৈছিল। অনুপযুক্ত উপাদানসমূহ বাদ দিয়াৰ পিছত চূড়ান্ত ইনভেণ্টৰীত ১৪০টা উপাদান থাকে। এই ইনভেণ্টৰী শিক্ষাৰ্থীসকলৰ সমন্বয় চাৰিটা ক্ষেত্ৰত পৰিমাপ কৰিবলৈ প্ৰস্তুত কৰা হৈছে: (i) গৃহ সমন্বয়, (ii) স্বাস্থ্য সমন্বয়, (iii) সামাজিক সমন্বয় আৰু (iv) আবেগিক সমন্বয়। প্ৰতিটো ক্ষেত্ৰত ৩৫টা উপাদান আছে। এই ইনভেণ্টৰীৰ নিৰ্ভৰযোগ্যতা (reliability) অতি উচ্চ। ইনভেণ্টৰীটোত "তুমি সঘনাই দিবাস্বপ্ন দেখানে?" ধৰণৰ উপাদান অন্তৰ্ভুক্ত আছে।

(ii) অলপ'ৰ্ট আৰু অলপ'ৰ্টৰ A-S ইনভেণ্টৰী (Allport and Allport's A-S Inventory): জি. ডব্লিউ. অলপ'ৰ্ট (G.W. Allport) আৰু এফ. এইচ. অলপ'ৰ্টে (F.H. Allport) "দৈনন্দিন জীৱনৰ বিভিন্ন মুখামুখি সম্পৰ্কত এজন ব্যক্তিৰ নিজৰ সহচৰসকলৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰ (বা তেওঁলোকৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ) প্ৰৱণতা আবিষ্কাৰ কৰাৰ" উদ্দেশ্যে এক অধ্যয়ন চলাইছিল। এই অধ্যয়নটো দুটা ৰূপত উপলব্ধ—পুৰুষ আৰু মহিলাৰ বাবে। পুৰুষৰ বাবে অধ্যয়নটোত ৩৩টা উপাদান আৰু মহিলাৰ বাবে ৩৪টা উপাদান আছে। প্ৰতিটো উপাদান এক

সংক্ষিপ্ত পৰিস্থিতিৰ বৰ্ণনাৰে আৰম্ভ হয়, যিবোৰ আমি সাধাৰণতে সভাত, বিদ্যালয়ত, বাছত অথবা আন পৰিচিত পৰিৱেশত সন্মুখীন হওঁ। এই উপাদানসমূহত কিছুমান পৰিস্থিতি মৌখিকভাৱে উপস্থাপন কৰা হয়। এই উপাদানসমূহৰ উত্তৰসমূহ দিয়া থাকে। বিষয়জনক প্ৰতিটো উপাদানৰ ক্ষেত্ৰত পৰিস্থিতিৰ সন্মুখীন হ'বলৈ তালিকাভুক্ত দুটা বা চাৰিটা বিকল্প পদ্ধতিৰ মাজৰ পৰা এটা চিহ্নিত কৰিবলৈ কোৱা হয়। মুঠ স্ক'ৰে বিষয়জনৰ মাজত আধিপত্য (ascendance) অধিক প্ৰধান নে বশ্যতা (submission) অধিক প্ৰধান, তাৰ ধাৰণা দিয়ে। এই অধ্যয়ন স্ব-প্ৰশাসিত (self-administered) আৰু ইয়াৰ বাবে কোনো সময়সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। অধ্যয়নটোৰ উদ্দেশ্য প্ৰশাসন সম্পূৰ্ণ নোহোৱালৈকে বিষয়জনক প্ৰকাশ কৰা উচিত নহয়, অন্যথা উত্তৰসমূহ প্ৰভাৱিত হ'ব পাৰে।

ইনভেণ্টৰীৰ মেনুৱেলত নিৰ্ভৰযোগ্যতা আৰু বৈধতা সহগ (validity coefficients) প্ৰদান কৰা হৈছে। পুৰুষৰ বাবে split-half reliability .85 আৰু মহিলাৰ বাবে .90 আছিল। Test-retest reliability ও উচ্চ। মধ্যম মানৰ বৈধতা সহগ লাভ কৰা গৈছে। মানদণ্ড (criterion) হিচাপে rating ব্যৱহাৰ কৰা হৈছিল। এই অধ্যয়নে আত্ম-জ্ঞান, বৃত্তিমূলক নিৰ্বাচন আৰু স্ক'ৰ নিৰ্দেশনাত সহায়ক বুলি প্ৰমাণিত হৈছে।

(iii) মিনেছ'টা বহুমাত্ৰিক ব্যক্তিত্ব ইনভেণ্টৰী (Minnesota Multiphasic Personality Inventory বা MMPI): এই ইনভেণ্টৰী ১৯৪৩ চনত প্ৰকাশিত হৈছিল। ই আমেৰিকাত আটাইতকৈ বিস্তৃতভাৱে ব্যৱহৃত ইনভেণ্টৰীসমূহৰ ভিতৰত অন্যতম। ইয়াত ৫৫০টা উপাদান আছে আৰু ১৬ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ ওপৰত প্ৰয়োগ কৰিব পাৰি। প্ৰতিটো উপাদান পৃথক কার্ডত মুদ্ৰিত থাকে আৰু বিষয়জনে ইয়াক তিনিটা গোটত বিভাজিত কৰে— 'True', 'False', আৰু 'Cannot Say'। উপাদানসমূহ ২৬টা শিৰোনামৰ অন্তৰ্গত, যেনে পৰিয়াল, সাধাৰণ স্বাস্থ্য, ধৰ্মীয় মনোভাৱ, ভীতি (phobias), বিভ্ৰম (delusions) আদি। উপাদানসমূহ পৃথক স্কেলত গোটবদ্ধ কৰি নটা ব্যক্তিত্ব বৈশিষ্ট্য পৰিমাপ কৰিব পাৰি—হাইপ'কণ্ড্ৰিয়াছিছ (Hs), হতাশা (D), হিস্টেৰিয়া (Hy), মনোৰোগমূলক বিচ্যুতি (Pd), পুৰুষত্ব-স্ত্ৰীত্ব (Mf), পেৰানইয়া (Pa), চাইকাস্থেনিয়া (Pt), স্কিজ'ফ্ৰেনিয়া (Sc), আৰু হাইপ'মেনিয়া (Ma)। এইবোৰৰ স্পষ্ট বৰ্ণনা দিয়া হৈছে—

(1) Hs—শাৰীৰিক অভিযোগ, নিভৃতবাসী, উদাসীন, শৃংখলাবদ্ধ নহয়, সিদ্ধান্তহীন;

(2) D—লাজুক, শক্তিহীন, খামখেয়ালী মনোভাৱ, শিথিল নহয়;

(3) Hy—শাৰীৰিক অভিযোগ, প্ৰশংসাপ্ৰিয়, বন্ধুত্বপূৰ্ণ, বিশ্বাসী;

(4) Pd—মিলনসাৰ, হালধীয়া মনোভাৱৰ, অসংলগ্ন, চতুৰ, অসৎ, ব্যৱহাৰিক নহয়, বন্ধুত্বপূৰ্ণ নহয়;

(5) Mf—অবাস্তৱধৰ্মী, জনপ্ৰিয় নহয়, আবেগহীন আদি পুৰুষত্বৰ লক্ষণ, আনহাতে জাগতিক, সংবেদনশীল, লাজুক আদি স্ত্ৰীত্বৰ লক্ষণ;

(6) Pt—দয়ালু, শান্ত, কোমল হৃদয়ৰ, নিৰ্ভৰশীল, খংযুক্ত;

(7) Sc—হতাশাগ্ৰস্ত, সদায় একে মনোভাৱত থকা, পলায়নবাদী;

(8) Pa—অহংকাৰী, কঠোৰ হৃদয়ৰ, মিলনসাৰ, চতুৰ;

(9) Ma—দম্ভী, উদ্যোগী, ঈর্ষাপৰায়ণ, জনপ্রিয়, শক্তিশালী, আত্মবিশ্বাসী।

ইনভেণ্টৰীৰ কিছুমান উপাদান হৈছে: "মই ইচ্ছা কৰোঁ যে মই আনসকলৰ দৰে সুখী হ'ব পাৰিলোঁহেঁতেন।" উপাদানসমূহৰ উত্তৰ 'T', 'F' অথবা 'Cannot Say' হিচাপে দিয়া হয়। বিভিন্ন ধৰণৰ কী (keys) প্রদান কৰা হৈছে, যেনে বিভিন্ন স্কেলৰ বাবে psychiatric discriminative keys, control keys আৰু supplementary keys।

M.M.P.I. মূলতঃ ক্লিনিকেল আৰু ৰোগ নির্ণায়ক (diagnostic) উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা হয়। ই ৰোগগ্রস্ত (pathological) আৰু স্বাভাৱিক ব্যক্তিৰ মাজত পার্থক্য নির্ণয় কৰাৰ বাবেও উপযোগী। ইয়াৰ predictive validity অতি উচ্চ। ব্যক্তিগত (card) ৰূপ আৰু গোটীয় (booklet) ৰূপ—উভয় ক্ষেত্রতেই প্রশাসন আৰু স্ক'ৰিংৰ বিশদ বিৱৰণ পৃথকভাৱে দিয়া হৈছে। booklet ৰূপত স্ক'ৰিং হাতেদি আৰু যন্ত্রৰ সহায়ত দুয়ো পদ্ধতিতে কৰিব পাৰি। যন্ত্রভিত্তিক স্ক'ৰিংত ১৭টা কী ব্যৱহাৰ কৰা হয়। সকলো উপাদানৰ উত্তৰ দিয়াটো বাঞ্ছনীয়। ৩৩৬টা উপাদানযুক্ত সংক্ষিপ্ত সংস্কৰণো জৰুৰী ব্যৱহাৰৰ বাবে উপলব্ধ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ : ব্যক্তিত্ব ইনভেণ্টৰী বুলিলে কি বুজায়?

প্রশ্ন ৪ : বেল সমন্বয় ইনভেণ্টৰী (Bell Adjustment Inventory) সম্পর্কে সংক্ষেপে বর্ণনা কৰক।

১৩.৩.৩ প্রক্ষিপ্ত পদ্ধতিসমূহ

আমাৰ আগৰ আলোচনাত আমি ব্যক্তিৰ সচেতন বা আচৰণৰ মূল্যায়ণৰ বিভিন্ন পদ্ধতি বা কৌশলবোৰৰ ওপৰত আলোচনা কৰিলো। কিন্তু ব্যক্তিৰ সমগ্র ব্যক্তিত্ব জানিবলৈ তেওঁৰ অচেতন আচৰণ বিষয়ে বুজাতো প্রয়োজনীয়। সেইবাবে এই ক্ষেত্রত, চিগমাত ফ্রয়ডে' বিশ্বাস কৰিছিল যে আমাৰ সচেতন আচৰণ হৈছে আমাৰ সমগ্র আচৰণৰ দশম ডাগৰ এটা ভাগমাত্র সেইবাবে এনেকুৱা কিছুমান পদ্ধতি থাকিব লাগে যিবোৰে কেৱল মাত্র মানৱ ব্যক্তিত্বৰ নিৰীক্ষণীয় অংশটোৱেই নহয় ব্যক্তিৰ আন্তঃ বা ব্যক্তিগত পৃথিৱীখনো জানিব লাগে আৰু ব্যক্তিৰ দ অচেতনতালৈ প্রবেশ কৰিব লাগে আৰু সেইদৰেই অবদমিত ইচ্ছা, অনুভৱ, ভয়, আশা, আকাংখা আৰু লক্ষ্য ইত্যাদি নিশ্চিত কৰিব লাগে। এনেবোৰ পদ্ধতি, ইয়াৰ প্রক্ষেপনৰ বাবে প্রক্ষিপ্ত পদ্ধতি বুলি কোৱা হয়। এন আনাচটাচীৰ মতে "এইটো আশা কৰা হয় যে প্রশিপ্ত কৌশলৰ পৰীক্ষামূলক সামগ্রীয়ে এক প্রকাৰৰ ঢাকনি হিচাবে কাম কৰিব যাৰ ওপৰত অভীক্ষার্থীয়ে নিজৰ বৈশিষ্টৰ ধাৰণা, মনোভাৱ, আকাংখা, ভয়, চিন্তা, আক্রমনাত্মক মনোভাৱ আৰু ইয়াৰ দৰে বস্তু প্রক্ষেপ

কৰে।" ৰুথ ষ্ট্ৰঙে নিৰীক্ষা কৰিছিল "প্ৰক্ষেপন পদ্ধতি হৈছে ব্যক্তিৰ আন্তঃ পৃথিৱীৰ বিষয়ে বুজি পোৱা পদ্ধতি।"

প্ৰক্ষেপন পদ্ধতি সৰু ল'ৰা-ছোৱালী, নিৰক্ষৰ আৰু কথা ক'বলৈ অসুবিধা পোৱা বা কথা কব নোৱাৰা সকলৰ বাবে উপযোগী। এই সকলোবোৰ দলৰ বাবে অ-মৌখিক মাধ্যম প্ৰয়োগ কৰিব পাৰি।

প্ৰক্ষিপ্ত পদ্ধতিৰ সাধাৰণ বৈশিষ্ট্যসমূহ—

প্ৰক্ষিপ্ত পদ্ধতিৰ অতি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে অভীক্ষার্থীক তুলনামূলকভাৱে অগাঁথনিহীন কামত নিযুক্তি দিয়া। প্ৰক্ষিপ্ত পদ্ধতিৰ কামত প্ৰায় সীমাহীন সাম্ভাব্য প্ৰতিক্ৰিয়াৰ বাবে অনুমতি দিয়া হয়। অভীক্ষার্থী গৰাকীক সাধাৰণ নিৰ্দেশনা প্ৰদান কৰা হয় যাতে চিন্তাৰ ক্ষেত্ৰত তেওঁ মুক্ত থাকে। সেইবাবে অভীক্ষাৰ উদ্দীপক অস্পষ্ট আৰু দুৰ্বল গঠনৰ হয়। অভীক্ষার্থীয়ে অৰ্থ, তাৎপৰ্য্য, সংগঠন বা আন কোনো ধৰণে পৰিস্থিতিৰ ওপৰত তেওঁৰ ব্যক্তিত্বৰ ছাপ পেলাব বুলি আশা কৰা হয়। মানসিক বাস্তৱতাক অন্বেষণ কৰাৰ প্ৰয়াস কৰা হয় বা ব্যক্তিৰ ব্যক্তিত্বৰ মৌলিক বৈশিষ্ট্য অন্তনিৰ্হিত ৰখা হয়, যেনে তেওঁৰ আশা, আকাংখা, প্ৰয়োজন উদ্দেশ্য, আমেজ, মনোভাৱ, সংঘাত, জটিলতা আৰু ভয় ইত্যাদি।

প্ৰক্ষিপ্ত পদ্ধতিয়ে ছদ্মবেশত পৰীক্ষণ পদ্ধতিৰ প্ৰতিনিধিত্ব কৰে। যিহেতু অভীক্ষার্থীগৰাকীয়ে নেজানে তেওঁৰ প্ৰতিক্ৰিয়াসমূহক মনোবৈজ্ঞানিক ভাৱে কেনেদৰে ব্যাখ্যা কৰা হ'ব। প্ৰক্ষিপ্ত অভীক্ষাৰ বৈশিষ্ট্য হৈছে ব্যক্তিত্বৰ মূল্যায়ণৰ ক্ষেত্ৰত এক বিশ্বব্যাপী দৃষ্টিভংগী থকা। এনে কৌশলবোৰ ব্যক্তিত্বৰ গোপন, সুপ্ত বা অচেতন দিশটো উন্মোচন কৰাৰ ক্ষেত্ৰত ফলপ্ৰসু।


প্ৰক্ষিপ্ত কৌশল বা পদ্ধতিসমূহ কেৱল আবেগিক, অভিৰোচনমূলক আৰু আন্তঃব্যক্তিক বৈশিষ্ট্যবোৰৰ সৈতে জড়িত নহয়, তাৰোপৰি এইবোৰ আচৰণৰ বৌদ্ধিক দিশৰ সৈতেও জড়িত।

প্ৰক্ষিপ্ত পদ্ধতিৰ প্ৰকাৰসমূহ—

বহুতো প্ৰতিমানীকৃত প্ৰক্ষিপ্ত অভীক্ষা আছে যিবোৰ সমগ্ৰ পৃথিৱীৰ মনোবিদসকলে ব্যৱহাৰ কৰে। সেইবোৰ হৈছে ৰ'ৰছাক চিয়াহী দাগ অভীক্ষা, কাহিনী সংবোধন অভীক্ষা আৰু বিভিন্ন অন্য ছবি অভীক্ষা যেনে শিশুৰ সংপ্ৰত্যক্ষ অভীক্ষা, ব্লকি ছবি, মিচিগান ছৱি অভীক্ষা, ৰোচেনজাইং ছৱি-হতাশা অধ্যয়ন ইত্যাদি। এই অভীক্ষাবোৰৰ ভিতৰত, ৰৰছাক চিয়াহী দাগ অভীক্ষা আৰু কাহিনী সংবোধন অভীক্ষা হৈছে অতি জনপ্ৰিয় আৰু বহলভাৱে ব্যৱহৃত ব্যক্তিত্ব পৰিমাপনৰ অভীক্ষা। এতিয়া, আমি এই জনপ্ৰিয় অভীক্ষা দুটাৰ বিষয়ে তলত আলোচনা কৰিম।

i) **ৰ'ৰছাক চিয়াহী দাগ অভীক্ষা :** চুইচ মনোবিদ হাৰমেন ৰ'ৰছাকে এই চিয়াহী দাগৰ ওপৰত ১৯২১ চনতে পৰীক্ষা চলাইছিল, ইয়াক মানসিক বিকাৰগ্রস্ততা চিনাক্ত কৰিবলৈ ব্যৱহাৰ কৰিছিল। এই অভীক্ষাৰ ভেটি হৈছে ধাৰণাৰ অভিগমন ব্যক্তিৰ ধাৰণা তেওঁৰ আবেগিক আৰু সামাজিক গঠনৰ দ্বাৰা প্রভাৱিত হয়, যেতিয়া তেওঁক সংজ্ঞায়িত নোহোৱা চিত্র এটা গ্রহণ কৰিব দিয়া হয়।

অভীক্ষাৰ সামগ্রীত ১০ খন চিয়াহীদাগ কার্ড সন্নিবিষ্ট থাকে। তাৰ পাঁচখন ক'লা আৰু বগা, বাকী পাঁচখন বিভিন্ন ৰঙৰ। এই চিয়াহী দাগবোৰ সাধাৰণতে অসংগঠিত, যিবোৰৰ কোনো আকৃতি নেথাকে আৰু কোনো বিশেষ অর্থ নেথাকে, চিত্র ১৩.১ ত দেখুওৱা হৈছে—



চিত্র ১৩.১ : **ৰ'ৰছাক চিয়াহী দাগ অভীক্ষা**ত ব্যৱহাৰ কৰা দুটা চিয়াহী দাগ ।

অভীক্ষাৰ প্রশাসন : এই অভীক্ষাটো ব্যক্তিগত ভাৱে কৰা হয়। প্রত্যেকখন কার্ড অভীক্ষার্থীক দিয়া হয়, তেওঁ সেই চিয়াহী দাগত কি দেখিছে সোধা হয়, সেইটোৰ কি অর্থ আৰু কি হ'ব পাৰে ইত্যাদি। অভীক্ষার্থীগৰাকীয়ে যদি কিবা গতি দেখে ক'ব লাগে।

অভীক্ষার্থীক কার্ডখন চাবলৈ বিচৰামতে সময় দিয়া হয় আৰু তেওঁৰ ইচ্ছা অনুযায়ী প্রতিক্রিয়াবোৰ ক'ব দিয়া হয়। তাৰোপৰি অভীক্ষার্থীজনক নিজ ইচ্ছা অনুযায়ী কার্ডখন ঘুৰাই পকাই বিভিন্ন দিশৰ পৰা চাবলৈ অনুমতি দিয়া হয়।

অভীক্ষকে অভীক্ষার্থীৰ প্রতিটো প্রতিক্রিয়া, স্থান, সময়, স্বতস্ফূত মতামত, আবেগিক প্রকাশ আৰু অন্য ঘটনা ক্রমে অভীক্ষাৰ সময়ত দেখুওৱা ব্যৱহাৰ আদি টুকি ৰাখে।

সকলোবোৰ কার্ড উপস্থাপন কৰাৰ পিছত দ্বিতীয় অনুসন্ধানৰ আৰম্ভ হয়। ইয়াৰ উদ্দেশ্য হৈছে মূল সহাৰিৰ স্পষ্টিকৰণ বা সংযোজন বিচৰা।

নম্বৰ প্ৰদান :

ৰ'ৰছাক অভীভাক নম্বৰ প্ৰদান আৰু ব্যাখ্যাকৰণৰ বহুতো ব্যৱস্থা আছে। কিন্তু বেছি ব্যৱহাৰ হোৱা নম্বৰৰ ভাগে অৱস্থিতি, নিৰ্ণায়কৰ প্ৰতিক্ৰিয়া আৰু সূচী অৰ্ন্তভূক্ত কৰে।

১. অৱস্থিতি : অভীক্ষার্থীয়ে ধাৰণা কৰা সমগ্ৰ অঞ্চলক ই অন্তর্ভূক্ত কৰে। তেওঁ চিয়াহী দাগ সম্পূৰ্ণভাৱে (W), উপভোগ (D) বা অসাধাৰণ ধাৰণা কৰিছে।

২. নিৰ্ণায়ক : এই প্ৰকাৰটোৱে চিয়াহী দাগৰ বৈশিষ্ট্যক অন্তর্ভূক্ত কৰে অর্থাৎ গতিশীলতা আৰু ৰং ইত্যাদি। বিভিন্ন নিৰ্ণায়কবোৰ তলৰ চিহ্নৰ দ্বাৰা চিহ্নিত কৰা হয়।

ধৰণ (F) : বুদ্ধিমত্তা, চিন্তাৰ সামর্থ, বাস্তৱৰ সৈতে সংযোগ আদি ধাৰণাৰ পৰা জনা যায়। যেতিয়া ভাল ধাৰণা গ্ৰহণ কৰা হয় তেতিয়া F+ দিয়া হয়। অস্পষ্ট ধাৰণাৰ বাবে F— দিয়া হয়।

ৰং (C) : আবেগসমূহ ৰঙেৰে চিহ্নিত কৰা হয়। তেতিয়া ধাৰণা প্ৰধান হয় আৰু ৰং উল্লেখ কৰা হয় তেতিয়া FC প্ৰকাৰ নম্বৰ দিয়া হয়, তেতিয়া ৰঙে প্ৰতিক্ৰিয়াক বশবর্তী কৰে আৰু ধাৰণা গৌণ হৈ পৰে তেতিয়া CF দিয়া হয় আৰু শুদ্ধ ৰঙৰ ক্ষেত্ৰত C দিয়া হয়।

শ্বেদিং (Y) : ই গভীৰতা গঠন, ধুমুহাৰ ৰূপ আদিক প্ৰতিনিধিত্ব কাম কৰে, যেনে মেঘ। তাৰোপৰি ই অভীক্ষার্থীৰ হতাশা, আনন্দ আদি কয়।

ভিষ্টা : এই প্ৰকাৰটোত FV, VF আৰু V নম্বৰ দিয়া হয়, যিটো চিত্ৰ, গভীৰতা বা উচ্চতাৰ ওপৰত নির্ভৰ কৰি দিয়া হয়।

গঠন (T) : এই দিশটোৱে ভালপাব বিচৰাটোক প্ৰতিনিধিত্ব কৰে।

গতিশীলতা (M) : M+ সৃষ্টিশীলতাক নির্দেশ কৰে, আনহাতে M- কল্পনা বুজায়।

৩. বিষয়বস্তু : এই শিতানটোত কিছুমান প্ৰধান শিতান অন্তর্ভূক্ত কৰা হয়। ইয়াৰ ভিতৰত প্ৰধান হৈছে মানব শৰীৰ, মানুহৰ বিৱৰণ (মানুহৰ শৰীৰৰ অংশ), জীৱ-জন্তুৰ শৰীৰ, জীৱ-জন্তুৰ বিৱৰণ আৰু শাৰীৰিক চিত্ৰ।

এই তিনিটা প্ৰকাৰৰ উপৰিও, জনপ্ৰিয় প্ৰতিক্ৰিয়া আৰু সংগঠন, প্ৰতিক্ৰিয়াক নম্বৰ প্ৰদান কৰা হয়।

ব্যাখ্যাকৰণ :

এই অভীক্ষাৰ ব্যাখ্যা অলপ বেলেগ ধৰণৰ হয়। গতিশীল প্ৰতিক্ৰিয়াই বৌদ্ধিকতাবাদ আৰু আন্তঃমানসিকতা দেখুৱাই, অর্থাৎ অন্তর্মুখী জীৱন। শক্তিশালী M থকা ব্যক্তিৰ প্ৰতিক্ৰিয়াবোৰ আৱিস্কাৰমূলক আৰু অন্তর্দৃষ্টিসম্পন্ন, আনহাতে নিম্ন M থকাবোৰ হৈছে জেদী আৰু ব্যৱহাৰিক মনৰ। ৰঙৰ প্ৰতিক্ৰিয়াই উদ্দীপকৰ বাহ্যিক আবেগ নির্দেশ কৰে। 'ধৰণ' বাস্তৱ দৃষ্টি ভংগীক

প্রতিনিধিত্ব কৰে। এনেবোৰ ব্যাখ্যা একেবাৰে নিৰপেক্ষ উপায়েৰে কৰা নহয়। সমগ্র পৰিয়ালৰ পটভূমি, প্রশিক্ষণ, স্বাস্থ্য, অতীত জীৱন ইত্যাদিক বিবেচনা কৰা হয়। ব্যাখ্যা কর্তাজনক প্রশিক্ষণ দিব লাগে আৰু তেওঁৰ দীর্ঘ অভিজ্ঞতা থাকিব লাগে। অনুমান, উপমা, প্রভাৱ আদি সকলোবোৰ ব্যাখ্যাৰ বাবে উপযোগী।

ii) **কাহিনী সংবোধন অভীক্ষা (TAT) :** এই অভীক্ষাটো চি.ডি. মৰগান আৰু হেনৰি মুৰিয়ে বিকাশ কৰিছিল। ইয়াক পোন প্রথমে হেনৰি মুৰীয়ে কৃতিত্বৰ প্রয়োজনীয় পৰিমাপনৰ বাবে ব্যৱহাৰ কৰিছিল। পিছত, ইয়াক ব্যক্তিত্ব পৰিমাপনৰ বাবে মনোবিদ মৰগানৰ সহায়ত সম্পূর্ণভাৱে বিকাশ কৰা হৈছিল। এই অভীক্ষাত কিছুমান ছৱি কাহিনীৰ আকাৰত অন্তর্ভূক্ত কৰা হৈছিল অর্থাৎ কাল্পনিক বস্তুৰ প্রকাশ কৰা হৈছিল। এই অভীক্ষাটোৱে নাটকৰ ঘটনাবোৰৰ ছৱি পদ্ধতিগতভাৱে অন্তর্ভূক্ত কৰিছিল। ইয়াত ৩০ খন ছৱি আছিল।

অভীক্ষাৰ সামগ্রী আৰু প্রশাসন :

ওপৰত উল্লেখ কৰা ধৰণে, অভীক্ষাৰ সামগ্রীত ৩০ খন ছবি আছিল যিবোৰত মানুহৰ বাস্তৱ জীৱনৰ ছৱি অংকিত হৈছিল। প্রকৃত ৩০ খন ছবিৰ অভীক্ষাত, ১০ খন পুৰষৰ বাবে, ১০ খন মহিলাৰ বাবে আৰু ১০ খন দুয়োটা লিংগৰ বাবে থাকে। এজন অভীক্ষার্থীৰ ক্ষেত্রত অতি বেছি ২০ খন ছৱি ব্যৱহাৰ কৰা হৈছিল। এই অভীক্ষাটো সাধাৰণতে দুটা পর্য্যায়ত কৰা হৈছিল, প্রত্যেকটো পর্য্যায়ত ১০ খন ছবি ব্যৱহাৰ কৰা হৈছিল। সাধাৰণতে অভীক্ষাটোৰ বাবে ১ ঘণ্টা সময় লাগিছিল। অভীক্ষার্থীজনক ছবিবোৰ এখন এখনকৈ উপস্থাপন কৰা হৈছিল। ছৱিবোৰ অস্পষ্ট আৰু অনির্দিষ্ট। একেবাৰে প্রথমতে, অভীক্ষীর্থীজনক কোৱা হৈছিল যে এইটো অভীক্ষা হৈছে সৃজনশীল কল্পনাৰ ওপৰত আৰু ইয়াত কোনো ভূল আৰু শুদ্ধ প্রতিক্রিয়া নেথাকে। ইয়াৰ পিছত অভীক্ষার্থীজনক ছৱিবোৰ এখন এখনকৈ দেখুওৱা হয় আৰু তেওঁক প্রত্যেক ছৱিৰ পৰা এটা কাহিনী সৃষ্টি কৰিব দিয়া হয়, তেতিয়া তলৰ দিশবোৰ মনত ৰাখিব লাগে—

- ছৱিত কি কোৱা হৈছে?
- দৃশ্যটো কিহৰ দ্বাৰা আগবাঢ়িছে?
- সেই পৰিৱেশটোত কি ঘটিব পাৰে?



চিত্ৰ ১৩.২ : TAT ৰ নমুনা ছবি সমূহ

অভীক্ষকে অভীক্ষার্থীক সম্ভৱ হ'লে নাটকীয় ঘটনাৰ সৃষ্টি কৰিব কয়। কহিনীটোৰ নাম, আৰম্ভণি, এজন নায়ক আৰু অন্ত থাকিব লাগে। এই ক্ষেত্ৰত সাধাৰণ ভাৱধাৰা এয়ে যে অভীক্ষার্থীয়ে সিজোৱা ঘটনাটোৰ জৰিয়তে নিজৰ প্ৰয়োজন, ইচ্ছা, অন্তনিৰ্হিত অভিৰোচন, আকাংখা আদিবোৰ প্ৰকাশ কৰে, যিবোৰ ইয়াৰ অন্যথাই কেতিয়োা প্ৰকাশ নহয়।

নম্বৰ প্ৰধান আৰু ব্যাখ্যাকৰণ :

TAT ঘটনাৰ নম্বৰ প্ৰদান তলত দিয়া দিশবোৰ বিবেচনা কৰি প্ৰদান কৰা হয়।

- **কাহিনীৰ নায়ক :** তেওঁৰ ব্যক্তিত্ব কেনে ধৰণৰ ?
- **কাহিনীৰ ঘটনা :** কাহিনীতো লিখাৰ ক্ষেত্ৰত তাৰ প্ৰকৃতি কেনে বা কি পৰিস্থিতিত লিখা হৈছে ?
- **কাহিনীৰ শৈলী :** কাহিনীৰ দৈর্ঘ্য, প্ৰয়োগ কৰা ভাষা, প্ৰত্যক্ষ বা পৰোক্ষ প্ৰকাশ, বলপূৰ্বক বা নিকৃষ্ট প্ৰকাশ সূচীৰ সংগঠন, মৌলিকতা আৰু সৃজনশীলতা ইত্যাদি।
- **কাহিনীৰ বিষয় :** কি আগ্ৰহ, আবেগ আৰু মনোভাব তেওঁলোকে দেখুৱায় ? কি ধৰণে আচৰণ প্ৰকাশ প্ৰকাশ হয় ? (বাস্তৱ বা কল্পনা) কাহিনীটোৱে মনৰ অৰ্ন্তভাগৰ কথা কিদৰে প্ৰকাশ কৰে ?
- **সামগ্ৰিকভাৱে অভীক্ষাৰ পৰিবেশ :** অভীক্ষার্থীৰ প্ৰতিক্ৰিয়া সামগ্ৰীকভাৱে তালিকাবদ্ধ কৰা হয়।
- **বিশেষ জোৰ দিয়া বা বাদ দিয়া :** বাদ দিয়া, সংযোজন, বিকৃত আৰু মনোযোগৰ বিশদ বিৱৰণ।
- কৰ্তৃপক্ষ আৰু লিংগৰ প্ৰতি অভীক্ষার্থীৰ মনোভাৱ।
- **ফলাফল :** কাহিনীৰ সমাপ্তিকৰণ— সুখী, অসুখী, ধেমেলীয়া ইত্যাদি।

TAT অভীক্ষা হৈছে সাধাৰণ ব্যক্তিত্বৰ গতিশীলতা, ই চিনাক্তকৰণৰ দিশ নহয়। এই অভীক্ষাটোৰ ভাল নির্ভৰযোগ্যতা আছে। কিন্তু সহসম্বন্ধৰ স্থিৰতা বেছি উচ্চ নহয়। ইয়াৰ বৈধতা মধ্যমীয়া।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ : আপুনি কেনেকৈ ৰ'ৰছাক চিয়াহী দাগ অভীক্ষাটো পৰিচালনা কৰিব ?

প্রশ্ন ৬ : কাহিনীৰ সৃষ্টি কৰোতে TAT অভীক্ষার্থীয়ে মনত ৰাখিবলগীয়া দিশবোৰ কি কি ?

১৩.৪ আমি কি কি শিকিলোঁ

এই অধ্যায়টি তলত দিয়া ধৰণে সংক্ষিপ্তকাৰ কৰি লব পাৰো—

- ব্যক্তিত্ব পৰিমাপনৰ পদ্ধতিবোৰক প্রধানকৈ বস্তুনিষ্ঠ, ব্যক্তিনিষ্ঠ আৰু প্রক্ষিপ্ত অভীক্ষাত ভগোৱা হয়।
- ব্যক্তিনিষ্ঠ পদ্ধতিবোৰ হৈছে সেইবোৰ পদ্ধতি য'ত ব্যক্তিজনে নিজৰ বিষয়ে যি জানে তাক পর্যবেক্ষণৰ বস্তু হিচাবে প্রকাশ কৰিবলৈ দিয়া হয়। ব্যক্তিয়ে নিজৰ সংলক্ষণ, মনোভাৱ ব্যক্তিগত অভিজ্ঞতা, লক্ষ্য, প্রয়োজন আৰু আগ্রহৰ বিষয়ে কোৱা কথাবোৰৰ ওপৰত এই পদ্ধতি নির্ভৰশীল হয়।
- ঘটনা বিৱৰণ পদ্ধতিত পৰিয়ালৰ বিষয়ে, ৰোগৰ বিষয়ে, সামাজিক পৰিবেশ আৰু অন্য আনুষংগিক দিশবোৰৰ বিষয়ে বিশদভাৱে অনুসন্ধান কৰা হয়।
- সাক্ষাৎকাৰৰ যোগেদি এজন ছাত্র বা শিশুৰ ব্যক্তিত্বৰ পৰিমাপনৰ দ্বাৰা তেওঁৰ/তাৰ বিকাশৰ বিষয়ে জানিব পাৰি।
- অনির্দিষ্ট সাক্ষাৎকাৰত সাক্ষাৎ গ্রহণ কৰা ব্যক্তিজনে নেতৃত্ব লয় আৰু সাক্ষাতকাৰৰ সময়ত নিজ ইচ্ছা চিনাক্ত কৰে।
- ব্যক্তিত্ব পৰিমাপনৰ বাবে নিৰীক্ষণ বা পর্য্যবেক্ষণ পদ্ধতি বহুলভাৱে প্রয়োগ কৰা হয়। ই এজন ব্যক্তিৰ প্রকৃত জীৱনৰ আচৰণৰ ধৰণ অধ্যয়ণত সহায় কৰে।
- ব্যক্তি বা দলৰ কার্য্যৰ বা আচৰণৰ প্রকৃতি অনুযায়ী ৰেকডিংৰ পদ্ধতি প্রয়োগ কৰা হয়।
- মান নিৰূপক কাঠীত ব্যক্তিৰ ব্যক্তিত্বৰ সংলক্ষণ জানিবৰ বাবে অন্যলোকক সোধা হয়।
- ব্যক্তিত্ব উদ্ভাৱনকাৰী হৈছে প্রধানকৈ ব্যক্তিৰ জীৱনৰ ইতিহাস, অনুভৱ, পচন্দ বা ক্ষমতা আদিৰ কিছুমান দিশৰ বিষয়ে সজোৱা এক মানদণ্ডৰ প্রশ্ন, যাক উপযুক্তভাৱে উপস্থাপন কৰা হয় আৰু উপযুক্ত মানদণ্ডৰ দ্বাৰা নম্বৰ প্রদান কৰা হয়।
- বেলৰ সমাযোজন উদ্ভাৱনকাৰী ছাত্র-ছাত্রীসকলৰ চাৰিটা ক্ষেত্রৰ সমাযোজন উদ্ভাৱনকাৰী ছাত্র-ছাত্রীসকলৰ চাৰিটা ক্ষেত্রৰ সমাযোজন পৰিমাপনৰ বাবে প্রস্তুত কৰা হৈছিল, i) গৃহ সমাযোজন, ii) স্বাস্থ্য সমাযোজন, iii) সামাজিক সমাযোজন আৰু iv) আবেগিক সমাযোজন।
- MMPI ১৯৪৩ প্রকাশিত হৈছিল। ই হৈছে আমেৰিকাৰ অতি বহুলভাৱে ব্যৱহাৰ হোৱা উদ্ভাৱনকাৰী।

- MMPI প্ৰধানকৈ নৈদানিক আৰু চিনাক্তকৰণত ব্যৱহাৰ হয়। ই ৰোগী আৰু সাধাৰণ ব্যক্তিৰ মাজত পাৰ্থক্য নিৰ্ণয়ৰ বাবেও উপযোগী। ইয়াৰ উচ্চ পৰ্য্যায়ৰ ভৱিষ্য বৈধতা আছে।
- চিগমাও ফ্ৰয়েদে বিশ্বাস কৰিছিল যে আমাৰ সচেতন আচৰণ হৈছে আমাৰ সমগ্ৰ আচৰণৰ দশম ভাগৰ এটা ভাগ মাত্ৰ।
- ৰুথ ষ্ট্ৰঙে নিৰীক্ষণ কৰিছিল "প্ৰক্ষিপ্ত পদ্ধতি হৈছে ব্যক্তিৰ আন্তঃ পৃথিৱীৰ বিষয়ে বুজি পোৱা পদ্ধতি।"
- প্ৰক্ষিপ্ত পদ্ধতিৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে অভীক্ষাৰ্থীক তুলনামূলকভাৱে অগাঁথনিহীন কামত নিযুক্তি দিয়া। প্ৰক্ষিপ্ত পদ্ধতিৰ কামত প্ৰায় সীমাহীন সাম্ভাব্য প্ৰতিক্ৰিয়াৰ বাবে অনুমতি দিয়া হয়।
- কাহিনী সংবোধন অভীক্ষা (TAT) চি ডি মাৰগান আৰু হেনৰি মুৰীয়ে বিকাশ কৰিছিল।
- TAT অভীক্ষা হৈছে সাধাৰণ ব্যক্তিত্ৱৰ গতিশীলতা, ই চিনাক্তকৰণৰ দিশ নহয়।

১৩.৫ অধিক জানিবলৈ

1) Aggarwal, J.C. (2015): *Essentials of Educational Psychology,* New Delhi: Vikash Publishing House Pvt. Ltd.

2) Asthana, B. (2015): *Measurement and Evaluation in Psychology and Education*, Agra: Shri Vinod Pustak Madir.

3) Mangal, S.K. (2006): *Advanced Educational Psychology*, New Delhi: Prentice-Hall of India Pvt. Ltd.

4) Mangal, S.K. (2000): *Essentials of Educational Psychology*, New Delhi: Prentice-Hall of India Pvt. Ltd.

5) Sing, A.K. (2008): *Tests, Measurement and Research Methods in Behavioural Sciences,* New Delhi: Bharati Bhawan.

১৩.৬ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ ৰ উত্তৰঃ চিকিৎসামূলক সাক্ষাতকাৰ চিকিৎসাৰ ক্ষেত্ৰত ব্যৱহাৰ হয়।

প্ৰশ্ন ২ ৰ উত্তৰ: ব্যক্তি বা দলৰ কাৰ্য্য বা আচৰণৰ প্ৰকৃতি অনুযায়ী ৰেকডিং পদ্ধতি প্ৰয়োগ কৰা হয়। এই পদ্ধতিৰ সিদ্ধান্ত লওঁতে নিৰীক্ষকৰ কৌশলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

১) প্ৰথম প্ৰদ্ধতিত নিৰীক্ষণৰ ঠাইতে ৰেকডিং কৰা হয়। কিন্তু যদি কাৰ্য্য অতি সোনকালে কৰা হয় তেতিয়া ই সম্ভৱ নহবও পাৰে। তেতিয়া ই বিষয় বস্তু বা ব্যক্তিক অসুবিধা দিয়ে।

২) দ্বিতীয় পদ্ধতিত নিৰীক্ষণ কৰা শেষ হোৱাৰৰ পিছত ৰেকৰ্ডিং কৰা হয়। এই পদ্ধতিটো বেছি উপযোগী কৰা ই বিষয়বস্তু বা ব্যক্তিক বিৰক্তি নিদিয়ে। কিন্তু এই পদ্ধতিত এটা অসুবিধা

আছে, সেইটো হৈছে নিৰীক্ষণ শেষ হৈ যোৱাৰ কিছুসময় পিছত নিৰীক্ষকে সকলো দিশ সঠিক ভাৱে মনত পেলাব নোৱাৰিবও পাৰে।

প্ৰশ্ন ৩ ৰ উত্তৰ: ব্যক্তিত্ব উদ্ভাৱনকাৰী হৈছে প্ৰধানকৈ ব্যক্তিৰ জীৱনৰ ইতিহাস, অনুভৱ, পছন্দ বা ক্ষমতা আদি কিছুমান দিশৰ বিষয়ে সজোৱা এক মানদণ্ডৰ প্ৰশ্ন, যাক উপযুক্তভাৱে উপস্থাপন কৰা হয় আৰু উপযুক্ত মানদণ্ডৰ দ্বাৰা নম্বৰ প্ৰদান কৰা হয়।

প্ৰশ্ন ৪ ৰ উত্তৰ: বেলৰ উদ্ভাৱনকাৰীৰ দুটা প্ৰকাৰ আছে, এটা হাইস্কুল আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰু আনটো প্ৰাপ্তবয়স্ক সকলৰ বাবে। এই উদ্ভাৱনকাৰীৰ প্ৰস্তুতি স্তৰত, ষ্টাৰ্চষ্ট'ন ব্যক্তিত্বসূচীৰ ২২৩টা বিষয়বস্তু ব্যৱহাৰ কৰা হৈছিল আৰু তাত অতিৰিক্তভাৱে ১৮৮ বিষয়বস্তু সংযোগ কৰা হৈছিল। অনুপযুক্ত বিষয়বস্তুবোৰ আঁতৰাই ১৪০টা বিষয়বস্তুৱে প্ৰকৃত উদ্ভাৱনকাৰী প্ৰস্তুত হৈছিল। এই উদ্ভাৱনকাৰীটো ছাত্ৰ-ছাত্ৰীসকলৰ চাৰিটা ক্ষেত্ৰৰ সমাযোজন পৰিমাপনৰ বাবে প্ৰস্তুত কৰা হৈছিল— i) গৃহ সমাযোজন, ii) স্বাস্থ্য সমাযোজন, iii) সামাজিক সমাযোজন আৰু iv) আবেগিক সমাযোজন। প্ৰত্যেকটো ক্ষেত্ৰতে ৩৫ টাকৈ বিষয়বস্তু আছে। এই উদ্ভাৱনকাৰীটোৰ নিৰ্ভৰযোগ্যতা অতি উচ্চ। ইয়াত সন্নিবিষ্ট হোৱা বিষয়ৰ উদাহৰণ— আপুনি সঘনাই দিবা স্বপ্ন দেখে নেকি?

প্ৰশ্ন ৫ৰ উত্তৰ: এই অভীক্ষাটো ব্যক্তিগতভাৱে কৰা হয়। প্ৰত্যেকখন কাৰ্ড অভীক্ষাৰ্থীক দিয়া হয়, তেওঁ সেই চিয়াহী দাগত কি দেখিছে সোধা হয়— সেইটো কি বা তাৰ অৰ্থ কি হ'ব পাৰে ইত্যাদি। অভীক্ষাৰ্থীয়ে যদি কিবা গতি দেখে ক'ব লাগে।

অভীক্ষাৰ্থীক কাৰ্ডখন চাবলৈ বিচৰামতে সময় দিয়া হয় আৰু তেওঁৰ ইচ্ছা অনুযায়ী প্ৰতিক্ৰিয়াবোৰ ক'ব দিয়া হয়। তাৰোপৰি অভীক্ষাৰ্থীজনক নিজ ইচ্ছা অনুযায়ী কাৰ্ডখন ঘূৰাই পকাই বিভিন্ন দিশৰ পৰা চাবলৈ অনুমতি দিয়া হয়।

অভীক্ষকে অভীক্ষাৰ্থীৰ প্ৰতিটো, প্ৰতিক্ৰিয়া, স্থান, সময়, স্বতস্ফূৰ্ত মতামত, আবেগিক প্ৰকাশ আৰু অন্য ঘটনাক্ৰমে অভীক্ষাৰ সময়ত দেখুওৱা ব্যৱহাৰ আদি টুকি ৰাখে।

সকলোবোৰ কাৰ্ড উপস্থাপন কৰাৰ পিছত দ্বিতীয় অনুসন্ধান আৰম্ভ হয়। ইয়াৰ উদ্দেশ্য হৈছে মূল সঁহাৰিৰ স্পষ্টীকৰণ বা সংযোজন বিচৰা।

প্ৰশ্ন ৬ ৰ উত্তৰ: অভীক্ষাৰ্থীজনক ছৱিবোৰ এখন এখনকৈ দেখুওৱা হয় আৰু তেওঁক প্ৰত্যেক ছৱিৰ পৰা এটা কাহিনী সৃষ্টি কৰিব দিয়া হয়, তেতিয়া কিছুমান দিশ বিবেচনা কৰিব লাগে— i) ছৱিত কি কোৱা হৈছে? ii) দৃশ্যটো কিহৰ দ্বাৰা আগবাঢ়িছে? iii) সেই পৰিবেশটোত কি ঘটিব পাৰে?

? ১৩.৭ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. ঘটনা বিৱৰণ পদ্ধতিৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২. তথ্য বিচাৰি উলিওৱা সাক্ষাৎকাৰে ব্যক্তিত্ব পৰিমাপনত কেনেকৈ সহায় কৰে?

প্ৰশ্ন ৩. মান নিৰূপক কাঠী বুলিলে কি বুজে?

প্ৰশ্ন ৪. প্ৰক্ষিপ্ত পদ্ধতি বুলিলে কি বুজে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১. MMPI ৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২. প্ৰক্ষিপ্ত পদ্ধতিৰ সাধাৰণ বৈশিষ্ট্যবোৰ আলোচনা কৰক?

প্ৰশ্ন ৩. কাহিনী সংবোধন অভীক্ষা (TAT) কিদৰে পৰিচালনা কৰা হয়?

*****

অধ্যায় ১৪ : সৃজনশীলতাৰ পৰিমাপণ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সৃজনশীলতাৰ অর্থ
১৪.৪ সৃজনশীলতাৰ ব্যক্তিত্বৰ চর্তসমূহ
১৪.৫ সৃজনশীল চিন্তাৰ পৰিমাপণ
১৪.৬ বিভিন্ন স্তৰৰ ছাত্র-ছাত্রীৰ সৃজনশীল চিন্তাৰ পৰিমাপণ
১৪.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সৃজনশীলতাৰ অর্থ বুজিব পাৰিব।
- সৃজনশীল ব্যক্তিত্বৰ বিভিন্ন চর্তবোৰ জানিব পাৰিব।
- সৃজনশীল চিন্তাৰ পৰিমাপনৰ প্রক্রিয়াটো বুজিব পাৰিব।
- বিভিন্ন স্তৰৰ ছাত্র-ছাত্রীৰ সৃজনশীল চিন্তাৰ পৰিমাপনৰ প্রক্রিয়া বুজিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়ত আপোনালোকক মানুহৰ বিভিন্ন মানসিক বৈশিষ্ট্য আৰু সেইবোৰৰ পৰিমাপণৰ বিষয়ে পৰিচয় কৰাই দিয়া হ'ব। এগৰাকী ব্যক্তিৰ এই বৈশিষ্ট্যসমূহৰ পৰিমাপণে তেওঁৰ সামগ্রিক ব্যক্তিত্বক স্পষ্টভাৱে প্রকাশ কৰে। আমাৰ চাৰিওফালে বা শ্রেণীকোঠাৰ পৰিৱেশত আমি লক্ষ্য কৰোঁ যে কিছুমান ব্যক্তি চিন্তা-ভাবনা আৰু দৃষ্টিভংগীৰ ক্ষেত্রত আনসকলতকৈ কিছু পৃথক। তেওঁলোকে সাধাৰণ দৃষ্টিভংগীৰে পৃথিৱীখন নেদেখে; বৰং পৃথিৱীৰ বিষয়ে তেওঁলোকৰ উপলব্ধি আৰু চিন্তাধাৰা কিছু স্বকীয় হয়। এনে লোকসকলৰ চিন্তা আৰু ধাৰণাক যি মানসিক গুণে পৃথকভাৱে চিনাক্ত কৰে তাক

সৃজনশীলতা বুলি কোৱা হয়। আমি জানো যে সৃজনশীলতা মানুহৰ এক অতি মূল্যবান গুণ যিয়ে ব্যক্তিৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়। সেইবাবে এই অধ্যায়টোৱে আপোনালোকক সৃজনশীলতা, সৃজনশীল ব্যক্তিৰ বৈশিষ্ট্যসমূহ আৰু বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল চিন্তাধাৰাৰ পৰিমাপণৰ বিষয়ে পৰিচয় কৰাই দিব।

১৪.৩ সৃজনশীলতাৰ অর্থ

সৃজনশীলতা হৈছে উদ্ভাৱনমূলক, অসাধাৰণ আৰু অন্যৰ পৰা পৃথক ধৰণৰ চিন্তা বা কার্য। ই নতুন সঁহাৰি দিয়া, নতুন উত্তৰ উদ্ভাৱন কৰা আৰু নতুন সম্পর্ক স্থাপন কৰাৰ সামর্থ্য। বর্তমান সময়ত সৃজনশীলতাৰ ক্ষেত্ৰত 'মৌলিকতা' আৰু 'উপযোগিতা'ক অতি গুৰুত্বপূর্ণ আৰু গ্ৰহণযোগ্য মানদণ্ড হিচাপে ধৰা হয়। অন্য এক দৃষ্টিভংগীৰে, সৃজনশীল চিন্তা হৈছে সমস্যা সমাধানৰ এক স্বতন্ত্ৰ পদ্ধতি। ইয়াত সাধাৰণতে এনে সমস্যা থাকে যিবোৰ প্ৰচলিত উপায়েৰে সমাধান কৰিব নোৱাৰি। সেইবাবে, এই সমস্যাসমূহৰ সমাধানৰ বাবে নতুন পথ, বিচ্ছিন্ন চিন্তাধাৰা আৰু পার্শ্ব-চিন্তাৰ প্ৰয়োজন হয়। অৱশ্যে এক পদ্ধতিগত সৃজনশীল চিন্তাধাৰা গঢ়ি তোলাটো সহজ নহয়, কাৰণ ই বিচ্ছিন্ন চিন্তাৰ সৈতে সম্পর্কিত। সৃজনশীলতাৰ কিছুমান উল্লেখযোগ্য সংজ্ঞা তলত দাঙি ধৰা হ'ল। ২০১১ চনত পিচা (PISA)-এ সৃজনশীল চিন্তাক এনে এক দক্ষতা হিচাপে সংজ্ঞায়িত কৰিছিল য'ত ব্যক্তি ধাৰণাসমূহৰ সৃষ্টি, মূল্যায়ন আৰু উন্নতিৰ ক্ষেত্ৰত উৎপাদনশীলভাৱে জড়িত হয়। ইয়াৰ ফলত মৌলিক আৰু ফলপ্ৰসূ সমাধান, জ্ঞানৰ অগ্ৰগতি আৰু কল্পনাশক্তিৰ প্ৰভাৱশালী প্ৰকাশ সম্ভৱ হয়।

আমাবাইল (Amabile) আৰু প্ৰাট (Pratt) (২০১৬) ব্যাখ্যা কৰিছিল যে "সৃজনশীলতা হৈছে নতুনত্ব আৰু উপযোগিতামূলক ভাবধাৰাৰ সৃষ্টি, লগতে সেই সৃষ্টিশীল ভাবধাৰাসমূহৰ উদ্ভাৱনীমূলক প্ৰয়োগ।"

প্লুকাৰ (Plucker) বেগথেটো (Beghetto) আৰু দাউ (Dow) (২০০৮) কৈছিল— "সৃজনশীলতা হৈছে প্ৰৱণতা, প্ৰক্ৰিয়া আৰু পৰিৱেশৰ মাজত হোৱা আন্তঃসম্পর্ক বা আদান-প্ৰদান, যাৰ জৰিয়তে ব্যক্তি বা দলে এনে উল্লেখযোগ্য উৎপাদন সৃষ্টি কৰে যি নতুন আৰু উপযোগী হয় আৰু যাৰ মূল্য সামাজিক পৰিপ্ৰেক্ষিতত নির্ধাৰিত হয়। এই সংজ্ঞাই সৃজনশীলতাৰ বহুমাত্ৰিক আৰু সামাজিক স্বভাৱক প্ৰতিফলিত কৰে।"

ষ্টেনবার্গ (Sternbarg) আৰু লুবার্ট (Lubart) ১৯৯৯ মতে "সৃষ্টিশীলতা হৈছে নতুন (অর্থাৎ মৌলিক আৰু অপ্ৰত্যাশিত) আৰু উপযুক্ত (অর্থাৎ ব্যৱহাৰিক আৰু পৰিস্থিতিৰ সৈতে খাপ খোৱা) দুয়ো ধৰণৰ কার্য বা চিন্তা উৎপন্ন কৰাৰ ক্ষমতা।"

ফেইষ্ট (১৯৯৮) "সৃজনশীল চিন্তা বা আচৰণ একে সময়তে নতুন, মৌলিক আৰু ব্যৱহাৰিকভাৱে গ্ৰহণযোগ্য হয়।"

এইচ. গার্ডনেৰ (H. Gardner 1993) : "সৃষ্টিশীল ব্যক্তি হৈছে এনে এজন ব্যক্তি, যিয়ে নিয়মিতভাৱে সমস্যা সমাধান কৰে, নতুন ধাৰণা বা ৰূপ সৃষ্টি কৰে অথবা নতুন প্ৰশ্নৰ সংজ্ঞা এনেদৰে উপস্থাপন কৰে যি প্ৰথমতে নতুন বা অস্বাভাৱিক বুলি গণ্য হয়, কিন্তু পিছত এক বিশেষ সাংস্কৃতিক পৰিৱেশত গ্ৰহণযোগ্যতা লাভ কৰে।"

বেলছ (Welsch 1980) "সৃষ্টিশীলতা হৈছে বৰ্তমানৰ সামগ্ৰীৰ ৰূপান্তৰ ঘটাই অনন্য সামগ্ৰী সৃষ্টি কৰাৰ এক প্ৰক্ৰিয়া। এই সামগ্ৰীসমূহ স্পষ্ট বা অস্পষ্ট যিকোনো ধৰণৰ হ'ব পাৰে, কিন্তু সেয়া অন্ততঃ সৃষ্টিকৰ্তাৰ বাবে অনন্য হ'ব লাগিব আৰু সৃষ্টিকৰ্তাই স্থিৰ কৰা উদ্দেশ্য আৰু মূল্যৰ মাপকাঠী পূৰণ কৰিব লাগিব।"

ট'ৰেঞ্চ (Torrance 1966) "সৃষ্টিশীলতা হৈছে সমস্যা, অভাৱ, জ্ঞানৰ ব্যৱধান, অনুপস্থিত উপাদান, অসংগতি বা অসুবিধা চিনাক্ত কৰা; সমাধানৰ বিষয়ে অনুমান গঠন কৰা; সেই অনুমানসমূহ পৰীক্ষা কৰা আৰু শেষত ফলাফল উপস্থাপন বা যোগাযোগ কৰাৰ এক প্ৰক্ৰিয়া।"

মেডনিক (Mednick 1962) "সৃষ্টিশীলতাৰ সৈতে এনে এক প্ৰক্ৰিয়া জড়িত থাকে যাৰ জৰিয়তে মানুহৰ মনত ইতিমধ্যে থকা ধাৰণাসমূহক অস্বাভাৱিক কিন্তু মৌলিকভাৱে সংযুক্ত কৰি নতুন ধাৰণাৰ সৃষ্টি কৰা হয়।"

গিলফোর্ড (Gilford 1975) "সৃষ্টিশীলতা হৈছে সমস্যা সমাধানৰ এক বিশেষ প্ৰকাৰ। ইয়াত দুবিধ জ্ঞানমূলক কাৰ্যকলাপৰ মাজত পাৰ্থক্য কৰা হয়— বিচ্ছিন্ন উৎপাদন আৰু অভিসৰণশীল উৎপাদন।"

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ : সৃজনশীলতাৰ অৰ্থ লিখক।

প্ৰশ্ন ২ : গৱেষক সকলে 'সৃজনশীলতাৰ' ধাৰণাটোক কিদৰে উপস্থাপন কৰিছে উল্লেখ কৰক।

১৪.৪ সৃজনশীল ব্যক্তিত্বৰ চৰ্তসমূহ

সৃজনশীলতাৰ প্ৰসিদ্ধ গৱেষক আৰু লেখক জে. পি. গিলফোর্ডে সৃজনীমূলক চিন্তাক সাধাৰণ চিন্তাৰ এক উপশ্ৰেণী হিচাপে ব্যাখ্যা কৰিছে। তেওঁৰ মতে, সৃষ্টিশীলতা হৈছে এনে এক বৌদ্ধিক কাৰ্য

যিয়ে সমস্যাৰ প্ৰকৃত, মৌলিক আৰু একক সমাধান আগবঢ়ায়; কেৱল সীমিত বৌদ্ধিক বা যৌক্তিক সমাধানত সীমাবদ্ধ নাথাকে। গিলফোৰ্ড আৰু আন শিক্ষাবিদসকলে অভিসৰণশীল চিন্তা আৰু বিচ্ছিন্ন চিন্তাধাৰাৰ মাজত স্পষ্ট পাৰ্থক্য দাঙি ধৰিছে। অভিসৰণশীল চিন্তাই যুক্তি আৰু জ্ঞান ব্যৱহাৰ কৰি সম্ভাব্য উত্তৰৰ সংখ্যা হ্ৰাস কৰি এক শুদ্ধ উত্তৰলৈ আগবাঢ়ে। আনহাতে বিচ্ছিন্ন চিন্তাধাৰাই বহুতো সম্ভাব্য, মৌলিক আৰু অনন্য সমাধানৰ সৃষ্টি কৰে। অভিসৰণশীল চিন্তাই সাধাৰণতে একমাত্ৰ শুদ্ধ উত্তৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু বিদ্যালয়সমূহত এই ধৰণৰ চিন্তাক অধিক প্ৰাধান্য দিয়া হয়। গিলফোৰ্ডৰ মতে, চিন্তাৰ এই দুয়োটা পদ্ধতি একেলগে থাকিলে অধিক উপযোগী হয়। তথাপিও সৃজনশীল চিন্তা মূলতঃ বিচ্ছিন্ন চিন্তাধাৰাৰ সৈতে অধিক সম্পৰ্কিত।

১৯২৬ চনত প্ৰকাশিত গ্ৰাহাম ৱালেচৰ 'আৰ্ট অৱ থট' গ্ৰন্থত সৃজনশীল প্ৰক্ৰিয়াৰ এক আৰ্হি উপস্থাপন কৰা হৈছিল। এই আৰ্হিত অন্তৰ্মুখী সৃষ্টিশীলতা আৰু ইয়াৰ প্ৰকাশক পাঁচটা স্তৰৰ জৰিয়তে ব্যাখ্যা কৰা হৈছে।

i) **প্ৰস্তুতিঃ** সমস্যাটোৰ ওপৰত ব্যক্তিৰ মন কেন্দ্ৰীভূত কৰা আৰু সমস্যাটোৰ বিভিন্ন দিশ অন্বেষণ কৰাই হৈছে প্ৰস্তুতিমূলক স্তৰৰ মুখ্য কাম।

ii) **উদ্ভাৱনঃ** এই স্তৰত সমস্যাটো অচেতন মনত আভ্যন্তৰীণভাৱে গঢ় লৈ উঠে, কিন্তু বাহ্যিকভাৱে কোনো স্পষ্ট প্ৰকাশ দেখা নাযায়।

iii) **যোগাযোগঃ** এই স্তৰত সৃষ্টিশীল ব্যক্তিয়ে অনুভৱ কৰে যে সমস্যাটোৰ সমাধান এটা ক্ৰমে উদ্ভৱ হৈ আছে।

iv) **অন্তমুৰ্খীঃ** য'ত সৃষ্টিশীল ধাৰণাই ইয়াৰ পূৰ্বচেতন প্ৰক্ৰিয়াকৰণৰ পৰা সচেতন মনলৈ আগবাঢ়ি আহে।

v) **সত্যাপনঃ** য'ত ভাবধাৰাক সচেতনভাৱে পৰীক্ষণ, ব্যাখ্যা আৰু তাৰ পিছত প্ৰয়োগ কৰা হয়।

আগৰ যান্মাষিকত আলোচনা কৰাৰ মৰ্মে আপোনালোকে উদ্দেশ্যৰ বৰ্গীকৰণ সম্পৰ্কে জানিব পাৰিছে। সংজ্ঞানাত্মক দিশৰ উদ্দেশ্যৰ বৰ্গীকৰণ অনুসৰি একেবাৰে উচ্চ স্তৰত মূল্যায়ন অৱস্থিত আছিল। কিন্তু ১৯৯০ চনত ব্লুমৰ প্ৰাক্তন ছাত্ৰ ল'ৰিন এণ্ডাৰচন আৰু সংজ্ঞানাত্মক মনোবিজ্ঞানীসকলে ব্লুমৰ শৈক্ষিক বৰ্গীকৰণৰ পুনৰীক্ষণ কৰে। এই নতুন বৰ্গীকৰণ অনুসৰি সংজ্ঞানাত্মক দিশত ছয়টা স্তৰ নিৰ্ধাৰণ কৰা হয়। প্ৰতিটো স্তৰ ধাৰণাগতভাৱে পৃথক। এই ছয়টা স্তৰ হ'ল— স্মৰণ, বোধ, প্ৰয়োগ, বিশ্লেষণ, মূল্যায়ন আৰু সৃজনশীলতা। এনেদৰে সৃজনশীলতা সংজ্ঞানাত্মক ক্ষেত্ৰৰ সৰ্বোচ্চ স্তৰত অৱস্থিত। ইয়াত সৃজনশীলতাৰ চাৰিটা দিশ আছে। এই দিশসমূহে এক নিৰ্দিষ্ট গঠন প্ৰকাশ কৰে।

১. **অনুকৰণঃ** অনুকৰণ হৈছে সৃজনশীলতাৰ প্ৰথম স্তৰ। এই স্তৰত আন মানুহে কৰা কাৰ্যৰ অনুকৰণ কৰা হয়। কলাসুলভ সৃজনশীলতাত ইয়াৰ উৎকৃষ্ট উদাহৰণ দেখিবলৈ পোৱা যায়। এজন ব্যক্তিয়ে প্ৰথমতে কোনো বিখ্যাত চিত্ৰশিল্পীৰ চিত্ৰ অনুকৰণ কৰে। তাৰ পিছত তেওঁ সেই অনুকৰণৰ জৰিয়তে উৎকৃষ্ট কৌশল আয়ত্ত কৰিবলৈ চেষ্টা কৰে। এই ব্যক্তিজনৰ বাবে সৃজনশীলতাখিনি নতুন হ'লেও সমাজ বা ইতিহাসৰ দৃষ্টিত ই নতুন নহয়।

২. **স্থানান্তৰঃ** এই স্তৰত ব্যক্তিয়ে জনা বস্তু, পদ্ধতি অথবা যিকোনো কাৰ্য নিজে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। অন্য কথাত, এই পৰ্যায়টোৱেই হৈছে অনুকৰণমূলক কাৰ্যৰ পৰা মুক্ত হোৱাৰ এক পদক্ষেপ যিটো সৃষ্টিশীলতাৰ অন্যতম বাধা অতিক্ৰম কৰাৰ সূচনা। এনেধৰণৰ সৃষ্টিশীলতা সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বিশেষভাৱে দেখিবলৈ পোৱা যায়। শিশুৱে কোনো এটা বস্তু লৈ তাৰ সহায়ত কিবা নতুন কৰিবলৈ চেষ্টা কৰে আৰু এইদৰে সৃষ্টিশীল আচৰণ প্ৰকাশ কৰে।

৩. **সংযোগ স্থাপন কৰাঃ** স্থানান্তৰকৰণ সৃজনশীলতাৰ এক অতি জটিল স্তৰ। এই স্তৰত ব্যক্তিয়ে দুটা অসংলগ্ন বা ইটোৰ পৰা সিটো সম্পূৰ্ণ পৃথক বস্তুৰ মাজত সংযোগ স্থাপন কৰে। তেওঁ আগতে কেতিয়াও নোহোৱা নতুন সম্পৰ্ক গঢ়ি তোলে। এই ধৰণৰ সৃষ্টিশীলতাক বহুতে দৈনন্দিন জীৱনৰ প্ৰকৃত সৃজনশীলতা হিচাপে বিবেচনা কৰে।

৪. **পদ্ধতি বিকাশঃ** এই স্তৰত ব্যক্তিয়ে সৃষ্টিশীলতাৰ জৰিয়তে নতুন পদ্ধতিৰ উদ্ভাৱন কৰে আৰু সেই পদ্ধতি আনসকলে অনুকৰণ কৰিবলৈ আৰম্ভ কৰে। এই স্তৰটোৱেই ব্যক্তিজনক পাৰদৰ্শী আৰু দক্ষ কৰি তোলে।

ইয়াৰ লগতে সৃজনশীলতাৰ আঠটা বৈশিষ্ট্য আছে। ইয়াৰে চাৰিটা সংজ্ঞানাত্মক আৰু চাৰিটা ভাবাত্মক বৈশিষ্ট্য। গিলফোৰ্ডে সংজ্ঞানাত্মক বৈশিষ্ট্যসমূহৰ ধাৰণা আগবঢ়াইছিল। সেই বৈশিষ্ট্যসমূহ হ'ল—

১. **যুক্তিবাদঃ** যিমান সম্ভৱ হয় সিমান অধিক সমাধান উদ্ভাৱন কৰা।
২. **নমনীয়তাঃ** বিভিন্ন দৃষ্টিভংগীৰে চিন্তা কৰিব পৰা।
৩. **মৌলিকতাঃ** অন্যসকলৰ তুলনাত ব্যতিক্ৰমধৰ্মী সমাধান উদ্ভাৱন কৰা।
৪. **বিশদভাৱে উল্লেখ কৰাঃ** বিশদ বিৱৰণ প্ৰদান কৰাৰ ক্ষমতাই এই সংজ্ঞানাত্মক বৈশিষ্ট্যসমূহক সমৰ্থন কৰে।
৫. **কৌতুহলঃ** সৃজনশীল ব্যক্তিসকল সাধাৰণতে অত্যন্ত কৌতূহলী স্বভাৱৰ হয়।
৬. **জটিলতাঃ** তেওঁলোক বৌদ্ধিকভাৱে জটিল চিন্তাধাৰাৰ অধিকাৰী। তেওঁলোকে সমস্যাৰ সমাধান বিভিন্ন আৰু জটিল দৃষ্টিভংগীৰে বিবেচনা কৰে।

৭. **সাম্ভাব্য বিপদ গ্রহণঃ** তেওঁলোকে অপৰম্পৰাগত সমাধান অনুসন্ধান কৰে আৰু সম্ভাৱ্য বিপদ গ্রহণ কৰিবলৈও সাহস দেখুৱায়। লগতে তেওঁলোকে অজ্ঞাত দিশৰ বিপদো স্বীকাৰ কৰিবলৈ প্রস্তুত থাকে।

৮. **কল্পনাঃ** তেওঁলোকৰ কল্পনাশক্তি অত্যন্ত প্রখৰ হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ : অভিসৰণশীল আৰু বিচ্ছিন্ন চিন্তাধাৰাৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৪ : সৃজনশীলতা প্রক্রিয়া বিকাশৰ পাচটা স্তৰ উল্লেখ কৰক।

প্রশ্ন ৫ : সৃজনশীলতা দুটা ভাবাত্মক আৰু সংজ্ঞানাত্মক বৈশিষ্ট্য উল্লেখ কৰক।

১৪.৫ সৃজনশীল চিন্তাৰ পৰিমাপন

সৃজনশীলতা সম্পর্কীয় গৱেষণাৰ বিকাশ ইয়াৰ পৰিমাপৰ বাবে নির্ভৰযোগ্য আহিলাৰ বিকাশৰ সৈতে জড়িত। সৃজনশীলতাৰ বিভিন্ন সংজ্ঞাৰ ভিত্তিত গৱেষকসকলে ইয়াৰ পৰিমাপৰ উদ্দেশ্যে বিভিন্ন আহিলাৰ উদ্ভাৱন কৰিছে। প্রতিটো আহিলাই সৃজনশীল ধাৰণাৰ ভিন্ন প্রকৃতি প্রতিফলিত কৰে। এই আহিলাসমূহক চাৰিটা অভিগমনত বিভাজন কৰা হৈছে। এই অভিগমনসমূহে সৃজনশীলতাৰ সংজ্ঞা, প্রক্রিয়া, উৎপাদন, ব্যক্তি আৰু পৰিৱেশগত দিশসমূহক প্রতিনিধিত্ব কৰে।

১. **প্রক্রিয়া অভিগমনঃ** সৃজনশীলতাৰ পৰিমাপৰ প্রক্রিয়াভিত্তিক অভিগমনে বিশেষ সংজ্ঞানাত্মক প্রক্রিয়া আৰু গঠনসমূহক গুৰুত্ব দিয়ে যিবোৰ সৃষ্টিশীল উৎপাদন গঢ়ি তোলাৰ বাবে সহায়ক। সৃজনশীল প্রক্রিয়া অথবা সৃষ্টিশীলতাৰ সৈতে জড়িত দক্ষতা পৰিমাপ কৰিবলৈ বিচ্ছিন্ন চিন্তা পৰীক্ষাসমূহ সর্বাধিক ব্যৱহাৰ কৰা হয়। এনে পৰীক্ষাৰ উদাহৰণসমূহৰ ভিতৰত তলত উল্লেখিত বিষয়সমূহ অন্তর্ভুক্ত—

i) Wallack-Kogan Creativity Test, (WKCT, Wallach & Kogan, 1985)

ii) Torrance Test of Creative Thinking (TTCT, Torrance, 1966, 2008)

iii) Structure of the Intellect Divergent Protection Test (SOI, Guilfard 1967)

iv) Creativity Assessment Packet (CAP, Williams, 1980)

এই পৰীক্ষাসমূহক ধাৰণাগত সাৱলীলতাৰ পৰিমাপ বুলিও কোৱা হয়। এই পৰীক্ষাসমূহত মুক্ত বা অসংগঠিত ধৰণৰ সমস্যাসমূহ অন্তর্ভুক্ত থাকে যাৰ উত্তৰত ব্যক্তিয়ে যিমান সম্ভৱ হয় সিমান অধিক প্রতিক্রিয়া প্রকাশ কৰিব লাগে। ইয়াৰ পিছত সেই প্রতিক্রিয়াসমূহৰ ভিত্তিত সাৱলীলতা (প্রতিক্রিয়াৰ সংখ্যা), মৌলিকতা, নমনীয়তা (বিভিন্ন শ্রেণীৰ প্রতিক্রিয়া) আৰু ব্যাখ্যামূলক ক্ষমতা আদি মূল্যায়ন কৰা হয়।

২. **ব্যক্তি অভিগমনঃ** এই অভিগমনটোৱে সৃজনশীলতা পৰিমাপৰ ক্ষেত্রত আত্ম-প্রতিবেদনমূলক প্রশ্নাৱলীৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰে যিয়ে সৃজনশীলতাৰ সৈতে জড়িত ব্যক্তিত্বজনিত বৈশিষ্ট্যসমূহৰ অনুসন্ধান কৰে। এই ক্ষেত্রৰ আহিলাসমূহ ব্যক্তিৰ বৈশিষ্ট্য বা আগ্রহ বিশ্লেষণ কৰি প্রস্তুত কৰা হয় যিবোৰে সৃষ্টিশীল অভিক্ষমতাৰ বিকাশত সহায় কৰে। ইয়াৰ জৰিয়তে সৃজনশীল ব্যক্তিৰ স্বতন্ত্র ব্যক্তিত্বগত বৈশিষ্ট্যসমূহ চিহ্নিত কৰা হয়। এই বৈশিষ্ট্যসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— জটিলতাৰ প্রতি আকর্ষণ, উচ্চ শক্তি, আচৰণগত নমনীয়তা, অন্তদৃষ্টি, আবেগিক পৰিৱর্তনশীলতা, আত্মসন্মান, অধ্যৱসায়, বিপদ গ্রহণৰ সাহস, স্বাধীনতা, অন্তর্মুখিতা, সামাজিক স্থিৰতা আৰু অস্পষ্টতাৰ প্রতি সহনশীলতা। যিসকল ব্যক্তিয়ে এনে বৈশিষ্ট্যসমূহ প্রকাশ কৰে তেওঁলোকে সৃষ্টিশীল কার্য সম্পাদন কৰিব পাৰে। আনহাতে এই বৈশিষ্ট্যসমূহৰ অভাৱ থকা ব্যক্তিসকলে সাধাৰণতে সৃষ্টিশীলতা প্রকাশ কৰিব নোৱাৰে। এই ক্ষেত্রত বহুতো প্রশ্নাৱলীৰ বিকাশ ঘটিছে, যেনে—

- তুমি কেনেকৈ জবা? (HDYT, Davis & Subkoviak 1975)
- সৃজনশীল ব্যক্তিত্বৰ কাঠী (CPS, Gough, 1979)
- তুমি কিমান সৃজনশীল? (HCAY, Raudsepp, 1981)

অন্য আন কিছুমান আত্ম-প্রতিবেদনমূলক প্রশ্নাৱলীয়ে ব্যক্তিত্বগত বৈশিষ্ট্যৰ পৰিবর্তে ব্যক্তিৰ অতীতৰ সৃষ্টিশীল উৎপাদন বা সাফল্যৰ বিষয়ে তথ্য সংগ্রহ কৰে। এই ধাৰণাৰ ওপৰত ভিত্তি কৰি কোৱা হয় যে অতীতৰ সৃষ্টিশীল সাফল্যই ভৱিষ্যতৰ সৃষ্টিশীল সাফল্যৰ এক নির্ভৰযোগ্য সূচক হ'ব পাৰে। এনে ধৰণৰ প্রশ্নাৱলীৰ অন্তর্গত বিষয়সমূহ হ'ল—

- Creative Behaviour Inventory (CBI, Hocevar, 1979c)
- Creative Achievement Questionnaire (CAQ Carson, Peterson & Higgins, 2005)
- Biographical Inventory of Creative Behaviours (BICB, Bately, 2007)

৩. **উৎপাদন অভিগমনঃ** সৃজনশীলতাৰ উৎপাদনভিত্তিক পৰিমাপনে বিস্তৃতভাৱে সৃজনশীলতাৰ মূল্যায়ন কৰে। বহুতে মত প্ৰকাশ কৰে যে ব্যক্তিৰ সৃজনশীলতাৰ সামগ্ৰিক মূল্যায়ন ইয়াৰ উৎপাদনৰ মূল্যায়ন অবিহনে সম্ভৱ নহয়। এই অভিগমনত সৃষ্টিশীল উৎপাদনৰ বিভিন্ন ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়, যেনে— লিখন, চিত্ৰাঙ্কন, সংগীত, বিজ্ঞান অথবা গণিত। এমাবাইল (১৯৮২) আগবঢ়োৱা "সহমতভিত্তিক মূল্যায়ন পদ্ধতি" (CAT) সৃজনশীলতা অধ্যয়নত বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই পদ্ধতিয়ে উৎপাদনভিত্তিক মূল্যায়নৰ ওপৰত গুৰুত্ব দিয়ে। CAT কোনো নিৰ্দিষ্ট সৃজনশীলতাৰ তত্ত্বৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা নহয়; ইয়াৰ মূল ধাৰণা হৈছে যে সৃজনশীল উৎপাদনৰ গুণগত মান মূল্যায়নৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞসকলেই সৰ্বোত্তম বিচাৰক। এনেদৰে CAT-ৰ বৈধতা কোনো নিৰ্দিষ্ট সৃজনশীলতাৰ তত্ত্বৰ গ্ৰহণ বা প্ৰত্যাখ্যানৰ ওপৰত নিৰ্ভৰ নকৰে, বৰং অতিৰিক্ত প্ৰমাণ সংগ্ৰহৰ জৰিয়তে ইয়াক শক্তিশালী কৰা হয়। ফলস্বৰূপে সৃজনশীলতাৰ আন পৰিমাপ পদ্ধতিসমূহৰ তুলনাত CAT-এ সৃজনশীলতা গৱেষণাৰ বিভিন্ন বিতৰ্কিত দিশ সহজে পৰিমাপ কৰিব পাৰে।

৪. **ছপা অভিগমনঃ** ছাপভিত্তিক অভিগমনে কৰ্মপৰিৱেশ বা পৰিৱেশগত জলবায়ুৰ বিশ্লেষণত মনোনিবেশ কৰে য'ত সৃজনশীলতা বিকশিত আৰু প্ৰকাশ পায়। এই পৰিৱেশীয় কাৰকসমূহৰ পৰিমাপৰ ভিত্তিত ধাৰণা কৰা হয় যে এনে কাৰকসমূহৰ সৈতে সৃজনশীলতাৰ এক পৰোক্ষ সম্পৰ্ক আছে। পূৰ্বৰ অধ্যয়নসমূহৰ পৰা জানিব পৰা গৈছে যে পৰিৱেশগত কাৰকসমূহে ব্যক্তিৰ কোনো কাৰ্যকলাপত অংশগ্ৰহণ কৰাৰ অন্তৰ্নিহিত প্ৰেৰণাক যথেষ্ট প্ৰভাৱিত কৰিব পাৰে যাৰ ফলত তেওঁলোকৰ সৃজনশীলতাও প্ৰভাৱিত হয়। ডেভিচ আদিয়ে (২০১৩) কৰা পদ্ধতিগত পুনৰীক্ষণমূলক অধ্যয়নত সৃষ্টিশীল শিক্ষণ-পৰিৱেশৰ সৈতে জড়িত কিছুমান বিদ্যালয় পৰিৱেশগত বৈশিষ্ট্য চিহ্নিত কৰা হৈছিল যিবোৰে সৃজনশীলতাক উৎসাহিত কৰে। এই বৈশিষ্ট্যসমূহৰ ভিতৰত অন্তৰ্ভুক্ত— উপযুক্ত শাৰীৰিক পৰিৱেশ, বিভিন্ন সামগ্ৰীৰ সহজলভ্যতা, বাহ্যিক পৰিৱেশৰ ব্যৱহাৰ, উদ্দীপনামূলক শিক্ষণ-পৰিৱেশ, খেলভিত্তিক অভিগমনৰ প্ৰয়োগ, সময়ৰ নমনীয়তা আৰু শিক্ষক-শিক্ষাৰ্থীৰ মাজত সহায়মূলক সম্পৰ্ক গঢ়ি তোলা। এই দিশত সাধাৰণভাৱে ব্যৱহাৰ কৰা আহিলাসমূহ হ'ল—

- Siegel Scal of Support of Innovation (SSS) : Siegel & Karmmerer (1978)

  College and University Classroom Environment
- Inventory (CVCE) Freser, Treagust & Denmis (1986)
- Work Environment Scale (WES, MOOS, 1986)
- Work Environment Inventory (WE, Amabile & Gryskiewicz 1989)

- KEYS: Assessing the Climate for Creativity
- Team Climate Inventory (TCI)
- Situational Outlook Questionnaire (SOQ) Isaksen, Lausen 1999.

সাধাৰণতে, এনে আহিলাসমূহে কিছুমান সাধাৰণ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দিশসমূহৰ ভিতৰত আছে— সাংগঠনিক লক্ষ্য সম্পৰ্কে সদস্যসকলৰ ধাৰণা, উপলব্ধ সম্পদসমূহ, নেতৃত্বদানৰ ধৰণ, স্বাধীনতা, পাৰস্পৰিক আদান-প্ৰদান, সৃজনশীলতাৰ প্ৰতি সমৰ্থন, উদ্ভাৱন আৰু অবিৰত বিকাশ।

অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৬ : সৃজনশীলতা পৰিমাপনৰ চাৰিটা অভিগমন উল্লেখ কৰক।

প্ৰশ্ন ৭ : সৃজনশীলতাৰ সৈতে সম্পৰ্কিত ব্যক্তিত্বৰ সংলক্ষণ পৰিমাপনৰ যিকোনো দুটা আহিলাৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৮ : সৃজনশীলতাত উৎসাহ যোগোৱা স্কুল পৰিৱেশ দুটাৰ নাম লিখক।

১৪.৬ বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল চিন্তাৰ পৰিমাপন

সৃজনশীলতাৰ কোনো একক সামৰ্থ বা বৈশিষ্ট্য নাথাকে। আচলতে সৃজনশীলতাই সংজ্ঞানাত্মক দিশ (তথ্য প্ৰক্ৰিয়াকৰণ), প্ৰত্যক্ষ জ্ঞান, ব্যক্তিত্বগত বৈশিষ্ট্য, অভিৰুচিগত দিশ আৰু আবেগিক কাৰকসমূহ (যেনে— অনুভৱ আৰু মানসিক বৈশিষ্ট্য)ৰ সমন্বয়ক সামৰি লয়। এই সকলো দিশে পৰিৱেশৰ সৈতে পাৰস্পৰিক আদান-প্ৰদান কৰে যিয়ে সৃজনশীলতাৰ সামৰ্থ্যক প্ৰভাৱিত আৰু প্ৰতিফলিত কৰে। ফলস্বৰূপে, সৃজনশীলতাৰ প্ৰক্ৰিয়া আৰু উৎপাদনত এক অনন্য সৃষ্টিৰ উদ্ভৱ হয়।

সৃষ্টিশীলতাৰ পৰিমাপণ প্ৰধানকৈ তিনিটা দলত ভাগ কৰা হৈছে—

ক) স্থিতি হিচাবে সৃজনশীলতাৰ পৰিমাপণ।

খ) স্তৰ হিচাবে সৃজনশীলতাৰ পৰিমাপণ।

গ) শৈলী হিচাবে সৃজনশীলতাৰ পৰিমাপণ।

ক) স্থিতি হিচাবে সৃজনশীলতাৰ পৰিমাপণঃ— এই ছাত্ৰগৰাকী সৃজনশীল হয় নে?”— এই প্ৰশ্নটোৱে অন্তৰ্নিহিতভাৱে সৃজনশীলতাক এক ব্যতিক্ৰমধৰ্মী প্ৰক্ৰিয়া হিচাপে উল্লেখ কৰে যিটো

সাধাৰণ জনসাধাৰণৰ মাজত খুব কমেই দেখা যায়। অর্থাৎ এই ধাৰণামতে সৃজনশীলতা হয় উপস্থিত থাকে, নহয় অনুপস্থিত থাকে। এই প্রশ্নৰ সমাধানৰ বাবে ব্যৱহৃত পদ্ধতিসমূহে সাধাৰণতে ব্যক্তিয়ে সৃষ্টিশীল ফলাফল প্রদর্শন কৰিছে নে নাই তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্রৰ উৎকৃষ্ট উদাহৰণ হ'ল জীৱনীমূলক তথ্যপাতি (যেনে— ছাত্র-ছাত্রীৰ জীৱনীমূলক তথ্যপাতি) আৰু কৃতিত্বভিত্তিক প্রশ্নাৱলী (যেনে— সৃজনশীলতাৰ কৃতিত্বমূলক প্রশ্নাৱলী)। সাধাৰণতে আত্ম-প্রতিবেদনমূলক পৰিমাপসমূহে সৃজনশীলতাৰ ক্ষেত্রত অতীতৰ সাফল্যক বিশেষ গুৰুত্ব দিয়ে। এই ধৰণৰ পৰিমাপৰ মূল অনুমান হ'ল— যদি কোনো ব্যক্তিয়ে ইতিমধ্যে সৃষ্টিশীল ফলাফল প্রদর্শন কৰিছে, তেন্তে ভৱিষ্যতেও তেওঁ আন সৃষ্টিশীল ফলাফল প্রদর্শন কৰাৰ সম্ভাৱনা অধিক। কিন্তু এই ধৰণৰ পদ্ধতি বিদ্যালয় পৰিৱেশত সৃজনশীলতাৰ মূল্যায়নৰ ক্ষেত্রত যথেষ্ট সীমিত, কিয়নো স্কুলীয়া বয়সত উল্লেখযোগ্য সৃষ্টিশীল কৃতিত্ব সাধাৰণতে বিৰল। উদাহৰণস্বৰূপে, প্রকাশিত কিতাপ, উপন্যাস বা সংগীতৰ সৃষ্টি এই বয়সত সচৰাচৰ দেখা নাযায়। স্পষ্টকৈ ক'বলৈ গ'লে, এনে পৰিমাপসমূহ মূলতঃ সেইসকল প্রাপ্তবয়স্ক ব্যক্তিৰ ক্ষেত্রত অধিক উপযোগী যিসকলে ইতিমধ্যে মূল্যৱান সৃজনশীলতাৰ পৰিচয় দিছে, চিনাক্তযোগ্য সৃষ্টিশীল সাফল্য দেখুৱাইছে আৰু এক বা একাধিক সৃষ্টিশীল ক্ষেত্রত বিশেষ দক্ষতা বা প্রশিক্ষণ লাভ কৰিছে।

খ) **স্তৰ হিচাবে সৃজনশীলতাৰ পৰিমাপনঃ—** এই ছাত্রজন কিমান সৃষ্টিশীল?"— এই প্রশ্নটোৱে সৃজনশীলতাক এক অবিৰত আৰু একমাত্রিক গঠন হিচাপে ব্যাখ্যা কৰে। ইয়াৰ অন্তর্নিহিত ধাৰণা হ'ল সৃজনশীলতা প্রতিজন ব্যক্তিৰ মাজতেই বিভিন্ন মাত্রাত উপস্থিত থাকে। সৃজনশীল সম্ভাৱনাৰ সূচক হিচাপে কিছুমান পূর্বাভাসমূলক কাৰকে কাম কৰে। এই কাৰকসমূহৰ প্রকৃতি বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে— সংজ্ঞানাত্মক, জ্ঞানমূলক অথবা পৰিৱেশসংক্রান্ত কাৰক। ইয়াৰ উপৰিও সৃজনশীলতাৰ মূল্যায়নৰ ক্ষেত্রত উৎপাদনভিত্তিক পৰিমাপসমূহো সাধাৰণতে ব্যৱহাৰ কৰা হয়।

- **সংজ্ঞানাত্মক দিশৰ পৰিমাপনঃ—** সৃজনশীলতাৰ সৈতে জড়িত জ্ঞানমূলক কাৰকসমূহে সেই মৌলিক চিন্তাপ্রক্রিয়াসমূহক বুজায় যিবোৰে সৃষ্টিশীল উৎপাদনৰ দিশে আগবঢ়ায়। এই প্রক্রিয়াসমূহৰ ভিতৰত সমস্যাক চিনাক্ত কৰা, সংজ্ঞায়িত কৰা আৰু পুনৰসংজ্ঞায়িত কৰা, নির্বাচিত সংকেতায়ন (অর্থাৎ সমস্যাৰ সৈতে সম্পর্কিত পৰিৱেশীয় তথ্যসমূহ অন্তর্ভুক্ত কৰা), বিচ্ছিন্ন চিন্তাধাৰা, ধাৰণাসমূহৰ মূল্যায়ন, সহায়ক চিন্তাধাৰা আৰু নমনীয়তা আদি অন্তর্ভুক্ত। ইয়াৰ উপৰিও সংজ্ঞানাত্মক অভিগমনৰ দৃষ্টিভংগীৰ পৰা সৃজনশীলতাৰ সাধাৰণ সংজ্ঞাত বিচ্ছিন্ন চিন্তাধাৰাক বিশেষ গুৰুত্ব দিয়া হয়। বিচ্ছিন্ন চিন্তাৰ পৰীক্ষাসমূহ, যেনে TTCT অথবা ৰালাক আৰু কোগানৰ পৰীক্ষাসমূহ, প্রতিমানীকৃত কার্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা। এই পৰীক্ষাসমূহে সীমিত সময়ৰ ভিতৰত ব্যক্তিয়ে কোনো সাধাৰণ আৰম্ভণিৰ পৰা কিমান অধিক ধাৰণা সৃষ্টি কৰিব পাৰে তাৰ মূল্যায়ন কৰে।

সৃজনশীলতাৰ সৈতে জড়িত সংজ্ঞানাত্মক সামৰ্থ্যৰ আন পৰিমাপসমূহত সমস্যা সমাধানভিত্তিক পৰিমাপো অন্তর্ভুক্ত হয়। উদাহৰণস্বৰূপে, Purdue Elementary Problem Solving Inventory সৃজনমূলক সমস্যা সমাধানৰ উপ-প্রক্রিয়াসমূহৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা। এই উপ-প্রক্রিয়াসমূহৰ ভিতৰত সমস্যা চিনাক্তকৰণ, সমস্যাৰ সংজ্ঞা নির্ধাৰণ, প্রশ্ন উত্থাপন, কাৰণ অনুমান কৰা, লক্ষ্য স্পষ্টীকৰণ, বিশদ বিশ্লেষণ আৰু সমস্যাৰ বিচাৰকৰণ আদি অন্তর্ভুক্ত।

- **জ্ঞানমূলক দিশৰ পৰিমাপনঃ—** জ্ঞানমূলক কাৰকসমূহে পছন্দনীয় আচৰণক বুজায় যিবোৰ ব্যক্তিত্ব আৰু অভিৰুচিগত দিশৰ সৈতে সম্পর্কিত। ধাৰণাগতভাৱে ধৰা হয় যে এই কাৰকসমূহে সৃজনশীলতাৰ প্রক্রিয়াত অন্তর্ভুক্ত সংজ্ঞানাত্মক কাৰকসমূহৰ ফলপ্রসূ ব্যৱহাৰত সহায় কৰে অথবা কেতিয়াবা বাধাৰ সৃষ্টি কৰে। সৃজনশীলতা মূল্যায়নৰ ক্ষেত্রত বহুতো আত্ম-মূল্যায়নমূলক অথবা মাননিৰূপক কাঠী আৰু প্রশ্নাৱলীৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, Barron-Welsh Art Scale অথবা Creative Perception Inventoryত ব্যক্তিসকলক আত্ম-মূল্যায়নৰ বাবে সোধা হয়। ইয়াত সৃজনশীল ব্যক্তিত্বৰ সৈতে সম্পর্কিত বৈশিষ্ট্যসমূহ অথবা আচৰণৰ ধৰণসমূহ বিশ্লেষণ কৰা হয়। ইয়াৰ উপৰিও Gough's Adjective Checklistও ব্যৱহাৰ কৰা হয়। এই কাঠীয়ে সৃজনশীল ব্যক্তিত্ব মূল্যায়নৰ বাবে বিশেষভাৱে নির্মিত এক মানদণ্ড ব্যৱহাৰ কৰে আৰু সৃজনশীল ব্যক্তিত্বৰ বিভিন্ন গুণাবলী বিস্তৃতভাৱে অন্তর্ভুক্ত কৰে।

সৃজনশীলতাত অন্তর্ভুক্ত অভিৰুচিগত দিশসমূহ সৃজনশীল সামৰ্থ্য বজাই ৰখাৰ এক গুৰুত্বপূর্ণ কাৰক। মনেটা আৰু চিলিয়ে দেখুৱাইছে যে বিদ্যালয়ৰ অন্তর্নিহিত অভিৰুচিয়ে (কর্ম-অগ্রাধিকাৰ উদ্ভাৱন পদ্ধতি ব্যৱহাৰ কৰি পৰিমাপ কৰা) সাধু লিখন কার্যৰ ক্ষেত্রত অধিক সৃজনশীলতাৰ সম্ভাৱনা প্রকাশ কৰিব পাৰে। ইয়াৰ উপৰিও আন কিছুমান পৰিমাপ পদ্ধতিত Torrance Creative Motivation Scale অন্তর্ভুক্ত কৰা হয়।


- **পৰিবেশীয় দিশৰ পৰিমাপনঃ—** সৃজনশীল সামৰ্থ্যৰ বিকাশত বহুতো পৰিৱেশীয় কাৰকে গুৰুত্বপূর্ণ অৰিহণা যোগায়। এই কাৰকসমূহৰ ভিতৰত পিতৃ-মাতৃৰ প্রশিক্ষণ, বিদ্যালয়ৰ পৰিৱেশ, শিক্ষণ পদ্ধতিৰ প্রভাৱ আৰু আনকি জন্মৰ ক্রমো অন্তর্ভুক্ত। পৰিৱেশৰ বৈশিষ্ট্য, শ্রেণীকোঠাৰ পৰিৱেশ আৰু ব্যক্তিৰ সৃজনশীল শিক্ষণৰ অনুকূল পৰিৱেশ মূল্যায়নৰ বাবে বহুতো নিৰীক্ষণমূলক আৰু মাননিৰূপক কাঠী ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, শ্রেণীকোঠাৰ কার্যকলাপভিত্তিক প্রশ্নাৱলী উল্লেখযোগ্য।
- **উৎপাদন ভিত্তিক পৰিমাপনঃ—** সৃজনশীল সামৰ্থ্য পৰিমাপৰ সাধাৰণ পদ্ধতিসমূহত সাধাৰণতে কোনো প্রাৰম্ভিক উপাদান বা বাধাৰ ভিত্তিত এক সৃষ্টিশীল উৎপাদন সৃষ্টি কৰোৱা হয়। এই উৎপাদনসমূহ পাছত সংশ্লিষ্ট ক্ষেত্রৰ বিশেষজ্ঞসকলে সহমতভিত্তিক মূল্যায়ন পদ্ধতিৰে মূল্যায়ন

কৰে। কাৰিকৰীভাৱে সংশ্লিষ্ট ক্ষেত্ৰৰ উপযুক্ত বিচাৰকসকলক কোনো এটা কাৰ্যৰ ফলত উৎপন্ন সামগ্ৰীসমূহ স্বতন্ত্ৰভাৱে মূল্যায়ন কৰিবলৈ কোৱা হয়। ইয়াৰ বাবে সাধাৰণতে Likert Scale ব্যৱহাৰ কৰা হয়, যেনে— "১ = একেবাৰে সৃষ্টিশীল নহয়"ৰ পৰা "৭ = অত্যন্ত সৃষ্টিশীল"লৈ। তাৰ পিছত আন্তঃনিৰ্দ্ধপক চুক্তি নিশ্চিত কৰিবলৈ পৰিসংখ্যাগতভাৱে সহমতৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়। এই পদ্ধতিৰ অন্তৰ্নিহিত ধাৰণা হ'ল— যদি প্ৰতিজন বিশেষজ্ঞই একে ধৰণৰ সৃষ্টিশীল সামগ্ৰীক সৃষ্টিশীলতাৰ স্তৰৰ ভিত্তিত প্ৰায় একে ক্ৰমত শ্ৰেণীবদ্ধ কৰে, অৰ্থাৎ উচ্চ আন্তঃনিৰ্দ্ধপক সহমত দেখা যায়, তেন্তে ধৰা হয় যে বিচাৰকসকলে এক নিৰ্দিষ্ট গুণগত বৈশিষ্ট্য চিনাক্ত কৰিছে যাক সৃজনশীলতা বোলা হয়। যেতিয়া পৰিসংখ্যাগতভাৱে সহমত নিশ্চিত হয়, তেতিয়া প্ৰতিটো উৎপাদনৰ ক্ষেত্ৰত বিচাৰকসকলে দিয়া নম্বৰসমূহৰ গড় উলিয়াই সৃজনশীলতাৰ এক সংমিশ্ৰিত মান নিৰ্ধাৰণ কৰা হয়। অন্য কথাত, কোনো বিষয়ভিত্তিক গুণগত মান মূল্যায়নৰ ক্ষেত্ৰত একাধিক তথ্যদাতাৰ দক্ষতা, অভিজ্ঞতা আৰু মতামতৰ সমন্বয়ৰ জৰিয়তে এক সহমতভিত্তিক পৰিমাপ লাভ কৰা হয়।

গ) **শৈলী হিচাবে সৃজনশীলতাৰ পৰিমাপনঃ—** ছাত্ৰ-ছাত্ৰী কেনেকৈ বা ক'ত সৃজনশীল?"— এই প্ৰশ্নটোৱে সৃজনশীলতা মূল্যায়নৰ পূৰ্বৰ ধাৰণাসমূহৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। পূৰ্বৰ পদ্ধতিসমূহে সৃজনশীলতাক একক গুণ, স্তৰ বা সামৰ্থ্য হিচাপে গণ্য কৰিছিল। কিন্তু এই নতুন অভিগমনে সৃজনশীলতাক কেৱল দ্বিবিভাজিত বা একমাত্ৰিক ধাৰণাৰ মাজত সীমাবদ্ধ নাৰাখি বহুমাত্ৰিক ৰূপত ব্যাখ্যা কৰে। ইয়াত দুটা মূল প্ৰশ্ন অন্তৰ্নিহিত থাকে— ১) "ক'ত এই ছাত্ৰ-ছাত্ৰী সৃজনশীল?" অৰ্থাৎ সৃজনশীলতা বিশেষ সামৰ্থ্যৰ কোন দিশত প্ৰকাশ পায়। ২) "এই ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল সম্ভাৱনা বিভিন্ন মাত্ৰাত কেনেকৈ প্ৰকাশ পায়?" অৰ্থাৎ সৃজনশীল সামৰ্থ্যৰ বহুমুখিতা কেনেদৰে প্ৰতিফলিত হয়। সৃজনশীল সামৰ্থ্য মূল্যায়ন (EPOC) হৈছে এক বিশেষ ক্ষেত্ৰভিত্তিক আহিলা। ইয়াত বৰ্তমান মৌখিক আৰু ৰৈখিক উপ-অভীক্ষাসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। এই অভীক্ষাসমূহে সৃজনশীল চিন্তাধাৰাৰ দুটা দিশ— বিচ্ছিন্ন অন্বেষণমূলক চিন্তাধাৰা আৰু অবিসৰণশীল সংহত চিন্তাধাৰা— পৰিমাপ কৰে। এই আহিলাটো সৃজনশীলতা পৰিমাপৰ ইতিহাসত এক বিশেষ স্থান অধিকাৰ কৰে, কিয়নো ই প্ৰথমবাৰৰ বাবে ল'ৰা-ছোৱালীৰ সৃজনশীল সামৰ্থ্যৰ বৈচিত্ৰ্যক ধৰি ৰাখিবলৈ সৃষ্টিশীল প্ৰকাশৰ ক্ষেত্ৰ আৰু চিন্তাধাৰাৰ পদ্ধতিক একত্ৰিত কৰিছে।

ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা মূল্যায়নৰ আন এক উল্লেখযোগ্য অভিগমন হৈছে লুকাচ, ক্লেচটন আৰু প্লেনচাৰে (২০১২) বিকাশ কৰা পৰিমাপন কাঠামো। এই কাঠামোৱে সৃজনশীলতাৰ বিভিন্ন অভ্যাস আৰু উপ-অভ্যাসৰ সৈতে সমন্বয় ৰক্ষা কৰে। লুকাচ, ক্লেচটন আৰু প্লেনচাৰে (২০১২) "সৃজনশীলতাৰ পাঁচ-মাত্ৰিক আৰ্হি" (Five Dimensional Model of Creativity) প্ৰস্তাৱ কৰিছিল। এই আৰ্হিত পাঁচটা মৌলিক সৃজনশীল অভ্যাস আৰু পন্ধৰটা উপ-অভ্যাস চিনাক্ত কৰা হৈছিল। এই কাঠামোটোৱে

সৃজনশীলতা আৰু সমালোচনাত্মক চিন্তাধাৰা— উভয় দিশকে সামৰি লোৱা এক বিস্তৃত আৰ্হি হিচাপে পৰিগণিত। ইয়াৰ উপৰিও বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতাৰ বিকাশ মূল্যায়ন আৰু অনুসৰণৰ ক্ষেত্ৰত শিক্ষকসকলৰ বাবে এই কাঠামো বিশেষভাৱে উপযোগী হ'ব পাৰে বুলি অভিজ্ঞতাভিত্তিক প্ৰমাণো পোৱা গৈছে।



চিত্ৰ ১৪.১ সৃজনশীলতা পৰিমাপনৰ আহিলা

১. **অনুসন্ধিৎসুঃ** সৃজনশীল ব্যক্তিসকলে তেওঁলোকৰ সৃষ্টিশীল ক্ষেত্ৰত আকৰ্ষণীয় আৰু মূল্যৱান প্ৰশ্নসমূহ উন্মোচন আৰু অন্বেষণ কৰে।

- **আচৰিত হোৱা আৰু প্ৰশ্ন কৰাঃ—** প্ৰশ্ন কৰা ব্যক্তিজন কেৱল বিষয়সমূহৰ প্ৰতি কৌতূহলী হৈ নাথাকে, বৰং সেই বিষয়সমূহৰ ওপৰত সুনিৰ্দিষ্ট প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ ফলত তেওঁ নিজেও আৰু আনসকলেও বিষয়বস্তুসমূহ গভীৰভাৱে চিন্তা কৰিবলৈ আৰু নতুন ভাবধাৰাৰ বিকাশ ঘটাবলৈ সমৰ্থ হয়।
- **অন্বেষণ আৰু তদন্ত কৰাঃ—** কেৱল প্ৰশ্ন সোধাৰ দ্বাৰাই সৃজনশীলতা বিকশিত নহয়। সৃজনশীল ব্যক্তিয়ে নিজৰ কৌতূহলৰ প্ৰেৰণাত অন্বেষণমূলক কাৰ্য সম্পাদন কৰে। অনুসন্ধিৎসু ব্যক্তিজনে সক্ৰিয়ভাৱে আগবাঢ়ি গৈ অধিক তথ্য সন্ধান কৰে আৰু নিজৰ প্ৰশ্নসমূহৰ উত্তৰ অনুসৰণ কৰিবলৈ চেষ্টা কৰে।
- **অনুমানবোৰৰ প্ৰত্যাহ্বানঃ—** কিছুমান পৰিমাপ অনুযায়ী উপযুক্ত সন্দেহবাদ সৃজনশীল ব্যক্তিৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ইয়াৰ অৰ্থ হ'ল, কেৱল ওপৰ-ওপৰকৈ দেখা তথ্যৰ ভিত্তিত কোনো বিষয় গ্ৰহণ নকৰি তাক সমালোচনামূলকভাৱে পৰীক্ষা আৰু বিশ্লেষণ কৰা।

২. **অবিৰতঃ** সৃজনশীল ব্যক্তিয়ে কোনো কাম সহজে এৰি নিদিয়ে; তেওঁলোকে অধ্যৱসায় আৰু ধৈর্যসহকাৰে কাম অব্যাহত ৰাখে।

- **অসুবিধাৰ সৈতে লাগি থকাঃ—** অবিৰতভাৱে কোনো কার্য সম্পাদন কৰাটো ব্যক্তিৰ এক গুৰুত্বপূর্ণ অভ্যাস। এনে ব্যক্তিসকলে পৰিচিত ধাৰণাৰ বাহিৰে চিন্তা কৰিব পাৰে আৰু নতুন চিন্তাধাৰা আগবঢ়াবলৈ সক্ষম হয়।
- **পৃথক কৰিবলৈ সাহস কৰাঃ—** সৃজনশীলতাই যুক্তিসংগতভাৱে বিপদ গ্রহণ কৰাৰ লগতে অনিশ্চয়তাক সহ্য কৰাৰ পূর্বচর্ত হিচাপে এক নির্দিষ্ট মাত্রাৰ আত্মবিশ্বাসৰ দাবী কৰে।
- **অনিশ্চয়তাক সহ্য কৰাঃ—** অনিশ্চয়তাক গ্রহণ কৰাটো বিশেষভাৱে গুৰুত্বপূর্ণ, বিশেষকৈ যেতিয়া কোনো প্রকল্পৰ নতুন ধাপ আৰম্ভ কৰা হয় বা যিবোৰ কার্যৰ লক্ষ্য স্পষ্টভাৱে নির্ধাৰিত নাথাকে।

৩. **কল্পনাপ্রসূতঃ** সৃজনশীল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিয়ে বিস্তৃতভাৱে বিশ্লেষণ কৰি কল্পনাপ্রসূত সমাধান আৰু নতুন সম্ভাৱনাসমূহ আগবঢ়াব পাৰে।

- **সম্ভাৱনীয়তাৰ সৈতে খেলাঃ—** এটা চিন্তাধাৰাৰ বিকাশৰ ক্ষেত্রত সেই ধাৰণাটোৰ সৈতে কার্য কৰা, পৰীক্ষা-নিৰীক্ষা কৰা আৰু তাক অধিক উন্নত কৰি তোলা আদি অন্তর্ভুক্ত থাকে।
- **সংযোগ নির্মানঃ—** এই সংশ্লেষণ প্রক্রিয়াই পৃথক পৃথক উপাদানক একত্রিত কৰি এক নতুন সংমিশ্রণ সৃষ্টি কৰে।
- **অর্ন্তদৃষ্টি ব্যৱহাৰঃ—** অন্তর্দৃষ্টিৰ ব্যৱহাৰে ব্যক্তিক নতুন সংযোগ স্থাপন, নতুন চিন্তাৰ উদ্ভাৱন আৰু চিন্তাধাৰা গঠন কৰাত সহায় কৰে; ই কেৱল বিষয়ভিত্তিক বিশ্লেষণমূলক চিন্তাত সীমাবদ্ধ নাথাকে।
- **উৎপাদনৰ ভাগ বতৰাঃ—** এই সৃজনশীল ফলাফলে কেৱল সৃষ্টিকর্তাৰ মাজতেই সীমাবদ্ধ নাথাকি বাহ্যিক জগততো প্রভাৱ বিস্তাৰ কৰে।
- **সহযোগিতামূলকঃ—** সৃজনশীলতাৰ বহুতো আধুনিক অভিগমনে সৃজনশীল প্রক্রিয়াৰ সামাজিক আৰু সহযোগিতামূলক স্বভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যেনে জন ষ্টেইনাৰ (২০০৬)-ৰ মতবাদ।
- **প্রতিপুষ্টি প্রদান আৰু গ্রহণঃ—** এইটোৱেই হৈছে আনৰ ধাৰণাত অৰিহণা যোগাব বিচৰাৰ প্রৱণতা আৰু নিজৰ ধাৰণা কেনেদৰে অধিক উন্নত কৰিব পাৰি সেই বিষয়ে আনৰ মতামত মনোযোগসহকাৰে গ্রহণ কৰাৰ মানসিকতা।
- **উপযুক্তভাৱে সহযোগকৰণঃ—** সৃজনশীল ব্যক্তিয়ে আনৰ সৈতে উপযুক্তভাৱে সহযোগিতা কৰে। ইয়াৰ অর্থ হ'ল, প্রয়োজন অনুসৰি সহযোগিতামূলকভাৱে কাম কৰা, সদায় নহয়।

- **শৃখলাবদ্ধতাঃ—** সৃষ্টিশীলতাৰ 'সপোনময়' বা কল্পনাপ্রসূত দিশটোৰ সৈতে ভাৰসাম্য ৰক্ষা কৰিবলৈ সৃষ্টিশীল সামগ্রী গঢ় দিয়াৰ ক্ষেত্রত জ্ঞান আৰু দক্ষতাৰ বিশেষ প্রয়োজন হয়।
- **কৌশল বিকশিত কৰাঃ—** আগতে আয়ত্ত কৰা বা নতুন কৌশলসমূহ উন্নত কৰিবলৈ সৃজনশীল ব্যক্তিয়ে নিয়মিত অনুশীলন কৰে। ইয়াৰ অর্থ হৈছে সৃজনশীল প্রচেষ্টাৰ ক্ষেত্রত সময় আৰু পৰিশ্রমৰ যথাযথ প্রয়োগ।
- **জটিল প্রতিফলনঃ—** এবাৰ চিন্তাধাৰাসমূহ গঢ় লৈ উঠিলে, সেইবোৰৰ মূল্যায়ন কৰাৰ প্রয়োজন হয়। এই প্রক্রিয়াক "অপসৰণ" বুলি কোৱা হয়। ইয়াৰ বাবে উপযুক্ত সিদ্ধান্ত গ্রহণ কৌশলৰ প্রয়োজন হয়।
- **কাৰিকৰী আৰু উন্নতকৰণঃ—** ই হৈছে এজন ব্যক্তিৰ নিজৰ কর্মৰ প্রতি গৌৰৱবোধ। ব্যক্তিজনে সূক্ষ্ম দিশসমূহৰ প্রতিও মনোযোগ দিয়ে, ভুলসমূহ সংশোধন কৰে আৰু সমগ্র প্রকল্পটো যিদৰে হ'ব লাগে ঠিক সেইদৰে নিখুঁতভাৱে সম্পন্ন কৰিবলৈ চেষ্টা কৰে।

চিত্র ১৪.১-এ শিক্ষকসকলক ছাত্র-ছাত্রীৰ অভ্যাসসমূহ ৰৈখিকভাৱে উপস্থাপন কৰাৰ সুবিধা দিয়ে। ইয়াৰ জৰিয়তে সৃজনশীল চিন্তাধাৰাৰ এক গঠনমূলক মূল্যায়ন সম্ভৱ হয়। ছাত্র-ছাত্রীসকলে নিজৰ সৃজনশীল অভ্যাসৰ আত্ম-মূল্যায়নৰ বাবে এই আহিলা ব্যৱহাৰ কৰে। আহিলাটো সঠিকভাৱে ব্যৱহাৰ কৰিবৰ বাবে শিক্ষক আৰু ছাত্র— উভয়কে সহায়ক সামগ্রী, অনলাইন উপস্থাপন আৰু ভিডিঅ'ভিত্তিক ব্যাখ্যা প্রদান কৰা হয়। এই সামগ্রীসমূহত সৃজনশীলতা কেনেদৰে গঢ়ি উঠে, মূল্যায়ন কিয় উপযোগী আৰু আহিলাটো কেনেদৰে ব্যৱহাৰ কৰিব লাগে— সেই বিষয়সমূহ ব্যাখ্যা কৰা হয়।

অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৯ : সৃজনশীল সামর্থৰ নির্দেশক হিচাবে থকা বিভিন্ন কাৰকবোৰ কি কি ?

প্রশ্ন ১০ : FDMC ত উল্লেখ থকা পাচটা মৌলিক সৃজনশীল অভ্যাস লিখক।

১৪.৭ আমি কি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আমি তলত উল্লেখিত মূল দিশসমূহ লিখিব পাৰোঁ—

- সৃজনশীলতা হৈছে ধাৰণাসমূহৰ সৃষ্টি, মূল্যায়ন আৰু উন্নয়নৰ ক্ষেত্রত ফলপ্রসূভাৱে জড়িত হোৱাৰ ক্ষমতা, যাৰ ফলত নতুন আৰু উপযোগী ধাৰণাৰ উদ্ভৱ ঘটে আৰু নতুন সম্পর্ক স্থাপন হয়।

- সৃজনশীলতাক এনে এক বৌদ্ধিক কার্য হিচাপে গণ্য কৰা হয়, যিয়ে সমস্যাৰ একাধিক বিকল্প সমাধান আগবঢ়ায়; ই কেৱল বৌদ্ধিক আৰু যৌক্তিক দিশত সীমাবদ্ধ একমাত্র সমাধানত আবদ্ধ নাথাকে।
- Wallas ৰ স্তৰভিত্তিক আৰ্হি অনুসৰি সৃজনশীল প্রক্রিয়াৰ বিকাশ পাঁচটা স্তৰৰ মাজেৰে সংঘটিত হয়— প্রস্তুতি, উদ্ভাৱন, যোগাযোগ, অন্তর্মুখী চিন্তন আৰু পৰীক্ষণ।
- ইয়াত সৃজনশীলতাৰ চাৰিটা দিশ আছে— অনুকৰণ, স্থানান্তৰ, সংযোগ স্থাপন, পদ্ধতি বিকাশ।
- সৃজনশীলতাৰ ৮টা গুণাৱলী আছে— চাৰিটা সংজ্ঞানাত্মক আৰু চাৰিটা ভাৱাত্মক।
- সৃজনশীলতাৰ বৈশিষ্ট্যসমূহক চাৰিটা ভাগত বিভাজন কৰা হৈছে— ধাৰণা সৃষ্টি কৰা, ধাৰণাসমূহৰ গভীৰতালৈ অনুসন্ধান কৰা, মুক্তভাৱে আৰু সাহসেৰে নতুন ভাবধাৰা উদ্ভাৱন কৰা আৰু আনৰ আভ্যন্তৰীণ কণ্ঠ মনোযোগসহকাৰে শুনা।
- সৃজনশীলতাৰ আহিলা পৰিমাপণৰ ওপৰত ভিত্তি কৰি ইয়াক চাৰিটা প্রধান ভাগত ভগোৱা হৈছে— সংজ্ঞা, প্রক্রিয়া, উৎপাদন, ব্যক্তি আৰু ছপা মাধ্যম।
- সৃজনশীলতাৰ পৰিমাপণক সাধাৰণ ভাৱে তিনিটা বহল ভাগত ভাগ কৰা হৈছে— স্থিতি হিচাবে সৃজনশীলতাৰ পৰিমাপণ, স্তৰ হিচাবে সৃজনশীলতাৰ পৰিমাপণ আৰু শৈলী হিচাবে সৃজনশীলতাৰ পৰিমাপণ।
- লুকাচ, ক্লেচটন আৰু স্পেনচাৰে (২০১২) এক মূল্যায়ন কাঠামোৰ বিকাশ কৰিছিল, যাৰ জৰিয়তে সৃজনশীল চিন্তাধাৰাৰ পাঁচটা অভ্যাস আৰু পন্ধৰটা উপ-অভ্যাস চিনাক্ত কৰা হৈছিল।

১৪.৮ অধিক জানিবলৈ

1) Bruno-Faria, M., Fleith, D., Alencar, E. (2014): *Theory and Practice of Creativity Measurement.* United States: Sourcebooks.
2) Baer, J., Kaufman, J. C., Plucker, J. A. (2008): *Essentials of Creativity Assessment*, Germany: Wiley.
3) *Creative Thinking of School Students*. (2009): India: Discovery Publishing House.
4) *Handbook of Creativity*. (1999). United Kingdom: Cambridge University Press.
5) Spencer, E., Lucas, B. (2017): *Teaching Creative Thinking: Developing Learners who Generate Ideas and Can Think Critically*, United Kingdom: Crown House Publishing.

6) Spencer, E., Claxton, G., Lucas, B. (2012): *Progression in Creativity - Developing New Forms of Assessment: A Literature Review,* United Kingdom: Unknown Publisher.

7) Sarsani, M. R. (2006): *Creativity in Schools,* India: Sarup Book Publishers

১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীলতা হৈছে উদ্ভাৱন কৰা আৰু নতুন উপযোগী চিন্তাধাৰা উৎপন্ন কৰা সামৰ্থ।

২ নং প্ৰশ্নৰ উত্তৰঃ গৱেষকসকলে সৃজনশীলতাৰ ধাৰণাটো এনেদৰে দেখুৱাইছে— ক) সৃজনশীল ব্যক্তি, খ) সৃজনশীল প্ৰক্ৰিয়া, গ) সৃজনশীল উৎপাদন আৰু ঘ) সৃজনশীল পৰিৱেশ।

৩ নং প্ৰশ্নৰ উত্তৰঃ অভিসৰণশীল চিন্তাধাৰাই যুক্তি আৰু জ্ঞানৰ প্ৰয়োগৰ জৰিয়তে সম্ভাব্য ফলাফলসমূহৰ সংখ্যা সীমিত কৰে। আনহাতে, বিচ্ছিন্ন চিন্তাধাৰাই কোনো এটা সমস্যাৰ একাধিক সমাধান কল্পনা কৰে আৰু মৌলিক তথা অনন্য ধাৰণাৰ উদ্ভাৱন ঘটায়।

৪ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীল প্ৰক্ৰিয়া বিকাশৰ পাঁচটা স্তৰ হৈছে— প্ৰস্তুতি, উদ্ভাৱন, যোগাযোগ, অন্তমুৰ্খী আৰু পৰীক্ষণ।

৫ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীলতাৰ সংজ্ঞানাত্মক গুণাৱলী হৈছে নমনীয়তা আৰু মৌলিকতা।

সৃজনশীলতাৰ আৱেগিক গুণাৱলী দুটা হৈছে— কৌতূহল আৰু কল্পনা।

৬ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীলতা পৰিমাপণৰ চাৰিটা অভিগমন হৈছে— প্ৰক্ৰিয়া অভিগমন, ব্যক্তি অভিগমন, উৎপাদন অভিগমন আৰু ছপা অভিগমন।

৭ নং প্ৰশ্নৰ উত্তৰঃ ব্যক্তিত্বৰ সংলক্ষণৰ পৰিমাণৰ সৈতে জড়িত দুটা আহিলা হৈছে—

- আপুনি কেনেদৰে ভাবে ? (HDYT, Davis S Subkoviak 1975)
- সৃজনশীল ব্যক্তিত্বৰ কাঠী (CPS, Gough 1979)

৮ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীলতাক উৎসাহিত কৰা বিদ্যালয় পৰিৱেশৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল— ভৌতিক পৰিৱেশ আৰু শৈক্ষিক পৰিৱেশ।

৯ নং প্ৰশ্নৰ উত্তৰঃ সৃজনশীল সামৰ্থ্যৰ নিৰ্দেশকসমূহ হ'ল— সংজ্ঞানাত্মক, জ্ঞানমূলক আৰু পৰিৱেশীয় কাৰক।

১০ নং প্ৰশ্নৰ উত্তৰঃ FDMC-এ চিনাক্ত কৰা পাঁচটা মৌলিক সৃজনশীল অভ্যাস হ'ল— কৌতূহল, কল্পনাপ্ৰসূত চিন্তাধাৰা, স্থিৰতা, সহযোগিতামূলক মনোভাৱ আৰু শৃংখলাবদ্ধতা।

১৪.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১. সৃজনশীলতা শব্দটোৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২. সৃজনশীল প্ৰক্ৰিয়া বিকাশৰ পাঁচটা স্তৰ বৰ্ণনা দিয়ক।

প্ৰশ্ন ৩. সৃজনশীলতা চাৰিটা দিশৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪. সৃজনশীল ব্যক্তিত্বৰ বৈশিষ্ট্যৰ তালিকা লিখক।

প্ৰশ্ন ৫. সৃজনশীলতা গুণাৱলী উল্লেখ কৰক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১. সৃজনশীলতাৰ প্ৰকৃতি সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ২. সৃজনশীলতাৰ সংজ্ঞাৰ চাৰিটা মূল শ্ৰেণীৰ ওপৰত ভিত্তি কৰি আহিলাৰ শ্ৰেণীবিভাজনৰ বাবে ব্যৱহৃত চাৰিটা পদ্ধতিৰ মাজত তুলনা কৰক।

প্ৰশ্ন ৩. স্থিতি হিচাবে সৃজনশীলতা, স্তৰ হিচাবে সৃজনশীলতা আৰু শৈলী হিচাবে সৃজনশীলতা পৰিমাপণৰ পদ্ধতিবোৰ আলোচনা কৰা।

প্ৰশ্ন ৪. লুকাচ, ক্লেক্সটন আৰু স্পেনচাৰে স্কুল শিক্ষাৰ ক্ষেত্ৰত বিকাশ কৰা মূল্যায়ন কাঠামোৰ প্ৰাসংগিক আৰু প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

*****

অধ্যায় ১৫ : মূল্যায়নৰ উন্মেষিত ধাৰা বা প্ৰৱণতা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ প্ৰশ্ন বেংক
১৫.৩.১ প্ৰশ্ন বেংকৰ ধাৰণা
১৫.৩.২ প্ৰশ্ন বেংকৰ উদ্দেশ্যবোৰ
১৫.৩.৩ প্ৰশ্ন বেংকৰ গঠন
১৫.৩.৪ প্ৰশ্ন বেংকৰ ব্যৱহাৰ
১৫.৪ গ্ৰেডিং ব্যৱস্থা
১৫.৪.১ গ্ৰেডিং ব্যৱস্থাৰ ধাৰণা
১৫.৪.২ গ্ৰেডিং ব্যৱস্থাৰ পদ্ধতিসমূহ
১৫.৪.৩ গ্ৰেডিং ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ
১৫.৫ ষান্মাসিক ব্যৱস্থা
১৫.৫.১ ষান্মাসিক ব্যৱস্থাৰ ধাৰণা
১৫.৫.২ ষান্মাসিক ব্যৱস্থাৰ উপাদানসমূহ
১৫.৫.৩ ষান্মাসিক ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ
১৫.৬ মূল্যায়নত কম্পিউটাৰৰ ব্যৱহাৰ
১৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো
১৫.৮ অধিক জানিবলৈ
১৫.৯ অগ্ৰগতিৰ খতিয়ান
১৫.১০ আৰ্হি প্ৰশ্নসমূহ

১৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- প্ৰশ্ন বেংকৰ ধাৰণা আৰু বিকাশ সম্পৰ্কে জানিব পাৰিব
- গ্ৰেডিং ব্যৱস্থাৰ অৰ্থ বুজিব পাৰিব
- গ্ৰেডিংৰ পদ্ধতি সম্পৰ্কে বুজিব পাৰিব

- গ্ৰেডিংৰ সুবিধা আৰু অসুবিধা সম্পৰ্কে জানিব পাৰিব
- ষান্মাসিক ব্যৱস্থাৰ ধাৰণা আৰু বিভিন্ন উপাদান সম্পৰ্কে জানিব পাৰিব
- গ্ৰেডিং সুবিধা আৰু অসুবিধাবোৰ জানিব পাৰিব
- মূল্যায়নত কম্পিউটাৰৰ ব্যৱহাৰ সম্পৰ্কে জানিব পাৰিব।

১৫.২ পৰিচয়

মূল্যায়ন হৈছে শিক্ষাৰ এক অবিচ্ছেদ্য অংশ। বৰ্তমান সময়ত, মূল্যায়ন পৰীক্ষাৰ ক্ষেত্ৰতে ব্যৱহৃত হয়। পৰীক্ষা আৰু পৰিমাপনৰ তুলনাত মূল্যায়মৰ ধাৰণাটো ব্যাপক। মূল্যায়নে প্ৰধানকৈ ব্যক্তিৰ গুণমান আৰু পৰিমাপনৰ সৈতে জড়িত কাৰকবোৰ অন্তৰ্ভূক্ত কৰে। পৰীক্ষাৰ ক্ষেত্ৰত থকা বিভিন্ন অসুবিধাবোৰ যেনে ঠেক আৰু নিৰ্ভৰযোগ্যতাৰ অভাৱ ফলত বৰ্তমান মূল্যায়নৰ ধাৰণাটো আহিছে। বৰ্তমান সময়ৰ বহুতো শিক্ষাবেদে মূল্যায়ন ব্যৱস্থাত উদ্ভাৱনমূলক পৰিমাপন ব্যৱহাৰ কৰি পৰীক্ষা ব্যৱস্থাটো বহুল কৰিছে। বৰ্তমান সময়ৰ পৰীক্ষাত এনেবোৰ উদ্ভাৱনমূলক পৰিমাপন সফলতাৰে প্ৰয়োগ কৰা হৈছে। এনেদৰে এই অধ্যায়টোত, আমি কিছুমান আহিলা যেনে প্ৰশ্ন বেংক, গ্ৰেডিং ব্যৱস্থা ষান্মাসিক ব্যৱস্থা আৰু মূল্যায়নৰ ক্ষেত্ৰত কম্পিউটাৰৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰিম।

১৫.৩ প্ৰশ্ন বেংক

শিক্ষাৰ ক্ষেত্ৰখনত প্ৰশ্নবেংক হৈছে এক গুৰুত্বপূৰ্ণ আহিলা। প্ৰায় প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে বিদ্যায়তনিক জীৱনত প্ৰশ্নবেংকৰ ব্যৱহাৰ কৰে। কেৱল ছাত্ৰ-ছাত্ৰীয়েই নহয়, শিক্ষকেও বিভিন্ন উদ্দেশ্যত প্ৰশ্নবেংকৰ ব্যৱহাৰ কৰে। বোৰ্ড বা বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অবতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰশ্নবেংক হৈছে অতি জনপ্ৰিয়।

১৫.৩.১ প্ৰশ্ন বেংকৰ ধাৰণা

প্ৰশ্নবেংক হৈছে পৰিসংখ্যাগতভাৱে সঠিক আৰু কাৰীকৰি মূল্য থকা প্ৰশ্নৰ সংকলন। প্ৰশ্নবেংকক আৰ্হি প্ৰশ্ন কাকত আৰু বিষয়ৰ বেংক বুলিও কোৱা হয়। এই প্ৰশ্নবেংকে এখন ভাল প্ৰশ্নকাকত নিৰ্বাচন কৰাত সহায় কৰে। কিছুমান পূৰ্বনিৰ্ধাৰিত উদ্দেশ্য পূৰণ কৰাৰ ক্ষেত্ৰত প্ৰশ্নবেংক হৈছে পৰীক্ষা বিষয়ৰ এক পৰিকল্পিত পুথিভঁৰাল। প্ৰশ্নবেংক এখন সযতনে প্ৰস্তুত কৰিব লাগে যাতে ই সমগ্ৰ নিৰ্ধাৰিত পৰীক্ষা সামৰি লব পাৰে। ই বিস্তৃত হ'ব লাগে আৰু বিভিন্ন ধৰণৰ সৈতে সমগ্ৰ বিষয়বস্তু সামৰি ল'ব লাগে। ই হৈছে নিৰ্ধাৰিত বিষয়ৰ প্ৰাসংগিক প্ৰশ্নবোৰৰ সংগ্ৰহ আৰু ই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক সহায় কৰিব লাগে।

এক উপযুক্ত পৰিকল্পনাৰ অন্ততহে এটা প্ৰশ্নবেংক প্ৰস্তুত কৰিব লাগে। উপযুক্তভাৱে বুজি পাবলৈ প্ৰশ্নবেংকৰ উদ্দেশ্য স্পষ্টকৈ দেখা পাব লাগে। যিবিলাক মানুহ আগ্ৰহী তেওঁলোকক প্ৰশ্নবেংকে সহায় আগবঢ়াব লাগে। ইয়াৰ বাবে উপযুক্তভাৱে প্ৰশ্নবোৰ বাচি উলিয়াব লাগে আৰু বিভিন্ন ভাগত ভাগ কৰিব লাগে।

বিষয়ৰ বেংক হৈছে পৰীক্ষাৰ বিষয়বস্তুৰ এক ভঁৰাল, যিটো পৰীক্ষা কৰিবলগীয়া কাৰ্য্যসূচীৰ অন্তৰ্গত আৰু লগতে সেই বিষয়বোৰৰ তথ্যৰ সৈতে সংযোজিত। বেছিভাগ পৰীক্ষা আৰু অভীক্ষাৰ ক্ষেত্ৰত, বিষয়বস্তুবোৰ বহুবিকল্প হিচাবে সজোৱা থাকে, কিন্তু যিকোনো গাঁথনি ব্যৱহাৰ কৰিব পাৰি। ৰুদনাৰৰ ভাষাত "বিষয়ৰ বেংক হৈছে অভীক্ষাৰ বেংকৰ সংগঠিত সংগ্ৰহীত বিষয়বস্তু যাক অভীক্ষাৰ বিকাশৰ বাবে পৰিমাপন কৰিব পাৰি।"

বি. এইচ্. চোপিনৰ মতে, "বিষয়বস্তু বা প্ৰশ্নবেংক হৈছে পৰীক্ষাৰ বস্তুৰ সংকলন সংগঠিত, শ্ৰেণীভূক্ত আৰু ক্ৰম অনুসৰি বিভিন্ন ধৰণৰ কৃতিত্ব আৰু অন্য ধৰণৰ মানসিক পৰীক্ষাৰ নিৰ্মাণৰ সুবিধাৰ বাবে তালিকভূক্ত কৰি।"

প্ৰশ্নবেংকৰ অৰ্থ আৰু সংজ্ঞাৰ আধাৰত, ইয়াৰ কিছুমান বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল—

- প্ৰশ্নবেংক প্ৰধানকৈ উপযুক্ত ভাৱধাৰা, উদ্দেশ্য আৰু মানৰ বিশেষ উদ্দেশ্য গ্ৰহণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে।
- ই ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতা আৰু জ্ঞানৰ পৰিসৰত থাকিব লাগে।
- প্ৰশ্নবেংক হৈছে এক অবিৰত প্ৰক্ৰিয়া।
- প্ৰশ্নবেংকে এক প্ৰত্যাহ্বান উপস্থাপন কৰিব লাগে যিয়ে উদ্দেশ্য আগত ৰাখি ব্যৱহাৰকাৰীৰ শৈক্ষিক প্ৰতিক্ৰিয়াত উদ্দীপনা যোগায়।
- প্ৰশ্নবেংকৰ এটা ভাৱধাৰা থাকিব লাগে। যদি ইয়াত বিভিন্ন দিশ থাকে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ খেলিমেলি হয়।
- প্ৰশ্নবেংক সদায় কাৰ্য্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিব লাগে।
- প্ৰশ্নবেংকে প্ৰশ্নৰ সংখ্যাৰ তাৰ উত্তৰৰ সৈতে ৰেকৰ্ড ৰাখে, সকলো ভাষাত তাৰ পাঠ্যক্ৰম বিভাগ আৰু স্তৰ অনুযায়ী এইবোৰ ৰখা হয়।
- প্ৰত্যেক প্ৰশ্নবেংক প্ৰধানকৈ যিকোনো বিশেষ পাঠ্যক্ৰম, স্তৰ, ভাষা, নিৰ্বাচিত বিভাগ আৰু প্ৰশ্নৰ ভাগৰ বাবে প্ৰস্তুত কৰা হয়।

১৫.৩.২ প্ৰশ্নবেংকৰ উদ্দেশ্যবোৰ

এক বিশেষ উদ্দেশ্য অবিহনে এক গুণমান সম্পন্ন কৰ্ম সম্ভৱ নহয়। প্ৰশ্নবেংকৰ কিছুমান উদ্দেশ্য আলোচনা কৰা হ'ল—

- প্ৰশ্নবেংকৰ এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়া উন্নত কৰা। প্ৰশ্নবেংক হৈছে এক গুৰুত্বপূৰ্ণ আহিলা যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকল লাভবান হ'ব পাৰে।
- প্ৰশ্নবেংকৰ অন্য এক উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিৰ নিৰীক্ষন কৰা। প্ৰশ্নবেংকৰ সহায়ত শিক্ষকে তেওঁলোকৰ নিৰ্দেশনামূলক প্ৰচেষ্টাৰ বিকাশ কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ বিকাশ কৰিব পাৰি।
- প্ৰশ্নবেংকৰ অন্য এক উদ্দেশ্য হৈছে শিক্ষা ব্যৱস্থাৰ মূল্যায়ন প্ৰক্ৰিয়াৰ উন্নীতকৰণ।
- ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ গঠনাত্মক আৰু সমষ্টিগত মূল্যায়নৰ বাবে প্ৰশ্নবেংক অনুমতি প্ৰদান কৰে।
- প্ৰশ্নবেংকৰ অন্য এক উদ্দেশ্য হৈছে শিক্ষা ব্যৱস্থাৰ পূৰ্ব নিৰ্ধাৰিত উদ্দেশ্য পৰীক্ষা কৰা। ই হৈছে ইতিমধ্যে প্ৰস্তুত হৈ থকা প্ৰশ্নৰ ভাণ্ডাৰ, যিবোৰ শিক্ষক আৰু পৰীক্ষাৰ্থীসকলে পূৰ্বনিৰ্ধাৰিত উদ্দেশ্যবোৰৰ পৰা উপযুক্তবোৰৰ পৰা উপযুক্ত প্ৰশ্ন নিৰ্বাচন কৰিব পাৰে।

১৫.৩.৩ প্ৰশ্ন বেংকৰ গঠন

প্ৰশ্ন বেংকৰ বিকাশৰ ক্ষেত্ৰত কিছুমান স্তৰ আছে। এই স্তৰবোৰ তলত আলোচনা কৰা হ'ল—

- **প্ৰশ্ন বেংকৰ ব্লুপ্ৰিণ্ট :** প্ৰশ্নবেংকৰ বিকাশ ঘটাবলৈ ইয়াৰ ব্লুপ্ৰিণ্ট প্ৰস্তুত কৰি লোৱাতো প্ৰয়োজন। যদি কাৰ্য্যসূচীৰ উদ্দেশ্য বিষয়বস্তুৰ প্ৰাসংগিক নহয়, যাৰ বাবে প্ৰশ্নৰ ভঁৰাল বিকাশ কৰা হৈছে, তেতিয়া ইয়াৰ ফলাফল বিশৃংখল হয়। ব্লুপ্ৰিণ্টে সদায় গুণমানৰ প্ৰশ্নবিকাশত সহায় কৰে।
- **প্ৰশ্নবোৰৰ লিখন :** প্ৰশ্নবেংক বিকাশৰ অন্য এক গুৰুত্বপূৰ্ণ স্তৰ হৈছে প্ৰশ্নৰ লিখন। প্ৰশ্নবেংকৰ বাবে প্ৰশ্নলিখোতে তলত উল্লেখিত দিশবোৰ মনত ৰাখিব লাগিব।
    - o প্ৰশ্নবোৰ বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰি লিখা হয়।
    - o প্ৰস্তুত হৈ থকা প্ৰশ্নবোৰ পুৰণি প্ৰশ্নকাকত, প্ৰতিমানীকৃত অভীক্ষা আৰু ভাল পাঠ্যপুথিৰ অনুশীলনীৰ পুনৰ বিন্যাসৰ পৰা লোৱা হয়। প্ৰশ্নৰ বিশেষত্বৰ বাবে উত্তৰ নমুনা, উদ্দেশ্য আৰু সূচী প্ৰদান কৰা হয়।
    - o নতুনকৈ গঠন কৰা প্ৰশ্ন পুনৰালোচনা কৰিবলৈ, কৰ্মশালা অনুস্থিত কৰি প্ৰশ্ন প্ৰস্তুত কৰ্তাবোৰক মাতিব লাগে। এনেধৰণৰ সময়ে প্ৰশ্নৰ বিষয়ে মুখামুখিকৈ আলোচনা কৰাত সহায় কৰে যাৰ ফলত ভাল প্ৰশ্ন প্ৰস্তুত হৈ উঠে। এনে কৰ্মশালাত, বিষয়বস্তুৰ অঞ্চল আৰু উদ্দেশ্য অংশগ্ৰণকাৰীক প্ৰদান কৰা হয় তেওঁলোকৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি।

- **প্ৰশ্নৰ নিৰ্বাচন :** প্ৰশ্নবোৰ লিখাৰ পিচত সেইবোৰ অন্য বিশেষজ্ঞ দললৈ তেওঁলোকৰ মতামতৰ বাবে প্ৰেৰণ কৰা হয়। যদি কিবা সংশোধন থাকে প্ৰশ্ন লিখা সকললৈ মতামত পঠোৱা হয়। আকৌ বিষয়ৰ বিশেষজ্ঞৰ সহায়ত অন্য প্ৰকাৰৰ প্ৰশ্ন নিৰ্বাচন কৰা হয়। এনে বিশেষজ্ঞ দলত বিষয়ৰ বিশেষজ্ঞ, শ্ৰেণী শিক্ষক আৰু মূল্যায়নৰ বিশষজ্ঞ থাকে। বিষয়ৰ বিশেষজ্ঞই প্ৰশ্নৰ বিষয়বস্তুৰ ওপৰত প্ৰামাণ্যতাৰ বিচাৰ আগবঢ়াব পাৰে। শ্ৰেণী শিক্ষকে বিশেষ স্তৰৰ বাবে প্ৰশ্ন সঠিক হয় নে তাৰ বিচাৰ কৰিব পাৰে আৰু মূল্যায়নৰ বিশেষজ্ঞই উদ্দেশ্যৰ আধাৰত প্ৰশ্নৰ গঠন উন্নত কৰাত সহায় কৰিব পাৰে।
- **প্ৰশ্নকাৰ্ডৰ প্ৰস্তুতি :** প্ৰশ্নৰ শেষৰ গঠনটো ডাঠ কাৰ্ডত (৮″×৫″) আকাৰত কৰা হয়। যদি এখনতকৈ বেছি কাৰ্ডৰ প্ৰয়োজন হয় তেন্তে কাৰ্যবোৰ বিভিন্ন ৰঙৰ হ'ব পাৰে আৰু যদি এখন কাৰ্ড লাগে তেতিয়া সেইখনৰ ৰঙ বগা হয়। কাৰ্ডৰ ৰঙে আখৰ অনুযায়ী প্ৰশ্নৰ চিনাক্তকৰণ কৰি সজোৱাত সহায় কৰে। প্ৰত্যেকখন কাৰ্ডে প্ৰশ্নৰ তথ্য কঢ়িয়ায়।
- **প্ৰশ্নৰ কোডিং :** প্ৰশ্নকাৰ্ডৰ প্ৰস্তুতিৰ পিচত, সেইবোৰক কোড কৰিব লাগে আৰু এনেদৰে ভাগ কৰিব লাগে এইবোৰৰ ব্যৱহাৰ সুচল হয়। কাৰ্ডৰ দ্ৰুত অৱস্থান আৰু সজাই পৰাই তোলাৰ বাবে ইয়াৰ প্ৰয়োজন। বিষয়, নিৰ্দেশাত্মক উদ্দেশ্য আৰু প্ৰশ্নৰ ধৰণৰ বাবে কোডিং কৰিব পাৰি। এইক্ষেত্ৰত ডিউইকেটেলগিডৰ দশমিক ব্যৱস্থাটো হৈছে আটাইতকৈ সুবিধাজনক ব্যৱস্থা।
- **প্ৰশ্ন পূৰ কৰা আৰু সংৰক্ষণ :** বিশেষ কাৰ্ডত লিখা কোড নম্বৰ চোৱাৰ পিছত প্ৰশ্ন কাৰ্ডবোৰ বাচি উলিওৱা হয় আৰু বিষয় অনুযায়ী সজোৱা হয়। সকলোবোৰ প্ৰশ্ন কাৰ্ড আৰু অন্য সামগ্ৰীবোৰৰ প্ৰতিলিপি ৰাখিব লাগে, যাতে তাৰ এটা প্ৰতিলিপি ব্যৱহাৰকাৰীয়ে প্ৰয়োজন হ'লে ব্যৱহাৰ কৰিব পাৰে। প্ৰকৃত প্ৰতিলিপি কাৰ্য্যালয় ব্যৱহাৰ আৰু প্ৰসংগৰ বাবে ৰাখিব লাগে।

১৫.৩.৪ প্ৰশ্ন বেংকৰ ব্যৱহাৰ

এটা ভালকৈ প্ৰস্তুত আৰু বিকাশ কৰা প্ৰশ্ন বেংক বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। এনে প্ৰশ্ন বেংকৰ ব্যৱহাৰ তলত দাঙি ধৰা হ'ল—

- প্ৰশ্ন বেংক প্ৰাক্-অভীক্ষাৰ বিকাশ, পুনৰালোচনা আৰু পাঠৰ পুনৰাবৃত্তিৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
- ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অৱসৰ সময়ত প্ৰশ্নবেংক ব্যৱহাৰ কৰি আত্মমূল্যায়ণ কৰিব পাৰে।
- পাঠ্যপুথিৰ পুনৰ অনুশীলনী প্ৰস্তুত কৰাৰ বাবে প্ৰশ্ন বেংক ব্যৱহাৰ কৰিব পাৰি।

- গোট পৰীক্ষা আৰু সময়ে সময়ে পতা পৰীক্ষা দলীয় প্ৰশ্ন দি আৰু নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ মূল্যায়ন কৰিব পাৰি।
- প্ৰশ্ন কাৰ্ড শ্ৰেণীৰ আদান-প্ৰদান বা কুইজৰ বাবেও ব্যৱহাৰ কৰিব পাৰি।
- ব্যক্তিগত শিক্ষকে প্ৰশ্ন বেংক ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পাঠৰ আসোৱাহ দূৰ কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ : প্ৰশ্ন বেংক হৈছে ..... প্ৰশ্নৰ সংগ্ৰহকৰণ।

প্ৰশ্ন ২ : প্ৰশ্ন বেংকৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৩ : প্ৰশ্ন বেংকৰ তিনিটা ব্যৱহাৰ লিখক।

১৫.৪ গ্ৰেডিং ব্যৱস্থা

ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক পাৰদৰ্শিতা পৰিমাপনৰ বাবে গ্ৰেডিং অতি গুৰুত্বপূৰ্ণ। বৰ্তমান, মূল্যায়ন ব্যৱস্থা আৰু বিশেষকৈ পৰীক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰিবলৈ শিক্ষণৰ প্ৰতিটো স্তৰতে নম্বৰ সলনি গ্ৰেডিং ব্যৱস্থাৰ ব্যৱহাৰ কৰা হৈছে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ কাঠামো বা NCF (২০০৫) ত কোৱা হৈছে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু সামৰ্থ্য স্থিৰ কৰিবলৈ নম্বৰৰ সলনি গ্ৰেড ব্যৱহাৰ কৰিব লাগে।

১৫.৪.১ গ্ৰেডিং ব্যৱস্থাৰ ধাৰণা

'গ্ৰেড' শব্দটো লেটিন শব্দ 'গ্ৰ'ডাত'ৰ পৰা আহিছে, যাৰ অৰ্থ হৈছে 'স্তৰ' (Step)। গ্ৰেডিং সাধাৰণতে যিকোনো স্তৰ, শ্ৰেণী বা পদক্ষেপ বুজায়। গ্ৰেডিং হৈছে এক প্ৰক্ৰিয়া য'ত ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বনিৰ্ধাৰিত মানদণ্ড অনুসৰি ভাগ কৰা হয় আৰু ভুল শ্ৰেণীকৰণ কমাই অনাৰ লক্ষ্য ৰখা হয়। গ্ৰেডিংত ছাত্ৰ-ছাত্ৰীসকলক নিজ পাৰদৰ্শিতা আৰু দক্ষতাৰ ভিত্তিত কিছুমান সামৰ্থৰ দলত ভাগ কৰা হয়। ইয়াত বিশেষ কিছুমান চিহ্ন বা সংখ্যা ব্যৱহাৰ কৰা হয় যাৰ অৰ্থৰ সংজ্ঞা স্পষ্ট ভাৱে দিয়া হয় আৰু সেইবোৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে একেধৰণে বুজে। যিসকলে যোগাযোগ অৰ্থপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ কৰি তুলিবলৈ গ্ৰেডিংৰ ব্যৱহাৰ কৰে তেওঁলোক সকলোৰে বাবে গ্ৰেডিংৰ চিহ্নৰ অৰ্থ একে হ'ব লাগে। গ্ৰেডিং প্ৰক্ৰিয়াটো বিভিন্ন বস্তুৰ ওপৰত নিৰ্ভৰ কৰে যেনে বিষয় বস্তুৰ প্ৰকৃতি, প্ৰশ্ন কাকতৰ জটিলতা আৰু ভিন্ন ধৰণৰ সামৰ্থসমূহ যেনে বৌদ্ধিক, শাৰীৰিক, আবেগিত, ব্যক্তিগত, সামাজিক ইত্যাদি, যিবোৰ আহিলাৰ দ্বাৰা মূল্যায়ন কৰা হয় আৰু মূল্যায়ন কাৰ্য্য নিখুত হোৱা প্ৰয়োজনীয়।

গ্ৰেডিঙৰ প্ৰক্ৰিয়াৰ সহায়ত শিক্ষকে শ্ৰেণীকোঠাৰ পৰীক্ষা আৰু গৃহ কাৰ্য্যৰ মূল্যায়ণ কৰে, ভাল শিক্ষকসকলে এই প্ৰক্ৰিয়াটো স্থাপন কৰা প্ৰসংগ আৰু গ্ৰেডক সামৰি থকা আৰু বিভিন্ন দৰ্শকৰ বাবে ইয়াৰ অৰ্থ নিৰ্ধাৰণ কৰে।

গ্ৰেডিঙে চাৰিটা ভূমিকা পালন কৰে—

- ই ছাত্ৰ-ছাত্ৰীৰ কাৰ্য্যৰ গুণমানৰ মূল্যায়ণ কৰে।
- ই ছাত্ৰ-ছাত্ৰী, লগতে কৰ্মচাৰী, স্কুলৰ স্নাতক আৰু অন্য সকলৰ সৈতে যোগাযোগ কৰে।
- ই ছাত্ৰই কেনেকৈ অধ্যয়ণ কৰে, ক'ত তেওঁলোকে গুৰুত্ব দিব লাগে আৰু পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হ'বলৈ অভিৰোচিত কৰে।
- ই নম্বৰৰ আদান প্ৰদান সংগঠিত কৰে, ওচৰত আনে আৰু শিক্ষক-শিক্ষাৰ্থীৰ ওপৰত মনোনিবেশ কৰে।

এইটো কোৱা যে নম্বৰৰ পৰিবৰ্তে গ্ৰেডিং হৈছে এক বিজ্ঞানসম্মত ব্যৱস্থা। গ্ৰেডক মূল্যৰ বিবৃতি বুলি বিবেচনা কৰা হয়। সেইবোৰ যোগ্যতাৰ তালিকাৰ দৰে। গ্ৰেড মানুহৰ শতাংশৰ সৈতে জড়িত। নম্বৰবোৰ হৈছে সংখ্যাৰ বিবৃতি আৰু গ্ৰেডিং হৈছে গুণৰ বিবৃতি। বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰক গ্ৰেজলৈ পৰিবৰ্তন কৰা হয় আৰু তাৰোপৰি বিভিন্ন বিষয়ৰ গ্ৰেডে Grade Ppoint Average (GPA) মূল্যৰ সৃষ্টি কৰে। সাধাৰণতে ৫ পইণ্ট বা ৭ পইণ্ট গ্ৰেড ক্ৰমাংক ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা মূল্যায়ন কৰাৰ বাবে ব্যৱহাৰ কৰা হয়।

উদাহৰণ স্বৰূপে—

৫ পইণ্ট গ্ৰেডৰ ক্ৰমাংক

গ্ৰেড	শ্ৰেণী	গ্ৰেড স্ক'ৰ
A	Very good	5
B	Good	4
C	Average	3
D	Poor	2
E	Very poor	1

৭ পইণ্ট গ্ৰেড ক্ৰমাংক

গ্ৰেড	শ্ৰেণী	গ্ৰেড স্ক'ৰ
O	সৰ্বোতকৃষ্ট	6
A	বেছি ভাল	5
B	ভাল	4
C	সাধাৰণ	3
D	মোটামোটি	2

E	দুৰ্বল	1
F	অনুতীৰ্ণ	0

১৫.৪.২ গ্ৰেডিং ব্যৱস্থাৰ পদ্ধতিসমূহ

বিভিন্ন পদ্ধতিবোৰ প্ৰয়োগ কৰি গ্ৰেডিং প্ৰদান নকৰিব পাৰি। গ্ৰেড গণনাৰ দুটা প্ৰধান পদ্ধতি তলত আলোচনা কৰা হ'ল—

প্ৰত্যক্ষ গ্ৰেডিং : প্ৰত্যক্ষ গ্ৰেডিং ব্যৱস্থাত অভীক্ষাৰ্থীয়ে দেখুওৱা পাৰদৰ্শিতা গুণমান দিশত মূল্যায়ণ কৰা হয়। ই হয়তো প্ৰশ্নৰ প্ৰতিক্ৰিয়াৰ আকাংখিত আচৰণৰ ধৰণৰ হ'ব পাৰে বা মূল্যায়ণ কৰিবলগীয়া কাৰ্য্যাৱলী হ'ব পাৰে বা বিশেষ কিছুমান আচৰণ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা নিৰ্দেশক হ'ব পাৰে যাক পৰীক্ষকে প্ৰত্যক্ষভাৱে আখৰৰ গ্ৰেড প্ৰকাশ কৰে। এই পদ্ধতিটো শিকনৰ সংজ্ঞানাত্মক বা অসংজ্ঞানাত্মক মূল্যায়নত লাভজনক ভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

পৰোক্ষ গ্ৰেডিং : এই পদ্ধতিটোত, নম্বৰবোৰ সাধাৰণভাৱে উত্তৰৰ সৈতে দিয়া থাকে। পিছত এই নম্বৰবোৰ গ্ৰেডলৈ পৰিবৰ্তন কৰা হয়। ইয়াক প্ৰধানকৈ দুটা পদ্ধতিৰে কৰা হয়, আপেক্ষিক গ্ৰেডিং আৰু নিৰপেক্ষ গ্ৰেডিং।

(ক) আপিজ্ঞিক গ্ৰেডিং: এই প্ৰকাৰৰ গ্ৰেডিঙত ছাত্ৰবোৰে অন্য ছাত্ৰবোৰে একে পৰীক্ষা বা অভীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত গ্ৰেড পায়। এই পদ্ধতিটোক মানদণ্ড প্ৰাসংগিক পদ্ধতি বুলিও জনা যায়। এই পদ্ধতিটোত ছাত্ৰ-ছাত্ৰীৰ গ্ৰেড সম্পূৰ্ণ দলটোৰ আপেক্ষিক গ্ৰেডৰ দ্বাৰা নিৰ্ধাৰিত কৰা হয়, অন্য নিৰপেক্ষ কৃতিত্বৰ মানৰ দ্বাৰা কৰা নহয়। কাৰণ গ্ৰেডিং আপেক্ষিক পাৰদৰ্শিতাৰ ভিত্তিত হয়, গ্ৰেড ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু দলৰ পাৰদৰ্শিতাৰ দ্বাৰা প্ৰভাৱিত হয়। আপেক্ষিক গ্ৰেডৰ প্ৰদানে মূলত ছাত্ৰ-ছাত্ৰীসকলক সামগ্ৰিক কৃতিত্বৰ ক্ৰমত স্থান নিৰ্ধাৰণ কৰে আৰু দলত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ স্থান অনুযায়ী আখৰৰ গ্ৰেড প্ৰদান কৰে। এনে স্থান এটা শ্ৰেণীৰ দলৰ স্থানত সীমাবদ্ধ থাকে বা একে পাঠ্যক্ৰমত বিভিন্ন শ্ৰেণীৰ দলৰ যৌথ বিতৰণত থাকিব পাৰে। এই অভিগমনৰ এটা সাধাৰণ সংস্কৰণ হৈছে সাধাৰণ বক্ৰৰ গ্ৰেডিং।

সাধাৰণ বক্ৰৰ গ্ৰেডিংৰ ক্ষেত্ৰত দুটা বেলেগ বেলেগ পদ্ধতি ব্যৱহাৰ কৰা হয়। সেইকেইটা হৈছে— প্ৰিফ্ৰিচ্ অনুপাতৰ অভিগমন আৰু প্ৰিফ্ৰিচ ব্যৱধাৰণৰ অভিগমন। প্ৰিফ্ৰিকচ্ অনুপাতৰ অভিগমনত, আখৰৰ গ্ৰেড প্ৰদান কৰাৰ আগতে প্ৰত্যেক গ্ৰেডৰে অনুপাত নিৰ্ধাৰণ কৰা হয়। উদাহৰণ স্বৰূপে, সাধাৰণ বক্ৰত যদি পাচটা গ্ৰেড পইণ্টৰ কাঠি ব্যৱহাৰ কৰা হয়, তেতিয়া 'A' আৰু 'F' সমান শতাংশ থাকিব আৰু 'B' আৰু 'D' বো থাকিব। এনেদৰে দলৰ সামৰ্থৰ স্তৰ অনুযায়ী, উচ্চ গ্ৰেডৰ অনুপাত নিম্ন গ্ৰেডৰ অনুপাতৰ সৈতে ভাৰসা÷Étা ৰখা হয়। তলত ইয়াৰ এটা উদাহৰণ দাঙি ধৰা হ'ল—

		A	B	C	D	E		
		7%	24%	38%	24%	7%		
	O	A	B	C	D	E	F	
	3%	7%	22%	36%	22%	7%	3%	
O	A+	A	B+	B	C+	C	D	E
4%	7%	12%	17%	20%	17%	12%	7%	4%

গড় দলততকৈ উচ্চ গড় দল গড় দলতকৈ নিম্ন

ওপৰৰ চিত্ৰৰ পৰা যিকোনো পৰীক্ষাৰ ৫ পইণঅট গ্ৰেড কাঠীৰ পৰা, 'A' গ্ৰেডৰ শ্ৰেণীত ৭০% উচ্চ নম্বৰৰ শিক্ষাৰ্থী অন্তৰ্ভূক্ত হয়, অন্য ২৪% শিক্ষাৰ্থী 'B' গ্ৰেডত, পিছৰ ৩৮% ছাত্ৰ-ছাত্ৰী 'C' গ্ৰেডৰ শ্ৰেণীত আৰু ২৪% ছাত্ৰ-ছাত্ৰী 'D' গ্ৰেডত আৰু ৭% ছাত্ৰ-ছাত্ৰী E গ্ৰেডত অন্তৰ্ভূক্ত হয়। ঠিক এনেদৰে ৭ পইণ্ট আৰু ৯ পইণ্টৰ গ্ৰেডৰ কাঠীত ছাত্ৰ-ছাত্ৰী অন্তৰ্ভূক্ত কৰা হয়।

বক্ৰত গ্ৰেড প্ৰদানৰ অন্য এক পদ্ধতি হৈছে প্ৰিফ্ৰিকচ্ ব্যৱধান পদ্ধতি। ইয়াত, প্ৰথমে দলত ছাত্ৰ-ছাত্ৰীৰ নম্বৰৰ গড় আৰু মানক বিচ্যুতি উলিওৱা হয়। গড় আৰু মানক বিচ্যুতিৰ দ্বাৰা দলটোক বিভিন্ন ভাগত সমান ব্যৱধান ৰাখি ভগোৱা হয় আৰু একেবাৰে উৎকৃষ্টৰ পৰা তললৈ পাৰদৰ্শিতাৰ ভিত্তিত গ্ৰেড প্ৰদান কৰা হয়।

(খ) নিৰপেক্ষ গ্ৰেডিং: মূল্যায়নত ব্যৱহাৰ হোৱা অন্য গ্ৰেডিংৰ এক পদ্ধতি হৈছে নিৰপেক্ষ গ্ৰেডিং। এই গ্ৰেডিংক নিৰ্ণায়ক প্ৰাসংগিক পদ্ধতি বুলিও জনা যায়। ইয়াত, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ তুলনাৰ ওপৰত ভিত্তি কৰি নিৰপেক্ষ ভাৱে গ্ৰেড প্ৰদান কৰা হয়, য'ত সংশ্লিষ্ট কৰ্তৃপক্ষই ধাৰ্য্য প্ৰতিমানত পাৰদৰ্শিতা চোৱা হয়, স্কুল বা বোৰ্ডৰ আৰু পাৰদৰ্শিতাৰ মানদণ্ডক অগ্ৰাধিকাৰ দিয়া হয়। এই মানদণ্ড ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা কৃতিত্বৰ সৈতে জড়িত আৰু বিশেষভাৱে (ক) যি কাৰ্য্য কৰা হ'ব বা (খ) প্ৰদান কৰা অভীক্ষাত উত্তৰৰ বাবে লাভ কৰা নম্বৰ, যিটো শিকনৰ কাৰ্য্য স্পষ্টভাৱে দাঙি ধৰে। মানদণ্ড ভিত্তিক পদ্ধতিত, আপেক্ষিকতাকে পাৰদৰ্শিতাৰ মানৰ ওপৰত ভিত্তি কৰি আখৰৰ গ্ৰেড প্ৰদান কৰা হয়। যদি সকলো ছাত্ৰ-ছাত্ৰীকে উচ্চ স্তৰৰ স্থিৰ পাৰ্গতালিৰ প্ৰশিক্ষণ দিয়া হয় তেন্তে সকলো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ গ্ৰেড লাভ কৰিব। ইয়াত ছাত্ৰ-ছাত্ৰী কৃতিত্ব বা পাৰদৰ্শিতাৰ স্তৰ অনুযায়ী গ্ৰেড প্ৰদান কৰা হয়; অন্য ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাক চোৱা নহয়। শিক্ষণত পাৰ্গতালি লাভ কৰিবলৈ, নম্বৰৰ শতাংশ নিৰপেক্ষ মানদণ্ডত বহাব পাৰি। নম্বৰৰ প্ৰসাৰৰ ভিত্তিত প্ৰদান কৰা গ্ৰেড তলত দাঙি ধৰা হ'ল—

নম্বৰ প্ৰসাৰ	গ্ৰেড	গ্ৰেড পইণ্ট
৯১-১০০	A+	১০.০
৮১-৯০	A	৯.০

৭১-৮০	B+	৮.০
৬১-৭০	B	৭.০
৫১-৬০	C+	৬.০
৪১-৫০	C	৫.০
৩১-৪০	D	৪.০
০-৩০	E	—

গ্ৰেডিং পদ্ধতি ব্যৱহাৰ কৰিবলৈ হ'লে শিক্ষকে কৃতিত্ব বা পাৰদৰ্শিতাৰ স্তৰ সম্পৰ্কে জানিব লাগিব। তাৰোপৰি শিক্ষকৰ অভীক্ষাটো আৰু অভীক্ষা বিষয়বস্তুৰ প্ৰত্যেকটোৰে কঠিনতাৰ স্তৰ সম্পৰ্কে জ্ঞান থাকিব লাগিব।

১৫.৪.৩ গ্ৰেডিং ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ

গ্ৰেডিং পদ্ধতি ব্যৱহাৰৰ কিছুমান সুবিধা আৰু অসুবিধা আছে। তলত এইবোৰ দাঙি ধৰা হ'ল—

সুবিধাসমূহঃ—

- নম্বৰৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ বিভাজনত গ্ৰেডিং ভুল কমায়।
- ই উচ্চ স্থানত থকা সকলৰ মাজত থকা অসুবিধাজনক প্ৰতিযোগিতা হ্ৰাস কৰে।
- ই ছাত্ৰ-ছাত্ৰীৰ ওপৰত থকা সমাজৰ চাপ কমায়।
- শিক্ষাৰ্থীসকলে সুবিধা অনুভৱ কৰিবলৈ নমনীয় শিকন পৰিৱেশ প্ৰদান কৰে।
- ই শিকন চাপ মুক্ত আৰু উপভোগযোগ্য কৰি তোলে।

অসুবিধাসমূহঃ—

- ই ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ ভাব নানে।
- ই প্ৰকৃত পাৰদৰ্শিতা আৰু জ্ঞান আহৰণৰ প্ৰতিনিধিত্ব নকৰে।
- ইয়াত ভুল শ্ৰেণীকৰণৰ সুবিধা থাকে যিয়ে শেষ নম্বৰৰ ক্ষেত্ৰত পাৰ্থক্য আনে।

সাধাৰণ মানুহৰ গ্ৰেডিং পদ্ধতিৰ ব্যাখ্যাৰ ওপৰত ধাৰণা নেথাকে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ : গ্ৰেডিঙৰ বুৎপত্তিগত অৰ্থ লিখক।

প্ৰশ্ন ৫ : গ্ৰেডিঙৰ ভূমিকা উল্লেখ কৰক।

প্ৰশ্ন ৬ : আপেক্ষিক আৰু নিৰপেক্ষ গ্ৰেডিঙৰ মাজৰ পাৰ্থক্য লিখক।

১৫.৫ ষান্মাসিক ব্যৱস্থা

বিশ্বায়নৰ পৃথিৱীত ষান্মাসিক পদ্ধতি হৈছে এক চাহিদা আৰু এতিয়া মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে এই পদ্ধতিলৈ পৰিবৰ্তন হৈছে। বছৰেকীয়া পদ্ধতিৰ পৰা ষান্মাসিকৰ পদ্ধতিলৈ পৰিবৰ্তন হৈছে এক কৌশলগত সিদ্ধান্ত যিহেতু ইয়াৰ বাবে গঠন, বাজেট, পাঠ্যক্ৰম আৰু সংশ্লিষ্ট মানুহবোৰ যেনে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু প্ৰশাসক আদিৰ যথেষ্ট পৰিবৰ্তন প্ৰয়োজনীয়।

১৫.৫.১ ষান্মাসিক ব্যৱস্থাৰ ধাৰণা

বুৎপত্তিগতভাৱে "Semester" শব্দটো জাৰ্মান ভাষাৰ পৰা আহিছে যাৰ অৰ্থ হ'ল এটা বছৰৰ আধা। ইয়াৰ অৰ্থ হ'ল এটা বিদ্যায়তনিক বৰ্ষক দুটা ভাগত ভাগ কৰা। অক্সফোৰ্ড অভিধানে 'Semester'ৰ অৰ্থ এনেদৰে দাঙি ধৰিছে– "ই হৈছে ছয় মাহৰ সময়, বিশেষকৈ জাৰ্মানৰ বিশ্ববিদ্যালয় আৰু আমেৰিকাৰ কিছুমান মহাবিদ্যালয়ৰ আধা বছৰ।" ইয়াৰ পৰা এইটো স্পষ্ট যে ষান্মাসিকে বিদ্যায়তনিক বৰ্ষটোক দুটা ভাগত ভাগ কৰে। বিদ্যায়তনিক বৰ্ষৰ ভাগে পাঠ্যক্ৰমকো পৰিবৰ্তন কৰে (এবছৰৰ পৰিবৰ্তে) আৰু সেইবাবে চূড়ান্ত পৰীক্ষাবোৰ দুবাৰকৈ অনুষ্ঠিত হয়।

চিভি গুডে সম্পাদনা কৰা শিক্ষাৰ অভিধানৰ মতে, ষান্মাষিকৰ অৰ্থ হৈছে বিদ্যায়তনিক এটা বৰ্ষৰ আধা, সাধাৰণতে ৮ ৰ ১৬ সপ্তাহ। ষান্মাষিক ব্যৱস্থাৰ প্ৰধান লক্ষ্য হৈছে অবিৰত আৰু বিস্তৃত আৰু গবীৰ শিকনত গুৰুত্ব প্ৰদান কৰা যাতে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু মনোভাৱেৰে সমৰ্থ বৃদ্ধি পায় আৰু প্ৰত্যেক ক্ষেত্ৰতে ফলপ্ৰসু আৰু সমৰ্থবান নাগৰিক হ'ব পাৰে।

ষান্মাসিক পদ্ধতিটো কেৱল মাত্ৰ এটা পৰীক্ষা পদ্ধতি নহয় বৰং ই হৈছে এক শিক্ষা ব্যৱস্থা যিয়ে শিক্ষণতকৈ শিকনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। সহজ ভাষাত ই হৈছে শিক্ষাৰ শিক্ষাৰ্থীকেন্দ্ৰিক ব্যৱস্থা যিয়ে ছাত্ৰ-ছাত্ৰীক কঠোৰ নিয়মৰ মাজেৰে নিৰ্দেশনা প্ৰদান কৰাতকৈ তেওঁলোকৰ সামৰ্থ গঢ়াত গুৰুত্ব প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ বিশেষ শিকন উদ্দেশ্য আৰু ফলাফলৰ জৰিয়তে পাঠ্যক্ৰম তৈয়াৰ কৰা হয়। পাঠ্যক্ৰমৰ ভিত্তিত পাঠৰ সূচী, শিকনৰ কৌশল, পদ্ধতি আৰু শিকন প্ৰক্ৰিয়া, পৰিমাপন আৰু মূল্যায়নৰ পদ্ধতি ধাৰ্য্য কৰা হয়। বিশেষ দলৰ ছাত্ৰ-ছাত্ৰীৰ শিকন উদ্দেশ্যবোৰ সমাধান কৰিবলৈ, শিক্ষকৰ স্বায়ত্ব শাসন আৰু পৰীক্ষা/অভীক্ষাকে ধৰি বিভিন্ন পদ্ধতিৰ জৰিয়তে মূল্যায়নৰ আভ্যন্তৰীণ ব্যৱস্থা ষান্মাসিক ব্যৱস্থা ৰূপায়ণৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰে। ইয়াত, শিক্ষকৰ ভূমিকা প্ৰচলিত পদ্ধতিৰ কঠোৰ শিক্ষকে হোৱাতকৈ এগৰাকী সুবিধা প্ৰদানকাৰীহে হোৱা উচিত।

১৫.৫.২ ষান্মাসিক ব্যৱস্থাৰ উপাদানসমূহ

ষান্মাসিক ব্যৱস্থাৰ প্ৰধান উপাদানবোৰ তলত বৰ্ণনা কৰা হ'ল—

- বিদ্যায়তনিক বৰ্ষক দুটা ভাগত ভগোৱা হয় ১৬-১৮ সপ্তাহ অৰ্থাৎ কৰ্মদিন ৯০-১০০ (৫০০-৬০০ ঘণ্টা)।
- ষান্মাসিক অনুসৰি প্ৰচলিত পাঠ্যক্ৰমক পুনৰ সংগঠন কৰা হয়।
- ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা আৰু ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি, এই পাঠ্যক্ৰমত বিষয় নিৰ্বাচনত নমনীয়তা থাকে।
- বিভিন্ন ষান্মাসিকত লাভ কৰা ক্ৰেডিতবোৰ আগবঢ়াই নিয়াৰ সুবিধা থাকে।
- নিৰ্দেশাত্মক প্ৰযুক্তিবোৰৰ সংস্কাৰ কৰা হয়।
- তাত্ত্বিক পাঠ্যক্ৰমৰ প্ৰত্যেক সপ্তাহৰ নিৰ্দেশনা এটা ষান্মাসিকত ১৫ ঘণ্টা থাকে যাৰ বাবে ১ ক্ৰেডিট থাকে আৰু ব্যৱহাৰিক পাঠ্যক্ৰমত ২১ ঘণ্টাত ১ ক্ৰেডিট থাকে।
- এটা ষান্মাসিকত প্ৰায় ১০৮ ক্ৰেডিটৰ পাঠ্য ভৰোৱা হয়, য'ত অবিৰত আৰু বিস্তৃত বাহ্যিক মূল্যায়ন, সময়ে সময়ে পৰীক্ষা আৰু প্ৰয়োজন অনুযায়ী প্ৰতিকাৰমূলক নিৰ্দেশনা অন্তৰ্ভুক্ত থাকে যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতাৰ এক অনুকুল স্তৰ এটা পাব পাৰে।
- এবছৰীয়া পাঠ্যক্ৰমটো দুটা ষান্মাসিকত দুবছৰীয়া পাঠ্যক্ৰম চাৰিটা ষান্মাসিকত ভাগ কৰা হয়। সাধাৰণতে, ষান্মাসিক পদ্ধতিত, ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ অধা পঢ়ি পৰীক্ষাত বহে। পিছত তেওঁলোকে পৰৱৰ্তী পাঠ্যক্ৰম অধ্যয়ন কৰে আৰু পুনৰ পৰীক্ষাত বহে।

১৫.৫.৩ ষান্মাসিক ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ

ষান্মাসিক পদ্ধতিৰ সুবিধা আৰু অসুবিধা সম্পৰ্কে থকা মতামতবোৰ তলত দাঙি ধৰা হ'ল—

সুবিধাসমূহঃ—

- বিভিন্ন বিষয়ৰ পাঠ্যসূচীৰ পৰিমানবোৰ ষান্মাষিক ব্যৱস্থাত অনুপাতিক হয়।
- ই ছাত্ৰ-ছাত্ৰীক উপযুক্ত পথেৰে উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সহায় কৰে।
- ষান্মাসিক ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ উপাদান হোৱাৰ বাবে আবিৰত মূল্যায়নে ছাত্ৰ-ছাত্ৰীসকলক সমগ্ৰ পাঠ্যক্ৰমটোত পদ্ধতিগতভাৱে কাম কৰিবলৈ উৎসাহিত কৰে।
- নিৰ্ধাৰিত মূল্যায়ন আৰু কৰ্ম ক্ষমতা উন্নত কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি পায়।
- ষান্মাসিক পদ্ধতিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত সম্পৰ্ক বৃদ্ধি পায়।

- যান্মাসিক পদ্ধতিত পাৰদৰ্শিতাৰ পৰীক্ষাৰ ক্ষেত্ৰত উন্নত পদ্ধতি গ্ৰহণ কৰা হয়, এনেদৰে বস্তুনিষ্ঠ পৰীক্ষাৰ ব্যৱহাৰ বৃদ্ধি হয়।
- আন্তঃ মূল্যায়ণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণযোগ্য আহিলাৰ সচেতনতাৰ ক্ষেত্ৰত আলোচনাৰ সুবিধা পায়।

অসুবিধাসমূহঃ—

- এই দিশত শিক্ষক-শিক্ষার্থীৰ স্পষ্ট আৰু উপযুক্ত বোধৰ অভাৱ দেখা যায়।
- আন্তঃ মূল্যায়ণ হৈছে যান্মাষিক ব্যৱস্থাৰ এক অপৰিহার্য্য অংশ, ইয়াত পক্ষপাতিত্ব আৰু ব্যক্তিনিষ্ঠতাৰ সুযোগ থাকে।
- বেছিভাগ প্ৰশ্ন বস্তুনিষ্ঠ হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অনুমানতে বহুতো প্ৰশ্নৰ উত্তৰ লিখে।
- আন্তঃমূল্যায়ণত পক্ষপাতিত্ব কৰাৰ সুযোগ থাকে বাবে ই বিভিন্ন অনুষ্ঠানৰ মাজত এক অপ্ৰিয় প্ৰতিযোগিতাৰ সৃষ্টি কৰি তোলে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ : যান্মাষিক ব্যৱস্থা বা পদ্ধতি কি?

প্ৰশ্ন ৮ : যান্মাষিক পদ্ধতিৰ তিনিটা উপাদান লিখক।

১৫.৬ মূল্যায়ণত কম্পিউটাৰৰ ব্যৱহাৰ

শিক্ষার্থীক শিকনৰ মূল্যায়ণৰ ক্ষেত্ৰত কম্পিউটাৰে এক ফলপ্ৰসু আৰু দক্ষ ভূমিকা গ্ৰহণ কৰিব লাগে। কম্পিউটাৰে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পৰা বহুতো নতুন আহিলা শিক্ষকক প্ৰদান কৰে। কম্পিউটাৰে শিক্ষকক তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু শ্ৰেণীকোঠাৰ পাৰদৰ্শিতাৰ মূল্যায়ণ কৰাত সহায় কৰিব পাৰে। মূল্যায়ণত কম্পিউটাৰৰ ব্যৱহাৰ ডিজিটেল আহিলা অন্তর্ভূক্তিক বুজায়— গঠন, প্ৰদান, সংৰক্ষণ বা ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ণৰ কার্য্য, প্ৰতিক্ৰিয়া, গ্ৰেড বা প্ৰতিপুষ্টি আদিত।

জিঅ ফ্ৰি ক্ৰিপচ (২০১১) “Teacher’s Handbook on e Assesment” কৈছে ICT ভিত্তিক মূল্যায়ণ বহুতো আহিলাৰ ক্ষেত্ৰত লব পাৰি, যেনে প্ৰচলিত ডেস্কটপ কম্পিউটাৰ বা লেপটপ, সৰু যোগাযোগৰ আহিলা যেনে স্মার্ট মোৱাইল ফ’ন, ডিজিটেল আহিলা যেনে ipads বা ইলেকট্ৰনিক গেমিং আহিলা। কম্পিউটাৰ ভিত্তিক মূল্যায়ণে বিভিন্ন ফ’ৰমেট ব্যৱহাৰ কৰিব পাৰে, যিয়ে লিখিত তথ্য বা সুক্ষ্ম তথ্যৰ ফৰমেট, মাল্টিমিডিয়া ফৰমেট যেনে শব্দ, ভিডিঅ’ বা ছবি আদি অন্তর্ভূক্ত কৰে, ই জটিল ৰূপায়ণ বা খেলা অন্তর্ভূক্ত কৰিব পাৰে, ইয়াত ছাত্ৰ-ছাত্ৰীয়ে দলত বা ব্যক্তিগতভাৱে অন্তর্ভূক্ত কৰিব পাৰে আৰু ই বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সৈতে সমকালীন বা সময় নিৰপেক্ষ ভাৱে ঘটিব পাৰে।

শিক্ষকে মূল্যায়নৰ বিভিন্ন দিশৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰে। ইয়াৰে কিছুমান তলত দাঙি ধৰা হ'ল।

- শিক্ষকৰ মূল্যায়নৰ কার্য্যৰ গঠনৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰি, এইবোৰ ছাত্ৰ-ছাত্ৰীক দিবৰ বাবে আৰু সেইবোৰ ৰেকৰ্ড ৰখা, প্ৰতিপুষ্টি প্ৰদান আৰু শিক্ষার্থীক গ্ৰেড প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
- ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া বিশ্লেষণৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰি, ছাত্ৰ-ছাত্ৰীৰ গুণমানত প্ৰতিপুষ্টি প্ৰদানৰ বাবে আৰু তেওঁলোকৰ প্ৰতিপুষ্টিৰ প্ৰাসংগিকতাৰ বাবে আৰু লগতে বিভিন্ন সামর্থ থকা ছাত্ৰ-ছাত্ৰী পার্থক্য নির্ণয়ৰ ক্ষেত্ৰত।
- ছাত্ৰ-ছাত্ৰীয়ে বিকাশ কৰা বিভিন্ন ক্ষমতাসমূহ আৰু কৌশলসমূহ পৰীক্ষা কৰিবলৈ ICT ভিত্তিক মূল্যায়ন ব্যৱহাৰ কৰিব পাৰি।
- কেইটামান পক্ষই লেণ্টত্ৰিকভাৱে সম্পূর্ণ আৰু ৰেকডিং কৰাৰ বাবে উপযোগী নহ'বও পাৰে, কিন্তু প্ৰযুক্তি অধিক অত্যাধুনিক আৰু ব্যাপক হোৱাৰ লগে লগে এনে কামৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাইছে।
- বহুতো শাখাত, গৱেষণাগাৰৰ আহিলাবোৰ স্বয়ংক্ৰিয়ভাৱে কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত সময়ত ভৌতিক পাৰদর্শিতা ৰেকৰ্ড কৰিব পাৰে আৰু এইবোৰ মূল্যায়ণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰে। আমি সোনকালে এই স্তৰৰ প্ৰতি আগবাঢ়িব পাৰো য'ত আমাৰ কল্পনাই মূল্যায়নৰ কামৰ নক্সা কৰাত সীমিত কাৰক হ'ব।

কম্পিউটাৰৰ ব্যৱহাৰ দ্বাৰা মূল্যায়নৰ ক্ষেত্ৰত ক্ৰিষ্টাইন আৰু (২০১৩) দুটা ধাৰণাগতভাৱে পৃথক অভিগমন উলিয়াইছে। সেইকেইটা হৈছে—

- **কম্পিউটাৰ ভিত্তিক মূল্যায়ন (CBA) :** এই অভিগমনটো দুটা শতিকাতকৈ বেছি ব্যৱহাৰ হৈ আহিছে আৰু বর্তমান বহুবিকল্প পৰীক্ষাৰ উর্ধত গৈছে। ইয়াৰ লগত "Generation Re-invention" or "transformative" পৰীক্ষাত প্ৰশ্নবোৰ অধিক জটিলভাৱে একত্ৰিত কৰা হয় আৰু প্ৰকৃত সমস্যাৰ ক্ষেত্ৰত যাতে প্ৰধান ক্ষমতাবোৰৰ মূল্যায়ন কৰা হয় তাক লক্ষ্য ৰখা হয়। ইয়াৰ উপৰিও প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত, বিস্তৃত উত্তৰৰ ফৰমেট— বিনামূলীয়া পাঠ আৰু বক্তৃতা আদিবোৰ স্বয়ংক্ৰিয়ভাৱে নম্বৰ প্ৰদান কৰা হয়।

প্ৰযুক্তি বর্ধিত শিকন পৰিৱেশ : ই শিকন বিশ্লেষণৰ ওপৰত ভিত্তি কৰি মূল দক্ষতাসমূহৰ অধিক জটিল আৰু আচৰণগত মাত্ৰাসমূহৰ সন্নিবিষ্ট মূল্যায়নৰ বাবে এক আশাব্যঞ্জক পথ প্ৰদান কৰে। বর্তমান উপলব্ধ বিভিন্ন প্ৰযুক্তি বর্ধিত পৰিৱেশ, আহিলা আৰু ব্যৱস্থাই শিকন পৰিৱেশ পুনৰ সৃষ্টি কৰে যাৰ বাবে জটিল চিন্তা, সমস্যা সমাধান আৰু সহযোগী কৌশলবোৰৰ প্ৰয়োজন আৰু এনেদৰে জেনেৰিক দক্ষতা বিকাশৰ বাবে অনুমতি দিয়ে। এই পৰিৱেশৰ কিছুমানে শিক্ষক আৰু শিক্ষার্থীৰে পাৰদর্শিতাৰ মূল্যায়ণ, ভুল বুজা আদিৰ অনুমতি প্ৰদান কৰে আৰু তেওঁলোকৰ পৰা শিকে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ : CBA ৰ সম্পূৰ্ণ অৰ্থ কি ?

প্ৰশ্ন ১০ : মূল্যায়নত কম্পিউটাৰ ব্যৱহাৰৰ এটা উদ্দেশ্য লিখক।

১৫.৭ আমি কি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়নৰ পিছত—

- প্ৰশ্ন বেংকক আৰ্হি প্ৰশ্নকাকত আৰু বিষয়ৰ বেংক বুলিও কোৱা হয়।
- কিছুমান পূৰ্বনিৰ্ধাৰিত উদ্দেশ্য পূৰণ কৰাৰ ক্ষেত্ৰত প্ৰশ্ন বেংক হৈছে পৰীক্ষা বিষয়ৰ এক পৰিকল্পিত পুথিভঁৰাল। প্ৰশ্নবেংক এখন সযতনে প্ৰস্তুত কৰিব লাগে যাতে ই সমগ্ৰ নিৰ্ধাৰিত পৰীক্ষা সামৰি ল'ব পাৰে।
- প্ৰশ্ন বেংক প্ৰধানকৈ উপযুক্ত ভাৱধাৰা, উদ্দেশ্য আৰু মনৰ বিশেষ উদ্দেশ্য গ্ৰহণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে।
- প্ৰশ্ন বেংকে এক প্ৰত্যাহ্বান উপস্থাপন কৰিব লাগে, যিয়ে উদ্দেশ্য আগত ৰাখি ব্যৱহাৰকাৰীৰ শৈক্ষিক প্ৰতিক্ৰিয়াত উদ্দীপনা যোগায়।
- প্ৰশ্ন বেংকৰ এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি নিৰীক্ষণ কৰা। প্ৰশ্ন বেংকৰ সহায়ত শিক্ষকে তেওঁলোকৰ নিৰ্দেশনামূলক প্ৰচেষ্টাৰ বিকাশ কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীৰ সমৰ্থ বিকাশ কৰিব পাৰি।
- প্ৰশ্ন বেংকৰ বিকাশৰ ক্ষেত্ৰত কিছুমান স্তৰ আছে— প্ৰশ্ন বেংকৰ ব্লুপ্ৰিণ্ট, প্ৰশ্নৰ নিৰ্বাচন, প্ৰশ্নকাৰ্ডৰ প্ৰস্তুতি, প্ৰশ্নৰ কোডিং, প্ৰশ্ন পূৰ কৰা আৰু সংৰক্ষণ।
- গ্ৰেডিং হৈছে এক প্ৰক্ৰিয়া য'ত ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বনিৰ্ধাৰিত মানদণ্ড অনুসৰি ভাগ কৰা হয় আৰু ভুল শ্ৰেণীকৰণ কমাই অনাৰ লক্ষ্য ৰখা হয়।
- গ্ৰেডিং প্ৰক্ৰিয়াটো বিভিন্ন বস্তুৰ ওপৰত নিৰ্ভৰ কৰে যেনে বিষয়বস্তুৰ প্ৰকৃতি, প্ৰশ্নকাকতৰ জটিলতা আৰু ভিন্ন ধৰণৰ সামৰ্থসমূহ যেনে বৌদ্ধিক, শাৰীৰিক, আবেগিক, ব্যক্তিগত, সামাজিক ইত্যাদি যিবোৰ আহিলাৰ দ্বাৰা মূল্যায়ন কৰা হয় আৰু মূল্যায়ন কাৰ্য্য নিখুত হোৱা প্ৰয়োজনীয়।
- প্ৰত্যক্ষ গ্ৰেডিং ব্যৱস্থাত অভীক্ষাৰ্থীয়ে দেখুওৱা পাৰদৰ্শিতা গুণমান দিশত মূল্যায়ণ কৰা হয়।
- এই প্ৰকাৰৰ গ্ৰেডিংত ছাত্ৰবোৰে অন্য ছাত্ৰবোৰে একে পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত গ্ৰেড পায়। এই পদ্ধতিটোক মানদণ্ড প্ৰাসংগিত পদ্ধতি বুলি জনা যায়।
- নিৰপেক্ষ গ্ৰেডিং বা নিৰ্ণায়ক প্ৰাসংগিক পদ্ধতি বুলিও জনা যায়। ইয়াত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ তুলনাৰ ওপৰত ভিত্তি কৰি নিৰপেক্ষভাৱে গ্ৰেড প্ৰদান কৰা হয়, য'ত সংশ্লিষ্ট কৰ্তৃপক্ষই ধাৰ্য্য কৰা

প্ৰতিমানত পাৰদৰ্শিতা চোৱা হয়, স্কুল বা বোৰ্ডৰ আৰু পাৰদৰ্শিতাৰ মানদণ্ডক অগ্ৰাধিকাৰ দিয়া হয়।

- ব্যুপত্তিগতভাৱে "Semester" শব্দটো জাৰ্মান ভাষাৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল এটা বছৰৰ আধা।
- ষান্মাসিক ব্যৱস্থাৰ প্ৰধান লক্ষ্য হৈছে অবিৰত আৰু বিস্তৃত আৰু গভীৰ শিকনত গুৰুত্ব প্ৰদান কৰা যাতে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু মনোভাবেৰে সামৰ্থ বৃদ্ধি পায় আৰু প্ৰত্যেক ক্ষেত্ৰতে ফলপ্ৰসু আৰু সমৰ্থবান নাগৰিক হ'ব পাৰে।
- এটা ষান্মাষিকত প্ৰায় ১০৮ ক্ৰেডিটৰ পাঠ ভৰোৱা হয়, য'ত অবিৰত আৰু বিস্তৃত বাহ্যিক মূল্যায়ণ, সময়ে সময়ে পৰীক্ষা আৰু প্ৰয়োজন অনুযায়ী প্ৰতিকাৰমূলক নিৰ্দেশনা অন্তৰ্ভূক্ত থাকে যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতাৰ এক অনুকূল স্তৰ এটা পাব পাৰে।
- ষান্মাসিক পদ্ধতিত পাৰদৰ্শিতাৰ পৰীক্ষাৰ ক্ষেত্ৰত উন্নত পদ্ধতি গ্ৰহন কৰা হয়, এনেদৰে বস্তুনিষ্ঠ পৰীক্ষাৰ ব্যৱহাৰ বৃদ্ধি হয়।
- কম্পিউটাৰে শিক্ষকক তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু শ্ৰেণীকোঠাৰ পাৰদৰ্শিতাৰ মূল্যায়ন কৰাত সহায় কৰিব পাৰে।
- মূল্যায়নত কম্পিউটাৰৰ ব্যৱহাৰে ডিজিটেল আহিলাৰ অন্তৰ্ভূক্তিক বুজায়— গঠন, প্ৰদান, সংৰক্ষণ বা ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ কাৰ্য্য, প্ৰতিক্ৰিয়া, গ্ৰেড বা প্ৰতিপুষ্টি আদিও।

১৫.৮ অধিক জানিবলৈ

- Aggarwal, J. C. (1997): *Essentials of Examination System*. New Delhi, Vikash Publishing House.
- Bhatia, K. K. (1995): *Measurement and Evaluation in Education*. Ludhiana, Prakash Parishad.
- Das Sarma & Kalita (2015): *Sikshat Parimapan, Mulyayan Aaru Parisankhyabignan,* Guwahati: Shanti Prakashan.
- Goswami, Marami (2015): *Educational Measurement and Evaluation.* Guwahati, Ashok Book Stall.
- Sharma, R. A. (2005): *Essentials of Measurement in Education and Psychology*, Meerut: R. Lall Book Depot.
- Talukdar, Dipankar (ed.) (2014): *Examination Reforms in Higher Education*, Guwahati: R. G. Baruah College.

১৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ সংগঠিত

২ নং প্ৰশ্নৰ উত্তৰঃ বি. এইচ. চৌপিনৰ মতে, "বিষয়বস্তু বা প্ৰশ্নবেংক হৈছে পৰীক্ষাৰ বস্তুৰ সংকলন, সংগঠিত, শ্ৰেণীভূক্ত আৰু ক্ৰম অনুসৰি বিভিন্ন ধৰণৰ কৃতিত্ব আৰু অন্য ধৰণৰ মানসিক পৰীক্ষাৰ নিৰ্মাণৰ সুবিধাৰ বাবে তালিকাভূক্ত কৰা।"

৩ নং প্ৰশ্নৰ উত্তৰঃ প্ৰশ্ন বেংক ব্যৱহাৰৰ তিনিটা উদ্দেশ্য হৈছে—

- প্ৰশ্ন বেংক প্ৰাক্ অভীক্ষা, বিকাশ, পুনৰালোচনা আৰু পাঠৰ পুনৰাবৃত্তিৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
- ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অবসৰ সময়ত প্ৰশ্ন বেংক ব্যৱহাৰ কৰি আত্মমূল্যায়ণ কৰিব পাৰে।
- পাঠ্যপুথিৰ পুনৰ অনুশীলনী প্ৰস্তুত কৰাৰ বাবে এই প্ৰশ্ন বেংক ব্যৱহাৰ কৰিব পাৰি।

৪ নং প্ৰশ্নৰ উত্তৰঃ 'Grade' শব্দটো লেটিন শব্দ 'Gradus' পৰা লোৱা হৈছে, যাৰ অৰ্থ হৈছে স্তৰ (Step)।

৫ নং প্ৰশ্নৰ উত্তৰঃ গ্ৰেডিং চাৰিটা ভূমিকা হৈছে—

- ই ছাত্ৰ-ছাত্ৰীৰ কাৰ্য্যৰ গুণমানৰ মূল্যায়ন কৰে।
- ই ছাত্ৰ-ছাত্ৰী, লগতে কৰ্মচাৰী, স্কুলৰ স্নাতক আৰু অন্যসকলৰ সৈতে যোগাযোগ কৰে।
- ই ছাত্ৰই কেনেকৈ অধ্যয়ন কৰে, ক'ত তেওঁলোকে গুৰুত্ব দিব লাগে আৰু পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হ'বলৈ অভিৰোচিত কৰে।
- ই নম্বৰৰ আদান-প্ৰদান সংগঠিত কৰে, ওচৰত আনে আৰু শিক্ষক-শিক্ষাৰ্থীৰ ওপৰত মনোনিবেশ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰঃ আপেক্ষিক গ্ৰেডিঙত অন্য ছাত্ৰ-ছাত্ৰীক কৃতিত্ব বা পাৰদৰ্শিতা প্ৰয়োজনীয় অন্যহাতে নিৰপেক্ষ গ্ৰেডিঙত ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব বা পাৰদৰ্শিতাৰ স্তৰ অনুযায়ী গ্ৰেড প্ৰদান কৰা হয়, অন্য ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা বা কৃতিত্ব চোৱা নহয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ অক্সফোৰ্ড অভিধানে 'Semester' ৰ অৰ্থ এনেদৰে দাঙি ধৰিছে— "ই হৈছে ছয় মাহৰ সময়, বিশেষকৈ জাৰ্মান বিশ্ববিদ্যালয় আৰু আমেৰিকাৰ কিছুমান মহাবিদ্যালয়ৰ আধা বছৰ।" ইয়াৰ পৰা এইটো স্পষ্ট যে ষান্মাষিকে বিদ্যায়তনিক বৰ্ষটোক দুটা ভাগত ভাগ কৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ ষান্মাসিক পদ্ধতিৰ তিনিটা উপাদান তলত দাঙি ধৰা হ'ল—

- বিদ্যায়তনিক বৰ্ষক দুটা ভাগত ভগোৱা হয় ১৬-১৮ সপ্তাহ অৰ্থাৎ কৰ্ম দিন ৯০-১০০ (৫০০-৬০০ ঘণ্টা)।
- ষান্মাসিক অনুসৰি প্ৰচলিত পাঠ্যক্ৰমক পুনৰ সংগঠন কৰা হয়।
- ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা আৰু ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি এই পাঠ্যক্ৰমত বিষয় নিৰ্বাচনত নমনীয়তা থাকে।

৯ নং প্ৰশ্নৰ উত্তৰঃ Computer Based Assessment

১০ নং প্ৰশ্নৰ উত্তৰঃ শিক্ষকৰ মূল্যায়ন কাৰ্য্যৰ গঠনৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰি, এইবোৰ ছাত্ৰ-ছাত্ৰীক দিবৰ বাবে আৰু সেইবোৰৰ ৰেকৰ্ড ৰখা, প্ৰতিপুষ্টি প্ৰদান আৰু শিক্ষাৰ্থীক গ্ৰেড প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

১৫.১০ আৰ্হি প্ৰশ্ন

ক) অতি মু প্ৰশ্ন

প্ৰশ্ন ১. গ্ৰেডিং কাক বোলে?

প্ৰশ্ন ২. প্ৰশ্ন বেংক কি?

প্ৰশ্ন ৩. GPA সম্পূৰ্ণকৈ লিখক।

প্ৰশ্ন ৪. ষান্মাসিক ব্যৱস্থা কি?

খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১. প্ৰশ্ন বেংকৰ বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ২. আপেক্ষিক গ্ৰেডৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ৩. গ্ৰেডিং ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ লিখক।

প্ৰশ্ন ৪. ষান্মাসিক ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১. এটা ভাল প্ৰশ্ন বেংকৰ বিকাশমূলক প্ৰক্ৰিয়া বৰ্ণনা কৰক।

প্ৰশ্ন ২. "মূল্যায়ন ব্যৱস্থাত গ্ৰেডিং অতি ফলপ্ৰসু" আলোচনা কৰক।

প্ৰশ্ন ৩. আপোনাৰ নিজৰ মতামতৰ ওপৰত ভিত্তি কৰি আমাৰ বিশ্ববিদ্যালয়ত ষান্মাসিক ব্যৱস্থা প্ৰয়োগৰ বিষয় আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪. মূল্যায়নৰ ক্ষেত্ৰত কম্পিউটাৰে কি ভূমিকা গ্ৰহণ কৰে? আলোচনা কৰক।

*****

প্রসংগ পুথি

1) Anastasi A. (1988): *Psychological Testing*, McMillan, New York.
2) *Anastasi,* Anne (*1982): Psychological testing,* Edition 5, Illustrated. Macmillan, The University of Michigan.
3) Asaad, Abubakar S. and Hailaya, Wilham M. (2004): *Measurement and Evaluation, Concepts and Principles*, 1st Ed. Manila, Rex Book Store, Philippines.
4) Asthana Bipin (2007): *Measurement and Evaluation in Psychology and Education*, 9th Ed. Vinod Pustak Mandir, Agra
5) Baron-Cohen, S., Wheelwright, S., Skinner, R., Martin, J., & Clubley, E. (2001): *The Autism-spectrum Quotient (AQ): Evidence from Asperger syndrome/high-functioning autism, males and females, scientists and mathematicians*, Journal of Autism and Developmental Disorders, 31, 5-17
6) Bean, K.L.: *Construction of Educational and Personal Tests*; McGraw Hill Book, Inc. New York
7) Berg, Kris E. and Latin, Richard Wayne (2008): *Essentials of Research Methods in Health, Physical Education, Exercise Science, and Recreation*, Lippincott Williams & Wilkins
8) Bloom, B.S. (1956): *Taxonomy of Educational Objectives, Handbook I, Cognitive Domain*, David McKay Co. Inc,New York.
9) Bloom, B.S. (1976): *Human characteristics and school learning*, McGraw-Hill, New York
10) Cronbach, L. J. (1990): *Essentials of psychological testing*, 5th edition, Harper Collins Publishers, New York
11) Ebel, R.L. and Frisbel, D.A. (1979): *Essential of Educational Measurement*, 3rd Ed., Prentice Hall of India, New Delhi.
12) Freeman, F.S. (1962): *Theory and Practice of Psychological Testing*, Holt, Rirehant & Winston, New York
13) Freeman, F.S. (1965): *Theory and Practice of Psychological Testing*, 3rd Edition, Oxford and IBH Publishing Co. Pvt. Ltd., New Delhi
14) Gupta, S.P. (2009): *Modern Measurement and Evaluations with Statistics,* Sharda Pustak Bhavan, Allahabad
15) Kelley, T. L. (1927): *Interpretation of educational measurements,* Macmillan, *New York*

16) L. J. (1990): Essentials of psychological testing,5th ed. Harper Collins Publishers: New York
17) Linn, R.L. and Gronlund, N.E. (1995): *Measurement and Assessment in Teaching*, 7th Edition. Prentice-Hall, New Jersey
18) Mehrens, W.A. and Lehmann, I.J. *(1962): Standardized tests in Education,* Holt, Rinehart and Winston, New York
19) Michael, A. Leonard (2016): *Characteristics of a Good Test*, Department of Library and Information Science, Delta State University, Abraka
20) NCERT (1963): *The Concept of Evaluations in Education*, New Delhi.
21) Newton, Paul & Shaw, Stuart (2014): *Validity in Educational and Psychological Assessment*, Sage Publications, London.
22) Nunnally. J. C. (1967): *Psychometric Theory*, McGraw-Hill, New York
23) Pradhan Hemant (1996): *Essentials of Educational Measurement, Evaluation and Statistics,* Saha Publishers and Distributers, Sambalpur
24) Safrit, Margaret J. And Wood, Terry M. (1995): *Introduction to Measurement in Physical Education and Exercise Science*, Mosby, Missouri
25) Sandfeord, Peter (1939): *The Educational Psychology on Objective Study*, Longmans Edition.
26) Sax, G. (1970): *Principle of Educational Measurement and Evaluation*, Wordsworth Pub. California.
27) Singh, A.K. (2006). *Tests, Measurements and Research Methods in Behavioural Sciences,* Patna: Bharati Bhavan.
28) Stanely, Julian C. & Ross, Clay Campbell (1964): *Measurement in today's schools*, 4th Edition, Prentice Hall
29) Stanley & Hopkins (1966): *Education and Psychological Measurement and Evaluation*, Prentice Hall Pvt. Ltd. Eaglewood Cliff, New Jersey
30) UGC, (1972): *Examination Reforms: A Plan of Actions*, New Delhi

****